# কটনিয়ান

কটন কলেজৰ বাৰ্ষিক মুখপত্ৰ

৮১ সংখ্যক প্ৰকাশ, ২০০৬-০৭ বৰ্ষ



সম্পাদক ঃ স্বৰাজ ফুকন

কটনিয়ান ঃ কটন কলেজৰ বাৰ্ষিক মুখপত্ৰ
কটন কলেজ একতা সভা, কটন কলেজ, গুৱাহাটী-০১ ৰ দ্বাৰা প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত।
**COTTONIAN :** The Annual Journal of Cotton College, published by Cotton College Union Society, Cotton College, Guwahati-01.

---

'কটনিয়ান' একাশী সংখ্যক প্ৰকাশৰ নেপথ্যত ঃ

উপদেষ্টা ঃ ড° ইন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, অধ্যক্ষ
ড° নন্দিতা ভট্টাচাৰ্য, উপাধ্যক্ষা

তত্ত্বাৱধায়ক ঃ ড° মহেশ্বৰ কলিতা

শিক্ষক সদস্য ঃ ড° দিলীপ কুমাৰ শৰ্মা
সুৰেশ কুমাৰ নাথ
মেৰী বৰুৱা
দিলীপ গগৈ

সম্পাদক ঃ স্বৰাজ ফুকন

ছাত্ৰ সদস্য ঃ উৎপল ঠাকুৰীয়া
তাপসজিৎ শইকীয়া
কেশৱানন্দ পেগু
শ্যামলজিৎ কছাৰী
গাৰ্গী ফুকন
কৃষ্ণা চৌধুৰী

বেটুপাতৰ শিল্পী ঃ দাদুল চলিহা

স্কেচ্ ঃ প্ৰীতম শৰ্মা

ডি টি পি, লে-আউট, ডিজাইন ঃ আখৰ প্ৰকাশ
টি এন বৰুৱা মাৰ্কেট, শিলপুখুৰী, গুৱাহাটী-৩
ফোন ঃ ৯৮৬৪০ ৭৮১৭৫

সামগ্ৰিক পৰিকল্পনা ঃ সম্পাদক

মুদ্ৰণ ঃ কালাৰ প্লাছ এডভাৰটাইজিং এণ্ড পাব্লিছিং
ৰাজগড় ৰোড, গুৱাহাটী- ৩
ফোন ঃ ০৩৬১ ২৪৬৩৪৬৯ (কাৰ্যালয়)
৯৮৬৪০ ৩৩৫২৯ (ম'বাইল)





## উছৰ্গা

*'Morality is only the art of going my own ends without becoming a crime.'*

নৈতিকতাৰ বিজয় ঘোষণাৰে, কলাৰ মহত্বৰে, জীৱনৰ মাধুৰ্যৰে, সভ্যতাৰ আলোকেৰে মানৱ সমাজ আলোড়িত কৰা পৃথিৱীৰ প্ৰত্যেকগৰাকী শিল্পীসুলভ মানৱদৰদী নৰ-নাৰীৰ মূল্যবান কৰ্ম আৰু আদৰ্শৰ প্ৰতি কৃতজ্ঞতাৰে এই সংখ্যাৰ 'কটনিয়ান' উছৰ্গা কৰা হ'ল।

## শ্ৰদ্ধাঞ্জলি



লহিওৱা বেলিয়ে আকাশত ফাঁকু ছটিয়ায়।
কাল বলুকাত পদচিহ্ন ৰৈ যায়
যন্ত্ৰৰ শলিতাই গৰিষ্ঠ আন্ধাৰ ভাঙি
পোহনায় অবিৰত পথ...

দেৱ কুমাৰ বৰদলৈ- শিক্ষক- কটন কলেজ; ভস্কৰুধৰ কাকতি- বিশিষ্ট লেখক, সাহিত্যিক; ৰাম গোস্বামী- সাহিত্যিক; কালীন্দ্ৰ কলিতা- ক্ষুদ্ৰ আলোচনী আন্দোলনৰ গুৰি ধৰোতা; সমৰেশ মজুমদাৰ- অসম আন্দোলনৰ গুৰি ধৰোতা; অমিত কুমাৰ নাগ- বিশিষ্ট সাংবাদিক; দেৱকান্ত কাকতি- প্ৰাক্তন আৰক্ষী বিষয়া; প্ৰফুল্ল চন্দ্ৰ গগৈ- অভিধান ৰচক, চিন্তাবিদ; শৈল বৰুৱা- অভিনেতা; প্ৰেমসিং ব্ৰহ্ম- বড়ো নেতা; প্ৰফুল্ল শৰ্মা- নাট্যপ্ৰাণ; অৰুণী হাজৰিকা- দক্ষ ক্ৰিকেটাৰ, ফুটবলাৰ; হেমাংগিনী বৰদলৈ- বিশিষ্ট চিত্ৰশিল্পী; কুমুদ গোস্বামী- বিশিষ্ট সাহিত্যিক লেখক, সমালোচক; লক্ষ্মী দত্ত- লেখক, সাংবাদিক; ৰামৰাজা সিংহ- আবাহন যুগৰ জনপ্ৰিয় সাহিত্যিক; শশীভূষণ চৌধুৰী- বিশিষ্ট শিক্ষাবিদ; বিষ্ণুৰাম উপাধ্যায় মুক্তিযুঁজাৰু, সাহিত্যিক; বাবুলাল কছৱীয়া- প্ৰযোজক ; দেৱেন্দ্ৰ নাথ বৰা- প্ৰাক্তন মন্ত্ৰী; তাৰিণী ৰাজবংশী- ওজাপালি শিল্পী; ভাস্কৰ বৰঠাকুৰ- ছাত্ৰসন্থাৰ নিষ্ঠাবান কৰ্মী; ড' অমৰেন্দ্ৰ কলিতা- বিশিষ্ট সাহিতিক আৰু আমাৰ অজ্ঞাতে যিসকলে ধূলিৰ ধৰণী এৰি পিন্ধিলে সৰগী পোছাক, সেইসকলৰ প্ৰতি---

আগলতি কলপাতত থৈ শ্ৰদ্ধাৰ থুৰিয়া তামোল
হৃদয়ৰ শংখধ্বনিৰে নিনাদিত কৰো নন্দিৰৰ ভেটি...

सत्यमेव जयते

Dr. Indra Kr. Bhattacharya
Principal, Cotton College
Guwahati - 781001
Assam.



Principal's Residence
Panbazar,
Guwahati - 781001
Tel. No. 2540715 (O)
2737138 (R)
9435195807
Fax No. 0361 - 2540715

# অধ্যক্ষৰ একাষাৰ

মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'কটনিয়ান' খনৰ ২০০৬-২০০৭ চনৰ সংখ্যাটো প্ৰকাশ হৈ ওলোৱাৰ লগে লগে ৮১ তম্ বৰ্ষ পূৰ্ণ কৰিলে। প্ৰতি বছৰে নিত্য নতুন ৰূপেৰে সজাই উলিওৱা 'কটনিয়ান'খনে ইতিহাস, জ্ঞান আৰু বিজ্ঞানৰ তত্ত্ব, মানৱীয় প্ৰকৰণ, সূক্ষ্ম অন্তৰ্দৃষ্টি আৰু বাস্তৱতাৰ ক্ৰম নিৰৱচ্ছিন্নভাৱে বোৱাই ৰখাত ব্ৰতী হৈ আছে। লগতে মহাবিদ্যালয়খনত অব্যাহত হৈ আছে সাহিত্য, কলা, বিজ্ঞানৰ এক অবিৰত যাত্ৰা— সময়ৰ অভিনৱ পথেৰে মানুহৰ প্ৰাথমিক সমস্যা, বৰ্তমানৰ সামাজিক সমস্যা আৰু ইয়াৰ সমাধানৰ ক্ষেত্ৰত 'কটনিয়ান'খনে সদায়েই এক অৰিহণা যোগাই আহিছে। ইতিহাসৰ পাত লুটিয়ালে দেখা যায় 'কটনিয়ান'খনে অসমৰ চিৰ বৈচিত্ৰ্যময় তথা চিৰ প্ৰৱাহিত ঐতিহ্যময় অসমীয়া সংস্কৃতিৰ যেন পৰ্যবেক্ষণত এক গধুৰ দায়িত্ব বহন কৰি আহিছে।

বৰ্তমান আমাৰ সমাজখনলৈ এক পাশ্চাত্যমুখী পৰিবেশৰ স্ৰোত প্ৰৱাহিত হ'বলৈ ধৰিছে। সময়ৰ প্ৰৱাহিনী গতিৰ মাজেৰে আমি আগবাঢ়ি যাবই লাগিব। এনে অৱস্থাত আমাৰ নতুন প্ৰজন্মৰ সাহিত্যিকসকলে পাশ্চাত্যৰ চিন্তাধাৰা আৰু যান্ত্ৰিক সভ্যতাৰ লগতে সমাজৰ মৌলিক উপাদানসমূহৰ সু-সমন্বয়ত গঢ়িব লাগিব এক সুস্থিৰ সামাজিক মূল্যবোধ। এই মূল্যবোধৰ ভেটিতেই গঢ় লৈ উঠিব ভৱিষ্যৎ অসমীয়া সমাজ। এখন সুস্থিৰ বৌদ্ধিক সমাজ সৃষ্টিত আৰু ইয়াৰ সৰ্বাংগীন উন্নতিত কটন মহাবিদ্যালয়খনে সদায়েই এক অগ্ৰণী ভূমিকা লৈ আহিছে। 'কটনিয়ান'ৰ পাতৰ মাজেৰে বহুতো সৃষ্টিশীল ব্যক্তিয়ে সাহিত্য সৃষ্টিৰ পাতনি মেলিছিল। ইয়াৰ মাজেৰে বহু সাহিত্যিকৰ স্বাধীন চিন্তাৰ প্ৰকাশ ঘটিছিল। মই আশাকৰোঁ অনাগত ভৱিষ্যতেও মহাবিদ্যালয়খনত সৃষ্টিৰ এই পৰম্পৰা অটুট থাকিব। সমৃদ্ধিশালী সৃষ্টিৰে উন্নত সাহিত্যৰ বিকাশ সাধন কৰিব— ন ন সৃষ্টিৰে এক সুন্দৰ সমাজ গঠনৰ পথত অগ্ৰসৰ হওক। ভৱিষ্যতলৈ সমাজতত্ত্বৰ বাবে আমাৰ মুখপত্ৰখন এখন লাগতিয়াল ছবি হৈ ৰওক।

ড° ইন্দ্ৰ কুমাৰ ভট্টাচাৰ্য
অধ্যক্ষ, কটন মহাবিদ্যালয়


Myriad Kaleidoscope
Eppur si mauve!
NAUNCES OF
COLOURS
melting pot
BREAKING BARRIERS
Birds of the same feather
flock together
The Bottomline....
Crack the code
The Middle path?...
coup d' etat
Radiated Adrenaline....
Chak De !
another brick in
THE WALL
Prism of Life
Unmorphed
Through
Time

# সম্পাদকীয়তে কৈশোৰমান স্বপ্নপথত



**সেই যৌৱন সৃষ্টিৰ মাধুৰ্য তোমাৰ হাতত ঃ-** ৰাষ্ট্ৰ অথবা জাতি, সমাজ অথবা ব্যক্তি- এই সকলোবোৰ বৰ্তি থাকে যোগ্য সময়ৰ যোগ্য পদক্ষেপত। সময় যে ধাৱমান, উৰি যায় যেন পাখিলগা কাঁড়। আমাৰ যৌৱনধাৰী যুব প্ৰজন্মই এই কথা জানিও কৰিছে কি? অনেকেই হয়তো সময়ৰ সদ্ব্যবহাৰ কৰিব জানিছে। কিন্তু সাম্প্ৰতিক প্ৰেক্ষাপটত উদ্ভাসিত হোৱা অধিকসংখ্যক যুৱকেই যেন সস্তীয়া মনোৰঞ্জনৰ খাতিৰত সময় কৰিছে নাশ। তেওঁলোকক আনন্দ লাগে, আৰাম লাগে। কিন্তু আনন্দৰ উৎস কেৱল ম'বাইল ফোন, টেলিভিছন, চি ডি, বাইক আদি হোৱাটো কিমান গ্ৰহণীয় সেয়াও ভাবি চাবলগীয়া। আকৌ বহু অসামাজিক আৰু আপত্তিজনক ঘটনা সঘনে ঘটিছে আমাৰ সমাজত। এনেকৈ হ'লে উত্তৰ প্ৰজন্ম বিভ্ৰান্ত হ'ব। বিভ্ৰান্ত হ'ব ভৱিষ্যত। আমি নিজে খান্দিব লাগিব নিজৰ কবৰ...

হে যৌৱন, সৃষ্টিৰ মাধুৰ্য তোমাৰ হাতত। তোমাৰ যৌৱনৰ আৰু সময়ৰ অপচয় ৰোধি যোগ্য সময়ত আগবঢ়ায় দিয়া তোমাৰ পদক্ষেপ।

**স্বপ্ন আৰু বাস্তৱৰ বিবাদমান পৃথিৱীত নৱপ্ৰজন্ম ঃ-**

(ক) আজিৰ নৱ প্ৰজন্মৰ স্বপ্নৰ পৰিণতি কি হ'ব পাৰে সেই জটিল প্ৰশ্ন সুধী সমাজলৈ এৰি দিছো। সুধীসমাজক প্ৰশ্ন কৰিও ক'বই লাগিব যে কুমলীয়া শিশুৰ পৰা যুৱকলৈকে স্বপ্ন স্থিত হৈ থাকে জাগ্ৰত প্ৰাণত। চিৰ শাশ্বত সেই স্বপ্নক এতিয়া আমি অনাদৰ-অৱহেলাৰে ক'লৈ দলিয়াই পেলাম সেই প্ৰশ্নৰো উত্থাপন কৰিছো। কাৰণ স্বপ্নৰেহে সূচনা কৰিব পাৰে সৌন্দৰ্যময় জীৱনৰ শুভযাত্ৰা। ইয়াৰ লহৰে মন-প্ৰাণ যিদৰে উদ্বেলিত কৰিব পাৰে, আনে নোৱাৰে। স্বপ্নৰ উমাল পৰশত স্বপ্নাবিষ্ট মনবোৰে গতি লাভ কৰিবলৈ বিচাৰিছে, বিচাৰিছে বাট। হৃদয়ক নচুৱাই যাব পৰা সেই মধুময় সময়ছোৱাতেই স্বপ্ন আৰু বাস্তৱৰ বিবাদমান পৃথিৱীত উপস্থিত হৈছে নৱপ্ৰজন্ম। তেনেহ'লে এইখন পৃথিৱীৰ পৰা কোনে পৰিত্ৰাণ দিব, কোনে শিকাব আমাক সফল জীৱনৰ পাঠ!

(খ) বিঘিনিশূন্য হোৱা হ'লে কিমান ভাল আছিল! কিমান সুন্দৰ হ'লহেঁতেন নতুনৰ স্বপ্ন! কিন্তু অকালতে সূৰ্যক ৰাহুৱে যেন কৰিছে গ্ৰাস। সেই বাবে তীব্ৰ আশংকাত অতিবাহিত হৈছে দিন-প্ৰতিদিন। এফালে যিসকলৰ বুকুত কুসুম কোমল স্বপ্নৰ মাদকতাই পাহি মেলে, আনফালে সেইসকলেই মুখামুখি হৈছে কঢ় বাস্তৱ [illegible] সৈতে। এখন যুদ্ধ হৈছে। সংঘাত হৈছে। হৃদয় আৰু মগজুৰ তমোময় সংঘাত।

[illegible] নৈতিক, ৰাজনৈতিক বাতাবৰণৰ কিছুমান অবান্তৰ আঘাতত স্বপ্নৰ ছন্দ যিদৰে হেৰাইছে, সেই অৰ্থত নৱপ্ৰজন্মৰ স্বপ্নইও পিন্ধিবলৈ [illegible] সাজ। সলনি হৈ গৈছে চিন্তা-চৰ্চা। প্ৰযুক্তিবিদ্যাৰ উপভোগ্য উপহাৰে, বিশ্বায়নৰ আগ্ৰাসনে মুগ্ধ কৰি পেলাইছে আমাক। আমাক [illegible] বিশ্বায়ন সকলো লাগে। কিন্তু তাৰ ধ্বংসকাৰী শক্তিৰ শাসনত আমি বশ হ'ব নালাগিব। এই শক্তিবোৰ জোৰেৰে আহিছে। নাৰীক [illegible] কৰিছে। নাৰীৰ দেহ প্ৰদৰ্শনৰ প্ৰতিযোগিতা দেখি দেখি নৱপ্ৰজন্ম বিভ্ৰান্ত হৈছে।

[illegible] জাতীয় ঐতিহ্য, গৌৰৱময় সভ্যতাৰ স্বৰ্ণ শিখা নিৰ্বাপিত হ'ল নেকি, পাপ-পুণ্যৰ বাচ-বিচাৰ নিপাত গ'ল নেকি! এনে অৱস্থাত কি হ'ব পাৰে [illegible]! কি হ'ব ভৱিষ্যত!

হে স্বপ্ন আৰু বাস্তৱৰ বিবাদমান পৃথিৱীৰ নৱপ্ৰজন্ম, বচোৱা বচোৱা, নিজক আৰু সমাজক।

**সহস্ৰ চিএঃৰ একেলগে ঃ-** যি সমাজ সহস্ৰ সমস্যাৰে আক্ৰান্ত সেই সমাজৰ প্ৰগতিও বিভ্ৰান্ত। আমি ভগ্ন দাপোনত মুখ চাই জীয়াই আছো। আমি সম্ভ্ৰান্ত প্ৰতিকৃতি গঢ়িবলৈ পাহৰিছো। গঠনৰ সৰঞ্জাম ভৰিৰে গছকি এৰি থৈ আহিছো। আদৰ্শহীন পৃথিৱীত ক'লৈ দৌৰিছো নাজানো। কিন্তু আমি য'ত ৰ'ব খোজো তাত ৰতাহ থাকিব লাগিব। বতাহত জীৱনে লহপহাব লাগিব। সেই আশাৰেই আমি জীৱনৰ আদৰ্শক বিসৰ্জন নিদিওঁ। সহস্ৰ সমস্যাক জীৱনাদৰ্শই জয় কৰিব পাৰিব লাগিব। সেইবাবে জীৱনৰ আদৰ্শক আহ্বান জনাই বাঢ়ি আহক সহস্ৰ চিএঃৰ একেলগে।

**লেছিং আৰু এটা সপোন :-** ২০০৭ চনৰ অক্টোবৰ মাহ। হঠাতে এটা খবৰে বিশ্বৰ বৌদ্ধিক পৰিমণ্ডল আলোড়িত কৰি গ'ল। ব্ৰিটিছ লেখিকা ড'ৰিছ লেছিঙে ২০০৭ বৰ্ষৰ সাহিত্যৰ ন'বেল বঁটা লাভ কৰিলে। বিশ্বৰ বাবে স্বাগতযোগ্য সেই খবৰে তৎকালীনভাৱে মনত এটা সপোন আঁকি দিলে। সপোনটো হৈছে— অসমীয়া সাহিত্যইও কোনোবা এদিন ন'বেল কঢ়িয়াব। পিচে সঁচা হ'বনে এই সপোন? সমকালৰ ঐতিহাসিক অভিজ্ঞতাই সমৃদ্ধ কৰা মহত্বপূৰ্ণ সৃষ্টিয়ে আমাৰ সাহিত্যৰ গৌৰৱ ঘোষণা কৰিবনে? মহৎ সাহিত্য নিৰ্মাণৰ বাবে বৈশিষ্ট্য লাগে। সমাজৰ বিশাল পৰিমণ্ডল জোকাৰি যাব পৰা ঘটনা লাগে। ভাৰতৰ মাটিত স্বাধীনতা সংগ্ৰাম আছিল তেনে এক ঘটনা। অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনো লাপিলুপা নাছিল। তথাপি তাৰ পৰা ন'বেল যোগ্য সৃষ্টি এতিয়ালৈকে পোৱা নাই। সমুদ্ৰৰ বিশাল বিস্তৃতি, বন্দৰৰ বিচিত্ৰ সমাগম আদি অসমৰ সাহিত্যিকে নেদেখে। প্ৰতিভাই মহৎ সৃষ্টিক ৰূপৰেখেৰে বাঞ্চিত কৰিব নোৱাৰি সীমাবদ্ধতাক স্বীকাৰ কৰি লোৱাৰ দৰে হৈছে নেকি? তথাপি সপোন দেখা অপৰাধ নহয়। সপোনৰ মধুৰতাত মগ্ন হওঁ এই বুলি যে এদিন অসমীয়া সাহিত্যই কঢ়িয়াব ন'বেল খ্যাতি।

**বন্ধত অতিষ্ঠ জীৱন :-** অসম বন্ধত বেয়াকৈ অতিষ্ঠ জনজীৱন। বাট-পথ বন্ধ। বন্ধ অফিচ-আদালত, বিদ্যালয়-মহাবিদ্যালয়। এইদৰে যেন সকলো বন্ধ হৈ যাব। বন্ধ আৰু বন্ধ। কিহৰ বাবে?

আমি জানো যে পৰিস্থিতিয়েই বন্ধ দিবলৈ বাধ্য কৰিছে প্ৰথমে পৰিস্থিতিৰ কথা মানি লৈ তাৰ দ্বিতীয় কথাযাবো ভাবিব লগা হৈছে। ইয়াতকৈ অধিক বন্ধ বোধকৰো কাকো নালাগে। বাট বন্ধ হোৱাৰ দৰে জীৱনৰ যাত্ৰা, দেশ-জাতি-সমাজৰ প্ৰগতি স্থবিৰ হোৱা নাইনে। অৱশ্যে কেৱল বন্ধই যে প্ৰগতি বিনষ্ট কৰিছে সেই কথাও সম্পূৰ্ণ সত্য নহয়। তথাপি এই কথা বিস্মৰণ ঘটিলে নচলিব যে মানুহৰ পৃথিৱীত বন্ধতকৈ গতি, স্থবিৰতাতকৈ বেগ অধিক আদৰণীয়।

**কৰ্মসংস্থানহীন দেশ :-** আমাৰ দেশৰ পৰিবেশ অসুস্থ বুলি অভিভাৱকে সন্তানক শিক্ষা ল'বলৈ, সংস্থান পাবলৈ আঁতৰাই পঠাইছে। এই কাম ইতিপূৰ্বে আৰম্ভ হৈ গ'ল। অভাৱনীয় ধন ভাঙি সেই কাম কৰিছে। নহ'লে নিৰুপায়। এই চিন্তা অবান্তৰো নহয়। কাৰণ শিক্ষিত যুৱক-যুৱতীৰ সংস্থাপনহীনতাই যেতিয়া ইয়াতকৈ ভয়াৱহ ৰূপ ল'ব, তেতিয়ালৈ আমাৰ সম্পদ বুলিনো কি থাকিব! 'মানৱ সম্পদ' (Human Resource) ৰ স্বপ্ন প্ৰহসনত পৰিণত হোৱাটো ভাবিব নোৱৰা কথা হ'ব। সেই বাবে যুৱক-যুৱতীৰ কৰ্মসংস্থাপন হ'বই লাগিব। জাতীয় সম্পদক জাতীয় আয়ৰ কামত খটুৱাব লাগিব, বিদেশী বিনিয়োগৰ যোগেদিও দেশৰ আয় বঢ়াব লাগিব। শিক্ষিত যুৱক-যুৱতীক কৰ্মত নিয়োগ কৰিব লাগিব। মুঠতে কৰ্মসংস্থানহীনতাৰ সমস্যাটো কৰ্তৃত্বশীল মহলৰ পৰা লঘু কৰাৰ বৃহৎ আঁচনি হওক। আঁচনি সফল হওক। আনে বা আমি যাতে পৰম দুখেৰে ক'ব নালাগে যে অসম কৰ্মসংস্থানহীনতাৰ দেশ।

**পুচ্ছখণ্ড :-** স্বীকাৰ কৰিছো যে 'কটনিয়ান'ৰ সম্পাদকীয় জীৱনগন্ধী শাব্দিক চেতনাৰে উজ্জীৱিত হৈ উঠা নাই। কিন্তু ইয়াত হৃদয়ৰ আকুলতাৰ আভাস আছে বুলি ভাবিছো। ইয়াত গুৰুত্ব পাইছে আমাৰ নৱ-প্ৰজন্মই। সেয়ে সামৰণিত নৱ-প্ৰজন্মৰ প্ৰতি আমাৰ সাদৰ আহ্বান জনালো এনেকৈ—

'প্ৰিয়ই প্ৰিয়ই নমাই আনা সৰগ  
কুলোৱা পাৰিজাত জিকমিক্ জাতিস্কাৰ  
বুৰঞ্জীৰ সকিয়নী লোৱা,  
বান্ধা গড়, বান্ধা আলি  
তোমালোকৰ হিৰণ্য আশ্বাসত টুটি আহক-  
দুঃস্বপ্নৰ এঙাৰ ক'লা ৰাতি।'



স্নেহভৰা নমস্কাৰ—

**স্বৰাজ ফুকন**  
**সম্পাদক, 'কটনিয়ান'**  
**৮১ সংখ্যক প্ৰকাশ**



## সূচীপত্ৰ


মাণিক চন্দ্ৰ বৰুৱা ক্ষেত্ৰ : ১১

সূৰ্যকুমাৰ ভূঞা ক্ষেত্ৰ : ৪৯

বাণীকান্ত কাকতি ক্ষেত্ৰ : ৭৭

বিষ্ণুপ্ৰসাদ ৰাভা ক্ষেত্ৰ : ১০৩

**Henry John Stedman Cotton Section** : ১২৭

**Frederick William Sudmersen Section**: ১৪৯

বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন : ১৬৯

# কৃতজ্ঞতাৰ সুৱাগুৰি

ড° অমৰজ্যোতি চৌধুৰী, ড° ইন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ড° হীৰেন গোহাঁই, তৰুণ সৰকাৰ, ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, ড° মহেশ্বৰ কলিতা, ভগৱান গোস্বামী, বাহাদ উল-ইছলাম, ভবেন কলিতা, ড° অৰূপ কুমাৰ হাজৰিকা, মঞ্জু দেৱী পেগু, লুটফা হানুম চেলিমা বেগম, কমল কুমাৰ মেধি, ভাস্কৰ বৰ্মন, দীপ ভূঞা, দাদুল চলিহা, হিমাংশু প্ৰৱাল গোস্বামী।



# মাণিক চন্দ্ৰ বৰুৱা চন্দন চ'ৰাত অক্ষৰৰ বন্তি

## প্ৰবন্ধ


- উত্তৰাধুনিকতাবাদ আৰু অসমীয়া জাতীয় চেতনা ঃ **ড° হীৰেন গোহাঁই** ১৩
- কল্পিত অসমৰ খণ্ডিত চিত্ৰ ঃ আমাৰ চিন্তা ঃ **শান্তনু কৌমূৰীয়া** ২৩
- ভাৰতত ক্ৰীড়াৰ বেহ-ৰূপ ঃ **প্ৰাঞ্জল প্ৰতীম কোঁৱৰ** ২৬
- ফিনিক্স পখীৰ গান ঃ **নয়নমণি বৰদলৈ** ৩০


## কবিতা


- অমৃত মন্থন ঃ **বাপধন ডেকা** ৩২
- কুঁৱলী ঃ **পল্লৱী বৰুৱা** ৩২
- নাই ভালপোৱা মানুহবোৰ ধুনীয়া ঃ **প্ৰবালজ্যোতি ফুকন** ৩৩
- স্মৃতি ঃ **পল্লৱিকা শৰ্মা** ৩৩
- ব্যথিত সময় ঃ **পূৰৱী শৰ্মা** ৩৪
- কটন ডায়েৰী ঃ **কমল বৰুৱা** ৩৪
- এটা কবিতাৰ জন্ম ঃ **চুমি কলিতা** ৩৫
- ইতিহাস ঃ **নিশা ভূঞা** ৩৫


## গল্প


- খাইশলীয়া ডালত উঠিল, কাঁথিচেলেকাৰ মৰণ মিলিল ঃ **সঞ্জীৱ পল ডেকা** ৩৬
- চিচাৰ গিলাছত বিষ্া ঃ **অনন্ত গগৈ** ৪২


## ভ্ৰমণ কাহিনী


- এৰি অহা দিনবোৰ সাৱটি ঃ **শাশ্বতী বৰদলৈ** ৪৫


## সাক্ষাৎকাৰ


- ড° অমৰজ্যোতি চৌধুৰী ৪৮




'অসমেই হ'ল একমাত্ৰ প্ৰদেশ য'ত কলেজ স্থাপন হোৱা নাই। অসমত নাম থকা কোনো শিক্ষা প্ৰতিষ্ঠান নাই। গুৱাহাটীত যদি ইউৰোপীয়ান অধ্যক্ষ থকা এখন কলেজ প্ৰতিষ্ঠা হয়, তেন্তে এই প্ৰদেশৰ ছাত্ৰসকলৰ বাবে বৰ সুখৰ কথা হ'ব! কাৰণ, তেওঁলোকে ইতিপূৰ্বে উচ্চশিক্ষাৰ বাবে কলিকতাৰ থলুৱা লোকৰ দ্বাৰা পৰিচালিত শিক্ষা প্ৰতিষ্ঠানত শিক্ষাগ্ৰহণ কৰি আহিছিল।'- মাণিক চন্দ্ৰ বৰুৱা



'উত্তৰাধুনিক' অভিধাটোৱেই সূচায় যে সি 'আধুনিক' চিন্তা আৰু দৃষ্টিভংগীৰ প্ৰতি একধৰণৰ প্ৰতিক্ৰিয়া। আধুনিক চিন্তা যেন যথেষ্ট অগ্ৰসৰ বা সম্পূৰ্ণ সংগত নহয়, তেনে এটা ভাব ইয়াৰ মাজত প্ৰচ্ছন্ন হৈ আছে। অথচ তাক আধুনিকতাৰ সম্পূৰ্ণ বিৰোধী বুলিও ক'ব নোৱাৰি। অতএব 'উত্তৰাধুনিক'।

# উত্তৰাধুনিকতাবাদ আৰু অসমীয়া জাতীয় চেতনা

**ড° হীৰেন গোহাঁই**

উত্তৰাধুনিকতাবাদ সম্পৰ্কে বিভিন্নধৰণৰ মন্তব্য সম্প্ৰতি আমাৰ চকুত পৰে। কাৰো কাৰো মতে এই নতুন বৌদ্ধিক ধাৰাটো আমি অসমত আয়ত্ত কৰিব নোৱাৰা বাবে আমাৰ মানসিক অৱনতি ঘটিছে, জ্ঞান-বিজ্ঞানৰ ক্ষেত্ৰত আনৰ তুলনাত আমি পিছ পৰি গৈছো। আনহাতে কাৰো কাৰো মতে এই ধাৰাটো সাম্ৰাজ্যবাদী অপসংস্কৃতি তথা মানসিক প্ৰদূষণৰ অংশবিশেষ। কিন্তু দুয়োটা দৃষ্টিভংগীৰপৰাই পূৰঠ জ্ঞানেৰে অভিমত আৰু বিশ্লেষণ আগবঢ়োৱা বৰঁকৈ দেখা নাযায়।

এই কথা ঠিক যে পাশ্চাত্যৰ দৰে ভাৰতৰো অগ্ৰণী চিন্তাবিদ আৰু বিদ্বানসকলৰ মাজত এই ধাৰাৰ ব্যাপক প্ৰভাৱ পৰিছে। পাণ্ডিত্যপূৰ্ণ গৱেষণা, গ্ৰন্থ আৰু আলোচনাত উত্তৰাধুনিক ধ্যান-ধাৰণা আৰু পদ্ধতিৰ ব্যৱহাৰ সুলভ হৈ পৰিছে। তাৰ প্ৰভাৱৰ অন্যতম প্ৰমাণ এয়ে যে তাত্ত্বিকভাৱে তাৰ বিৰোধিতা কৰা লোকেও সময়ে সময়ে উত্তৰাধুনিক পৰিভাষা তথা ধ্যান-ধাৰণা প্ৰয়োগ কৰে। ধাৰাটো একেবাৰে মূল্যহীন হোৱা হ'লে এনে ঘটনা নঘটিলহেঁতেন।

'উত্তৰাধুনিক' অভিধাটোৱেই সূচায় যে সি 'আধুনিক' চিন্তা আৰু দৃষ্টিভংগীৰ প্ৰতি একধৰণৰ প্ৰতিক্ৰিয়া। আধুনিক চিন্তা যেন যথেষ্ট অগ্ৰসৰ বা সম্পূৰ্ণ সংগত নহয়, তেনে এটা ভাব ইয়াৰ মাজত প্ৰচ্ছন্ন হৈ আছে। অথচ তাক আধুনিকতাৰ সম্পূৰ্ণ বিৰোধী বুলিও ক'ব নোৱাৰি। অতএব 'উত্তৰাধুনিক'।



আধুনিক মানেনো কি? ধৰি লওক এগৰাকী গাভৰু। তেওঁ নিজৰ দেহসৌষ্ঠৱ সম্পূৰ্ণ প্ৰকট কৰা ধৰণে অনা-অসমীয়া সাজপাৰ পিন্ধি ক্লাবলৈ যায়, আন পুৰুষ বন্ধুৰ লগত একেলগে মদ খাই নাচে, সংসাৰত নিজৰ কামখিনিও কৰিব নোখোজে, কিন্তু সমাজত কাকো কেৰেপ নকৰাকৈ চলা-ফিৰা কৰে। অথচ নিজৰ অসুখ-বিসুখ, অপায়-অমংগল কিবা হোৱা যেন দেখিলে মন্দিৰলৈ পূজা আগবঢ়াই, তাবিজ-মাদুলি পিন্ধে, সাধু-সন্ন্যাসীৰ ভৰিত ধৰে। আমাৰ সমাজত এনে মহিলাৰ উৎকট আচৰণক আমি গৰিহণা দিলেও ধৰ্ম-কৰ্মৰ প্ৰতি তেওঁৰ আগ্ৰহ দেখিলে আমাৰ মন কুমলি যায়। পাশ্চাত্যতো আধুনিক সভ্যতাৰ উত্তৰাধিকাৰী বুলি গৌৰৱ কৰা লোকৰ মাজতে থকা মাৰ্কিন যুক্তৰাষ্ট্ৰৰ এখন ৰাজ্যত অলপতে জীৱ-বিজ্ঞানৰ পাঠ্যক্ৰমৰপৰা বাইবেলৰ বিৰোধী বুলি ডাৰউনৰ বিৱৰ্তনবাদ অপসাৰিত কৰা হৈছে। অৰ্থাৎ আধুনিক সভ্যতাৰ পৰিমণ্ডলতে সমাজৰ কেউঁপিনে শতকৰা এশভাগ সেই সভ্যতাৰ প্ৰতিপত্তি নাথাকিবও পাৰে।

আধুনিক সভ্যতাৰ যন্ত্ৰশিল্প, উন্নত যোগাযোগ ব্যৱস্থা, বিশ্বব্যাপ্তিবাণিজ্যই তাৰ সাৰবস্তু নহয়। আধুনিক সভ্যতাৰ সাৰবস্তু হ'ল প্ৰকৃতি আৰু মানৱ জীৱনৰ অন্যান্য পৰিস্থিতিৰ ওপৰত মানুহৰ প্ৰাধান্য বা প্ৰভুত্ব সাব্যস্ত কৰি মানুহৰ স্বাধীনতা প্ৰশস্ত কৰা। প্ৰকৃতিৰ মুখাপেক্ষী কৃষিত কেতিয়াবা খৰাং বতৰৰ ফলত উৎপাদন এনেদৰে হ্ৰাস পায় যে দুৰ্ভিক্ষই হেজাৰ-বিজাৰ মানুহৰ প্ৰাণহানি ঘটায়। বেমাৰ-আজাৰে কেতিয়াবা মানুহৰ আয়ুস খৰ্ব কৰে। বানপানীয়েও বাস্তৱিক অৰ্থত অসমৰ মানুহৰ স্বাধীনতা সংকুচিত কৰি আছে। বিজ্ঞানৰ বলেৰে এইবোৰ বিঘিনি অতিক্ৰম কৰি মানুহৰ শক্তি-সামৰ্থ বঢ়োৱাও স্বাধীনতাৰ এটা চৰ্ত। আনকি জন্ম-মৃত্যুৰ দৰে অমোঘ ঘটনাও পৰিৱৰ্তনৰ পথত। প্ৰকৃতি নিয়ন্ত্ৰণত ধৰ্মৰ বাধা-নিষেধৰ প্ৰতি অৱজ্ঞা আধুনিকতাৰ লক্ষণ। দ্বিতীয়তে, অতীতৰ দৰে বংশ, জাত আদিৰ ভিত্তিত মানুহৰ সন্মান, মৰ্যাদা, ক্ষমতা নিৰ্ধাৰণ কৰা বাদ দি ব্যক্তিগত প্ৰতিভা আৰু কৃতিত্বৰ ভিত্তিত নিৰ্ধাৰণ কৰাৰ আকাংক্ষা আধুনিক সভ্যতাৰ অন্যতম উদ্যোগ বা প্ৰয়াস। অৰ্থাৎ সামাজিক পৰম্পৰাৰ অমোঘ, কঠোৰ প্ৰভাৱৰপৰা স্বাধীনতা। সেইদৰে জীৱনসংগী নিৰ্বাচন

✍ *বিশিষ্ট বুদ্ধিজীৱী তথা প্ৰাক্তন কটনিয়ান*

কৰাৰ সময়ত, বন্ধু-বান্ধৱ নিৰ্বাচন কৰা সময়ত, সামাজিক কৰ্মক্ষেত্ৰ নিৰ্বাচনৰ সময়ত, ব্যক্তি মানৱৰ স্বাধীনতাত গুৰুত্ব দিয়া হয়। আনকি সমূহীয়া জীৱনৰ ক্ষেত্ৰতো পৰম্পৰাগত জনসমষ্টি বা TRADITIONAL GROUP LIFEৰ তুলনাত স্বেচ্ছামূলক সংগঠন আৰু সংস্থাৰ গুৰুত্ব বৃদ্ধি পায়। আধুনিকতা বা আধুনিক জীৱনৰ প্ৰাথমিক চৰ্ত এইটোৱেই।

প্ৰকৃতি আৰু পৰম্পৰাৰপৰা মুক্ত আধুনিক মানুহে বিচাৰে নিজৰ সুখ-সুবিধাৰ অনুকূলে ইচ্ছামতে আৰু অবিৰতভাৱে জীৱন পৰিবৰ্তন কৰিবলৈ। সঁচা কথা, আধুনিক সমাজৰ প্ৰতিজন মানুহে সচেতনভাৱে এনে লক্ষ্য অনুসৰণ নকৰে। কিন্তু সমাজখনৰ সাধাৰণ প্ৰবৃত্তি আৰু প্ৰৱণতা সেইধৰণৰ।

কিন্তু ইতিমধ্যে দেখা গৈছে যে সেই অবিৰত অগ্ৰগতি আৰু সদাবিস্তাৰিত স্বাধীনতাৰ অভিযানে কেতবোৰ অপ্ৰত্যাশিত আৰু বিভ্ৰান্তিকৰ পৰিণামৰ জন্ম দিছে। প্ৰকৃতিৰ ওপৰত প্ৰাধান্য স্থাপন কৰিবলৈ যোৱা মানুহে দেখিছে যে ইমান সহজে প্ৰকৃতিৰ নিয়ম শাসনলৈ আনিব নোৱাৰি। ইচ্ছামতে প্ৰকৃতিৰ নিয়ম ব্যৱহাৰ কৰিবলৈ গৈ অপ্ৰত্যাশিত দিশৰপৰা অভাৱিত পৰিণামৰ খুন্দা খাইছে মানুহে। ইন্ধন আৰু কেঁচামালৰূপে প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰি যন্ত্ৰশিল্পৰ অভূতপূৰ্ব প্ৰসাৰণ ঘটোৱা মানুহে উপলব্ধি কৰিছে যে প্ৰকৃতিদত্ত সম্পদবোৰ অক্ষয় নহয়। প্ৰাকৃতিক সম্পদৰ ক্ষয় হৈ কোনোবা এদিন কল-কাৰখানাবোৰ অচল হৈ যাব পাৰে। তদুপৰি এনে উদ্যোগৰপৰা নিৰ্গত এঙাৰ গেছ, আবৰ্জনা আদিৰপৰা জলবায়ুৰ সাংঘাতিক প্ৰদূষণ ঘটি মানৱ জীৱনৰ বাবেই ভাবুকিৰ সৃষ্টি হৈছে। বৃহৎ বৃহৎ নদী নিয়ন্ত্ৰণ প্ৰকল্পবোৰ এসময়ত মানুহৰ পৰাক্ৰমৰ প্ৰমাণ আৰু গৌৰৱৰ বিষয় আছিল এতিয়া সেইবোৰে সৃষ্টি কৰা নানা সমস্যাই মানুহক কাহিল কৰিছে।

বিভিন্ন ব্যক্তিৰ মাজত সম্পৰ্ক আৰু যোগাযোগ নিয়ন্ত্ৰণ কৰিবলৈ যি আধুনিক ৰাষ্ট্ৰ আৰু আইন ব্যৱস্থাৰ প্ৰৱৰ্তন হৈছে, সিয়েই দিনক দিনে মানুহৰ স্বাধীনতা হ্ৰাস বা হৰণ কৰিছে। অতিকেন্দ্ৰিক ৰাষ্ট্ৰৰ স্বৈৰাচাৰত ক্ষুব্ধ মানুহে গ্ৰহণ কৰা সন্ত্ৰাসবাদী পন্থাক নিয়ন্ত্ৰণ কৰিবলৈ ৰাষ্ট্ৰই ব্যক্তি স্বাধীনতা বহু পৰিমাণে খৰ্ব কৰিছে। প্ৰগতিৰপৰা অহা স্বাধীনতা আৰু পূৰ্ণানন্দ দিনক দিনে মৰীচিকা যেন লগা হৈছে।

আধুনিক সমাজত সেয়ে স্বাভাৱিকতে জীৱনৰ অৰ্থ আৰু লক্ষ্য সম্পৰ্কে, মানুহৰ শক্তি-সামৰ্থ সম্পৰ্কে, আনকি মানৱ চেতনা আৰু চিন্তাৰ ক্ষমতা আৰু সাৰ্থকতাৰ বিষয়ে পূৰ্বপ্ৰচলিত আধুনিক মূল ধাৰণাবোৰ সংশয় আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ধৰ্ম আৰু পৰম্পৰাৰ পৰা মুক্ত মানুহৰ প্ৰাধান্য প্ৰকৃতিৰ ওপৰত প্ৰতিষ্ঠা কৰা প্ৰয়োজনীয় অথবা বাঞ্ছনীয়নে? মানুহৰ ক্ষমতা অসীম নে? সমাজ নিয়ন্ত্ৰণ কৰা গণতান্ত্ৰিক সংগঠনবোৰ ব্যক্তি স্বাধীনতাৰ উপকৰণ নে ব্যক্তি স্বাধীনতাৰ প্ৰতি হেঙাৰ? স্বাধীনতা মানুহৰ স্বাভাৱগত হাবিয়াহ, নে ক্ষমতা? যি বিজ্ঞানক আমি মানৱ মুক্তিৰ দীক্ষামন্ত্ৰৰ দৰে জপ কৰিছো সেই বিজ্ঞান সঁচাকৈয়ে অভ্ৰান্ত আৰু মংগলময় নে এক অশুভ ধ্বংসাত্মক শক্তি?

এইবোৰ প্ৰশ্ন উত্থাপন কৰাৰ সময়ত আধুনিক সমাজৰ সৰহভাগ চিন্তাবিদে কাৰ্ল মাৰ্ক্সৰ অৱদান উপেক্ষা কৰে মাৰ্ক্সে ঊনবিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধত সুদূৰপ্ৰসাৰী অন্তৰ্দৃষ্টিৰে সকীয়াই দিছিল যে আধুনিক সমাজৰ ব্যক্তিকেন্দ্ৰিক উৎপাদন ব্যৱস্থা আৰু সমাজ সম্পৰ্কৰ বৈপ্লৱিক পৰিবৰ্তন ঘটাই সমাজতন্ত্ৰ প্ৰতিষ্ঠা নকৰিলে আধুনিকতাৰ বিশৃংখলা আৰু বিপথগামিতা বৃদ্ধি কৰি মাৰাত্মক অৰাজকতাৰ জন্ম দিব। কিন্তু প্ৰথমাৱস্থাত গঠিত হোৱা সমাজতান্ত্ৰিক ব্যৱস্থাৰ জয়যাত্ৰা চমকপ্ৰদ হ'লেও পিছলৈ তাৰ স্বকীয় অন্তৰ্বিৰোধৰ ফলতে তাৰ বিপৰ্যয় আৰু অৱসান ঘটা দেখা গ'ল। ফলত মাৰ্ক্সবাদ আৰু সমাজতন্ত্ৰই দাঙি ধৰা গভীৰতাৰ প্ৰত্যাহ্বান তথা বিকল্প চিন্তা বিবেচনা কৰাৰ জৰুৰী প্ৰয়োজন নোহোৱা হ'ল আধুনিকতাৰ উত্তৰসূৰীসকলৰ বাবে। কাৰণ আধুনিক সমাজ মাৰ্ক্সবাদী বিচাৰত পুঁজিবাদী সমাজ-আৰম্ভণিতে আৰু এতিয়াও। উত্তৰাধুনিক চিন্তাবিদে এই কথাটোত গুৰুত্ব নিদিয়ে। দ্ৰষ্টব্য ঃ এই লেখকৰ কুঁৱলি ফালি পোহৰ (চন্দ্ৰ প্ৰকাশ)।

উত্তৰাধুনিক বুলি ভবা সমাজখনক সেয়ে মাৰ্ক্সবাদীসকলে আধুনিক সমাজতকৈ মূলগতভাৱে বেলেগ বুলি নাভাবে। কিন্তু উত্তৰাধুনিক চিন্তাবিদসকলে ভাবে যে সমাজ, জগত, বিশ্ব সম্পৰ্কে ইমান দিনে ভুলকৈ চিন্তা কৰা বা ধাৰণা কৰা হৈ আছিল। ধাৰণা বা চিন্তাবোৰ শুধৰাই ল'ব পাৰিলে আধুনিক ধ্যান-ধাৰণা আৰু চিন্তাৰ মাৰাত্মক বিপদবোৰৰপৰা হাত সাৰিব পৰা যাব। আনহাতে মানৱ জীৱনক সকলো অপায়-অমংগলৰপৰা মুক্ত কৰাৰ সপোন বৰ্জিত হ'ব।

আধুনিক চিন্তাৰ এক মৌলিক ধাৰণা হৈছে, যুক্তিৰ সাৰ্বভৌম কৰ্তৃত্ব। এই যুক্তিৰ আধাৰ হৈছে বিজ্ঞান। বিজ্ঞানে বিশ্বপ্ৰকৃতি আৰু মানুহৰ অন্তৰ্জগতৰ শুদ্ধ, সঠিক ছবি এখন ভাবি লোৱাত আমাক সহায় কৰে। সেই সঠিক ধাৰণাৰ অৱলম্বনত আমি সকলো বস্তুগত আৰু মানসিক বিঘিনি আৰু আহুকালৰপৰা উদ্ধাৰ পাব পাৰো। অৰ্থাৎ বৈজ্ঞানিক যুক্তি হৈছে সত্যাশ্ৰয়ী। সকলো ঘটনা আৰু বস্তুৰে এটা অন্তৰ্নিহিত অবিকৃত সত্য ৰূপ থাকে। অন্ধবিশ্বাস আৰু মোহৰ বশৱৰ্তী হৈ সেই সত্য ৰূপ আমি দেখা নাপাওঁ। কিন্তু বিজ্ঞানে সত্যৰ বস্তুনিষ্ঠৰূপ নিৰ্ণয় কৰাত আমাক সহায় কৰে।

বেমাৰ-আজাৰৰ কাৰণ ভূত-প্ৰেত বা মা শীতলাৰ কোপদৃষ্টি বা পূৰ্বজন্মৰ পাপ বুলি এসময়ত ভবা হৈছিল। বৈজ্ঞানিক চিকিৎসাশাস্ত্ৰই দেখুৱাই দিলে যে ক্ষতিকৰ বীজাণু অথবা শৰীৰযন্ত্ৰৰ ক্ষয়-ক্ষতিৰ বাবে বেমাৰ আজাৰ হয়। তেতিয়া বেমাৰ আজাৰ নিৰাময় কৰা সহজ হয়। পূৰ্বে ভবা হৈছিল যে পাৰিবাৰিক অশান্তিৰ কাৰণ আনৰ কুমন্ত্ৰ, গ্ৰহৰ দোষ ইত্যাদি। বিজ্ঞানে আমাক সচেতন কৰিলে যে পৰিয়ালৰ হেঁচাত মনে নিমিলা জীৱনসংগী গ্ৰহণ কৰাৰ ফলত বা গুপুত মনস্তাত্বিক বিকাৰৰ ফলত পৰিয়ালৰ মাজত সন্দেহ, অত্যাচাৰ আৰু সংঘৰ্ষ বাঢ়ে আৰু পাৰিবাৰিক অশান্তিৰ উদ্ভৱ হয়। অভাৱ-অনাটনেও পৰিয়ালৰ ব্যক্তিসমূহক অসহিষ্ণু, অস্থিৰ, কলহপ্ৰৱণ কৰিব পাৰে। বিশ্লেষণৰদ্বাৰা এই অসুখ-অশান্তিৰ মূল উৎস উদ্‌ঘাটন কৰি মানুহৰ মানসিক প্ৰতিৰোধ বৃদ্ধি কৰিব পাৰিলে সেই অসুখ-অশান্তি হ্ৰাস পাব আৰু জৰা-ফুকাৰ, তন্ত্ৰ-মন্ত্ৰৰ প্ৰয়োজন নহ'ব।

বৈজ্ঞানিক যুক্তিৰ এই সাৰ্বভৌম ক্ষমতা নাকচ কৰিলে উত্তৰাধুনিক চিন্তাই। ঊনবিংশ শতাব্দীৰ শেষভাগত উত্তৰাধুনিক চিন্তাৰ অগ্ৰগামী নীৎসেই দেখুৱালে যে বিজ্ঞানে উন্মোচন কৰা নিয়মবোৰ অৱধাৰিত, অবিসম্বাদী সত্য নহয়, বৰং সেইবোৰ কেতবোৰ মানুহে নিজে গঢ়ি লোৱা চিন্তা বা মনৰ কেতবোৰ নিয়ম, বিজ্ঞানো তেনেকৈ মানুহে পাতি লোৱা কেতবোৰ প্ৰথা বা CONVENTION হে। খেলৰ নিয়মৰ দৰে সেই প্ৰথাবোৰো চিৰন্তন নহয়, যুগে যুগে তাৰ পৰিৱৰ্তন ঘটে। আনকি পদাৰ্থ জগতৰ চিৰন্তন যেন লগা সূত্ৰবোৰো সলনি হয়।

তেনেহ'লে বস্তুনিষ্ঠ সত্য বুলি একো নাই নেকি? নীৎসেৰ মতে 'বস্তুনিষ্ঠতা আৰু সত্য' দুয়োটাই অতি প্ৰতাপী মৰীচিকা। বিজ্ঞানৰ ৰীতিবোৰক বৈধতা দান কৰিবলৈ মানুহে এই দুবিধ ধাৰণা উল্লেখ কৰে।

কিন্তু এনে পৰিস্থিতিত হতাশ নিষ্ক্ৰিয়তাৰ আশ্ৰয় ল'বলৈ নীৎসেই পৰামৰ্শ দিয়া নাই। মানুহৰ জ্ঞানৰ এই অন্তিম অনিশ্চয়তা আৰু ভিত্তিহীনতা মুক্তমনে গ্ৰহণ কৰি এক উৎফুল্ল, উদ্যোগী আৰু সক্ৰিয় জীৱন-যাপনৰ পৰামৰ্শ দিছে। কিন্তু এনে সক্ৰিয় কৰ্মমুখৰ জীৱনৰ প্ৰেৰণা আহিব ক'ৰ পৰা? নীৎসেৰ মতে সি আহিব মানুহৰ জন্মগত ক্ষমতা-প্ৰেমৰপৰা। এনে ক্ষমতাপ্ৰেমক পাপ বুলি খ্ৰীষ্টিয় নৈতিকতাৰ প্ৰভাৱত আত্মগ্লানিত

> “যদি মানুহৰ জ্ঞান সত্যন্বেষণৰ ফল নহয়, যদি সি ক্ষমতাৰ এক পৰিশোধিত প্ৰকাশ আৰু পৰিণতি, তেনেহ'লে মানুহে সত্যৰ বাবে কেনেকৈ প্ৰাণোৎসৰ্গ কৰে? অতি মেধাৱী মনীষী সত্যৰ মৰীচিকাত কেনেকৈ মুগ্ধ হয়। উত্তৰাধুনিক চিন্তাবিদসকলে দাবী কৰে যে সেই ৰহস্যৰ এক অভ্ৰান্ত সমাধান তেওঁলোকৰ হাতত পৰিছে।”

ভোগাটো দাস শ্ৰেণীৰপৰা উদ্ভূত মানসিকতাৰ চিকাৰ হোৱা। বৰং সমাজৰ অভিজাত শ্ৰেণীয়ে একালত অনুভৱ কৰা সহজ, স্বতঃস্ফূৰ্ত আত্মসম্ভ্ৰম আৰু ক্ষমতাপ্ৰীতিহে মুক্ত মানুহৰ লক্ষণ। জ্ঞান-বিজ্ঞান, নৈতিকতা, কলাশিল্প সকলোতে মানুহে ক্ষমতাৰহে (WILL TO POWER) অন্বেষণ কৰে। নীৎসেৰ চিন্তাধাৰাৰ প্ৰভাৱতে ফৰাচী তাত্ত্বিক মিশ্বে'ল ফুকোৱে দেখুৱাইছে যে নিস্বাৰ্থ, নিৰাসক্ত জ্ঞানৰ ধাৰণাটোৱেই ভ্ৰান্ত, ছলনাময়।

জীৱ-বিজ্ঞান, চিকিৎসা-ৰিজ্ঞান আদিৰ মূল ধাৰণাবোৰৰ ভিত্তি বিদগ্ধ অধ্যয়নেৰে পৰীক্ষা কৰি ফুকোৱে কৈছে যে এই বিদ্যাবোৰ কেৱল জ্ঞানৰ অন্বেষণ নহয়, ক্ষমতাৰ অনুশীলনো। বিদ্যাটোৰ মূল ধ্যান-ধাৰণাবোৰ উদ্ভূত হোৱাৰ পিছত তাক প্ৰণালীবদ্ধ (SYSTEMATIC) ৰূপ দিয়া হয় আৰু বিশ্ববিদ্যালয়, গৱেষণাকেন্দ্ৰ, গৱেষণাপত্ৰ, বিদ্বৎ সভা আদিৰ জৰিয়তে বিশেষজ্ঞসকলে প্ৰহৰীৰূপে তাক ৰক্ষণাবেক্ষণ দিয়ে। উক্ত ৰিদ্যাৰ নিয়ম-নীতি বৰ্তাই ৰাখিবলৈ নিয়ম উলংঘা কৰাজনক শাস্তি দিয়া হয়। আনকি গৱেষকেও মুক্ত অনুসন্ধান চলাব নোৱাৰে, কেতবোৰ নিৰ্দিষ্ট পথেৰে অগ্ৰসৰ হ'ব লাগে। সেয়ে নহয়, চিকিৎসাবিজ্ঞানৰ দ্বাৰা সুসজ্জিত বিজ্ঞানীয়ে শাৰীৰিক ৰোগী বা মনোৰোগীক বিবিধ উপায়ে নিয়ন্ত্ৰণ বা কৰ্তৃত্বৰ অধীনলৈ আনি তেওঁক ক্ষমতা প্ৰয়োগৰ অসহায় পাত্ৰত পৰিণত কৰে। এনে নিয়ন্ত্ৰণৰ প্ৰতিবাদ বা প্ৰতিৰোধক বিজ্ঞানৰ বিৰোধিতা বুলি নিন্দা কৰা হয়। যেনে ধৰক ৰোগীক হোৱাই-নোহোৱাই পৰীক্ষা (TEST)ৰ বলি কৰা। অৱশ্যে ফুকোৰ মতে এই ক্ষমতা (POWER) কেতবোৰ ব্যক্তিৰ অভিপ্ৰায় নহয়, ই এক সামগ্ৰিক প্ৰক্ৰিয়া-বিজ্ঞানী যাৰ সহযোগী।

কিন্তু যদি মানুহৰ জ্ঞান সত্যন্বেষণৰ ফল নহয়, যদি সি ক্ষমতাৰ এক পৰিশোধিত প্ৰকাশ আৰু পৰিণতি, তেনেহ'লে মানুহে সত্যৰ বাবে কেনেকৈ প্ৰাণোৎসৰ্গ কৰে? অতি মেধাৱী মনীষী সত্যৰ মৰীচিকাত কেনেকৈ মুগ্ধ হয়। উত্তৰাধুনিক চিন্তাবিদসকলে দাবী কৰে যে সেই ৰহস্যৰ এক অভ্ৰান্ত সমাধান তেওঁলোকৰ হাতত পৰিছে। সেইটো হৈছে ফৰাচী ভাষাতত্ত্ববিদ ফৰ্ডিনাঁ ড' ছচ্যুৰৰ গঠনতাত্ত্বিক ভাষাতত্ত্ব(STRUCTURAL LINGUISTICS)।

ড° ছচ্যুৰেই পোনপ্ৰথমে ভাষাতত্ত্বত এই মৌলিক প্ৰশ্নৰ অৱতাৰণা কৰিলে যে পদাৰ্থবিদ্যাত শক্তি, গতি, অণু, পৰমাণু আদি কেতবোৰ মূল ধাৰণাৰ নিৰ্দিষ্ট সংজ্ঞা থিৰাং কৰি তাৰ ওপৰত যেনেকৈ জ্ঞানৰ সৌধ গঢ়ি তোলা হয়, তেনেকৈ ভাষাতত্ত্বটো কেতবোৰ নিয়ামক ধাৰণা থিৰাং কৰি ল'ব লাগিব। ভাষাতত্ত্বৰ বিষয় হেনো ভাষা। কিন্তু ভাষাতত্ত্ব তাৰ সংজ্ঞা সুস্পষ্ট আৰু সুনিৰ্দিষ্ট জানো?

ভাষাত্ত্বত ভাষা বুলিলে আমি সঠিক, নিৰ্দিষ্ট কিবা বুজি পাওঁনে? এই যে প্ৰতি মুহূৰ্তত কোটি কোটি মানুহে কোটি কোটি উক্তি কৰিছে, বাক্য লিখিছে, এইবোৰৰ সমষ্টিয়েই ভাষা নেকি? তেনে অন্তহীন বৈচিত্ৰ্য আৰু বিভিন্নতাৰে ভৰা ঘটনাচয়নক এটা নিৰ্দিষ্ট সঠিক ধাৰণাত আবদ্ধ কৰা যায় কেনেকৈ?

ড° ছচ্যুৰে ক'লে ভাষাৰ এইটো দিশেই সকলো নহয়। বিচিত্ৰ, অন্তহীন উক্তিৰ (PAROLE) অন্তৰালত আছে ভাষাৰ নিৰ্দিষ্ট বিমূৰ্ত গঠনতন্ত্ৰ বা Structure, যাক তেওঁ LANGUE বা ভাষা আখ্যা দিছে। এই LANGUE হৈছে এবিধ চিহ্নব্যৱস্থা। চিহ্ন বা SIGN হৈছে এটা বাহ্য সংকেত (SIGNIFIER) আৰু এক মনোগত অৰ্থ (SIGNIFIER)ৰ সমষ্টি। যেনে 'গৰু' শব্দটোৰ সংকেত বা SIGNIFIER হৈছে 'গ' আৰু 'ৰু' দুই শব্দাংশ যোগ হৈ হোৱা এটা ধ্বনি বা তাৰ লিখিত ৰূপ। তাৰ SIGNIFIED বা অৰ্থ হৈছে এবিধ ৰোমন্থনকাৰী তৃণভোজী চতুষ্পদ জন্তু, যাক হালবোৱা আৰু দুগ্ধ উৎপাদনৰ বাবে আমি ব্যৱহাৰ কৰো। কিন্তু যিকোনো শব্দাংশৰ সমাহাৰে শব্দ সৃষ্টি নকৰে — 'খৰু' বা 'ঝৰু' এটা ধ্বনি বা 'গকু' বা 'গপু' এটা ধ্বনি, কিন্তু শব্দ নহয়। ধ্বনিয়ে যেতিয়া অৰ্থ প্ৰকাশ কৰে তেতিয়া সি শব্দ হয়।

কিন্তু ধ্বনিত অৰ্থ নিহিত নাথাকে। থকা হ'লে প্ৰতিটো ধ্বনিয়েই শব্দ হ'লহেঁতেন। আচলতে বিভিন্ন অৰ্থহীন ধ্বনিৰ পাৰ্থক্যৰ মাজেৰে অৰ্থপূৰ্ণ শব্দৰ সৃষ্টি হয়। সৰু, গৰু, চৰুৰ লগত খৰু, তৰু, টৰু, ঠৰু আদিৰ পাৰ্থক্য থকা বাবেহে গৰু, সৰু, চৰুক অৰ্থপূৰ্ণ কৰিব পৰা হৈছে। ইয়াৰপৰা এই সিদ্ধান্ত কৰিব পাৰি যে সৰু, চৰু, গৰু আদি শব্দৰে আমি কিছুমান অৰ্থ আৰু বস্তু বুজাওঁ, কিন্তু অৰ্থবোৰ শব্দত নিহিত নাথাকে। থকা হ'লে পৃথিৱীৰ সকলো ভাষাতে সৰু, চৰু, গৰু শব্দ ব্যৱহাৰ হ'লহেঁতেন। কিন্তু ইংৰাজীত হয় LITTLE, PAN, COW। আচলতে একোটা ভাষাত যিবোৰ ধ্বনি প্ৰচলিত হৈ থাকে, সিহঁতৰ পাৰ্থক্যৰ ভিত্তিত বিবিধ অৰ্থ বুজোৱা শব্দ গঠিত হয়। অৰ্থাৎ কোনো শব্দৰ বা ধাৰণাৰ এক শাশ্বত মৰ্ম (ESSENCE) নাথাকে। শব্দসমূহৰ পাৰ্থক্যৰ জৰিয়তে সিহঁতৰ অৰ্থৰ উৎপত্তি হয়। পূৰ্বৰ ভাষাতত্ত্ববিদসকলে ভুলকৈ ভাবিছিল যে কেতবোৰ স্বতন্ত্ৰ ধাৰণা বা মৰ্ম আছে — শব্দবোৰ সিহঁতৰ আৱৰণ মাত্ৰ।

স্বাভাৱিকতে প্ৰশ্নৰ উদয় হয়, হাতী, ঘোঁৰা, চকী, মেজ, ঘৰ-হাবি, নৈ-জান, মহৎ, ক্ষুদ্ৰ, গভীৰ, বিশাল আদিৰ স্বতন্ত্ৰ অস্তিত্ব নাই নেকি? বিশ্বজগতত স্বতন্ত্ৰ অস্তিত্বও নাই নেকি? শব্দ আৰু ভাষা স্বয়ংসম্পূৰ্ণ নেকি? ড° ছচ্যুৰে কৈছে যে ভাষাৰ অধ্যয়নত সি অবান্তৰ, তাক অস্বীকাৰ কৰিলেও হীনডেটী নহয়।

উত্তৰাধুনিক চিন্তাবিদসকলে ড° ছচ্যুৰৰ সিদ্ধান্তৰপৰা আৰু এখোজ আগবাঢ়ি ক'লে যে শব্দাৰ্থৰ বা ধাৰণাৰ স্বতন্ত্ৰ বাস্তৱ অস্তিত্ব বিচাৰি লাভ নাই। শব্দই যদি কিবা বিষয় নিৰ্দেশ কৰিছে সি ভাষাৰ বা Reference নিৰ্দেশকৰণৰ নামৰ ক্ৰিয়াৰ ফল। কিন্তু শব্দৰ বাহিৰত ধ্বনিহীন কিবা মনোময় ধাৰণা অথবা বাস্তৱ ভিত্তি থকা বুলি ভবাটো অলীক। ফৰাচী চিন্তাবিদ জাক্ ডে'ৰিডাই ক'লে যে আঢ়ৈ হেজাৰ বছৰ ধৰি পশ্চিমীয়া মনীষীয়ে শব্দ আৰু ভাষাই ইংগিত দিয়া অথচ সৃষ্টি বা বিনাশ কৰিব নোৱাৰা কিবা স্বতন্ত্ৰ উপস্থিতিৰ (PRESENCE) কথা কল্পনা কৰি আহিছে। কিন্তু ভাষাই তাৰ বাহিৰৰ তেনে কোনো উপস্থিত বস্তু বা সত্তা সাব্যস্ত নকৰে।

ধৰা যাওক 'মহিলা' শব্দটো। তাৰ অৰ্থ অভিধান চালে ওলাব 'নাৰী'। 'নাৰী'ৰ অৰ্থ চালে ওলাব 'স্ত্ৰী'। 'স্ত্ৰী'ৰ অৰ্থ ৰমণী — এনেকৈ গৈ থাকিলে পুনৰ 'মহিলা' পোৱা যাব। অৰ্থাৎ শব্দটোৰ তাৎপৰ্য ভাষাৰ চিহ্নমূলক স্বৰপৰ ফলত উদ্ভূত হয়। তেনেকৈ পূব, পশ্চিম, উত্তৰ, দক্ষিণ এইবোৰ শব্দৰো কোনো সুনিৰ্দিষ্ট বস্তুগত অস্তিত্ব নাই। 'ওখ' শব্দৰ অৰ্থ আমি ভাবিব পাৰো 'চাপৰ' শব্দৰ বাবে, 'ডাঠ' বা 'ঘন' শব্দৰ অৰ্থ ভাবিব পাৰো 'পাতল' শব্দৰ বাবে।

আনহাতে সৌ-সিদিনালৈকে আমি ভাবি আছিলো যে শব্দ আৰু ভাষাৰ বাহিৰত এখন ইতিমধ্যে নিৰ্মিত আৰু সম্পূৰ্ণ হৈ থকা বস্তুৰ জগত আছে। শব্দ আৰু ভাষাই তাৰ ইংগিতহে দিয়ে। আমি ভাবিছিলো বিজ্ঞানে

তাৰ কঠোৰ পৰীক্ষা পদ্ধতিৰে সেই জগতখনৰ সঠিক স্বতন্ত্ৰ স্বৰূপ জানিবলৈ সুবিধা দিয়ে। শব্দ বাকলিহে, শাহটো হৈছে এই স্বতন্ত্ৰ বস্তুজগত। কিন্তু এনে নিহিতাৰ্থবাদ বা ESSENTIALISMৰ প্ৰতি প্ৰত্যাহ্বান জনাই উত্তৰাধুনিক তাত্বিকে ক'লে যে ভাষাইহে সাধাৰণ স্তৰৰপৰা উচ্চতম জ্ঞান-বিজ্ঞানৰ স্তৰলৈ জ্ঞানৰ বিভিন্ন বিষয়সমূহৰ ধাৰণা সৃষ্টি কৰিছে। প্ৰত্যেক বিজ্ঞান বা বিদ্যা বা চিন্তাধাৰাৰ আচল উৎপত্তি আৰু ভিত্তি হৈছে একোটা বাগ্‌ধাৰা (DISCOURSE)।

ৰাজনৈতিক বিজ্ঞানৰ বাগ্‌ধাৰাই কয় ৰাষ্ট্ৰৰ কথা। যাক আমি ইন্দ্ৰিয়গ্ৰাহ্য বুলি ক'ব নোৱাৰো। ধৰ্মৰ বাগ্‌ধাৰাই পাপ-পুণ্য, আত্মা, মুক্তিৰ কথা কয়। বিজ্ঞানৰ বাগ্‌ধাৰাই তেনেকৈ গতি, শক্তি, আকৰ্ষণ বিকৰ্ষণৰ কথা কয়। এনেবোৰ বাগ্‌ধাৰা কেৱল একোটা বিজ্ঞান বা বিদ্যাৰ ফল নহয়, একোটা বাগ্‌ধাৰা একোটা বিদ্যাৰপৰা অবিচ্ছেদ্য।

সূক্ষ্ম তাত্বিক পৰ্যালোচনাৰে জাক্‌ ডে'ৰিডাই কৈছে যে প্ৰতিটো বাগ্‌ধাৰা গঠিত হয় এটা কেন্দ্ৰ কল্পনা (CENTRE) কৰি। যেনে ধৰক ধৰ্মীয় বাগ্‌ধাৰা। আত্মা আৰু বস্তু বা বিষয় পাপ আৰু পুণ্য, এনে কিছুমান বৈপৰীত্যক ভিত্তি কৰি ধৰ্ম আৰু শাস্ত্ৰৰ বিস্তীৰ্ণ বাগ্‌ধাৰা ৰচনা হয়। বিষয়ৰ লগত পাপক, আত্মাৰ লগত পুণ্যক জড়িত কৰা হয়। কেন্দ্ৰত আত্মাক স্থাপন কৰি বাকীবোৰ ধাৰণাক তাতকৈ কম মূল্যৰ বা গুণগতভাৱে তল খাপৰ বুলি ধৰি ল'ব পাৰিলে ধৰ্মীয় বাগ্‌ধাৰা বলিষ্ঠ আৰু প্ৰভাৱশালী হৈ পৰে। তেতিয়া ক'ব পাৰি বিষয় সংসাৰ মূলধন, মোক্ষহে আচল। কিন্তু আগতে দেখুৱাৰ দৰে এইটো জোৰকৈ আৰোপ কৰা এটা গঠনতন্ত্ৰ (STRUCTURE)। আত্মাক কেন্দ্ৰত স্থাপন নকৰি বিষয়ক কেন্দ্ৰত স্থাপন কৰিলে ফল বহুত বেলেগ হ'ব। আনকি ভালকৈ পৰীক্ষা আৰু বিশ্লেষণ কৰিলে ধৰ্মীয় বাগ্‌ধাৰাৰ কেন্দ্ৰত থকা আত্মাৰে আসন টলায়মান হ'ব। ধৰা হওক আত্মাৰ বাহিৰত দেহ। তেন্তে আত্মা লাভ কৰিবলৈ দৈহিক সাধনাৰ কোনো প্ৰয়োজন নাই। অথচ সকলো ধৰ্মতে দৈহিক সাধনাৰে আত্মাক বিশুদ্ধ আৰু মুক্ত কৰাৰ কথা কোৱা হয়। আচলতে যি কোনো বাগ্‌ধাৰা বাস্তৱ ক্ষেত্ৰৰূপে এক নিৰ্দিষ্ট অৰ্থগত ৰূপ থাকে বুলি ক'ব নোৱাৰি। কাৰণ অৰ্থ হৈছে শেহান্তৰত অনিৰ্ণেয় অথবা অনিৰ্দিষ্ট। বাহিৰৰপৰা জোৰকৈ অৰ্থক নিৰ্দিষ্ট সীমাৰ মাজত আবদ্ধ কৰি দিয়া হয়। যেনে ধৰক ধৰ্মীয় বাগ্‌ধাৰাত মানুহৰ সত্বাক আত্মাময় বুলি জোৰকৈ আবদ্ধ কৰা হয়। এইদৰে অৰ্থক নিৰ্দিষ্ট সীমাৰ মাজত আবদ্ধ ৰখা প্ৰক্ৰিয়া হৈছে CLOSURE বা আবদ্ধন। এই CLOSURE শব্দ, ভাষা, বাগ্‌ধাৰাৰ স্বধৰ্মৰ বিৰোধী। অথচ সকলো শক্তিশালী কৰ্তৃত্বই (সি ৰাজনৈতিক হওক, ধৰ্মীয় হওক, সাংস্কৃতিক হওক) CLOSUREৰ অনুশীলন কৰি ভাষাক শাসন কৰে আৰু নিজৰ স্বাৰ্থৰক্ষা কৰে।

এই CLOSURE বা আবদ্ধনৰ জৰিয়তে প্ৰতি গুৰুত্বপূৰ্ণ শব্দৰ মাত্ৰ এটা অৰ্থকে এনেদৰে প্ৰাধান্য দিয়া হয় যে তাৰ লগৰীয়া আছকলীয়া অৰ্থ নিৰ্বাসিত হয় ছায়ালোকলৈ। এই অৱদমিত অৰ্থ বা তাৎপৰ্যক উত্তৰাধুনিক তাত্বিকসকলে নাম দিছে OTHER বা অন্যতা। SELF বা সত্বাক অৰ্থৰ জগতত ছাঁৰ দৰে অনুসৰণ কৰে এই OTHER বা অন্যতাই। ধৰাহওঁক আমি 'দেশপ্ৰেমিক' বুলি এটা সংজ্ঞা নিৰ্ধাৰণ কৰিলো। দেশপ্ৰেমিক হ'ল সেইজন, যিজনে দেশ তথা দেশৰ জনগণক ভাল পায়। ৰাজা ৰামমোহন ৰায়ক আমি দেশপ্ৰেমিক বুলি কওঁ, কিন্তু জীৱনকালত দেশৰ অধিকাংশ স্বজাতীয় লোকে তেওঁক বেয়া পাইছিল আৰু ঘৃণা কৰিছিল। বাটত ওলালে তেওঁৰ পিছে পিছে গৈ সৰু ল'ৰাবোৰে দ'ল বান্ধি চিঞৰি চিঞৰি গাইছিল —

ব্যাটাৰ বাড়ী খানাকুল
ওঁ তৎসৎ বলে ব্যাটা হাৰায়েছে কুল

জনগণে তেওঁক ভালপোৱা বুলি ক'ব নোৱাৰি। জনগণৰো বহু ব্যাপক আৰু গভীৰ বিশ্বাস আৰু সংস্কাৰক, যেনে — মূৰ্তিপূজা, সতীদাহ আদিক তেওঁ ঘৃণা আৰু নিন্দা কৰিছিল। কোনো কোনো মানুহে তেওঁক দেশদ্ৰোহী বুলিও ভাবিছিল। আনকি মহাত্মা গান্ধীয়ে 'হিন্দু স্বৰাজ' গ্ৰন্থত স্বদেশীয় সমাজৰ ওপৰত পশ্চিমীয়া আদৰ্শ আৰোপ কৰিব খোজা বাবে ৰামমোহন ৰায়ক বিপথগামী বুলি কৈছিল। এই কথাও সত্য যে তেওঁৰ মতে ব্ৰিটিছ সাম্ৰাজ্যৰ বিস্তাৰ ভাৰতৰ উন্নতিৰ বাবে প্ৰয়োজনীয় আছিল। এইটো স্পষ্ট যে প্ৰগতিশীল উদাৰনৈতিক বাগ্‌ধাৰাত ৰামমোহন দেশপ্ৰেমিক দেশনায়ক। কিন্তু সেই বাগ্‌ধাৰা গঠিত হৈছিল আন কেতবোৰ অৰ্থ তথা তাৎপৰ্য অবান্তৰ আৰু মূল্যহীন বুলি নাকচ কৰি।

বাগ্‌ধাৰা বা DISCOURSE ৰ সমগোত্ৰীয় আন এক ধাৰণা হৈছে TEXT (পাঠ) আৰু TEXTUALITY (পাঠধৰ্মিতা)। ভাষাৰ অৰ্থময়তাৰ পৰিণামস্বৰূপে দেখা যায় যে আমাৰ বহুতো লিখিত গ্ৰন্থ আৰু দলিল আদিৰ উপৰি আমাৰ অগণন আচাৰ, অনুষ্ঠান আৰু সামাজিক ৰীতি-নীতিকো পাঠ বুলিব পাৰি। কাৰণ সেইবোৰৰ বাস্তৱ অস্তিত্ব অৰ্থপূৰ্ণ ভাষা আমাৰ চেতনাত মূৰ্তমান তথা প্ৰতিভাত হয়। সেইবোৰ বিচাৰ-বিশ্লেষণ কৰিব খুজিলেও সেইবোৰ ভাষিকৰূপহে আমাৰ সন্মুখলৈ আহে। যেনে — ধৰক ভাৰতৰ স্বাধীনতা আন্দোলন। তাক সাধাৰণতে কেতবোৰ বাস্তৱ ঘটনাৰ সমষ্টি বুলি ভবা হয়। কিন্তু সেই সকলোবোৰ ঘটনাই ভাষাৰ মাধ্যমেৰে আমাৰ চেতনাত ধৰা পৰিছে। স্বাধীনতা আন্দোলনৰ নায়ক বা নেতা কোন আছিল, কৰ্মী কোন আছিল, তেওঁলোকৰ উদ্দেশ্য আৰু লক্ষ্য কি আছিল, সেইসকলো কথাই ভাষিক প্ৰমাণৰ জৰিয়তেহে বিচাৰ কৰিবলৈ আমি বাধ্য হওঁ। আমাৰ পাঠ্যপুথিত তাক যেনে সহজ-সৰল ৰূপত দেখুৱা হয়, কথাটো সিমান সহজ-সৰল নহয়, তাৰ DISCURSIVE বচনধৰ্মী বা TEXTUAL পাঠধৰ্মী চৰিত্ৰৰ বাবে। বিয়াল্লিশৰ গণ আন্দোলন স্বাধীনতা আন্দোলনৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। অসমৰ এজন চিত্ৰ পৰিচালকে ৰে'ল লাইন তুলি পেলোৱা আদি কুটাঘাতমূলক কামক আইনবিৰুদ্ধ, নৈৰাজ্যবাদী, সন্ত্ৰাসবাদী বুলি ইংগিত দিছে। কিন্তু আন বহু লোকে অত্যাচাৰী বিদেশীৰ আইনকো অন্যায়ৰ আধাৰ বুলি ক'ব। সেই আইন ভংগ কৰা তেওঁলোকৰ মতে ন্যায়ৰ বিধান হ'ব।

উত্তৰাধুনিক তাত্বিকসকলে এনেকৈ মানৱীয় ক্ৰিয়া-কৰ্মৰ সকলো স্তৰতে ভাষাৰ অলংঘনীয় মধ্যস্থতা তথা প্ৰতিপত্তি আমাৰ দৃষ্টিগোচৰ কৰিছে। মানুহৰ সকলো কথা আৰু কাম অৰ্থময়, সেই অৰ্থ ভাষাৰ জৰিয়তে ৰচিত হয়। আনহাতে সূক্ষ্মভাৱে পৰীক্ষা কৰিলে দেখা যায় অৰ্থও কোনো স্থিৰ, চিৰন্তন, নিদিষ্ট বস্তু নহয়। কিছুমানে তাৰপৰা এনে সিদ্ধান্ত কৰিছে যে অতএব মানৱ জীৱনত চূড়ান্ত, সুনিৰ্দিষ্ট সত্য বুলি একো কথা নাই। তেনে নিশ্চিত সত্যৰ মৰীচিকা নেদেখি অৰ্থৰ অনিশ্চিত, পৰিবৰ্তনশীল, বহুৰূপী চৰিত্ৰতে আমি সন্তুষ্ট আৰু আনন্দিত হবলৈ শিকিব লাগিব। অৰ্থাৎ মানুহে সচেতনভাৱে নিজৰ সুখী, সুন্দৰ, স্বাধীন জীৱন গঢ়াৰ আধুনিক সভ্যতাৰ যি প্ৰকল্প আছিল তাকো বিভ্ৰান্ত মনৰ আৱৰ্জনা বুলি নাকচ কৰিব লাগিব।

সচৰাচৰ আমাৰ ধাৰণা যে চিন্তাৰ তলৰ স্তৰ বা খলপাবোৰত যদি কিবা বেমেজালি বা বিসংগতি দেখা যায় তাক উৰ্ধ্বতন স্তৰত বিমূৰ্ত সাধাৰণ সূত্ৰৰে অপসাৰণ কৰিব পাৰি। জীৱ জগতৰ বেলেগ বেলেগ প্ৰজাতিৰ মাজত চেহেৰাপাতি, স্বভাৱ-চৰিত্ৰৰ ইমান প্ৰভেদ দেখা যায় যে তেনে খেলিমেলি দূৰ কৰিবলৈ বহু বিভিন্ন উদাহৰণ সামৰি লোৱা সাধাৰণ শ্ৰেণী (GENERAL CLASS)ৰ ধাৰণা আমি গ্ৰহণ কৰো, যেনে — তৃণভোজী, মাংসহাৰী, ৰোমন্থনকাৰী আৰু অৰোমন্থনকাৰী আদি। আকৌ তাৰো ওপৰত তাতকৈ বিস্তাৰিত ক্ষেত্ৰ সামৰি লোৱা সৰীসৃপ, স্তন্যপায়ী আদি প্ৰাণীৰ শ্ৰেণী গ্ৰহণ কৰো। তেনেকৈ কোনো ঘটনাৱলীক

সাধাৰণ সূত্ৰৰে গ্ৰথিত কৰিবলৈ বিচাৰো। এটা বিশেষ জাতীয় মুক্তি আন্দোলনক সাধাৰণভাৱে বিশ্বজনীন জাতি আৰু জাতীয় বিকাশৰ সূত্ৰৰ অন্তৰ্ভুক্ত কৰিব পাৰি। তেনেকৈয়ে আমি বিচিত্ৰ বিশ্ব সংসাৰৰ পৰিষ্কাৰ আৰু সঠিক ৰূপ এটা মনত ধাৰণ কৰিবলৈ বিচাৰো। কিন্তু জঁ পিয়েৰ লিয়তাৰ্ আদি উত্তৰাধুনিক তাত্ত্বিকৰ মতে এনে বৃহৎ কাহিনী (GRAND NARRATIVE) গ্ৰহণযোগ্য নহয়। কাৰণ প্ৰতিটো বৃহৎ কাহিনীয়ে বহু তথ্য অপ্ৰাসংগিক কৰি অৰ্থৰ বহু দিশ বাদ দি, এক ব্যাপক আবদ্ধন বা CLOSUREৰ জৰিয়তে এটা সুশৃংখল, সুসংগত অৰ্থ প্ৰতিষ্ঠা কৰে।

আজি আমি অসমীয়া জাতিৰ ধাৰণাৰ ওপৰত উত্তৰাধুনিক তত্ত্বৰ আলোকপাত কৰিম। 'অসমীয়া জাতি' অভিধাৰণাটোৰ ব্যাপক সামাজিক, ৰাজনৈতিক, ঐতিহাসিক তাৎপৰ্য আছে। তাৰ ভিত্তিত বহু যুগ ধৰি ভাষা আন্দোলন হৈছে, এখন ৰাজ্য গঠিত হৈছে, এটা সমৃদ্ধ আঞ্চলিক সাহিত্য আৰু সংস্কৃতিৰ বিকাশ হৈছে। বহুতৰ বাবে ই উশাহ-নিশাহ লোৱা বায়ুৰ দৰে স্বাভাৱিক ঘটনা। এই অভিধাটোৰ বিৰুদ্ধে বিভিন্ন লোকে বা গোষ্ঠীয়ে প্ৰতিবাদো কৰিছে। বহুতো তথ্য বা কথা অভিধাটোৰ ঢাকি ধৰি আছে। বহু কথা পাহৰাই দিছে। সেয়ে অভিধাটো এচাম লোকৰ স্বাৰ্থসিদ্ধিৰ অস্ত্ৰ হৈছে নেকি প্ৰশ্নটো একেবাৰে অবান্তৰ নহয়।

এনে এটা প্ৰশ্নই আমাক বিচলিত কৰিব, কাৰণ প্ৰাচীন অভ্যস্ত সংস্কাৰ এটাত আঘাত পৰিলে আমি নিজেই দিশহাৰা অনুভৱ কৰো। কিন্তু আজিৰ পৰিস্থিতিত যিহেতু অভিধাটো লৈ নানা বিতৰ্কৰ উদ্ভৱ হৈছে, উত্তৰাধুনিক বিশ্লেষণেৰে আমি অভিধাটোৰ জ্ঞানতাত্ত্বিক মৰ্যাদা (EPISTEMOLOGICAL STATUS) পৰ্যালোচনা কৰি চাব পাৰো।

আচলতে উনবিংশ শতাব্দীৰপৰা জাতীয়তাবাদী বাগ্‌ধাৰাৰ অপৰিসীম প্ৰভাৱত আমি 'জাতি'ৰ ধাৰণাটোক পৰীক্ষা নকৰাকৈ বিশ্বজনীন, স্বতঃসিদ্ধ ধাৰণা বুলি ভাবি আছো। কিন্তু গছ, নৈ, পথাৰৰ দৰে জাতি বস্তুটো প্ৰাকৃতিক, চিৰন্তন আৰু প্ৰশ্নতীত নহয়। এখন কিতাপত BENEDICT ANDERSON এ জাতিক এক 'কল্পিত সমাজ' বুলিহে কৈছে। (IMAGINED COMMUNITIES VERSO 1983) আৰু কিছু পলমকৈ ইতিহাসৰ মঞ্চত আৱিৰ্ভূত হ'লেও জাতিৰ (NATION) ধাৰণা আধুনিক সভ্যতাৰ এক প্ৰধান উপাদান। এক ভূখণ্ডৰ মানুহে বিশেষ আধুনিক পৰিস্থিতিত (বিশেষকৈ পুঁজিবাদৰ প্ৰসাৰ আৰু স্থানীয় বুজোৱা শ্ৰেণীৰ বিকাশ) এক সমূহীয়া আপোন সত্তা গঠন কৰিবলৈ কেতবোৰ উমৈহতীয়া ভিত্তি কল্পনা কৰে। ইয়াৰ পূৰ্বৰ ক্ষুদ্ৰ সমাজবোৰ আছিল সম্পূৰ্ণ ইন্দ্ৰিয়গ্ৰাহ্য (CONCRETE)। সমাজৰ সদস্যসকলৰ মাজত তেজৰ সম্বন্ধৰ, লোকাচাৰৰ, ধৰ্মীয় ৰীতি-নীতিৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। জীৱন-যাত্ৰাৰ বিভিন্ন দিশত কেৱল মিল নহয়, সহযোগিতা আছিল।

কিন্তু আজিকালি দূৰ-দূৰণিৰ চকুৰে নেদেখা, কাণেৰে নুশুনাকো মই মোৰ স্বজাতিৰ বুলি অনুভৱ কৰো। তাৰ ভিত্তিত কেৱল এক জাতীয় ভাষা-সাহিত্যই নহয়, এক কাল্পনিক উমৈহতীয়া ইতিহাস আৰু সযত্নে চৰ্চা কৰা দেশাত্মবোধ আছে। ই এক কাল্পনিক সমাজ-এণ্ডাৰ্ছনৰ বিশ্লেষণে সাব্যস্ত কৰিছে যে জাতি এক বাগ্‌ধাৰা উৎপাদন। অৱশ্যে আমি ভাবো যে সি কেৱল বাগ্‌ধাৰাৰ ফচলেই নহয় — এক গঠনমূলক প্ৰকল্পও।

এনে এটা প্ৰশ্নই আমাক বিচলিত কৰিব, কাৰণ প্ৰাচীন সংস্কাৰ এটাত আঘাত পৰিলে আমি নিজেই দিশহাৰা অনুভৱ কৰো। কিন্তু আজিৰ পৰিস্থিতিত যিহেতু অভিধাটো লৈ নানা বিতৰ্কৰ উদ্ভৱ হৈছে, উত্তৰাধুনিক তত্ত্বৰ সহায়েৰে বিদ্যায়তনিকভাৱে কোনো ৰাজনৈতিক স্বাৰ্থ বা অভিপ্ৰায় নোহোৱাকৈ আমি প্ৰশ্নটো তুলিব পাৰো।

১৮২৬ চনত অসম দখল কৰি তাৎকালীন বংগদেশত চামিল কৰাৰ পিছতে ব্ৰিটিছ শাসকসকলৰ সন্মুখত এটা সমস্যাৰ উদয় হৈছিল। তেওঁলোকে অসমক বংগৰ লগত মিলাই দি অসমৰ জনগণক বঙালী জাতি বা জনগণৰ অংগ বুলি ধৰিব নে অসম আৰু অসমৰ জনগণৰ বেলেগ অস্তিত্বক স্বীকৃতি দিব। উল্লেখযোগ্য যে অসম দখল কৰাৰ সময়ত অসমখন বহু ৰাজ্য, গোষ্ঠী, কৃষ্টিৰ 'মোজেয়িক' বা সমাহাৰ আছিল। আহোম ৰাজ্য আৰু ৰাজতন্ত্ৰৰ প্ৰতিপত্তি সত্ত্বেও কাছাৰৰ কছাৰী ৰাজ্য, তলতীয়া দৰঙী ৰাজ্য, গোৱালপাৰাত কোচ ৰাজ্যৰ অৱশেষ, মটক ৰাজ্য, বড়ো-মিচিং-কাৰ্বি আদি বহু গোষ্ঠী, বিভিন্ন ধৰ্ম, ভাষা, কৃষ্টিৰ সংমিশ্ৰণ নতুনকৈ দখল কৰা ভূখণ্ডত সক্ৰিয় হৈ আছিল। আনহাতে বংগদেশত কলিকতাক কেন্দ্ৰ কৰি এটা আধুনিক বঙালী জাতিৰ ভিত্তি গঢ়ি উঠিলেও বঙালী জাতি এটা ঠন ধৰি উঠা নাছিল। অসম অধিকাৰ কৰাৰ ১৫ বছৰমান পিছৰ পৰাহে আধুনিক বঙলা সাহিত্যই মাত্ৰ থিয়দণ্ডা দিবলৈ ধৰিছিল। এই অৱস্থাত অসমত কৰ্ট-কাছাৰীত আৰু অতএৱ বিদ্যালয়ত বঙলা ভাষা প্ৰৱৰ্তন কৰাৰ নেপথ্যত বঙালী জাতিদম্ভৰ ভূমিকা থকাৰ প্ৰশ্নই নুঠে। এইটো আছিল ব্ৰিটিছ শাসক শ্ৰেণীৰ সিদ্ধান্ত। আমাৰ কোনো কোনো পূৰ্বসূৰীয়ে ভবাৰ দৰে অসমীয়া বঙলা ভাষা নজনা চাহাবে বঙালী আমোলৰ ফুচুলনিত এনে সিদ্ধান্ত লোৱাৰ প্ৰশ্ন নুঠে। William Robinson প্ৰমুখ্যে বিষয়াই নিজে অধ্যয়ন কৰি এনে সিদ্ধান্ত ইষ্ট ইণ্ডিয়া কোম্পানীৰদ্বাৰা গ্ৰহণ কৰাইছিল। ৰবিনছনে ১৮৪০ চনত প্ৰকাশ কৰা কিতাপ আছিল A Descriptive Grammar of Assamese Language।

সেই সময়ত জাতীয় চেতনা (তথা তাৰ বাগ্‌ধাৰা অসমত) প্ৰতিষ্ঠিত হোৱা নাছিল। পোনপ্ৰথমে আধুনিক অসম সৃষ্টিত আগভাগ লোৱা ঔপনিবেশিক ব্ৰিটিছ শাসকেই ভাৰতৰ আন অঞ্চলৰ আৰু জাতিৰ বিষয়ে বস্তুনিষ্ঠ, বিজ্ঞানসন্মত বিৱৰণৰ চেষ্টা কৰিছিল। এইটো আছিল ETHNOGRAPHYৰ অংশ ব্ৰিটিছে যিবোৰ তথাকথিত অনুন্নত জাতিৰ সংস্পৰ্শলৈ আহিছিল, তেওঁলোকৰ বিষয়ে অনুসন্ধান কৰি তথ্যগত বিৱৰণ লিপিবদ্ধ কৰি এই বিজ্ঞানলৈ অৱদান দিছিল। কিন্তু বিজ্ঞানটো আছিল প্ৰাচ্যৰ সংস্পৰ্শলৈ অহা পাশ্চাত্যৰ বাগ্‌ধাৰাৰ প্ৰভাবাধীন। সেই বাগ্‌ধাৰাৰ প্ৰধান বৈশিষ্ট্য আছিল ORIENTALISM বা তথাকথিত প্ৰাচ্য বিদ্যাসুলভ দৃষ্টিভংগী। প্ৰাচ্যৰ মানুহক জড় বস্তুৰ দৰে অধ্যয়ন কৰি তেওঁলোকৰ জীৱন্ত সঁহাৰি অবিহনেই তেওঁলোকৰ বিষয়ে এটা ধাৰণা গঢ়ি লৈছিল। উত্তৰাধুনিক ভাষাত ই আছিল REPRESENTATION বা ৰূপ নিৰ্ধাৰণ। পৰাজিত, অৱদমিত এইবোৰ জাতি বা গোষ্ঠীৰ বাহ্যিক পৰিচয়ৰ যোগেদি নিৰ্ধাৰণ কৰা ধাৰণা এটাৰে পাশ্চাত্যৰ লোকসকলে নিজৰ সত্তাও উপলব্ধি কৰিছিল। আগতেই কৈছো যে নিজৰ সত্তা বা SELFৰ ধাৰণা কৰিবলৈ কোনো গোষ্ঠীয়ে নিজৰ কেতবোৰ গুণ বা বৈশিষ্ট্য অগ্ৰাহ্য কৰি আন গোষ্ঠীৰ গাত আৰোপ কৰে। উদাহৰণস্বৰূপে তেওঁলোকে নিজকে কৰ্মপ্ৰিয়, উদ্যোগী, সভ্য, পুৰুষসুলভ, সুস্থমনৰ আৰু যুক্তিবাদী বুলি ধৰি লৈছিল। আৰু তেওঁলোকৰ নিজৰ মাজত থকা অথচ ভয়, বিৰাগ আৰু অৱজ্ঞাৰ পাত্ৰ গুণবোৰ আৰোপ কৰিছিল প্ৰাচ্যৰ মানুহৰ ওপৰত। প্ৰাচ্যৰ মানুহক তেওঁলোকে অলস শ্ৰমবিমুখ অসভ্য বা অনুন্নত নাৰীসদৃশ আৰু খেয়ালি আৰু অপ্ৰকৃতিস্থ বুলি ধাৰণা কৰিছিল। ব্ৰিটিছ শাসকসকলৰ তথাকথিত গৱেষণাত অসমৰ মানুহৰ ছবিখনো তেনেধৰণেই ফুটি উঠিছিল। কোৱা বাহুল্য যে ব্ৰিটিছে প্ৰৱৰ্তন কৰা আধুনিক শিক্ষা ব্যৱস্থাৰ জৰিয়তে পোনতে ভাৰতীয়ৰ মনত এনে কেতবোৰ ধাৰণাকে বলবান কৰা হৈছিল। অৰ্থাৎ প্ৰাচ্য, বিদ্যাসুলভ বাগ্‌ধাৰাই সেই শিক্ষা ব্যৱস্থাই প্ৰতিষ্ঠা কৰিছিল।

স্বাভাৱিকতে অসমীয়া জাতিৰ অথবা অসমীয়া জাতীয় বাগ্‌ধাৰাৰ যেতিয়া উদ্ভৱ হ'ল তেতিয়া অসম নামৰ ব্ৰিটিছ অধিকৃত ভূখণ্ডৰ এচাম লোকে ব্ৰিটিছক প্ৰাচ্যবাদী বাগ্‌ধাৰাৰ কেতবোৰ ধাৰণাক ভিত্তি হিচাপে লৈ এক জাতীয় সত্তা গঠনৰ উদ্যোগী হ'ল।

অসমীয়া জাতি জাতীয় চৈতন্য জাতীয় একতা — এনেবোৰ শব্দ লৈ অসমৰ জনগণ ব্ৰিটিছ অহাৰ আগলৈকে সমূলি চিন্তিত বা আলোড়িত হোৱা নাছিল। মধ্যযুগীয় সামন্তবাদী আৰু জনজাতীয় সমাজত বিভিন্নতা আৰু অনৈক্যই আছিল নিয়ম। অৱশ্যে ৰাজদণ্ডই আৰু পৰম্পৰাগত জীৱন যাত্ৰাই অনৈক্যক বিবাদৰ পৰ্যায়লৈ যাবলৈ দিয়া নাছিল সাধাৰণতে। ধৰ্ম, বেহা-বেপাৰ আদিয়ে কিছু ঐক্য সাধন কৰিছিল। কিন্তু ঊনবিংশ শতাব্দীত ব্ৰিটিছ শাসন গজগজীয়া হোৱাৰ পিছত অসমৰ নব্যশিক্ষিত উচ্চ শ্ৰেণীৰ লোকসকলৰ মাজত এইবোৰ শব্দ আৰু ভাব ক্ৰমে জনপ্ৰিয় হৈ উঠে। আৰম্ভ হয় এক নতুন বাগ্‌ধাৰা বা DISCOURSE।

'অসমীয়া জাতি'ৰ এক সুনিৰ্দিষ্ট সংজ্ঞা বা অৰ্থ তেনে শিক্ষিত সমাজৰ আগৰণুৱা লেখক-বুদ্ধিজীৱীৰ মাজত পোৱা নাযায়। ব্ৰিটিছে গঠন কৰা অসম প্ৰদেশৰ সীমাৰ মাজত থকা সকলো লোক অসমীয়া, লক্ষ্য হিচাপে এনে এটা মত গ্ৰহণ কৰিলেও কাৰ্যতঃ তেওঁলোকে অসমীয়া মানুহৰ জনসংখ্যা আৰু অনুপাত লৈ সততে উদ্বিগ্ন আছিল। তদুপৰি তেনে এক জাতীয়তাৰ ভিত্তি হিচাপে অবিতৰ্কিত কিবা উপাদান ল'ব পাৰি নে নোৱাৰি, সেইটোও সমস্যা হৈ পৰিছিল। অৱশেষত অসমীয়া ভাষাকে তেনে উপাদান বুলি গ্ৰহণ কৰাৰ পিছতো বিতৰ্কৰ ওৰ পৰা নাছিল। সেই বিষয়ে পিছত কোৱা হ'ব।

সেয়ে দেখা যায় যে অসমীয়াৰ জাতীয় ঐক্য আৰু জাতীয় চেতনাৰ অভাৱ লৈহে লেখক-বুদ্ধিজীৱীসকল অধিক সোচ্চাৰ। জাতীয় চেতনা অনুপ্ৰাণিত আৰু সমৃদ্ধ কৰা লেখা-মেলাতকৈ যেন জাতীয় চেতনা নথকাক লৈ কৰা বিলাপেই কমলাকান্ত ভট্টাচাৰ্যৰপৰা অম্বিকাগিৰী ৰায়চৌধুৰীলৈকে অধিক সৰৱ যেন দেখা যায়। অসমীয়া জাতিৰ অস্তিত্ব 'জাতি নাই' বা 'জাতি শেষ হ'ল' বা 'জাতি তন্দ্ৰামগ্ন' ধৰণৰ ঘোষণা আৰু প্ৰচাৰেৰেই যেন সাব্যস্ত কৰা হৈছে।

উত্তৰাধুনিক চিন্তাধাৰাই আঙুলিয়াই দিছে যে ই এক স্বাভাৱিক পৰিস্থিতি। একোটা বাগ্‌ধৰা এটা কল্পিত কেন্দ্ৰক অৱলম্বন কৰি বিকশিত হয়। কিন্তু সেই কেন্দ্ৰটো ভালদৰে পৰীক্ষা কৰিলে দেখা যায় যে তেনে ধাৰণা অমূলক। কিন্তু সেই অলীক আৰু অবান্তৰ বা বিসংগতিপূৰ্ণ কেন্দ্ৰৰ ধাৰণা অবিহনে বাগ্‌ধৰাৰ বিকাশ অসম্ভৱ। আৰু সেই বাগ্‌ধৰা হৈছে সমাজত ক্ষমতাৰ সাৰথি। সেয়ে বাগ্‌ধৰাৰ অভ্যন্তৰত থকা শূন্যতাক উপলব্ধি কৰিবলৈ নিদি বাক্‌চাতুৰ্যৰে (RHETORIC) শূন্যতা পূৰণ কৰা হয়। অৱশ্যে বাগ্‌ধৰাৰ প্ৰবক্তাসকলে নিজেই নুবুজে যে ভাষাই তেওঁলোকক এনে ছলমানৰ আশ্ৰয় ল'বলৈ বাধ্য কৰিছে। তেওঁলোকৰ উক্তিত আন্তৰিক আৱেগৰ অভাৱ নাথাকে।

জাতি গঠন তথা জাতীয় বাগ্‌ধৰাৰ উৎপত্তিৰ সময়ত অৱস্থাটো কি আছিল বুজাবলৈ মই যোগেশ দাসৰ 'অৰুণোদইৰ ভাষাৰ প্ৰতি হেমচন্দ্ৰ বৰুৱাৰ প্ৰত্যাহ্বান' নামৰ এটা প্ৰবন্ধত কৰা এক উক্তিৰ পৰা বুজা যায়—

'প্ৰথমেই কৈ থোৱা উচিত হ'ব যে 'অসমীয়া' বুলি কোনো আখ্যাই তেওঁলোকৰ (মিছনাৰীসকলৰ) আগলৈকে প্ৰচলিত নাছিল। ...ভাষাৰ ক্ষেত্ৰত হওক বা জাতিৰ ক্ষেত্ৰতে হওক আগতে 'অসমীয়া' আখ্যাটো প্ৰচলিত নাছিল। বুৰঞ্জী, কাব্য, গীত আদিত এই আখ্যা পোৱা নাযায়। শ্ৰীৰামপুৰত আত্মাৰাম শৰ্মাৰ হাতে বাইবেলৰ অসমীয়া ভাঙনি যি 'ধৰ্মপুস্তক' প্ৰকাশ কৰা হৈছিল (১৮৩৩) তাত ভাষাটোক 'অহমীয়া মাত' বোলা হয়। ... অৰুণোদই দ্বিতীয় বছৰত(১৮৪৭) 'অসমিয়া মানুহ' বোলা হয়। ঢেকিয়াল ফুকনৰ 'অসমিয়া ল'ৰাৰ মিত্ৰ' ১৮৪৯ চনত ওলায়।' (অসমৰ বাতৰি কাকতৰ ডেৰশ বছৰীয়া ইতিহাস) ১৯৯৮ পৃঃ ৯২।

এই 'অহমিয়া' বা 'অসমীয়া' শব্দটো তৎকালীন বিদেশী ব্ৰিটিছ শাসকে নিজৰ সুবিধাৰ বাবে সৃষ্টি কৰা এটা অভিধা। বেনে ডিক্ট এণ্ডাছনে তেওঁৰ IMAGINED COMMUNITIES গ্ৰন্থত দেখুৱাইছে তৃতীয় বিশ্বত কেনেকৈ এনেদৰে ইউৰোপীয়া ঔপনিবেশিক শাসকবিলাকে নিজৰ প্ৰশাসন, কতৃত্ব, ক্ষমতাৰ স্বাৰ্থত লোকপিয়ল আদিত এনেদৰে নৃতাত্ত্বিক শ্ৰেণীবিভাগ কৰি বিভিন্ন জাতীয় পৰিচয়মূলক শব্দ প্ৰচলন কৰিছিল। কিন্তু এই শব্দটোৰেই পিছত অসমৰ বৃহৎসংখ্যক জনগণৰ জাতীয় জাগৰণ আৰু সমূহীয়া আত্মচেতনাৰ দীক্ষামন্ত্ৰ হৈ পৰিছিল। শ্ৰদ্ধেয় অধ্যাপক যোগেশ দাসে কিন্তু তেওঁ উল্লেখ কৰা ঘটনাৰ মৰ্ম অৱধান কৰা নাছিল। তেওঁ ভাবিছিল যে নাম যিয়েই নহওক, জাতি বস্তুটো হেজাৰ-বিজাৰ বছৰ ধৰি চলি আছিল। উক্ত বস্তুটো এক চিৰায়ত নহ'লেও স্থায়ী প্ৰপঞ্চ।

উত্তৰাধুনিক বিশ্লেষণে এইটোও সাব্যস্ত কৰে যে এনেদৰে সমূহীয়া সত্তা (SELF)ৰ ধাৰণা কৰোতে অনিবাৰ্যভাৱে কেতবোৰ আহুকলীয়া তথা বা ঘটনা বাদ দিয়া হয়। এই প্ৰক্ৰিয়াৰ দিশ দুটা (১) প্ৰথমতে অন্যতা (OTHER)ৰ ধাৰণা কৰি লৈ তাত কেতবোৰ অবাঞ্ছিত বা দুৰ্লভ গুণ-দোষ আৰোপ কৰি সত্তাৰ ধাৰণাৰ জুমুঠিটো টানকৈ বন্ধা হয়। (২) দ্বিতীয়তে সত্তাৰ উৎপত্তি আৰু বিকাশৰ এক কাহিনী ৰচা হয়, য'ৰ নাম ইতিহাস। অসমীয়া জাতীয় জাগৰণ আৰু জাতীয় বিকাশতো এই দুই ঘটনা ঘটিছে।

প্ৰথমতে দেখা যাওক অন্য (OTHER) ধাৰণাবোৰ। এই ক্ষেত্ৰত তিনিটা বিভিন্ন দিশৰ প্ৰকাশ দেখা যায়। প্ৰথমতে আদৰ্শ বুলি ভবা ইংৰাজী বা ইউৰোপীয় জাতিবোৰৰ উন্নতি, জাতীয় ঐক্য, পৰাক্ৰম, কৰ্মোদ্যম আৰু সভ্যতাৰ তুলনাত অসমীয়াৰ তেনেবোৰ গুণৰ অভাৱ, আৰু তেনেবোৰ গুণ আয়ত্ব কৰি তেওঁলোকৰ সমকক্ষ হোৱাৰ আকাংক্ষা তথা প্ৰয়াস। দ্বিতীয়তে প্ৰতিদ্বন্দ্বী বুলি ভবা বঙালী আৰু মাৰোৱাৰী আদি জাতিৰ মাজত বিপৰীত গুণৰ আৰোপ। যেনে বঙালী অধ্যয়নশীল, বিদ্যানুৰাগী আৰু মাৰ্জিত স্বজাতিপ্ৰেমী কিন্তু কূটবুধীয়া, হিংসাকুৰীয়া, বহুবক্কী, প্ৰতাৰক আৰু ভয়াতুৰ তথা অসমীয়া বিদ্বেষী! আনহাতে মাৰোৱাৰী হৈছে উদ্যোগী, চতুৰ পৰিশ্ৰমী কিন্তু প্ৰবঞ্চক, ধনৰ খঁকুৱা আৰু শোষক। এই দুই জাতিৰপৰা ইংৰাজতকৈ বহু বেছি বিপদ বুলি ধৰা হয়, অথচ দুয়ো জাতি যে ঔপনিবেশিক ইংৰাজৰদ্বাৰা আশ্ৰিত, পালিত সহযোগী, স্বীকাৰ কৰিবলৈ অনিচ্ছা। তৃতীয়তে থলুৱা জনজাতীয় জনগোষ্ঠীসমূহ, যাক নৱোদিত অসমীয়া জাতীয় চেতনাই অসমীয়াৰ তুলনাত হীন, অসভ্য, কদাচাৰী আৰু হোজা বা মূৰ্খ বুলি অৱজ্ঞা আৰু পুতৌ মিহলি ভাৱেৰে চাইছিল।

ঐতিহাসিক হেৰম্বকান্ত বৰপূজাৰীদেৱৰ তেওঁৰ The American Missionaries and North-East কিতাপত অৰুণোদইৰ সম্পাদক নাথান ব্ৰাউনৰ এখন চিঠিৰপৰা এটা উদ্ধৃতি দিছে য'ত অৰুণোদইৰ দ্বাৰা অসমীয়া মানুহৰ মনত প্ৰৱেশ কৰা তথা তাক গঢ় দিয়াৰ উদ্দেশ্য প্ৰকাশ পাইছে স্পষ্টভাৱে — 'The Orunodoi has been considered by the mission as one of the most powerful instrumentalities for gaining access to the mind of the Assamese. No other instrument that we could use would exert half of the influence in enlightening the native mind and undermining their shalter as a paper of this kind...'।

ইয়াত ধৰি লোৱা হৈছে যে থলুৱাসকল অজ্ঞ আৰু তেওঁলোকৰ মন অন্ধকাৰাচ্ছন্ন, তাক আলোকিত কৰা দৰকাৰ। তাৰ বাবে তেওঁলোকৰ শাস্ত্ৰৰ প্ৰভাৱৰপৰা তেওঁলোকৰ মনবোৰ মুকলি কৰিব লাগিব। সৌভাগ্য বা দুৰ্ভাগ্য হওক, শাস্ত্ৰৰ প্ৰভাৱ দূৰ কৰা সম্ভৱ নহ'ল। কিন্তু আনধৰণে থলুৱা জনগণৰ মন গঢ় লগোৱাত বহু পৰিমাণে সফল হ'ল মিছনেৰীসকল। আনন্দৰাম ঢেকিয়াল ফুকনৰপৰা লক্ষ্মীনাথ বেজবৰুৱাৰ দিনলৈ কেৱল শিক্ষাৰদ্বাৰা অসমীয়া মনৰ অন্ধকাৰ দূৰ কৰাৰ কথাই শুনা গ'ল। 'জোনাকী'ৰ পৃষ্ঠাত তমসৰপৰা জ্যোতিলৈ নিবলৈ

ব্রহ্মাণ্ডজ্ঞানতকৈ সৰস্বতী বা শিক্ষা আৰু সাহিত্যৰ প্ৰভাৱকে পথপ্ৰদৰ্শকৰূপে ধৰা হ'ল —

বৰষা অনন্ত কাল জ্ঞানৰ পোহৰ
জ্যোতিৰ্ময়ী জোনাকী সবিতা;
বজোৱা অনন্তকাল পঞ্চমত তুলি
বীণাপাণি, কোমল কবিতা।

আমি যি অন্যতা বা (OTHER)ৰ ধাৰণা উল্লেখ কৰিছো তাৰ আগজাননী পোৱা যায় ১৮৪৯ চনত প্ৰকাশিত ঢেকিয়াল ফুকনৰ পাঠ্যপুথি 'অসমীয়া ল'ৰাৰ মিত্ৰ'ত। তাত কোৱা হৈছেঃ

এনেকৈয়ে কালক্ৰমে গোটেইখন ভাৰতবৰ্ষেই এতিয়া কোম্পানিৰ অধিকাৰ হৈছে আৰু দেশাধিপতি হৈ প্ৰজাৰ সুখ বঢ়াবলৈহে পুৰুষাৰ্থ কৰিছে; তাৰপৰা জনা যায় যে এই দেশৰ কুশলেহে ঈশ্বৰে ইবিলাকক দেশৰ অধিপতি কৰিছে (পৃঃ ১৪৮)।

এই ইংৰাজৰ লগত নিজৰ তুলনা কৰিলে অসমীয়াই নিজৰ হীনতা বুজি পাব ঃ

যি'বোৰ মানুহ নগৰত থাকে, ভাল ঘৰ সাজিবলৈ পাৰে, আৰু পিন্ধিবলৈ চিকুণ কাপোৰ ববলৈ জানে, ৰান্ধিবলৈ ভূ পায় আৰু পুথি লিখে আৰু পঢ়ে সিহঁতকে সভ্য লোক বোলে। সভ্য দেশত মানুহে জাহাজত কঢ়িয়াই এক দেশৰ বস্তু আন দেশলৈ নিয়ে। ইয়াকে বাণিজ্য বোলে আৰু সভ্য লোকবোৰ বৰ সুখী। ...আমাৰ(অসম) দেশ ইংৰাজী দেশতকৈ সভ্যতাত ভালেমান কমি, কিয়নো অসম দেশৰ মানুহে মনুষ্য আকাশলৈ উঠা আৰু ভাপেৰে জাহাজ চলোৱা কথা কৰিব নালাগে। কেতিয়াবা সামাজিকতো দেখিছিলনে? (পৃঃ ১০৫-১০৬)

আনহাতে আকৌ জনজাতীয় জনগোষ্ঠীৰ তুলনাত সভ্যতাত নিজকে ভিন্ন আৰু উন্নত বুলি ভবাৰ মানসিকতাও গঢ় লৈছে।

এই দেশৰ মানুহে আৰু গাৰো, মিকিৰ ইত্যাদি পৰ্বতীয়া জাতিয়ে সমান নহয়, আমি সিহঁততকৈ সকলো কথাতে ভাল; তেনেকৈ পৃথিৱীত সভ্য আৰু অসভ্য দুই প্ৰকাৰৰ মানুহ আছে। (পৃঃ ২০৪)

তাৰ ২৫ বছৰৰ পিছত ১৮৭৫ চনত প্ৰকাশিত হয় গুণাভিৰাম বৰুৱাৰ 'আসাম বুৰঞ্জী'। তাতে ঔপনিবেশিক CLASSIFICATION বা শ্ৰেণী বিভাজনৰ প্ৰভাৱ আৰু সুদৃঢ় হোৱা দেখা যায়। এহাতে ইংৰাজ প্ৰশস্তিয়ে গদগদ ৰূপ লৈছে, আনহাতে তথাকথিত বৰ্বৰ থলুৱা জনগোষ্ঠীৰ লগত প্ৰভেদে অবজ্ঞা আৰু বিৰাগৰ ৰূপ লৈছে ঃ

এই দেশত ব্ৰিটিছ সুশাসনৰ নিমিত্তে সকলো প্ৰকাৰ লোকৰ সুখ-সন্তোষ হ'ল। ভিন্ন দেশীয় শত্ৰুৰ ভয় নাই। দুষ্টবিলাকৰ দমন হ'ল আৰু স্বাধীনভাৱে সকলোৱে কৰ্ম কৰিব পাৰিলে। ...প্ৰজাবিলাকে সামান্য পৰিশ্ৰম কৰে, তাৰদ্বাৰা বিস্তৰ লাভ কৰে। অথচ গৱৰ্ণমেণ্টক যি কৰ দিয়ে তাৰ নিৰিখ অতি কম। সি কাৰণে মাটিৰ খাজনা বৃদ্ধি কৰিলে। (পৃঃ ১৭১)

'লোকসকলে এই সুশাসনত পৰম সুখে থাকি পৰমেশ্বৰক ধন্যবাদ কৰিছে।' (পৃ ১৭৩)

(অথচ এই কালতেই অসমত কৃষক প্ৰজাৰ প্ৰবল ক্ষোভ আৰু অসন্তোষ আৰম্ভ হৈছিল।)

জাতীয় ঐক্য জাতীয় চেতনাৰ বাটকটীয়া গুণাভিৰামে থলুৱা জনগোষ্ঠীৰ বিষয়ে তুচ্ছ-তাচ্ছিল্যৰ ভাষা ব্যৱহাৰ কৰা দেখা যায়ঃ

'মিকিৰ জাতি — ইহঁতে আমাৰ মানুহৰ স'তে বৰকৈ মিলিব পাৰে। মিকিৰবিলাকক এতিয়াও আমাৰ মানুহে 'ডালৰ মিকিৰ' বোলে। সিহঁতেও স্নেহ বা অনুগ্ৰহৰ আশাত সেইৰূপ বাক্য নিজে বোলে। ইয়াৰপৰা এনে উপলব্ধি হ'ব পাৰে যে শাখামৃগ বা মৰ্কট শব্দৰেই মিকিৰ শব্দ অপভ্ৰংশ যাত্ৰা।' (পৃঃ ১৩)

'ছুটীয়া জাতি — ইহঁতক অনেকে অনুমান কৰে আন ঠাইৰপৰা অহা মানুহ। কিন্তু এইটো অপ্ৰমাণ যেন দেখা গইছে। ইহঁতৰ পৰ্বতত বাস নাই। পূৰ্বে ইহঁতৰ দেশ সৌমাৰ খণ্ডত আছিল।' (পৃঃ ১৯)

তেওঁলোকে আপডাল কৰা জাতীয় ঐক্য আৰু জাতীয় চেতনা ধৰি উঠে কমলাকান্ত ভট্টাচাৰ্যৰ ৰচনাত। কিন্তু সেই জাতীয় চেতনাই যেন ৰ'দ আৰু বৰষুণৰ হেঁপাহত দেওপাৰি ফুৰিছে। অসমীয়া অচেতন্য অৱস্থাই তেওঁৰ প্ৰবল দুখ আৰু ক্ষোভৰ কাৰণ। ১৯১৪ চনতো 'ব্ৰহ্মাৰ মুখে তন্ত্ৰৰ ব্যাখ্যা' নিবন্ধত তেওঁ ইংৰাজক সাধুবাদ দিছে।

ইংৰাজ জাতিৰ গাত এইবিলাক গুণ থকাৰ গতিকে ভাৰতৰ অধঃপতিত হিন্দু আৰু অন্যান্য জাতিৰ উদ্ধাৰ কৰাৰ অৰ্থে এই বিশাল ভাৰত ৰাজ্য ইংৰাজৰ হাতত অৰ্পণ কৰিলো আৰু বিশেষকৈ দেখিলো যে, অনেক দিনৰপৰা ছিগিভাগি যোৱা এই ভাৰত ৰাজ্য ইংৰাজ গৱৰ্ণমেণ্টৰ হাতত নিদিলে কেতিয়াও জোৰা নালাগে আৰু জাতিভেদ আঁতৰ নহয়। (কমলাকান্ত ভট্টাচাৰ্য ৰচনাৱলী, পৃঃ ৯৮, অসম প্ৰকাশন পৰিষদ)

কিন্তু কমলাকান্তৰ সৰহভাগ ৰচনা বিলাপধৰ্মী। অসমত থকা অসমীয়া জাতীয় জাগৰণৰ বৈতালিক হোৱাতকৈ সোৱোপা, পৰশ্ৰীকাতৰ, জাতীয় চেতনাত দুৰ্বল, মনুষ্যত্বহীন অসমীয়াৰ বৰ্বৰতা তথা জাতীয় চৈতন্যহীনতাৰ শোকগাথা গোৱাহে তেওঁৰ ভাগ্যত ঘটিল। অজস্ৰ উক্তিৰপৰা বাছি চাৰিটা মাত্ৰ উদাহৰণ দাঙি ধৰা হ'ল ঃ

(১) ৰাজনীতি এটি সুকীয়া বস্তু নহয়, ধৰ্মনীতিয়েহে ৰাজনীতি। আমি অসমীয়া জাতি ধৰ্মহীন, সাহিত্যহীন, গতিকে আমাৰ ৰাজনীতি, একতা নাই। এই কাৰণে আমাৰ পিৰি উঠিবলৈ আৰু বেছিদিন নাই। সত্য কোনোদিন ভীৰু, কাপুৰুষ জাতিয়ে গ্ৰহণ কৰিব নোৱাৰে। (পৃঃ ১১৬)

(২) যি জাতিৰ স্বদেশ প্ৰেম নোহোৱা হয়, সেই জাতিকে মৰা জাতি বোলে। বৰ্তমান আমি যেনে মুকলি মনেৰে কাৰ্য কৰিব নোৱাৰা অৱস্থাত আছোহঁক, আৰু এইদৰে এশমান বছৰ থাকিব লাগিলে আমি যে পৃথিৱীৰপৰা জাতিভাৱে নুমাব লাগিব, ই ধৰাবন্ধা কথা। (পৃঃ ১২৫) (চেতনা, ১৯২৩)

(৩) এনে অধম জাতি পৃথিৱীত নাই বুলি ডাঠকৈ কব পাৰি। এনে জাতিৰ অস্তিত্ব পৃথিৱীত থকা সম্ভৱনে? নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰা স্বভাৱকে বোলে অসমীয়াৰ স্বভাৱ। অসমীয়া জাতিৰ স্বভাৱ কোন পিনেনো উন্নত দেখিবলৈ পাবা? (চেতনা ১৯২৩, পৃঃ ১৩৩)

(৪) কৰ্ত্তব্য নুবুজা, অকৃতজ্ঞতা, কাপুৰুষালি, ভীৰুতা, পৰনিন্দা, ভণ্ডামি, পৰশ্ৰীকাতৰতা আৰু হাতত অলপ ধন হলেই ফুটনি হৈ উঠা অসমীয়াই ঘাই দোঁষ, স্বদেশপ্ৰেম নুবুজা, নিজ দেশৰ মানুহৰ উন্নতি সহিব নোৱাৰা। এই কাৰণে লগ বান্ধি কি নিজৰ উন্নতি কি দেশৰ উন্নতি কোনো উন্নতিকেই অসমীয়াই সাধন কৰিব নোৱাৰে। (ঐ, পৃঃ ১২৮)

সঁচাকৈ তেওঁলোকে ভবাৰ দৰে অসমৰ জাতীয় সত্তা তথা চৈতন্যৰ পূৰ্ণ বিকাশ আৰু পৰিপুষ্টি ঘটা হ'লে তেওঁলোকে নিজেই তাৰ অস্তিত্বত সন্দেহ কৰি খেদ আৰু আক্ষেপ নকৰিলেহেঁতেন।

১৮৯৪ চনৰপৰা ১৯৩৫ চনলৈ এইদৰে মৰ্মভেদী আক্ষেপ প্ৰকাশ কৰা কমলাকান্ত ভট্টাচাৰ্যৰ কোনো ব্যক্তিগত ভাববিলাস নাছিল। ১৯৪৫ চনতো গোপীনাথ বৰদলৈদেৱে সাদিনীয়া 'বাঁহী'ত অসমত দৈনিক কাকতৰ অভাৱ হেতুকে জাতীয় জনমত আৰু চেতনা গঢ় নোলোৱা কথালৈ আক্ষেপ কৰিছিল ঃ

'অসমত দৈনিক কাকতৰ অভাৱ মোৰ দৰে কোনোৱে অনুভৱ কৰা নাই। মই আত্মনিৰ্ভৰশীলতাত বিশ্বাস কৰো। অসমৰ সমস্যাবোৰৰ সমালোচনা আৰু সমাধানৰ কাৰণে আন প্ৰদেশৰ বাতৰি কাকতৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হোৱাটো অসহনীয় কথা' (অসমৰ বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, পৃঃ ৪১০)

১৯৫৩ চনতো অম্বিকাগিৰীৰ 'ডেকা অসম'ৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাত 'নিবেদন' আছিল এনে ধৰণৰ ঃ

'... জাতিৰ ভগ্ন স্বাস্থ্য উদ্ধাৰৰ উদ্দেশ্যে ডেকা অসমে অকল নৰ্দ্দমা পৰীক্ষক (ড্ৰেইন ইন্সপেক্টৰ) হৈয়ে নাথাকিব, নৰ্দ্দমা পৰিস্কাৰক (ড্ৰেইন ছুইপাৰ) হৈ অসমীয়া জাতিৰ আগত সমাজসেৱাৰ মহান আদৰ্শও দাঙি ধৰিবলৈ দিহা কৰিব।'

বে'নে'ডিক্ট এণ্ডাৰ্ছনে কৈছে যে ক'বলৈ গ'লে উপন্যাস হৈছে এটা জাতিৰ প্ৰাথমিক শিক্ষাৰ মাধ্যম। এক কাল্পনিক সমাজৰূপে জাতিক অৱধাত কৰাত উপন্যাস সাহিত্যই সহায় কৰে। ঔপন্যাসিকে বিচিত্ৰ চৰিত্ৰৰ সুখ-দুখৰ কাহিনীৰ মাজেৰে পাঠকৰ মনশ্চক্ষুত তেনে এখন ব্যাপক সমাজৰ ৰূপ ফুটাই তোলে, তাৰ লগত আত্মীয়তা গঢ়ি তোলে। কিন্তু মন কৰিবলগীয়া কথা যে 'মনোমতী', 'ৰঙিলী', 'ৰহদৈ লিগিৰি' আদি উপন্যাসত ঘাইকৈ অসমীয়াৰ গৃহকন্দল, ধৰ্মীয় গোড়ামি আৰু সংকীৰ্ণতা আৰু ডা-ডাঙৰীয়াৰ মইমতালি বেছিকৈ প্ৰকট হৈছে আৰু ইংগিত দিয়া হৈছে যে বিদেশী শাসনকৰ্তাৰ আমোলতহে অসমত শান্তিপ্ৰতিষ্ঠা হৈছে আৰু জাতীয় চৈতন্যৰ উদয় হৈছে। জাতি নিপাত কৰিব খোজা মানৰ উৎপীড়নৰপৰা ইংৰাজেহে অসম আৰু অসমীয়াক ৰক্ষা কৰিছে।

মাজে-সময়ে ইংৰাজৰ ছত্ৰছায়াত জাতীয় উন্নতিৰ সপোনে অসমীয়া জাতীয়তাবাদৰ প্ৰৱক্তাসকলক নিচাসক্ত কৰাও দেখা গৈছে। বাঁহীৰ ৮ম বছৰ, ১ম সংখ্যাত ১ম বিশ্বযুদ্ধত ব্ৰিটিছক সহায় কৰিবলৈ বেজবৰুৱাই অসমীয়াক উদাত্ত আহ্বান দিছিল ঃ

বাজিছে ৰণৰ ভৈৰৱ ভেৰী<br>
উঠা অসমীয়া মোহ পৰিহৰি।<br>
বৃটেইনৰ ৰজা আমাৰ ৰজা<br>
বৃটনীয়া সৱ ভাই ভাই প্ৰজা।<br>
ইংৰাজ ৰাজ্য আমাৰ ৰাজ্য।<br>
যুঁজাৰুসকল আমাৰ পূজ্য। (আহ্বান)

পৰৱৰ্তী কালত বেজবৰুৱাৰ ব্ৰিটিছ ভক্তি অভিজ্ঞতাই হ্ৰাস কৰিলেও আত্মাভিমান জাগ্ৰত হোৱা সময়তো (উষা, ১৯০৮ চন) তেওঁ কৈছিল ঃ

'ইংৰাজে ভাৰতৰ অনেক উপকাৰ কৰিছে আৰু ভাৰতবৰ্ষ ইংৰাজৰ ওচৰত অনেক প্ৰকাৰে ধৰুৱা। ইংৰাজ ভাৰতৰ গৰাকী হৈ থাকে এনে আশা ভাৰতে সদায় কৰে'। (বেজবৰুৱা ৰচনাৱলী, ২য় খণ্ড, পৃঃ ১৬৫৮)

ইংৰাজৰ প্ৰতি ইমান সমীহ আৰু ভক্তিৰ তুলনাত ইংৰাজৰ লগতে অসমত সোমোৱা বঙালী, মাৰোৱাৰী আদি জাতি তথা জনগোষ্ঠীৰ প্ৰতি অসমীয়া জাতীয় ভাবৰ প্ৰবক্তাসকলৰ অবজ্ঞা আৰু বিৰাগৰ কটাক্ষ তাহানিৰ লেখকসকলৰ প্ৰায় ছত্ৰে ছত্ৰে বিৰাজমান। পোনপ্ৰথমে বঙালীৰ প্ৰতি শিক্ষিত অসমীয়াৰ মনোভাৱ আছিল প্ৰতিযোগিতামূলক সন্মানৰ। ১৮৬১ চনৰ আগষ্ট মাহৰ 'অৰুণোদই'ত শিৱসাগৰৰ এজন ছাত্ৰই অসমীয়া শিক্ষিত সমাজলৈ লিখা 'সভ্য হবলৈ নিবেদন' নামৰ এখন পত্ৰ প্ৰকাশ কৰে। তাত তেওঁ কয় ঃ

'চোৱাচোন, একেলগৰ বঙ্গাল দেশত কিমান উন্নতি হৈছে। ইয়ং বেংগল অৰ্থাৎ ডেকা বঙ্গালীবিলাক বৰ সভ্য ও সুশিক্ষিত, তেওঁবিলাকে এই 'চুপৰষ্টিশ্যন' অৰ্থাৎ মিছা ভ্ৰান্তিৰপৰা কেতিয়াবাই মুক্ত হ'ল।'

মণিৰাম দেৱানে দত্ত উপাধি গ্ৰহণ কৰা সম্পৰ্কে তেওঁৰ অনুৰাগী আৰু তেওঁক জাতীয় বীৰৰূপে প্ৰতিষ্ঠা কৰা জাতীয়তাবাদী বুৰঞ্জীবিদ বেণুধৰ শৰ্মাই লিখিছে যে এই কৌশলেৰে চৰকাৰী কৰ্মচাৰীসকলৰ আগত নিজক কায়স্থ সন্তান বুলি চিনাকি দি মণিৰামে বিভিন্ন চৰকাৰী সুবিধা উপভোগ কৰিছিল। ঘটনাটোৰে দেৱানক চতুৰ মানুহ বুলি প্ৰমাণিত কৰিলেও বঙালীৰ আগত একধৰণৰ হীনমন্যতাৰ ভাবো ইয়াত নিহিত হৈ আছে।

কমলাকান্ত ভট্টাচাৰ্যৰ ৰচনাত বঙালীৰ প্ৰতি দুটা পৰস্পৰবিৰোধী মনোভাবে ক্ৰিয়া কৰিছে। এহাতে তেওঁ ঔপনিবেশিক শাসনৰ সুবিধা ল'ব জনা বাবে বঙালীক আৰ্হি হিচাপে দাঙি ধৰিছে, আনহাতে অসমীয়াৰ তুলনাত আগবাঢ়ি অসমীয়াৰ প্ৰতি অৱজ্ঞাৰ ভাব পোষণ কৰা বাবে বঙালীক কটু সমালোচনাও কৰিছে।

'আমি অসমীয়া জাতিৰ জ্ঞানৰ দ্বাৰাই বিবেক উজ্জ্বল কৰিব নোৱাৰা দোষতেই বাহিৰে-ভিতৰে কেউপিনে গোলাম জাতি হৈ আছো। এই কাৰণে আমাক লুটিপুতি আমাৰ দেশত ধন উপাৰ্জন কৰি বহি আছে মাৰোৱাড়ী, আমাৰ দেশৰ মাটিতে সোণ কমাইছে বিদেশীয়ে। আমাৰ ঘৰতে আমাৰ বুকুতে পীৰা পাৰি বহি খাই আছে বঙালীয়ে।' (অসমীয়া জাতিৰ পীৰি উঠিব নেকি? ৰচনাৱলী, পৃঃ ১১৮) আকৌ, 'আসাম আৰু বঙ্গদেশ দুইখন ইমান ওচৰা-ওচৰি, ইযৰ-সিঘৰ প্ৰতিবাসীৰ দৰে হৈও এই পৰ্যন্ত বঙালীয়ে আসামৰ প্ৰায় ভুকে নাপায়... দুখৰ বিষয় এইযে তেওঁবিলাকৰ ভিতৰৰ অনেক অসমীয়া ভাষাও নাজানে আৰু আসামৰ ইতিহাস সম্পৰ্কে একো বুজকে নাপায়। তেওঁবিলাকে অসমীয়া অসভ্য জাতি বুলি বেঙ্গোৱা ভাব নেৰে।' (অসমীয়া জাতি কিয় তলপৰা? ৰচনাৱলী, পৃঃ ১২৯)

'জোনাকী' যুগত বঙালীৰ প্ৰতি বিৰাগ ইমান প্ৰবল হৈ উঠিল যে লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৱলীৰ বহুলাংশজুৰি অসমীয়াৰ প্ৰতি বঙালীৰ অৱজ্ঞা, বঙালী জাতিদম্ভ, বঙালীৰ অত্যুগ্ৰ সাংস্কৃতিক আগ্ৰাসন, অসমীয়া সাহিত্যৰ প্ৰাচীন সম্পদ গ্ৰাস কৰিবলৈ বঙালীৰ ষড়যন্ত্ৰ আৰু শংকৰদেৱৰ প্ৰতিভাক হয় হেয় কৰিবলৈ নতুবা চৈতন্যদেৱৰ প্ৰতিধ্বনি প্ৰমাণ কৰিবলৈ বঙালীৰ অস্বাভাৱিক কছৰৎ আদি বিষয়ে অধিকাৰ কৰি আছে। সেইবোৰ পুনৰুক্তি নিষ্প্ৰয়োজন। এটা উদ্ধৃতিয়েই বঙালীৰ প্ৰতি তেওঁৰ বিতৃষ্ণাৰ নিদৰ্শন দেখুৱাবলৈ যথেষ্ট ঃ

'অসমৰ অসমবাসী বঙালীৰ ভ্ৰাতৃভাৱৰ চুঙাতো সেৱা, চৰণতো সেৱা। পোন্ধৰটকীয়া কাম এটা খালী হলেও দেশৰপৰা বঙ্গভায়াৰ আমদানি, নোৱাৰা পক্ষতহে অসমীয়া। কথাই-কথাই অসমীয়াক 'আছামী ভূত' নামে সম্বোধন নকৰিলে, তেওঁলোকৰ গা-নুজুৰায়। মৰ্ম পোৱা গৈছে বঙালী ভাই তোমাৰ চেনেহৰ চুমাৰ। সি আমাৰ নাকটি ছিঙিলে আৰু তেনে চুমা আমাক নাখাবা, ৰক্ষা কৰা।' (অসমীয়া ভাষা ১৮৯৪, ৰচনাৱলী, ২য় খণ্ড ১৭২২)

কিন্তু এই বেজবৰুৱাই ঠাকুৰ পৰিয়াৰৰ জোঁৱাই হৈ পৰিয়ালত বঙালী ভাষাতে কথা-বতৰা পাতি আনন্দ আৰু গৌৰৱ অনুভৱ কৰিছিল। সেইদৰে ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, ৰামমোহন ৰায়, ৰাজেন্দ্ৰলাল মিত্ৰ আদি মহান বঙালী সাহিত্যিক আৰু সমাজ সংস্কাৰকক যথাযথ শ্ৰদ্ধা প্ৰদৰ্শন কৰিবলৈ তেওঁ কুণ্ঠাবোধ কৰা নাই। কথাটো উদাৰতা বা মহানুভৱতা নহয় — এহাতে পাশ্চাত্যৰ প্ৰেৰণা আৰু আৰ্হি যতদূৰসম্ভৱ গ্ৰহণ কৰি আধুনিক ভাৰতীয় কৃষ্টি গঢ়াত বঙালীৰ সাফল্যৰ প্ৰতি স্বীকৃতি আৰু শ্ৰদ্ধা আৰু আনহাতে অসমীয়াই নিজে তেনে উন্নত আৰু সমৃদ্ধ কৃষ্টি গঢ়াত পিছপৰা বাবে আক্ষেপ আৰু মনস্তাপ — দুয়োটা বিপৰীতমুখীভাবে ইয়াত ক্ৰিয়া কৰিছে। ইয়াৰ অৰ্থ এনে নহয় যে এচাম বঙালীয়ে অসমীয়াৰ স্বতন্ত্ৰ জাতীয় সত্তাৰ বিকাশত বাধা দিয়া নাছিল। কিন্তু জাতীয় জাগৰণে কিয় এনে অসহিষ্ণু আত্মাভিমান জাগ্ৰত কৰে, সমস্যা সেইটোহে।

মনত ৰাখিব লাগিব যে শিক্ষিত বঙালীয়ে যেনেকৈ পিছপৰা অসমীয়াক নিজৰ ভিতৰত সুমুৱাই লৈ অসমীয়াক সভ্য কৰাৰ দাম্ভিক দুৰাকাংক্ষা কৰিছিল, অসমীয়াৰ জাতীয় জাগৰণৰ ফলো আছিল সইধৰণৰে। অসমৰ থলুৱা অনুন্নত জনগোষ্ঠীৰ প্ৰতি আনন্দৰাম-গুণাভিৰাম বৰুৱাৰ ঘৃণামিশ্ৰিত অনুকম্পাৰ কথা আমি উল্লেখ কৰিছো। পাশ্চাত্যৰপৰা পোৱা সভ্যতাৰ ধাৰণাই এই ভেদভাব বৃদ্ধি কৰিছিল।

**গোস্বামীদেৱে নিজৰ গল্পবোৰত পাৰ্যমানে কামৰূপীয়া শব্দ সুমুৱাই প্ৰমাণ কৰিবলৈ বিচাৰিছিল যে সেইবোৰ শব্দয়ো সাহিত্যিক গুণ আৰু মহিমা অৰ্জন কৰিব পাৰে। এনে এটা সময়তে দ্বিতীয় অসমীয়া অভিধান 'চন্দ্ৰকান্ত অভিধান' প্ৰণয়ন কৰাৰ সময়ত সংগ্ৰাহক কোহিৰাম দাসৰ অভিজ্ঞতা হৈছিল মৰ্মান্তিক।**

ভেদভাব দূৰ কৰাৰ চেষ্টাবোৰতো একধৰণৰ অসহিষ্ণুতা আৰু জাতিদম্ভ নথকা নহয়। ১৯২৫ চনত 'আসাম হিতৈষী' পত্ৰিকাত (১ম বছৰ, ৬ষ্ঠ সংখ্যা) থলুৱা মিৰিজাতিৰ (আজিকালি মিচিং নামে জনাজাত) সংস্কাৰ আৰু উন্নতিৰ বাবে ৰাধানাথ হাজৰিকাদেৱে উদাৰমনা গড়মূৰীয়া সত্ৰাধিকাৰৰ বাবে পৰামৰ্শ বিচাৰি যি চাৰিটা ঘাই বিধান পাইছিল তাৰে তৃতীয় আৰু চতুৰ্থ আছিল এনেধৰণৰ ঃ

.. (৩) সকলো মিৰিকে প্ৰায়শ্চিত্ত কৰাব লাগিব। (৪) মিৰিৰ পুৰাতন আচাৰ-ব্যৱহাৰ গুচাই পেলাব লাগিব। (অসমীয়া বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, পৃঃ ১৯৮)

থলুৱা জনগোষ্ঠীৰ প্ৰতি শিক্ষিত অসমীয়াৰ স্ববিৰোধপূৰ্ণ বা দ্বৈত মনোভাবৰ আৰু কিছুমান উদাহৰণ দিব পাৰি। এহাতে সংখ্যাগতভাৱে অসমীয়াৰ সংখ্যা বৃদ্ধি কৰিবলৈ থলুৱা জনগোষ্ঠীসমূহৰ প্ৰতি-উদাৰতা, আনহাতে তেওঁলোকৰ আচাৰ-সংস্কাৰৰ ভিন্নতাৰ বাবে তেওঁলোকৰ ম্লেচ্ছ বুলি ঘৃণা কৰাৰ প্ৰৱণতা। আন কথাকে নকওঁ অসমীয়াভাষী মৰাণসকলক মানৰ লগতে অসমীয়া জাতিৰ ধ্বংসৰ কাৰণ বুলি বেজবৰুৱাৰ দৰে উদাৰমনা মানুহেও দোহাৰিছে। 'বীণ বৰাগী'ৰ দৰে উচ্চ দেশাত্মবোধে পৰশা কবিতাত তেওঁ লিখিছে ঃ

যদিহে গাইছ
বদন ফুকনে
কেনেকৈ আনিলে মান,
কেনেকৈ মৰাণে
অসম ধ্বংসিলে
যদিহে গাইছ গান...
মানা কৰ তাক
বৰাগী ককাই ঐ!
শোক মোৰ উথলায়।

তেনেকৈ ভোকেন্দ্ৰ বৰুৱাৰ জীৱন চৰিতত মৰাণ জাতি তীব্ৰ ব্যংগ-বিদ্ৰূপৰ বলি হৈছে। বেছিভাগ থলোৱা জনগোষ্ঠী অৱজ্ঞা বা হেয়ভাবৰ পাত্ৰ হৈছে অনাৰ্য-সন্তান বুলি। জাতীয় চৈতন্যৰ ফলত যি সভ্যতাৰ বিকাশ হয় তাক আৰ্য ৰক্তৰ বা আৰ্য কৃষ্টিৰ অৱদান বুলি ধৰা হৈছে আৰু সেইধৰণৰ সভ্যতাৰ চিন-মোকাম নথকা গোষ্ঠীক অনাৰ্য বা বৰ্বৰ বুলি ধৰা হৈছে। ফলত জাতীয় শক্তি আৰু ঐক্যৰ বাবে যি জনসংখ্যাগত ব্যাপ্তি আৰু ঐক্যৰ প্ৰয়োজন অসমীয়া জাতীয়তাবাদৰ প্ৰথম প্ৰবক্তাসকলে নিজেই তাৰ গুৰিত কুঠাৰ মাৰিছে।

আগতেই কোৱা হৈছে, উপন্যাস জাতি গঠন তথা জাতীয় বিকাশৰ অন্যতম প্ৰধান উপাদান। কালিৰাম মেধি ডাঙৰীয়াৰ ভাষাত দৰ্শন, বিজ্ঞান যিমানেই উচ্চ ভাবৰ প্ৰকাশক নহওক সি এমুঠি মানুহৰ বাবে, কিন্তু উপন্যাস লাখ লাখ মানুহৰ অন্তৰাত্মৰ ধন হ'ব পাৰে। উপন্যাসৰ জৰিয়তে জাতীয় ঐক্য সাধনৰ উপৰি জাতীয় ঐক্য সাধনৰ উপৰি জাতীয় স্মৃতি সংৰচনাৰ কাম কৰিব পৰা যায়। বেজবৰুৱাৰ 'পদুম কুঁৱৰী' তেনে এক উপন্যাস। কিন্তু উপন্যাসখন পঢ়া পাঠকমাত্ৰেই আহোম ৰাজত্বৰ প্ৰতি তীব্ৰ ক্ষোভ আৰু বিতৃষ্ণা অনুভৱ নকৰি নোৱাৰে। অসুবিধা এইখিনিতে যে বেজবৰুৱাই অসমীয়া জাতীয়তাৰ ভিত্তিস্বৰূপে আহোম যুগটো নাকচ কৰিব নোৱাৰে, কাৰণ তেনে কৰিবলৈ গ'লে জাতীয় স্মৃতিৰ ভিকাচন ভাঙিব। সেয়ে বেজবৰুৱাই কেৱল চক্ৰধ্বজ সিংহ, জয়মতী কুঁৱৰী আদি নাটকত আহোম ৰাজত্বৰ পতনক অসমীয়াৰ ভাগ্যৰবিৰ অস্ত যোৱাৰ সকৰুণ দৃশ্যত পৰিণত কৰিছে। জাতীয় বাগ্‌ধাৰাত কেনেধৰণৰ উপাখ্যানৰ প্ৰয়োজন হয়, এইবোৰ বিসংগতিয়ে তাক উদঙাই দিয়ে।

জাতীয় সত্তা আৰু চেতনাৰ শেষ আশ্ৰয় ভাষা। তাৰ উদ্‌গাতা আৰু প্ৰবক্তাসকলে কয় সকলো আঞ্চলিক ভেদাভেদে সত্বেও শদিয়াৰপৰা ধুবুৰীলৈ প্ৰচলিত একেই চেনেহী মাতৃভাষা। কিন্তু সূক্ষ্মভাবে পৰীক্ষা কৰিলে দেখা যাব যে এই এক চেনেহী মাতৃভাষাও জাতীয় বাগ্‌ধাৰাৰ এক নিৰ্মাণ (CONSTRUCTION)। উজনিৰ কথ্যভাষাৰ আলমত সেই অঞ্চলৰ গণ্য-মাণ্য শিক্ষিত লোকসকলে সদৌ অসমত প্ৰচলিত কৰা এক কৃত্ৰিম ভাষা এই মাতৃভাষা। কথাটো ইমান সত্য যে ইয়াৰ বাবে নামনিৰ পৃথক বাক্‌ভংগী আৰু উচ্চাৰণক বহুদিন ধৰি এক বিবৃত্তি বা অৱনতি বুলিহে উজনিৰ আগৰণুৱাসকলে সনাক্ত কৰিছিল। 'আসাম বান্ধৱ' আলোচনীত নামনিক বিশিষ্ট অসমীয়া লেখকসকলে অসমীয়া ভাষাক উজনীয়াৰপৰা অভিন্নকৈ চোৱাৰ বিৰুদ্ধে হাতে-কলমে প্ৰতিবাদ কৰিছিল। আগশাৰীৰ সাহিত্যিকসকলৰ মাজতে যেতিয়া এনে মনোভাৱ, সাধাৰণ মানুহৰ মাজত ইয়াৰ কুপ্ৰভাৱ কেনে প্ৰবল আছিল অনুমান কৰিব পাৰি।

শৰৎ চন্দ্ৰ গোস্বামী আছিল অসম সাহিত্য সভাৰ সম্পাদক। তেখেতৰ হাততে এই জীৱন্তে মৃত সংগঠনটোৱে কিছু প্ৰাণ পাইছিল। তেখেতৰ উদ্যোগতে সাহিত্য সভাৰ স্থায়ী কাৰ্যালয় আৰু ভৱন হয় ৰাধাকান্ত সন্দিকৈৰ দানশীলতাৰ বলত। কিন্তু গোস্বামীদেৱেই দুখ কৰি লিখিছিল ঃ

'বাঁহী আৰু আসাম বান্ধৱৰ মাজত উজনীয়া-নামনীয়া ভাষা লৈ যি প্ৰচণ্ড তৰ্ক আৰু অনেক সময়ত বীভৎস গালাগালি, বিশেষকৈ বেজবৰুৱাৰ ফালৰপৰা- তাৰ প্ৰতি মোৰ মন বৰ বিৰূপ আছিল। আৰু এনে তৰ্ক আৰু খৰিয়াল ভাষাৰ উন্নতিৰ পক্ষে হানিকাৰক বুলি মোৰ বিশ্বাস আছিল।' (অসমীয়া বাতৰিকাকত — আলোচনীৰ ... উদ্ধৃত পৃঃ ৩৫৮)

গোস্বামীদেৱে নিজৰ গল্পবোৰত পাৰ্যমানে কামৰূপীয়া শব্দ সুমুৱাই প্ৰমাণ কৰিবলৈ বিচাৰিছিল যে সেইবোৰ শব্দয়ো সাহিত্যিক গুণ আৰু মহিমা অৰ্জন কৰিব পাৰে। এনে এটা সময়তে দ্বিতীয় অসমীয়া অভিধান 'চন্দ্ৰকান্ত অভিধান' প্ৰণয়ন কৰাৰ সময়ত সংগ্ৰাহক কোহিৰাম দাসৰ অভিজ্ঞতা হৈছিল মৰ্মান্তিক। 'হ' আখৰলৈকে শব্দ সংগ্ৰহ কৰি ছপাৰ বাবে প্ৰস্তুত কৰি থোৱা পৰ্যায়ত বেছিঁকৈ কামৰূপীয়া শব্দ ভৰোৱাৰ অভিযোগত তেওঁকতো দায়িত্বৰপৰা অব্যাহতি দিয়া হ'লেই, অভিধানৰ পাতনিতো তেওঁৰ পৰিশ্ৰমক স্বীকৃতি দিয়া নহ'ল। উত্তৰাধুনিক চিন্তাবিদে কোৱাৰ দৰে ইয়াত জ্ঞান-বিজ্ঞান ক্ষমতাৰ অনুশীলনৰূপেহে পৰিস্ফুট হৈছে।

কালিৰাম মেধি ডাঙৰীয়াই এই মনোভাৱ দেখি তিক্ত বিৰক্ত হৈ লিখিছিল ঃ

'আমাৰ কোনো এখন ঠাইৰ মানুহৰ ধাৰণা এই যে তেওঁলোকহে অসম আইৰ উত্তৰাধিকাৰী জ্যেষ্ঠ পুত্ৰ, তেওঁলোকেহে জল পিণ্ডৰ অধিকাৰী আৰু মাতৃভাষাৰ সেৱাৰ স্বত্ববান। আনসৰে তেওঁক মাতৃ সম্বোধন কৰিব পাৰে... কিন্তু আইৰ চৰণত পুষ্পাঞ্জলি দিবৰ স্বত্ব সিহঁতৰ নাই। (কালিৰাম মেধি ৰচনাৱলী, অসম সাহিত্য সভা, 'আমাৰ সাহিত্য' প্ৰবন্ধ, ১৯১৭ চন)

উজনিৰ মানুহে উজনিৰ গ্ৰাম্য ভাষাকে পাৰ্যমানে লিখিত ভাষাত সুমুৱাব পাৰিলেই ভাষাৰ শ্ৰীবৃদ্ধি হয় বুলি বাবে, কিন্তু মেধিৰ মতে এনে ভাষাই জাতিৰ সৰহভাগ মানুহৰ বাবে ভাষা দুৰ্বোধ্য আৰু অস্পষ্ট

কৰি তোলে। (উল্লেখিত গ্ৰন্থ পৃঃ ২১২)

গোৱালপাৰাত পানীন্দ্ৰনাথ গগৈৰ ল'ৰা শিক্ষাৰ শুৱলা শব্দাবোৰ প্ৰকাণ্ড একোটা সাঁথৰ। যেনে —

বুঢ়াগোঁহাই ওফাইডাং লামলাকটুছাতিৰ ঠাং
দোধোৰ মোধোৰ চেৰাবলিয়া ছালবাকলি মৰকুচিয়া
আলপৈচান কলাঘুমটি ডেমডেউকা মৰপোবাতি
নাচনিয়াৰ লালমইনা টাংটিঙালি ভেকোভাওনা।

ইয়াত কোনো কামৰূপীয়া আত্মভিমান লৈ মেধি ডাঙৰীয়াই আপত্তি কৰা নাই। তেওঁৰ প্ৰধান আপত্তি এয়ে যে এনে আচহুৱা আঞ্চলিক ৰূপে জাতীয় ভাষাক জাতীয় ঐক্যৰ বাহন কৰিব নোৱাৰে। আজি আৰু সেই যুক্তিৰ সাৰমৰ্ম অস্বীকাৰ কৰিব নোৱাৰি। প্ৰভাৱশালী বাক্‌ধাৰাই কেনেকৈ অপৰপক্ষৰ সঁহাৰিৰ কণ্ঠৰুদ্ধ কৰি একপক্ষীয় প্ৰতিপত্তি বিস্তাৰ কৰে, তাৰ আৰু বেছি উদাহৰণ দিয়া দৰকাৰ নাই। কিন্তু ইতিমধ্যে বোধহয় শ্ৰোতাসকল পতিয়ন গৈছে যে প্ৰভাৱশালী বাগ্‌ধৰাই তাৰ প্ৰভাৱাধীন বক্তা, শ্ৰোতা, লেখক, পাঠকৰ চিন্তাধাৰাও নিৰ্ধাৰিত সীমাৰ ভিতৰত নিয়ন্ত্ৰিত কৰে। তেওঁলোকে সেই বাগ্‌ধাৰাই গঢ় দিয়া চিন্তাকে চূড়ান্ত সত্য বুলি বিশ্বাস কৰিবলৈ লয়।

কিন্তু আজি আমি এই বিশ্লেষণ আগবঢ়াবলৈ সক্ষম হৈছো এইবাবেই যে এনে একোটা বাগ্‌ধাৰা প্ৰভাৱ— প্ৰতিপত্তি চিৰস্থায়ী হ'ব নোৱাৰে। উত্তৰাধুনিক চিন্তাবিদেও কয় যে এটা বাগ্‌ধাৰাৰ স্থান সম্পূৰ্ণ ভিন্ন দৃষ্টিভংগী আৰু ধ্যান-ধাৰণাৰে গঠিত আন এটা বাগ্‌ধাৰাই দখল কৰিব পাৰে। অথচ কেনেকৈ এনে পৰিৱৰ্তন সম্ভৱ হয় উত্তৰাধুনিক চিন্তাবিদে ক'ব নোৱাৰে। কাৰণ ভাষাৰ বাহিৰত আন কোনো শক্তি বা ঘটনাই ক্ৰিয়া কৰি ভাষা আৰু বাগ্‌ধাৰা সলনি কৰিব পাৰে, তেওঁলোকৰ তত্ত্বৰ মাজত সেই সম্ভাৱনাই নাই। আমাৰ ধাৰণা ইয়াতেই উত্তৰাধুনিক চিন্তাৰ বিফলতা। মাৰ্ক্সবাদে কয় পৰিৱৰ্তন অৱশ্যম্ভাৱী, কিন্তু পৰিৱৰ্তনক জনমানৱে নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিব পাৰে।

### সামৰণি

আমাৰ বিশ্লেষণৰপৰা দেখা গ'ল যে উত্তৰাধুনিকতাবাদে অসমীয়া জাতীয় সত্তা আৰু চেতনাৰ কোনো শাশ্বত আৰু চিৰায়ত সাৰবস্তু নাই বুলি সাব্যস্ত কৰে। এই জাতীয় সত্তাৰ ধাৰণা তথা তাৰ ওপৰত বিশ্বাস এক বিশেষ বাগ্‌ধাৰাৰ পৰিণাম মাত্ৰ। অথচ এই জাতীয় সত্তা আৰু চেতনা প্ৰতিষ্ঠাৰ ব্ৰতত বহুজনৰ অপৰিসীম ত্যাগ আৰু শ্ৰম, নিস্বাৰ্থ সেৱা আৰু সৃষ্টিশীল অধ্যৱসায় নিঃশেষ হৈছিল। আনহাতে জাতিৰ নামত ঘটা বহু বীভৎস ঘটনাৰ জাগতিক ৰূপ এই বাগ্‌ধাৰাই আমাৰ চকুৰ আঁৰ কৰি ৰাখিছে। কিন্তু আজিও এই বাগ্‌ধাৰাই আমাৰ সিৰে-সিৰে এক অতুলনীয় উন্মাদনাৰ শিহৰণ জগাই তুলিব পাৰে, জ্বলা জুইত জাপ দিবলৈকো আমি কুণ্ঠাবোধ নকৰো ইয়াৰ ৰাগিত। উত্তৰাধুনিক বিশ্লেষণে বাগ্‌ধাৰাৰ এই সন্মোহ নৰপৰা আমাক মুক্ত কৰে। এইখিনিৰপৰা তাৰ এক হিতকৰ প্ৰভাৱ আছে যেন দেখা যায়। কিন্তু যিহেতু ই কোনো 'আচল সত্য' বা 'প্ৰকৃত স্বৰূপ' জাতীয় চিন্তাত আস্থা নাৰাখে, ই আমাক এক সঠিক বা সাৰ্থক বিকল্পৰো সন্ধান দিব নোৱাৰে। ই একধৰণৰ অদৃষ্টবাদৰ কবলত আমাক পেলাই দিয়ে। কিন্তু বাগ্‌ধাৰাৰ পৰিৱৰ্তন ঘটে আৰু মানুহৰ শক্তি-সামৰ্থ্য ঃ সীমিত হ'লেও অসাধন হয়।

আনহাতে মাৰ্ক্সবাদে বাগ্‌ধাৰাৰ অন্তৰালত থকা আৰ্থ-সামাজিক ঘটনাৱলীৰ সূত্ৰ উন্মোচন কৰি ঐতিহাসিক বিৱৰ্তনৰ পথ অনুসৰণ কৰিবলৈ আমাক অনুপ্ৰাণিত কৰে। জাতীয় চেতনাৰ বাগ্‌ধাৰা ইমান শীঘ্ৰে ক্ষয়প্ৰাপ্ত নহ'লেও তাৰ সীমাবদ্ধতা আৰু বিপদ এতিয়া পৰিষ্কাৰ। কিন্তু ইতিহাসে সমাজ ব্যৱস্থাৰ বিকাশৰ নিয়মৰ বাহিৰত কোনো বিকল্পৰ বিধান দিব নোৱাৰে। জাতি আৰু জাতীয় চেতনাক অতিক্ৰম কৰিবলৈ হ'লে তাৰ অৱদানসমূহো নাকচ কৰিব নোৱাৰি। কাৰণ আমি সংস্কাৰ কৰিব খোজা সমাজ ব্যৱস্থাত তাৰ প্ৰভাৱ গভীৰ। কিন্তু প্ৰতিযোগিতা আৰু মিলনৰ লক্ষ্যলৈ আমি আগুৱান হোৱাৰ বিকল্পও নাই। তাৰ বাবে আমি গ্ৰহণ কৰা সমজ আৰু ধ্যান-ধাৰণাৰ সলনি হ'ব লাগিব।

শোষণকাৰী দানৱীয় শক্তিসমূহে বিচাৰিব ইতিহাসে ক্ৰমে অপ্ৰাসংগিক কৰি অনা ধ্যান-ধাৰণাসমূহক প্ৰচণ্ড আৱেগিক বিচ্যুতি আৰপ প্ৰতিক্ৰিয়াৰ উদ্দেশ্যত ব্যৱহাৰ কৰি যাবলৈ হয়তো ক্ষতিকৰ বিধবংসী সম্ভাৱনাবোৰ জাতিৰপৰা জনগোষ্ঠীলৈ স্থানান্তৰ কৰিব খুজিব। জনসাধাৰণ এনে ভাতৃহত্যাত মতলীয়া হৈ থাকিল শোষকৰ সুবিধা হয়। কিন্তু বাগ্‌ধাৰাৰ সন্মোহন জয় কৰা মানুহে সংঘবদ্ধ আৰু সচেতনভাৱে প্ৰতিক্ৰিয়াৰ চক্ৰান্ত বিফল কৰি নতুন সমাজ, নতুন পৃথিৱী গঢ়াৰ পথত খোজ দিব।

বেজবৰুৱাৰ দিনৰেপৰা নামনিৰ লেখকসকলৰ আপত্তিৰ বিৰুদ্ধে এটা উত্তৰকে মোক্ষম বুলি ধৰা হৈ আছে। কোৱা হয় যে সকলো দেশতে সাহিত্যৰ ভাষা কথ্য ভাষাতকৈ বেলেগ এক কৃত্ৰিম ভাষা। অসমীয়া সাহিত্যৰ ভাষা বা মান্য ভাষাও উজনি বা নামনিৰ কথ্য ভাষাতকৈ বেলেগ। দৈৱাৎ তাত উজনিৰ শব্দ বেছি হ'ল।

এই উত্তৰ মানিলে চন্দ্ৰকান্ত অভিধানৰ সংকলয়িতা হিচাপে কোহিৰাম দাসক বৰ্জন কৰা বা নামনিৰ শব্দ ব্যৱহাৰ কৰা লেখকৰ প্ৰতি তাচ্ছিল্য, আদি ঘটনা বুজিব নোৱাৰি। আচল প্ৰশ্ন হৈছে ঃ 'মান্য' ভাষাৰ মানৰ ভিত্তি কি? যদি উজনিৰ শব্দ আৰু প্ৰকাশভংগী শুৱলা, সুন্দৰ অসমীয়াৰ মূল 'উপকৰণ' বুলি ধৰা হয়, তেনেহ'লে 'অসমীয়া ভাষা'ৰ মান্যতাৰ ভিত্তি উজনিৰ উপাদান নহ'বনে?

আমি পুৰণি কাজিয়া উচটাবলৈ কথাবোৰ উল্লেখ কৰা নাই। ইতিহাসৰ গতিত অসমীয়া মধ্যবিত্ত তথা জাতি গঠনৰ নেতৃত্ব এসময়ত উজনিৰ হাতত আছিল বাবেই অসমীয়া ভাষাৰ মান্যৰূপে এনে চেহেৰা পালে। সতকাই তাক সলাব নোৱাৰি। ❖

সম্পাদকীয়

... আমি সদায়েই গাওনি গাই আহিছো যে নাম লৈছো ভোগাই, খাইছো পানী কাছদি। অসমৰ সৰ্বপ্ৰধান আৰু একমাত্ৰ চৰকাৰী শিক্ষানুষ্ঠান এই কটন কলেজখন সকলো অসমীয়াৰেই আশা ভৰষাৰ থল। তেনেস্থলত কলেজৰ ভিতৰুৱা অৱস্থাৰ আজিকোপতি একো পৰিৱৰ্তন নোহোৱাটো বেজাৰৰ কথা। বৰ দুখেৰে সৈতে ক'ব লগা হৈছে যে উঠি অহা চফল ডেকা ল'ৰা একোটাই কটন কলেজৰ ছাত্ৰাবাসত থাকি মাৰাত্মক বেমাৰৰ সন্মুখীন হ'বলগাত পৰিছে। আনহাতে, পানীযোগান, উৎকৃষ্ট খাদ্য আৰু সুচিকিৎসাৰ অভাৱে হোষ্টেলবাসীসকলক বৰকৈ পীড়িছে। তাৰোপৰি কলেজীয়া শিক্ষাৰ আনুসংগিক বিষয়বিলাকৰ যেনে— খেলা-ধূলা, কলা কৃষ্টি আদি বিভাগৰ বিষয়ববীয়াসকলৰ মুখত 'হা নাই- হা নাই' বুলিহে শুনিব পোৱা যায়।— *চন্দ্ৰকুমাৰ বৰুৱা ঃ ১৯৫২ / ২৮ তম সংখ্যা*

# কল্পিত অসমৰ খণ্ডিত চিত্ৰ ঃ আমাৰ চিন্তা



**শান্তনু বৌমূৰীয়া**
*স্নাতক প্ৰথম বৰ্ষ,*
*অৰ্থনীতি বিজ্ঞান বিভাগ*

নিজে দি লোৱা হ'লেও মানুহৰ জীৱশ্ৰেষ্ঠ বুলি সন্মান এটা আছে। মানুহৰ কিছুমান স্বভাৱগত বৈশিষ্ট্যই মানুহক অন্য জীৱৰপৰা পৃথক কৰিছে। এইবোৰৰ ভিতৰত চিন্তা-চৰ্চা কৰি কাম কৰিব পৰাৰ ক্ষমতাও অন্যতম (অৱশ্যে অন্য জীৱৰো এই ক্ষমতা নাই বুলি ক'ব নোৱাৰি, কাৰণ ভাষা আমিতো নুবুজো!) এই চিন্তা-চৰ্চাক ভিন্ন ভাগত ভাগ কৰিব পাৰি। ভিন্ন বিষয়ক কেন্দ্ৰ কৰি মানুহৰ ভিন্ন সময় আৰু পৰিস্থিতিত ভিন্ন ধৰণৰ চিন্তা!

বেলেগ ধৰণৰ ভাৱ-চিন্তা-চৰ্চাক বেলেগ নাম দিয়া বাবেই মানুহে নিজৰে কিছুমান চিন্তা-চৰ্চাক 'বৌদ্ধিক চিন্তা-চৰ্চা' নাম দিছে। কিন্তু বৌদ্ধিক চিন্তা-চৰ্চাৰ কোনো নিৰ্দিষ্ট পৰিধি নাই। বহু মানুহেই ক'ব বিচাৰে বৌদ্ধিক চিন্তা-চৰ্চা মানেই ভাল কামৰ ভাল চিন্তা। কথাটো নহয় বুলিও ক'ব নোৱাৰি আৰু হয় বুলিও সম্পূৰ্ণকৈ ক'ব নোৱাৰি। কাৰণ যিহে ভেজালৰ দিন পৰিছে ভাল কামৰ আঁৰতো অসৎ উদ্দেশ্য থাকিব পাৰে!

যি কি নহওক আমাৰ সংক্ষিপ্ত আলোচনাত বৌদ্ধিক চিন্তা-চৰ্চা মানে সৎ উদ্দেশ্য আগত ৰাখি কৰা সমাজ-সংস্কৃতি-ৰাজনীতি-সাহিত্য ইত্যাদি বিষয়ৰ গঠনমূলক চিন্তা-চৰ্চা বুলিয়েই ধৰা হ'ব।

আমাৰ ৰাজ্যখনৰ সাম্প্ৰতিক পৰিৱেশ পৰিস্থিতিক লৈ প্ৰতিজন মানুহৰে অনেক অভিযোগ। এনেয়েও বৰ্তমানক লৈ মানুহৰ অভিযোগৰ অন্ত নাই। এই অন্তহীন সমস্যা, অভিযোগ আদিবোৰৰ বিষয়ে অনেক বাতৰি কাকত, কিতাপ-পত্ৰ, আলোচনী বা অন্য প্ৰচাৰ মাধ্যমত অনেকজনৰ বিশ্লেষণ, মতামত প্ৰকাশ পাইছে। দৈনন্দিন জীৱনতো দুজন ব্যক্তি লগ হ'লেই আজিকালি বেছিভাগ সময়তে সমস্যাবোৰৰ কথা, সমাজৰ বিভিন্ন ক্ষেত্ৰত ঘটা অৱক্ষয়ৰ কথাহে পতা হয়। কিয় হৈছে এনেকুৱা? বহুজনে কয়, 'বৌদ্ধিক চিন্তা-চৰ্চাৰ অভাৱ'। নতুন প্ৰজন্মৰ এজন হিচাপে আমাকো অসমৰ বৰ্তমান পৰিৱেশে, বৰ্তমান পৰিস্থিতিয়ে ভবাই তোলে; আন কাৰণত নহ'লেও অন্ততঃ ভৱিষ্যতটো অন্ধকাৰ হোৱাৰ আশংকাত।

সমাজৰ বিভিন্ন ক্ষেত্ৰৰপৰা মাত্ৰ কেইটামান বাচি উলিয়াই সেইবোৰ ক্ষেত্ৰত ঘটা অৱক্ষয় আৰু তাৰ আঁত ধৰি সমাধানলৈ কেনেদৰে আগবাঢ়িব পাৰি তাক নতুনৰ দৃষ্টিৰে চাবলৈ যত্ন কৰা হৈছে তলত ঃ

**'সামাজিকভাৱে লাঞ্ছিতা ভাষা জননী' ঃ**

...বাণিজ্যিক অনাতাঁৰ কেন্দ্ৰৰ জৰিয়তে দেশী-বিদেশী গীতৰ অবিৰাম প্ৰচাৰ। তাৰ মাজে মাজে 'পপুলাৰ' 'আৰ জে'সকলৰ অনৰ্গল বক্‌বকনি। 'এয়া আপুনি টিউন কৰিছে...' 'এইবাৰ আপোনালৈ ডেডিকেট কৰিছো এইটো ৰকিং নাম্বাৰ...' — আপুনি শুনি থাকক, আন এজনকো শুনাওক আৰু অসমৰ বাহিৰৰ মানুহক এই ভাষা(!) শুনাই কওক 'This is our অছমীয়া ভাছা'!!

...এইটো এটা দৃশ্য মাত্ৰ! নিতৌ প্ৰায় প্ৰতিমুহূৰ্তত প্ৰতিজনে লাঞ্ছিত কৰিবলৈ আৰম্ভ কৰিছো ভাষা জননীক। আমি সকলোৱে পাহৰিবলৈ আৰম্ভ কৰিছো যে ভাষাহীন জাতিৰ বাবে অস্তিত্ব ৰক্ষা কৰাটো কি কঠিন কাম! মেজখনক 'টেবুল', কলমটোক 'পেন' বুলিবলৈ ল'লো; বাৰু ঠিকেই আছে; সময় সলনি হৈছে, দুটা এটা বাহিৰৰ শব্দ আহিবই। কিন্তু হিতে বিপৰীতহে হ'ল। ইংৰাজী, হিন্দী ভাষাৰ শব্দ হোৱাই-নোহোৱাই আমদানি কৰি নিজৰ ভাষাৰ ধুনীয়া ধুনীয়া শব্দবোৰ নাইকিয়া কৰি পেলালো। উচ্চাৰণৰ কথা ক'বলৈ গলেতো বিষয়টো আৰু ডাঙৰ হৈ যায়। ইংৰাজী ভাষা জনাৰ আৱশ্যকতাৰ বিষয়ে দুনাই কোৱাৰ দৰকাৰ নাই। বিদেশী ভাষাৰ

অধ্যয়নে উন্নত জাতিবোৰৰ বিষয়ে জনাত সহায় কৰে। ইংৰাজী বা আন ভাষা কোৱাৰ অভ্যাস কৰাটো অপৰাধ কেতিয়াও নহয়। কিন্তু তাৰ অৰ্থ এইটোও নহয় যে বাক্য এটা অসমীয়াত আৰম্ভ কৰি মাজতে হিন্দী কৈ ইংৰাজীত শেষ কৰিম। 'শিৱসাগৰ'ক 'ছিবছাগৰ', 'মণীষা'ক 'মণিছা' কৰাৰ প্ৰক্ৰিয়া এতিয়া গোটেই অসমতে চলি আছে। অসমীয়া চলচিত্ৰ অসমীয়া মানুহেই নাচায়, অসমীয়া গান অসমীয়া মানুহেই নুশুনে! জুবিন গাৰ্গে যে অসমীয়া গীতো গায়, সেইকথাও হয়তো কিছুদিনৰ পাছত অসমীয়া মানুহেই পাহৰিবলৈ আৰম্ভ কৰিব।

নিজক নজনাকৈ আনৰ কথা ভালকৈ জানিব নোৱাৰি। অসমীয়া ভাষাক হেয় জ্ঞান কৰি ইংৰাজী বা হিন্দী কৈ নিজকে 'স্মাৰ্ট' সজাবলৈ যাওঁতে যাওঁতে অসমীয়া মানুহৰ অৱস্থা 'ইপাৰ নাপাই সিপাৰ নাপাই মাজপানীত বৈ যোৱা অচল জাহাজ...ৰ দৰে হৈছে। আন এটা কথাও লগতে মনত ৰখাটো দৰকাৰী যে, 'নিজৰ আইক ভালপাওঁ বুলিলে, আনৰ আইক বেয়া পোৱাতো নুবুজায়'।

**'বিতৰ্কত আৱদ্ধ সাহিত্য-সংস্কৃতি' ঃ**

'অসম সাহিত্য সভা' নামৰ বিৰাট আৰু পুৰণি অনুষ্ঠান এটা আছে অসমত। ভাষা-সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ গুৰি ধৰাই ইয়াৰ মূল উদ্দেশ্য। কিন্তু যোৱা কেইবছৰমানৰপৰা প্ৰায় প্ৰতি বছৰেই সভাপতি, সম্পাদক নিৰ্বাচনৰ নামত সাহিত্য সভাৰ বিষয়ববীয়াৰ মাজত যিখন খোৱা-কামোৰা চলে ই কিহৰ ইংগিত দিয়ে? ভাষাটোৰ অস্তিত্বৰ সংকট, অথচ সাহিত্য সভাৰ বিষয়ববীয়াৰ মাজত চলে দুৰ্নীতি আৰু পদ আৰোহণৰ লেতেৰা খেলা! অসমীয়া সাহিত্যৰ দিগ্‌গজ্‌সকলে সভাপতিৰ আসন শুৱনি কৰি যোৱা 'অসম সাহিত্য সভা'ৰ কীৰ্তিক দুৰ্নাম কৰাৰ ধৃষ্টতা আমাৰ নাই, তথাপিও সভাৰ বৰমূৰীয়াসকলৰ কিছুমান ল'ৰামতীয়া কাৰ্যকলাপে সাধাৰণ মানুহৰ লগতে আমাৰ ছাত্ৰ সমাজকো ভবাই তোলে। অসমীয়া সাহিত্যক সমৃদ্ধিশালী কৰাত আৰু অসমৰ বৌদ্ধিক পৰিৱেশৰ উন্নয়ন ঘটোৱাত সাম্প্ৰতিক সময়ত 'অসম সাহিত্য সভা'ই সফলতা লাভ কৰা নাই।

শেহতীয়া সময়ত দেখা পোৱা গৈছে যে, পৰীক্ষা-নিৰীক্ষাৰ নামত বহুক্ষেত্ৰত কিছুমান দুৰ্বোধ্য বস্তুৱে সাহিত্যত প্ৰৱেশ কৰিছে। সাহিত্যৰসিকক নতুনত্বৰ সোৱাদ দিবলৈ প্ৰয়াস কৰাটো আদৰণীয়। কাৰণ সাহিত্য সময় সাপেক্ষে পৰিৱৰ্তিত হোৱাটো জৰুৰী। নহ'লে সাহিত্য একঘেয়ামী হৈ পৰে। কিন্তু নতুনত্ব আনিবলৈ যাওঁতে, লেখক-লেখিকা সচেতন হোৱা উচিত, যাতে অলপ দিনৰ পাছত কিবা এটা লিখিলেই গল্প বা কবিতা হৈছে বুলি লেখকে দাবী কৰিব নোৱাৰে।

সংগীত-নাটক-চলচিত্ৰৰ ক্ষেত্ৰখনো বৰ সুন্দৰ হৈ থকা নাই। শ্ৰোতা-দৰ্শকৰ সংখ্যা কমিছে বুলি ইতিমধ্যে উল্লেখ কৰিছো। সেইবুলি সংগীত আৰু নাটকৰ চৰ্চা নোহোৱাকৈ থকা নাই। কিন্তু বাণিজ্যিক প্ৰচাৰৰ কু-প্ৰভাৱত সাংস্কৃতিক পৰিৱেশ কিছু হ'লেও বেয়া হৈছে। হাতত অলপ টকা হ'লেই বহুতে এতিয়া নাটক প্ৰযোজনা কৰে; ভ্ৰাম্যমাণ নাট্যগোষ্ঠী আৰম্ভ কৰে, 'ভিডিঅ' ছবি কৰে, সংগীতৰ ব্যৱসায় কৰে। চাবলৈ গ'লে কথাটো বেয়া নহয়। কিন্তু সুপৰিকল্পনা নথকাকৈ কিবা-কিবি কৰি নাটক কৰিলেই, চলচিত্ৰ নিৰ্মাণ কৰিলেই, শ্ৰব্য 'কেছেট' প্ৰস্তুত কৰিলেই সংস্কৃতিৰ পূজা কৰা নহয়। ইয়াৰপৰা সংস্কৃতিৰ সু-চৰ্চাত বাধাহে আহে।

সাহিত্য-সংস্কৃতিৰ চৰ্চাত বাধা আৰোপ কৰা অন্য এটা বস্তু হ'ল অনাহক বিতৰ্ক। বহুতো কলম পিহা বুদ্ধিজীৱীৰ এতিয়া মুখ্য কৰ্ম হ'ল নন্‌ন বিতৰ্ক সৃষ্টি কৰা। সেই বিতৰ্ক সংবাদ মাধ্যমৰ যোগেদিও হ'ব পাৰে নাইবা গৱেষণা পত্ৰৰ যোগেদিও হ'ব পাৰে। কিছুমান বিষয়ত বিতৰ্ক হোৱাটো উচিত, যেনে— বিদেশী অনুপ্ৰৱেশকাৰীৰ বিষয়ে সিদ্ধান্ত ল'বলৈ ভিত্তি বছৰক কেন্দ্ৰ কৰি হোৱা বিতৰ্ক। কাৰণ এনেবোৰ বিতৰ্কই বা এনেবোৰ সিদ্ধান্তই জাতি বা দেশৰ ভৱিষ্যতত বিৰাট প্ৰভাৱ পেলাব। কিন্তু 'কবিতা-অকবিতা'ৰ পাৰ্থক্যক লৈ বিতৰ্ক, নাটকত কৰা সম্পৰীক্ষাক লৈ বিতৰ্ক ইত্যাদিৰ কোনো বিশেষ ধনাত্মক ফলাফল নাই। এইবোৰে সাধাৰণ মানুহক দোমোজাতহে পেলায়।

বুদ্ধিজীৱীসকলৰ মাজত বৌদ্ধিক দৈন্যতাৰ আৱিৰ্ভাৱ হোৱা বুলি মাজে মাজে আমাৰ ভাব হয়। কাৰণ জাতিৰ প্ৰতি ভাবুকি সৃষ্টি হোৱা কিছুমান সংকটজনক মুহূৰ্তত তেওঁলোক নিজৰ ধ্যান-ধাৰণা লালন-পালন কৰাতেই আৰু স্বাৰ্থক আবুৰ দি ৰখাতেই ব্যস্ত থাকে। বৌদ্ধিক পৰিৱেশ উন্নয়নৰ বাবে বৌদ্ধিক নেতৃত্বৰো বৌদ্ধিক সচেতনতা থাকিব লাগিব।

পাশ্চাত্য সভ্যতা-সংস্কৃতিৰ অন্ধ অনুকৰণেও আমাক বহু পৰিমাণে পংগু কৰি পেলাইছে। পশ্চিমীয়া মানুহৰ কৰ্ম-সংস্কৃতি, বৈজ্ঞানিক উৎকৰ্ষতাক গুৰুত্ব দিয়াতকৈ অসমীয়া (বা ভাৰতীয় বুলি ক'ব পাৰি) মানুহে এতিয়া পশ্চিমীয়া কম কাপোৰ পিন্ধা প্ৰথাটোকহে গুৰুত্ব দিয়ে। সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনৰপৰা মনবোৰ আঁতৰাই নি আমি সেইবোৰক অন্ধ অনুকৰণৰ পৰা সৃষ্ট এখন অদ্ভুত ৰাজ্যত সংস্থাপিত কৰিছো। হ্ৰাস পাইছে বৌদ্ধিক উৎকৰ্ষতা; জাতি হিচাপে বৌদ্ধিক উত্তৰণৰ তালিকাত পাছ পৰিছো প্ৰতিদিন, প্ৰতিনিয়ত...!!

**'অপৰাধ আৰু স্বাৰ্থপৰতাৰ ভূ-স্বৰ্গ ঃ অসমৰ ৰাজনীতি' ঃ**

আঞ্চলিক দল 'অসম গণ পৰিষদ'ৰ সভাপতি নিৰ্বাচনক কেন্দ্ৰ কৰি ২৯-৩১ আগষ্ট, ২০০৭ত হোৱা তুমুল উত্তেজনা আৰু শেষত দুৰ্বৃত্তৰদ্বাৰা ৩১ আগষ্টৰ ৰাতি অধিৱেশনথলী অৰ্থাৎ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক কেন্দ্ৰত হোৱা মাৰপিটৰ ঘটনাই উদঙাই দিয়ে অসমৰ ৰাজনীতিৰ শেহতীয়া স্বৰূপ। এইটো এটা উদাহৰণ মাত্ৰ, বাকীবোৰ ৰাজনৈতিক দলো যে পাছপৰি আছে তেনে নহয়।

গণতান্ত্ৰিক দেশ এখনত ৰাজনৈতিক দলৰ গুৰুত্ব বহু বেছি। গণতন্ত্ৰক সঠিক ৰূপত লালন-পালন কৰাত সু-ৰাজনৈতিক নেতা-কৰ্মীয়ে অনেকখিনি দায়িত্ব পালন কৰিব পাৰে। পাছপৰা অঞ্চলৰ বাবে কথাটো আটাইতকৈ দৰকাৰী। কিন্তু অসমত পৰিৱেশটো এই মুহূৰ্তত সম্পূৰ্ণ ওলোটা। জাতিক নেতৃত্ব দিবলৈ দক্ষ নেতাৰ আৱশ্যক। কোনো এটা ৰাজনৈতিক দলত এনে এজন নেতাও হয়তো অসমত নাই যি আমাৰ ৰাজ্যখনৰ বাবে নিস্বাৰ্থভাৱে কাম কৰিব বিচাৰে। সঁচা অৰ্থত অসমৰ ৰাজনৈতিক নেতা-কৰ্মীৰ দূৰদৰ্শিতা নাই। যিখিনি আছে, সেইখিনি নিজ স্বাৰ্থ পূৰণৰ বাবে কৰা অসৎ চিন্তাহে। মন্ত্ৰী-বিষয়াৰ বক্তব্যতে প্ৰতিফলিত হয় অসমীয়া ৰাজনীতিবিদৰ বৌদ্ধিক দৈন্য। উন্নয়নৰ খতিয়ান দাঙিবলৈ আয়োজন কৰা সংবাদ মেলত ইপক্ষই সিপক্ষৰ বদনাম গায় কেৱল। বিধানসভা পৰিণত হয় ৰণথলীত। অপৰাধী আৰু স্বাৰ্থপৰ নেতাৰ কুকৰ্মত ভূপতিত হয় ন্যায়, সততা, বিবেক!

অসমীয়া ৰাইজৰ ৰাজনৈতিক সচেতনাও সন্দেহৰ উৰ্ধত নহয়।

নিৰ্বাচনত সদায় শুনি অহা মিছা প্ৰতিশ্ৰুতিবোৰক বাৰে বাৰে বিশ্বাস কৰি ৰাইজে ভোট দিয়ে? ফলত ক্ষমতা মিছলীয়াৰ হাতলৈহে গৈছে। ভোট দিয়াৰ সময়ত মানুহে ভাল মানুহ নিৰ্বাচন কৰাতকৈ কোনোবা বিশেষ দলৰ প্ৰতি থকা প্ৰীতি অনুসৰিহে ভোটদান কৰে। ফলত দিনক দিনে অস্থিৰ হৈছে অসমৰ ৰাজনীতি; হোৱা নাই অৱহেলিতজনৰ উন্নতি।

**'নিবনুৱাৰ কাৰখানাস্বৰূপ শিক্ষা ব্যৱস্থা' ঃ**

জীৱন যাত্ৰাত আগুৱাই যাবৰ বাবে শিক্ষা অতীৱ প্ৰয়োজনীয়। শিক্ষাৰ যোগেদি আৰ্জন কৰিব পাৰো জ্ঞান। অৱশ্যে শিক্ষা লোৱা মানেই জ্ঞান লাভ কৰাটো নুবুজায়। তথাপিতো মানুহক আজিৰ দিনত আনুষ্ঠানিক শিক্ষাৰ প্ৰয়োজন। এই শিক্ষা এনে ধৰণৰ হ'ব লাগে যাতে সেই শিক্ষাৰ সহায়ত আমি জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় কথাবোৰ শিকিব পাৰো, নিজৰ লগতে সমাজৰ উৎকৰ্ষৰ বাবে কিবা এটা কৰিব পাৰো আৰু শিক্ষাৰপৰা যাতে আমি প্ৰকৃত জ্ঞান লাভ কৰিব পাৰো।

আনুষ্ঠানিক শিক্ষা ব্যৱস্থা সদায় যুগসাপেক্ষ হোৱা উচিত। জীৱনক আগুৱাই নিবৰ বাবে আমাক সংস্থাপনৰ প্ৰয়োজন। সংস্থাপনৰ অৰ্থ ব্যৱসায়, কৃষি বা চাকৰি যিকোনো হ'ব পাৰে। কিন্তু মানুহে এতিয়া সংস্থাপন বুলিলে প্ৰায়ে চাকৰিকে বুজে। ৰাজ্যত দিনক দিনে নিবনুৱাৰ সংখ্যা বৃদ্ধি পাইছে। যাৰ ফলত আনুষঙ্গিকভাৱে বহু সমস্যাৰ সৃষ্টি হৈছে। সৰহসংখ্যক মানুহে নিবনুৱা সমস্যাৰ বাবে আমাৰ শিক্ষা ব্যৱস্থাক দায়ী কৰে। কথাটো বহু পৰিমাণে সত্য। প্ৰচলিত শিক্ষা ব্যৱস্থাই আমাক চাকৰি নিৰ্ভৰশীল কৰি পেলাইছে। চিকিৎসা বা অভিযান্ত্ৰিক পাঠ্যক্ৰমক বাদ দি সাধাৰণ পাঠ্যক্ৰমত এনেধৰণৰ বিশেষ ব্যৱহাৰিক পাঠ নাই যাৰ জ্ঞান লৈ যুৱক-যুৱতীয়ে ভৱিষ্যত গঢ়িব পাৰে। অৱশ্যে নিবনুৱা সমস্যাৰ বাবে বহুক্ষেত্ৰত আমাৰ সমাজ ব্যৱস্থা, অৰ্থনীতি, সামাজিক ধ্যান-ধাৰণাও দায়ী।

অসমৰ বৰ্তমান প্ৰচলিত পাঠ্যক্ৰম ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ স্পৃহা নিবাৰণ কৰিব পৰাকৈ মেটমৰা নহয়। এই অভিযোগ ছাত্ৰ-ছাত্ৰীয়েই নহয়; লেখক-বিজ্ঞানী আদিৰপৰাও আহিছে। পাঠ্যক্ৰমবোৰৰ বেছিভাগেই 'Up to date' নহয়। একৈশ শতিকাৰ বিজ্ঞান, সাহিত্যক অসমত প্ৰচলিত পাঠ্যক্ৰমে স্পৰ্শ কৰিব পৰা নাই। আনহে নালাগে উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ অসমীয়া ভাষা সাহিত্যৰ পাঠ্যক্ৰমেই ভুল-ক্ৰটিৰে ভৰপূৰ আৰু উৎসুক ছাত্ৰ-ছাত্ৰীৰ মানসিক চাহিদা পূৰণ কৰিব পৰা বিধৰ নহয়। তদুপৰি, যি শিক্ষা ব্যৱস্থাই জাতিৰ ভৱিষ্যতৰূপী নৱ-প্ৰজন্মক গঢ় দিয়ে, সেই শিক্ষা ব্যৱস্থা তদাৰক কৰা চৰকাৰী বিভাগটো অসমৰ সবাটোতকৈ দুৰ্নীতিগ্ৰস্ত বিভাগ! প্ৰচাৰ মাধ্যমে ইয়াৰ সুন্দৰ প্ৰমাণ ইতিমধ্যে দিছে। অৰ্থাৎ শিক্ষানুষ্ঠানৰেপৰা অসমত আৰম্ভ হয় বৌদ্ধিক দিশত দুৰ্বল অসমীয়া গঢ়াৰ কুচকাৱাজ!

ইত্যাদি... ইত্যাদি... ইত্যাদি...

**'সন্ধিক্ষণত কটনিয়ানৰ চিন্তা' ঃ**

সমস্যাবোৰৰ পাছত নিতৌ যোগ হয় বহুতো ইত্যাদি। কোনটোক লৈ কোনফালে ভাবিম? ওপৰত উল্লেখ কৰা মাত্ৰ চাৰিটা দিশৰ লগত সংযোগ হ'ব অনেকটা সমস্যাবহুল বিষয়...। সন্ত্ৰাসবাদ আৰু ছাত্ৰ-ৰাজনীতিৰ বিভ্ৰান্তিকৰ পৰিস্থিতিও তাৰ অন্তৰ্গত। এই দুটা গুৰুত্বপূৰ্ণ বিষয়ৰ কেন্দ্ৰ নতুন প্ৰজন্ম। ৩ টা কথা পৰিস্কাৰ, স্বাধীনতাই হওক বা আন কিবা বিষয়েই হওক; কোনো দাবীৰ নামতে নৰহত্যাৰ আমি পক্ষপাতী নহওঁ। বিপ্লৱী সংগঠনবোৰৰ দাবীবোৰ বিচাৰ কৰি চোৱাৰ ভিত্তি আছে। কিন্তু সংগঠনবোৰৰ শেহতীয়া কৰ্মকাণ্ডত সাধাৰণ ৰাইজ সন্তুষ্ট নহয় আৰু সৰ্বসাধাৰণৰ সমৰ্থন, সহযোগিতা অবিহনে কোনো বিপ্লৱ আৰু আন্দোলন সফল হ'ব নোৱাৰে। ছাত্ৰ আন্দোলনৰ ক্ষেত্ৰতো একে ধৰণৰ কথাই ক'ব পাৰি। অসমীয়াৰ বহু দুৰ্যোগৰ সময়ত ছাত্ৰ-সংগঠনবোৰে মাত মাতি আহিছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে ইয়াত যুক্তিতকৈ আৱেগে বেছি গুৰুত্ব পায়। বিপ্লৱী সংগঠন আৰু ছাত্ৰ সংগঠনবোৰৰ নেতৃবৃন্দৰ কিছুমান হঠকাৰী সিদ্ধান্তৰ বাবে জনসাধাৰণ তেওঁলোকৰপৰা বহুখিনি আঁতৰি আহিছে। এনে হঠকাৰী সিদ্ধান্ত লোৱাটোও বৌদ্ধিক অদূৰদৰ্শিতাৰ উদাহৰণ হ'ব পাৰে।

... সমস্যাৰ বিষয়ে বহুখিনি বৰ্ণোৱা হ'ল। এতিয়া কথা হ'ল, এই সময়ত আমাৰ দায়িত্ব কি? হয়, আমি সত্তাৰ সংকটত ভুগিছো, আমি যুগৰ সন্ধিক্ষণত! কিন্তু উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথম উচ্চ শিক্ষাৰ অনুষ্ঠান 'কটন কলেজ'ৰ ছাত্ৰ হিচাপে আমাৰো জাতিটোৰ প্ৰতি কৰণীয় আছে। আমি থাউকতে সমস্যাবোৰ সমাধান কৰিব নোৱাৰিব পাৰো, এদিনতে পৰিৱৰ্তন আনিব নোৱাৰিব পাৰো। তথাপিতো পৰিৱৰ্তন আনিবৰ বাবে প্ৰয়াস চলাব পাৰো। পৰিৱৰ্তন আনিবৰ বাবে প্ৰতিজন মানুহ কাৰ্ল মাৰ্ক্স, মাদাৰ টেৰেছা, আব্দুল কালাম নহ'লেও হ'ব। কিন্তু কিবা এটা ভাল কাম কৰাৰ ইচ্ছা থাকিলে সুপৰিৱৰ্তনৰ কাম নিজৰেপৰা আৰম্ভ কৰিব পাৰো। আত্মসংশোধন হ'ব পাৰে পৰিৱৰ্তনকামী যাত্ৰাৰ প্ৰথম খোজ। জাতিটোৰ ভালবোৰক লৈ গৰ্ব কৰাৰ লগতে বেয়াবোৰ শুধৰোৱাৰ কাম নিজে নিজে আৰম্ভ কৰিব লাগিব।

'কটনিয়ানে' যদি নিজৰ ফালৰপৰা ভাল কাম কৰাৰ আদৰ্শ দেখুৱাব পাৰে তেন্তে বাকীসকল নিশ্চয় উদ্বুদ্ধ হ'ব। কাৰণ 'আজিৰ কটনিয়ানে যি ভাবে, কাইলৈ অসমে সি ভাবে', বুলি এষাৰ কথা প্ৰচলিত আছে। ভাল কামৰ ফল সদায় ভালেই হয়। আকৌ আন্ধাৰৰ শেষত পোহৰেও দেখা দিয়ে। গতিকে সাম্প্ৰতিক পৰিস্থিতিৰ অৱসান ঘটাবলৈ অসমত বৌদ্ধিক চিন্তা-চৰ্চা আৰু আত্মসংশোধনেৰে আৰম্ভ কৰা এটা পৰিৱৰ্তনকামী যাত্ৰাৰ আৱশ্যক।❖

**সন্ধিক্ষণত**

গচকি পাৰ হৈ অহা এই অৰ্ধ শতাব্দীৰ বুৰঞ্জীখনে আমাৰ চলিত বৰ্তমানক আজি দেখুৱাই - ১ম আৰু ২য় মহাসমৰৰ উমি উমি জ্বলি উঠা ভয়াবহ সমস্যা আৰু পৰিণতিবোৰ — বিবোৰক আজিও আমি এৰা দি তেনেই আঁতৰি যাব পৰা নাই। সন্ধানী বিজ্ঞানবিদসকলে যুদ্ধৰ আঁৰ পটত কৰি যোৱা মাৰাত্মক আবিস্কাৰবোৰে পৃথিৱীৰ শান্তি ক্ষুণ্ণ কৰি পেলালে আৰু সেই শান্তি অক্ষুণ্ণ ৰাখিবলৈ আগবাঢ়ি আহিছিল সমূহীয়া জাতিৰ 'লীগ অব নেচনছ্'। 'লীগ অৱ নেচনছ' অকৃতকাৰ্য হ'ল আৰু ২য় মহাসমৰৰ পিছত কিছুমান ক্ষমতালোভী দলৰ মাজত অংকুৰিত হৈ আজিও যে 'সম্মিলিত ৰাষ্ট্ৰপুঞ্জ'ই শান্তি ৰক্ষাৰ প্ৰচেষ্টাত সাফল্য লাভ কৰিছে, সি সন্দেহ... এনে এখন ৰোগগ্ৰস্ত পৃথিৱীতেই আমি দেখো ১৯১৭ চনৰ ৰুছিয়াৰ বিপ্লৱ আৰু আজিৰ কোৰিয়া, চীন, ইণ্ডোনেচিয়া আৰু ভাৰতৰ স্বাধীনতা।

*—চিদা বৰুৱা ঃ ১৯৫১ /২৭ তম্ সংখ্যা*



# ভাৰতত ক্ৰীড়াৰ ৰেহ-ৰূপ

**প্ৰাঞ্জল প্ৰতীম কোঁৱৰ**

*স্নাতক তৃতীয় বৰ্ষ, পদাৰ্থ বিজ্ঞান বিভাগ*

ক্ৰীড়া কেৱল এক বিনোদনৰ মাধ্যমেই নহয়। যুৱসমাজৰ আবেগ-অনুভূতিক, তেওঁলোকৰ শক্তিক এক সঠিক দিক্‌দৰ্শন কৰোৱাত ক্ৰীড়াৰ গুৰুত্ব অপৰিসীম। উঠি অহা যুৱপ্ৰজন্মৰ আবেগ-অনুভূতিক নিয়ন্ত্ৰণ কৰি তেওঁলোকৰ মেধা তথা শক্তিক জনসাধাৰণৰ আগত তুলি ধৰিব পৰাটোৱেই ক্ৰীড়া প্ৰশাসকসকলৰ লক্ষ্য হোৱা উচিত। এখন দেশ, এটা জাতিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ ক্ৰীড়াতকৈ উপযুক্ত মাধ্যম একো নাই। খেলা-ধূলাই আমাক সপোন দেখুৱাব পাৰে। দৈনন্দিন জীৱনৰ একঘেয়ামীৰ পৰা আঁতৰাই এখন অন্য জগতত বিচৰণ কৰাৰ সুবিধা দিব পাৰে। আমি সপোন দেখিব পাৰো স্বাধীনতাৰ। শোষণৰ বিৰুদ্ধে প্ৰতিবাদৰ সপোন। হীনমন্যতাৰ অৱসানৰ সপোন। সামৰিক তথা অৰ্থনৈতিকভাৱে শক্তিশালী প্ৰতিপক্ষক খেলপথাৰত ধৰাশায়ী কৰি বিশ্ববিজয়ী হোৱাৰ সপোন। খেলৰ পথাৰত সৰু-বৰ, উচ্চ-নীচ নাই। নাই কোনো চালাকী, কুটিল ৰাজনীতি। চালাকীৰ আশ্ৰয় লৈ কোনো জয়ী হ'ব নোৱাৰে। যিজন যোগ্য, যাৰ শক্তি আছে, যাৰ যুঁজ দিয়াৰ মানসিকতা আছে তেওঁ বিজয়ী হ'বই। এনে এখন ক্ষেত্ৰত আমি কিমানদূৰ আগুৱাইছো? বা আগুৱাবলৈ চেষ্টা কৰিছো? নে আমি সপোন দেখিবলৈ পাহৰি গৈছো? তাকেই চালি-জাৰি চোৱাৰ কিঞ্চিত প্ৰয়াস এয়া।

বিশ্বায়ন নামৰ বাণিজ্যিক বতাহজাকে আমাক বৰকৈ কোবাবলৈ আৰম্ভ কৰিছে। ই ক্ৰীড়াৰ জগতখনকো বৰ বেয়াকৈ প্ৰভাৱিত কৰিছে, বিশেষকৈ ভাৰতৰ দৰে এখন দেশত যিখন পুঁজিপতিসকলৰ বাবে এখন লোভনীয় বজাৰ। যাৰ ফলত আমি পাহৰি গৈছো আমাৰ স্থিতি ক'ত, আমাৰ সন্মান ক'ত, আমাৰ গৌৰৱ ক'ত? পুঁজিপতি-ব্যৱসায়ীয়ে ৰঙীন পৰ্দাৰ যোগেদি যি কোৱাইছে তাকে কৈছো। যি দেখুৱাইছে, দেখিছো। নিজৰ মগজুৰে কথাবোৰ আজিকালি কমকৈ ভাবো। শচীনে পেপছি খাই ছিক্সাৰ মাৰিলে আমিও তেনে কৰিবলৈ যাওঁ। বিজ্ঞাপন সৰ্বস্ব দৃশ্য-শ্ৰাব্য প্ৰচাৰ মাধ্যমে আমাৰ মনত এটা কথাই সোমোৱাই দিছে যে খেল মানেই ক্ৰিকেট। ক্ৰিকেটৰ বাহিৰে বিশ্বৰ আগত চিনাকি দিবলৈ, গৰ্ব কৰিবলৈ আমাৰ আন একো নাই; প্ৰয়োজনো নাই। আন খেলসমূহৰ প্ৰতি যুৱসমাজৰ কোনো আগ্ৰহ নাই। হকী, ফুটবল তথা এথলেটিকছৰ চৰ্চা দেশত ক্ৰমান্বয়ে নোহোৱা হ'বলৈ ধৰিছে। উঠি অহা চামৰ বাবে ৰাহুল, শচীন, সৌৰভ, ধোনীহঁত 'হিৰ'। তেওঁলোক যেন স্বৰ্গৰ ৰাজকুমাৰ। সৰহসংখ্যক দেশবাসীয়েই অন্য সকলো খেল বাদ দি 'ক্ৰিকেটপ্ৰেমী' হৈ পৰিছে। গাঁও-ভূঁই, নগৰ-চহৰ সকলোতে 'ক্ৰিকেট প্ৰেক্টিছ' চলিছে। ফিল্ড নাই, বেট নাই যদিও কোনো কথা নাই। ৰাস্তাৰ মাজতে ইটা দুটুকুৰা জাপি ষ্টাম্প বনাই কাঠৰ বেটেৰেই কাম চলিছে। গাঁৱৰ ল'ৰাই আজিকালি ৰবাব টেঙাৰ বল লৈ ফুটবল নেখেলে। ভলুকা বাঁহৰ জেঙৰ পৰা 'ষ্টিক' বনাই হকীও নেখেলে। নদীখন কোনে আগতে সাঁতুৰি পাৰ হ'ব পাৰে তাৰ

ভাৰতীয় ফুটবলাৰসকলৰ বুট পিন্ধি খেলাত অভ্যস্ত নোহোৱা বাবে বিশ্বকাপত অংশ লোৱাৰ সুবৰ্ণ সুযোগ হেৰুৱাইছিল। কিন্তু সত্তৰৰ দশকৰ পৰা ভাৰতীয় ফুটবলৰ মান অৱনমিত হ'বলৈ ধৰে আৰু এতিয়ালৈকেতো ফুটবল মানচিত্ৰৰ পৰা ভাৰত হেৰাই যোৱাৰ উপক্ৰম হৈছেহি। আজি ফুটবল বুলিলে বাইচুং ভূটীয়াৰ বাদে আন নাম আমি নাজানো।

প্ৰতিযোগিতা নচলে। হৈ-গুডু জাতীয় খেলো নেখেলা হ'ল। সকলোৱে হয় ক্ৰিকেট খেলিব, নহয় টি.ভিৰ সন্মুখত বহি ক্ৰিকেট খেল চাব। বিজ্ঞাপন চাই সৌৰভ-ধোনী হোৱাৰ সপোন দেখিব। চৈধ্যবছৰীয়া ল'ৰা এটাক সোধক, সি ভাৰতৰ কিয়, শ্ৰীলংকা, অষ্ট্ৰেলিয়া, ইংলেণ্ড দলৰ আটাইবোৰ খেলুৱৈৰ নাম কৈ দিব। কিন্তু অলিম্পিকত একমাত্ৰ পদকটো জয় কৰি দেশৰ নাক কোনোমতে বচাই অহা লিয়েণ্ডাৰ পেজ, কৰ্নম মালেশ্বৰী, ৰাজ্যবৰ্ধন সিং ৰাথোড়ৰ কথা সোধক; এছিয়াডৰ পদক ৰিজেতা পি.টি.উষা, ছাইনী আব্ৰাহাম, জ্যোতিৰ্ময়ী শিকদাৰৰ কথা কওক; অসমৰ ভোগেশ্বৰ বৰুৱা, মনালিছা বৰুৱা, তৈয়বুন নিছা, গিলবাৰ্টছন চাংমাৰ নাম সোধক, কি খেলিছিল সোধক। আমাৰ যুৱসমাজৰ খুব বেছি দহভাগৰ এভাগেহে ক'ব পাৰিব। অলিম্পিক, এছিয়াড, ফিফা, মাৰাডোনা, পেলে, ষ্টেফি গ্ৰাফ, ৰ'জাৰ ফেডেৰাৰ, মৰিছ গ্ৰীণ, বিশ্বনাথন আনন্দ, যশাপাল ৰাণা, বাইচুং ভূটীয়া, কাৰ্ল লুইছ আদি নামবোৰ আমাৰ বাবে অপ্ৰাসংগিক হৈ পৰিছে। নীৰৱ সাধনা তথা অসীম ধৈৰ্যৰে খেলি বিশ্বনাথন আনন্দে বিশ্ব দবা চেম্পিয়নশ্বিপ জিকক, আমি বহুতে গমেই নাপাওঁ। জয়ন্ত তালুকদাৰ আৰ্চাৰীৰ 'নম্বৰ ৱান' খেলুৱৈ হওক; আমি আনন্দিত নহওঁ। যেন তেনেই সাধাৰণ কথা। বাতৰি কাকতৰো ক্ৰীড়া পৃষ্ঠাৰ চুক এটাতহে আমি তেওঁলোকৰ কথা দেখা পাওঁ। কিন্তু দুৰ্বল ফৰ্মত থকা বেটছমেন এজনে আজি ছিক্স এটা মাৰক, কাইলৈ বাতৰিৰ ক'ভাৰ ষ্টৰী হ'ব সেয়া। ধন্য কেৰি পেকাৰ! ধন্য ক্ৰিকেটৰ ব্যৱসায়ীসকল! ধন্য আমাৰ প্ৰচাৰ মাধ্যম! বিশেষ কোনো সফলতা লাভ নকৰাকৈয়ে কেৱল স্পনচ'ৰ আৰু প্ৰচাৰৰ বলত ফৰ্মূলা ৱান ড্ৰাইভাৰ নাৰায়ন কাৰ্তিকেয়ন আজি চেলিব্ৰেটি। বিজ্ঞাপন আৰু প্ৰচাৰ মাধ্যমৰ জোৰত সাধাৰণ মানৰ কিছুমান খেলুৱৈক ৰাইজে বীৰপূজা কৰিছে। অৱহেলিত হৈ ৰৈছে প্ৰকৃত বীৰসকল। অৱহেলিত হৈ ৰৈছে এসময়ত ভাৰতে গৰ্ব অনুভৱ কৰা ফুটবল, হকীৰ দৰে ক্ৰীড়াসমূহ।

আজি বিশ্বৰ ফুটবল মানচিত্ৰত ভাৰতৰ কোনো অস্তিত্ব নাই। এশকোটিৰো অধিক জনসংখ্যা থকা স্বত্বেও আজিলৈকে ভাৰতে বিশ্বকাপৰ মূল পৰ্যায়ত ভাগ লোৱাৰ যোগ্যতা অৰ্জন কৰিব পৰা নাই। আনকি এছিয়ান কোৱালিফাইং ৰাউণ্ডৰ পৰাও ভাৰতে প্ৰাৰম্ভিক পৰ্যায়ৰ পৰাই বিদায় মাগিব লগা হৈছে। অথচ পৃথিৱীৰ ভিতৰতে দ্বিতীয়খন পুৰণি ফটবল প্ৰতিযোগিতা ভাৰতেই অনুষ্ঠিত কৰে (ডুৰাণ্ড কাপ)। তেনেখন দেশ আন্তঃৰাষ্ট্ৰীয় ৰেংকিঙত ১৬০ নম্বৰ স্থানত থকাটো লাজৰ কথা। অথচ ভাৰতীয় ফুটবলৰ অৱস্থা পূৰ্বতে এনে নাছিল। ১৯৪০ চনত ভাৰতীয় ক্লাব মহমেদান স্পৰ্টিঙে এটা বৃটিছ দলক পৰাভূত কৰিছিল। ১৯৪৮ চনৰ লণ্ডন অলিম্পিকত ফ্ৰান্সৰ বিৰুদ্ধে খালী ভৰিৰে খেলিও এখন চাঞ্চল্যকৰ মেচ বিশ্ববাসীক উপহাৰ দিছিল (অৱশ্যে পেনাল্টিৰ সহায়ত ২-১ গ'লত ফ্ৰান্স জয়ী হৈছিল)। এইখন অলিম্পিকত ভাৰতক নেতৃত্ব দিছিল অসমৰ ড° টালিমেৰণ আওৱে। ১৯৫১ আৰু ১৯৫৫ চনৰ এছিয়াডত ভাৰতে সোণৰ পদক অৰ্জন কৰিছিল। ১৯৫৬ চনৰ মেলবৰ্ণ অলিম্পিকত



অষ্ট্ৰেলিয়াৰ দৰে দলক পৰাস্ত কৰি চতুৰ্থ স্থান লাভ কৰিছিল। ১৯৬০ চনৰ ৰোম অলিম্পিকতো ভাৰতে দক্ষতাৰে খেলি ফ্ৰান্সৰ বিপক্ষে ১-১ গ'লৰ ড্ৰ ৰাখিছিল। ১৯৫০ চনৰ ব্ৰাজিল বিশ্বকাপৰ অন্তিম মুহূৰ্তত ভাৰতীয় ফুটবল দলক বিশ্বকাপত ভাগ ল'বলৈ আমন্ত্ৰণ জনোৱা হৈছিল। বিশ্বকাপত বুট পিন্ধি খেলাটো বাধ্যতামূলক আছিল। কিন্তু ভাৰতীয় ফুটবলাৰসকলৰ বুট পিন্ধি খেলাত অভ্যস্ত নোহোৱা বাবে বিশ্বকাপত অংশ লোৱাৰ সুবৰ্ণ সুযোগ হেৰুৱাইছিল। কিন্তু সত্তৰৰ দশকৰ পৰা ভাৰতীয় ফুটবলৰ মান অৱনমিত হ'বলৈ ধৰে আৰু এতিয়ালৈকেতো ফুটবল মানচিত্ৰৰ পৰা ভাৰত হেৰাই যোৱাৰ উপক্ৰম হৈছেহি। আজি ফুটবল বুলিলে বাইচুং ভূটীয়াৰ বাদে আন নাম আমি নাজানো। এটা টিম গঠন কৰিবলৈ, সকলো পজিছনৰ কাৰণে বিশেষজ্ঞ খেলুৱৈ আমি বাচনি কৰি উলিয়াব পৰা নাই। জনসাধাৰণৰ কোনো 'ফুটবল প্ৰেম' নাই। দেশত ক্লাব ফুটবল খেলৰ জনপ্ৰিয়তা নাই। আভ্যন্তৰীণ ফুটবল প্ৰতিযোগিতাসমূহ নামতহে অনুষ্ঠিত হৈ আহিছে। কলিকতাৰ ইষ্ট বেংগল-মোহনবাগানৰ বাহিৰে বাকী ক্লাববোৰৰ অৱস্থা তথৈবচ। গুৱাহাটী টাউন ক্লাবৰ অৱস্থা তেনেই শোচনীয়। অনিমেষ গাংগুলীৰ মহাৰাণা ক্লাবৰ আজি মৃতপ্ৰায় অৱস্থা। অথচ এইবোৰ ক্লাবত খেলিয়েই টি. আও, পিলিক চৌধুৰী, নিপ বৰুৱাহঁতে ভাৰতীয় খেলপথাৰত দপ্‌দপাই ফুৰিছিল। আজিকালি মানুহে বৰদলৈ ট্ৰফী নাচায়। ফ্লাড লাইটৰ পোহৰত খেল পাতিলেও, বিনামূলীয়া টিকট দিলেও, লটাৰীৰ ব্যৱস্থা ৰাখিলেও দৰ্শকৰ উপস্থিতি তেনেই সেৰেঙা। কথাবোৰ চিন্তনীয়।

হকী ভাৰতৰ ৰাষ্ট্ৰীয় খেল। ১৯২৮ চনত আমষ্টাৰডাম অলিম্পিকত পোন প্ৰথমবাৰৰ বাবে হকীত যোগদান কৰিয়েই স্বৰ্ণপদক লাভ কৰি ভাৰতে বিশ্ববাসীৰ চকুত চমক লগাই দিয়ে।

ইয়াৰ পিছত একেৰাহে ছখন অলিম্পিকত (১৯২৮, ১৯৩২, ১৯৩৬, ১৯৪৮, ১৯৫২ আৰু ১৯৫৬) ভাৰতে বিজয়ীৰ সন্মান লাভ কৰি যি অভিলেখ সৃষ্টি কৰিলে, সেয়া আজিকোপতি কোনেও ভংগ কৰিব পৰা নাই। যথাৰ্থতে ধ্যানচান্দক বিশ্ববাসীয়ে হকীৰ যাদুকৰ আখ্যা দিছিল। ইমান সুন্দৰ আৰম্ভণি! সেয়ে সময়ৰ লগে লগে ভাৰতে হকীত আৰু পৰিপক্কতা লাভ কৰিব লাগিছিল; ভাৰতবাসীৰ বাবে হকী হৈ পৰিব লাগিছিল এক আবেগ, এক সংস্কৃতি; যেনেকৈ ব্ৰাজিলিয়ানৰ বাবে ফুটবল এক সংস্কৃতি। কিন্তু নহ'ল। বলবীৰ সিং, উধম সিং, ক্লডিয়াছে যি ঐতিহ্যৰ সৃষ্টি কৰি গৈছিল, পাৰ্গত সিং, ধনৰাজহ'তে সেই মহান ঐতিহ্য ধৰি ৰাখিব নোৱাৰিলে। পৰিস্থিতি এনেকুৱা হ'লহি যে ভাৰতৰ তুলনাত শিশু চীন-জাপানৰ বিৰুদ্ধেও ভাৰতে সংঘৰ্ষ কৰিব লগা হ'ল। ইয়াৰ বাবে আমি খেলুৱৈসকলক দোষ দিব বিচৰা নাই। তেওঁলোকে কেনে পৰিস্থিতিত খেলিছে, কেনেধৰণৰ লোকে প্ৰশাসন চম্ভালিছে, সেয়াও চাব লাগিব। জনসাধাৰণৰ আগ্ৰহ, প্ৰচাৰ মাধ্যমৰ গুৰুত্ব, চৰকাৰী পৃষ্ঠপোষকতা, স্পনচৰশ্বিপ আদি দিশো বিচাৰ্য।

আমি ক্ৰিকেট খেলৰ বিৰোধী নহয়, ক্ৰিকেট খেল আমিও ভাল পাওঁ। ভাৰতৰ ভাল প্ৰদৰ্শনে আমাকো আনন্দিত কৰে, বেয়া খেলিলে হতাশ হওঁ। কিন্তু ক্ৰিকেট পাগল হৈ বাকী ক্ৰীড়াসমূহলৈ পিঠি দিয়াটো শুভলক্ষণ নহয়। ক্ৰীড়াৰ প্ৰধান উদ্দেশ্য হ'ল দেহ-মনক সুস্থতা প্ৰদান কৰা তথা অৱসৰ বিনোদন। কিন্তু বৰ্তমান ই দেশ তথা জাতিৰ নাম উজলোৱাৰ, মৰ্যাদা ৰক্ষা কৰাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম। আৰু অকল ক্ৰিকেটকে আমাৰ মান-মৰ্যাদা ৰক্ষা কৰাৰ একমাত্ৰ আহিলা বুলি ভবাটো ভুল। পৃথিৱীয়ে ক'ব, অলিম্পিক হ'ল বিশ্বৰ শ্ৰেষ্ঠ ক্ৰীড়া প্ৰতিযোগিতা, তাৰ পিছতে বিশ্বকাপ ফুটবল। গতিকে এনে প্ৰতিযোগিতাত গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ আমি সকলো ক্ৰীড়াকে গুৰুত্ব দিয়া উচিত। হয়, যোৱা কেইটামান দশকত আমি ফুটবল, হকী বা আন খেলত সফলতা লভা নাই। বেয়া খেল দৰ্শকে নাচায়। সকলোৱে বিচাৰে নিজৰ দলটো জিকাটো। সকলোৱেই বিচাৰে খেলুৱৈসকলক জাতীয় নায়কৰ ৰূপত চাবলৈ। কিন্তু কিহৰ দোষত বাকীবোৰ ক্ৰীড়াৰ এই অৱস্থা হৈছে? মাত্ৰাধিক ক্ৰিকেটপ্ৰেম একমাত্ৰ কাৰণ নহয়, কিন্তু ই এটা প্ৰধান কাৰণ। আজিৰ যুৱচামে অন্য খেলৰ প্ৰতি সিমান আগ্ৰহ প্ৰকাশ নকৰে। হকী, ফুটবল, এথলেটিকছৰ চৰ্চা দেশত ক্ৰমান্বয়ে নাইকীয়া হ'বলৈ ধৰিছে। পঞ্জাবৰ পৰা এসময়ত বহুতো হকী অলিম্পিয়ান ওলাইছিল। কৰ্ণাটক, বংগ আদি ৰাজ্যৰ খেলুৱৈৰে ফুটবল খেলপথাৰ ভৰি আছিল। এইবোৰত এতিয়া ক্ৰিকেটৰ প্ৰভাৱ। অৱশ্যে যি ক্ৰিকেটক আমি জগৰীয়া কৰিছো, তাৰ অৱস্থাও নিৰপেক্ষভাৱে চালে বৰ সুখৰ নহয়। অষ্ট্ৰেলিয়াৰ দৰে ধাৰাবাহিকতা আমাৰ দলে ধৰি ৰাখিব পৰা নাই। যোৱাবাৰ বিশ্বকাপত বৰ বেয়াকৈ মুখথেকেচা খাইছিল জাতীয় ক্ৰিকেট দলে। কেতিয়াবা দলীয় মানসিকতা, যুঁজাৰু মানসিকতাৰ অভাৱ দৃষ্টিকটুভাৱে প্ৰকট হৈ পৰে। মুঠৰ ওপৰত দেশত ক্ৰীড়াৰ এই দুৰৱস্থাৰ বাবে জনসাধাৰণ যিমান দায়ী, সমানেই দায়ী দেশৰ প্ৰশাসন তথা ক্ৰীড়া সংগঠকসকল।

এখন দেশ বা ৰাজ্যৰ ক্ৰীড়াৰ মান উন্নত কৰাত ক্ৰীড়া প্ৰশাসকসকলৰ বিশেষ ভূমিকা থাকে। এনে প্ৰশাসকসকল খেলৰ প্ৰতি সম্পূৰ্ণৰূপে সমৰ্পিত ব্যক্তি হ'ব লাগিব। খেলুৱৈসকলৰ লগত মানসিকভাৱে তেওঁলোকৰ এক নিকট সম্বন্ধ থকাটো বাঞ্চনীয়। তেওঁলোক সৎ, নিস্বাৰ্থ আৰু প্ৰচাৰবিমুখ হোৱাৰ লগতে প্ৰশাসনিকভাৱে দৃঢ় ব্যক্তি হ'ব লাগিব। ভাৰতত আন্তঃৰাষ্ট্ৰীয় অলিম্পিক সংস্থাৰ স্বীকৃতিপ্ৰাপ্ত অনুষ্ঠান ভাৰতীয় অলিম্পিক সংস্থা আৰু তাৰ অধীনত প্ৰত্যেক ৰাজ্যতে ৰাজ্যিক অলিম্পিক সন্থা আছে। আৰু আছে প্ৰত্যেকবিধ ক্ৰীড়াৰ বেলেগ বেলেগ এছ'চিয়েশ্বন, ফেডাৰেশ্বন আদি। এনে অনুষ্ঠান চলোৱা প্ৰশাসকসকলৰ নিষ্ঠা আৰু দক্ষতাৰ ওপৰতে দেশৰ ক্ৰীড়াৰ মান নিৰ্ভৰ কৰে। কিন্তু ১৯৮০ৰ দশকৰ পৰা ভাৰতীয় ক্ৰীড়াক্ষেত্ৰত ৰাজনীতিবিদৰ অবাধ প্ৰৱেশ আৰম্ভ হ'ল আৰু বৰ্তমান এয়া অতি বেছি হৈ পৰিছে। তেওঁলোকে কুটিল ৰাজনীতিৰ আশ্ৰয় লৈ বছৰৰ পাছত বছৰ ধৰি গাদী দখল কৰি থাকে। একেই কথা প্ৰযোজ্য অন্য কিছুমান প্ৰাক্তন উচ্চপদস্থ চৰকাৰী বিষয়াৰ ক্ষেত্ৰত। বহুকেইটা সংস্থাৰ মুৰব্বীৰ পদ মন্ত্ৰী-বিধায়কৰ পত্নীসকলৰ দখলত, যিসকলে ক্ৰীড়াৰ অ-আ, ক-খ একো নাজানে। অনবৰতে গাদী ৰক্ষাৰ কথা চিন্তা কৰা এইসকল কৰ্মকৰ্তাৰ খেলুৱৈ তথা খেলৰ কথা ভবাৰ সময় নাই। ফলত আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ফলাফল শূন্য। দেশে এই সংস্থাবোৰৰ নামত, ক্ৰীড়াৰ সম্প্ৰসাৰণৰ নামত কোটি-কোটি টকা খৰচ কৰি আহিছে। কিন্তু ক'তা? ক্ৰীড়া জাগৰণ দেখোন হোৱা নাই। সৰ্বসাধাৰণ আগতেও শুই আছিল, এতিয়াও শুয়েই আছে। সংস্থাবোৰৰ কাম-কাজ সম্বন্ধে কোনো প্ৰশ্ন নকৰে তেওঁলোকে। ফলত সংস্থাসমূহেও দেশৰ তথাকথিত নামী খেলুৱৈসকলক আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতালৈ প্ৰেৰণ কৰিয়ে দায়িত্ব সামৰে। দীৰ্ঘম্যাদী আঁচনি নাই। নতুন প্ৰতিভাৰ সন্ধান তথা বিকাশৰ কোনো পৰিকল্পনা নাই। প্ৰতিযোগিতা আৰম্ভ হোৱাৰ কেইমাহমান আগতে লৰা-লৰিকৈ খেলুৱৈ বাছনি কৰি, দুটামান কেম্প পাতি অনুশীলন কৰাই অলিম্পিকলৈ নিলে ক'ত পদক জিকি আহিব পাৰিব? পৃথিৱীখন বৈ থকা নাই। ভাৰততকৈ কম জনসংখ্যাৰ আৰু দুখীয়া আফ্ৰিকাৰ সৰু সৰু দেশসমূহৰ এথলীটে আজি বিশ্বৰ খেলপথাৰত দপদপাই ফুৰিছে। আমি তেনেকুৱা খেলুৱৈ কিয় সৃষ্টি কৰিব পৰা নাই? অসীম সাধনাৰ বলত লিয়েণ্ডাৰ পেজ, মহেশ ভূপতিৰ যুটিয়ে টেনিছৰ বিশ্বচেম্পিয়নৰ খিতাপ জয় কৰিছিল। সেই ঐতিহ্যৰ বাহক হ'বলৈ আমাৰ আৰু কোনো খেলুৱৈয়ে প্ৰয়োজনীয় যোগ্যতা আহৰণ কৰিব পৰা নাই। ছানিয়া মিৰ্জা বহুদূৰ আগবাঢ়িছে, কিন্তু বিজ্ঞাপনৰ হেঁচাত, গ্লেমাৰৰ হেঁচাত ইপ্সিত লক্ষ্য এতিয়াও বহুদূৰত। ১৯৬০ চনৰ ৰোম অলিম্পিকত মিলখা সিঙে চাৰিশ মিটাৰ দৌৰত পূৰ্বৰ ৰেকৰ্ড ভংগ কৰিও চতুৰ্থ স্থানতে থাকিল। ১৯৮৪ চনৰ লছ এঞ্জেলছ অলিম্পিকত পি.টি.উষাই চাৰিশ মিটাৰ হাৰ্ডলেছত অলপৰ কাৰণে ব্ৰঞ্জৰ পৰা বঞ্চিত হয়। তাৰ পিছৰ পৰা আজিকোপটি আমাৰ প্ৰদৰ্শন ইমান শোচনীয় কিয়? দীৰ্ঘম্যাদী



পৰিকল্পনা অনুসৰি সংশ্লিষ্ট সকলো পক্ষৰে কঠোৰ পৰিশ্ৰমৰ কোনো বিকল্প নাই। আমেৰিকা, অষ্ট্ৰেলিয়াৰ কথা নকওঁৱেই, সৌ চীনদেশতে ২০১৬ চনৰ অলিম্পিকৰ কাৰণে খেলুৱৈ সন্ধানৰ কুচকাৱাজ আৰম্ভ হৈ গৈছে। চীন, কোৰিয়া, জাপান আদি দেশে ফুটবল, হকী, এথলেটিকছ, টেবুল টেনিছ আদি খেলত নিজৰ দৃঢ় উপস্থিতি সাব্যস্ত কৰি আহিছে। সকলো দিশতে চীনৰ উত্থান মন কৰিবলগীয়া।

২০০৭ চনৰ ফ্ৰেব্ৰুৱাৰী মাহত অসমত ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত হ'ল। সেই সুযোগতে অসমত কেইখনমান উচ্চমানৰ খেলপথাৰ গঢ় লৈ উঠিল। কোটি টকীয়া এই ষ্টেডিয়াম তথা খেলপথাৰসমূহ লৈ আমি কি কৰিম? এইবোৰৰ সদ্ব্যৱহাৰ কৰিবলৈ অসমৰ ক্ৰীড়া প্ৰশাসন সক্ষমনে? সৰুসজাইৰ অত্যাধুনিক এথলেটিক ষ্টেডিয়াম, ভেটাপাৰাৰ হকী এষ্ট্ৰ টাৰ্ফ, আমিনগাঁৱৰ ইনড'ৰ ষ্টেডিয়াম, চচলৰ টেনিছ কৰ্ট, টেপেছিয়াৰ ভেলোড্ৰাম— আন্তৰ্জাতিক মানৰ এই আন্তঃগাঁথনি সমূহৰ ভৱিষ্যত কি? বছৰেকত দুখনমান প্ৰতিযোগিতা পাতিলেই অসমৰ ক্ৰীড়াৰ সামগ্ৰিক পৰিৱেশৰ উন্নতি হ'বনে? অসমৰ বিভিন্ন ঠাইত বহুত মিনি ষ্টেডিয়াম আছে। বেছিভাগেই অৰ্ধনিৰ্মিত। ৰক্ষণাবেক্ষণৰ অভাৱ আৰু অব্যৱহৃত হৈ পৰি থকাৰ ফলত জহি-খহি গৈছে। শেলুৱৈ ধৰি কদৰ্য ৰূপ ধাৰণ কৰিছে। উল্লিখিত ক্ৰীড়া প্ৰকল্পসমূহৰ ক্ষেত্ৰত এনে নহ'ব বুলি সংশ্লিষ্ট পক্ষই নিশ্চয়তা দিব পাৰিবনে? স্কুল-কলেজসমূহত খেলা-ধূলাৰ পৰ্যাপ্ত সা-সুবিধা নাই। উদীয়মান খেলুৱৈক যাৱতীয় প্ৰোৎসাহন দিয়াৰ ব্যৱস্থা নাই। নিজৰ গাঁঠিৰ ধন ভাঙি কোনো খেলুৱৈয়ে দীৰ্ঘ সময়ৰ কাৰণে সাধনা কৰি থাকিব নোৱাৰে। আমাৰ দেশত খেলুৱৈসকলৰ ভৱিষ্যত আৰ্থিক নিৰাপত্তাৰ দিশটোও বৰ সন্তোষজনক নহয়। একালৰ বহু নামী-দামী খেলুৱৈ আজি আৰ্থিক সংকটৰ গ্ৰাসত। এইবোৰ দেখি-শুনি অভিভাৱকসকলেও সন্তানে খেলা-ধূলা কৰি হাত-ভৰি ভঙাতকৈ ঘৰতে বহি টি.ভি. চাই থকাটোহে বিচাৰে।

এই স্থিতাৱস্থাৰ পৰিৱৰ্তন আনিবই লাগিব। ভাৰতৰ ক্ৰীড়া বিপ্লৱৰ সূচনা হ'ব লাগিব। প্ৰতিবেশী ৰাষ্ট্ৰ চীনে পাৰিছে যেতিয়া আমি নোৱাৰাৰ কাৰণ নাই। এই প্ৰক্ৰিয়া আৰম্ভ হ'ব লাগিব স্কুল পৰ্যায়ৰ পৰাই, গ্ৰামাঞ্চলৰ পৰাই। ক্লাববোৰক পুনৰুজ্জীৱিত কৰিব লাগিব। এতিয়া হৈ থকা প্ৰতিযোগিতা, টুৰ্ণামেণ্টসমূহক অধিক জনমুখী, অধিক প্ৰাণৱন্ত কৰিব লাগিব। খেলৰ আহিলা-পাতি পৰ্যাপ্ত পৰিমাণে যোগান ধৰিব লাগিব। খেলুৱৈসকলৰ প্ৰশিক্ষণ বিজ্ঞানসম্মত আৰু দীৰ্ঘম্যাদী হ'ব লাগিব। তেওঁলোকে যাতে সকলো চাপৰ পৰা মুক্ত হৈ নিজৰ স্বাভাৱিক ছন্দত খেলিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগিব। খেলুৱৈসকলৰ আৰ্থিক নিৰাপত্তা সুনিশ্চিত কৰিব লাগিব। সবাতোকৈ গুৰুত্বপূৰ্ণ কথা হ'ল ক্ৰীড়াক ৰাজনীতি আৰু ব্যৱসায়ৰ পৰা দূৰত ৰাখিব লাগিব। আৰ্থিক দিশৰ লগত অৱধাৰিতভাৱেই ব্যৱসায় আহি পৰে কিন্তু ব্যৱসায় যাতে খেলুৱৈ তথা খেলৰ মানৰ বিনিময়ত নহয়, সেয়া প্ৰশাসনে সুনিশ্চিত কৰিব লাগিব। উৎকৃষ্ট প্ৰদৰ্শনৰ পাছতো যাতে কোনোৱা নিৰ্দিষ্ট ক্ৰীড়া প্ৰতিযোগীয়ে হীনমন্যতাত ভুগিব লগা নহয়, তাৰ প্ৰতি চকু দিব লাগিব। চৰকাৰে সাহাৰ্য আগবঢ়োৱাৰ ওপৰিও স্পনচৰৰ ব্যৱস্থা কৰিব লাগিব। গোটেই প্ৰক্ৰিয়াটোৰ ওপৰত জনসাধাৰণ আৰু প্ৰচাৰ মাধ্যমে জাগ্ৰত দৃষ্টি ৰাখিব লাগিব।

ভাল খেল মানুহে চাবই। প্ৰমাণ ৩৩তম ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ফুটবলৰ ফাইনেল খেলখন। ভাল খেলিবৰ বাবে ভাল দল গঠন কৰাৰ দায়িত্ব দেশৰ ক্ৰীড়া প্ৰশাসকসকলৰ। এদিন আমি ভাৰতীয় হকীক লৈ সপোন দেখিছিলো। পি.টি.উষা, মিলখা সিঙক লৈ সপোন দেখিছিলো। আমি আকৌ সপোন দেখিব বিচাৰো। যিদৰে আমি বিশ্বকাপ ফুটবলত ব্ৰাজিল-আৰ্জেণ্টিনাৰ খেল চাবলৈ টোপনি খতি কৰো, তেনেকৈ ভাৰতৰ খেলো উপভোগ কৰিব বিচাৰো। ধোনীৰ দল ক্ৰিকেটত হাৰিলেও যাতে আমি হতাশাত ভাগি নপৰো, কাৰণ গগন অজিত, প্ৰভজ্যোৎ সিং, দিলীপ টিৰ্কীহঁতৰ হকীয়ে ভাৰতক বিজয়ীৰ মুকুট পিন্ধাব। অলিম্পিকত কোনোবাই সোণৰ পদক লওঁতে 'জন-গণ-মন' সংগীত ধ্বনি ভাঁহি আহক আৰু টিভিত তাকে চাই প্ৰতিজন ভাৰতীয়ৰ চকুৰেদি আনন্দাশ্ৰু নিগৰি আহক। এই সপোন ফলৱতী হোৱাৰ দিনবোৰ সোনকালেই আহক...।❖



# ফিনিক্স পখীৰ গান

**নয়নমণি বৰদলৈ**

স্নাতক তৃতীয় বৰ্ষ, ইংৰাজী বিভাগ

বাৰিষাৰ প্ৰথমজাক বৰষুণৰ পানীৰে উপচি পৰা পথাৰখনত ভূঁই ৰুবলৈ অহা ৰোঁৱনীবোৰৰ হাঁহিৰ খিলখিলনিত পাব তাইক।

যাওঁ বুলিয়েই নভবা নিচিন্তাকৈ তাই গুচি যায় প্ৰতিবাদী সমদলবোৰত যোগ দিবলৈ। ওৰে দিনটো চিঞৰি চিঞৰি প্ৰতিবাদ কৰি কৰি ভাগৰ নপলায় তাইৰ। তথাপিতো ন্যায় নাহে। কেৱল শ্ল'গানেৰে এই দেশৰ একো নহয়। তাই ভাবে। তাইক কেতিয়াবা আপুনি দেওবৰীয়া পেপাৰৰ ভিতৰৰ পৃষ্ঠাত দেখা পাব। তাত তাই উৱলি যোৱা হৃদয়ত কেনেকৈ মলম লগাব লাগে সবিস্তাৰে বুজাই দিব। আপোনাৰ ঘৰলৈ সঘনাই বিজুলী নাহে। এবাৰ তাইক কৈ চাওঁকচোন। জকমকীয়া চুপাৰ মাৰ্কেটৰপৰা আৰম্ভ কৰি তিনিআলিৰ ধিমিক-ধামাক চাকিৰ পোহৰত সাৰে থকা প্ৰতিজন নৈতিক দোকানীৰ হিচাপ-ৰক্ষক বহী তাই। তাই কেতিয়াবা আপোনাৰ 'মা' হৈ বা 'ভণ্টি' অথবা সুহৃদ হৈ আপোনাৰ হাত দুখন ধৰি থাকিব; বিপদৰ সময়ত সাৰধান হৈ খোজ দিয়াৰ মুহূৰ্তত অথবা স্বাৰ্থপৰ হৈ ল'ব নলগা সিদ্ধান্ত লোৱাৰ প্ৰাকমুহূৰ্তত আপোনাক সজাগ কৰি দিবলৈ। তাইক আপুনি দুৰ্নীতিৰ পাকচক্ৰত পৰি কক্‌বকাই থকা নিঃকিনজন, যাৰ এতিয়া নিজৰ বুলিবলৈ একোৱেই নাই, তেওঁৰ সোঁহাতত ধৰি থিয় হৈ থকা দেখা পাব তাইক যদি তিলমানো চুব বিচাৰে আপোনাৰ কু-দৃষ্টিয়ে, বজ্ৰপাতৰ দৰে কঠোৰ হৈ পৰিব তাই। তাইৰ আগমনৰ কোনো সময় নাথাকে। ধনেৰে বলীয়ান হৈ ডিঙিত ফুলাম গামোচা লৈ সমাজৰ আগস্থান শুৱনি কৰি থকাজনক কোনসময়ত তাই সমাজবহিৰ্ভূত কৰিব আপুনি গমকে নাপাব। আপুনি ভুলতো ৰাইজক সস্তীয়া ৰসগোল্লা খোৱাবৰ চেষ্টা নকৰিব। চিন্তা নকৰিব কোনোদিন আপোনমনেৰে নিজৰ কৰি লোৱা জোন আৰু জোনালীক এঘৰীয়া কৰাৰ কথা ভাবে নেকি কেতিয়াবা জাকপাতি

উৰি ফুৰা দীপৰবিলৰ পৰিভ্ৰমী চৰাইবোৰক বনভোজৰ সামগ্ৰী কৰাৰ কথা। নাভাবিব ভুলতো। তাইৰ মন বিদ্ৰোহৰ জ্বালামুখীত ছটফটাই উঠিব। পৰিণাম খুবেই ভয়াবহ হ'ব।

আঙুলিৰ ফাঁকেৰে সাৰি যোৱা উত্তৰণৰ বহুতো স্তৰৰ..., শীত, গ্ৰীষ্মৰ, বহুতো খোজৰ স্বাক্ষৰৰ দীঘলীয়া খতিয়ান দিব পৰাকৈ তাইৰ হাতত তথ্য মজুত আছে। তাই মহাশূন্যৰ বুকুৰ সূৰুযৰ এটা অংশ, এই পৃথিৱীৰ জাগ্ৰত প্ৰহৰী। সকলো শেষ হৈ যোৱাৰ পাছতো ছাইৰ দ'মৰ পৰা পুনৰ জন্ম হোৱা ফিনিক্স পখীৰ দৰে তাইৰ সত্ত্বা। এবো বুলিও এৰি দিব নোৱাৰা আপঙুৰ দৰে তাই এক তীব্ৰ নিচা। 'ডা ভিঞ্চি কৰ্ড'ত আলোকিত কৰা নাৰীৰ স্থান সম্পৰ্কে আপুনি সন্দিহান? আপোনাৰ মনৰ খু-দুৱনি মাৰিবলৈ তাই উজাগৰে গোটেই ৰাতি স্বয়ং ডন ব্ৰাউন হৈ ব্যাখ্যা আগবঢ়াব। এবাৰ বিচাৰি চাব নেকি তাইক?

ক'ত ক'ত বিচাৰিব এই ফিনিক্স পখীৰ গান গোৱা ছোৱালীজনীক...?? পানবজাৰ চঞ্চল হৈ উঠাকৈ হাঁহিৰ খলকনি তোলা ৰূপহীকেইজনীৰ মাজত নে দীঘলীপুখুৰীৰ মায়াবী সেউজীয়াত ডুব গৈ হঠাৎ প্ৰেমিকা হৈ উঠা গাভৰুজনীৰ মাজত নে গাঁৱৰপৰা (অবতৰত তিলপিঠা লৈ) নতুনকৈ চহৰত পঢ়িবলৈ অহা ছোৱালীজনীৰ চুচুক-চামাক গহীন খোজত...??

তাইক আপুনি 'মই তোমাক সঁচাকৈ ভালপাওঁ' বুলি আবেগত বুজাব নোৱাৰি ফেঁকুৰি উঠা হৃদয়ৰ অকৃত্ৰিম চকুপানীখিনিৰ মাজত পাব। বাৰিষাৰ প্ৰথমজাক বৰষুণৰ পানীৰে উপচি পৰা পথাৰখনত ভুঁই ৰুবলৈ অহা ৰোঁৱনীবোৰৰ হাঁহিৰ খিলখিলনিত পাব তাইক। গোমা হৈ অহা, ডাঠ ক'লা ডাঁৱৰে আৱৰা আবেলিটোত তাইক এজাক ভাল বৰষুণৰ ৰূপত পাব। তাই বহুদিনৰ প্ৰখৰ ৰ'দৰ পিছত অহা শীতল বৰষুণজাক; যিয়ে ৰাস্তাৰ ধূলিবোৰ ধুই নিকা কৰিব। তাইক কেতিয়াবা আপোনাৰ পদূলিমুখৰ নতুনকৈ কুঁহিপাত মেলা নাহৰজোপাক সাৱটি থকা দেখিব অথবা পথাৰৰ কেঁচা নৰাৰ গন্ধৰ মাজত।

ব্যস্ততাত কলেজলৈ নিবলৈ পাহৰি যোৱা কপিখনৰ পৰিবৰ্তে তাই আপোনাক কেতিয়াবা 'ৰাফকপি' হৈ সহায় কৰিব। আপোনাৰ ভাগৰুৱা অৱশ দেহটোত শান্তি দিবলৈ তাই মলয়া বতাহ এজাক হৈ আহিব। যোৱাৰাতি গাড়ীৰ চেপাত মৃত্যু হোৱা সেই মেকুৰীটো, যি এতিয়াও পৌৰনিগমৰ চৰম অৱহেলাত ৰাস্তাৰ মাজত পৰি আছে, তাক উঠাবলৈ তাইয়েই প্ৰথম আহিব। আপোনাৰ স্তব্ধ হোৱা কলমত গতি দিবলৈ দুৱাৰত প্ৰথম টোকৰটো তায়েই দিব। মানুহৰ মন খুচৰি মনৰ খবৰ লোৱা চৰাই তাই। নিজানত নিৰলে বহি অসুখীয়া হৈ যোৱাকৈ মন মাৰি বহি থকা সময়বোৰত তাই আপোনাৰ শুভাকাংক্ষী হৈ সংগ দিব অথবা সকলোৱে আহত কৰি অকলশৰীয়া কৰি এৰি থৈ যোৱাৰ পিছতো 'কেনে আছা তুমি' বুলি সোধা তাইয়েই প্ৰথমজন ব্যক্তি হ'ব। আপোনাৰ হৃদয় গধূৰ হোৱাকৈ থুপ খাই থকা দুখবোৰ সলাই লবলৈ তাই পাণবজাৰত সুখৰ দোকান পাতিব। পোৱা নোপোৱাৰ খতিয়ান বিচাৰি হাঁহো-কান্দো কৰি থকা দোমোজাৰ সময়খিনিত তাই আপোনাক দৃষ্টিৰ আলোক সন্ধান দিব। গুলীৰ ধোঁৱা উৰুৱাই কেঁচা তেজৰ গোন্ধ বিয়পোৱাৰ আখৰাৰ বিনিময়ত তাই আপোনাক নিঃসংগ, দুৰ্বল কৰি দিব পৰাকৈ গীত জুৰিব পাৰে। নিস্পন্দ আৰু নিষ্ঠুৰ হোৱা সময়খিনিত নৱবৰ্ষৰ প্ৰীতি শুভেচ্ছা যাচি আপোনাৰ নিস্তব্ধতাও ভংগ কৰি দিব পাৰে তাই। বন্ধকত থোৱা হৃদয়ৰ মূল্য দিব পৰাকৈ তাই যথেষ্ট ধনবান। প্ৰখৰ ৰ'দত আতুৰ হোৱা পথচাৰীৰ বাবে তাই ছায়াবৃত্ত এজোপা বৃক্ষ। অন্ধকাৰ শূন্যতাক সূৰ্যৰ দৰে জিলিকাব পৰা তাই এটা উজ্জ্বল নক্ষত্ৰ। প্ৰেমৰ উছৱত মাতাল কৰিব পৰা 'হাচনাহানা'।

তাই আন কোনো নহয়। তাই আপোনাৰ মাজতে জীৱন্ত হৈ থকা এটা সত্ত্বা। যাক কোনেও নেদেখে কিন্তু অনুভৱ কৰিব পাৰে। তাই আপোনাৰ 'বিশ্বাস, হৃদয়, অনুভূতি, ভালপোৱা অথবা বিবেকো হ'ব পাৰে' কিম্বা 'এগচি চাকি', যি মানৱীয়তাৰ পোহৰ বিলায় নিজে জ্বলি জ্বলি। এই পৃথিৱীত সুখ বিলোৱা তাই এক বিশাল ভাণ্ডাৰ, যিয়ে দুৱাৰ খুলি দিয়ে পৃথিৱীৰ পথিকলৈ নিজকে নিঃস্ব কৰি। নতুন চহৰত পথভ্ৰষ্ট হৈ থকা প্ৰতিজন অচিনাকিক সহায় কৰিবলৈ তাই এখন 'বেনাৰ' হ'ব পাৰে অথবা প্ৰয়োজনত দেহ বেচি পৰিয়াল চলাই থকা কোনোবা বেশ্যাৰ প্ৰথম দৰমহাখিনি। তাইক বিচাৰি আপুনি বেছি দূৰ যাব নালাগে। তাই আপোনাৰ পঢ়াশলীয়া দিনৰ পঢ়াটেবুলৰ সন্মুখৰ বেৰখনত আঁৰি থোৱা প্ৰিয় উদ্ধৃতিশাৰীও হ'ব পাৰে অথবা দেওবাৰৰ আবেলিৰ প্ৰিয় সেই গানটো। তাই আপুনি আলৰ হোৱাৰ সময়খিনিত প্ৰয়োজন হোৱা 'লাখুটিডাল' অথবা সময়ত নহ'লেই নোহোৱা চচ্‌মাজোৰো হ'ব পাৰে।

কিন্তু যিয়েই নহওক কিয়, তাই আপোনাৰ মাজতে আছে। অলপ দকৈ ভাবি চালেই 'তাই', 'আপুনি' লৈ পৰিৱৰ্তন হ'ব। দেৰি হোৱা নাই। 'তাই' হেৰাই যোৱা নাই অন্ধকাৰৰ 'ধূম্ৰকুণ্ডলী'ত। অলপ নিজকে ভাল পাই চাওক। আপোনাৰ কণ্ঠতে আছে ফিনিক্স পখীৰ গান। যিয়ে সংকটৰ কালত মানৱীয়তাৰ গান গাব। আমি হাৰি নাযাওঁ। শত সংঘাতত জৰ্জৰিত হৈয়ো আমি জুয়ে পোৱা সোণ হ'ব পাৰো। গাব পাৰো মানুহ হৈ মানুহক ভালপোৱাৰ গান অথবা কাটিব পাৰো নিজৰ বাট নিজে আগবাঢ়ি যোৱাৰ...। 'আত্ম দীপো ভব' অৰ্থাৎ নিজেই নিজৰ পথ প্ৰদৰ্শক হোৱা।

'ভগৱানেতো তোমাক দিন বুলি
অংগীকাৰ কৰা নাই
সদায় এখন নীলা আকাশ
সদায় ফুল ছটিয়াই থোৱা এটি মসৃণ পথ!
ভগৱানেতো এই বুলি কোৱা নাই যে
বৃষ্টি নাথাকে — থাকিব কেৱল সূৰ্য (ৰ'দ)
দুখ নাথাকে — থাকিব কেৱল সুখ-আনন্দ
যাতনা নাথাকে –– থাকিব কেৱল শান্তি।'

(ড° এ.পি.জে. আব্দুল কালাম/অগ্নিৰ ডেউকা) ❖

## বিষয় ঃ অমৃত মন্থন

**বাপধন ডেকা**

*স্নাতক দ্বিতীয় বর্ষ, অসমীয়া বিভাগ*

**শিৰোণামা ঃ** অলপ প্ৰয়াস অশান্তি আৰু লাঞ্চনাৰ সাগৰ পাৰ হৈ শান্তি আৰু মুকুতিৰ তীৰ চুবলৈ।
**পাতনি ঃ** যেতিয়াই কমাৰশালবোৰ কমাৰৰ তেজেৰে ৰঙা হৈ পৰে
জলমল প্ৰত্যুষৰ আশাত পুৱতিৰ সুৰুযে দেওধনী নৃত্য নাচে
আৰু বধ্যাত্মৰ আস্তাবলত বন্দী হৈ পৰে এজাক বুভুক্ষু মানুহৰ সেউজীয়া আশাৰ দুৰ্জোল ঘোঁৰা,
তেতিয়াই এন্ধাৰৰ আবুৰ দাঙি, পোহৰৰ নূপুৰ পিন্ধি,
নৃত্যৰতা হয় স্বাধীনতা নামৰ সেই মনোৰমা নৰ্তকী।
**বিৱৰণী ঃ** আজিকালি চৌপাশৰ আকাশখন তামস হৈ থাকে।
যদিও ...
মোৰ বিষাদৰ বানে গৰকা পৃথিৱীৰ ছায়াঘন আকাশে
নিজৰ মেঘ মন্দিৰ বুকুতো আশা কৰে সেউজীয়া সূৰ্যোদয়ৰ ৰং।
নৈশব্দৰ বুকুত ডুব যোৱা ৰাতিয়ে আশা কৰে
মুকুতিৰ গানৰ ছন্দোময় সুমধুৰ ধ্বনি।
বিক্ষুব্ধ কাৰ্বাইনৰ আস্ফালনত যেতিয়া তিমিৰাচ্ছন্ন হৈ পৰে জ্যোতিৰ্ময় জীৱন
বাৰুদৰ বিক্ষুব্ধতাত যেতিয়া ৰক্তাক্ত হৈ পৰে সেউজীয়া হৃদয় প্ৰদেশ,
তেতিয়াও শান্তিৰ পাৰজাকৰ শুভ্ৰবসনা দেহৰ শোভা চাবলৈ
হেঁপাহৰ সোণালী কাৰেং সাজে তন্দ্ৰালসা মোৰ বুকুৰ আকাশে।
বিষাদৰ ধুমুহাত যেতিয়া তৰংগায়িত হয়
দুখৰ ৰাতিৰ নিশ্চিদ্ৰ এন্ধাৰৰ সাগৰ
অশ্বৰ পদধ্বনি, ৰণভেৰী আৰু কেঁচাৰ কুৰুলিত
যেতিয়া মুখৰিত হয় শান্তি আৰু মুকুতিৰ শ্মশানৰ নিস্তব্ধতা।
পোৰা কলিজাৰ উচুপনিত যেতিয়া প্ৰতিধ্বনিত হয় ভঙ্গুৰ আশাৰ সুৰ
তেতিয়াও মোৰ বুকুৰ আকাশ উদগ্ৰীৱ হৈ থাকে
শুনিবলৈ মাদল আৰু পিয়ানোৰ শ্ৰুতিমধুৰ ঐক্যতান।
**অলপ আশা ঃ** নিপীড়নৰ ৰঘুমলাই কুটকুটাই নিগিলিলে হৃদয়ৰ দেহ
ক'ত আহি ফুলিবলৈ সংগ্ৰাম কৰিব মুকুতিৰ সুগন্ধি কেতেকী?
অশান্তিৰ ছাইৰঙী ডাৱৰে আন্ধাৰ নকৰিলে হৃদয়ৰ আকাশ
কাক উজলাবলৈ আহিব শান্তিৰ ৰূপালী কৌমুদী?
**মোখনি ঃ** লাঞ্চনাৰ এই পথাৰতেই এদিন গজালি মেলিব মুকুতিৰ শইচ
তেজপিয়াবোৰ থাকিলেও এদিন সিহঁতৰ চোকা দাঁতবোৰ
ৰংধৰহঁতৰ শান দিয়া কাঁচিৰে চোক বাঢ়িব।
মুকুতিৰ গীতেৰে এদিন মুখৰিত পৃথিৱীৰ সকলো শৃংখলিত নিপীড়ণৰ কাৰাগাৰ
স্বাধীনতা, তুমি হ'বা গণমুকুতিৰ সেউজীয়া গান
সেই গাণৰ লাহত পৃথিৱীৰ সকলো কংক্ৰিটৰ দেৱাল ভাঙি
ফুলি উঠিব নিপীড়িত আশাৰ পুষ্পোদ্যান।



## কুঁৱলী

**পল্লৱী বৰুৱা**

*স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক, শিক্ষা বিভাগ*

এখনি শুভ্ৰ আৱৰণ মেলি ধৰিছে তাই
আঘোণৰ গাত।
আঘোণৰ দুৱাৰ মুখত তাই (যেন)
শুকুলা তোৰণ।

শীতাৰ্ত সন্ধিয়াবোৰ
তাই সাবটি ধৰে আলফুলে
স্বাগতম জনায় প্ৰতিটো প্ৰত্যূষক
কুঁৱলীৰ অৱগুণ্ঠনেৰে।

তাই আহিলে আঘোণো আহে
তাই নাহিলে আঘোণে কান্দে
প্ৰতিজন কৃষকৰ আকাংক্ষিত সপোন তাই
তাইয়েইতো আঘোণ অহাৰ বাতৰি কঢ়িয়াই
শুভ্ৰতাৰ পোহাৰ মেলি
কবিৰ কাপেদি কবিতাৰ বন্যা নমায়।
তাইয়েইতো কুঁৱলী
ধৱল বৰণীয়া ষোড়শী ৰমণী।

# মই ভালপোৱা মানুহবোৰ ধুনীয়া

**প্ৰবালজ্যোতি ফুকন**
*স্নাতক তৃতীয় বৰ্ষ, পদাৰ্থ বিজ্ঞান বিভাগ*

মই ভালপোৱা মানুহবোৰ
বাৰিষাৰ প্ৰথমজাক বৰষুণৰ দৰে ধুনীয়া...
মই ভালপোৱা মানুহবোৰ ধুনীয়া
সপোনবুলীয়া কৰ্দ্দৈৰঙী জোনটোৰ দৰে
নাইবা শৰতৰ নিয়ৰসনা দুবৰিৰ দৰে
মই ভালপোৱা মানুহবোৰ ধুনীয়া
পৃথিৱীৰ প্ৰথমগৰাকী মাতৃৰ দৰে...
অথবা মানুহক মানুহেৰে জুখিব জনা
প্ৰতিজন মানুহৰ দৰে!
ভুল নুবুজিব; ধুনীয়া হোৱাৰ বাবেই
তেওঁলোকক মই ভাল নাপাওঁ!
ভালপাওঁ বাবেই তেওঁলোক ধুনীয়া...
তেওঁলোকৰ মাজত খেপিয়াই ফুৰো
'মানুহ'ক 'মানুহ' কৰি ৰখা ভালপোৱাৰ বুৰঞ্জী...
নতুবা 'জীৱন'ক 'জীৱনে'ৰে জীয়াই ৰাখিব খোজা
ভালপোৱাৰ ফিল'ছফী...।
মই ভালপোৱা মানুহবোৰৰ মনবোৰ
কোনো সন্তানসম্ভৱা নাৰীৰ
স্বপ্নবিভোৰ পলবোৰৰ দৰে নুৰা খাই থাকে,
তেওঁলোকৰ দেহৰ পৰা বিয়পি ফুৰে
তেজ আৰু ঘামৰ গোন্ধ, মাটি আৰু মনৰ স্পৰ্শ...
তেওঁলোক মাটিৰ মানুহ, মনৰ মানুহ...
তেওঁলোকৰ বাবেই সংশয়ৰ কেঁকুৰিত বিশ্বাসৰ জন্ম হয়,
নতুবা শীতৰ শেষত আগমন হয় ফাগুণৰ...
'ভালপোৱা'ৰ কবিতাবোৰ সৃষ্টি হয় এওঁলোকৰ বাবেই
'অমানুহ'ৰ পৃথিৱীত চলে 'মানুহ' হোৱাৰ আখৰা...
এচেৰেঙা সুখ, এচপৰা দুখৰ মাজতো
আকাশ, নদী, অৰণ্য আৰু মানুহৰ প্ৰেমিক হ'ব খোজা বাবেই
ভালপাওঁ তেওঁলোকক।
আৰু ... ভালপাওঁ বাবেই তেওঁলোক ধুনীয়া...



# স্মৃতি

**পল্লৱিকা শৰ্মা**
*স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ*

শইচৰ পথাৰত
কঠিয়া সিঁচিছো
সেউজীয়া কৰিব খুজিছো—
'জীৱন'ক।

আশাৰ ডোলেৰে বান্ধি
আৱেগেৰে উপচাই
জীৱনৰ ৰং চাব খুজিছো।

সময় বালিত
ৰাখিব খুজিছো বান্ধি
জীৱনৰ নাওখনি...

অনুভৱৰ তুলাচনীত
সদায়েই জুখি ৰাখিব বিচাৰিছো
মায়াময় জীৱনৰ
সজল প্ৰতিচ্ছবিবোৰক...।

তাৰে আঁহে আঁহে
কোঁহে কোঁহে
জিলিকি থকা
মৌমিঠা প্ৰাণবোৰক।





## ব্যথিত সময়

**পূৰবী শৰ্মা**

*স্নাতক তৃতীয় বৰ্ষ, নৃতত্ত্ব বিজ্ঞান বিভাগ*

সংগীতময় উন্মাল লহমাত
শোকাৰ্ত ভাৱনাৰ ছায়া,
উদাস আকুল প্ৰাণ!
কান্দোনৰ ৰোল
উচুপনিৰ শব্দ
হা-হুমুনিয়াহ!
সময় আজি ব্যথিত!

জাকৰুৱা হেঁপাহৰ আৱৰ্তত নিজৰেই অস্তিত্ব
তথাপি...
খেপিয়াই কিয় আনক?
কিয় অস্তিত্বহীনতাৰ গুণগান?

কলীয়া চন্দ্ৰমাৰ হৃদয়ত
জোনাকেৰে প্লাৱিত
সপোন বিধুৰ শুভ্ৰ নিশাৰ স্বপ্ন
নীলা দুচকুত বাখৰুৱা এজাক সপোন
গতিশীল...
গতিশীল...
মনৰ আশাবোৰ!
দুবৰিৰ কলিজাৰ মুকুতা বোটলাৰ হেঁপাহ
চিৰদিনীয়া!

## কটন ডায়েৰী

*(উছৰ্গা- কটনিয়ান বন্ধু নাচিম মালিক চৰকাৰৰ নামত)*

**কমল বৰুৱা**

*স্নাতক তৃতীয় বৰ্ষ, ইংৰাজী বিভাগ*

(১)
বুকুৰ গভীৰত শুনো স্বপ্নাতুৰ প্ৰাৰ্থনা—
তই দান কৰ মোক
তোৰ প্ৰেৰণাময়ী ইন্ধন অ' কটন কলেজ
বতাহ কালি চলাই যাওঁ মই
মোৰ জীৱন জাহাজ
আদিম সপোনৰ বাটেৰে সুখৰ প্ৰশান্ত বুকুলৈ...

(২)
'ফ'ৰচিজনহ'ত আমালৈ ঋতু নাহে
বসন্তৰ...
এআকাশ মৰম লৈ আমি ঘৰ সাজো
সপোনৰ—
হাত মেলিলেই কেতিয়া পামহি শিতানত 'আকাশ কুসুম'
ৰ'দে ৰবযুণে স্মৃতি-উন্মুখ এনেদৰে আমাৰ দিনলিপিৰ পৰিধি।

(৩)
অনুভৱৰ আলেখলেখ, প্ৰৌঢ় চকুৰে
যি দেখিছো; সঁচা সেয়াই
'প্ৰদৰ্শক'ৰ খবাং নাহে ইয়াত কাহানিও!
আচৰিতভাৱে আত্মিক সুখ প্ৰত্যাশী
সসীম তেওঁলোকেই
বজাই আছে ইয়াত ঢাকঢোল—
ঐতিহ্যৰ, পৰম্পৰাৰ কিম্বা অস্তিত্ববোধৰ।

(৪)
লহিওৱা বেলি দেখি এতিয়া ভাবিছো—
যদি উন্মাদনা থাকে
পাৰ হ'ব পাৰি বৈতৰণী শিল্পযাত্ৰাৰ
সৰ্বত্ৰতে—
মাথোঁ বিশ্বাসৰ ভেঁটিত তোৰ সানি দে
'অজিমেণ্ডিয়াছ'ৰ আৱেগৰ স্থায়িত্ব

(ফ'ৰচিজনহ— উজানবজাৰস্থ এখন ৰেষ্টুৰেণ্ট
অজিমেণ্ডিয়াছ— ইজিপ্তৰ এজন পৰাক্ৰমী ৰজা)

# এটা কবিতাৰ জন্ম

**চুমি কলিতা**

*স্নাতক দ্বিতীয় বৰ্ষ, উদ্ভিদ বিজ্ঞান বিভাগ*

যন্ত্ৰণাবোৰ কিমান কাষ চাপি আহিলে
এটা কবিতাৰ প্ৰসৱ বেদনাই
উক্-মুকনি লগায় হৃদয়ত!
পাহ মেলিব নোৱাৰি ফুলৰ দৰে শব্দবোৰেও
কঁইট হৈ খোচে।

ৰেলৰ উকি এটাৰ দৰে বাঢ়ি অহা
হুমুনিয়াহবোৰৰ ভিতৰত
শব্দই হেৰুৱাই তাৰ অহা-যোৱা বাট
তথাপি
তথাপি...
এই শব্দবোৰেই ৰচে ফুলৰ মালিতা
লিখা হৈ যায় জীৱনৰ কবিতা
জ্বলাব পাৰি ইয়াতেই পোহৰৰ শলিতা।

এনেকৈয়ে
জন্ম হয় এটা কবিতাৰ
ঠিক এনেকৈয়ে...।





# ইতিহাস

**নিশা ভূঞা**

*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)*

নীল নিলীম নক্ষত্ৰৰ এই আঁখিযুৰিত
যি ইতিহাস লুকাই আছিল
তাকতো মই জনা নাছিলো!
নইতো জনা নাছিলো
বেদনাৰ চকুলোৰে স্নানৰতা
এই আঁখিযুৰি
কাৰোবাৰ আসংগ কামনাৰে পুষ্ট...!

স্নিগ্ধতা প্ৰিয় এই কলিজাটিৰ
গভীৰ বেদনাতো মই বুজা নাছিলো!
নইতো বুজা নাছিলো
এই কলিজাৰ ভগা বীণত বাজি উঠা
প্ৰেমিক যুগলৰ করুণ আৰ্তনাদ...!

জীৱন ৰঙেৰে ৰাঙলী
অতীতৰ সেই দূৰত্ব কমাই
জিলিকি উঠে আজি
সেন্দূৰীয়া আলিৰ প্ৰশস্ত পথ...
যি পথেদিয়েই এদিন পাইছিল
জীৱন-সপোন সুন্দৰ।

সুন্দৰৰ কলৰোলত প্ৰাণপাই উঠা
প্ৰেমময় জীৱনৰ নিৰ্লোভ ভাস্কৰ্য।



# খাইশলীয়া ডালত উঠিল, কাঁথিচেলেকাৰ মৰণ মিলিল


**সঞ্জীৱ পল ডেকা**

*স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ*


কেইবামাহো আগতেই খবৰটোৱে গাঁওখনত তোলপাৰ লগাইছিল। মনোৰামৰ কাণটো তেতিয়াই পৰিছিল খবৰটো।

হেটৌ ওলাইছে। হেটৌ চাপৰি। বুঢ়া লুইতে খহাই নিয়া হেটৌক লুইতেই ফিৰাই দিছে। আগৰদৰেই হেটৌখন এতিয়াও লুইতৰ উত্তৰ পাৰেই আছে। মাত্র এতিয়াৰ হেটৌ পাবলৈ লুইতৰ এটা জীয়া সুঁতি পাৰ হ'ব লাগে। এইবোৰ পিছে শুনা কথা হে। মনোৰামক কোনেও এইবোৰ কথা কোৱাহি নাই। বুঢ়াই নিজৰ ঘৰৰ বাৰাণ্ডাত বহি থাকোতে ওচৰৰ ঘৰৰ কাঁথিত বহি গাঁৱৰ কোনোবা কোনোবাই আলচ কৰা শুনিছে। কোনোবাই হেটৌৰ কথা উলিয়ালে মনটো সেইফালেই যায় মনোবুঢ়াৰ। একোষাৰ পুৰণা কথা ক'বলৈ মন যায়।

পিছে মনোৰামৰ মন গ'লে হ'ব কি, গাঁৱৰ কোনেও বুঢ়াৰ আগত কথাটো উলিওৱাহি নাই। গাঁৱৰ কাৰোবাৰ ঘৰলৈ ফুৰিবলৈ যোৱাটোও কেতিয়াবাই বাদ দিছে মনোৰামে।

গতিকে, অকলে অকলে কাঁথিত বহি থকা পৰখিনিত, খাটখনত এনেয়ে চকু দুটা মুদি থকা সময়খিনিত লুইতৰ বুকুৰপৰা হেটৌ ওলোৱাৰ দৰে বুঢ়াৰ শুকাই তৰাং হৈ যোৱা বুকুখনৰ পৰাও ভুটুং ভুটুংকৈ অন্য এখন হেটৌয়ে ওলাই দেখা দিলে। এইখন লুইতৰ বুকুৰপৰা ওলোৱা শস্য-মৎস্য নোহোৱা বালিৰ হেটৌ নহয়। এইখন কথাৰ হেটৌ। কুঁহিয়াৰৰ ৰস, নেপালনীহঁতৰ মৌ ৰসৰ নিচিনা তৰহে তৰহে ৰস থকা হেটৌ।

মনোবুঢ়াই ভগা চকীখনত বহি হেটৌৰ ৰস অকলে অকলে লৈ থাকোতেই সিফালে আকৌ গাঁৱৰ ডেকাহঁতে নতুন এখন হেটৌৰ ৰস লবলৈ গুৰা দুৰা লগাইছে। এতিয়াৰ হেটৌখন সিহঁতৰ বাপেকহঁতৰ হেটৌখনৰ সমান নহয়। হ'লেও একেবাৰে কমো নহয় মাটি। লুইতে খহাই নিয়াৰ আগতে অকল এইখন গাঁৱৰে আছিল

চাপৰিটো। প্ৰত্যেকৰে মাটিৰ পট্টা আছিল। চৰকাৰে যদি দখল কৰিবলৈ অনুমতি দিয়ে, ভগালে অলপ অলপকৈ হ'লেও মাটিৰ ভাগ পাব সবে। পিছে চাপৰিবোৰত যি হিচাপতহে 'মিএগ'বোৰ বাঢ়ি আহিছে, সিহঁতৰ এজনে হেটৌত চালি এখন উঠালেই হ'ল আৰু। বৰগছে মাটি খামোচাদি খামোচি ধৰিব সিহঁতে।

হেনজানি দোচোৰা গাঁৱৰ কোনোবাই মাটিখিনি হেস্ত-নেস্ত কৰাৰ আগতে দৰ্খাস্ত লিখাৰহে কথা। দৰ্খাস্ত লিখি গাঁওবুঢ়াৰ দিহামতে টাউনৰ কোনটো অফিচত দৰ্খাস্ত দিব লাগে দিলেগৈ আৰু কেইমাহমানৰ মূৰত চৰকাৰে হেটৌ দখল কৰিবলৈ অনুমতি দিলে।

হেটৌৰ মাটি ফিৰাই পোৱাৰ হৈ হাল্লাখিনিহে মনোবুঢ়াৰ কাণত পৰিলহি। পঢ়া-শুনা কৰিও একো নোপোৱা ডেকাহঁতে মাটিখিনিত পহিলা সমবায় ভিত্তিত খেতি কৰিব খুজিছে। পাছে-পৰে মাটিখিনিৰ থান-থিত লগাই ভগাব।

প্ৰথম দিন বুলি কাইলৈ গাঁৱৰ যাব পৰা মতা মানুহবোৰ যাব তালৈ। তাৰ পাছত পাল পাতি পাতি খেতি কৰিবলৈ যাব।

অইনদিনাৰ দৰে আজিও বুঢ়া বুঢ়ী দুয়োয়ে সোনকালেই ভাত-পানী খাই বাগৰ দিলে। চাকি নুমাই দিলেই ঘৰটোৰ আন্ধাৰবোৰে দুয়োজনকে হেঁচা মাৰি ধৰেহি। কেইবাকুৰিও বুট জোতাৰ গিৰিপ-গাৰাপ শব্দ চোতালখনত ঘূৰি ফুৰে। গাঁওখনৰ ওচৰেৰে যোৱা ৰাস্তাটোত থকা পুলুংটোত গুৰুম কৰি বিকট শব্দ একোটা হয়।

কেতিয়াবা টোপনি আহে দুয়োজনৰে। কেতিয়াবা এই শব্দবোৰলৈ কাণ উঠাই থাকোতেই বাৰীৰ চৰাইবোৰে পুৱাৰ খবৰ দিয়েহি।

আজি মনোৰামক বুটজোতাৰ শব্দই বেছি সময় আমনি নকৰিলে। বুঢ়াৰ হেটৌখনলৈ মনত পৰিছে আজি। বসাল হেটৌ চাপৰিলৈ।

(দুই)

শীতৰ দিন। কুঁৱলীত ওপঙি আছে চাপৰিটো। কোনটো মাহতলি, কোনটো কুঁহিয়াৰতলি, কোনটো সুঁতি একোকে নমনি। ৰাতি এতিয়াও পুওৱা নাই। ফেহুবৰণৰ জোনটোও কুঁৱলীৰ মাজতে লুকাই পৰিছে। মাত্ৰ গোট মৰা কুঁৱলী ভেদিও দূৰৈৰপৰা অহা ম'হৰ গাড়ীৰ টিলিঙাৰ মাত আহমেদৰ কাণত পৰিল।

ইমানপৰে সি মনে মনেই খেল নাওঁখনেৰে আহি আছিল। বঠা মাৰি আহি থকাৰ কাৰণে তাৰ বেছি ঠাণ্ডা লগা নাই। মুখত জ্বলি থকা বিড়িটো শেষ হোৱাত নাওঁখেলৰ গীত এটা গাবলৈ মন গ'ল। নাওঁ খেলৰ ভংগীত বঠা মাৰি সি গাবলৈ ধৰিলে—

আল্লাৰ নামে ছাৰলাম নৌকা
দোৱাকৰ ফাতেমা
কাৰো লাইগা ভয় ৰাইখো না
অ' হায়ৰে হায়...
আগে নিকা আল্লাৰ নাম পৰে ৰচুল বৈল
আৰে অ'
খালি আল্লাৰ নামটি নিলে ৰচুল বেজাৰ হয়
আৰে অ'

আহমেদে মাজে মাজে মাছ মাৰে ব্ৰহ্মপুত্ৰ আৰু চাপৰিৰ সুঁতিবোৰত। তাৰ খেতি খোলাও আছে। আজি পিছে এই পুৱাতে সি মাছ মাৰিবলৈ অহা নাই। সি হেটৌ চাপৰিলৈ আহিছে। মনোদাদাৰ চাপৰিবলৈ।

কালি ৰাতিয়েই মনোৰামৰ কুঁহিয়াৰ শালত পৰাৰ কথা। মনোৰামে আহমেদক আগেয়ে কৈ থৈছিল কুঁহিয়াৰ কাটিবৰ সময়ত সহায় কৰিবৰ বাবে। আজি কেইবাবছৰো সি লাগি ভাগি দি আহিছে। তাৰ ম'হহালো কুঁহিয়াৰ শালত খটুৱায়। মনোদাদাৰ ম'হ নাই। বলদ গৰু যিমান জোৰীয়েই নহওঁক ম'হ ম'হেই! ম'হে সুঁতিৰ পিছত সুঁতি, বাটৰ পিছত বাট যিদৰে বোজাই গাড়ী টানিব পাৰে, গোটেই ৰাতিটোও কুঁহিয়াৰ শালত ঘূৰিব পাৰে। পিছত ঘূৰা মানুহৰহে হাহাকাৰ।

আহমেদ ৰাতি থাকিব নোৱাৰে দেখি ওচৰৰে 'চেৰা' এটাক লৈ গৈছিল মনোদাদাৰ তালৈ। তাকে ম'হ খেদা কৰি থৈ আহিল। সি ৰাতি থাকিবলৈ, অলপ হেহোঁ-নেহোঁ কৰিছিল। কৰিবৰ কথাই, আগেয়ে সি 'অসমীয়া'. মানুহৰ ঘৰত ৰাতি থাকি পোৱা নাই। মনোৰামে তাৰ মনটো বুজি সুধিলে... ভয় কচ্ছা নিকি ৰাতি থাক্‌বা?

না। সি এনেয়ে ক'লে।

আহমেদেই সেইখিনিতেই মাত দিলে— ভয় কৰিব নালাগে, মনো দাদা আমাৰ ঘৰৰ মানুচ।

এৰা, মনোৰাম ঘৰৰ মানুহৰ দৰে।

সেয়া আছিল মাঘ বিহুৰ সময়। কুঁৱলীত গোটেই চাপৰি আৰু ব্ৰহ্মপুত্ৰখন বগা হৈ আছিল। মনোৰামে বৰালি মাছ বিচাৰি সেই ব্ৰহ্মপুত্ৰতে ওলাইছিলগৈ। আহমেদৰ বিবিয়ে বৰ আথে-বেথে পীৰা এখন আগবঢ়াই দিলে। মনোৰামে চোতালতে উলিয়াই থোৱা মাছ কেইটাৰ মাজৰ পৰা নিজৰ মতে দুটা বৰালি মাছ উলিয়ালে। আহিবৰ পৰত তাৰফালে চাই সুধিলে কি নামেই ভাই তোৰ?

আমাৰ নাম গিয়াছউদ্দিন আহমেদ।

সেই তেতিয়াৰ পৰাই কাজ-কাৰখানা, বিহু-তিথিত ভাল মাছ লাগিলে মনোৰাম আহমেদৰ ওচৰলৈ আহে। এবাৰ মাছ বিচাৰি যাওঁতে মনোৰামৰ চকুত পৰিল আহমেদৰ গোনা ম'হ দুটালৈ।

মৈয়ে শাল টান্‌ছিনে নাই?

নাই।

মোৰ কুঁহিয়াৰ শাল টানা থৈ নাই। একৰাতি বা দুই ৰাতিৰ কাৰণে নিবা পাৰবি?

সেইবাবেই ম'হদুটা লৈ প্ৰথম মনোৰামৰ হেটৌ চাপৰিৰ 'বাহা' লৈ আহিছিল আহমেদ। কুঁহিয়াৰ শালত লাগি-ভাগি দিছিল। টোপনি খতি কৰি আৰু নিজৰ কাম-বন এৰি শালত লাগি দিয়াৰ কাৰণে যাবৰ পৰত মনোৰামে কেইটামান টকা যাচিছিল তাক। নাই, আহমেদে কোনোমতে নলয়। 'আপ্‌নাৰ পৰা আমি টকা নলওঁ দাদা।' আহমেদৰ কথা।

সেইবাবেই আহমেদ আৰু তাৰ বিবিক মনোদাদাই গাঁৱলৈ বিহু খাবলৈ মাতিলে। অসমীয়া মানুহৰ ঘৰত সেইবাৰেই তাৰ প্ৰথম বিহু খোৱা। আগতে কাৰো ঘৰলৈ বিহু খাবলৈ যোৱা নাছিল। যাবই বা কাৰ ঘৰলৈ? পিছে তাহাঁতৰ ঈদৰ সময়ত দূৰলৈ যাবলৈয়ো কোনেই বা আত্মীয় আছে!

শীতৰ ডাঠ কুঁৱলী ভেদি গিয়াছউদ্দিনৰ এটা হুমুনিয়াহ ওলাই আহিল। মনোদাদাহঁতৰ নিচিনাকে তাৰো যদি এখন চাপৰিৰ ঘৰ, এখন গাঁৱৰ ঘৰ থাকিল হয়!

এই গোটেই গাঁওখনৰ মানুহবিলাক আমাৰ বংশৰ মানুহ। মনোদাদাই

কৈছিল।

বংচৰ মানুচ? বংশৰ মানুহ কি সি বুজা নাছিল।

বংশৰ মানুহ মানে আমাৰ তেজৰ মিল আছেই। আমাৰ পূৰ্বপুৰুষ এটাই।

'পূৰ্বপুৰুষ', 'তেজৰ মিল' বুজি পাওঁতে সময় লাগিল আহমেদৰ। আৰু মনোদাদাৰ মুখৰপৰা যেতিয়া সি বুজি পালে, তেতিয়া তাৰ বুকুখনে জালত পৰা বৰালি মাছ এটাৰ দৰে ধৰফৰাই উঠিল। মনোদাদাহঁতৰ গাঁওখনৰ মানুহবোৰৰ তেজৰ মিল থকাৰ দৰে তাৰো যদি এখন তেজৰ মিল থকা গাঁও থাকিল হয়।

আহমেদৰ বাবাকে কোৱামতে বাবাকৰো বাবাক বোলে ব্ৰহ্মপুত্ৰৰ পাৰৰ বেলেগ এঠাইত আছিল। আগৰপৰাই সিহঁত পানীত থকা মানুহেই। দিন-ৰাতিৰ বেছিভাগ সময় নাৱতেই থাকে। পাৰৰ বালি চাপৰিত সজা জুপুৰীত ল'ৰা-ছোৱালী আৰু তিৰোতা থাকে। তেনেকৈ থাকি থাকি কি কাৰণত জানো এদিন সিহঁতে কাঁহী-বাটি, বস্তু-বাহানি নাৱত উঠাই লৈ ভটিয়াই এইখিনি জেগা পালেহি।

অকল মাছ মাৰি চলাটো সহজ নহয় কাৰণে সিহঁতে গৰু-ম'হ গোটাই ল'লে। ব্ৰহ্মপুত্ৰৰ পাৰৰে চাপৰিত খেতি-খোলাও আৰম্ভ কৰিলে।

আগতে যাবলৈ জেগা নাছিল যদিও মনোদাদাৰ লগত মিলা মিছা হোৱাৰ পাছৰপৰা আহমেদৰ অহা-যোৱা কৰিবলৈ ঠাই এখন হ'ল। কাম নাথাকিলে বা পানীত থাকি থাকি আমনি লাগিলে মনোদাদাৰ হেটৌ চাপৰিৰ জুপুৰীলৈ আহে সি। জুপুৰীটোৰ ওচৰতে থকা নিম গছজোপাৰ গুৰিতে একেলগে বিড়ি হুপি হুপি কথা-বতৰা পাতে। আগতে বিহুৰ সময়ত মনোদাদা আহমেদৰ ওচৰলৈ মাছ বিচাৰি আহিছিল। আজিকালি বিহু আহিলে আহমেদে নাওখনেৰে এপাক মাৰি নিজেই বৰালি মাছ একোটা মনোদাদাক দি যায়। পইচা নোলোৱাকৈ।

পইচানো ল'ব কেনেকৈ, মাজে মাজে মনোদাদাই জানো কম সহায় কৰি থাকে তাক? আজি দুবছৰ আগৰ বানপানীটোতেই কোনখন ব্ৰহ্মপুত্ৰ, কোনটো চাপৰি চিনিব নোৱাৰা অৱস্থা। আহমেদহঁত পানীত থকা মানুহেই, পানীলৈ ভয় নালাগে। পিছে পানী বাঢ়ি আহি থকাত গৰু-ম'হকেইটা সিহঁতৰ গাঁৱলৈ লৈ যোৱাৰ কথা ক'লে। তাত পোন্ধৰদিনমান গৰুকেইটা নথকা নহ'লে সিহঁত পানীৰ ওপৰত নাখাই নাখাই মৰিলেই হয় কিজানি।

মনোদাদাৰ বৌ আৰু ছোৱালী ডাঙৰ মায়েও জানো তাক কম ভালপায়। সৰু বাপুৱেতো তাক বাদ যোৱা মিঞা বুলি জোকায়েই থাকে। ডাঙৰ বাপু অলপ গহীন গম্ভীৰ। হ'লেও সিয়ো নমতাকৈ নাথাকে তাক।

আহমেদৰ খেল নাওখনে কুঁৱলী ফালি ফালি ইতিমধ্যে হেটৌৰ ঘাট পালেহি। এই সুঁতিটোৰ ঘাটৰপৰা মনোদাদাৰ জুপুৰীটোলৈ বেছি দূৰ নহয়।

নাওখন ঘাটত বান্ধি বিড়ি এটা জ্বলালে আহমেদে। নাৱৰপৰা নমাৰ পিছতহে অলপ ঠাণ্ডা ঠাণ্ডা লাগিছে তাৰ। গাৰ কম্বলখন ঠিক ঠাক কৰি ল'লে সি।

কুঁৱলীয়ে ঢাকি ৰখাৰ কাৰণে কুঁহিয়াৰ শালত গপগপীয়া জুইকুৰা তাৰ চকুত পৰা নাই। হ'লেও তাৰপৰা কুঁহিয়াৰ পগুৱা মানুহৰ গণগণনি আৰু শালৰ ম'হখেদাৰ মাত তাৰ কাণত পৰিল। কুঁৱলীয়ে ডিজাই থোৱা বনকেইডালৰ ওপৰেৰে আহমেদ আহি থাকিল কুঁহিয়াৰ শালৰ পিনে।

(তিনি)

ঘৃমতি অহা নাই? বুঢ়ীৰ মাত শুনি মনোৰামে বুজিলে তাৰমানে ঘৈণীয়েকৰো টোপনি অহা নাই।

মনোৰামে একো নামাতিলে।

ডাঙৰমাই তোকে লেগি বৰকৈ মনত পৰিছে আছি। কিমান দিন হৈ গ'ল তাইক দেখা নাই!

এৰা, বহুদিনেই হ'ল ডাঙৰ মাইক নেদেখা। মনোৰামৰ হুমুনিয়াহ এটা ওলাই আহিল।

হেটৌখনত তাই কমখন হৈ-হাল্লা লগাই আছিলনে? ৰাতি পুৱাই ইমানদূৰ খোজকাঢ়ি গাঁৱৰপৰা হেটৌলৈ যায়, দিনটো কাম কৰি সন্ধিয়া আকৌ ঘূৰি আহে। মাহতোলাৰ সময়ত, কুঁহিয়াৰ পেৰাৰ সময়ত চাপৰিৰ জুপুৰীতে আছিল তাই।

গুৰু গোঁসাই নমনা, ভয়-ভীত নথকা ছোৱালী আছিল ডাঙৰমাইজনী। যাওঁ বুলিয়েই আহমেদৰ লগত তাৰ মিঞাতাৰিলৈ গুচি যায়। আহমেদৰ ঘৰৰপৰা অহাৰ পাছত সৰুবাপুৱে জোকায় তাইক 'জাত গ'ল যা তোৰ। মিঞা বঙলৰ গৰু বান্ধা চৰুত খাই আহিলি।'

তাৰ পাছত তিনিও ভাই-ভনীৰে কাজিয়া এখন। সৰু বাপু আৰু ডাঙৰ বাপু এককালে; ডাঙৰ মাই এককালে।

ভৰা ব্ৰহ্মপুত্ৰৰ দৰে মনোৰামৰ ভৰা সংসাৰ। জোৰা টাপলিৰে চলি যায় দুয়োখন ঘৰ। সেইবাৰ ডাঙৰবাপু নতুনকৈ কলেজলৈ গৈছে। সৰুবাপুৱে হাইস্কুলৰ দেওনা বগাইছে। সেইবাৰেই ডাঙৰমাইক চাবলৈ মাষ্টৰ ল'ৰা এজন আহিল। দিয়া-লোৱাও ঠিক হ'ল।

মিঞা-গৰীয়া বিয়া খাবা আহিলি আমি উঠি আহিম। প্ৰথমবাৰ উজুটি খালে গাঁৱৰ মানুহৰ পৰা।

আহমেদেই বিয়ালৈ অহাৰ কথা আছিল। বিয়াৰ গোটেইখিনি খাৰু সিয়েই উপযাচি দিছিল। শেষত তাক আহিবলৈ দিয়া নহ'ল। মনোৰামৰ কথাত বেচেৰাই বৰ ধুনীয়াকৈ সৈমান হ'ল। 'হ'ব মনোদাদা'।

ডাঙৰ মাইৰ ডাঙৰ ল'ৰাটোৱে এতিয়া কলেজ পালেগৈ। এই কেইবছৰত কিমান যে অদল-বদল নহ'ল? বানপানীৰদৰেই তাৰ কেইবছৰমান পিছত আন্দোলনটো আহিল, 'আহ ঔ আহ, ওলাই আহ' বুলি জোঁৱাবোৰে মাতিলে; দলং পোৰা গ'ল আৰু মনোৰামৰ গাটো জিকাৰ খাই উঠিল। নাই, নাই ভাবিব নোৱাৰে ইয়াৰ পিছৰ কথাবোৰ।

ধুমুহাৰ দৰে আন্দোলনটো যোৱাৰ পাছত আগৰপৰা খহি আহি থকা হেটৌ চাপৰিৰ মাটি বুঢ়া ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যাবলৈ ধৰিলে। যিদিনা কানি-মুনি পৰত ভাৰ এখনত বস্তু-বাহানিবোৰ বান্ধি-কুন্ধি মনোৰামে হেটৌ চাপৰিৰ আশা এৰি ঘৰৰ চোতালত ভৰি দিছিল, সিদিনাহে গম পালে আজি অতদিনে দেৱলীয়া হৈ ঘূৰি ফুৰা ডাঙৰ বাপুৰ কথা। ডাঙৰ বাপু ঘৰৰপৰা বাহিৰ হৈ গৈছে। পাহাৰলৈ।

তেতিয়াৰপৰাই মনোৰাম আৰু ঘৈণীয়েকেই ঘৰত। মাজে মাজে ডাঙৰমাই আহে চলিকেইটাক লৈ। নিজে ৰান্ধি-বাঢ়ি বাপেক মাকক খুৱাই থৈ যায়। ডাঙৰ বাপুও আহে লগৰ দুই এটাক লৈ। পিঠিৰফালে বন্দুক একোটা থাকে। কানি-মুনিপৰত আহে, আকৌ ৰাতিপুৱাতে

ক'ৰবালৈ গুচি যায়। যাবৰ পৰত মাকে ডাঙৰ বাপুলৈ চাই চকুপানী টোকে — ভালকে থাকবিদেই বাবা। মনোৰামৰ মুখৰ মাত নোলায়।

ঘৰখনত অকল দুজন মানুহ থাকিলেও আলহী-দুলহী আহি থাকে, ডাঙৰ মায়ো আহে মাজে মাজে। সন্ধিয়া ওচৰ-চুবুৰীয়া দুই এক আহি কথাৰ মহলা মাৰে। আমনি লগা নাছিল মনোৰামৰ।

এদিন হঠাতে এগাড়ী পুলিচ ফৰফৰকৈ মনোৰামৰ নঙলাতে নামিলহি। মনোৰামক এটা এৰি এটা প্ৰশ্ন পুলিচৰ। ডাঙৰ বাপুৰ কথা। ওলোটাই ক'লেও গাঁঠি, পালটাই ক'লেও গাঁঠি। চাপৰিৰ সুঁতিৰ নিচিনা অকোৰা-পকোৰা প্ৰশ্ন।

অ' আইছিল একদিন। মাজে মাজে আহেই। ক'ৰপেৰে আহেই ক'ত থাই কবা নৰো।

মনোৰামে ফাকি দি পোৱা নাই আজিলৈকে। ওলাই গ'ল সঁচা কথা। ক'ব নোৱাৰা? জানা তই। ক-এটাই গৰগৰাই উঠিল।

নাজানো মই আৰু। মনোৰামে নাজানে আৰু একো কথা।

তাৰ পাছত ৰাতি চেপাত লগা ঢোৰাসাপৰ পিছদিনা গৃহস্থৰ চোতালত যি অৱস্থা হয় মনোৰামৰো সেই অৱস্থা। মুখখনৰ পৰা সৌ সৌৱাই তেজ ওলাই আহিল। সিফালে বুঢ়ীৰ আটাহ-চিঞৰত গোটেই গাঁওখনেই তাপ মাৰিলে। কেৰাচিনৰ চাকিবোৰ, কাৰোবাৰ হাতলেম্প সন্ধিয়াতে নুমাল সিদিনা।

ডাঙৰ মায়ে খবৰটো পায়েই লৰৰি আহিল। গাঁৱৰ মানুহ কিন্তু ভয়তে খবৰ ল'বলৈ নাহিল।

পিছে সিদিনা আৰম্ভণিহে আছিল। মাজে মাজে ক'ৰবাৰ পৰা দোচোৰা ভাযা কোৱা মানুহ আহে ডাঙৰ বাপুক বিচাৰি। হঠাতে গোটেই গাঁৱৰ ঘৰে ঘৰে তালাচী কৰে। আকৌ মনোৰামে কিছুমান অকোৰা-পকোৰা প্ৰশ্নৰ উত্তৰ দিব লগা হয়।

তেনে এদিনতে ৰাতি থকাকৈ আহিল ডাঙৰ মাইৰ ল'ৰাটো। তাৰ মেট্ৰিক পৰীক্ষা শেষ হৈছে। পঢ়া-শুনাৰ ভেজাল নাই কাৰণে মাকেই পঠিয়াই দিলে মোমায়েকহঁতৰ ঘৰলৈ। ককাক-আইতাকে ভালপাব।

ভাল লাগিছিল ককাক আইতাকৰ। ৰাতি আইতাকৰ লগতে শুলে সি।

তেনেতে মাজৰাতি বুটজোতাৰ গিৰিপ-গাৰাপ শব্দত মনোৰামৰ ঘুমতি ভাগি গ'ল। হিন্দীতে দৰ্জা খোলাৰ নিৰ্দেশ। মনোৰামে দৰ্জা খুলি দিলেগৈ। আগতেও কেইবাৰাতিও দিছে দুৱাৰ খুলি। পাবনো কি সিহঁতে? যি চাব খুজিছে চাই যাওঁক নিজ চকুৰে।

ঘৰৰ চুক-কোণ, চাঙৰ তল-ওপৰতেই দেখিলে আইতাকৰ লগত শুই থকা নাতিটোক।

কৌন হে ইয়ে? প্ৰশ্ন সোধাটোৰ গাৰ বৰণ ৰাতিৰ আন্ধাৰৰ লগত একে। তাৰ চকুকেইটা চাকিৰ ক্ষীণ পোহৰতো শিয়ালৰ চকু জিলিকা দি জিলিকিছে।

নাতি বাপাহঁত নাতি। আইতাকৰ কঁপা মাত।

অ' নাতি এইটো। মনোৰামেও মাত দিলে।

নাতিটো গায়ে গাৰিয়ে ডাঙৰ ডেকাটো যেনেই হৈছে। সেই পেন্দুকণা চলিটোকে ককাক-আইতাকৰ আগতে পিশাচহঁতে কেইবাচৰো সোধালে। তাৰ পাছত চোঁচৰাই টানি লৈ গ'ল। ককাক আইতাকৰ কান্দোন ৰাতিৰ আন্ধাৰফালি বহুগাঁও পালেগৈ।

পিছদিনা গাঁওবুঢ়াক লগত লৈ যেতিয়া জী-জোৱায়ে ল'ৰাটোক কেম্পৰপৰা আনিছে, তাৰ উঠিব নোৱাৰা অৱস্থা। মুখত তাৰ মাত নাই। গোটেই ৰাতিটো সৌকাৰ বেতেৰে কোবাইছে বোলে তাক।

খবৰ ল'বলৈ ককাক-আইতাক ডাঙৰ মাইৰ ঘৰলৈ গ'ল। তাই তেতিয়াও আউলি-বাউলি হৈ কান্দিয়েই আছিল। জোৱাইটোৰো চকুদুটা ৰঙা পৰি আছে।

সিদিনাৰপৰাই ডাঙৰমাইহঁতৰ কোনো অহা নাই ইয়ালৈ। মনোৰামহঁতো যোৱা নাই। ডাঙৰ মাইৰ উঠি অহা সংসাৰ। বাপেকহঁতৰ কাৰণে কিয় তাইৰ লটি-ঘটি হ'ব লাগে। ডাঙৰ মায়ে ফুটাই নক'লেও তাইৰ মনৰ কথা নুবুজিবনে মনোৰামে।

পেটৰ চলিহে তাই।

গাঁওখনত আজি বহু বছৰ আগতে ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱা ৰাতি পুৰা এটা পুৱাইছে। ঘৰ আন্ধাৰ, বাহিৰ পোহৰতে জিলিকি উঠিছে গাঁওখন। মনোৰামেও সোনকালে পাটিৰ পৰা উঠি নতুন হেটৌলৈ যাবলৈ যা-যোগাৰ কৰাত লাগিল।

হেটৌলৈ যোৱা মানুহবোৰ নামঘৰৰ চোতালত লগ হোৱাৰ কথা। নামঘৰত চাকি এগছ জ্বলাই আঁঠু লৈ ওলাব সবেই। নতুনকৈ নাম ধৰিবলৈ যোৱাৰ কথা। হৰিধ্বনি লৈ যাব লাগে।

নামঘৰৰ চোতালত গাঁওখনৰ মানুহবোৰে ভিৰ কৰিলে। যেন বেলেগ এটা যাত্ৰাতহে ওলাইছে



ভৰা ব্ৰহ্মাপুত্ৰৰ দৰে মনোৰামৰ ভৰা সংসাৰ। জোৰা টাপলিৰে চলি যায় দুয়োখন ঘৰ। সেইবাৰ ডাঙৰবাপু নতুনকৈ কলেজলৈ গৈছে। সৰুবাপুয়ে হাইস্কুলৰ দেওনা খচিছে। সেইবাৰেই ডাঙৰমাইক চাবলৈ মাষ্টৰ ল'ৰা এজন আহিল।

মানুহবোৰ।

হেটৌলৈ ওলোৱা সৰহভাগেই ডেকা মানুহ। উপায় নোহোৱা কোনোবা ঘৰৰহে বুঢ়া মানুহ ওলাইছে।

মনোৰামে যে বুঢ়া চাইকেলখন লৈ হেটৌলৈ যাব ওলাব কোনেও ভবা নাছিল। বুঢ়াক দেখি বেছিভাগেই আচৰিত হ'ল। কোনোবা এজনে ক'লে বুঢ়াই কাকলৈগি বা মাটি সাঁচিব যায়!

মনোৰামৰ কাণত ঠহৰ ঠহৰকৈ পৰিল কথাকেইটা। পুলিচ মিলিটেৰিয়ে যেতিয়াৰ পৰা হকে-বিহকে গাঁওখনত সোমাই ডেকা ল'ৰা দেখিলেই উঠাই লৈ যাবলৈ আৰম্ভ কৰিছিল, তেতিয়াৰ পৰাই গাঁওৰ মানুহবোৰ মনোৰামৰ পৰা যেন লাহে লাহে আঁতৰ হৈ গৈছিল।

এইখান ঘৰৰ কাৰণে আমি গোটাই গাঁওখানে শাস্তি ভুগিবা লাগা হৈছে। পুতাকক দেশপ্ৰেমিক বনৌৱেই।

এদিন আগৰদৰে এঘৰলৈ ফুৰিবলৈ যাওঁ বুলি চোতালত ভৰি থৈছেহে। মনিৰামৰ কাণতে পৰিলহি কথাকেইটা।

মনোকাই তই আমাৰ কাঁথিয়ে চোতালে নাই ভিৰেই। ঘৰত ডেকা চলি আছেই। আৰ্মি আহি ধৰি লৈ যাবো ক'বাত।

যোৱা নাই। সিদিনাৰপৰাই যোৱা নাই কাৰো চোতাল কাঁথিলৈ। মানুহবোৰৰ কথাও হয়। কাৰ কাৰণে কোনে শাস্তি খাব?

তেতিয়ালৈকেও মানুহবোৰে বাটে-ঘাটে লগ পালে মাত দিয়ে মনোৰামক। আজি দুবছৰ মানৰ ঘটনা। তেতিয়াৰপৰা লাহে লাহে মুখৰ মাতযাৰো যেন নোপোৱা হৈ আহিল মনোৰামে।

সিদিনা সাঁজ লাগিছে। তিৰোতাবোৰ পাগত সোমাইছে। কাথি, চোতালত ঢাৰি পাৰি সৰু সৰু ল'ৰাবোৰে নেওঁতা আৰু পদ্য মাতিছে। তেনেতে বিকট শব্দ এটাত সৰু সৰু ল'ৰাবোৰৰ মাত বন্ধ হ'ল। কেৰাচিনৰ চাকিবোৰ নুমাই গ'ল।

ফুচফুচকৈ কোনো কোনোৱে কোৱা কুই কৰা শুনিলে মনোৰামে। গাঁওখনৰ এমূৰে থকা পুলুংটোত বোমা ফুটিছে। সেইফালেৰে কেইবাখনো আৰ্মি গাড়ী গৈ আছিল বোলে।

গাঁওখনৰ ওচৰত কিবা ঘটন-মতন হ'লেই সদায় আৰ্মি-পুলিচৰ গাড়ী মনোৰামৰ চোতাললৈয়ে আহে। এইবাৰো আহিল। পুলিচে মনোৰামক থানালৈ উঠাই লৈ গ'ল। লগতে বাটত লগ পোৱা গাঁৱৰ কেইবাজনো ডেকা ল'ৰাক।

পিছে আগতে নেদেখা নুশুনা আচল ঘটনাটো ঘটিল পিছ দিনা ৰাতি পুৱাহে। মনোৰামহঁতক উঠাই লৈ যোৱাৰ পিছত গোটেই গাঁওখন বোলে মিলিটাৰিয়ে ঘেৰি পেলাইছে।

গাঁওখনৰ এমূৰে হলিৰামৰ ঘৰ। বোমা ফুটা পুলুংটোও সিহঁতৰ পৰা বেছি দূৰত নহয়। পিছদিনা কাহিলী পুৱাতে হলিৰামৰ ডাঙৰ ছোৱালীজনীৰ বাহিৰ ফুৰা লাগিল। অইনদিনাৰ দৰে গ'ল তাই বাঁহৰ তললৈ। বাহিৰ ঘূৰি আহি পানী লোৱা খালৰ পাৰটোৰ পৰা আৰু তাই উঠি আহিব নোৱাৰিলে। মাত্ৰ এবাৰে খুউব জোৰেৰে পৰা আটাহ এটা শুনিছিল বোলে কোনোবা কোনোবাই। তাৰ পাছত খালৰ পাৰত সি ছোৱালীজনীক যি ৰূপত হলিৰামে দেখিলে, তেনেকৈ সাতশতৰুৱে দেখিলেও গা চেঙাব। গাত কাপোৰৰ নাম-গোন্ধ নাই।

হাস্পাতাললৈ তাইক লৈ যোৱা হ'ল। ডাক্তৰ নাৰ্চ সবেই ইচ-আচ কৰিলে। নাই পিছে ছোৱালীজনী নাবাছিল।

তাৰ পাছত হৈ-হাল্লা হ'ল। কাগজত কিবা কিবি লিখি হাতে হাতে লৈ গাঁৱৰ মানুহ ওলাল টাউনলৈ। ডাঙৰ ডাঙৰ পুলিচ অফিচাৰ আহিল হলিৰামৰ চোতাললৈ। কেইবামাহৰ পিছত সেইবোৰ তল পৰিল। ৰাইজেও তাপ মাৰিলে।

তাৰ পাছৰ পৰাই গাঁৱৰ জীয়ৰী-বোৱাৰী বাটলৈ নোলোৱা হ'ল। সাঁজ লাগিলেই দুৱাৰ-ঘৰ মাৰি ঘৰ সোমাই লয়।

এইবাৰ গাঁওৰ মানুহবোৰ যেন আৰু দুহাতমান আঁতৰ হৈ গ'ল। কাজ-কাৰখানা হ'লে মনোৰামক মাতে, কিন্তু নগ'লেও যেন বেয়া নাপায় কোনেও।

ডাঙৰ বাপুৰ প্ৰতি যিকন মৰম বাকী .... সিও নোহোৱা হ'ল মনোৰামৰ। এজন ডাঙৰ বাপুৰ কাৰণেই গোটেই গাঁওখনেই কিবা হৈ গ'ল। হাঁহি খিকিন্দালিৰে ৰজনজনাই থকা ঘৰকেইখন দুপৰীয়াতে পৰি জীণ গ'ল।

কাৰ কাৰণে ডাঙৰবাপুহঁতে এনেকৈ যুঁজ দি ফুৰিছে? কাৰ কাৰণে? সিহঁতৰ আন্দোলনটোৰ শেষত কি হ'ব? মনোৰামৰ মনৰ মাজত চাইকেলৰ চকাৰ দৰে কথাবোৰ পাক ঘূৰণি খাই ঘূৰিবলৈ ধৰিলে।

ইতিমধ্যে মানুহবোৰ ব্ৰহ্মপুত্ৰৰ জীয়া সুঁতিটোৰ ঘাট পাওঁ পাওঁ হ'ল। ডেকাহঁতে আগতে ঠিক কৰি যোৱামতে চাইকেলখন এঠাইত ৰাখি থৈ আহিছে। সুঁতিটো পাৰ হ'লেই নতুন হেটৌ। হেটৌ চাপৰি।

সুঁতিটো নাৱেৰে পাৰ হৈ ডেকাহঁতে জিৰাবৰ কাৰণে তম্বু তৰাত লাগি গ'ল। সিহঁতৰ মনত মহা উৎসাহ। নতুন পাম, নতুনকৈ খেতি কৰিব সিহঁতে।

মনোৰামৰ মনটো কিন্তু সুঁতি পাৰ হৈয়েই বিস্মা লাগি গ'ল। এইখনেই সেইখন শস্য-মৎস্য ভৰি থকা হেটৌ চাপৰিনে? হয় তেওঁ চাপৰিটো যে দুনাই ওলাইছে। এদিনতো এই চাপৰিৰ আশা ভৰসা এৰিয়েই গুচি গৈছিল গাঁৱলৈ!

এইখন হেটৌৰ বুকুতে কিবোৰ ঘটনা যে পাৰ হৈ গৈছিল! পাহৰিব পাৰিবনে মনোৰামে সেই আন্দোলনটোৰ কথা? সৰু বাপুৰ কথা?

মনোৰামে বালিয়ে বালিয়ে খোজকাঢ়ি আহি থাকিল। সৰু বাপু কলেজলৈ গৈছিল। মনোৰামৰ গৌৰৱৰ থল। দুজন ল'ৰা, দুয়োজনেই কলেজলৈ যায়। ইকবাৰ বেৰ দিয়া চাপৰিৰ জুপুৰীত বহি ল'ৰা দুটাৰ কথা ভাবি থাকোতেই হঠাতে আহিল সেই আন্দোলনটো। কলেজৰ ল'ৰা-ছোৱালীয়ে কৰিছে। অসমত য'ত যি বাংলাদেশী মিঞা আছে সবকে খেদিব লাগে।

সিদিনা সৰুবাপু আৰু সিহঁতৰ কলেজৰ এদল ল'ৰা চাপৰিলৈ আহিছে মিঞা খেদিবলৈ। ইতিমধ্যে বহুত কটা-মৰা হৈ গৈছে, বহুত দলং পোৰা গৈছে! বহুতে জেলৰ ভাতো খাইছে।

সকলোৱে উবুৰি খাই পৰিছে আন্দোলনটোত। মনোৰামহঁতৰ গাঁৱৰ মানুহো বহুদিন ওলাই গৈছে জোং-যাঠি লৈ।

কিন্তু সিদিনা আবেগত হেপাই-ফোপাই যোৱা সৰু বাপু যি ৰূপ লৈ উভতি আহিল মনোৰামে কি, তাৰ লগত যোৱা বন্ধুবোৰেও সেই কল্পনা কৰা নাছিল। মিঞা খেদিবলৈ গৈ ঘূৰি অহা সৰু বাপুৰ কি ৰূপ আছিল সেইটো, কি ভয়লগা ৰূপ!

বুকুখন এতিয়াও শিল হৈ যোৱা যেন লাগে সেই কথা ভাবিলে। সৰু বাপুক দেখি সিদিনা মনোৰাম যি ভাজত আছিল সেই ভাজেই ঢলি পৰিছিল।

জ্ঞানপাই দেখে সৰু বাপুৰ লগত পঢ়া কলেজৰ ছাত্ৰবোৰেৰে

মনোৰামৰ ঘৰৰ চোতাল ভৰি পৰিছে। সিহঁতৰ মাজৰ দড়ীয়া ল'ৰাটোৱে চিঞৰি চিঞৰি কিবা কিবি কৈ আছে লগৰবোৰৰ উদ্দেশ্যি। সি এবাৰ আহি মনোৰামৰ ভৰিতে পৰি হুকহুকাই কান্দি উঠিল

দেউতা, আপোনাৰ সৰু বাপু ছহিদ হ'ল। দেশৰ কাৰণে দহৰ কাৰণে সি ত্যাগ কৰিলে। তাক লৈ আৰু দুখ নকৰিব দেউতা। সি আমাৰ গৌৰৱ। এতিয়া আমি সকলোৱে বাংলাদেশীহঁতৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হোৱাৰহে কথা।

দড়ীয়া ল'ৰাটোৱে আৰু একুৰা জুই জ্বলাই দিলে মনোৰামৰ বুকুত। গাঁৱৰ ঘৰত সৰু বাপুৰ কাম-কাজ কৰি উঠি মনোৰাম আকৌ চাপৰিলৈ আহিছিল। ঘৈণীয়েক আৰু ডাঙৰ মায়ে বাৰম্বাৰ বাধা দিয়া সত্বেও মনোৰামে নামানিলে। কাণত বাজি আছিল সেই দড়ীয়া ল'ৰাটোৱে কোৱা কথাবোৰ।

মনোৰামৰ গাটো শিয়ঁৰি উঠিল।

ক'ৰপৰা পাইছিল বাৰু ইমানবোৰ শক্তি! ক'ৰপৰা পাইছিল মনোৰামে! বেলি ডুবাৰ আগে আগে হেটৌ পাইছিলহি। চাপৰিৰ জুপুৰীটোত সোমাই লাম-লাকটু আৰু ধৰাই অনা দীঘলীয়া দাখন উলিয়াই থৈছেহে। তেনেতে মনোৰামৰ কাণত পৰিল দোচোৰা উচ্চাৰণেৰে মতা তাৰ মাতটো। গৰম তেজৰ সোঁত এসোঁতা মনোৰামৰ দেহৰ ওপৰেদি বৈ গ'ল। চকুত ভাঁহি উঠিল সৰু বাপুৰ দেহাটো। ইমান সাহ ইহঁতৰ! ইমানদিনে সাপৰ লগত মিতিৰ পাতিছিল মনোৰামে! চাল্লা লুঙী পিন্ধাৰ জাত। গোটেই তেজবোৰ উতলি পৰো পৰো হ'ল মনোৰামৰ, দুহাত কঁপি উঠিল। দাখনৰ মুঠিত টানকৈ মুঠি এটা মাৰি লৈ ওলাই আহিল বাহিৰলৈ।

সি ততকে নাপালে।

তাৰ গলটো মাটিত সুলকি পৰিল। নিমগছজোপাৰ তলতে। নাই, তিলমানো ভয় নালাগিল মনোৰামৰ । তেজ দেখি দেহাটো কঁপিও নুঠিল। বৰং মনোৰামৰ দেহাটো এতিয়াহে শাঁত পৰা যেন লাগিল। সৰুবাপুৰ আত্মাই এতিয়াহে যেন শান্তি পাইছে। নাই, আৰু কাম নাই এতিয়া চাপৰিত। মনোৰাম সেইদিনাই চাপৰিৰ পৰা গাঁৱলৈ উভতি গৈছিল। ইতিমধ্যে আন্দোলনো শাম কাটিছে। সৰু বাপুহঁতৰ লগত কলেজত পঢ়া দড়ীয়া ল'ৰাটোৱে ইলেকচন খেলিছে। এবাৰ আহি সি মনোৰামৰ ভৰি চুই চকুপানী মচিলেহি।

আপোনাৰ সৰুবাপুক আমি জীয়াই ৰাখিব লাগিব দেউতা। ল'ৰাটোৰ প্ৰতি বৰ মৰম উপজিল মনোৰামৰ। অকল মনোৰামেই নহয়, গোটেই ৰাইজৰে। ৰাইজে উবুৰি হৈ তাকেই ভোট দিলেগৈ।

ইলেকচনত দড়ীয়া ল'ৰাটো জিকিল। ৰাস্তা-ঘাট, পোৱা-দলং ভাল হ'ল। মিএৱা আৰু চি আৰ পিৰ হাতত মৰা ল'ৰাবোৰৰ নামত নঙলাই নঙলাই মূৰ্তি থিয় হ'ল।

মনোৰামৰ নঙলাতো সৰু বাপুৰ নামত এটি মূৰ্তি থিয় হ'ল। তাৰ পিছৰবাৰো দড়ীয়া ল'ৰাটোৱেই ইলেকচনত জিকিল। তাৰ পিছৰবাৰো। প্ৰত্যেক বাৰেই।

ৰাইজৰ কাৰণে সি কি কি কৰিলে কি কি নকৰিলে মনোৰামে নাজানিলে। কিন্তু যিদিনা মিলিটাৰিয়ে মনোৰামক বগৰাই বগৰাই কোবাই সৰুবাপুৰ মূৰ্তিটোৰ কাষত পেলাই থৈ গৈছে সিদিনা সৰু বাপুৰ মূৰ্তিটোলৈ চাই অনুভৱ হ'ল মনোৰামৰ নঙলামুখত এইটো দেখোন সৰুবাপুৰ মূৰ্তি নহয়। এইটো একুৰা জুই। কুঁহিয়াৰ শালৰ জুইৰ নিচিনা গপ্‌গপীয়া। আন্দোলনৰ নেতাহঁতে জ্বলাই থৈ গ'ল মনোৰামৰ বুকুত।

সেইদিনাৰপৰাই মনোৰামৰ বুকুত আন একুৰা জুই জ্বলিবলৈ ধৰিলে। কি কৰিলে সিদিনা, কি কৰিলে! কাৰ আগত কৈ পাতলাব মনোৰামে মনটো? আনকি নিজৰ ঘৈণীয়েকেও নাজানে সেই কথা।

মাছুৱেপাৰীটো আহিলেই সি অহা যেন লাগে মনোৰামৰ। লুকাওঁ লুকাওঁ লাগে কৰবাত।

এইখন হেটৌৰ চাপৰিলৈকেই আহিছিল সি। চাপৰিৰ জুপুৰীটোৰ কাষতে থকা নিমগছজোপাৰ তলতে বহি দুয়োৱে কথা পাতিছিল।

কি ঠিক সেইদিনাও মনোৰামৰ খবৰ লবলৈহে আহিছিল সি? ইমান কটা-মৰা হৈ থকাৰ কথা জানিও কেৱল মনোৰামৰ মৰমতে? গৰম তেজৰ উচটনিত, সেই দড়ীয়া ল'ৰাটোৰ উচটনিত কি কৰিলে মনোৰামে। সেই নিমগছজোপাৰ গুৰিতে...।

ইয়াতে ক'ৰবাত আছিল মনোৰামৰ জুপুৰীটো। এই বালিতে ক'ৰবাত পোত খাই আছে সেই নিমগছজোপা। এই বালিতে ক'ৰবাত... মনোৰাম বহি পৰিল। আবেগ আৰু অপৰাধত ফোঁপনি উঠিছে মনোৰামৰ। সেই নিমজোপাৰ গুৰি বিচাৰি বুঢ়াই বালি খুচুৰিবলৈ ধৰিলে।

বালি খোঁচৰোতে খোঁচৰোতে এবাৰত বুঢ়াৰ হাতত সঁচা-সঁচিকৈ কিহবাৰ এডাল হাড় লাগি আহিল। বুঢ়া বলিয়া হ'ল। এইডালো হ'ব পাৰে তাৰ হাড়!

ইতিমধ্যে মনোবুঢ়াৰ এই কাণ্ড দেখি এজন দুজনকৈ গাঁৱৰ মানুহ ওচৰ চাপিছিল। বুঢ়াৰ কিন্তু সিহঁতলৈ কাণেই নাই। বালিৰ মাজত পোৱা হাড়ডালক বুঢ়াই বৰ আপোনভাবেৰে বুকুৰ মাজত সাবটি ল'লে আৰু কান্দি কান্দি কৈ উঠিল — মোৰ ভুল হৈছিল আহমেদ, মোৰ ভুল হৈছিল। চব ভুৱা আন্দোলন-চান্দোলন, চব ভুৱা ...। ভোগ নেতাহঁতে খাবা লাগছি। আমি মাজতে কাটা মাৰ কৰি মল্লু। ...ডাঙৰটোই পলেই পলেই আন্দোলন কৰি ফুৰ্‌ছি। স্বাধীন দেখ লাগেই তাক। তাৰ কাৰণে চবে লৰি থৈ গেল মোক। ... মোক ক্ষমা কৰি দি আহমেদ ... মোক...।

মনোবুঢ়াৰ আগৰ চাপৰিলৈ মনত পৰিছে! কান্দি কান্দি কোৱা বুঢ়াৰ প্ৰলাপ শুনি ওচৰত থকাকেইটাৰ বেয়া লাগি গ'ল। তাৰমানে সিহঁতে ভবাৰ মতে মাটিৰ খকতে অহা নাই মনোৰাম! কেইবাজনেও একেলগে কৈ উঠিল — আমি আছো নহয় মনোকাই!

কোন আছে মনোৰামৰ লগত? মূৰ তুলি দেখিলে বুঢ়াই গাঁৱৰ মানুহ। সিহঁত মনোৰামৰ লগতে আছে! কিমান দিনৰ মূৰত 'মনোকাই' বুলি মতা শুনিছে মনোৰামে!

আবেগত সিহঁতক একো ক'ব নোৱাৰিলে মনোবুঢ়াই। পাতক, সিহঁতে ইয়াত নতুন পাম পাতক। মনোৰামৰ ভাগৰ মাটিখিনিও ৰাইজে ভগাই লওক।

মনোৰামক কেৱল হাড় লাগে। হেটৌৰ বালিত পোত খাই থকা আৰু হাড় লাগে।

মনোৰামে ৰাইজলৈ ভ্ৰূক্ষেপ নকৰি আগৰদৰেই বালি খোঁচৰাত লাগি গ'ল। বুঢ়াৰ প্ৰলাপ শুনি শুনি ৰাইজৰ বেয়া লাগি গ'ল। সিহঁতৰ কোনেও নাজানিলে মনোবুঢ়াই এনেকৈ বলিয়াৰ দৰে বালিৰ তলত আৰু কাৰ হাড় বিচাৰিছে। সৰুবাপু, ডাঙৰবাপু নে কোনোবা আহমেদ মিএগ্ৰৰ।❖

# চিচাৰ গিলাছত বিছা



**অনন্ত গগৈ**

*স্নাতক দ্বিতীয় বৰ্ষ, ভূগোল বিভাগ*

পাছচোতালত চেৰাপ বনোৱা গুৰ গেলোৱা গোন্ধ। কিবা টেঙী-টেঙী, ঘাম পানীৰ দৰে। গোন্ধটো জেঠৰ ৰ'দৰ প্ৰখৰতাত ইফালে-সিফালে উৰিছে। চোতালৰ বালিয়া মাটিত বহাগৰ বৰষুণৰ গোন্ধ পাই থিতাপি লোৱা, শেলুৰেবোৰ কটৰা মাৰিল। গছ পাতবোৰ জঁয় পৰা, নিজম। ভুলতে হ'লেও যেন তাৰে এখিলা পাত সৰিলে বিশ গজমান দূৰৰপৰা শুনিম। বায়নইঁতৰ বাঁহনিৰ ওখ গজ এজোপাৰ ডালত পৰি কপৌজনীয়ে বৰকৈ কুৰুলিয়াইছে। এই ভৰদুপৰীয়াখনো ৰসেশ্বৰীৰ দুকোঠালীয়া ঘৰত মানুহ গিজগিজাই আছে। দুকোঠালীয়া বুলিলেও কোঠা এটাই, তাৰ মাজতে কাপোৰ এডোখৰ আঁৰি দুকোঠালীয়া সাজিছে। এফালে জুহালখন। কাষতে বগী টিং, বতুৱা, গিলাছ। আনফালে অলপ বহলকৈ মানুহ সোধে। এচুকত বাঁহৰ বিছনা এখন, বেৰত আওজাই থোৱা পীৰাকেইখনমান, কেইখনমান তামোলৰ ঢকুৱাৰ বিছনী।

ৰসেশ্বৰীয়ে ভতিজাক এটাই উৰিয়াম ঘাটৰপৰা অনা চিচাৰ গিলাছত গেলেনৰ মুখে মদ বাকি দিছে। খেনোৱে টকা এটা ভাঙিম বুলি, তামোল বাৰীত দবল কোৰ মৰাৰ পৰাও ঘৈণীয়েকে নজনাকৈ হাতত সাৰে ভৰিত সাৰে ৰসেশ্বৰীৰ চোতাল গছকিছে। সিহঁতৰ গাৰ ঘাম আৰু মদৰ গোন্ধত ঘৰটোত কিবা এটা আহিয়া বাঁহিয়া হেন গোন্ধ। কোনোটোৱে কাণৰ ফাঁকত গুজি থোৱা আধা খোৱা বিড়ি উলিয়াই ৰসেশ্বৰীক চিঞৰিছে—

— ভিতৰত পকা আঙঠা আছে নেকি? আনচোন। বিড়িটো জ্বলাই লওঁ। কথাষাৰ কওঁতে মাতটো শেষৰফালে ক্ৰমান্বয়ে সৰুহৈ যায়। ৰসেশ্বৰীয়ে জাৱৰ পেলোৱা ঢকুৱা এখনত ফুটছাইৰপৰা জ্বলা আঙঠা এডোখৰ বিচাৰি সন্মুখত দি থৈ যায়।

ইফালে বহুদিনৰ মূৰত মুহিধৰ ওলাইছেহি। তাক দেখি ৰসেশ্বৰীৰ কেঁচা খংটো টিঙিচকৈ উঠি আহে। আহোঁতে নটৰ চানা কেইটামানো আনিছে। ৰসেশ্বৰীয়ে দিয়া চিচাৰ গিলাছটো ধৰোঁতে চুৰিয়া খুচনিৰপৰা উলিয়ায়। পাৰ চৰাইৰদৰে চকুহাল ইফালে-সিফালে পিৰিকিয়ায়। গিলাছটো মুখলৈ নি সোহাটো মাৰোঁতে, কঁপালখন কোচাই এক নিৰ্দিষ্ট ভংগীত চকুহাল মুদি দিয়ে। তেনে কৰাৰ পাছত, এপাকত মুখলৈ চানা কেইটামান নিবলৈ লওঁতে, যেন ঘপহকৈ কিবা এটা মনতহে পৰিল এনে ভাবত ৰসেশ্বৰীক উদ্দেশ্যি কয়—

— চম্পা নাই?

মুহিধৰৰ চকুৱে ইহঁা পাৰ চৰাইৰ চকুহাল দেখিলে ৰসেশ্বৰীৰ গা-চেবায়। চাল্লিশ সূতাৰ চাদৰৰ আগটো টানি কঁকালত গুজি লয়। তেতিয়া মুহিধৰৰ মুখৰ ওপৰেদি উজ্জ্বল কিবা এচমকা পাৰহৈ যায় আৰু ৰসেশ্বৰীৰ মূৰত ভমককৈ একোৱা জুই জ্বলে।

— ক'ব নোৱাৰো নাটশৰীজনী ক'ত ঠেং জোকাৰিবলৈ গ'ল।

কথাষাৰ এনেভাবত এচাৰ মাৰি ক'লে যেন মুহিধৰৰ মুখত প্ৰতিটো শব্দ থুই-থুইকৈহে এফালৰপৰা পেলাই গ'ল। পাছদুৱাৰ হেচুকি সীমাৰ জেওৰাত ধৰি চিঞৰিবলৈ ধৰে—

— চম্পা, চম্পা

ৰসেশ্বৰীৰ টেটুফলা মাতত জেঠৰ প্ৰখৰ ৰ'দটো চিৰাচিত হৈ ইফালে-সিফালে সৰি পৰে। মাধৱৰ ঘৰৰপৰা ভাঁহি অহা চম্পাৰ মাত

শুনি ৰসেশ্বৰীৰ মাত দুগুণে চৰে।

— মৰতী, এই ভৰদুপৰীয়া আহি তই ঘৰ সোমাবিহিনে? নে মই জেওৰা খুটিলৈ যাম। সময় নাই অসময় নাই বনৰীয়া হ'ব খুজিছ, পিঠি ফালি বখলা বখল কৰিম।

বুলি আৰি কোজা হৈ গুড় গেলোৱা বগী টিংটো ভিতৰলৈ নিওতে ভুৰভুৰায়—

— দাঁত চেলাই চেলাই কলি আম চোবাবলৈ গৈছ। আম চোবাই বেমাৰ চপাই ল তোক গছকি-গছকি কোবাম।

কথাযোৰ বেৰৰ মাজেৰে সৰকি চেৰাপ খাই থকা মুহিধৰ, টংকেশ্বৰ, চতুৰাইতৰ কাণত পৰে। মুখ টিপি ৰৰকৈ হাঁহে, কিবা যেন স্বৰ্গীয় অনুভূতিয়েহে খেদিছে। ৰসেশ্বৰীয়ে 'পপীয়াকেইটা' বুলি মুখ বিকটায়। গিৰিয়েকটো নোহোৱা হ'বৰপৰা এইকেইটাৰ কোব বৰকৈ বাঢ়িছে। মানুহটো থকা হ'লে এতিয়া—

— হেৰ' মোক চৰিয়া এটা দিবিচোন বুলি কাঁহি-কাঁহি ক'লেহেঁতেন। যি হওক মানুহটো থাকোতে ইহঁতৰ এইকণ সাহস নুঠেই নাছিল। মৰণৰ কালত যদিও পাছফালে পৰি থাকিছিল, তেতিয়াও নাছিল। অসুখহেন মানুহটো মৰাৰ আগমুহূৰ্তত নিজে উঠিব বহিব নোৱাৰা হয়। জাতিবাঁহৰ চাংখনতে দিনটো শুই বহি থাকে। ঘৰত এটা বেমাৰী মানুহ, ইফালে ইটো-সিটো কাম। কথা ফেকেটিয়াই মনৰ জুতি ল'বলৈ অহা মানুহ। অকলশৰীয়া ৰসেশ্বৰীয়ে কিমান-চম্ভালিব। ছয়-সাত বছৰীয়া চম্পাই গিলাছত মুখ জুবুৰিয়াই উঠি যোৱাৰ পাছত পীৰাকেইখন উঠাই দিয়ে। জগ এটা লৈ পাছফালৰ বাঁহনি পাৰৰহে পানী আনিবলৈ যায়। বাপেকটোৰে চিএৰিলে পানী এবাতি, চৰিয়াটো গোটাই দিয়ে। আধিলৈ পোহা কুকুৰাজনীলৈ টেকেলিৰপৰা চাউল এমুঠি উলিয়াই চোতাললৈ ছটিয়াই দিয়ে। ৰসেশ্বৰীয়ে বগী টিঙত গুড় গেলোৱাৰপৰা বতুৱাত চেৰাপ বনাই গিলাছত বাকি দিয়াৰ শেষত যেতিয়া আঘোণাৰ 'শুনিছনে' বোলা মাতবাৰ পায়, খংটোৰে চুলিৰ আগ চুৱে। বাউসীত ধৰি চোতাললৈ' উলিয়ায়। চিলভাৰৰ পুতুকা পৰা বতুৱাটোত গোটাই থোৱা নদীৰ পানীকণেৰে গা-ধোৱায়। তেতিয়া গেজেংকৈ উঠা কঁকালৰ খোচটোত খংটো দুগুনে চৰে অথচ মুখ খুলি একো এটা কবও নোৱাৰে।

কানিয়াইতৰ ধান দোৱা হাবিয়াৰ ভোজৰ শেষত কানিনুনি বেলিকা। আঘোণাৰ হাতত ধৰি ঘৰ ধৰিম বুলি গুছি আহিল। তেতিয়াৰপৰা অলপ লেলাত ভুগিছেনে? তাইতো মানুহটো অসুৰ হ'ব বুলি ভবা নাছিল। ৰাতিপুৱাতে পইতা ভাত কেইটামান খুৱাই ৰাগুা, কৰটেৰে মিস্ত্ৰী সঁজুলিৰ প্লাষ্টিকৰ মোনাটো লৈ ওলাই নোযোৱালৈকে শান্তি নাই। ফুট গধূলি মূতনী এসোপা চোবাই আহি গাঁৱৰ ধূলিয়ৰি ৰাস্তাইদি গোৱাল গাৰ্লি এসোপাৰে জাবৰুৱা গৰু হৈ ধূলি উৰুৱাই আহে। চোতালৰপৰা 'হেৰামজাদী, হেৰামজাদী'— বুলি পলিথিনত ভৰাই অনা চাউল কেইটামান বুকুলৈ মাৰি পঠিয়ায়। কামলৈ নগ'লেও অশান্তি, মুখ যোযাই থাকে। দিনটো পৰ মানুহৰদৰে সনুখত চিচাৰ গিলাছ লৈ বহে, নিদিলেও ক'ব 'কোন পৈয়েৰলৈ সাঁচিছ' বুলি। নহ'লে নলীয়া কটাৰীয়ে শুকান ভাঙৰ মুঠি কাটি বাতৰি কাগজত নুৰিয়াই বিড়ি বনাই খায়। পাছচোতালৰ গাত লাগি থকা নৰাবগৰীজোপাৰ তলত লাং খাই পৰি থাকে। ৰাতিলৈ ৰসেশ্বৰীৰ পিঠিত ভুকু পৰে। ওচৰ-চুবুৰীয়াই নামাতে। মাক-জীয়েকে মাজৰাতিখন পিৰালিৰ এচুকত বহি হুৰাহুৰে কান্দিলে চকুৰাৰ সিপাৰৰপৰা মাইকী মানুহবোৰে কাণ থিয় কৰি উমান লয়। আঘোণা ওলাই যোৱা যেন পালে সহানুভূতিৰ শব্দ কেইটামান তাইলৈ দলি মাৰি দিয়ে।

মানুহটোৰ স্বভাৱৰ দোষ। পহুটী বুঢ়ীয়েহে কয়, বাপেকটোও হেনো আগতে এনেকুৱাই আছিল। ৰসেশ্বৰীয়ে নাপালে। বেপাৰত ধৰিম বুলি আহুকলীয়া মাটি-বাৰী বিকিলে। এতিয়া ভেটিটোৰ বাহিৰে দৰবলৈও নাই। আঘোণাইও খাওঁ বুলি আজিলৈ চাউল কেইটামান, কেতিয়াবা দুটকা চাহপাত, তিনিটকা মিঠাতেল, তাৰ বাহিৰে তাইৰ হাতত ফুটাকড়ি এটাও নিদিলে। সুযোগত নিলেহে। পহুটী বুঢ়ীৰ নাতিনীয়েকৰ চাৰিদিনীয়া গা-ধোৱাবলৈ যাওঁতে সোণমাইৰ আধিলৈ বোৱা আটাইকেইখন গামোছা বেলেডে কাটি নিলে। তাৰ জোৰা টাপলি মাৰিব কিদৰে। লহপহকৈ বাঢ়ি অহা পোৱালী পাঠাটোকে মানুহ লগাই আঢ়ৈশত বিকিলে। ধাৰ শুধিলে। ইফালে মানুহটো তিনিদিনলৈ দেখিবলৈ নাই। চাৰিদিনৰ দিনা আগৰদৰেই 'হেৰামজাদী, হেৰামজাদী', কৈ ওলালহি ক'ৰবাৰপৰা। পিৰালিত জঁপিয়াই ফুৰিবলৈ ধৰা পাঠাটো নেদেখি চুলি জোকোৰা দিবলৈ আহিল। দপদপাই থকা সেই মানুহটো এতিয়া সিপুৰীত।

চালুকপথাৰলৈ বিয়া দিবলৈ লোৱা মহেশ্বৰৰ জীয়েকৰ আলনা বনাওঁতে ক'লে হেনো, পুখুৰীপাৰৰ নিমগছজোপাৰ ডালকেইটামান কাটি দিবলে; খৰিলৈ লাগে। আবেলি কিবা এটা খাই যাবি বুলি। ক'বলৈহে পালে, কপিদাখনলৈ ঘপহকৈ উঠিলগৈ। অঘটনটো তাতে ঘটিল। আগদিনা বৰষুণ দিছিল, কেঁচা নিমৰ পিছল গাত খুপি খুপি ভৰি ৰাখোতে কোনোবা পাকত ধুপুচকৈ গোবৰ পাছি পৰাদি খহি পৰিল। কৰঙনৰ হাড় ফাটিল। ইটো সিটোৱে ধৰি ঘৰ পোৱালেহি। গড় বুঢ়াই ৰসেশ্বৰৰ পদূলিত থকা হাড় জোৰোৱা লতা খুন্দি ফটা গামোছা এডোখৰে কৰঙনৰ চাৰিওফালে বান্ধি দিলে। কেইদিনমান ভাল পালে। তাৰপাছতনো কি হ'ল, ভৰিটো দিনে দিনে পঁয়া লগা মানুহৰ দৰে চিএগহে গ'ল। ভিতৰৰপৰা পকি আহিবলৈ ধৰে। ৰসেশ্বৰীয়ে মূৰৰ চিগা চুলি কেইডালমান বান্ধি দিলে, একো নহ'ল। শেষত যেনিবা বুধিৰাম মাষ্টৰে কেনেবাকৈ টাউনৰ হাস্পতাললৈ' লৈ যাবলৈ ক'লে। অসুৰৰ দৰে চিএৰ-বাখৰ কৰি থকা মানুহটোৰ মাতটো কোনোবা গাঁতত পোত গ'ল। দুখ পোৱা ভৰিটো শুকাই শুকাই জেওৰা খুটিৰ নিচিনা হ'ল। ইফালে ৰসেশ্বৰীয়ে টকা-পইচাৰ টাপলি মাৰোতে এদিন মাজৰাতি আঘোণাই গাহৰিৰ দৰে বিছনাতে গোঁ-গোৱাই চকু মুদে। চম্পাই ষ্টিলৰ বাতি এটাইদি বাপেকৰ মুখত পানী ঢালোতে সকলো উকাল মাৰি পঠিয়ায়, চকুহাল থৰ হয়। ৰসেশ্বৰী লগে লগে মাটিত বহি পৰে, হুৱাওৱাৰে কান্দে। গাঁৱৰ মানুহবোৰে হাতত কেৰাচিনৰ চাকিলৈ ৰসেশ্বৰীৰ দুকোঠালীয়া ঘৰটো ভৰাই তোলে। তেতিয়াৰপৰা তাইৰ কঁপালখন উকাহে ৰ'ল। টিলনি, দহা; সবাহৰ কাৰণে গাঁৱৰ মানুহে চিন্তা কৰিলে। কোনোৱে বাৰীৰ পকা কল কেইআখীমান, কোনোৱে দৈৰ টেকেলী, বুট বা কেঁচা গাখীৰ অলপ আগবঢ়ালে। ৰসেশ্বৰীৰ মূৰত সান্ত্বনাৰ হাত ফুৰায়। তাৰ কিছুদিনলৈ চেৰাপ বনোৱাৰ গোন্ধ শাঁত পৰে। কিন্তু কিমানদিনলৈ? তেনেকৈ জানো দুটা পেট চলে। বেছি নহ'লেও নিজৰ সাঁচতীয়া কেইটকামানো খৰচ হ'ল। সেয়ে কেইদিনমান আৰ-তাৰ ঘৰত ধান জৰা, ঘৰ লিপা কামবোৰ কৰিলে। তাৰেও নচলিল। এবছৰ নৌ-হওঁতেই তাকে ঘৰৰ বগীটিংটোৱে সাৰপাই উঠিল। বাপেকী নথকা চম্পাই ক'ব নোৱাৰাকৈয়ে স্কুলত ভৰি দিবলৈ

এৰিলে। ফটা ফৰগ পিন্ধাই স্কুল পঠাবলৈ কেনেবা লাগিল। ৰসেশ্বৰীয়ে বাদ দিয়ালে, তাই ডাঙৰ হৈছে। বুধিৰাম মাষ্টৰে চিলেট এখন দিছিল, আজিলৈ এখনহে নাথাকিল। এটিটা হ'ল। তৃতীয়ৰ পাছৰ চোৰা বাদ পৰিল। ৰাতিপুৱা কাপোৰৰ বোৱা মোনাটো লৈ ৰেংমাই পথাৰ পাৰহে যায়। বাৰঘৰীয়া গাঁৱৰ এমূৰে কঁঠাল গছৰ তলত বহোৱা কেএৱা দোকানৰপৰা গুৰ কিনি আনে। ঘৰ পোৱালৈ তাইৰ চুটি ফ্ৰককটো বনগুটিৰে ভৰি পৰে। মাকে এটা এটাকৈ হাতেৰে এৰুৱাই দিয়ে নহ'লে ঘন ফণী মাৰে। বিজবিজোৱা ভৰিত মিঠাতেল সানি দিয়ে।

দিন বাগৰিল লাহে লাহে আঘোণাৰ কথা বাস্তৱৰ পাকত সোমাই পাহৰণি হ'ল। মানুহবোৰ চেৰাপ খাবলৈ আহে। মুহিধৰ, কলীয়া, ৰসেশ্বৰ, যদুৰামহঁতে গিলাছত মুখ দিয়ে। কথাৰ মহলা মাৰে। ৰসেশ্বৰীৰ ভাল নালাগে। মুখখন এপাচি কৰি চিচাৰ গিলাছবোৰ ধুৱে। নিচাত মুখ ৰঙা কৰি পিৰিক-পাবাকৈ চোৱা সিহঁতৰ চকুবোৰে ৰাতিও তাইক সাপৰ দৰে খেদে। পাছদিনা অ'ত ত'ত ফাটিব ধৰা ব্লাউজটো চিলাবলৈ সবলাৰপৰা বেজী-গুলী আনে। দিনৰ পোহৰটো সিহঁতক সোঁৱে-বাঁৱে বগোৱা বিছা যেন লাগে। অথচ সিহঁত এদিন নাহিলে চৌকাই জুইৰ মুখ নেদেখে। কেতিয়াবা মুহিধৰ অকলে ওলায়হি? ঘণ্টাৰ পাছত ঘণ্টা বহি থাকে। ৰসেশ্বৰীয়ে আগফালে কটং কটংকৈ ফলা খৰিবোৰকে ফালে, চোতাল সাৰে। অলপ দেৰি ইফাল-সিফাল হ'লে মুহিধৰে — 'শুনিছনে'? বুলি নাড়ীৰ তলৰপৰা আজুৰি ফুল সৰোৱাদি ৰসেশ্বৰীলৈ মাত এষাৰ সৰায়। ৰসেশ্বৰীৰ গা চেবায়। 'কি হ'ল?' বুলি এচাৰ মাৰি কোৱা মাতষাৰ শুনিলেও মুহিধৰে হাঁহি এটা মাৰি — 'আৰু এচিকুটমান দেচোন' বুলি চিচাৰ গিলাছটো আগুৱাই দিয়ে। সাউতকৈ চাদৰৰ আগেৰে কঁকালটো মেৰিয়াই গেলান আনিবলৈ যায়। 'চম্পা, এই চানাকেইটা খাই যাচোন আগফালে, কোন আহিছে চা! ঘপহকৈ যাচোন সিফালে।' বোলা আওপকীয়া কথা শুনিলে ৰসেশ্বৰীয়ে কেটেৰা ভেঙেৰা মাৰে। বুঢ়াৰ গাত নালাগে, তামোলৰ পিকে ৰঙা কৰা দাঁতকেইটা উলিয়াই কুটিল হাঁহি মাৰে। ৰসেশ্বৰীয়ে বুজালেও নুবুজে।

— বাৰী খাড়ী মানুহ, কোনোবাই শত্ৰু বুলিলে বদনাম উলিয়াবলৈ কেতেপৰ লাগে। নিমাওমাও ভৰদুপৰীয়াখননো এনেদৰে অকলশৰীয়া মাইকী মানুহৰ ঘৰত খুটি পুতি থাকেহিনে?

ৰসেশ্বৰীয়ে ভালদৰে কয়, কিন্তু মুহিধৰে বহি থকা পীৰাখনৰপৰা পকৰটো এৰুৱাই নিনিয়ে। 'এহ হ'ব দে' বুলি কথা নাই বতৰা নাই মিচিক-মাচাককৈ হাঁহি বহি থাকে।

সিদিনা পহিলা জেঠ, জেঠমাহৰ পহিলা দুপৰীয়া। চম্পাই পেটুৱাইতৰ ঘৰৰপৰা অনা কাজি নেমু এটি খুদ জলকীয়াৰ সৈতে নিমখ লগাই কাটি খালে। লগে লগে টোপনিটোৱেও আহি হেঁচা মাৰি ধৰে। মাক-জীয়েকে ফটা ৰিহা এখন পাৰি মজিয়াতে শুই পৰে। ভৰদুপৰীয়াখন ওলালগৈ মুহিধৰ। ৰসেশ্বৰীৰ চিলমিলকৈ টোপনি আহিছিল! কোনোবা এটা আধা খোলা দুৱাৰ হেঁচুকি অহাৰ উমান পাই উচপ খাই উঠে। ইফালে বিশৃংখল ৰিহা মেখেলা মুহিধৰৰ চকু ৰসেশ্বৰীৰ ওপৰলৈ উজাবলৈ খোজা মেখেলাখনেৰে উলোৱা বগা ভৰিহালত। লাজ, ভয়, ঘৃণা আৰু সংকোচত মানুহজনীৰ গাত কেৰেলুৱা কোঁচ পৰে। কেৰাচিন এসোপা ঢালি জুইশলা মৰাৰ দৰে অলপ পাছত ভমককৈ ৰসেশ্বৰীৰ মূৰত জুই একোৱা জ্বলি উঠে। কাষৰ বাঁহৰ চাংখনৰ তলত থোৱা কপিদাখন উলিয়াই দুপদুপাই খেদা মাৰি যায়। মুহিধৰে প্ৰথমে কি কৰো ধাৰণা কৰিব পৰা নাছিল, হঠাৎ চেতনা পাই পদূলিৰ ফালে ভিৰাই লৰে। অষ্ঠ-কণ্ঠ শুকান। কোনোটোৰ মুখত মাত নাই। দাত ৰখা ৰসেশ্বৰীৰ হাতৰ মুঠিটো কঠোৰৰপৰা কঠোৰতম হয়। ইফালে খপজপ কৈ দৌৰ দিয়া মাকৰ পিছে-পিছে ফুকলীয়া চম্পা। চম্পাৰ কান্দোন শুনি ৰসেশ্বৰী জপনামুৰতে থমকি ৰয়। মুহিধৰ তেতিয়াও পিছলৈ চাই দৌৰিয়ে আছে, ভৰদুপৰীয়াৰ থৰ লগা ৰাস্তাইদি। চম্পাৰ কান্দোনত নিমাওমাও দুপৰীয়াটো উচপ খাই উঠে। ৰসেশ্বৰী মানুহজনী কঁপি উঠে। বুকুখন কিবা এটাই হেঁচা মাৰি থৈ গ'লহি। ভিৰাই লৰ মৰা মুহিধৰক দূৰত দেখি গধূৰ বুকুখন মৰমৰাই উঠে।

— হেৰামজেদা, হেৰামজেদা। আহচোন তোক মেখেলাৰে জুবুৰিয়াম। কুকুৰে চল চাইছে; চোৱাপাত খোৱা পপীয়াৰ সঁচ, থুই! কপিদাৰে দুচোপা কৰিম গম পোৱা নাই? খেকাৰ খোৱা জাত।

ৰসেশ্বৰীয়ে চোতালতে কপিদাখন ঠেকেচা মাৰি পঠিয়ায়। হাতেৰে মাটিত ভেজা দি হুকহুকাই কান্দি উঠে। চম্পাক বুকুৰ মাজলৈ টানি কঁপাল চপৰিয়ায়। এবাৰ ৰাস্তাৰ ফালে, এবাৰ চম্পাৰ মুখলৈ চায়। বহুদূৰত মুহিধৰ, সুৰাগছজোপা... পথাৰখন... নামঘৰটো... ক্ৰমান্বয়ে আঁতৰি যায় মুহিধৰ।

তাৰপাছত বহুদিনলৈ মুহিধৰৰ দেখা সাক্ষাৎ নাই। কলীয়া, ৰসেশ্বৰহঁতৰো। সেইকেইদিন পেটত ভাত এটাও পৰা নাছিল। পাঁচ টকাৰ চিৰা দুমুঠি-দুমুঠি কৰি নিমখৰ সৈতে, আৰু জুহালত ভীমকল পুৰি খাইছিল। সিহঁতকেইটাই পদূলিৰপৰা আলেঙে-আলেঙে চাই যায়। ৰসেশ্বৰীয়ে দুদিনমান জৰীতলত তাইলৈ চাই ফিচিঙা-ফিচিঙ কৰি থকা দেখা পাইছিল। চাৰিআলিৰ সেই জৰীতলতে বহি গল্প কৰে, ফুচফুচাই ইটোৱে-সিটোৰ কাণত কৈ কিবা পাতে। পিছত মুহিধৰৰ বাহিৰে ইটো-সিটো এটা এটাকৈ উলালহি। মুখত আগৰ মাতবোৰ নাই। চিচাৰ গিলাছত মদ লৈ খাই যায়।

বহুদিনৰ মূৰত আজি মুহিধৰ উলাইছেহি। সুধিছে 'চম্পা নাই নেকি?' তাকে শুনি ৰসেশ্বৰে ৰসেশ্বৰীলৈ মুখ কৰি ফিচিঙা ফিচিঙি কৰি হাঁহিছে।

— কেলেই, কেলেই হা!

ৰসেশ্বৰীয়ে উচাত মাৰি ধৰে।

— ইনেই, ইনেই।

মুহিধৰে কথাষাৰ তল পেলাব খোজে। এবাৰ ৰসেশ্বৰীলৈ এবাৰ দুৱাৰৰ ফালে চকু ফুৰায়।

— আজি চেৰাপৰ বৰ চোক অ', আৰু কেইআঙুলমান লৈ আনচোন।

কলীয়াই মুখ খুলে।

ৰসেশ্বৰী সাউতকৈ ভিতৰলৈ যায়। গেলেনৰ মুখেৰে এবটল বাকি আনি মুখৰ আগত থেকেচা মাৰি থৈ যায়। হেঁচা মাৰি ৰখা কন্দোনটো তাই কোনো মতেই ধৰি ৰাখিব নোৱাৰে। ৰিহাৰ আগটোৰে চকুহাল ঢাকি পাছচোতালৰ সীমাৰ জেওৰাখনত ধৰি হুকহুকাই কান্দে। ভৰদুপৰীয়াটোৰ নিৰ্জনতাত চেপা কান্দোনটো ইফালে সিফালে ঘূৰি ফুৰে — অকলশৰে, ঠিক চেৰাপ বনোৱা গুৰ গেলোৱা গোন্ধটোৰ দৰে।❖

# এৰি অহা দিনবোৰক সাবটি...

**শাশ্বতী বৰদলৈ**

*স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ*



(১)

মনৰ মাজত বহুল উগুল-থুগুল, বহুতো ৰঙীন কল্পনা... উৰি যাব খুজিছে দক্ষিণ ভাৰতৰ মনোৰম দৃশ্যৰাজিলৈ... নীলগিৰিৰ সুকোমল গন্ধলৈ। ...যোৱা ২১ আগষ্ট (২০০৬) তাৰিখে গুৱাহাটী-বাংগালোৰ এক্সপ্রেছখনত উঠিছিলো। মনৰ মাজত যেন খেলি আছিল নানান নৃত্যৰ ছন্দই। 2nd Sem. দি অহা ভাইটিক (Student of computer Engineer) থ'বলৈ আমি সপৰিয়ালে বাংগালোৰ গৈছিলো। আঃ কিমান ভাল লাগিব, দক্ষিণ ভাৰতৰ এই মনোমোহা ঠাইখনক স্বচক্ষুৰে চাবলৈ পাম! মোৰ মনৰ মাজত সেই সময়ত নাচি আছিল নতুন নতুন কল্পনা... নতুন ঠাইৰ ৰঙীন ছবি... বজাৰ... কাপোৰ আৰু যে কি! আমাৰ লগত আমাৰ পৰিয়ালৰে আৰু দুজনমান সদস্য গৈছিল।

... পুৱা ৬ বজাত এক মিঠা আমেজ লৈ নিজৰ ক'চ (coach)ৰ ফালে আগবাঢ়িলো। আমাৰ কম্পাৰ্টমেণ্টটোত আমাৰ পৰিয়ালৰে আঠজন। দুজন হে ভূৱনেশ্বৰৰ যাত্ৰী। ট্ৰেইন যাত্ৰাৰ দীঘলীয়া তিনিদিন আমি আনন্দৰেই পাৰ কৰিলো (মঙ্গলবাৰে পুৱা ৬ বজাৰপৰা বৃহস্পতিবাৰে ৰাতি ২ বজালৈ)। এই তিনিদিন সোনকালেই পাৰ হৈ গ'ল। অসমৰ অতিকৈ আপোন, অতিকৈ মৰমৰ প্ৰাকৃতিক শোভা পাৰ কৰি ক্ৰমে গৈ আছিলো পশ্চিমবঙ্গ, বিহাৰ(একাংশ), উৰিষ্যা, অন্ধ্ৰপ্ৰদেশ, চেন্নাইলৈ। অৱশেষত বৃহস্পতিবাৰে ৰাতি ২ বজাত (ৰামপুৰৰ ওচৰৰ দলং এখন ভঙা বাবে বাংগালোৰ গৈ পোৱাত দেৰি হৈছিল। সাধাৰণতে ২ ½ দিনতে পায়গৈ) কৰ্ণাটকৰ Majestic ত নামিলোগৈ। Majestic-ৰ ওচৰৰে (১ কিঃমিঃ মান দূৰৈৰ) ল'জ এখনত আমি থকাৰ ব্যৱস্থা কৰিলো।

সময় ৮ বাজি গৈছে। আগদিনা ৰাতিৰ কষ্ট পূৰ হোৱা নাছিল যদিও আমি নতুন উদ্যমেৰে ল'জৰ গে'টৰ সন্মুখত থিয় দিলোহি। উদ্দেশ্য ৰাতিপুৱাৰ আহাৰ গ্ৰহণ কৰা। আহাৰ গ্ৰহণ কৰাৰ পাছত খুব মন গ'ল বাংগালোৰ চিটিখন চোৱাৰ। দেউতাই প্ৰস্তাৱ দিলে যে, যিহেতু ইয়াৰ আগৰ বছৰ ভাইটিক থ'বলৈ আহি গোটেই চিটিখন ফুৰিছিল, গতিকে গাইডৰ সহায় লোৱাতকৈ অ'ট' বা ভান এখনেৰে গোটেই চিটিখনৰ মূল বস্তুবোৰ চাব পাৰি। সেয়ে আমি অ'ট' ভান ষ্টেণ্ডলৈ গ'লো। এখন অ'ট' ঠিক কৰা হ'ল। আচৰিত হ'ব লগা কথা যে, গোটেই চিটিখনৰ মূল বস্তুবোৰ চাওঁতে গোটেই দিনটো লাগিব আৰু গোটেই দিনৰ ৬-৭ ঘণ্টাৰ (পুৱা ১০ বজাৰ পৰা আবেলি ৫ বজালৈ) বাবে অ'ট'খনে ভাড়া বিচাৰিলে মাত্ৰ ৩০০/- টকা। আমি ২০৫/- টকাত ঠিক কৰি প্ৰথমে গ'লো 'টিপু চুলটান পেলেচ' (Tipu Sultan Palace)। তাৰ সুন্দৰ কাৰুকাৰ্যই আমাক বিমোহিত কৰি তুলিলে। ই পুৰণি হৈছে যদিও ইয়াৰ সুন্দৰতা বৰ্তমানেও অনস্বীকাৰ্য। 'টিপু চুলতান পেলেচ'ৰ কাষতে আছে বালাজী মন্দিৰ। (উল্লেখযোগ্য যে, দক্ষিণ ভাৰতত বালাজী ভগৱানক বহুত মানে। প্ৰকৃত বালাজী মন্দিৰ তিৰুপতিত আছে যদিও বাংগালোৰতো আছে। কিন্তু তিৰুপতিৰ প্ৰকৃত মন্দিৰতকৈ ই বহু সৰু।) ইয়াৰ পিছত আমি চামুণ্ডেশ্বৰী মন্দিৰ আৰু Bull temple দৰ্শন কৰিবলৈ গ'লো। চামুণ্ডেশ্বৰী মন্দিৰৰ বাবে আমি প্ৰসাদ হিচাপে নাৰিকল, বাটাছা ইত্যাদি ললো। উল্লেখযোগ্য ইয়াৰ প্ৰত্যেক মন্দিৰতে এগছ ডাঙৰ চাকিত জ্বলি থকা জুইৰ (শলিতাৰ

জুই) তাপ হাত ফুৰাই চকুৰে-মুখে লোৱাটো নিয়ম আৰু ফোঁট ইত্যাদিও নিজে ল'ব লাগে। চামুণ্ডেশ্বৰী মন্দিৰৰ কাষতে আছে শিৱ মন্দিৰ আৰু ৰাম মন্দিৰ। অলপ ওপৰলৈ (চিৰিয়েদি ওপৰলৈ উঠি যাব লাগে) আছে Bull temple. মহাদেৱ শিৱৰ বাহন ষাঁড় গৰুৰ মন্দিৰ।

মন্দিৰ দৰ্শনৰ পিছত আমি গ'লো Lalbagh Botanical Garden' লৈ। লালবাগ বিভিন্ন ফুলৰ বাবে বিখ্যাত। ইয়াত বিভিন্ন জাতীয় ফুল, গছ আছে। Horticulture, Nurseryৰ বাবে ইয়াৰ পৰা বীজো নিয়া হয়। তাৰোপৰি বিভিন্ন লন গ্রাছৰ(Loan grass) বাবেও বিখ্যাত। লালবাগ পাৰ্কৰ সুন্দৰ কাৰুকাৰ্য, একুৱাৰিয়াম অতি মনোমোহা। (আমি দিনৰ ভাগতে গৈছিলো বাবে লাইটৰ পোহৰৰ জাকজমকতা দেখা নাপা'লো।) ইয়াৰ Glass house বিখ্যাত।

লালবাগ চোৱাৰ পাছত আমি গ'লো ইয়াৰ বিখ্যাত আৰ্ট গেলাৰীলৈ। গেলাৰীলৈ যাওঁতে আমাক দেখুৱাই লৈ গ'ল Indoor Stadium আৰু লগতে আমি দেখিবলৈ পালো সেই ফিল্ডখন য'ত ক্রিকেটৰ মহাৰথীসকলৰ আগমন ঘটে। আৰ্ট গেলাৰী যাওঁতে বাটত পাই গৈছিলো সুদৃশ্য বিধানসভাৰ ভৱন। সুন্দৰ সুন্দৰ Oil painting, Clay modelling -ৰে ভৰা আৰ্ট গেলাৰী চোৱাৰ পাছত আমি গ'লো Science musium লৈ। ইয়াত আছিল ৰবাৰ্ট ভ্রাতৃদ্বয়ৰ প্ৰথম আৱিষ্কাৰ আকাশীযানৰ মডেল, air wings ৰ মডেল, গ্রাহামবেলৰ টেলিফোনৰ মডেল ইত্যাদি প্ৰথম আৱিষ্কাৰ বিজ্ঞানৰ মডেলবোৰ।

তিনি বাজি গৈছিল। আমি ইমানপৰে নতুন আমেজৰ মাজতে বুৰ গৈ আছিলো। গমেই নাপালো সময়বোৰ ক'লৈ গ'ল! Non-veg ৰ ডাঙৰ ৰেষ্টোৰা এখনত আমাৰ দুপৰীয়াৰ আহাৰ গ্রহণ কৰিলো। ইয়াৰ পিছত আমি আগবাঢ়িলো Shopping mall-বোৰৰ পিনে। এস্কেলেটৰত উঠাৰ মজাই বেলেগ! আমি সোমাই পৰিলো emporium বোৰত। কৰ্ণাটকী শাৰীৰ মোহত যেন সোমাই গ'লো!

... সন্ধিয়া ৮ মান বাজিছে। আমি অভিমুখী হ'লো হোটেলৰ পিনে। ৰাতি আহাৰ গ্রহণ কৰাৰ আগে আগে দেউতাই tourist centre এটাত মহীশূৰ আৰু ওটিৰ যাত্ৰাৰ বাবে খবৰ লৈ আহিল। মনটো আনন্দত নাচি উঠিল।

(৩)

ৰাতিপুৱা ৬ বজাত আমাৰ ল'জখনৰ সন্মুখতে থকা tourist centre টোত উপস্থিত হলোগৈ। গাড়ীখন তেতিয়াও আহি পোৱাহি নাছিল। হয়তো আন আন ল'জ, হোটেলবোৰৰ পৰাও tourist বোৰ উঠাই আনিছিল। ৭ বজা মানত গাড়ীখন আহি পালে। মোৰ চকুৰ আগত ভাহি থাকিলহি টাঙ্গা গাড়ীকেইখন... য'ত উঠি অলপ সময়ৰ পিছতে আমি ফুৰিবলৈ পাম! ... তিনিঘন্টামানৰ পাছত আমাৰ breakfast ৰ বাবে গাড়ীখন ৰখালে। পুৰি-ভাজি-কফি খোৱাৰ পাছত পুনৰ আমাৰ যাত্রা আৰম্ভ হ'ল। মহীশূৰ পাওঁ পাওঁ হৈছে, গাইডজন নিজৰ ঠাইৰ পৰা উঠি আহি মহীশূৰৰ বিষয়ে ক'বলৈ আৰম্ভ কৰিলে।

...আমি চেণ্ডেল গাড়ীৰ ভিতৰতে থৈ বিষ্ণুমন্দিৰলৈ আগবাঢ়িলো। এই মন্দিৰটো ১২০০ বছৰ পুৰণি। বিষ্ণুমন্দিৰটো 'Sri Rangapatha Swami' নামে জনাজাত। বিষ্ণুমন্দিৰ দৰ্শনৰ পাছত আমি আগবাঢ়িলো চামুণ্ডেশ্বৰী মন্দিৰলৈ। (বাংগালোৰতো চামুণ্ডেশ্বৰী মন্দিৰ আছে) এই মন্দিৰ যিটো পাহাৰত আছে, তাৰ নাম হৈছে 'চামুণ্ডী হিল' (Chamundi Hill)। মন্দিৰ দৰ্শনৰ পাছত আমাক দুপৰীয়াৰ আহাৰৰ বাবে লৈ যোৱা হ'ল। 'South Indian Thali' ৰে আমি দুপৰীয়াৰ আহাৰ গ্রহণ কৰিলো। দুপৰীয়া আহাৰ গ্রহণ কৰোতে লক্ষ্য কৰিছিলো (বাংগালোৰতে হওক মহীশূৰতেই হওক) এবিধ বিশেষ বস্তু দিয়ে— দৈৰে বনোৱা ভাত/চাউলৰ বাতি। পায়সৰ দৰে দেখাত। দৈ ভাত বুলি ক'ব পাৰি। কিন্তু মোৰ বাবে ই আছিল সোৱাদবিহীন। দৈ ভাত! ... আমি আগবাঢ়িলো ইয়াৰ বিখ্যাত Cherch-ৰ পিনে। ইয়াৰ নাম আছিল St. Marry। তাৰ পিছত আমাক লৈ যোৱা হ'ল মহীশূৰৰ বিখ্যাত ৰাজপ্রাসাদটোলৈ— 'Mysore Palace'। প্রাসাদটো ইমান ধুনীয়া যে লিখিত ৰূপত ইয়াক যেন বৰ্ণনা কৰিব নোৱাৰি! ইয়াক চোৱাৰ বাবে আমাক দুঘন্টা সময় দিয়া হৈছিল. কিন্তু এই দুঘণ্টাও যেন আমাৰ বাবে অতি কম সময় এনে লাগিল। মহীশূৰৰ ৰজাৰ বংশাৱলীৰ পৰিচয় ইয়াত চিত্রিত কৰা আছিল। প্রসাদৰ পৰা ওলাই আহি আমি অলপ বজাৰ কৰিলো। তাৰপাছত আমাক লৈ যোৱা হ'ল ইয়াৰ Emporium বোৰলৈ। চন্দন আৰু ৰেচম নগৰী মহীশূৰৰ Emporium বোৰত চন্দন কাঠেৰে নিৰ্মিত সুন্দৰ বয়-বস্তুবোৰে আমাৰ দৃষ্টি আকৰ্ষিত কৰিছিল। ঠিক তেনেদৰে Silk emporium বোৰত থকা বিভিন্ন শাৰী-চুৰিদাৰবোৰেও সকলোকে আকৰ্ষিত কৰা যেন লাগিল।

Emporium বোৰৰ পৰা ওলাই আমি আগবাঢ়িলো 'বৃন্দাবন গাৰ্ডেন'লৈ (Vrindavan Garden)। তাত সোমোৱাৰ লগে লগেই আমাক বৰষুণে পালে। আমি rain cap কিনি ল'লো। গাৰ্ডেনখনৰ এবিধ বস্তুৱে সকলো পৰ্যটকক আকৰ্ষিত কৰে। আৰু ইয়াকে চাবলৈ যেন সকলোবোৰ ঢপলিয়াই যায়! ই হৈছে 'musical efuara'। বিভিন্ন গীতৰ ছন্দ ছন্দ পানীৰ ফোৱাৰা নাচি উঠে নৃত্যময়ী ছন্দত। আমি যাওঁতে দক্ষিণ ভাৰতীয় গীতৰ লহৰে লহৰে পানীখিনিয়ে নাচি আছিল। অলপ পিছতে আমি শুনিবলৈ পাইছিলো 'চাৰে জাহা সে আচ্ছা' শীৰ্ষক গীতটি। ... সঁচাকৈয়ে অতি মনোমোহা আছিল! ... বটিং মোৰ অন্য এক নিচা। সেই ৰাতিও মই গাৰ্ডেনখনৰ লেকত বটিং কৰিবলৈ হুলস্থুল কৰিলো। লেকটোত পানীয়ে উফন্দি আছিল। মায়ে ব'টিং কৰিবলৈ দিবলৈ ভয় কৰিলে। মইও নাচোড়বান্দা। অৱশেষত দেউতাৰ পৰা মৃদু গালিৰসোৱাদহে পালো! মনটো ডাঠ কৰি মই মাহঁতৰ পিছে পিছে গৈ অন্য এখন গাড়ীত উঠিলোগৈ। আমি যিহেতু পিছদিনা ওটি যাম, সেয়ে বাংগালোৰলৈ উভতি যোৱা গাড়ীখনৰ সলনি অন্য এখন গাড়ী গাইডজনেই ঠিক কৰি দিলে। আমি সেইখন গাড়ীত উঠিয়েই মহীশূৰৰ হোটেল এখনলৈ গ'লো।

(৪)

উফন্দি থকা মুখখন শান্ত কৰিবলৈ মায়ে মোক এযোৰ কাপোৰ দিলে। মনৰ আনন্দত ৰাতিটো পাৰ কৰি পুনৰ ৬ বজাত সাজু হ'লো ওটি ভ্রমণৰ বাবে। ...মিহি মিহিকৈ ভাঁহি আহিল দক্ষিণ ভাৰতীয় গীতৰ (কৰ্ণাটকী প্রাৰ্থনা সংগীত) মধুৰ সুৰৰ লহৰ। আঃ! মনটো গীতৰ সুৰে

সুৰে যেন নাচিবলৈ ধৰিলে। তেতিয়া ৰাতিপুৱাইছেহে। (মানে পোহৰ হৈছেহে, সেইফালে ৬ বজামানত পোহৰ হয়হে... আন্ধাৰ হয় ৭-৩০/৮ বজা মানত)। আমাক তললৈ ফোন কৰি মাতিলে।

আমাৰ যাত্ৰা আৰম্ভ হ'ল ওটি অভিমুখে। ওটিৰ বিষয়ে ইয়াৰ আগেয়ে মোৰ জ্ঞান সীমিত আছিল। মাথোঁ পঢ়িছিলো কফি, চাহ ইত্যাদিৰ বাবে বিখ্যাত বুলি। ৰাস্তাত এখন Silk Emporiumৰ ওচৰত গাড়ীখন ৰখালে। তাৰ লগতে এখন cafe আছিল। ৰাতিপুৱাৰ আহাৰ আমি তাতে গ্ৰহণ কৰিলো। ...ৰাস্তাত পালো 'বান্দীপুৰ ৰাষ্ট্ৰীয় অভয়াৰণ্য' (Bandipur National Park)। ৰাস্তাৰ কাষতে ওলাই আছিল ফুটুকা-ফুটুকী হৰিণবোৰ। ম'ৰা আৰু বিভিন্ন চৰাই। মনটো ভাল লাগিল। ... যাত্ৰা কৰি গৈ আছো নীলগিৰি পাহাৰেদি। ওখ ঠাই ওটি। নীলগিৰি পাহাৰৰ গাতে লগা ৰাস্তাইদি আমি ওপৰলৈ উঠি গৈ আছো। বিৰাট ডাঙৰ U turn। ...আঃ! vicks জাতীয় এক গোন্ধে মনটো ভৰাই পেলালে। Guide জনে আমাক ক'লে সেয়া নীলগিৰি গছৰ গোন্ধ। ইয়াৰ পৰা vicks, bulm জাতীয় বস্তু বনোৱা হয়। সেয়ে নেকি ওপৰলৈ উঠি যাওঁতে ইমান ঠাণ্ডা লগা সত্বেও ঘূৰি আহোতে আমাৰ অসুখ হোৱা নাছিল!

ওটি পাওঁ পাওঁ হৈছে। গাইডজনে যেতিয়া ওটিৰ লেকত ব'টিং কৰিব পাৰিব বুলি ক'লে মনটো নাচি উঠিল। আগদিনাৰ খং-অভিমান নাইকিয়া হৈ গ'ল। আমি প্ৰথমে আগবাঢ়িলো 'Thread Garden'ৰ ফালে। গাইডজনে আমাক ইয়াৰ বৰ্ণনা দি ক'লে—

'Ladies and gentlemen, this is thread garden, all of flowers of this garden made by thread... that is lotus, rose, lily etc. all of flowers made by thread...' —সূতাৰে নিৰ্মিত thread garden খনৰ তুলনা সঁচাকৈয়ে অতুলনীয়। এই সূতাৰ বাগিচাখন বনাওতে দুবছৰ লাগিছিল।

...এয়া মই এতিয়া নাৱৰ ওপৰত। ইয়াতে 'Maine pyaar kiya' বিখ্যাত 'Dildeewana...' গানটোৰ শুটিং হৈছিল। ... ইমান মনোমোহা প্ৰাকৃতিক পৰিৱেশ... Excellent! মোৰ ভাষা নাই। ব'টিং হাউচৰে ওচৰতে থকা pizza hut খনত pizza খালো আৰু 'horse riding' কৰিবলৈ ঘোঁৰা বিচাৰিলো। ... দুপৰীয়াৰ আহাৰৰ পিছত আমাক লৈ যোৱা হ'ল 'Ooty Botanical Garden' লৈ। গাৰ্ডেনখনত থকা ১ ঘণ্টা সময় কিদৰে পাৰ হৈ গ'ল গমেই নাপালো।

...ওটিৰ পৰা আহিবলগীয়া হোৱাত মনটো গধুৰ লাগিল। সোনকালে ওটি এৰি আহিবলগীয়া হোৱাত সঁচাকৈয়ে মনটো গধুৰ গধুৰ যেন হ'ল। আমি ওটিৰ পৰা ৫ মান বজাত বাংগালোৰলৈ বাওনা হ'লো। ...ৰাতি ৩-৩০ বাজিছে। আমি পুনৰ উপস্থিত হ'লোহি বাংগালোৰত।

(৫)

হাতত দুদিন সময় থকা বাবে আমি ক'ৰবাত ফুৰাৰ বাবে ঠিক কৰিলো। কন্যাকুমাৰী, ৰামেশ্বৰম যোৱাৰ বহুত মন আছিল, কিন্তু কন্যাকুমাৰী আৰু ৰামেশ্বৰমতেই আমাৰ দুদিন লাগিব, ইফালে আমাৰ ট্ৰেইনো আছে দুদিন পিছতে। সেয়ে তালৈ নগৈ তিৰুপতি যোৱাকে ঠিক কৰিলো। আমি তিৰুপতি ফুৰোতে এদিনহে লাগিব, সেয়ে তাকে ঠিক কৰা হ'ল। ৰাতি ১০-৩০ বজাত বাচ আছিল। আমি আবেলি সময়লৈ চানদেভেনাহাল্লি গ'লো। ভাইটিৰ কলেজ (Archarya Institute) আৰু হোষ্টেল চাবলৈ। ৰাতি ন বজাত নিশাৰ আহাৰ গ্ৰহণ কৰি বাচৰ অপেক্ষাত থাকিলো।

... ৫ বজাত (ৰাতিপুৱা) তিৰুপতি (অন্ধ্ৰপ্ৰদেশ) পালোগৈ। আমাক finger printৰ বাবে লৈ যোৱা হ'ল। (তিৰুপতিৰ বালাজী মন্দিৰ দৰ্শনাৰ্থীৰ বাবে এই নিয়ম(?) পুৱা ৬ বজাত পদ্মাৱতী মন্দিৰ দৰ্শনৰ বাবে লৈ যোৱা হ'ব। সূৰ্য উদয় হোৱাৰ লগে লগে এই মন্দিৰ বন্ধ হয় বুলি গাইডজনে ক'লে। আমাক হোটেল এখনলৈ লৈ যোৱা হ'ল। কিন্তু যিটো ৰুমত ৰাখিলে তাত পানী নাছিল। ইতিমধ্যে আধাঘণ্টা গ'লেই। আমাৰ লগতে অইন পৰ্যটক/দৰ্শনাৰ্থীকো তলৰ ৰুমলৈ অনা হ'ল। সকলোৰে বাবে মাত্ৰ আধা ঘণ্টা সময়। দুজন দুজন আছে সকলোৰে লগত। আমি আছো চাৰিজন। মই, মা-দেউতা আৰু ভাগিন এজন। চাৰিজনৰ বাবে আধাঘণ্টাত গা-ধুই ওলোৱাটো অসম্ভৱ! আমাৰেই দুৰ্ভাগ্য আমাক এৰি গাড়ী গুচি গ'ল। পিছত গাইডজনে নিজৰ দোষ বুজিব পাৰি আমাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলে। পদ্মাৱতী মন্দিৰ দৰ্শন নোহোৱাৰ বাবে আমাৰ খুউব বেয়া লাগিল। তথাপিও 'বালাজী' দৰ্শনৰ বাবে গ'লো। জিপত উঠি আমি গৈ থাকিলো পাহাৰৰ ওপৰলৈ। একা বেঁকা ৰাস্তা, কিন্তু পকী ৰাস্তা। ১ ঘণ্টা মানৰ পিছত আমি মন্দিৰৰ ওচৰ পালোগৈ। গাইডজনে আমাৰ বাবে (সকলোৰে বাবে) টিকট সংগ্ৰহ কৰি আনিলে। মন্দিৰ চৌহদলৈ তথা ভিতৰলৈ কেমেৰা, ম'বাইল নিয়া নিষেধ। আনকি মন্দিৰলৈ নাৰিকল, ধূপ লৈ যোৱাও নিষেধ। আমি বাহিৰতে থকা বালাজীৰ মূৰ্তি আৰু অংশত নাৰিকল ভাঙিলো, ধূপ জ্বলালো। 'জয়গোবিন্দ' ধ্বনিৰে 'বালাজী' দৰ্শনৰ বাবে মানুহবোৰ আগবাঢ়ি গ'ল। ভিতৰত আছিল কটকটীয়া নিৰাপত্তা ব্যৱস্থা। প্ৰত্যেকটো দুৱাৰমুখতে কম্পিউটাৰৰ ব্যৱস্থা। কমেও তিনিঘণ্টামানৰ পিছতহে ওলাই আহিব পৰা যায়। মন্দিৰৰ লাড্ডু(প্ৰসাদ)ৰ সোৱাদেই বেলেগ।

আমি মন্দিৰৰ পৰা ওলাই আহিলো আৰু পুনৰ আমাৰ যাত্ৰা আৰম্ভ হ'ল বাংগালোৰ-অভিমুখে।

(৬)

এটা দিন আমি পুনৰ বাংগালোৰৰ বাবে ল'লো। বিভিন্ন ধৰণৰ Shopping কৰিলো। যদিও কোৱা হয় বাংগালোৰ 'costly place' তথাপিও মই বজাৰ কৰি খুবেই তৃপ্তি অনুভৱ কৰিলো। কাপোৰৰ দাম বেছি যদিও electronics-ৰ দাম অলপ সস্তা।

ৰাতিলৈ আমাৰ ট্ৰেইন আছিল। অসমলৈ পুনৰ ঘূৰি আহিম। কিন্তু মনটো যে কেনে লাগিল! গধুৰ গধুৰ মনেৰে মই উভতিছো। মোৰ পদ্মাৱতী মন্দিৰ দৰ্শন নহ'ল। দেউতাই মোৰ কন্দনামুৱা মুখখন দেখি পুনৰ তিৰুপতি আহিব বুলি কথা দিলে। ...আমাৰ ট্ৰেইন ক্ৰমে দক্ষিণ ভাৰতৰ পৰা উত্তৰ দিশে গতি কৰিলে। মোৰ বুকুৰ মাজত, মনৰ মাজত থাকিল এমুঠি মিঠা ছবি।❖



# ড° অমৰজ্যোতি চৌধুৰী

## উপাচাৰ্য, গুৱাহাটী বিশ্ববিদ্যালয়

**(১) শিক্ষাবিদ হিচাপে অসম তথা ভাৰতৰ শিক্ষাব্যৱস্থাক লৈ আপুনি সন্তুষ্টনে ?**

বৰ্তমান সমগ্ৰ বিশ্বতে শিক্ষা ব্যৱস্থাটোৰ এক বিশেষ পৰিৱৰ্তন হৈছে। চীন দেশত নতুনকৈ ২০০ খন বিশ্ববিদ্যালয় গঢ় লৈ উঠিছে। কিন্তু, এইক্ষেত্ৰত, ভাৰতবৰ্ষ বহুখিনি পিছপৰি আছে। এটা কথা সঁচা যে — ভাৰতত পাণ্ডিত্যৰ অভাৱ নাই ; দুৰ্বল আন্তঃগাথনি, অৰ্থনৈতিক সমস্যা ইত্যাদিয়েই ইয়াৰ মূল কাৰণ। অসমতো কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ ধনৰ অভাৱ নাই। কিন্তু, গুৱাহাটী বা ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰধানকৈ অৰ্থনৈতিক সমস্যাৰ সন্মুখীন হৈছে। গতিকে, আৰ্থিক দুৰ্বলতাৰ বাবেই অসমৰ বা ভাৰতৰ শিক্ষা ব্যৱস্থাই বিশেষ অগ্ৰগতি লাভ কৰিব পৰা নাই।

**(২) উত্তৰ-পূৰ্বাঞ্চলত অত্যাধুনিক আৰু কাৰিকৰী বিষয়ক বিশ্ববিদ্যালয় (Technical University) গঢ়ি উঠাৰ প্ৰয়োজন আৰু পৰিৱেশ আছেনে ?**

প্ৰয়োজন আৰু এক সুস্থ পৰিৱেশ উত্তৰ-পূৰ্বাঞ্চলত নিশ্চয় আছে। কিন্তু, এনেবোৰ বিশ্ববিদ্যালয় গঢ় লৈ উঠাৰ ক্ষেত্ৰত চৰকাৰৰ সহায় নিতান্তই প্ৰয়োজনীয়। নহ'লে এনে অনুষ্ঠান ব্যক্তিগত খণ্ডৰ অন্তৰ্ভুক্ত হ'ব আৰু ফলত ছাত্ৰ-ছাত্ৰীৰ মাচুলৰ হাৰ বেছি হ'ব।

**(৩) ছাত্ৰ-ছাত্ৰীৰ বহিৰ্গমন হ্ৰাস কৰিবলৈ অসমত কেনেধৰণৰ পাঠ্যক্ৰম প্ৰৱৰ্তনৰ প্ৰয়োজন ?**

বহিৰ্গমন সম্পূৰ্ণভাৱে নিৰ্মূল কৰিব নোৱাৰি। কিন্তু, এই প্ৰক্ৰিয়া হ্ৰাস কৰিবলৈ অসমত বৃত্তিমুখী পাঠ্যক্ৰম প্ৰৱৰ্তনৰ বিশেষ প্ৰয়োজন আছে। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ে ৩০ টা এনে পাঠ্যক্ৰম মুকলি কৰিছে কিন্তু, কলেজসমূহত এইবোৰ প্ৰৱৰ্তন কৰিব পৰা হোৱা নাই। কাৰণ, এইক্ষেত্ৰত যথেষ্ট সা-সুবিধাৰ প্ৰয়োজন আছে। কলেজসমূহত এইবোৰৰ বাবেকৈয়ে অভাৱ ঘটিছে। গতিকে, চৰকাৰ বা UGC ৰ সহযোগত এনে সুবিধাসমূহ গ্ৰহণ কৰিবলৈ কলেজসমূহে এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। এইক্ষেত্ৰত, কটন কলেজৰ ভূমিকা আদৰণীয় আৰু অনুকৰণীয় হ'ব।

**(৪) অসম আৰু সৰ্বভাৰতীয় পৰীক্ষাৰ নম্বৰ প্ৰদান পদ্ধতিৰ (Marking System) ক্ষেত্ৰত আপোনাৰ মতামত কি ?**

Marking System বিজ্ঞানসন্মত হ'ব লাগে। ভাৰতৰ বাহিৰত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা নিৰ্দ্ধাৰণ কৰে Grading System ৰ যোগেদি। ভাৰতৰ CBSE য়েও Grading System কৰিবলৈ আগবাঢ়িছে। ভাৰতবৰ্ষৰ বহুকেইখন উচ্চমানবিশিষ্ট বিশ্ববিদ্যালয়েও Grading System কৰাৰ সিদ্ধান্ত লৈছে। এনে কৰিলে প্ৰতিভা নিৰ্ধাৰণ যুক্তিসংগত হ'ব।

**(৫) গুৱাহাটী বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ শিক্ষা আৰু গৱেষণাৰ মানদণ্ড কেনে বুলি অনুভৱ কৰে ? বিশ্ববিদ্যালয়খনৰ উন্নয়নৰ ক্ষেত্ৰত আপুনি কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিব বিচাৰে ?**

সাম্প্ৰতিক প্ৰেক্ষাপটত গভীৰ দৃষ্টিভংগীৰে চালে অনুভৱ হয় — গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মানদণ্ড নিশ্চয় আছে। গৱেষণাৰ ক্ষেত্ৰটো বিশেষ অবিহণা আছে। কিন্তু, এই শিক্ষা আৰু গৱেষণাৰ মানদণ্ড অধিক উন্নত কৰিবলৈ যথেষ্ট পৰিমাণৰ অৰ্থৰ প্ৰয়োজন। অসম চৰকাৰৰপৰা যিখিনি ধন লাভ কৰিছো, তাৰ যোগেদি গৱেষক, অধ্যাপকসকলক গৱেষণাৰ ক্ষেত্ৰত কিছু সা-সুবিধা প্ৰদানৰ সিদ্ধান্ত লৈছো। আৰু লাহে লাহে বিশ্ববিদ্যালয়খনক চৰকাৰৰ সহযোগত সকলো দিশতে এক অনন্য মাত্ৰা প্ৰদান কৰাৰ কথা ভাবিছো।

গুৱাহাটী বিশ্ববিদ্যালয় আৰু তাৰ অধীনত থকা কলেজসমূহৰ মাজত এক ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিবৰ বাবে Knowledge network, video conference, Electronic Connectivity আদি কিছুমান নতুন ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে আলোচনা কৰি আছো। এইক্ষেত্ৰত, চৰকাৰৰ সহায়-সহযোগিতা আমাক নিতান্তই প্ৰয়োজন হ'ব।❖



# সূৰ্যকুমাৰ ভূঞাৰ সাধনা সিক্ত চিন্তাৰ লহৰ

## প্ৰবন্ধ


- আধুনিকতাৰ জিলিঙনিত আধুনিক অসমীয়া কবিতাৰ প্ৰথম পৰ্ব ঃ ড° **মহেশ্বৰ কলিতা** ৫১
- অসমৰ ছাত্ৰ আন্দোলন আৰু সাম্প্ৰতিক প্ৰেক্ষাপট ঃ **জাহ্নু ভৰদ্বাজ** ৫৬
- বোলছবি বনাম ভ্ৰাম্যমাণ থিয়েটাৰ ঃ **অনুৰাগ শইকীয়া** ৫৯
- যোগ- এজন কটনিয়ানৰ অনুভৱ... ঃ **ৰাকেশ কুমাৰ শৰ্মা** ৬৩




## কবিতা


- মহানাগৰিক বিষণ্ণতা ঃ **অনন্যা বৰা** ৬৫
- পৃথিৱীৰ শোক ঃ **মৈত্ৰেয়ী পাটৰ** ৬৫
- কিছু সজোৰা শব্দ আৰু কটন কলেজ ঃ **মানসজ্যোতি শৰ্মা** ৬৬
- জীৱন, পখী, হত্যা ইত্যাদি ঃ **চন্দামিতা গোস্বামী** ৬৬
- পানী ঃ **মৃদুলা মেদক** ৬৭
- জোনাকী পৰীৰ সাধু ঃ **লোপামুদ্ৰা কাশ্যপ** ৬৭
- আশাৰ জালত বন্দী নিঃস্ব মানৱ মই ঃ **মিতালী গোস্বামী** ৬৮
- স্কেচ, এটি যন্ত্ৰণাদগ্ধ ৰাতিৰ ঃ **কৃষ্ণা সোণোৱাল** ৬৮




## গল্প


- অচল টকা ঃ **ধৰিত্ৰী দত্ত** ৬৯
- কাঠৰ দলংখন আৰু সি ঃ **মৌচুমী সন্দিকৈ** ৭১


## গ্ৰন্থ সমালোচনা


- নাৰীবাদী চিন্তাৰ নতুন ফচল ঃ **যাদবেন্দ্ৰ বৰা** ৭৫


## সাক্ষাৎকাৰ


- ড° দিলীপ কুমাৰ বৰুৱা ৭৬


'মোৰ জীৱনৰ আটাইতকৈ মধুৰ মুহূৰ্ত হ'ল কটন কলেজত থকা কালছোৱা— প্ৰথম এজন ছাত্ৰ হিচাপে আৰু দ্বিতীয়তে এজন শিক্ষক হিচাপে। আৰু মই নিজে এতিয়াও কটনিয়ান হিচাপে দৰ্বাৰ গৌৰৱ অনুভৱ কৰোঁ— কল্পনাৰ শেষ বিন্দুলৈকে।'— সূৰ্যকুমাৰ ভূঞা



# আধুনিকতাৰ জিলিঙনিত 'আধুনিক' অসমীয়া কবিতাৰ প্ৰথম পৰ্ব



**ড° মহেশ্বৰ কলিতা**

*প্ৰবক্তা, অসমীয়া বিভাগ*

সাহিত্য-সমালোচনাত আধুনিক(modern) আৰু আধুনিকতা (modernity) দুটা বহু আলোচিত আৰু বিতৰ্কিত শব্দ। অভিধানিক অৰ্থত 'আধুনিক' মানে আজিকালিৰ, এতিয়াৰ। এই বিশেষ্য শব্দটোৰ বিশেষণ ৰূপ হ'ল 'আধুনিকতা'। যাৰ সহজ অৰ্থ হ'ব পাৰে 'আধুনিক' বা 'এতিয়াক' অলংকৃত কৰা গুণৰাজি। সমালোচক ড° কবীন ফুকনৰ ভাষাত— 'অধুনা কাললৈ টোৰাই থকা গুণৰাজিয়েই আধুনিক গুণ বা আধুনিকতা'। যদিও এই ধাৰণাটোৰ উৎপত্তি স্থল হ'ল ইউৰোপ; ঠাই, জাতি বা দেশভেদে আধুনিকতাৰ লক্ষণ বেলেগ বেলেগ হ'ব পাৰে। অধ্যাপক পাৰ্থ চেটাৰ্জীয়ে ১৯৯৬ চনত চেনেগালৰ ইৰাছমাচ বিশ্ববিদ্যালয়ত (Erasmus University, Rooterdam, Senegal, Netherlands) আগবঢ়োৱা 'Our Modernity' শীৰ্ষক বক্তৃতাত বাংলা সাহিত্যত আধুনিকতা সম্পৰ্কে মতামত দিবলৈ গৈ কৈছিল ঃ

...there might be modernities that are not ours, or, to put in another way, that there are certain peculiarities about our modernity. It could be the case that what others think of as modern, we have found unacceptable, whereas what we have cherished as valuable elements of our modernity, others do not consider to be modern at all. 'আধুনিক বাংলা কবিতা'ৰ ভূমিকাত বুদ্ধদেৱ বসুৱে আধুনিক কবিতাৰ লক্ষণ সম্পৰ্কে লিখিছিল ঃ

'... আধুনিক কবিতা এমন কোনো পদাৰ্থ নয়, যাকে কোনো একটা চিহ্ন দ্বাৰা অবিকল ভাবে সনাক্ত কৰা যায়। একে বলা যেতে পাৰে বিদ্ৰোহেৰ, প্ৰতিবাদেৰ কবিতা, সংশয়েৰ, ক্লান্তিৰ, সন্ধানেৰ আবাৰ এৰই মধ্যে প্ৰকাশ পেয়ে সে বিস্ময়েৰ জাগৰণ, জীৱনেৰ আনন্দ, বিশ্ববিধানে আস্থাবান চিত্তবৃত্তি। আশা আৰ নৈৰাশ্য, অন্তৰ্মুখিতা বা বহিৰ্মুখিতা, সামাজিক জীৱনেৰ সংগ্ৰাম আৰ আত্মিক জীৱনেৰ তৃষ্ণা, এই সবগুলো ধাৰাই খুঁজে পাওয়া যাবে শুধু ভিন্ন ভিন্ন কবিতে নয়, কখনো হয়তো বিভিন্ন সময়ে একই কবিৰ ৰচনায়।'

আধুনিক অসমীয়া কবিতাৰ অন্যতম বাটকটীয়া কবি হেম বৰুৱাই 'আধুনিক সাহিত্য' নামৰ গ্ৰন্থখনত সাহিত্যত আধুনিকতাৰ স্বৰূপ সম্পৰ্কে লিখিছিল ঃ

'আধুনিক সাহিত্য ৰাজনৈতিক আৰু অৰ্থনৈতিক ভেটিৰ ওপৰত প্ৰতিষ্ঠিত। গোটেই দেশখন

যেতিয়া নানাবিধ সমস্যাই ছাটি ধৰে, গোটেই জাতিটো যেতিয়া স্বাধীনতাৰ সংগ্ৰামত লিপ্ত হয়, গোটেই সমাজখন যেতিয়া 'নতুন পৃথিবী' গঢ়াত দেহ মন দি লাগি যায়, তেনে সময়তযেনে ধৰণৰে কবি-সাহিত্যিক নহওক লাগিলে, ঘৰত বহি, আকাশ-কুসুম ৰচি গীত গোৱাটো কেতিয়াও যুক্তিসংগত হ'ব নোৱাৰে।'

কুৰি শতিকাৰ চল্লিছৰ দশকৰ আৰম্ভণিতে জয়ন্তীগোষ্ঠীৰ তৰুণ কবিসকলে অসমীয়া কবিতাক প্ৰধানতঃ গভীৰ ৰোমাণ্টিক ভাবনাৰ পৰা মুক্ত কৰি বৰ্হিমুখী, সামাজিক ভাৱনা বিধৌত কাব্য-কলা ৰূপে প্ৰতিষ্ঠিত কৰিবলৈ উঠিপৰি লাগিছিল। তেওঁলোক সফলো হৈছিল। কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্যৰ যুটীয়া সম্পাদনাত প্ৰকাশিত জয়ন্তী (১৯৪৩-৪৬) যে প্ৰকাশ্যে ৰোমাণ্টিক কাব্য-আন্দোলনৰ বিৰোধিতা কৰিছিল আৰু অসমীয়া কবিতা সামাজিক বাস্তৱবাদ (social realism) পোহৰত উজলি উঠাটো কামনা কৰিছিল। জয়ন্তীৰ পৰৱৰ্তী কালত, ১৯৪৮ চনত প্ৰকাশ পোৱা হেম বৰুৱা সম্পাদিত 'পছোৱা'ৰ জৰিয়তে 'জয়ন্তী'ৰ কাব্য-ধাৰাই প্ৰসাৰতা লাভ কৰিছিল। জয়ন্তীয়ে কেৱল সাম্যবাদী ভাৱৰ কবিতাৰ পোষকতা কৰিছিল। ক্ষয়িষ্ণু(decadent) ভাবৰ উপাসক বুলি চিহ্নিত কৰি টি. এছ. এলিয়টক প্ৰত্যাখ্যান কৰিছিল। কিন্তু পছোৱাই সাম্যবাদ-সমাজবাদৰ লগতে এলিয়টী ঠাচৰ কবিতাও আদৰিছিল।

উক্ত জয়ন্তী আলোচনীৰ মুঠ ১৬টা সংখ্যা প্ৰকাশিত হৈছিল। 'পছোৱা'ৰ প্ৰকাশিত সংখ্যা আছিল ১০টা। ইয়াৰ উপৰি চল্লিছৰ দশকটোত আধুনিক কবিতাৰ তিনিখন উল্লেখযোগ্য সংকলনো প্ৰকাশিত হৈছিল, যেনে— (ক) যতিন বায়ন শৰ্মা সম্পাদিত আধুনিক অসমীয়া কবিতা (খ) চৈয়দ আব্দুল মালিক ৰচিত বেদুইন আৰু (গ) কেশৱ মহন্ত ৰচিত আমাৰ পৃথিবী।

চল্লিছৰ কবিসকলৰ কবিতাত আধুনিকতাৰ যে উন্মেষ হৈছিল, এই যুক্তি আগবঢ়াই অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড)ৰ পাতনিত হোমেন বৰগোহাঞিয়ে লিখিছিল ঃ

'১৯৩৯ চনৰ পৰা আৰম্ভ হোৱা অসমীয়া সাহিত্যৰ নতুন যুগটোক মই আধুনিক যুগ বুলি ক'ব খোজো— যিটো অৰ্থত ইংৰাজী সাহিত্যত ভিক্টোৰিয়ান যুগৰ অৱসানৰ পিছত আৰম্ভ হোৱা যুগটোক আধুনিক যুগ বুলি ক'ব পাৰি বা কোৱা হয়। ইংৰাজী সাহিত্যৰ আধুনিক যুগৰ দৰে অমসীয়া সাহিত্যৰ এই আধুনিক যুগটোৰে প্ৰধান চৰিত্ৰ-লক্ষণ হ'ল ৰোমাণ্টিক ভাবাদৰ্শৰ বিৰোধিতা। চল্লিছৰ দশকৰ যিখন আলোচনীক কেন্দ্ৰ কৰি নতুন সাহিত্যিক আন্দোলন গঢ় লৈ উঠিছিল, 'নতুন ধাৰাৰ বাহক' ৰূপে খ্যাত সেই জয়ন্তীৰ পাতে পাতে দেখিবলৈ পোৱা যায় ৰোমাণ্টিক ভাবাদৰ্শৰ বিৰুদ্ধে সচেতন বিদ্ৰোহ-ঘোষণা। অসমীয়া সাহিত্যত নতুনকৈ আৰম্ভ হোৱা এই আধুনিকতাৰ অন্যান্য লক্ষণবোৰ হ'ল পুৰণি বিশ্বাস আৰু প্ৰমূল্য সম্পৰ্কে মোহভংগৰ সূচনা, জীৱন আৰু জগতক ব্যাখ্যা কৰিব পৰা নতুন দৰ্শনৰ সন্ধান, ব্যংগ প্ৰৱণতা, সাহিত্যত অভূতপূৰ্ব বিষয়বস্তুৰ অৱতাৰণা, আংগিক-গত পৰীক্ষা প্ৰৱণতা ইত্যাদি।'

চল্লিছৰ জয়ন্তীৰ কবিগোষ্ঠীৰ মন-মানসিকতা স্বাভাৱিক ভাৱেই আধুনিক আছিল। এই মন-মানসিকতাক গঢ়ি তোলাত তেওঁলোকক উৎসাহিত কৰিছিল এই কাৰকবোৰে ঃ (ক) ১৯১৭ চনৰ অক্টোবৰ বিপ্লৱ (খ) ইংৰাজী সাহিত্যৰ অডেন, স্পেন্দাৰ আদি ত্ৰিশৰ দশকৰ কবিসকলৰ কবিতা (গ) বাংলা সাহিত্যৰ **কল্লোল** আৰু **পৰিৱৰ্তনৰ** কবিসকলৰ কবিতা (ঘ) দেশৰ স্বাধীনতা আন্দোলন (ঙ) দ্বিতীয় মহাযুদ্ধৰ প্ৰকোপত সৃষ্টি হোৱা অনাটন-অস্থিৰতা। পুৰণি সংস্কাৰ বা ধাৰণাৰ পৰা মুক্ত হৈ অসমীয়া সমাজ প্ৰগতিৰ পথত আগুৱাই যোৱাটো তেওঁলোকে কামনা কৰিছিল। এই আধুনিক চিন্তাকে তেওঁলোকে আধুনিক ভাষা শৈলীৰ সহায়ত কবিতা মাধ্যমত প্ৰকাশ কৰিবলৈ প্ৰচেষ্টা চলাইছিল। তেওঁলোকৰ সেই প্ৰচেষ্টা বহু দূৰ সফলো হৈছিল। তেওঁলোকৰ কবিতাত এই লক্ষণবোৰ স্পষ্ট হৈ পৰিছিল, যিবোৰ আচলতে আধুনিকতাৰে লক্ষণ ঃ

ক) ৰোমাণ্টিকতাৰ বিৰোধ আৰু বাস্তৱবাদৰ প্ৰকাশ।

খ) নতুন জীৱন-দৰ্শনৰ সন্ধান।

গ) পৰম্পৰাগত বিশ্বাস আৰু প্ৰমূল্যৰ প্ৰতি অনাস্থা।

ঘ) সমাজৰ ভাল আৰু বেয়া দুয়োটা দিশৰ প্ৰতি সজাগতা।

ঙ) ব্যংগ দৃষ্টি।

চ) যুগৰ অস্থিৰতা- ক্ষয়িষ্ণুতাৰ প্ৰকাশ।

ছ) নব-বৌদ্ধিক চেতনা।

জ) যুগ-যাতনাৰ ফলত সৃষ্টি হোৱা ট্ৰেজিক ভাবৰ প্ৰকাশ।

ঝ) সাহিত্যত নতুন বিষয়বস্তুৰ অৱতাৰণা।

ঞ) নতুন আংগিকৰ পৰীক্ষা-নিৰীক্ষা।

ৰোমাণ্টিক যুগৰ লেখকসকলো মানৱতাবাদী আছিল, কিন্তু তেওঁলোকৰ জীৱন-দৰ্শন আছিল পৰম্পৰাবাদী। মধ্যযুগৰ লেখকসকলৰ দৰে তেওঁলোকে বিশ্বাস কৰিছিল যে মানুহে সমাজৰ সৎ নীতি-নিয়ম মানি চলি জীৱন ধাৰণ কৰিবলৈ ল'লে সুখ-শান্তি পাবলৈ সক্ষম হ'ব। কিয়নো 'সৰ্ব নিয়ন্তা ঈশ্বৰ'ৰ কৃপা-দৃষ্টি তেওঁলোকৰ ওপৰত পৰিব। এনে দৃষ্টি-ভংগীৰ বাবেই সেই যুগৰ বিখ্যাত কবি চন্দ্ৰকুমাৰ আগৰৱালাই সমাজৰ অমানৱীয় ৰূপ দেখি বিদ্ৰোহী হৈ পৰিও ঈশ্বৰৰ ওচৰত আত্মসমৰ্পন কৰি লিখিছে ঃ

দুখ দূৰ কৰি জগত উদ্ধাৰ
কৰাহে জগৎস্বামী
(বীণ বৰাগী)

কিন্তু ত্ৰিশৰ দশকৰ মাজ ভাগৰ পৰা এনে দৃষ্টি-ভংগীৰ ক্ৰমে পৰিৱৰ্তন ঘটিবলৈ ধৰে। ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত, প্ৰসন্নলাল চৌধুৰী আদিৰ ৰচনাত এই পৰিৱৰ্তন দেখিবলৈ পোৱা যায়। চৌধুৰীয়ে তেওঁৰ বিখ্যাত কবিতা নাঙলৰ গীত (১৯৩৮)ত লিখিছে ঃ

দেশে দেশে একে কথা।
ঘাম উলিয়াই যেয়ে ভাত পায়
সেয়ে প্ৰকাশিছে ব্যথা!
কিবাণে ইবাৰ বিষাণ বজায়,
নিচান উৰুৱাই ৰাজ্য চলায়
ভেদিছে মৰ্ম্ম কথা।

মানুহৰ দুখ-দুৰ্গতিৰ অৱসানৰ বাবে মানুহে সংঘবদ্ধভাৱে চেষ্টা চলাব লাগে, পৃথিৱীৰ বিভিন্ন দেশত চলা কৃষক-শ্ৰমিকৰ আন্দোলনৰ দ্বাৰা আমাৰ দেশৰ মেহনতি জনতা উদ্বুদ্ধ হ'ব লাগে ঃ এনে দৃষ্টি-ভংগী প্ৰকাশ পাইছে প্ৰসন্নলালৰ উক্ত কবিতাত। ইয়াত কবিয়ে সচেতনভাৱে সাম্যবাদী আন্দোলনৰ প্ৰতি ইংগিত কৰিছে। চল্লিছৰ দশকত এনে দৃষ্টি-ভংগী অধিক স্পষ্ট হৈ পৰে। অমূল্য বৰুৱাই 'বিপ্লৱী' কবিতাত লিখে ঃ

আমাৰ আছে মানুহৰ ওপৰত বিশ্বাস,
আমাৰ আছে ভৱিষ্যতৰ সুস্থ ৰঙা সূৰ্যৰ পিনে চকু।

যুগ যুগ ধৰি মানুহে অটল বিশ্বাস স্থাপন কৰি অহা 'ঈশ্বৰ' বোলা ধাৰণাটো যে অসাৰ, ইযে মানুহৰ 'অনুৰ্বৰ কল্পনাৰ'হে ফচল, এই কথা নৱকান্ত বৰুৱাৰ জয়ন্তীত ১৯৪৫ চনত প্ৰকাশ পোৱা 'প্ৰাৰ্থনা' কবিতাত প্ৰকাশ পাইছে। ব্যংগাত্মক দৃষ্টিৰে তৰুণ কবিয়ে ঈশ্বৰৰ ছবি আঁকিছে এনেদৰে ঃ

তুমি মাথোন আদিম মানুহৰ
অনুৰ্বৰ কল্পনাৰ,
এটা জীৱন্ত সংস্কাৰ
মানুহৰ বৰ্বৰ দিনৰ তুমি এটা দুখলগা সোঁৱৰণী।

চল্লিছৰ আধুনিক লেখকসকলে সমাজৰ এন্ধাৰ দিশৰ প্ৰতিও দৃষ্টি নিক্ষেপ কৰিবলৈ লয়। এনে দৃষ্টি নিক্ষেপৰ ফলতে সৃষ্টি হয় অমূল্য বৰুৱাৰ আলোড়ণ সৃষ্টিকাৰী 'বেশ্যা'। এখন ব্যক্তিগত চিঠিত বৰুৱাই লিখিছিল ঃ

'... জীৱনতকৈ সুন্দৰ কি আছে...? জগতৰ পচি যোৱা জীৱন বিলাকো জীৱন..., সিহঁতৰো বুকু আছে। সিহঁতো জীয়াই থাকিবলৈ বিচাৰে। কিয় জীৱনৰ সেই ধুনীয়া প্ৰতিমূৰ্তি বিলাক মই মোৰ ড্ৰয়িং ৰুমত সজাই থব নোৱাৰো? ডেলেৰিয়াই আমাৰ মনুষ্যত্ব কাঢ়ি নি কি নিষ্ঠুৰ অলীক সৌন্দৰ্যৰ পাছত মাতাল কৰি ফুৰাব খুজিছে? আমি নিষ্ঠুৰ, আমি নিজক ফাঁকি দিছো— আমি নিজক কোমল বুলি প্ৰতাৰণা কৰিছো।...

চাহজাহানৰ বুকুত কবিতা নাছিল। চাহজাহান কবি নাছিল। তেওঁৰ আছিল কেৱল অভিলাস, কেৱল অজস্ৰ মণি মুক্তাৰ ভঁৰাল। ... সুউচ্চ প্ৰাসাদৰ তলৰ ফুলনি বাৰীখনৰ শিল্পী ৰায় চাহাব নহয়হে, মালীটোহে। তাজমহলৰ শিল্পী কোন কেতিয়াবা নিজকে সুধি চাইছানে?'

সমাজ আৰু জীৱন সম্পৰ্কে এনে নতুন দৃষ্টি-ভংগী সেই সময়ৰ লেখক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, চক্ৰেশ্বৰ ভট্টাচাৰ্য, হেম বৰুৱা, কেশৱ মহন্ত আদিৰ ৰচনাতো ফুটি ওলাইছিল। 'পছোৱা'ত প্ৰকাশ পোৱা ভৱেন শইকীয়াৰ 'তাজমহল' কবিতাত এনে নতুন দৃষ্টি-ভংগীয়ে প্ৰকাশ পাইছে।

আহা! কি যে অপৰূপ, কি যে মনোমোহা-কিবা
যেন আস্মানৰ বস্তু অবিকল;
০০০ ০০০ ০০০
জগতে ভাবিছে আজি, — কিমান মহৎ! মমতাজ
চা-জাহান দুয়োৰো হৃদয়,
তাতেই লুকাই আছে, চোৰা ভালদৰে তেওঁলোক
জগতত কিমান নিৰ্দয়।
গঢ়ালে জাহানে তাজ প্ৰজাৰ তেজেৰে, লাখ লাখ
বনুৱাকো বলি দিলে তাত;
তাজৰ মাজতে আছে শতেক কাহিনী, আজিও
শুনিবা তাত কান্দোনৰ মাত।

যুদ্ধোত্তৰ যুগৰ অস্থিৰতা আৰু ক্ষয়িষ্ণুতাৰ চিত্ৰ চল্লিছৰ দশকত অমূল্য বৰুৱা, নৱকান্ত বৰুৱা, হৰি বৰকাকতি, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, হেম বৰুৱা আদিৰ ৰচনাত সুন্দৰকৈ ফুটি উঠিছে। যুগৰ ক্ষয়িষ্ণু ৰূপৰ চিত্ৰ অমূল্য বৰুৱাই 'আন্ধাৰৰ হাহাকাৰ'ত এনেদৰে অংকন কৰিছে—

পাত সৰা গছবোৰ
পৃথিৱীৰ ওপৰত থিয় হৈ
হা-হুতোস্মিৰ সুৰে আৰ্তনাদ কৰি
প্ৰকাশিছে অন্তৰৰ গভীৰ হতাশা।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ভিতৰৰ স্বৰূপ' (জয়ন্তী, ষষ্ঠ বছৰ, পঞ্চম সংখ্যা) গল্পৰ নায়কে সন্মুখীন হোৱা মানসিক যন্ত্ৰণা হ'ল আধুনিক যুগৰ আধুনিক মানুহৰ যন্ত্ৰণা। গল্পৰ নায়ক ('মই') কলেজীয়া ছাত্ৰ। ক্লাছৰ দৈনন্দিন ৰুটিনখনে তেওঁক সন্তুষ্ট কৰিব নোৱাৰে। অস্থিৰ মনেৰে তেওঁ শিক্ষকৰ বক্তৃতা শুনে যদিও হৃদয়ংগম কৰিব নোৱাৰে। মানসিক অস্থিৰতাই তেওঁক বন্ধু-বান্ধৱ, আনকি প্ৰেমিকাৰ পৰাও আঁতৰাই ৰাখে। শান্তি বিচাৰি তেওঁ পলায়ন কৰে নিজৰ কোঠালৈ; ভাবে— বাহিৰৰ পৃথিৱীৰ পৰা আঁতৰি পাটীত পৰি থাকিলে মনলৈ শান্তি আহিব। কিন্তু তাতো তেওঁ মুখামুখি হয় অশান্তি, অস্থিৰতাৰ ঃ

'অলপ যেন শান্তি পাওঁ— ইয়াত ক্লাছ নাই, বন্ধু নাই, ৰোমাঞ্চ নাই— এই পাটীখনেই যেন সুখৰ, সহজৰ।

কিন্তু পাটীখনেই জানো জগত?

আকৌ কাঁইট-কেউফালে কেৱল কাঁইট! বিন্ধে। উপায় নাই। আকাশলৈ চাওঁ— দুপৰীয়াৰ পাছৰ আবেলি আকাশ— ভাবি ভাবি বহুত পালোহি। নাই আকাশতো শান্তি নাই, কেউফালে কেৱল মনৰ যুঁজৰ কথা। উহ্ কি সাংঘাতিক ঠাই এই জগতখন!'

নতুন ৰূপৰ জয়ন্তীৰ প্ৰথম সংখ্যাতে প্ৰকাশ পায় ভবানন্দ দত্তৰ কলিকতা মহানগৰীত লাভ কৰা অভিজ্ঞতাৰে নচিকেতা ছদ্মনামত লিখা কবিতা 'ৰাজপথ'। মহাযুদ্ধৰ তাণ্ডৱ আৰু ভাৰতীয়সকলৰ স্বাধীনতা আন্দোলনজনিত হিংসাই নগৰীয়া জীৱন সন্ত্ৰস্ত কৰি তুলিছে। এনে ক্ষয়িষ্ণু, হতাশগ্ৰস্ত সময়তো নগৰীয়া জীৱন যাত্ৰা অব্যাহত আছে ঃ এমুঠি অন্ন যোগাৰ কৰাৰ অদম্য তাড়নাত শ্ৰমিকে শ্ৰম কৰিছে। মধ্যবিত্তই 'শ্ৰান্তি গুছোৱা ৰূপ-বজাৰৰ আমোদখিনি'ৰ প্ৰতিও লোভ সামৰিব পৰা নাই ঃ

ব্লেক্ আউটৰ অন্ধকাৰময় হে ৰাজপথ,
কত ট্ৰাম, বাছ টেক্সি, ৰিকশ্ব চলে
তোমাৰ উদাৰ বুকুৰ ওপৰেদি!
কত ব্যগ্ৰ ৰজনীৰ উদ্‌ভ্ৰান্ত প্ৰেমৰ
গোপন অভিসাৰ চলে
তোমাৰ প্ৰশান্ততাৰ সুবিধা লৈ।

পছোৱাৰ কবিসকলৰ ভিতৰত উল্লেখযোগ্য কেইগৰাকী হ'ল— নৱকান্ত বৰুৱা, হেম বৰুৱা, বীৰেন বৰকটকী, হৰি বৰকাকতি, চক্ৰেশ্বৰ ভট্টাচাৰ্য, নলিনীধৰ ভট্টাচাৰ্য আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য।

পছোৱাৰ সম্পাদক হেম বৰুৱা জয়ন্তী (১৯৪৩-৪৬)ৰ সময়ৰ দৰে সাম্যবাদী আৰু হৈ থকা নাছিল। তেওঁৰ ৰাজনৈতিক চিন্তাৰ ক্ৰমে পৰিৱৰ্তন আনিছিল প্ৰধানকৈ দেশৰ স্বাধীনতাৰ বেঙণি আৰু জয়প্ৰকাশ নাৰয়ণ, ৰামমনোহৰ লোহিয়া, অৰুণা আচফ আলি আৰু জৱাহৰলাল নেহৰুৰ প্ৰভাৱে। ফলত জয়ন্তীৰ শক্তিশালী সাম্যবাদী কবি হেম বৰুৱাক পছোৱাৰ সময়ত দেখা গ'ল সমাজবাদী গণতান্ত্ৰিক হিচাপে।

অৱশ্যে, জয়ন্তীয়ে 'ক্ষয়িষ্ণু' চিন্তাৰ বাহক বুলি চিহ্নিত কৰা এলিয়টী ধাৰাৰ প্ৰতীক-চিত্ৰকল্পবাদী কবিতাকো পছোৱাই স্বাগতম জনাইছিল। জয়ন্তীৰ পাততে সাম্যবাদী বা প্ৰগতিশীল কবিতা ৰচনা কৰা হেম বৰুৱাই পছোৱাৰ সময়ৰ পৰা এলিয়টৰ প্ৰতি আকৰ্ষিত হৈ পৰে। গুৰুত্বপূৰ্ণ কথাটো হ'ল হেম বৰুৱা এলিয়টৰ দৰে নিৰাশাবাদী বা 'বিলাপী' কবি নহয়। ক্ৰান্তিকাৰী চল্লিছৰ কবি বৰুৱাই বিশ্বাস কৰে যে যুদ্ধ বিধ্বস্ত ক্ষয়িষ্ণু সমাজলৈ সুখ-সম্প্ৰীতি-সমৃদ্ধিৰ বতাহ সোনকালে বলিব। মৰুভূমিতো যিদৰে ফুল ফুলিব পাৰে সেইদৰে ধ্বংসপ্ৰাপ্ত সমাজলৈও নতুন জীৱনী শক্তিৰ ঢল আহিব পাৰে। এই আশালৈয়ে আধুনিক মানুহ প্ৰতিকূল অৱস্থাৰ মাজতো সাহসেৰে জীয়াই থাকিব ঃ

মৰুভূমিতো ফুল ফুলে
ফুলৰ পাহি সৰে, ফুল মৰহে।
আমি জীয়াই থাকো
চীনত জীয়াই থাকে
অগণন অনাথ বালক-বালিকা
পৃথিৱীৰ এন্ধাৰত নগ্ন প্ৰেতাত্মাৰ দৰে
বোমা-বাৰুদৰ অপেক্ষাত
সভ্যতাৰ সূৰ্যহীন শুকান মৰুভূ প্ৰান্তত।

আধুনিক কবিৰ দৃষ্টি কেৱল নিজ দেশৰ চাৰিসীমাৰ মাজতে আবদ্ধ

নাথাকে। সমগ্র পৃথিৱীৰ জনতাৰ সুখ-দুখৰ প্ৰতি তেওঁলোক সচেতন। ড° মহেন্দ্ৰ বৰাই সঠিক ভাৱেই লক্ষ্য কৰিছে যে অসমীয়া কবিতালৈ হেম বৰুৱাই প্ৰথমতে আন্তৰ্জাতিক মানৱতাক আনি আনে ঃ

'হেম বৰুৱাই অসমীয়া কবিতালৈ এটা নতুন বস্তু আনি দিলে। সেই বস্তুটো হৈছে আন্তৰ্জাতিক মন। ইংৰাজী কবিতাত লুই মেক্‌নিচৰ পৰা আৰম্ভ কৰি চিডনী কী পৰ্যন্ত এদল কবিৰ কবিতাত এই সুৰটো শুনিবলৈ পোৱা যায়।' (—'নতুন কবিতা'ৰ পাতনি)

কবি-জীৱনৰ আৰম্ভণিতে বৰুৱাই তেনে বহল মনৰ গৰাকী হ'ব পাৰিছিল— এইটো কম গুৰুত্বপূৰ্ণ কথা নহয়। বৰুৱাৰ ৰাজনৈতিক চিন্তা-চৰ্চা গভীৰ আছিল কাৰণেই পৃথিৱীৰ বিভিন্ন দেশৰ ঘটনা-দুৰ্ঘটনাই তেওঁৰ কবি-মানস আন্দোলিত কৰিছিল। তেওঁৰ এই 'আন্তৰ্জাতিক মন' প্ৰকাশিত হৈছে 'মৰুভূ' শীৰ্ষক কবিতাত এনেদৰে ঃ

আজি অতি সস্তা শোণিত
চীন, ছভিয়েৎ, জেকোশ্লভেকীয়া
বৰ্বৰ যুগৰ দৰেই সস্তা মানৱৰ
কেঁচা ৰঙা তপত
বুকুৰ শোণিত
সভ্যতাৰ মৰু-ভূ প্ৰান্ত দিগন্ত স্পৰ্শি বয়।

জয়ন্তী গোষ্ঠীৰ অন্যান্য কবিসকলৰ দৰে অজিৎ বৰুৱায়ো যুদ্ধ বিধ্বস্ত সমাজৰ হাহাকাৰ দেখি চিন্তান্বিত হৈ পৰিছিল। অৱশ্যে তেওঁ প্ৰবল আশাবাদী— সমাজ দুৰ্দিনৰ কৰাল গ্ৰাসৰ পৰা সোনকালেই মুক্ত হ'ব। জয়ন্তীত প্ৰকাশিত 'মৰুযাত্ৰী' কবিতাত এই আশাবাদ সুন্দৰকৈ প্ৰকাশ পাইছে। যুদ্ধৰ বিভীষিকা হিংসা-প্ৰতিহিংসাই পৃথিৱীখন 'মৰুভূ'লৈ ৰূপান্তৰিত কৰিছে। কবি সেই 'মৰুভূ'ৰ লক্ষ্যহীন অঘৰী-অধিবাসী নহয়। নিৰ্দিষ্ট লক্ষ্যলৈ তেওঁ মৰুযাত্ৰা আৰম্ভ কৰিছে। তেওঁৰ সেই যাত্ৰা কষ্টকৰ যদিও সুকলমে তাৰ অন্ত পৰিব বুলি কবিয়ে ভাবে। অৰ্থাৎ যুদ্ধাদিয়ে বিধ্বস্ত কৰা পৃথিৱী সদায় তেনে ৰূপত নাথাকে, সোনকালেই সেই ৰূপৰ পৰিৱৰ্তন ঘটিব বুলি কবিয়ে আশা কৰে। কাৰণ, সেই 'মৰু'ৰ সিপাৰে তেওঁ 'উৰ্বৰ স্বপ্নভূমি'ৰ সন্ধান পাইছে ঃ

'মৰুভূ'ৰ অধিবাসী অঘৰী নহয় মই
স্থিৰ লক্ষ্য মৰুযাত্ৰী।
পথভ্ৰম্ভ মোৰ ইতিহাস
(কালৰ) গতিৰ দৰে
অনিৰুদ্ধ, সুনিশ্চিত মোৰ পদক্ষেপ।

মহাযুদ্ধৰ ধ্বংস কাৰ্যই, ফেচিষ্ট শক্তিৰ উত্থানে সংগ্ৰামী-সাহসী জনতাক দীৰ্ঘ দিনলৈ পীষ্ট কৰি ৰাখিব নোৱাৰে। সংগ্ৰামী জনতাই সেই ধ্বংসস্তুপৰ ওপৰতে সাহসেৰে নতুন সৃষ্টিৰ পাতনি মেলিব ঃ তৰুণ কবিৰ এই বিশ্বাস প্ৰকাশ পাইছে ১৯৪৫ চনৰ 'কটনিয়ান'ত প্ৰকাশিত আৰু যতিনাৰায়ণ শৰ্মা সম্পাদিত 'আধুনিক অসমীয়া কবিতা'ত সংকলিত 'হাতুৰি' শীৰ্ষক কবিতাত ঃ

যুগজীৰ্ণ জগতৰ
পংগু যত সৃষ্টি— শতাব্দীৰ আবৰ্জনা
আগত আহত তাৰে
মৃত্যুৰ আৰ্তনাদে ঘোষে।

অৱশ্যে, চল্লিছৰ দশকৰ শেষৰ পিনৰ পৰাই তেওঁ প্ৰতীকবাদৰ প্ৰতি আকৰ্ষিত হয়। সেই সময়ৰ শক্তিশালী আলোচনী পছোৱাত তেওঁ লিখা নাছিল যদিও অন্য এখন আলোচনী ৰংঘৰত তেওঁৰ কবিতা ছপা হৈছিল। এই আলোচনীৰ ২য় বছৰ ১০ম সংখ্যাত (১৯৪৯) প্ৰকাশ পায় তেওঁৰ বিখ্যাত প্ৰতীকবাদী কবিতা 'মন-কুঁৱলী সময়' ঃ

কাতি মাহৰ এটা ধোঁৱা ৰতিপুৱা
কুঁৱলী গলি ভাহে।
এই পুৱা যেন অতীত জীৱন
(এবছৰ বয়সীয়া)
পুনৰ যাপন
কৰি উঠিলো। কাৰণ—
যোৱা বছৰ এনে পুৱা
উঠিছিলো নতুন হামিয়াই,
থকা-নথকা এক পলকৰ দলঙত
সময় বন্ধ হৈ যায়।

হয়তো দেশৰ নৱলব্ধ স্বাধীনতাই কবিক আশাবাদী কৰি তোলে। দেশে স্বাধীনতা লাভ কৰিলে যেতিয়া, বিপ্লৱ নহয়, এতিয়া দেশ গঠনতহে মন দিয়া উচিত— এনে ধৰণৰ অনুভৱে আশ্বস্ত কৰা কবি প্ৰগতিশীল বিপ্লৱী পথৰ পৰা ক্ৰমে আঁতৰি যায় আৰু প্ৰতীকবাদক আঁকোৱালি লৈ এক প্ৰকাৰ ঐতিহ্যৰ সন্ধান আৰম্ভ কৰে। 'মন কুঁৱলী সময়'ত কবিৰ সেই 'আশ্বস্তি'ৰ প্ৰতিফলন যেনেদৰে ঘটিছে, কবিতাটোৰ শেষ ফাকিলৈ চকু দিলে বুজা যাব ঃ

এদিনাখন এটা চেকুৰা কুকুৰে মুখত মঙহ লৈ
বুকুত খামোচ মাৰি ধৰি আছিল কামৰূপৰ মেপ নিনিয়া ভয়।
আৰু, সংক্ষেপে,
সেই নীৰৱ গধূলি পথাৰৰ মাজত অকলে থিয় হোৱা
চাৰিওফালে পথাৰ পথাৰ
বুকুত খামোচ
দূৰৰ গাঁৱৰ পৰা গুণগুণকৈ ধোঁৱা
উৰিছিল।

দেশে স্বাধীনতা পোৱাৰ লগে লগে তাৰ বিভাজনো ঘটিছিল। অসম ('কামৰূপ') যে ভাৰতৰ লগতে থাকিব, পাকিস্তানৰ অন্তৰ্ভুক্ত নহয়— এই কথা আমাৰ কবিৰ লগতে অসমৰ সৰহ সংখ্যক মানুহে জানিছিল। তথাপি অঘটন ঘটিব পাৰে বুলি তেওঁলোকৰ মনত 'ভয়' আছিল। কিন্তু সেই ভয় আঁতৰি গ'ল, যেতিয়া দেখা গ'ল— 'চাৰিওফালে পথাৰ পথাৰ' অৰ্থাৎ স্বাধীন স্বদেশৰ সৃষ্টিৰ উৎস মুকলি পথাৰ আৰু 'গুণগুণকৈ' ধোঁৱা উৰি থকা গাঁও অৰ্থাৎ সুখ-শান্তিৰে ভৰা গাঁও

নৱকান্ত বৰুৱা পছোৱাৰ জৰিয়তে কবি হিচাপে প্ৰতিষ্ঠিত হয়। চল্লিছৰ দশকত নৱকান্ত বৰুৱাই অৱশ্যে সকলো সময়তে নিৰাশাৰ ছবি অঁকা নাই। 'এজন বন্ধুলৈ' শীৰ্ষক কবিতাত কবিৰ আশাবাদী মনৰ প্ৰকাশ ঘটিছে। আশাৰ ছবি অঁকা তেওঁৰ অন্য এটি কবিতা হ'ল 'চাওতালী নাচ'। চাওতালী গাভৰুৰ নৃত্যৰ মাজেৰে যেন কবিয়ে দেখিবলৈ পাইছে জীৱনৰ গভীৰতা। সাগৰৰ দৰে গভীৰ মানুহৰ জীৱনত আছে 'সুৰৰ যাদু', যিয়ে নিথৰ জীৱনক কঁপাই তুলি গতিশীল কৰে। আটিল শব্দ-বিন্যাসেৰে ৰচিত এই চুটি কবিতাটি অতি মনোৰম ঃ

মাটিৰ বুকুৰ শিশু
পাহাৰৰ হাড়ৰ সাগৰৰ সপোন দেখিলি
হেৰ মোৰ মৰমৰ, খোঁপাত কেতেকী ফুল
কলীয়া শিলেৰে গঢ়া
চাওঁতালী গাভৰু ছোৱালী।

অৱশ্যে আশাবাদৰ প্ৰকাশ নৱকান্তৰ সেই সময়ৰ দুই এটা কবিতাতহে দেখা যায়। তেওঁৰ চল্লিছৰ দশকৰ কবিতাৰ (তাৰ পৰৱৰ্তী কালৰো) প্ৰধান বিশেষত্ব হ'ল এলিয়টী ঠাচত যুদ্ধোত্তৰ যুগৰ ক্ষয়িষ্ণু ৰূপৰ চিত্ৰন, এলিয়টৰ দৰে অতীতৰ ঐতিহ্য-গৌৰৱৰ প্ৰতি সতৃষ্ণ দৃষ্টি নিক্ষেপ আৰু বৰ্তমানৰ প্ৰতি বিৰাগ প্ৰকাশ। 'এন্ধাৰ ৰাতিৰ ইলিজী'

কবিতাত এই বিশেষত্ব লক্ষ্য কৰা যায় ঃ

ইয়াত মানুহ নাই।
অকলে মই এন্ধাৰ বাটত
নিজকে নাপাওঁ দেখা
মই কোন অতীতৰ অশৰীৰী অনুভূতি
ভৱিষ্যতৰ স্বপ্নৰে উতলা?

সেইদৰে হৰি বৰকাকতিৰ কবিতাত দেখিবলৈ পোৱা যায় আধুনিকতাৰ স্বাক্ষৰ। বৰকাকতিৰ 'কোৱা ভাতুৰীয়া ওঁঠৰ তলত' আৰু 'আমাৰ ছবি' নামৰ কবিতা দুটি পছোৱাত ওলাইছিল। টি. এছ. এলিয়টৰ কবিতাৰ দৰে আধুনিক যুগৰ মানুহৰ জীৱন-যন্ত্ৰণাৰ ছবি অংকিত হৈছে দুয়োটি কবিতাত। জ্ঞান-বিজ্ঞানত আগবাঢ়ি আধুনিক মানুহে অন্তৰৰ সুখ-শান্তি হেৰুৱাইছে। প্ৰকৃত বা নিঃস্বাৰ্থ প্ৰেম আধুনিক মানুহৰ সমাজত পাবলৈ নাই। কেৱল ক্ষয়িষ্ণু ভাৱ-ভংগীৰে মানুহৰ মন-মানসিকতা ভৰি পৰিছে। লক্ষ্মীনাথ বেজবৰুৱাৰ 'প্ৰিয়তমাৰ সৌন্দৰ্য' কবিতাৰ এটি শাৰীৰ সহায়ত কবিয়ে আধুনিক সমাজৰ এই ক্ষয়িষ্ণুতাৰ ছবি আঁকিছে 'কোৱাভাতুৰীয়া ওঁঠৰ তলত' শীৰ্ষক কবিতাটিত এনেদৰে—

কোৱাভাতুৰীয়া ওঁঠৰ তলত
ফেটিগোম থাকে— কিন্তু শুই নহয়
জাগ্ৰত হই।



বৰকাকতিৰ 'আমাৰ ছবি' শীৰ্ষক কবিতাটোত অংকিত হৈছে আধুনিক যুগৰ ক্ষয়িষ্ণুতাৰ চিত্ৰ। আধুনিক মানুহৰ জীৱনৰ কোনো মূল্য নোহোৱা হৈ পৰিছে। 'মংগল গ্ৰহত সংগী'ৰ সন্ধান কৰিলেও চাৰিওফালৰ পৰা আগুৰি ধৰা অশান্তি-অস্থিৰতাৰ পৰা পলোৱাৰ বাট বিচাৰি আধুনিক মন যেন চিগাৰেটৰ ধোঁৱাৰ দৰেই পাতল হৈ পৰে ঃ

আবেলিৰ শেৱালীৰ দৰেই আমি মূল্যহীন।
আমাৰ 'এনিমিক' কলিজাৰ তেজ
ছোৱালী হোষ্টেলৰ পৰ্দাবোৰতকৈও পাতল,
চিগাৰেটৰ ধোঁৱাবোৰৰ দৰেই
আমি বাট পাহৰি ঘূৰি ফুৰো।

বয়সত নবীন হ'লেও বৰকাকতিৰ চল্লিছ দশকৰ কবিতাৰ প্ৰকাশ-ভংগী শক্তিশালী। যুগৰ অস্থিৰতা আৰু ক্ষয়িষ্ণুতা প্ৰকাশ কৰিবলৈ প্ৰতীকৰ ব্যৱহাৰ কৰি তেওঁ যিবোৰ পংক্তি নিৰ্মাণ কৰিছে, সিবোৰ অন্তৰস্পৰ্শী। আধুনিক মানুহৰ মনৰ অস্থিৰতা প্ৰকাশ কৰিবলৈ কবিয়ে নিৰ্মাণ কৰা— চিগাৰেটৰ ধোঁৱাবোৰৰ দৰেই/আমি বাট পাহৰি ঘূৰি ফুৰো— এই ধৰণৰ পংক্তিৰ মাজেৰে ফুটি উঠা কাব্যিক-ব্যঞ্জনাই পাঠকৰ অন্তৰ চুই যায়।

১৯৪৮ চনত ৰচিত আৰু প্ৰকাশিত চৈয়দ আব্দুল মালিকৰ বেদুইন শীৰ্ষক দীঘলীয়া কবিতাটোত প্ৰকাশ পাইছে তীব্ৰ সমাজ চেতনা।

এইদৰে বিচাৰ কৰিলে বুজিব পৰা যায় যে চল্লিছৰ দশকতে আধুনিক অসমীয়া কবিতাৰ সুদৃঢ় ভেটি নিৰ্মাণ হৈছিল। ভাব-বস্তুলৈ লক্ষ্য কৰি ক'ব পাৰি, সেই দশকটোৰ কবিতাত দুটা ধাৰা স্পষ্ট ৰূপত দেখা যায়— ক) সামাজিক বাস্তৱবাদী প্ৰগতিশীল ধাৰা (খ) প্ৰতীক-চিত্ৰকল্পবাদী ধাৰা। কবিতাৰ ভাব-ভাষা আৰু শৈলীলৈ লক্ষ্য কৰি মন্তব্য কৰিব পাৰি যে দুয়োটি ধাৰাৰ কবিতাতে কবি মনৰ আধুনিকতাই প্ৰকাশৰ বাট বিচাৰি লৈছে।

**গ্ৰন্থপঞ্জী**


*১) আধুনিক অসমীয়া কবিতা (১৯৪৬)*
*সম্পাদনা— যতীন্দ্ৰনাৰায়ণ শৰ্মা*
*২) জয়ন্তী (১৯৪৩-৪৬)*
*৩) পছোৱা (১৯৪৮-৪৯)*
*৪) আধুনিক বাংলা কাব্য পৰিচয় (১৯৯২)*
*— দিপ্তী ত্ৰিপাঠী*
*৫) আধুনিক বাংলা কবিতা (১৯৬০) সম্পাদনা- বুদ্ধদেৱ বসু*
*৬) আধুনিক সাহিত্য (১৯৫০)*
*হেম বৰুৱা*
*৭) অসমীয়া সাহিত্যৰ বুৰঞ্জী, (ষষ্ঠ খণ্ড) (১৯৯৩)*
*সম্পাদনা— হোমেন বৰগোহাঞি*
*৮) চল্লিছৰ দশকৰ অসমীয়া কবিতা ঃ এটি সমীক্ষা, (২০০২)*
*ড° মহেশ্বৰ কলিতা*
*৯) সাহিত্যত আধুনিকতা, (২০০১)*
*সম্পাদনা— শশী শৰ্মা*
*১০) নতুন কবিতা (১৯৭০)*
*সম্পাদনা— ড° মহেন্দ্ৰ বৰা*
*১১) Our Modernity, (1996) (www. Sephis. org/Pdf/partha.pdf)*
*Prof. Partha Chatterjee*
*১২) Selected Poems of T.S. Eliot, (1997) Edited by Manju Join*
*১৩) The Modern Tradition, (1973)*
*By Richard Ellman and Charles Feidelson*
*১৪) Modern Indian Literature– An Anthology, Surveys of Poems*
*Edited by K.M. George.* ❖


**সম্পাদকীয়**

সকলোৱে স্বীকাৰ কৰিবলৈ বাধ্য যে সাম্প্ৰতিক পৃথিৱীত ৰাজনীতি বনাম কাৰিকৰী বিদ্যাৰেই প্ৰাধান্য বাঢ়ি আহিছে। পৃথিৱীৰ এখন দেশে অইন এখন দেশক জানিবলৈ বা বুজিবলৈ পাইছে সেই দেশৰ শিল্প-বাণিজ্যৰ কৃতিত্ব আৰু ৰাজনীতিৰ ক্ষমতালৈ চাই। জ্ঞান-বিজ্ঞান কলা-কৃষ্টিৰ আসন যেন ক্ৰমাগত পিছুৱাই আহিছে— নিঃশেষ হৈ আহিছে। কালজয়ী শিল্প সাহিত্য এই যুগত কোনো দেশতে সৃষ্টি হোৱা নাই। ঊনবিংশ শতাব্দীৰ সতে বিংশ শতাব্দীৰ মানসিকতাৰ স্পষ্ট পৰিৱৰ্তন ঘটিছে এইখিনিতেই — এই যুগৰ মননশীলতা খুব বেছি বস্তুধৰ্মী। উচ্চ জীৱন নীতি আৰু মহৎ আদৰ্শবাদ যেন এই যুগৰ বস্তুই নহয় — এনে এটি মনোভাব সমগ্ৰ পৃথিৱীতে বনজুইৰ দৰে ছানি ধৰিছে। এনে পটভূমিতে হয়তো কোনো বিজ্ঞলোকে সন্দেহ প্ৰকাশ কৰিছে যে বিংশ শতাব্দীত হয়তোবা 'নিৰবধি কাল বিপুলা পৃথিৱী'লৈ লক্ষ্য ৰাখি মহৎ একোৰে সৃষ্টি নহব। বহল নীলা আকাশ নীলা হৈয়ে ৰব— আকাশৰ ব্যাপ্তি আমাৰ চকুতে নপৰিব কোনোদিন কেতিয়াও। — ***নগেন তালুকদাৰ ঃ ১৯৫৯ /৩৫ তম সংখ্যা***

# অসমৰ ছাত্ৰ আন্দোলন আৰু সাম্প্ৰতিক প্ৰেক্ষাপট

**জাহ্নু ভৰদ্বাজ**

*স্নাতক প্ৰথম বৰ্ষ, ইতিহাস বিভাগ*

সাধাৰণভাৱে ক'বলৈ গ'লে আমি অসমীয়া মানুহ অতি আৱেগিক। কিন্তু আৱেগৰ শক্তিৰে কোনো ভাল কাম হোৱাৰ আশা ক্ষীণ। পৃথিৱীৰ প্ৰায়বোৰ ৰাষ্ট্ৰ কিম্বা জাতিয়ে বৈজ্ঞানিক চিন্তাধাৰাৰে নিজৰ প্ৰগতি সুনিশ্চিত কৰিবলৈ চেষ্টা কৰিছে। যিবোৰ যুক্তিৰে জাতিৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক-সাংস্কৃতিক বুনিয়াদ গঢ়িব পাৰি সেই যুক্তিৰ মাজেৰেই জাতিসমূহ পৰিচালিত হয়। বৈজ্ঞানিক যুক্তিযুক্ততাক প্ৰাধান্য দিয়া জাতিসমূহে কেৱল শ্লোগানধৰ্মী আন্দোলন গঢ়ি তোলাতকৈ গণ আৱেগক সুচিন্তিতভাৱে জাতীয় জীৱনৰ উন্নতিৰ হকে কামত খটুৱায়। কিন্তু আমি অসমীয়া মানুহে আৱেগৰ বশৱৰ্তী হৈয়ে নিজকে বঞ্চিত-প্ৰতাৰিত বুলি অনুভৱ কৰিলে কোনো যুক্তিযুক্ততা নোহোৱাকৈ শ্লোগানধৰ্মী আন্দোলন গঢ়ি তোলো আৰু দুদিনমান পিছত নিজৰ পথৰ পৰা আঁতৰি আহো। বিগত দুটা দশকত অসমীয়া জাতিটো আৱেগতেই উটি-ভাহি ফুৰিলে। বিগত 'বিদেশী বহিষ্কাৰ আন্দোলন'ক আৱেগিক সমৰ্থন, অগপক(১৯৮৫)ৰ নিৰ্বাচনত জয়ী কৰিবলৈ আৱেগিক প্ৰচাৰ, 'স্বাধীন অসম'ৰ দাবীত আলফাৰ সংগ্ৰামক অন্ধ সমৰ্থন আদিয়ে অসমীয়া জাতিটো পংগু কৰি পেলালে।

অসমৰ বৰ্তমানৰ ছাত্ৰসমাজেও একে পৰম্পৰাৰে বাট বুলিছে। বহুক্ষেত্ৰত ছাত্ৰসমাজে সামাজিক স্বীকৃতি, ক্ষমতা তথা পৰিচিতি আৰু সহজলভ্য ধন বিচাৰিয়ে বিভিন্ন ৰাজনৈতিক ইস্যুত ভাগ লোৱা দেখা গৈছে। এই সময়চোৱাত নিজকে নায়ক হিচাপে কল্পনা কৰাৰ প্ৰৱণতা, প্ৰচলিত পৰম্পৰাৰ প্ৰতি অনীহা তথা কৰ্তৃত্বৰ প্ৰতি অসহনীয় মনোভাৱে বহুক্ষেত্ৰত ছাত্ৰসমাজক বিভিন্ন ৰাজনৈতিক তথা সামাজিক বিষয়ত মাত মাতিবলৈ বাধ্য কৰিছে। অৱশ্যে সকলো ক্ষেত্ৰতে এই কথা প্ৰযোজ্য নহয়। বৰ্তমানৰ বিচিত্ৰ আৰু জটিল সমাজ ব্যৱস্থাই অতীতৰ দৰে গুৰু-গৃহত থাকি ব্ৰহ্মচাৰী ব্ৰত লৈ কেৱল অধ্যয়নত মনোনিৱেশ কৰাৰ শিক্ষা-নীতি গ্ৰহণ কৰিব নোৱাৰে। যুগৰ পৰিবৰ্তনে দেশ, জাতি সমাজ, ৰাজনীতি আদিৰ প্ৰতি সচেতন ছাত্ৰহে বিচাৰে।

যাহওক, এই সম্পৰ্কীয় বিবাদ এৰি এতিয়া আমি আহো ৰাজনৈতিক বিষয়ত তথা আন্দোলনত অসমীয়া ছাত্ৰৰ অংশগ্ৰহণৰ ইতিহাসলৈ। স্বাধীনতা আন্দোলনৰ সময়ৰে পৰা অসমৰ ছাত্ৰসমাজে চেগাচোৰোগাকৈ বিভিন্ন ৰাজনৈতিক-সামাজিক বিষয়ত ভাগ লোৱা দেখা যায়। বৃটিছ ৰাজত্বৰ আগলৈকে অসমত সাধাৰণ শিক্ষাৰ তেনে কোনো ব্যৱস্থা নাছিল। কিন্তু, বৃটিছ চৰকাৰে সাধাৰণ শিক্ষাৰ ব্যৱস্থা কৰিলেও ১৮৩৬ চনত অসমত শিক্ষাৰ মাধ্যম বঙালী হোৱাত শিক্ষাৰ প্ৰতি অসমীয়া মানুহ উদাসীন হৈয়ে আছিল। কিন্তু সেই সময়ত কলিকতাত অধ্যয়নৰত অসমীয়া ছাত্ৰসকলে কলিকতাৰ সেই সময়ৰ বুদ্ধিজীৱী, ৰাজনৈতিক, সামাজিক নেতৃত্বৰ সান্নিধ্য পাইছিল আৰু সামাজিক তথা ৰাজনৈতিক দিশত অভিজ্ঞ হৈ পৰিছিল। এইসকল পৈণত মনোবৃত্তিৰ অভিজ্ঞ ছাত্ৰৰ সবল নেতৃত্বত অসমৰ ছাত্ৰসমাজে বিভিন্ন সময়ত স্বাধীনতা আন্দোলনত বিশেষ বৰঙণি যোগাইছিল। ১৯১৬ চনত গঠিত হোৱা ভাৰতবৰ্ষৰ দ্বিতীয় প্ৰাদেশিক ছাত্ৰ সংগঠন 'অসম ছাত্ৰ সন্মিলনে' ১৯১৯ চনৰ পৰাই ক্ৰমে দেশৰ সমসাময়িক ৰাজনীতি তথা স্বাধীনতা আন্দোলনত এক বিশেষ ভূমিকা লৈছিল। অসমত অসহযোগ আৰু আইন অমান্য আন্দোলন আছিল মূলতঃ স্বাধীনতাৰ সমৰ্থনত ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে হোৱা ছাত্ৰ আন্দোলন। অসমত অসহযোগ আন্দোলনৰ সংগঠক আৰু অংশগ্ৰহণকাৰীৰ অধিকাংশই আছিল ছাত্ৰ-ছাত্ৰী। অসমত কংগ্ৰেছ সমিতি গঠন, কংগ্ৰেছৰ সদস্য ভৰ্তি, তিলক স্বৰাজ ভঁৰাললৈ পুঁজি সংগ্ৰহ, বিদেশী পণ্য সামগ্ৰী আৰু বিদেশী বস্ত্ৰৰ দোকানত পিকেটিং কৰা, সভা-সমিতি অনুষ্ঠিত কৰা, শোভাযাত্ৰা উলিওৱা আদি কামত ছাত্ৰসকলেই আগভাগ লৈছিল। আন্দোলনৰ কাৰ্যসূচী হিচাপে চৰকাৰী শিক্ষানুষ্ঠান বৰ্জন কৰাৰ ক্ষেত্ৰত প্ৰথমে নেতৃত্ব লৈছিল আমাৰ কটন কলেজৰে একাংশ ছাত্ৰই। এওঁলোকৰ পথেৰে বাট বুলি অসমৰ অন্যান্য ঠাইতো ছাত্ৰসকলে শিক্ষানুষ্ঠান বৰ্জন কৰি আন্দোলনৰ অন্যান্য কাৰ্যসূচী ৰূপায়নত মনোনিৱেশ কৰিছিল। ১৯২১-২২ চনত অসমত স্কুলীয়া ছাত্ৰৰ সংখ্যা এই আন্দোলনৰ বাবে ৭ শতাংশলৈ হ্ৰাস পাইছিল (বিভিন্ন অসামৰিক তথ্যমতে)। আইন অমান্য আন্দোলনতো অসমীয়া ছাত্ৰ যুৱকৰ অংশগ্ৰহণ ব্যাপক আছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত সমগ্ৰ দেশতে স্বৰাজ দিৱস পালন, ভাৰতীয় জাতীয় কংগ্ৰেছৰ পতাকা উত্তোলন আৰু সংকল্প লোৱা আদিত আগভাগ লৈছিল আমাৰ কটন কলেজৰে একাংশ ছাত্ৰই। ১৯৩০ চনৰ ১৯ মে' তাৰিখে

জাৰি কৰা 'কানিংহাম চাৰ্কুলাৰে' আইন অমান্য আন্দোলনত ছাত্ৰ সমাজৰ অংশগ্ৰহণৰ পৰিসৰ বৃদ্ধি কৰিছিল। ভাৰত ত্যাগ আন্দোলনত অসমীয়া ছাত্ৰসমাজৰ প্ৰত্যক্ষ অংশগ্ৰহণ তথা সফলতা লেখত ল'বলগীয়া। কনকলতা, মদন-বাউতাৰ নামোল্লেখেৰে আমি এই প্ৰসংগ চমুৱাব খুজিছো।

এতিয়া আহো স্বাধীনোত্তৰ অসমৰ ছাত্ৰসকলে অংশ লোৱা তথা ছাত্ৰসকলে নেতৃত্ব বহন কৰা আন্দোলনসমূহলৈ। 'অসম সাহিত্য সভা'ৰ উদ্যোগত আৰম্ভ হোৱা ভাষা আন্দোলনৰ নেতৃত্ব ছাত্ৰ সমাজেই পিছলৈ গ্ৰহণ কৰিছিল। ১৯৬০ চনৰ ১৭ এপ্ৰিল তাৰিখে তদানীন্তন ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ অসম তথা গুৱাহাটী বিশ্ববিদ্যালয় ভ্ৰমণৰ সময়ত বিশ্ববিদ্যালয়ৰ এটি ছাত্ৰ গোটে অসমীয়া ভাষাক অসমৰ ৰাজ্যভাষা হিচাপে ঘোষণা কৰিবলৈ পণ্ডিত নেহৰুক দাবী জনাইছিল। তদুপৰি ডিব্ৰুগড়, যোৰহাট আদি ঠাইতো শক্তিশালী ছাত্ৰ সমাৱেশত অসমীয়া ভাষাক অসমৰ ৰাজ্যভাষা হিচাপে ঘোষণা কৰাৰ দাবী উত্থাপিত হৈছিল। ভাষা আন্দোলনৰ সফলতাত অসমৰ ছাত্ৰসমাজৰ অৰিহণা সৰ্বাধিক। আকৌ ১৯৬৬ চনত আৰম্ভ হোৱা খাদ্য আন্দোলনতো ছাত্ৰ সমাজে সক্ৰিয় অংশ লৈছিল। খাদ্য আন্দোলনত নেতৃত্ব গ্ৰহণ কৰিছিল সদৌ অসম ছাত্ৰ সন্থাই। ১৯৭২ চনৰ মাধ্যম আন্দোলন মূলতঃ শিক্ষাক্ষেত্ৰৰ লগত জড়িত আছিল আৰু স্বাভাৱিকতে সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত মুখ্যতঃ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ছাত্ৰসকল অসমত উচ্চ শিক্ষাৰ মাধ্যম অসমীয়া কৰাৰ দাবীৰে আন্দোলনত নামি পৰিছিল। এই ক্ষেত্ৰত ভাষিক সংখ্যালঘুসকলৰ লগত ঠায়ে ঠায়ে সংঘৰ্ষৰো সূত্ৰপাত হৈছিল। বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰদ্বাৰা 'বঙালী'কো পৰীক্ষাৰ মাধ্যম হিচাপে ৬ জুন, ১৯৭২ৰ অধিসূচনাৰ দ্বাৰা গ্ৰহণ কৰাৰ প্ৰতিবাদত অসমীয়াভাষী তথা অন্যান্য সংখ্যালঘু সম্প্ৰদায়ৰ ছাত্ৰসকলে বিক্ষোভ আৰম্ভ কৰিছিল। বঙালী ভাষাক পৰীক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰাৰ প্ৰতিবাদত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীবৰ্জন কৰিছিল আৰু গ্ৰেপ্তাৰ বৰণ কৰিছিল। ১৯৭৪ চনত আকৌ সদৌ অসম ছাত্ৰ সন্থা(আছু)ৰ নেতৃত্বত অৰ্থনৈতিক আন্দোলন আৰম্ভ হয় আৰু ইয়াতেই ১০ জুনত দুজন ছাত্ৰ শ্বহীদ হয়। এই আন্দোলনসমূহৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে অসমৰ বাইজে এই আন্দোলনসমূহত ছাত্ৰ নেতৃত্বৰ ওপৰত গভীৰ আস্থা ৰাখিছিল আৰু অকুণ্ঠ সহযোগ আগবঢ়াইছিল।

এই আন্দোলনসমূহৰ প্ৰায়ভাগৰে মুখ্য দাবী পূৰণ হৈছিল যদিও এইসমূহ প্ৰকৃততেই সফল হৈছিলনে? যি দাবীৰে এই আন্দোলনসমূহপৰিচালিত হৈছিল বাস্তৱ ক্ষেত্ৰত আন্দোলনকাৰীসকলে প্ৰায়ভাগেই সততাৰ পৰিচয় দি সেই দাবীৰ মৰ্যাদা ৰক্ষা কৰা নাই। ভাষা-আন্দোলনত, মাধ্যম আন্দোলনত সক্ৰিয় অংশ লোৱা বহুতৰে ল'ৰা-ছোৱালীয়ে ইংৰাজী মাধ্যমৰ ব্যক্তিগত বিদ্যালয়ত পঢ়ি অসমীয়া লিখিব, পঢ়িব, ক'ব নাজানে বুলি গৌৰৱ কৰে। এই আন্দোলনকাৰীসকলে( যি সকলে নিজৰ সন্তানে অসমীয়া ক'ব, পঢ়িব নজনাটোত গৌৰৱ কৰে) এবাৰো নিজৰ এই চূড়ান্ত ভণ্ডামিৰ কথা ভাবেনে? আকৌ, অসম এতিয়াও অৰ্থনৈতিকভাৱে স্বচ্ছল হৈছেনে? অসমৰ বহুতো মানুহে এতিয়াও পৰ্যাপ্ত খাদ্যৰ অভাৱত অপুষ্টিত ভুগি আছে।

এতিয়া আহো এই নিবন্ধৰ মূখ্য প্ৰতিপাদ্য তথা অসমৰ ইতিহাসৰ আটাইতকৈ গুৰুত্বপূৰ্ণ, বিতৰ্কিত আৰু স্পৰ্শকাতৰ অধ্যায়— 'বিদেশী বহিষ্কাৰ আন্দোলন'লৈ। ১৯৭৯ চনৰ মাৰ্চ মাহত অনুষ্ঠিত হ'ব লগা মঙলদৈ সমষ্টিৰ উপ-নিৰ্বাচনৰ কাৰণে ভোটাৰ তালিকাৰ সংশোধন আৰম্ভ হয় আৰু ভোটাৰ তালিকাত থকা ৬,০০০০০ জন ভোটাৰৰ প্ৰায় ৭০,০০০ জনৰ বিপক্ষে আপত্তি তোলা হয়। তেতিয়াৰ মুখ্যমন্ত্ৰীয়ে পতা ট্ৰিবিউনেলে ৪,৫০০ জনক বেআইনী বুলি ঘোষণা কৰে। মঙলদৈ সমষ্টিৰ উপনিৰ্বাচন স্থগিত ৰখা হয়। মুখ্যমন্ত্ৰীয়ে  অন্যান্য ৮০ টা সমষ্টিৰ ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম বাদ দিবলৈ ট্ৰিবিউনেল পাতে যদিও এই প্ৰচেষ্টাত তেওঁৰ কেবিনেটৰ দুজন মুছলিম সদস্য(জেহিৰুল ইছলাম আৰু গোলাম ওছমানি) আৰু আন ৩৪ জন বিধায়কে আপত্তি জনায়। এই ঘটনাৰ পিছতে ৭-১০ মাৰ্চত অনুষ্ঠিত হোৱা আছুৰ বহেৰেকীয়া অধিৱেশনত বিদেশীৰ সমস্যা সম্পৰ্কে আলোচনা কৰা হয় আৰু ইয়াৰ বিৰুদ্ধে আন্দোলন কৰিবলৈ সিদ্ধান্ত লোৱা হয়। ইয়েই অসমৰ জাতীয় জীৱনৰ এক অধ্যায়ৰ পাতনি।

ইয়াণ্ডাবু সন্ধিৰ যোগেদি বৃটিছে অসম অধিকাৰ কৰিছিল যদিও মানৰ আক্ৰমণত বিধ্বস্ত প্ৰদেশখনৰপৰা প্ৰথম অৱস্থাত বিশেষ উপনিবেশিক লাভৰ সুবিধা পোৱা নাছিল। বৃটিছৰদ্বাৰা উপনিবেশিক প্ৰথম সফল উদাহৰণ আছিল অসমৰ বনজ প্ৰাকৃতিক সম্পদ লুণ্ঠন কৰা আৰু চাহ খেতিৰ প্ৰবৰ্তন কৰা। কিন্তু প্ৰথম অৱস্থাত দুয়ো ক্ষেত্ৰতে বৃটিছ চৰকাৰৰ আয়ৰ তুলনাত ব্যয়ৰ পৰিমাণ বেছি হোৱাত লোকচানৰ সন্মুখীন হৈছিল। সেয়েহে ঘাইকৈ ৰাজহ বৃদ্ধি তথা উপনিবেশিক উদ্যোগৰ বাবে সস্তীয়া শ্ৰম বিচাৰি বৃটিছ চৰকাৰে ব্যাপকভাৱে অসমলৈ প্ৰব্ৰজনৰ উৎসাহ যোগাইছিল তথা বিভিন্ন অঞ্চলৰ পৰা অসমলৈ মানুহ আনি বহুৱাইছিল। যদিও প্ৰাদেশিক বৃটিছ চৰকাৰৰ উদ্যোগতে এই প্ৰব্ৰজন ঘটিছিল তথাপি চৰকাৰে এই প্ৰব্ৰজনকাৰীসকলৰ অভাৱ অভিযোগৰ প্ৰতি আওকণীয়া মনোভাৱ প্ৰদৰ্শন কৰিছিল। ফলত পূৰ্ববংগৰ পৰা অহা মূলত মুছলমান সংখ্যালঘু কৃষকসকলে মৌলানা ভাসানিৰ নেতৃত্বত সাম্প্ৰদায়িক পথেৰে নিজৰ দুৰ্দশাৰ বিৰুদ্ধে সংগ্ৰামৰ উপায় চিন্তিছিল। সাম্ৰাজ্যবাদী ব্ৰিটিছৰ বাবে এয়া বিশেষ উদ্বেগৰ বিষয় নাছিল যদিও অসমৰ জনগণৰ মাজত ইয়াৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী আছিল। ইয়াৰ ফলত প্ৰবল জাতি বিদ্বেষ আৰু গোষ্ঠীগত তথা সাম্প্ৰদায়িক হিংসাৰ সূত্ৰপাত হৈছিল। এই পটভূমিতে অসমত পূৰ্ববংগীয় মুছলমান বহিৰাগত বিৰোধী হিংসাত্মক কাৰ্যসূচী স্বাধীনতাৰ পিছত ব্যাপক হাৰত ঘটিবলৈ লয়। অসম আন্দোলন(বিদেশী বহিষ্কাৰ আন্দোলন) আছিল এই দীৰ্ঘ প্ৰক্ৰিয়াৰ শেহতীয়া অভিব্যক্তি।

আন্দোলনটোৰ সময়ত অসমীয়া মানুহ অতি আবেগিক হৈ পৰাৰ ভালেমান কাৰণো আছিল। কেন্দ্ৰীয় তথা প্ৰাদেশিক চৰকাৰৰ মইমতীয়া কাৰ্যকলাপে অসমীয়া ৰাইজক ক্ষুণ্ণ কৰি তুলিছিল। ১৯৮৩ চনৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ চলাবলৈ অসমলৈ আহি তেতিয়াৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে কেৱল বহিৰাগতৰ প্ৰাধান্য থকা অঞ্চলতে  বক্তৃতা দিছিল আৰু থলুৱা অসমীয়াৰ প্ৰতি

কঠোৰ মনোভাৱ প্ৰদৰ্শন কৰিছিল। অসমত তেওঁ বক্তৃতা ঙালীতহে আৰম্ভ কৰিছিল, (হিন্দী বা অসমীয়াত নহয়) আৰু ামৰিছিল 'খোদা হাফিজ' বুলিহে, সচৰাচৰ ব্যৱহাৰ কৰা 'জয় ইন্দ' বুলি নহয়। বহিৰাগতসকলক ৰক্ষণাবেক্ষণ দিবলৈ তেওঁ ৎপৰোনাস্তি চেষ্টা কৰিছিল আৰু অসমলৈ আহি এনেকুৱা ব্যৱহাৰ ৰিছিল যেন তেওঁ বাংলাদেশলৈহে আহিছিল। আকৌ, চীনা যুদ্ধ ১৯৬২) ৰ পিছত জৱাহৰলাল নেহৰুৱে প্ৰৱৰ্তন কৰা 'PIP Prevention of Infiltration from Pakistan) আইনৰ ৰোধিতা কৰা চলিহা মন্ত্ৰীসভাৰ দুই সদস্য ফকৰুদ্দিন আলি াহমদ আৰু মইনুল হক চৌধুৰী দুয়োকে ইন্দিৰা গান্ধীয়ে কেন্দ্ৰীয় ন্ত্ৰীসভাত লৈছিল। আনহাতে, অসমীয়াৰ নেৰা নেপেৰা দাবীত ৯৭৫ চনত কেন্দ্ৰীয় চৰকাৰে অসমত ভোটাৰ তালিকাৰ পৰা দেশীৰ নাম বাদ দিবলৈ কিবা এখন আঁচনি ল'বলৈ ৰাজ্যিক ৰকাৰক নিৰ্দেশ দিয়ে। ইতিমধ্যে ঘাইকৈ বিদেশীৰ ভোটেৰে ৰ্বাচনত জয়ী হোৱা অসমৰ ২৫ জন বিধায়কে (যি সকল ৰকাৰ গঠনত কিং মেকাৰ হৈ পৰিছিল) ভাবুকি দিয়ে যে যদি জ্যিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ এই নিৰ্দেশ মানি কাম কৰে তেন্তে তেওঁলোকে ৰাজ্যিক চৰকাৰৰ প্ৰতি তেওঁলোকৰ সমৰ্থন ত্যাহাৰ কৰিব। আকৌ, ফকৰুদ্দিন আলি আহমদে এই সকলৰ ক্ষকে লয়। তাৰ এবছৰ পিছতে ইন্দিৰা গান্ধীৰ সহায় আৰু দ্যোগত ফকৰুদ্দিন আলি আহমদ ভাৰতৰ ৰাষ্ট্ৰপতি হয়। এই টনাবোৰে অসমৰ ৰাইজক বেয়াকৈ আঘাত কৰিছিল আৰু আন্দোলনৰ ব্যাপকতাত ইন্ধন যোগাইছিল।

প্ৰথম অৱস্থাত বিদেশী বহিষ্কাৰৰ দাবীৰে অনানুষ্ঠানিকভাৱে প্ৰতিবাদী ভা, ধৰ্ণা আদিৰে পি.এল.পি, অসম জাতীয়তাবাদী দল আদিয়েহে আন্দোলনটো আৰম্ভ কৰিছিল। কিন্তু, আন্দোলনটোক এক সামাজিক াৰু অৰাজনৈতিক ৰূপ প্ৰদানৰ অৰ্থে ১৯৭৯ চনৰ জুন মাহৰ পৰা ান্দোলনটোৰ নেতৃত্ব আছুৱে গ্ৰহণ কৰে। কিন্তু আন্দোলনত সপ্ৰতিভ ংশ গ্ৰহণ, আন্দোলনটোৰ সাংবিধানিক ৰাজনৈতিক তাত্বিক তাৎপৰ্য খ্যাৰে পি.এল.পি., জাতীয়তাবাদী দল আদিয়েও নিজস্ব জনপ্ৰিয়তা ক্ষুণ্ণ ৰাখিছিল। কিন্তু এই দলসমূহৰ বৰ্ধিত জনপ্ৰিয়তাই আছু নেতৃত্বক ৱিষ্যত সম্পৰ্কে সন্দিহান কৰি তুলিছিল। পি.এল.পি. তথা আনবোৰ লা ভৱিষ্যতে এদিন ক্ষমতাৰ দাবীদাৰ হৈ উঠিব পাৰে এই কথালৈ ক্ষ্য ৰাখি আন্দোলনত নিজৰ অবিসম্বাদী কৰ্তৃত্ব অক্ষুণ্ণ ৰাখিবলৈ আছু তৃত্বই বিভিন্ন কৌশল অৱলম্বন কৰিছিল। আছুৰ নেতৃত্বৰ প্ৰতি চৰ্ত আনুগত্য প্ৰকাশ নকৰা বহুতো গণ্য-মান্য নেতাক লাহে লাহে ত্ৰপটৰ পৰা আঁতৰাই দিয়া হৈছিল।

এতিয়া আমি এই বৃহৎ গণ আন্দোলনৰ বিফলতাৰ কাৰণ শ্লেষণ কৰিলে পাওঁ যে এই আন্দোলনটোৰ নেতৃত্ব গ্ৰহণ ৰিছিল অনভিজ্ঞ কিছুমান ছাত্ৰ যুৱকে। ৰাজনীতি-সমাজনীতি ম্পৰ্কে তেওঁলোকৰ অলপ পুথিগত জ্ঞান আছিল যদিও বাস্তৱ ভিজ্ঞতা নাছিল। দ্বিতীয়তে, আন্দোলনকাৰী নেতৃত্বৰ ক্ষমতাৰ তি হেঁপাহেও এই আন্দোলনটোক দুৰ্বল কৰিছিল। ক্ষমতাৰ বেই আন্দোলনকাৰীসকলৰ মাজত বিসম্বাদ, মনোমালিন্য আৰম্ভ ছিল আৰু আন্দোলনটোক এক সুচিন্তিত পথেৰে আগুৱাই নিয়াত ধা হৈ পৰিছিল। কোনো ধৰণৰ ৰাজনৈতিক মতাদৰ্শ, সুস্থ ৰ্থনৈতিক পৰিকল্পনা অবিহনেই কেৱল আৱেগৰ জোৱাৰতেই এই ান্দোলনটো পৰিচালিত হৈছিল। তদুপৰি, অসমৰ বিচিত্ৰ জনগাঁঠনি আৰু ভৌগোলিক গাঁঠনিও কিছু পৰিমাণে এই আন্দোলনৰ বিফলতাৰ বাবে দায়ী। আকৌ বেছিভাগ সংবাদপত্ৰ যুক্তিবাদী সমালোচনাৰে আন্দোলনটোক এক সঠিক পথ দেখুৱা সলনি মুখৰোচক বাতৰিৰে ইয়াক বিপথে পৰিচালিত কৰিছিল। বহুসংখ্যক বুদ্ধিজীৱিৰ টুলুঙা মন্তব্য, স্বাৰ্থগন্ধী— একপক্ষীয় লি আদিয়েও আন্দোলনটোক বিপথে পৰিচালিত কৰিছিল। যিবোৰ সংবাদ পত্ৰই সততা সাহসেৰে আন্দোলনটোৰ বিশ্লেষণ কৰিছিল সেইসমূহ ৰাইজৰ ওচৰ নাপাইছিল। নিৰপেক্ষভাৱে আন্দোলনটো পৰ্যবেক্ষণ কৰা লেখক-বুদ্ধিজীৱিসকলক 'বদন' আখ্যা দিয়া হৈছিল। তদুপৰি ৰাজ্যিক চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন চাতুৰি, সিদ্ধান্ত আদিও এই আন্দোলনটোৰ বিফলতাৰ বাবে দায়ী।

এই অত্যাৱশ্যকীয় আন্দোলনটোৰ উদ্দেশ্য অতি মহৎ আৰু প্ৰয়োজনীয় আছিল। কিন্তু ইয়াক প্ৰতিফলিত কৰাৰ উপায় তথা আন্দোলনৰ নীতিহে ভুল আছিল। আজিৰ ছাত্ৰসমাজত দেখা পোৱা ক্ষমতা তথা সহজলভ্য ধন (Easy Money)ৰ প্ৰতি আকাংক্ষা, নিজস্ব সংস্কৃতি ভাষাৰ প্ৰতি অৱহেলা, কৰ্মস্পৃহা হ্ৰাস, বৌদ্ধিক দৈন্যতা, জংগী মনোভাৱ আদিৰ জন্মদাতা মূলতঃ 'বিদেশী বহিষ্কাৰ আন্দোলন'। এই আন্দোলনটোত চেগাছোৱোগা প্ৰতিফলিত হোৱা সংকীৰ্ণ উগ্ৰজাতীয়তাবাদৰ ফলস্বৰূপে আম্ছু, আটাছু, আটছা তথা আবছুৰ দৰে গোষ্ঠী কিম্বা সাম্প্ৰদায়িক চৰিত্ৰ ছাত্ৰ সংগঠনৰ জন্ম হ'ল আৰু গঢ়ি উঠিল সাম্প্ৰদায়িক আৰু গোষ্ঠীবাদী জংগী আন্দোলনসমূহ। আকৌ, আন্দোলনৰ নেতৃবৃন্দ 'স্বাৱলম্বিতা'ৰ ধাৰণাটোক জনপ্ৰিয়তা তথা মুনাফা আদায়ৰ উপা হিচাপে লৈ যুৱসমাজৰ মনৰপৰা কৰ্মসংস্কৃতি সম্পূৰ্ণৰূপে নাইকি কৰিলে।

এই বৃহৎ আন্দোলনটোৰ সমাপ্তি ঘটিল কেন্দ্ৰীয় চৰকাৰ আৰু আছু নেতৃবৃন্দৰ মাজত হোৱা চুক্তিৰ মাধ্যমেদি। কিন্তু আছু নেতৃ অসমৰ ৰাইজক আঁভুৱা ভাৰি চুক্তিৰ চৰ্তবোৰ পোহৰলৈ নানি কেৱল নিৰ্বাচন পাতি ক্ষমতা দখলহে কৰিলে। ইমান ঢাক ঢোল বজাই অসমৰ ৰাইজৰ আৱেগ, বহুতৰ তেজৰ মৰ্যাদা ৰক্ষা নকৰি কেৱল এখন ফোপোলা চুক্তিত স্বাক্ষৰ কৰি আন্দোলনৰ নেতৃবৃন্দ অসমৰ ৰাইজৰ মুখামুখি হোৱাৰ সাহস হেৰুৱাই পেলাইছিল। বি নিলাজৰ দৰে যিখন ভোটাৰ তালিকাৰে নিৰ্বাচিত হোৱা বাবে ১৯৮৩ চনৰ হিতেশ্বৰ শইকীয়াৰ চৰকাৰক অবৈধ চৰকাৰ বুলি আন্দোলনকাৰী নেতৃত্বই গুৰুতৰ অভিযোগ আনিছিল সেইখন অসংশোধিত ভোটাৰ তালিকাৰেই নিৰ্বাচিত হৈ আন্দোলনকাৰী নেতৃবৃন্দই অগপ (অসম গণ পৰিষদ) দল নাম লৈ চৰকাৰ গঠন কৰিছিল। কিন্তু ক্ষমতাৰ গাদীত বহিয়েই এইসকল নেতাই সীমাহী দুৰ্নীতিত নিমজ্জিত হৈ অসমক পংগু কৰি পেলালে।

এই ব্যৰ্থতাপূৰ্ণ অধ্যায়ৰ কিছু কুফল অসমৰ ৰাইজে এতিয়াও ভোগ কৰি আছে। এই অধ্যায়ৰপৰা অসমৰ ৰাইজে শিক্ষা লওক আৱেগত উটি ফুৰি কোনো কাম কৰাতকৈ সুচিন্তিতভাৱে পদক্ষে লওক। আমাক আকৌ বিপ্লৱ লাগে— এই ক'লা অধ্যায়ৰ কালিমা আৰু ব্যৰ্থতা মচিবলৈ। কিন্তু এই বিপ্লৱ হ'ব যুক্তিপূৰ্ণ, সুচিন্তিত আৰু অহিংস। এই ক্ষেত্ৰত অসম আন্দোলনৰ নিৰপেক্ষ বিশ্লেষণে আমাক সহায় কৰিব। অসমৰ ৰাইজে নতুন অসম গঢ় যুক্তি-প্ৰেম-দূৰদৰ্শিতাৰে। জয় আই অসম।❖

*(বিভিন্ন প্ৰাসংগিক পুথিৰ সহায় লোৱা হৈ*



# বোলছবি বনাম ভ্ৰাম্যমান থিয়েটাৰ

অনুৰাগ শইকীয়া

*স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ*

১৯২১ চন

ব্ৰজনাথ শৰ্মা ওলাই আহিল বাণিজ্যিক যাত্ৰা দল গঠন কৰিবলৈ। নিজে পৰিচালক হৈ (সেই সময়ত ওস্তাদ) 'শিলা কালিকা অপেৰা পাৰ্টি' গঠন কৰিলে।

১৯২১ চনতে আৰম্ভ হৈছিল ভাৰতৰ স্বাধীনতাৰ অসহযোগ আন্দোলন। স্বাধীনতাৰ আন্দোলনে সাহিত্য-সংস্কৃতিৰ কাৰ্যসূচী স্থবিৰ কৰিব পৰা নাছিল। ১৯২৩ চনত নিজৰ গাঁও শিলা, বৰপেটা, পাটবাউসী সত্ৰ আদিত নাট মঞ্চস্থ কৰি 'শিলা কালিকা অপেৰা' গুৱাহাটী অভিমুখে আগবাঢ়িল। উজান বজাৰৰ ৰাজহুৱা পূজা স্থলীত সেইবাৰৰ পূজাৰ ৰতৰতে 'ৰাণা প্ৰতাপ' আৰু 'বাজীৰাও' নাটক দুখন মঞ্চস্থ হ'ল। গুৱাহাটীৰ পৰা ঘূৰি আহি নলবাৰী পূজাস্থলীত পুনৰ নাট্যাভিনয় আৰম্ভ হ'ল। দৰ্শকে ভূয়সী প্ৰশংসা কৰিলে। সেয়া অসমৰ ভ্ৰাম্যমান যাত্ৰা দলৰ আৰম্ভণি। (বাবুল দাস-জীৱন নাটৰ ভাৱৰীয়া পৃঃ ১৬-১৭)।

১৯২৪ চনৰ দুৰ্গাপূজাৰ সপ্তমীৰ দিনা ৰঙ্গমঞ্চত জ্যোতি প্ৰসাদৰ 'শোণিত কুঁৱৰী' মঞ্চস্থ হ'ল আৰু আৰম্ভ হ'ল অসমীয়া নাটকৰ অন্য এক অধ্যায়।

১৯২৪ চনৰ মে' মাহত 'শিলা কালিকা অপেৰা' যাত্ৰা দল নানান কাৰণত বন্ধ হ'ল। ব্ৰজনাথ শৰ্মা কিন্তু নিৰাশ নহ'ল, পুনৰ ১৯২৪ চনৰ নৱেম্বৰ মাহত ৭০ টকীয়া মাহিলী মাননিৰে 'গণক গাড়ী অপেৰা পাৰ্টি'ৰ আখৰা আৰম্ভ কৰিলে। ...

১৯৩০ চন, আৰম্ভ হ'ল 'আসাম কহিনুৰ অপেৰা পাৰ্টি'। পৰিচালক ব্ৰজনাথ শৰ্মা। স্থান— 'সৰভোগ', উজনি-নামনিৰ শিল্পীৰে সৰভোগ উখল-মাখল হ'ল। তেজপুৰৰ ডেকা-ফণী শৰ্মাও ফুটবল খেলিবলৈ গৈ কহিনুৰ

অপেৰাত যোগদান কৰিলে। নাটক চলিল। কিন্তু ঘটনাক্ৰমত অনুভৱ কৰিলে নাৰী চৰিত্ৰত ছোৱালী নহ'লে দৰ্শকে গ্ৰহণ নকৰে। কাৰণ সেই সময়ত কলিকতাৰ পৰা অহা যাত্ৰা পাৰ্টিত নাৰী-চৰিত্ৰ নাৰীয়েই কৰিছিল। কলিকতীয়া যাত্ৰাত দৰ্শকৰ ভীৰ। ব্ৰজ শৰ্মাই থিৰাং কৰিলে ছোৱালী (যোৰহাটৰ) লাগিবই। নানান সংগ্ৰাম কৰি পুৰণি গুদামৰ গোলাপী আৰু সৰ্বেশ্বৰীক(দুয়ো বাই-ভনী) নাটকৰ অভিনয়লৈ আনিলে। ইও এক কাহিনী। সমাজে ব্ৰজ শৰ্মাক সমালোচনাৰে থকা-সৰকা কৰিলে। প্ৰথমে ব্ৰজশৰ্মাই ছোৱালী দুজনীক নাটক কৰিবলৈ দিয়া নাছিল। নাটক শিকাইছিল। চন্দ্ৰ চৌধুৰীয়ে নাৰীৰ চৰিত্ৰত অভিনয় কৰিছিল। মানুহে বিশ্বাস কৰা নাছিল, যোৰহাটত এনেকুৱা অৱস্থা হৈছিল যে যে ছোৱালী হয়নে নহয় প্ৰমাণ চাবৰ বাবে 'গ্ৰীণৰুম'ত চন্দ্ৰ চৌধুৰীৰ বস্ত্ৰ হৰণৰ কাণ্ড হৈছিল। ... সেয়া বহুত কাহিনী, কিন্তু ব্ৰজ শৰ্মাই সকলো অপযশ মূৰ পাতি লৈ মঞ্চত সহ-অভিনয় আৰম্ভ কৰিলে। ক'ৰবাত ক'ৰবাত (বিশেষকৈ নলবাৰী) সহ-অভিনয়ক সমাজৰ ভ্ৰষ্টাচাৰ আখ্যা দি নাটক বন্ধ কৰিলে। টিকটৰ পইচাও ঘূৰাই দিব লগা হ'ল।

১৯৩১ চনৰ পৰা ১৯৩৬ চনলৈ কহিনুৰ ভ্ৰাম্যমান চলিল। ১৯৩৬ চনত দুহেজাৰ টকা ধাৰৰ বোজাৰে ব্ৰজনাথ শৰ্মাই কহিনুৰ অপেৰা বন্ধ কৰিলে। কহিনুৰ অপেৰা বন্ধ হোৱা মূল কাৰণসমূহৰ ভিতৰত প্ৰথম ঃ ফণী শৰ্মাই কহিনুৰ অপেৰা এৰি আহি নাহৰকটীয়াৰ ওচৰৰ জয়পুৰত ভদ্ৰকাণ্ড গগৈ প্ৰযোজিত 'আসাম আইডিয়েল থিয়েটাৰ' পাৰ্টিত যোগদান কৰিলে। লগত লৈ আহিল দুৰ্দান্ত অভিনেতা চন্দ্ৰ চৌধুৰীক, দ্বিতীয় ঃ বোলছবিৰ প্ৰচলন, তৃতীয় ঃ কলিকতীয়া থিয়েটাৰ (য'ত নাৰী চৰিত্ৰ নাৰীয়েই ৰূপায়ণ কৰিছিল।)

অসমৰ প্ৰথমজনা ভ্ৰাম্যমান থিয়েটাৰৰ পথ প্ৰদৰ্শক ব্ৰজনাথ শৰ্মাক কহিনুৰ থিয়েটাৰে সৰ্বস্বান্ত কৰিলে। তেওঁৰ সঞ্চিত ধন গ'ল, খেতি কৰা মাটিৰ আধাখিনি গ'ল, চিকিৎসাৰ অভাৱত থিয়েটাৰ কৰি থাকোতে পুত্ৰৰ বিয়োগ ঘটিল। সেইখিনি দীঘলীয়া কাহিনী, কিন্তু সেই চিৰনমস্য ব্যক্তি গৰাকীয়ে অসমৰ নাট্য সাধক সকলক এক নতুন পথৰ সন্ধান দিলে। সেই পথেৰে পুনৰ বাট বুলি ফণী শৰ্মাই আনুমানিক ১৯৩৬ চনত, গুৰু প্ৰসাদ বৰঠাকুৰৰ অৰ্থৰে আৰম্ভ কৰিলে 'অসম ষ্টাৰ থিয়েটাৰ পাৰ্টি'।

## দুই

নানান আলৈ আহুকালৰ মাজত ১৯৩৫ চনৰ ১০ মাৰ্চত অসমৰ প্ৰথমখন বোলছবি জয়মতীয়ে মুক্তি লাভ কৰিলে। ব্ৰজনাথ শৰ্মাৰ দৰে জ্যোতিপ্ৰসাদ আগৰৱালায়ো 'জয়মতী' বোলছবিৰে যদিও অসমীয়া সুস্থ চলচিত্ৰ ধাৰাৰ এক নতুন দিগন্তৰ উন্মোচন কৰিলে তথাপিও তেওঁ সৰ্বস্বান্ত হ'ল। জ্যোতিপ্ৰসাদ নিৰাশ নহৈ দ্বিতীয় বোলছবি 'ইন্দ্ৰমালতী' প্ৰযোজনা আৰু পৰিচালনা কৰি সামান্যতম সঁহাৰি লাভ কৰিলে। জ্যোতিপ্ৰসাদে তৃতীয়খন বোলছবি নিৰ্মাণ নকৰিলে। 'জয়মতী' বোলছবিৰ তিতা-কেহা অভিজ্ঞতা, স্বৰাজ আন্দোলনত অংশগ্ৰহণ আৰু শেষৰ ফালে ভগ্ন স্বাস্থ্যৰ বাবে সেয়া হয়তো সম্ভৱ হৈ নুঠিল। কিন্তু জ্যোতিপ্ৰসাদে সুস্থ ৰুচিবোধ আৰু কলাসন্মতভাৱে নিৰ্মাণ কৰা 'জয়মতী' বোলছবিয়ে অসমীয়া বোলছবিৰ ইতিহাস আৰম্ভ কৰিলে।

## তিনি

লুইতেদি বহু পানী বৈ গ'ল। অসমীয়া বোলছবিয়েও লুইত পাৰ হৈ সাগৰ, মহাসাগৰ পাৰ হৈ বহু যোজন আগুৱাই গ'ল। কুৰি শতিকাৰ ষষ্ঠ দশকত অসমীয়া বোলছবিয়ে ৰাষ্ট্ৰীয় সন্মান 'চাৰ্টিফিকেট অফ মেৰিট' পালে (ফণী শৰ্মা পৰিচালিত 'পিয়লি ফুকন', ১৯৫৫) ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক পালে (নিপ বৰুৱা পৰিচালিত 'ৰঙা পুলিচ', ১৯৫৮) সেই সময়তে 'পুৱেৰুণ' বোলছবি বাৰ্লিন চলচিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হ'ল। ক্ৰমে অসমীয়া চলচিত্ৰ স্বৰ্ণ কমল বঁটাৰে বিভূষিত হ'ল (জাহ্নু বৰুৱা পৰিচালিত 'হালধীয়া চৰায়ে বাওধান খায়', ১৯৮৭)। অসমীয়া চলচিত্ৰৰ সংগীত পৰিচালকে শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় সন্মান লাভ কৰিলে (আব্দুল মজিদ পৰিচালিত 'চামেলি মেমচাব', ১৯৭৫) সবাবোপৰি ১৯৯৫ চনত জাহ্নু বৰুৱাই লাভ কৰিলে চলচিত্ৰ পৰিচালকৰ ৰাষ্ট্ৰীয় সন্মান — 'শ্ৰেষ্ঠ পৰিচালক অভিধা'। জাহ্নু বৰুৱাৰ 'সাগৰলৈ বহু দূৰ' বোলছবি ছিংগাপুৰৰ আন্তৰ্জাতিক চলচিত্ৰ উৎসৱত প্ৰদৰ্শিত হ'ল, ফ্ৰান্সৰ চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হ'ল, দৰ্শকৰ বিচাৰত শ্ৰেষ্ঠ ছবি হ'ল, সত্য বৰুৱা শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটাৰে বিভূষিত হ'ল। অসমীয়া চলচিত্ৰই ১৯৩৫ চনৰ পৰা কুৰি শতিকাৰ শেষ দশকলৈকে জয়-জয়কাৰ হ'ল। ভাৰতীয় প্ৰেক্ষাপটত ভূপেন হাজৰিকা, ভবেন্দ্ৰ নাথ শইকীয়া, ডাঃ সান্ত্বনা বৰদলৈ, মঞ্জু বৰা, গৌতম বৰা, শ্বেৰ চৌধুৰী, তৰালি শৰ্মা প্ৰভৃতি শিল্পীসকলে এক বলিষ্ঠ স্থিতি লাভ কৰিলে। ১৯৩৫ চনৰ পৰা সাম্প্ৰতিক সময়লৈকে (২০০৭) অসমত প্ৰায় তিনি শতাধিক বোলছবি নিৰ্মাণ হ'ল। জ্যোতিপ্ৰসাদৰ পূণ্য পদাংক অনুসৰণ কৰি পাৰ্বতি প্ৰসাদ বৰুৱা, ফণী শৰ্মা, ভূপেন হাজৰিকা, নিপ বৰুৱা, লক্ষ্যধৰ চৌধুৰী, ব্ৰজেন বৰুৱা, সৰ্বেশ্বৰ চক্ৰৱৰ্তী, আব্দুল মজিদ, দ্বিবন বৰুৱা, কমল নাৰায়ণ চৌধুৰী প্ৰভৃতি প্ৰবীন চামৰ শিল্পীসকলে কুৰি শতিকাৰ সপ্তম দশকলৈকে প্ৰায় সত্তৰখনৰো অধিক বোলছবি নিৰ্মাণ কৰিলে। সেই সময়ছোৱাত (বিশেষকৈ ১৯৬০-১৯৮০) প্ৰায়বোৰ অসমীয়া বোলছবিয়ে বিভিন্ন কাৰণত জনপ্ৰিয়তা লাভ কৰিছিল। তাৰ ভিতৰত প্ৰধান কাৰণ আছিল অসমীয়া বোলছবিৰ গীতসমূহ গ্ৰামোফোন ৰেকৰ্ডত বাণীবদ্ধ হৈছিল আৰু সিবোৰ আকাশবাণীৰ অনুৰোধৰ অনুষ্ঠান ইত্যাদিত সঘনে প্ৰচাৰ হৈছিল। বিভিন্ন অনুষ্ঠান আৰু সভাঘৰ সমূহতো বোলছবিৰ গীতসমূহ ৰজনজনাই উঠিছিল। শ্ৰোতাক হয়তো গীতসমূহৰ আবেদনে ছবি চাবলৈ আকুল আহ্বান জনাইছিল। এতিয়াও চামেলি মেমচাব, তৰামাই, ৰতনলাল, পোনাকণ, মনিৰাম দেৱান প্ৰভৃতি বোলছবি সমূহৰ গীত শুনিলে বোলছবিসমূহ উপভোগ কৰিবলৈ মন যায়। দ্বিতীয়তে সেই সময়ত আজিৰ দৰে দূৰদৰ্শন, চি.ডি., ইণ্টাৰনেট আদিৰ দৰে মনোৰঞ্জনৰ মাধ্যমসমূহ নাছিল। সেইকাৰণেই হয়তো বাছ ভাড়া কৰিও মানুহে বোলছবি উপভোগ কৰিবলৈ গৈছিল। (প্ৰফুল্ল কুমাৰ দত্ত— এদল দৰ্শকৰ স্মৃতি ৰোমন্থনত অসমীয়া ছবি, অসমীয়া সা ৰে গা মা, নৱেম্বৰ ২০০৬)। কুৰি শতিকাৰ শেষৰ দশক দুটিটো (১৯৮১-২০০০) অভিলেখ সংখ্যক চিত্ৰ নিৰ্মাণ হ'ল, প্ৰায় দুশখন। কিন্তু এই সময়ছোৱাত চলচিত্ৰ উদ্যোগে যেনেকৈ গা কৰি উঠিব লাগিছিল তেনেকৈ নোৱাৰিলে। যি

সময়ত বিশ্বত 'জুৰাছিক পাৰ্ক', 'টাইটানিক', 'দি বেবীজ ডে আউট' প্ৰভৃতি বোলছবিয়ে যেনেকৈ তোলপাৰ লগালে অসমীয়া চলচিত্ৰ নিৰ্মাতাসকলে প্ৰযুক্তিবিদ্যাৰ নৱতম কৌশল আয়ত্ব কৰি তেনেধৰণৰ চিত্ৰ নিৰ্মাণ নকৰি সত্তৰ দশকৰ হিন্দী বোলছবিৰ নাচ-গান সৰ্বস্ব বোলছবিৰ নকলেৰে অসমীয়া চলচিত্ৰ নিৰ্মাণ কৰি দৰ্শকক হয়তো সন্তুষ্ট কৰিব নোৱাৰিলে। অসমৰ চিৰিয়াচ বা কলাসন্মত বোলছবিৰ ধাৰাটোৰ কথা নিলগাই থৈ কোৱা উচিত হ'ব যে অসমত অতি সাম্প্ৰতিক সময়ত (চিনেমাগৃহত বোমা বিস্ফোৰণৰ আগলৈকে) অসমৰ বাণিজ্যিক— বোলছবিসমূহত যি ধৰণে দৰ্শকৰ সংখ্যা বৃদ্ধি হ'ব লাগিছিল তেনেকৈ হোৱা নাই। কাৰণ জনসংখ্যা বৃদ্ধিৰ দৃষ্টিৰে চালে দেখা যায় যে ১৯৫১ চনক ভিত্তি বছৰ হিচাপে ধৰিলে ২০০১ চনলৈকে এই পঞ্চাশ বছৰত অসমৰ জনসংখ্যা প্ৰায় চাৰে তিনিগুণ বাঢ়িল। চিত্ৰগৃহৰ সংখ্যাও বাঢ়িল। তেনেহ'লে চিত্ৰগৃহত দৰ্শক কমিল কিয়? হয়তো, প্ৰযুক্তিবিদ্যাৰ আশীৰ্বাদ মিহলি অভিশাপ। হয়তো অতি দুৰ্বল কাহিনী, হয়তো মানুহৰ বুদ্ধিদীপ্ততাৰ তুলনাত বোলছবিসমূহত প্ৰদৰ্শন কৰা বিষয়বস্তুৰ মাজত আকাশ-পাতাল পাৰ্থক্য, হয়তো মানুহৰ কৰ্মব্যস্ততা, হয়তো মনোৰঞ্জনৰ অধিক সা-সুবিধা, অথবা উল্লিখিত কাৰণসমূহৰ এটাও নহয়।

### চাৰি

বিভিন্ন কাৰণত চিত্ৰগৃহলৈ দৰ্শকৰ সংখ্যা কমি আহিল। ই হয়তো ক্ৰমবিকাশৰে (Evolution) এটা স্তৰ হ'ব পাৰে। মানুহৰ মন, অভিৰুচিৰ সদায় পৰিৱৰ্তন হয়। যুগৰ পৰিৱৰ্তন হয়। ইবোৰ বিভিন্ন সামাজিক কাৰকে (Social factor) নিৰ্দ্ধাৰণ কৰে।

দৰ্শকৰ সংখ্যা কমিছেনে!

### পাঁচ

দৰ্শক। পূৰ্ণ প্ৰেক্ষাগৃহৰ দৰ্শক, হিল্লদল ভঙা দৰ্শক। বিৰ দি বাট নোপোৱা দৰ্শক। সেয়াও অন্য এক দৃশ্য। এই দৃশ্য দেখা যায় বিহুতলীসমূহত আৰু প্ৰায় আগষ্ট মাহৰ পৰা এপ্ৰিলৰ দ্বিতীয় সপ্তাহলৈকে ভ্ৰাম্যমান নাট্যদলৰ অস্থায়ী প্ৰেক্ষাগৃহৰ সন্মুখত।

যি সময়ত ঘৰতে বহি প্ৰযুক্তিৰ আশীৰ্বাদত চিনেমা চাব পাৰি, দূৰদৰ্শনত নানা ৰঙী অনুষ্ঠান উপভোগ কৰিব পাৰি সেইসময়ত ভ্ৰাম্যমানৰ নাটক চাবলৈ দৰ্শক আহে কিয়? ভ্ৰাম্যমান থিয়েটাৰৰ প্ৰায়বোৰ নাটকতে সেই একেই কাহিনী। কিন্তু দৰ্শক আহে।

### ছয়

বোলছবি যেনেকৈ এটা উদ্যোগ, এতিয়া অসমত ভ্ৰাম্যমান থিয়েটাৰো এক উদ্যোগ। ব্ৰজনাথ শৰ্মাৰ প্ৰচেষ্টা অথলে নগ'ল। কুৰি শতিকাৰ শেষ দশক কেইটাও অসমৰ গাঁৱে-ভূএঃ, নগৰে নগৰে ভ্ৰাম্যমান থিয়েটাৰ বৈপ্লবিক গতিত আৰম্ভ হৈছে আৰু থিয়েটাৰসমূহত ন ন প্ৰযুক্তিৰ 'ধামাকা'ৰে দৰ্শকসকলক আকৃষ্ট কৰিছে। 'ধামাকা' প্ৰশ্নটো ক্ষমা প্ৰাৰ্থনাৰে ব্যৱহাৰ কৰিছো। কাৰণ এচাম দৰ্শকে মঞ্চত হেলিকপ্টাৰ, বোমা বিস্ফোৰণ, মটৰ চাইকেল এক্সিডেন্ট, বানপানী, সেইবোৰ অবলোকন কৰি নয়ন সাৰ্থক কৰিবলৈকে দৰ্শকৰ আসনত বহে আৰু সেইচাম দৰ্শকৰ বাবে নাটকৰ বক্তব্য (message) হয়তো তেনেই



গৌণ কথা। তাতকৈ আমোদজনক বিষয়টো হ'ল, 'চুৰেন চোৰৰ পুতেক' নামৰ বোলছবিখন চাবলৈ (চন্দ্ৰ মুদৈ পৰিচালিত ২০০৫) যিমান দৰ্শক চিত্ৰগৃহলৈ গ'ল তাতোকৈ বেছি দৰ্শক গ'ল ভ্ৰাম্যমানৰ অস্থায়ী প্ৰেক্ষাগৃহলৈ (ভাগ্যদেৱী থিয়েটাৰ)। ঠিক এনে ধৰণে 'চুনামী' অবলোকন কৰিবলৈও দৰ্শক হিলদ'ল ভাঙি আহিছিল বহু ঠাইত।

কেতিয়াবা একোটা বিখ্যাত গানেও একোখন থিয়েটাৰৰ দৰ্শকক মোহাচ্ছন্ন কৰে। বিশ্ব শইকীয়া প্ৰযোজিত শ্ৰীমন্ত শংকৰদেৱ থিয়েটাৰত 'চলগৰী' নামৰ কৃষ্ণমণি চুতীয়াৰ জনপ্ৰিয় গীতটোৰ আধাৰত ৰচনা কৰা নাটকখনেও দৰ্শকক মোহাচ্ছন্ন কৰিছিল। 'কিনো হৈছে' বুলিয়ে দৰ্শক নাটক চাবলৈ যায়। চিৰিয়াচ দৰ্শকে ঘূৰি আহি কি মন্তব্য দিলে 'একোৱে নাই'। তথাপিও লানি নিছিগা দৰ্শক।

দৰ্শকৰ মনত জাহাজখন দুটুকুৰা হোৱা, কাঠ এডালৰ ওপৰত ছোৱালী এজনী উটি ভাহি ফুৰা, সৰু নাও এখন লৈ দুৰ্গতসকলক উদ্ধাৰ কৰা 'টাইটানিক' নামৰ চিনেমাখনৰ সেই দৃশ্যবোৰ মঞ্চত কেনেকৈ দেখুৱাব? এবাৰ নিজে চাই অহা হওক। দৰ্শকৰ সংখ্যা বাঢ়ে, প্ৰথম দৰ্শনি, দ্বিতীয় দৰ্শনি, দৰ্শকৰ বিপুল দাবীত তৃতীয় দৰ্শনি।

'দৰ্শক'; চিনেমাগৃহত বোমা বিস্ফোৰণৰ আগলৈকে সেইবোৰ দৰ্শকেই চিত্ৰগৃহত গৈছিল! প্ৰযুক্তি কৌশলে দৰ্শক হ্ৰাস কৰিলে ভ্ৰাম্যমান থিয়েটাৰৰো দৰ্শন হ্ৰাস হ'লহেঁতেন! নে এই অনুমান অসত্য।

ৰতন লহকৰৰ 'কহিনুৰ'ত 'ডবল একটিং'। চিনেমাত দেখি থকা, দেখিলেই মন ভাল লগা সেই স্মাৰ্ট নায়িকা গৰাকী আহিছে। নাম-প্ৰস্তুতি পৰাশৰ। নাটকৰ নাম 'শান্ত শিষ্ট দুষ্ট ছোৱালী'। নাট্যকাৰ-অভিজিৎ ভট্টাচাৰ্য। দ্বৈত ভূমিকাতনো কেনেকৈ অভিনয় কৰে চাব লাগিব। চিনেমাৰ দৰে একেজনী ছোৱালী একেলগে দুজনী হৈ কেনেকৈ ওলাব, 'সীতা ঔৰ গীতা'ৰ নিচিনা হ'বনে? দৰ্শক বাঢ়ে।

কৃষ্ণ ৰয়ৰ 'আৱাহন থিয়েটাৰ'ত ড° ভবেন্দ্ৰনাথ শইকীয়াৰ ভালেখিনি

নাটক মঞ্চস্থ হ'ল। ড° ভবেন্দ্ৰনাথ শইকীয়াৰ চুটি গল্পৰ কথনভঙ্গী সেই ভঙ্গীৰে নাটক লিখি বিভিন্ন সামাজিক সমস্যা উপস্থাপন কৰি দৰ্শকক অন্য একসোৱাদ দিলে, গ্লেমাৰ নাই। বৰ বেছি কাৰিকৰী কথাও নাই। তথাপিও দৰ্শকে একান্তমনে নাটক উপভোগ কৰিলে। কৃষ্ণ ৰয়ৰ সেই 'আৱাহনৰ মঞ্চ'তে 'জোনবাই'ৰ দৰে মানস ৰবীনৰ সংগীতেৰে মোহময়ী অভিনেত্ৰী গায়ত্ৰী মহন্তৰ অভিনয়েৰে এখন নাটক মঞ্চস্থৰ কথা 'সাপ্তাহিক অগ্ৰদূত' কাকতত পঢ়িবলৈ পালো। অসমৰ জনমানসত মানস ৰবীন আৰু পবিত্ৰ মাৰ্ঘেৰিটাৰ 'জোনবাই' নামৰ ধাৰাবাহিক চি.ডি.ৰ চিত্ৰখনি অতি জনপ্ৰিয়।

দৰ্শকক আকৰ্ষণ কৰিবৰ বাবে বহুতো জনপ্ৰিয় হিন্দী বোলছবি ভ্ৰাম্যমানৰ মঞ্চত অভিনীত হৈছে। 'আনাকোণ্ডা'ৰ দৰে প্ৰযুক্তিযুক্ত বোলছবিকো ভ্ৰাম্যমানে সামৰি লৈছে। কিন্তু ইবোৰৰ মাজতো হঠাৎ হৰেকৃষ্ণ দাস প্ৰযোজিত 'প্ৰাগজ্যোতিষ থিয়েটাৰ'ত খলকনি লগালে সমৰেন্দ্ৰ বৰ্মন ৰচিত 'হেল্প' হেল্প' ভণ্টি' নাটকখনিয়ে। সেইখন নাটকত 'লাহু কে এক হিৰ' খ্যাত ওম উত্তমে অভিনয় কৰি ছিল, হিৰণ্য ডেকাও আছিল। বাতৰি কাকতত নাটকখনিৰ সম্পৰ্কত লিখিছিল — 'হেল্প'... হেল্প' হেল্প' ভণ্টি নাটকৰ বাবে দহটা টিকেট বুকিং কৰিবনে? হেল্প'... হেল্প' হেল্প' ভণ্টি নাটকখনৰ বাবে আমাৰ ইয়াত এটা পেণ্ডেল লাগে।'

হেমচন্দ্ৰ তামুলী আৰু নিজানন্দ তামুলীৰ 'শৰইঘাট থিয়েটাৰ'লৈ নাটক লিখিলে নবীন নাট্যকাৰ নিৰ্মল দাসে। শ্ৰীদাসে অসমৰ বহু মঞ্চত অতি কলাত্মকভাৱে একাংকিকা নাটক প্ৰদৰ্শন কৰি, একাংকিকা নাটক লিখি এক সুন্দৰ ৰুচিবোধৰ পৰিচয় দি আহিছে। একাংকিকা নাটক প্ৰতিযোগিতাত বহু ঠাইত সন্মানিত হৈছে। সেই নিৰ্মল দাসেই লিখিলে— 'মায়া মাথোঁ মায়া'। নাটকৰ নামটি জুবিন গাৰ্গৰ কণ্ঠত এটি গীতে (ৰচনা-কপিল বৰঠাকুৰ) বহুত দিনলৈ জনপ্ৰিয় কৰি থৈছিল। ...খবিৰ আহমেদ অতি জনপ্ৰিয় লেখক, তেওঁৰ কাহিনীৰ আলমতে নাট্যকাৰ অৱতাৰ সিঙে শৰাইঘাট থিয়েটাৰৰ বাবে লিখিলে 'পুলিচ আৰু মানুহ' নাটক।

চক্ৰধৰ ডেকা প্ৰয়োজিত 'ৰাজশ্ৰী থিয়েটাৰ'ৰ বাবে নাট্যকাৰ জিতেন শৰ্মাই লিখিলে 'সাৰে আছানে সমীৰণ' নামৰ নাটক। নাটকৰ নামটোৰেই এক আকৰ্ষণ, যেনেকৈ শ্ৰীমন্ত শংকৰ দেৱ থিয়েটাৰৰ 'বিন লাডেন' নামৰ নাটকখনৰ নামটো এক আকৰ্ষণ তেনেকৈ পিণ্টু ফুকন প্ৰয়োজিত 'শ্ৰীমন্ত শংকৰ মাধৱ থিয়েটাৰ'ৰ বাবে নাট্যকাৰ ৰেৱ বৰাই মিচিং জনগোষ্ঠীৰ আধাৰত লিখা 'আচিং আয়ং' বা নাট্যকাৰ ভাস্কৰ বৰ্মনে চাহ জনগোষ্ঠীৰ জীৱনৰ আধাৰত লিখা 'হিৰ' নামৰ নাটকখনিও বহুতৰ বাবে এক আকৰ্ষণ। ঠিক সেইদৰে অলকা শৰ্মা প্ৰয়োজিত 'থিয়েটাৰ অলকানন্দা'ত মুন্না আহমেদ পৰিচালিত 'জোন জ্বলে কপালত' নামটিও আকৰ্ষণীয়। যিখন নাটকৰ গীতত কণ্ঠদান কৰিছিল জুবিন গাৰ্গ, শাশ্বতি ফুকন আৰু চনু নিগমে।

অসমৰ জনমানসত ড° ভূপেন হাজৰিকা নামটিয়েই এক আকৰ্ষণ। তেখেতৰ এটি গীতৰ শীৰ্ষ শাৰী 'শৈশৱতে ধেমালিতে'। শীৰ্ষ শাৰীৰ আধাৰত আৰু গীতটিৰ বিষয়বস্তুৰ আধাৰত নাটক ৰচনা হ'ল, এয়া এক নতুন শৈলী। ঠিক তেনেকৈ 'মমতাৰ চিঠি' নামৰ কবিতাটিয়েও নাট্যৰূপ পালে। দৰ্শক আহিল। দুয়োখন নাটক দৰ্শকে উপভোগ কৰিলে।

## সাত

অসমীয়া বোলছবিৰ জনপ্ৰিয় অভিনেতা ৰবীন নেওগেও আজিৰ পৰা চাৰি/পাঁচ বছৰৰ আগতে 'আশীৰ্বাদ থিয়েটাৰ'ৰ উদ্যোগ ললে, আৰো নতুন নাটক। অভিজিৎ ভট্টাচাৰ্যৰ 'মৰম লগা ছোৱালী', সেৱাব্ৰত বৰুৱাৰ 'ইংগিত', মহেশ কলিতাৰ 'মনৰ মানুহ' মঞ্চস্থ হ'ল আশীৰ্বাদ থিয়েটাৰত। বোলছবিৰ দুৰ্দান্ত অভিনেতা ব্ৰজেন বৰাও পাছ পৰি নাথাকিল, দুই-তিনি বছৰৰ আগতে আৰম্ভ কৰিলে 'অনুৰাগ থিয়েটাৰ'। হয়তো বোলছবিৰ পৰা ভ্ৰাম্যমান থিয়েটাৰলৈ আগমন। অসমৰ বহুতো প্ৰতিষ্ঠিত বোলছবিৰ অভিনেতা-অভিনেত্ৰী আৰু অন্যান্য কলা কুশলী ভ্ৰাম্যমান থিয়েটাৰলৈ আহিছে। অৱশ্যে ই নতুন কথা নহয়। অসমৰ প্ৰতিষ্ঠিত বোলছবি অভিনেতা প্ৰশান্ত হাজৰিকাই বহু বছৰৰ আগেয়ে 'হেঙুল' থিয়েটাৰৰ শুভাৰম্ভ কৰিছিল। শ্ৰীহাজৰিকাৰ অকাল বিয়োগৰ পাছত তেওঁৰ সুযোগ্য পত্নী, 'চিকমিক বিজুলী' বোলছবিৰে অভিনয় জীৱন আৰম্ভ কৰি 'আজলী নবৌ' বোলছবিত অভিনয়েৰে অতি সুখ্যাতি অৰ্জন কৰা ইলা কাকতিয়ে 'হেঙুল থিয়েটাৰ' বন্ধ হ'বলৈ নিদিলে। এতিয়াও 'হেঙুল থিয়েটাৰ' দপদপাই আছে সংকল্পজিত হাজৰিকাৰ প্ৰযোজনাত।

আমাৰ ভ্ৰাম্যমান থিয়েটাৰৰ সংখ্যা অতি কম নহয়। এসময়ৰ চিনেমাৰ কিছু অংশ আৰু নাটকৰ কিছু অংশৰে 'নটৰাজ থিয়েটাৰ', কেৱল 'নটৰাজ' থিয়েটাৰ, তাহানিৰ 'ষ্টাৰ থিয়েটাৰ'... মুকুন্দ, মেঘদূত, কহিনুৰ, আৱাহন, জ্যোতিৰূপা, পাঞ্চজন্য(?), সুৰদেৱী, ভাগ্যদেৱী, আৰাধনা, শ্ৰীমন্ত শংকৰদেৱ, হেঙুল, বৰদৈচিলা, বিষ্ণু জ্যোতি(?), শৰাইঘাট, ৰাজশ্ৰী, সুৰুজ, নন্দিনী, প্ৰাগজ্যোতিষ, শ্ৰীমন্ত শংকৰ মাধৱ, অলকানন্দা, আশীৰ্বাদ, বীণাপাণি, স্বাগতম, পৃথ্বিৰাজ (মঞ্চতীৰ্থ), মঞ্চজ্যোতি, নটগুৰু(মন্দোকিনী), অনুৰাগ, প্ৰভৃতি ভ্ৰাম্যমান থিয়েটাৰে অসম আজি ৰজনজনাই আছে।

## আঠ

বোলছবি উদ্যোগ সাম্প্ৰতিক সময়ত নানান পূৰ্ব উল্লিখিত কাৰণত ম্লান পৰি আহিছে। অসমৰ বাবে সৌভাগ্যৰ কথা যে ভাৰতবৰ্ষত আন ৰাজ্যত নথকা ভ্ৰাম্যমান থিয়েটাৰে এনে এক সন্ধিক্ষণত অসমীয়া বোলছবিৰ বহুতো অভিনেতা অভিনেত্ৰীক এক নতুন পথৰ সন্ধান দিছে। অথবা ভ্ৰাম্যমান থিয়েটাৰলৈ বোলছবিৰ অভিনেতা অভিনেত্ৰীক আমন্ত্ৰণ কৰি নিজৰ ব্যৱসায়িক দিশৰ সম্ভাৱনা বৃদ্ধি কৰিছে।

ভ্ৰাম্যমানে ব্যৱসায়িক স্বাৰ্থ-পূৰণ কৰি 'স্বামী থাকিও বিধবা', 'মই বিয়াত নবহো', 'ভূতবাংলা' জাতীয় নাটক কৰিছে যদিও, মহেন্দ্ৰ নাথ বৰঠাকুৰৰ মুখ্যমন্ত্ৰী, বিষ্ণুৰাভা, মাজনিশাৰ চিএৰ, ভবেন্দ্ৰনাথ শইকীয়াৰ স্বৰ্ণজয়ন্তী... প্ৰভৃতি নাট্যকাৰৰ অতি ছিৰিয়াচধৰ্মী নাটকো মঞ্চস্থ কৰিছে।

এতিয়া অসমৰ ভ্ৰাম্যমান থিয়েটাৰে বহুতো শিল্পী কাৰিকৰ আৰু শ্ৰমিকক নিযুক্তি প্ৰদান কৰি বোলছবি শিল্পৰ সমান্তৰালকৈ এক উদ্যোগ গঢ়ি তুলিছে।❖

# যোগ— এজন কটনিয়ানৰ অনুভৱ



ৰাকেশ কুমাৰ শৰ্মা

স্নাতক তৃতীয় বৰ্ষ, ভূতত্ব বিভাগ

দৈনন্দিন ঃ

নিশাৰ অন্তত দুচকুত এচমকা পোহৰ... সন্মুখত এটি নতুন দিন... সজীৱতাৰ উদ্দেশ্যে একাপ চাহ... বাতৰি কাকতৰ নিত্যনৈমিত্তিক ঘটনাৱলী... দুৰ্নীতি, বিস্ফোৰণ, হত্যা... কলেজ-অফিচৰ বাটত ট্ৰেফিক জাম... কৰ্মব্যস্ত দিন... কে'বল T.Vৰ আৰম্ভৰ পৰা শেষলৈ আটাইবোৰ চেনেলৰ সালসলনি... কেইটিমান হুমুনিয়াহৰ সৈতে এটা দিনৰ সমাপ্তি।

ৰসহ্যময়তা ঃ

এখন খোলা খিৰিকী... এচাটি বতাহৰ সৈতে অকণমান জোনাক... অন্ধকাৰৰ বুকুতে আপুনি... বিচনাত অলস শৰীৰ... চৌদিশ নিঃশব্দ... সশব্দ মাথোঁ আপোনাৰ শ্বাস প্ৰশ্বাস... আৰু আপোনাৰ অৱস্থান... পাণবজাৰ— নহয়? চান্দমাৰী— নহয়? ... খিৰিকীৰে উন্মুক্ত এখন আকাশ— অচিন অজানা অলেখ তৰাৰ তিৰ্‌বিৰণি... আপোনাৰ তলত ভূপৃষ্ঠ... তলত উত্তপ্ত ভূগৰ্ভ... তাৰো সিপিনে এখন অচিন দেশ, অচিন মানুহ, অচিন সপোন... তাৰ পিছত পুনৰ মহাশূন্য... অচিন অজানা তৰাৰ তিৰ্‌বিৰণি...

আপোনাৰ চিনাকি? — মাথোঁ শ্বাস প্ৰশ্বাস ...ৰহস্যময়, স্থিৰ ছন্দোযুক্ত এক স্পন্দন... আপুনি এক 'স্পন্দন'।

অষ্টাংগ যোগৰ ধাৰণা, আস্থা-স্বামীৰামদেৱ... ইত্যাদি ঃ

'আস্থা চেনেল'— 'জাতি ধৰ্ম বৰ্ণ ভাষা' নিৰ্বিশেষে যাক সকলোৱে আদৰি লৈছে। কাৰণ সৰ্বজনবিদিত। —'স্বামী ৰামদেৱ' আৰু তেওঁৰ 'যোগ প্ৰশিক্ষণ শিবিৰ' তথা এই শিবিৰসমূহৰ দ্বাৰা উপকৃত জনগণৰ সাক্ষাৎকাৰসমূহৰ পোনপটীয়া সম্প্ৰচাৰ। ৰোগ, শোক, দুঃশ্চিন্তা, উদ্বিগ্নতাবিহীন জীৱন যাপনৰ সপোনে সকলোকে উৎসাহিত কৰিছে 'প্ৰাচীন ভাৰতীয় যোগ-সংস্কৃতি'ৰ প্ৰতি। মানুহে জীয়াই থকাৰ বাবে বিচাৰি পাইছে 'এক ধনাত্মক বিশ্বাস'— যাৰ ফলশ্ৰুতিত বহুদিন ধৰি হৃদৰোগ আৰু বহুমূত্ৰ ৰোগত ভূগি থকা গোৰখপুৰৰ চিকিৎসক আৰ. জৈচৱাল সম্পূৰ্ণ সুস্থ হৈ উঠিছে, ২৩ বছৰীয়া নিকিতাই নিজৰ ৮০ কি.গ্ৰা. ওজনৰ পৰা ৬২ কি.গ্ৰা লৈ হ্ৰাস কৰি লাভ কৰিছে জীয়াই থকাৰ নতুন আনন্দ।

আমাৰ যেতিয়া 'ভাল লাগে' আমি মাথোঁ তাক উপভোগ কৰো, কোনো কাৰণ বিশ্লেষণ নকৰো। কিন্তু যেতিয়া 'বেয়া লাগে' আমি অস্থিৰ হওঁ, বিশ্লেষণ কৰো অনেক কাৰণ, বিচাৰি ফুৰো অনেক দৰ্শন... অৰ্থাৎ 'ভাল লগা' আমাৰ এক স্বাভাৱিক অৱস্থা। হয়তো 'যোগ সংস্কৃতি'ৰ অভ্যাসৰ দ্বাৰা আমি ধাৱমান হওঁ আমাৰ স্বাভাৱিক অৱস্থাৰ পিনে।

যোগ সম্পৰ্কত মহাদেৱ দেশায়ে তেখেতৰ 'Gita, According to Gandhi' গ্ৰন্থত লিখিছে 'Yoga means the disciplining of the intellect, the mind, the emotions, the will. It means

a poise of the soul which enables one to look at life in all its aspects evenly'.

ভাৰতীয় দৰ্শনত সমস্ত সৃষ্টি, সম্পদ, বৈভৱৰ গৰাকীৰূপে সৰ্বশক্তিমান এক মহাজাগতিক শক্তি (পৰমাত্মা)ৰ অস্তিত্বত বিশ্বাস কৰা হয়। জীৱনৰ অন্তৰ্নিহিত শক্তি (জীৱাত্মা) আৰু এই মহাজাগতিক শক্তি (পৰমাত্মা)ৰ মিলনৰ দ্বাৰা 'জীৱাত্মা'ৰ জড়জাগতিক বন্ধনৰ পৰা মুক্তি অৰ্থাৎ 'নিৰ্বান প্ৰাপ্তি' যোগৰ অন্তিম লক্ষ্য।

মহৰ্ষি পতঞ্জলি প্ৰণিত 'যোগসূত্ৰ'ত যোগৰ পৰমাৰ্থিক লক্ষ্যসাধনৰ পথত থকা ৮ টা অৱস্থাৰ বিষয়ে উল্লেখ আছে। ইয়াক 'অষ্টাংগ যোগ' বোলা হয়—

(১) যম ঃ (মহাজাগতিক নৈতিক নিয়মাৱলী)

(২) নিয়ম ঃ (আত্মশুদ্ধিৰ প্ৰক্ৰিয়া), (৩) আসন

(৪) প্ৰাণায়াম (শ্বাসৰ ছন্দোযুক্ত নিয়ন্ত্ৰণ)

(৫) প্ৰত্যাহাৰ (ইন্দ্ৰিয় তথা অন্যান্য বাহ্যিক অনুভূতিৰ পৰা মনৰ নিষ্কাষণ)

(৬) ধাৰণা (একাগ্ৰতা), (৭) ধ্যান

(৮) সমাধি (সাধনাৰ সৰ্বোচ্চ সিদ্ধি, যি অৱস্থাত সাধক আৰু সাধনাৰ লক্ষ্য এক হৈ পৰে)

যোগশাস্ত্ৰত, প্ৰাণায়মৰ গুৰুত্ব অপৰিসীম।

'স্পন্দন'— অৰ্থাৎ 'প্ৰাণ', যাৰ অৰ্থ শ্বাস, শ্বসন, জীৱন, বায়ু, শক্তি। B.K.S. Iyenger এ তেখেতৰ Light on Yoga গ্ৰন্থত প্ৰাণায়ম সম্পৰ্কে লিখিছে 'An attempt is made to harmonise the indivisual breath (Pinda-Prana) with the cosmic breath (Brahmanda-Prana) through the practice of Pranayama'. যদিও ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে 'সন্দেহৰ অৱতাৰণা' পৰিলক্ষিত হয় তথাপি মহাজাগতিক স্পন্দন (Cosmic breath) ৰ ধাৰণা সমূলঞ্চে নুই কৰিব নোৱাৰি। যোগৰ সৰ্বোচ্চ সিদ্ধি 'সমাধি' অৱস্থা সম্পৰ্কে শংকৰাচাৰ্যই তেখেতৰ 'Atma Satkam' ত এইদৰে উল্লেখ কৰিছে...

'I have no name, no life. I breath no vital air
I have no speech, nor means of evolution
Consciousness and joy am I and bliss in dissolution.'

ভক্তিযোগ, ISKCON movement ইত্যাদি ঃ

ব্যস্ততাভৰা জীৱন যাপনৰ মাজতো ৰেডিঅ' বিসকলৰ নিত্যসংগী, তেওঁলোকৰ বাবে ৰাতিপুৱা বিছনাত চকু মেলোঁতেই খেপিয়াই খেপিয়াই ৰেডিঅ'টো অন কৰি কেইটিমান 'বৰগীত'ৰ কাকলিৰে দিনটোৰ আৰম্ভণি কৰাৰ মাদকতাই বেলেগ। চিকুণ ৰাতিপুৱা... বৰগীতৰ স্নিগ্ধ সুৰ... অজানিতে হৃদয়ত গুৰুজনাৰ প্ৰতি এক গভীৰ কৃতজ্ঞতাৰ ভাব অনুভূত হয়।

'বৰগীত'— ভক্তিৰসৰ এক প্ৰতিফলন।

ভক্তিযোগৰ গভীৰতা অতি সৰল ৰূপত প্ৰচাৰ কৰা এক অনুষ্ঠান- আন্তৰ্জাতিক কৃষ্ণভাৱনামৃত সংঘ (ISKCON)। ভাৰতৰ চাৰিসীমা অতিক্ৰমি সমূহ পশ্চিমীয়া ৰাষ্ট্ৰসমূহত যি জনপ্ৰিয়ৰূপে পৰিগণিত হৈছে। ধৰ্মৰ 'গভীৰ আধ্যাত্মিক দৰ্শন' তথা 'কঠোৰ নীতি নিয়ম'ৰ অজুহাতত যুব প্ৰজন্মই তথাকথিত 'ধৰ্ম'ৰ বিপৰীত মেৰুত অৱস্থান কৰাৰ সময়তো ইস্কনে অকল ভাৰতৰে নহয় আনকি পশ্চিমীয়া দেশৰ যুৱ প্ৰজন্মক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ প্ৰধান আকৰ্ষণ হৈছে— 'সংকীৰ্তন' — ঢোল, তাল, মৃদংগ আনকি অত্যাধুনিক 'musical instrument'ৰ ব্যৱহাৰৰ দ্বাৰা 'হৰিনাম'ৰ ধ্বনিৰে চৌদিশ মুখৰিত কৰি তোলা প্ৰক্ৰিয়া। সংকীৰ্তন অনুষ্ঠানত সকলো জাতি, ধৰ্ম, বৰ্ণৰ মানুহে দ্বিধাহীনভাৱে অংশগ্ৰহণ কৰিব পাৰে। সংকীৰ্তন অনুষ্ঠানৰ দ্বাৰা এক গভীৰ আধ্যাত্মিক আনন্দৰ অনুভূতি হয়।

'It is not like material pleasure, it ever increases'– Micheal Grant

আন এক আকৰ্ষণ 'কৃষ্ণ প্ৰসাদ'। ভগৱদ গীতাত উল্লেখ আছে যে 'প্ৰেম' তথা 'ভক্তি' ভাৱেৰে নিবেদন কৰা সকলো বস্তু পৰমেশ্বৰে গ্ৰহণ কৰে— অতি সাধাৰণ যেন লগা পাত, ফুল তথা অকণমান পানীৰেও পৰমেশ্বৰক সন্তুষ্ট কৰিব পাৰি। পৰম ভক্তি তথা প্ৰেম ভাৱেৰে তৈয়াৰ কৰি ভগৱান কৃষ্ণক নিবেদন কৰা 'কৃষ্ণ প্ৰসাদ'ৰ সোৱাদেই সুকীয়া। নৰ্থ কেলিফৰ্ণিয়া নিবাসী ব্ৰিটিছ যুৱতী অৰ্চনা দেৱী দাসী (সংঘ প্ৰদত্ত নাম) যি পেছাত এগৰাকী চিকিৎসক, তেওঁৰ 'The Tastiest spice is Love' শীৰ্ষক প্ৰবন্ধত লিখিছে'Lord Krishna is complete within himself and doesnot need anything from us, but he wants our love. He reciprocates with every act of devotion we render'.

'যোগ' এক অভিসাৰী প্ৰক্ৰিয়া। ঈশ্বৰৰ অস্তিত্বৰ ওপৰত গভীৰ আস্থাৰ দ্বাৰা মানুহৰ অন্তৰ্নিহিত প্ৰকৃতিপদত্ত শক্তিৰ সঞ্চাৰ ইয়াৰ উদ্দেশ্য।

সোতৰ শতিকাৰ গণিতজ্ঞ তথা দাৰ্শনিক 'ব্লেইচ পাচ্‌কেল'ৰ ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে 'দাৰ্শনিক বাজী' গুৰুত্বপূৰ্ণ।

**Pascal's Wager**

| Belief | Conduct | Result |
|---|---|---|
| God exist | Righteous | If: No God-<br>Then: No loss<br>If: God exist-<br>Then: highest gain. |
| | | If: No God-<br>Then: Temporary gain |
| God does not exist | Sinful | If: God exist-Then:<br>Greatest loss |

যদিও ঈশ্বৰৰ অস্তিত্বৰ সম্ভাৱনা 50-50, তথাপি ঈশ্বৰৰ অস্তিত্বত বিশ্বাস 'A wise choice'।

যদি জেমুৱেল জনচনৰ ভাষাত — 'To be happy at home is the ultimate result of all ambition' তেন্তে যোগ সংস্কৃতিৰ অভ্যাস এই ক্ষেত্ৰত অদ্বিতীয়। ❖



## পৃথিৱীৰ শোক

*(শ্ৰদ্ধাৰ দেৱ কুমাৰ বৰদলৈ ছাৰৰ পূণ্য স্মৃতিত)*

**মৈত্ৰেয়ী পাটৰ**
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)*

হঠাৎ,
হয়, হঠাতেই হয়তো
যাওঁ বুলিয়েই গুচি গ'ল
এচাটি অভিমানী পোহৰ,
এৰা, পৃথিৱীৰ এন্ধাৰবিনিক আলোকিত কৰি ৰখা
এচাটি সঁচা পোহৰ।

আজিৰ এই এন্ধাৰ ৰাতি
ধৰিত্ৰীয়ে আৰ্তনাদ কৰে
পাই হেৰুৱাৰ বেদনাত
গোট মৰা চকুলো নিগৰে কুঁৱলীৰ মাজেৰে
নিয়ৰ হৈ; ডিচেম্বৰৰ দুচকুত পানী!
আকাশৰ নহয়, মাটিৰ চকুলো এয়া
মাটিয়ে কান্দে আজি
পুত্ৰশোকৰ জ্বালাত,
বতাহে গায় বিষাদৰ গান...
ম্ৰিয়মান পৃথিৱীৰ এই আকুল পৰত
সুদূৰ আকাশত বাজে উৎসৱৰ মাদল
এটি নতুন তৰাক আদৰাৰ,
মাটিৰ পুত্ৰই হেনো পোহৰ কৰিব আজি
আকাশৰ বুকু!

নতুন পিয়াসী ধৰিত্ৰীৰ বহল বুকুত
স্তব্ধ হ'ল এটি সংকল্পৰ উদাত্ত খোজ, হঠাতে,
ৰুদ্ধ আজি সেয়ে নতুনৰ স্বপ্নীল দুৱাৰ
ছন্দহীনতাত জৰ্জৰিত সময়ৰ গতিশীলতা...
পৃথিৱীৰ সপোন,
অসময়ত,
উৰি গ'ল এটি মাটিৰ সপোন পৃথিৱীৰ পৰিধি ভাঙি
দিগন্তৰ অচিন-অসীম প্ৰান্তলৈ,
আজি পুৱাৰ বতাহজাকৰ
নিঃছন্দ ভাঁজে-ভাঁজে এটাই মাথোঁ খবৰ—
'দেৱ ছাৰ নাই...'

## মহানাগৰিক বিষণ্ণতা

**অনন্যা বৰা**
*স্নাতক তৃতীয় বৰ্ষ, প্ৰাণীবিজ্ঞান বিভাগ*

... ক'ৰপৰা আৰম্ভ হৈ যায় নাজানো
কিন্তু পৰৱৰ্তী কানুৰিলে যেনেকৈ কুটকুটায়
ঠিক তেনেকুৱা... মহানাগৰিক বিষণ্ণতা।

দীঘলীপুখুৰীৰ পাৰৰ নিয়মাৱলীৰ পৰা
উঠি আহে সেই বিষণ্ণতা
ৰেষ্টুৰেণ্ট আৰু হাৰবোৰৰপৰা
জাকপাতি দৌৰি আহে
ম'বাইলৰ ৰিংটোনেদি উৰি আহে সিহঁত
যেতিয়া বান্ধৱীৰ ওঁঠত বিচাৰি নাপাওঁ
অলপো আন্তৰিকতা
তেতিয়াই খিলখিলাই হাঁহি উঠে সিহঁতে
গাটো কুটকুটায় উঠে
সিহঁতে যে কানুৰি দিয়ে।

অট্টালিকাৰ বিপৰীতে যেতিয়া
ভগা পঁজাৰ দীনতাই বিনাই থাকে
তেতিয়া নাজতে বৈ বিদ্ৰূপ কৰে
মহানাগৰিক বিষণ্ণতাই
মই যাওঁ, আহোঁ,
হাঁহো, কান্দো, প্ৰেম কৰো
তথাপি ৰিণি ৰিণি শুনি থাকো
মোৰ বুকুৰ মাজত
এজাক মহানাগৰিক বিষণ্ণতা।



## কিছু সজোৰা শব্দ আৰু কটন কলেজ

**মানসজ্যোতি শৰ্মা**
*স্নাতকোত্তৰ চতুৰ্থ যাণ্মাসিক, ইংৰাজী বিভাগ*

ভালপোৱা ঃ

কান্দিছা কিয়
বৰষুণ নিদিলেও খেতি হ'ব
ভালপোৱা
খৰাঙৰ শইচ

গধূলি ঃ

বৰ্হমথুৰীয়া আকাশেৰে নামি আহিল পথাৰৰ প্ৰেমিক সুৰুয
কণাৰ লাখুটি বুলি পৃথিৱীয়ে আদৰিলে কঁাচিজোন
গৰুবোৰ ঘূৰি আহিল গোহালিলৈ
মোৰ ভৰিৰ পৰা চুলিলৈ
স্নিগ্ধ বতাহ এজাক বৈ থাকিল
ওৰে বাট গৰুবোৰে সেউজীয়া উগাৰিলে

দেহ-মানসিক ঃ

মোৰ ভৰিৰ তলৰ মা'টি টুকুৰা খহি পৰিল
মই ইফালে হালিছো, সিফালে হালিছো
একেথিৰে থিয় হ'ব পৰা নাই
শূন্যতে গোলাপ এটা পাই খামুচি ধৰিলো
কঁাইটে ৰাঙলী কৰিলে হাত
মোৰ সৌৰে-বাৰে এন্ধাৰ

প্ৰথম প্ৰেম ঃ

সংগোপনে এচুকত
বৈ যায়

মাজে সময়ে
কুৰুকি খায়

শুবও নোৱাৰি
চকুমেলি ৰবও নোৱাৰি

পুনৰ জীৱন ঃ

মোক জ্বলাই দিছে,
পুতি পেলাইছে মোৰ নাড়ী-ভুৰু ফিনিক্স পখীৰ দৰে
ছাইৰ পৰা তোমাৰ বুকুৰ ভিতৰত
জী উঠিছো মই সংগোপনে

কটন কলেজ ঃ

এশবছৰ এটা পলক
দেৱদাৰুৰ ৰং আৰু সগোনৰ হিলদল
পুৰণি কিতাপৰ গোন্ধ
উত্তাল যৌৱন
তৰংগায়িত আশা
চৰৈৱেতী, চৰৈৱেতী



## জীৱন, পখী, হত্যা ইত্যাদি

**চন্দামিতা গোস্বামী**
*স্নাতক প্ৰথম বৰ্ষ, দৰ্শন বিভাগ*

এটা বিষয়ৰ কাৰণে
হাবাথুৰি খাই ফুৰিছো
অস্বস্তিৰ শেতেলীত শুই
অনিদ্ৰাত কটাইছো আন্ধাৰ নিশা।
কবিতাৰ অলিয়ে-গলিয়ে
বিচাৰি ফুৰিছো তোমাৰ ঠিকনা
অথচ নাজানো
তুমি কোন।

উৰি যোৱা পাখীটিয়ে জানানে বাৰু
তাইক লৈ কোনোবা ইমান
বলিয়া হৈছে,
তাই বাহ এৰি উৰি যোৱা
তাই উভতি অহাৰ অপেক্ষাই
হৈ পৰিছে জীৱন।
জীৱন, যাৰ আদি ছন্দ জন্ম
অন্তিম ছন্দ মৃত্যু...

'জীৱন' বিষয় হ'ব পাৰেনে?
কাৰ জীৱন তোমাৰ নে মোৰ?
খন্তেকতে ছুঁই হৈ যোৱা জীৱন।
হাতত কলম লৈ কিহৰ বিপ্লৱ কৰিম
হত্যা, লুণ্ঠন নে বোমা বিস্ফোৰণৰ?
কলমেৰে আঁকিব পাৰিনে
সেই বিভীষিকা?

নাই আজি একো বিষয় নাই
শূন্যতাত হেৰুৱাই পেলাইছো নিজক
ক'ত হেৰুৱালো নিজক বিচাৰি নাপালো,
'চাহ গলি' নে 'পুৰণি বজাৰত'?
নাপালো বিচাৰি।
এতিয়া মোৰ জুপুৰিলৈ কোনো নাহে
নাহে শব্দ; নাহে কবিতা
আভ্ডা বহে মৃত্যুৰ...
জীৱনৰ... ছন্দ হেৰুৱাই পেলোৱা জীৱনৰ!!



*অনুবাদ কবিতা ঃ*

লিওনিদ মাৰ্টিনোভ (ৰাছিয়ান কবি)

## পানী

**মৃদুলা মেদক**
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)*

কাৰোবাৰ প্ৰতি দয়া পৰবশ হৈ সেই পানীখিনি বৈ আহিছিল
হয়, সেই পানীখিনি আছিল উদাৰ আৰু সৰল
সেই পানীখিনি এখন আইনাৰ দৰে জিলিকি আছিল
সেই পানীখিনি আছিল বিশুদ্ধ আৰু উজ্জ্বল
কিন্তু ই তোমাৰ তৃষ্ণা দূৰ কৰিব নোৱাৰে
নোৱাৰে এচিকটাও মলি আঁতৰাব
আৰু মোৰ এই কথাখিনি সূৰ্যৰ দৰে সত্য
উইলো গছৰ উচুপনি সেই পানীৰ বুকুত নাছিল
উইলো গছৰ খাণ্ডত থকা ৰসৰ নিজৰা
সেই পানীৰ দেহত নাছিল
জিঞ্জাক কামোৰ মাৰি ধৰিবলৈ সেই পানীত এটাও মাছ নাছিল

সেই পানীখিনিয়ে যোগাবপৰা বস্তুৰ তালিকাখন আছিল নগণ্য
ই হেৰুৱাইছিল তাৰ নিজস্ব বিশৃংখল স্বভাৱ
আৰু সেইবাবেই অপূৰ্ণ হৈ বৈছিল বহু হাবিয়াস

সেই পানীখিনি আছিল সম্পূৰ্ণভাৱে জীৱনবিহীন
কাৰণ তুমি ইমান পৰে যি পানীৰ সাধু শুনিলা সেয়া
পৰিশোধিত আৰু কৃত্ৰিম।

## জোনাকী পৰীৰ সাধু

**লোপামুদ্ৰা কাশ্যপ**
*স্নাতক প্ৰথম বৰ্ষ, ইংৰাজী বিভাগ*

খবৰ কাকতত ওলাল তাই হেৰাল
কাৰোবাৰ দুচকুৰ পতাৰ তলৰ
এন্ধাৰখিনিত তাই হেৰাল
লগত নিবলৈ নিয়ৰখিনি,
টোপোলা বান্ধিবই নাপালে
সময় নাপালে নে পাহৰিলে!
অচিনজনক দেখাৰ লগে লগে
তাই এই পৃথিৱীকে ত্যাগিলে
পাৰিব জানো তাই?
জাৰতচোন ঠৰঙা লাগিব
অচিনজনৰ বুকুৰ উমত
টোপনি আহিবনে তাইৰ?
আভিজাত্যৰ চিন তাইৰ
সোণৰ পালেংখন,
ৰ'দত জিলিকা কাপোৰবোৰ,
গোটেইজনীক গিলিধৰা আভূষণবোৰ
পাৰিবনে তাই পাহৰিব?
কাহানিও বোকা স্পৰ্শ নকৰা
তাইৰ গোলাপ পাহিয়া চৰণে
কাঁইটৰ ওপৰতো উৎসৱত নৃত্য কৰিব।
গোটেইজনীচোন সলনি হৈ যাব
তাইৰ অচিনজন ৰঙৰহে বণিক;
ৰং বেচা-কিনা কৰাৱেই তেওঁৰ কাম
তাইৰ ৰংবোৰ হাটত বিক্ৰী নকৰেতো?
নতুবা তাইলৈ নিতৌ নতুন
ৰঙো আনিব পাৰে টোপোলা বান্ধি।
ওপৰত থকাজনে সূতাবোৰ
তেনেকৈয়ে গাঁঠক।
তাইৰ কপালৰ ৰঙা আলিত
সৰগৰ ৰামধেনুৱে বাস কৰক
পৰ্ণকুটীৰতেই তাই ৰঙৰ বণিকৰ
আদৰৰজনী হৈ থাকক।

## আশাৰ জালত বন্দী নিঃস্ব মানৱ মই

মিতালী গোস্বামী
*স্নাতক প্ৰথম বৰ্ষ, সংস্কৃত বিভাগ*

ফৰিংফুটা জোনাকত
চিৰালফটা মাটিৰ বুকুৰেদি
উঠি আহিছিল হাফলুৰে সঁজা ঘৰ,
নিঃস্ব এক সজাতি শত্ৰুৰ দল।

শোণিতৰ ফাকুওৱি সানি,
মোৰ দুগালত উজ্জলাই,
সিহঁত ক'ত যে হেৰাই গ'ল
চাগে এন্ধাৰত বিলীন হ'ল।

মোৰ বক্ষ উকা
মোৰ দুহাত শুদা
অতীত মোৰ সেই হাঁহি
নিৰস মোৰ এই চকুৰ চাৱনি

তথাপি আছো মই,
একেদৰেই থাকিম মই,
গলিত মনবো যে আভা আছে;
নিঃশেষ হ'বলৈ ওলোৱা জীৱনৰো আশা আছে।



## স্কেচ্, এটি যন্ত্ৰণাদগ্ধ ৰাতিৰ

কৃষ্ণা সোণোৱাল
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান)*

এজাক নিয়ৰৰ ফুচফুচনিত
সাৰপাই উঠে এটি যাযাবৰ ৰাতি;
এন্ধাৰৰ বুকুত মুখ গুজি
ৰাতিটোৱে খেপিয়াই ফুৰে
কিছুমান অনামী আশা;

অস্থিৰ হৈ ৰাতিটোৱে
জীৱনৰ পাটীগণিত লুটিয়ায়!
ক্লান্ত হৈ পৰে অস্থিৰ ৰাতিটো
গণিতৰ পৃষ্ঠাই পৃষ্ঠাই ওলমি থকা
যন্ত্ৰণাৰ সৰল ৰেখাবোৰ দেখি!

ৰাতিটোৱে অভিমান কৰে
কাল্পনিক সংখ্যাৰ বিৰুদ্ধে
অবিৰাম যুদ্ধ কৰে ৰাতিটোৱে
জীৱন-বৃত্তৰ একঘেয়ামি পৰিধিৰ বিপক্ষে;

তেনেতে, ৰাতিৰ দুৱাৰত টোকৰ পৰে
এজুম কামুক জোনাকৰ!
আৰ্ত ৰাতিটোৱে জুমি চায়
ৰেবৰ জলঙাৰে আৰু
উচুপি উঠে ৰাতিটো
বেদনাত...
হেৰাই যোৱাৰ বেদনাত!!





# অচল টকা

**ধৰিত্ৰী দত্ত**

*স্নাতক তৃতীয় বৰ্ষ, পদাৰ্থ বিজ্ঞান বিভাগ*

'ঘড়ীটো ভালনে বাৰু? ল'ৰাইহে দি পঠিয়াইছে মাকলৈ। আমি এইবোৰ চিনিও নাপাও নহয়!' গৌৰৱৰ সুৰ মিহলি মাতেৰে বৰুৱাই দোকানীজনক সুধিলে। সোণালী ৰঙৰ মিহি চেইন লগোৱা কণমানি ঘড়ীটোৰ বেটেৰীটো দোকানীজনে সলাই দিয়াৰ পিছত ঘড়ীটো আলফুলকৈ দুয়োহাতেৰে ধৰি লৈ অলপ পিন্ধি চাই বৰুৱানীয়ে সৰু মোনাটোত ভৰালে আৰু সন্তোষৰ হাঁহি বিৰিঙাই উত্তৰৰ কাৰণে দোকানীজনৰ মুখলৈ চালে।

ঃ 'হয়, হয়, ভাল ঘড়ী এইটো; দামী ঘড়ী।'

দোকানীজনৰ উত্তৰত সন্তুষ্ট হৈ ধন্যবাদসূচক মন্তব্য কৰি দুয়ো দোকানখনৰ পৰা ওলাই আহিল। বৰুৱাৰ মনটো আনন্দত ভৰি আহিল। সকলোকে আকৌ শুনাবলৈ মন গ'ল তেওঁৰ গুণী পুত্ৰৰ গুণাৱলী।

ঃ 'অ' , দুয়োজন একেলগে ক'লৈ বা যোৱা হ'ল?' প্ৰতিবেশী বৰাই হাঁহি মাৰি সুধিলে।

ঃ 'এহ্ কিনো ক'ব আৰু ল'ৰাৰ কথা! মাকলৈ সি মৰমতে ঘড়ী এটা দি পঠিয়াইছে বুলি কৈছিলো যে, মনত আছে চাগৈ। আজি আকৌ এইফালে ওলাই আহোতে ভাবিলো, ল'ৰাই দি পঠিয়াইছে, কি ঘড়ী, কি কথা বা? ভালেইনে বেয়াই! অৱশ্যে মোৰ ল'ৰাই ভালৰো ভাল বস্তুটোৱেই দিব। কিন্তু তথাপি এনেই দেখুৱাই যাওঁ বুলি ভাবিলো। দোকানীজনে পিছে বৰ শলাগিলে বুজিছেনে? এইটো বোলে সাধাৰণ ঘড়ী নহয়। এনেকুৱা এটা ঘড়ী বোলে বিচাৰি পাবলৈয়ে মস্কিল আৰু পালেও বহুত দামী হ'ব। ল'ৰাৰ কাম আৰু, আমিনো কি কওঁ বাৰু! মাকে কৈছিল, 'কেলৈ এইবোৰ, আছেইচোন মোৰ ঘড়ী।' পিছে ল'ৰাই মানিলেহে। জানেই নহয় তাক সৰুৰেপৰা; কিমান জেদী। লাগ বুলিলে লাগিবই, কৰিম বুলিলে কৰিহে দেখুৱাব। একেই আছে বুজিছেনে। আগতে ৰাতি টোপনি ক্ষতি কৰি কৰি পঢ়ে। ইফালে মহৰ উৎপাত, তাতে কাৰেণ্টৰ লীলা-খেলা। মাকে ওচৰতে বহি বিচি বিচি ঠাইতে টোপনি যায়, কিন্তু ল'ৰাই শুৱাৰ নামেই নলয়।...

বজাৰলৈ বুলি ওলাই অহা বৰাই 'আজি বজাৰলৈ যোৱা নহয় আৰু' বুলি নোকোৱালৈকে বৰুৱাই পুত্ৰৰ প্ৰশংসা কৰি কটালে। ওচৰতে থিয় হৈ বৰুৱানীয়ে সোঁৱৰাই থাকিল বৰুৱাই ক'বলৈ পাহৰাবোৰ। বেদনাত চেঁপা খাই থকা বুকুখনে যেন অলপ উশাহ সলালে।

এইবোৰ কথা প্ৰতিবেশীসকলৰ কাৰণে নতুন নহয়। শুনি শুনি অভ্যস্ত হৈ পৰা প্ৰায় প্ৰত্যেকেই এতিয়া টোপনিটো নিৰ্ভুলভাৱে ক'ব পাৰে বৰুৱাৰ সুপুত্ৰ অনুৰাগ পুৱা কেইবজাত শুই উঠিছিল, আহাৰ খাওঁতে তাৰ অতি বেছি কিমান সময় লাগিছিল, সি কি কলমেৰে লিখি ভাল পাইছিল অথবা মাকৰ হাতৰ কি ব্যঞ্জন তাৰ প্ৰিয়। অনুৰাগে শিক্ষা জীৱনৰ প্ৰত্যেকটো পৰীক্ষাতে লাভ কৰা শতকৰা নম্বৰৰ পৰিমাণ পেন্দুকণা এটায়ো সলসলিয়াকৈ ক'ব পাৰে। তাকে লৈ সকলোৱে বৰুৱাক উপলুঙা কৰে। তেওঁৰ অনুকৰণ কৰি আড্ডাপ্ৰিয়সকলে আড্ডাৰ ৰস জমায়। কিন্তু সেইবোৰলৈ তেওঁৰ কাণসাৰ নাই। কোৱাই বহুত কথা ক'ব। সেইবোৰ শুনি কাণৰ খজুৱতি উঠোৱাৰটো কোনো অৰ্থ নাই। সকলোৱে তেওঁক হিংসা কৰে। নকৰিবনো কিয়? কেইটা ল'ৰা আছে এইখিনিত তেওঁৰ ল'ৰাৰ দৰে প্ৰতিভাধৰ; গুমটিৰ সন্মুখত আড্ডা দিবলৈটো ইয়াত বহুত ডেকা ল'ৰা! কোনোবা আছে আৰু তেওঁৰ দৰে পুত্ৰৰ যশেৰে যশৱন্ত পিতৃ? নাথাকিলইবা এই বুঢ়া বয়সত লগত; এইখন পৃথিৱীতেইটো আছে! তাকে লৈ তাচ্ছিল্য কৰাৰ কি প্ৰয়োজন? আজিৰ পৃথিৱীখনটো এখন ক্ষুদ্ৰ গাঁৱলৈ পৰিণত হৈছে। ৰিং এটা মাৰিলেই ইমূৰৰ পৰা সিমূৰলৈকে শুনি। আনৰ তীৰ্যক মন্তব্য শুনি মন মাৰি বহি থকা পত্নীক বুজাবলৈ বৰুৱাই এনেদৰে পাৰ্যমানে চেষ্টা কৰে। বৰুৱানী এতিয়াও বৰুৱাৰ দৰে আনৰ কথা উলাই কৰিব পৰা হৈ উঠা নাই।

অৱশ্যে এনে এটা দিন আছিল, যেতিয়া সকলোৱে তেওঁলোকৰ পুত্ৰৰ প্ৰশংসা কৰিছিল। তেওঁলোকৰ তত্বাৱধানক শলাগিছিল। অনুৰাগৰ প্ৰত্যেকটো সাফল্যৰ অন্তৰালত থকা তেওঁলোকৰ যত্ন, কষ্টৰ কথা শুনাই শুনাই তেওঁক দুগুন গৰ্বীত কৰি তুলিছিল। অনুৰাগ যেতিয়া প্ৰথম বিদেশলৈ গৈছিল, উস্ তেতিয়াটো কবই নালাগে। সকলোৱে বাবে তেওঁলোকৰ সৰু পৰিয়ালটো আদৰ্শস্বৰূপ হৈ পৰিছিল। প্ৰায় ডেৰবছৰমান পিছলৈকে কথাবোৰ ঠিকমতেই চলি আছিল। বৰুৱাক বাটত ৰখাই সকলোৱে অনুৰাগৰ বাতৰি লৈছিল। অনুতাপ কৰিছিল নিজ সন্তানক তেনেদৰে গঢ় দিব নোৱাৰা বাবে। অনুৰাগৰ জীৱনৰ উৰ্দ্ধমুখী সৰল-ৰেখাডালে

যাতে শীৰ্বতা লাভ কৰে তাৰ কামনা কৰিছিল। কিন্তু কালক্ৰমে সেইবোৰ পুৰণি হ'ল। আগতে তেওঁক সম্ভ্ৰমেৰে আদৰ সম্ভাষণ জনোৱাসকলে তেওঁক দেখিলেও আওকাণ কৰা হ'ল। কাৰণ তেতিয়া শুভাকাংক্ষীসকলে বজোৱা পুৰণি ৰেকৰ্ডখন বৰুৱাই বজাবলৈ আৰম্ভ কৰিছিল। নিৰ্জন-স্তব্ধ পুৰ-গধূলিবোৰ পাৰ কৰাকে সেই কাহিনীত আৰু ঘিউ-মৌ ঢালিছিল, সুস্বাদু হ'বৰ বাবে।

নিস্তব্ধ ঘৰটোৰ আগফালে বাৰান্দাত বহি বৰুৱাই আজিও আৰম্ভ কৰিছে সেই কাহিনী। আজিকালি ৰেকৰ্ডখন প্ৰায়েই কঁপি উঠে, স্তব্ধ হৈ ৰৈ যাব খোজে। কিন্তু পুনৰ নতুন উদ্যমেৰে বাজি উঠে; স্তব্ধ হৈ ৰৈ যাব খোজে। অৱশ্যে তেওঁৰ এতিয়া একমাত্ৰ শ্ৰোতা হৈছে তেওঁৰ পত্নী।

আৰু বৰুৱানী। তেওঁটো কোনো দিনে কল্পনা কৰা নাছিল এনে এখন নাটকৰ, যি নাটক কৰি কৰি দুজন ভাৱৰীয়া শ্ৰান্ত হৈ পৰিছে, ক্লান্ত কৰি তুলিছে একেই দুজন দৰ্শককো। বৰুৱাৰ কথাৰ মাজতে হয়ভৰ দি দি তেওঁ ৰাস্তাত আনন্দ মনেৰে নাতিনীয়েকক ফুৰাই থকা শইকিয়ানীলৈ চালে। এই শইকিয়ানীয়ে কষ্টেৰে কাটি ল'ৰাটো পঢ়োৱাওঁতে বৰুৱানীয়েই তাক স্কুলৰ পৰা এৰোৱাই দিবলৈ উপদেশ দিছিল। নিজৰ মেধাৱী পুত্ৰৰ লগত শইকিয়ানীৰ পুত্ৰৰ তুলনা কৰি তেওঁ গৰ্বত শইকিয়ানীক কি কিযে নকৈছিল। এতিয়া মনত পৰিলেই তেওঁৰ লাজ লাগে। চুবুৰীৰ অন্যান্য ল'ৰা-ছোৱালীৰ লগত পুতেকক খেলা-ধূলা বা মিলা মিচা কৰিবলৈ নিদি তাক পঢ়াত বহুৱাই থৈ দায়িত্বশীল মাতৃৰ অভিনয় কৰা তেওঁৰ সেই দিনবোৰৰ কথাই আজিকালি তেওঁক প্ৰায়েই মৰ্মাহত কৰে। ধিক্কাৰ উপজে তাক ভালদৰে পঢ়া-শুনা কৰি নাম উজ্জ্বল কৰাৰ দৰে মহান মহান উপদেশ দিয়াৰ বাবে। বৰুৱাৰ দৰে তেওঁ আনৰ আগত পুত্ৰৰ প্ৰশংসা কৰিবও নোৱাৰে। বৃদ্ধ পিতৃ-মাতৃক পাহৰি উন্নত জীৱনৰ মোহত বন্দী পুতেকলৈ তেওঁৰ পুতৌ উপজে। আচল সম্পদক অনাদৰ কৰি সুদূৰত কি সোণৰ মোহৰ বিচাৰি ফুৰিছে ভাবি তেওঁ আচৰিত হয়।

ঃ 'সি সঁচাকৈয়ে আগবাঢ়িহে গ'ল, পিছলৈ চাবলৈ নিশিকিলে। ভুল আমাৰেই। সদায় লক্ষ্যলৈ মনোযোগ দি আগবাঢ়ি যা বুলি সকিয়াওঁতে পাহৰিয়েই পেলাইছিলো আমাৰ বৃদ্ধাৱস্থাৰ কথা। আমাৰ ভৱিষ্যতৰ নিৰাপত্তাৰ দায়িত্বযে তাক দিয়'ই নহ'ল।'

ঃ 'কিনো অদৰকৰী কথাবেৰ কোৱাহে'। বৰুৱানীৰ কথাত বৰুৱাই খেঙখেঙাই আহিল। 'নিৰাপত্তা! এতিয়া কিবা দুখৰ সাগৰত ডুবি আছা নেকি? সন্তানক উপযুক্তকৈ গঢ় দিয়াটো প্ৰত্যেক পিতৃ-মাতৃৰ দায়িত্ব আৰু মই ভাবো আমি আমাৰ দায়িত্ব ভালদৰেই সমাপন কৰিছো। এয়াই আমাৰ সাফল্য। বিনিময়ত আকৌ কিয় কিবা বিচাৰা?'

ঃ 'আপুনি নিবিচাৰিব পাৰে, কিন্তু মই এই বয়সত সি আমাক লগত ৰখাটো বিচাৰো। সি যদি এবাৰো উভতি আহিলহেঁতেন এই দুখুনি মাকৰ ওচৰলৈ!'

ঃ 'থোৱাহে! অলপ যুগৰ লগত মিলি চলিবলৈ শিকাচোন। এতিয়া আৰু সেই সামন্তযুগীয়া নিয়মবোৰ নাই নহয় যে বৃদ্ধাৱস্থাৰ সুৰক্ষাৰ কথা ভাবি ল'ৰা ডাঙৰ কৰা আৰু বিনিময়ত ল'ৰা উপযুক্ত হৈ মাক দেউতাকৰ যত্ন লোৱা। আজিৰ যুগটোৱেই এনেকুৱা। এতিয়া আৰু আৱেগ অনুভূতিৰ কোনো মূল্য নাই। তুমি আগবাঢ়ি যোৱা...। যাওঁতে বাটত বহুতো কিবা কিবি এৰি থৈ যাব পাৰা বা হেৰুৱাবও পাৰা, কিন্তু এৰি থৈ যোৱাবোৰৰ কাৰণে দুখ নকৰিবা। কাৰণ দুখত তুমি এটোপাল চকুলো টোকাৰ সময়তে তোমাৰ পিছত অহাজনে তোমাক অতিক্ৰমি আগবাঢ়ি যাব। ফলত লোকচান কাৰ? গতিকে, আজিৰ যুগত আছো যেতিয়া যুগৰ লগত মিলি থাকিব পৰাকৈ আমাৰ ধ্যান-ধাৰণাবোৰো সলনি কৰিব লাগে।

ঃ 'বাদ দিয়ক আপোনাৰ ভাষণ। তাৰো যদি এনেকুৱাই মনোভাৱ, সি কেতিয়াও সুখী হ'ব নোৱাৰে। মই কৈ থ'লো।'

ঃ কিনো সেই অশিক্ষিতবোৰে কোৱাৰ দৰে কোৱাহে কথাবোৰ। সিহঁতে কয় দেখিবলৈ ভাল। কিন্তু তুমি? তুমি অনুৰাগ বৰুৱাৰ মাতৃ। ৰত্নগৰ্ভা বুলি তোমাক সকলোৱে সন্মান কৰে। আৰু মই দহজনৰ আগত পুত্ৰৰ নামেৰে, পুত্ৰৰ খিতাপেৰে নিজৰ চিনাকি দিওঁ।

ঃ ইহ্! এই যে দুজন মানুহে দিনৰ পিছত দিন উদ্দেশ্যবিহীনভাৱে একেবেৰ টুকুৰা-টুকুৰি কথাৰ মহলা মাৰিছো, সুন্দৰ কিবা এটাৰ আশাত, এয়াই অনুৰাগ বৰুৱাৰ পিত-মাতৃৰ হোৱাৰ সাফল্যনে? কিমান আশাৰে বাট চাওঁ... অৱশেষত বছৰৰ মূৰত এটা ফোন কল। এয়াই প্ৰাপ্তিনে ৰত্নগৰ্ভা হোৱাৰ? ব্যস্ত পৃথিৱীখনৰ বিপৰীতে আমি কিমান পুতৌ লগাকৈ স্থবিৰ; জীৰ্ণ-শীৰ্ণ মমতাবোৰ কাৰোবাৰ বাবে বুকুত বান্ধি লৈ।

ঃ কিনো দাৰ্শনিকৰ দৰে কথাবোৰ কোৱাহে?

ঃ এয়া দাৰ্শনিকৰ দৰে কোৱা কথা নহয়। কিমান অভিনয় কৰিম আৰু মানুহৰ আগত, কিমান ফাঁকি দিম নিজকে 'এইতো বোৱাৰীয়ে নিজহাতে গাঁঠি দিছে, শ্ব'লখনৰ ৰঙটো আকৌ ল'ৰাৰ পছন্দ, ... নাতিটোৰ মাত ফুটিছে, থুনুক থানাক মাতেৰে আজি মোৰ লগত বহুত দেৰি কথা পাতিছে, ককা ককা বুলি সপোনটো চিঞৰি থাকে বোলে ... আহিব, আহিব, মিলাবহে পৰা নাই সময়টো, নাতিটোৰ অন্নপ্ৰাসন্ন ইয়াতে পতাৰ কথা... উস্ আৰু কিমান দিন?

ঃ সেয়া আকৌ একেবোৰ কথাকে আৰম্ভ কৰিলা 'সেইবোৰ এতিয়া বাদ দিয়াচোন। ...অ' সেই ঘড়ীটো, সি দি পঠিয়াইছিলযে তোমাৰ বাবে, দোকানীজনে কিন্তু বৰ শলাগিছিল। ঘড়ীটো ক'ত থৈছা? বহুতদিন দেখাই নাই। সেইবোৰেই তাৰ মৰমৰ চিন। সি সাধাৰণ নদাই-ভদাইবোৰৰ দৰে নহয় নহয়। সি আৰু বহুত আগবাঢ়িবলৈ বাকী। সি কিন্তু তোমাৰ হাতৰ মাছৰ টেঙা আঞ্জাখন বৰ ভাল পাইছিল। এদিন কি হ'ল ...'

বহুতো খুচৰি খুচৰি বৰুৱাই এদিন সেই ঘড়ীটো উদ্ধাৰ কৰিলে। পুৰণা সৰু-সুৰা লাম্ লাকটু থোৱা খালি পাউদাৰ টেমা এটাৰ ভিতৰত। বহুত দিন হ'ল, বেয়া হোৱা বাবে বৰুৱানীয়ে তাতে ভৰাই থৈছিল। ঘড়ীটো তেওঁ দুয়োহাতেৰে মোহাৰি চালে; পুত্ৰৰ মৰমৰ চিন। পাউদাৰৰ এটা কুৰকুৰীয়া গোন্ধ তেওঁৰ নাকত লাগিলহি। গোন্ধটো তেওঁৰ অতিকে চিনাকি। আগতে এই গোন্ধটো অনুৰাগৰ শৰীৰত বিয়পি আছিল। ডিঙিটো কিহে জানো আহি সোপা মাৰি ধৰিলেহি, বুকুখনতো কিহবাই হেঁচি ধৰা যেন লাগিল। আজিকালি তেওঁৰ প্ৰায়েই এনে হয়। বয়সৰ লক্ষণ! তেনেতে খিটিংকৈ শব্দ এটা কৰি মজিয়াত কিবা এটা পৰিল। এটা এক পইচাৰ মুদ্ৰা। বহুত পুৰণি। বৰুৱাণীৰ আকৌ পুৰণি বস্তু সামৰি ৰখাত বৰ চখ্। বৰুৱাই মুদ্ৰাটো তুলি লৈ পুনৰ টেমাটোত ভৰাই থলে। ইয়াৰ এতিয়া কোনো মূল্য নাই, মাথোঁ সোঁৱৰণি। অথচ এনে এটা দিন আছিল, এই পইচাটোৰে কিমানযে বস্তু পোৱা নগৈছিল। আজি ই নচলে(?) আৰু সেয়েহে বন্দী এটা পুৰণি পাউদাৰ টেমাত! বৰুৱাৰ নিজকে পইচাটোতকৈও মূল্যহীন যেন লাগিল। কাৰণ সৰি পৰা পইচাটো তুলি ধৰিবলৈ আজি বৰুৱা আছে, তাক সযতনে সামৰি ৰাখিবলৈ বৰুৱানীও আছে। কিন্তু তেওঁলোকৰ বাবে? কোনোবাই তুলি ধৰিবহিনে তেওঁলোকক পৰাৰ পৰা? ল'বনে মৰমেৰে আকোঁৱালি? আছেনে কোনোবা তেওঁলোকক সামৰি ৰাখিবলৈ? ...❖



# কাঠৰ দলংখন আৰু সি

**মৌচুমী সন্দিকৈ**

*স্নাতক তৃতীয় বৰ্ষ, ইংৰাজী বিভাগ*

কাঠৰ দলংখনৰ সিটো মূৰৰ শিলগুটি দিয়া শূন্য বাটচোৰা পাৰ হৈয়ে তাইৰ ঘৰ। সৰু ঘৰটো, আগফালে টিনৰ কণমানি চালি এখন বাৰাণ্ডা। বৰ ধুনীয়াকৈ তাই পকা মাটিৰে লিপি থয় পিৰালিটো। বাৰাণ্ডাৰ এমূৰে ঘৰৰ চাল ঢুকি পোৱাকৈ থিয় কৰাই থোৱা, দেউতাকক কুটুৰি কুটুৰি সজোৱাই লোৱা বাঁহৰ মিহি কাঠিৰ দীঘল চালিখনেদি লহ্‌পহ্‌কৈ বগাই যায় তাই পিৰালিত সযতনে ৰুই দিয়া লতাফুলৰ পুলিটো। তাই পুৱাই সাৰি থোৱা চোতালখনত জিলিকি থাকে বাঢ়নীৰ দাগ। দলঙৰ এই মূৰলৈকে বিয়পি থাকে তাইৰ পদূলিৰ খৰিকাজাঁইৰ মিহি গোন্ধ, দুপৰীয়াৰ ৰিব্‌ ৰিব্‌ বতাহত নিমাতে নাচি থাকে পিছফালৰ ডাঁৰত তাই পুৱাই ধুই মেলি থোৱা সেউজীয়া পাৰিৰ স্কুলীয়া চাদৰৰ আগ...।

'ঐ আলতাফ, আৰু কিমান দেৰি বে? তই গাড়ীৰ তলতে শুই গলি নেকি হা! একো সাৰি-শব্দ নাই যে!'

ৰঞ্জনৰ বিৰক্তিভৰা চিঞৰত সি উচপ খাই উঠিল। গাড়ী ভাল কৰিবলৈ তলত সোমাই সি কিবোৰ যে ভাবি আছিল, ধেৎ...। তাৰ নিজৰে লাজ লাগিল।

'এই হৈছে আৰু দাদা, অলপ বাকী।' — সি ৰেঞ্চপাত দাঙি ললে। আজিকালি তাৰ মনলৈ কিবাকিবি, আগগুৰি নোহোৱা চিন্তা কিছুমান আহি থাকে। যেতিয়াই তেতিয়াই, অকণমান সুৰুঙা পালেই চিন্তাবোৰ আহি আউল লগাই দিয়েহি। হাইদৰদাৰ ভাষাত 'কনচেনট্ৰেচন ব্ৰেক' কৰে। 'মানুহ বেপৰুৱা হ'ব লাগে, সৰু সুৰা গাঁতত ব্ৰেক মাৰিব নালাগে, ফুল স্পিডত 'লাইফ'ৰ চকা ঘূৰি থাকিবলৈ দিব লাগে। শক্তি থাকে মানে এক্সিলাৰেটৰ ডবাই যাব লাগে। দুদিনীয়া জীৱন, যেনেকৈ মন যায় তেনেকৈ আনৰ একো হাৰ্ম নোহোৱাকৈ এনজয় কৰিব লাগে।' — এইকেইটাও হাইদৰদাৰেই ডায়লগ। ভাল লাগে তাৰ এই মানুহটোক, তেওঁৰ

ব্যক্তিত্বটোক, কথাৰ মাজে মাজে উচ্চাৰণ কৰা ইংৰাজী শব্দবোৰ — সকলোবোৰ। বচ্‌ — হাইদৰদাৰ কথা মনত পৰাৰ লগে লগে সি চাইলেন্সাৰ পাইপভালতে বিৰাট উৎসাহত কোব এটা শোধাই দিলে। এসোপা তেল মিহলি ধূলি আৰু গোবৰৰ শুকান টুকুৰা আহি তাৰ মুখতে পৰিলে। ধহমহাই সি গাড়ীৰ তলৰ পৰা ওলাই আহিল।

'হ'লনে?' — ব্যস্তভাৱে ৰঞ্জন আগবাঢ়ি আহিল। পাইটো উলিয়াব ধৰোতেই হঠাৎ তাৰ ওপৰত চকু পৰাত সি হু-হুৱাই হাঁহি দিলে।

'আৰে ঐ, কোনোবা এটাই ইয়াক আইনা এখন আনি দেচোন যা, মুখখন কি মস্তি লাগিছে বে।' ৰঞ্জন হাঁহিত ফাটি পৰিল।

ৰঞ্জনৰ হাঁহি শুনি ৰতন, চন্দন, পোৱালি আৰু হাইদৰদাও কাষ চাপি আহিল। হাইদৰদাৰ বাহিৰে বাকী গোটেই কেইটাই তাৰ অৱস্থাটো দেখি হাঁহিলে। হাইদৰদাই খালী গহীনকৈ ক'লে— 'মুখখন ধুই আহগৈ যা।'

মুখ ধুই আহি পাওঁতে ৰঞ্জনে হাইদৰদাৰ হাতত ৫০ টকীয়া নোট এখন গুজি দি জেকেটটো কিল্মৰ হিৰ'ৰ কায়দাত ভিঙিৰ ওচৰত ধৰি পিছফালে ঠেলা এটা মাৰি যাবলৈ ওলাইছিল। আলতাফক দেখি সি আকৌ এবাৰ হাঁহিলে।

'বাপেৰে মাৰক কি ৰূপ ধৰি পতাইছিল নাজানো, কিন্তু অথনি তোক সেইটো ৰূপত দেখা হ'লে চিয়'ৰ কোনোবা ধুনীয়া মাল পতি গ'লহেঁতেন বে! তোক আজিৰপৰা গোবৰ খোৰা বুলিয়ে মাতিব লাগিব ৰ।'

হুচ্‌কৈ শব্দ কৰি আঁতৰি যোৱা গাড়ীখনলৈ চাই সি অলপ সময় ৰ'ল। তাৰ মুখেদি হাঁহি নে হুমুনিয়াহ কিবা এটা ওলাই আহিব খুজিলে — সি নিজেই ঠাৱৰ কৰিব নোৱাৰিলে।

'তোক কিন্তু বঢ়িয়া নাম দি গ'ল দেই।' — চন্দনৰ কথাত গোটেইকেইটাই আকৌ এবাৰ হাঁহি উঠিল।

'ঐ চুপ'। হাইদৰদাৰ গহীন মাতত আটাইকেইটাই চুপ হৈ নিজৰ নিজৰ কামলৈ গ'ল। একো ঠিৰ কৰিব নোৱাৰি সি তাতে থিয় হৈ থাকিল। তাৰ মনটো হঠাতে বৰকৈ সেমেকি আহিল। ৰঞ্জনৰ কথা কোৱাৰ ঢংটো, যাবৰ পৰত দি যোৱা নামটো, তাৰ হাঁহিটো..., মাক বাপেকৰ কথালৈ কৰা ঠাট্টাখিনি...। ...তাৰ বুকুৰ ভিতৰৰ পৰা শোক এখিনি উজাই আহিল।

'তোৰ আকৌ কি হ'ল, থৰ লাগিলি যে! যা, মোৰ কাৰণে একছ বিহু এটা বনাই আন, পইছা লৈ যা।' — হাইদৰদাৰ মাতত আদেশ নে নিৰ্দেশ কি আছিল সি নুবুজিলে। দুখোজমান যাওঁতেই পিছফালৰ পৰা হাইদৰদাই আকৌ মাতিলে—

'শুন, সৰু সুৰা গাঁতত ব্ৰেক নামাৰিবি বুইছ, ফুল স্পিডত গৈ থাক।'

হয়, ঠিকেই, মানুহ ইমান সহজে ভাগি পৰা হ'ব নালাগে। সি শিলগুটি এটাত প্ৰচণ্ড গোৰ এটা শোধাই দিলে। শিলটো গৈ নৰ্দমা এটাৰ ঘোলাপানীত পৰি অদৃশ্য হৈ গ'ল।

... তাই বৰ ধুনীয়াকৈ সূতাৰ কাম কৰিব জানে, তাঁতত ফুল তুলিব জানে, ৰুমাল চিলাই কৰিব জানে। তাইঁতৰ ঘৰৰ কণমানি, আলহী বহা কোঠালিটোৰ বেতৰ চকীকেইখনৰ মাজতে যে আছিল সৰু কাঠৰ চাপৰ টেবুলখন, তাৰ ওপৰত পাৰি থোৱা গুলপীয়া টেবুল ক্লথখনৰ সোঁমাজতে থকা মিহি সূতাৰে চিলাই কৰা ভাটৌ চৰাইটো, তাৰ সেউজীয়া-হালধীয়া পাখিৰ ৰঙৰ নিখুঁট সমাহাৰ, ... চকুকেইটাহে অকণমান ডাঙৰ হ'ল নেকি! (চকু অৱশ্যে এটাহে দেখা গৈছিল)। ঠোঁটটো চিলাই কৰিবৰ সময়ত মিলি যোৱা ৰঙৰ সূতা নাপালে নেকি! হালধীয়াৰেই বনাই থৈ দিলে। বেয়া লগা নাছিল অৱশ্যে, অন্ততঃ আলতাফৰ ভালেই লাগিছিল। ভাল মানে, বহুতেই ভাল লাগিছিল। তাইযে সোমাই আহিছিল হাতত চাহ দুকাপ লৈ, টেবুলখনৰ ওপৰত লাহেকৈ চাহ দুকাপ থৈ তাইযে মিহিকৈ কৈছিল — 'চাহ খাব।' 'ই আলতাফ মোৰ ভাইৰ নিচিনা, বৰ ভাল ল'ৰা' — বুলি পবিত্ৰদাই তাক তাইৰ লগত চিনাকি কৰাই দিওঁতে তাই ডাঙৰ ডাঙৰ চকুকেইটা ওপৰলৈ তুলি লাহেকৈ হাঁহিছিল। কোনে প্ৰথমে নমস্কাৰ কৰিছিল তাৰ এতিয়া মনত নাই। কিন্তু মনত আছে খপ্‌জপ্‌কৈ চাহৰ কাপটো তুলি লওঁতে, কাপটো একতীয়া হৈ টেবুলক্লথখনৰ ভাটৌ চৰাইটোৰ ওপৰতে চাহ এখিনি পৰি গৈছিল। তাৰ সেমেনা-সেমেনি কৰা মুখখনলৈ চাই তাই লাহেকৈ হাঁহিছিল—

'হ'ব, একো নহয়, মই ধুই দিম।' ...

'আলতাফ, কি ভাবিছ?' কাষত হাইদৰদাৰ মাত শুনি সি মূৰ তুলি চালে।

'নাই, কিনো ভাবিম আৰু, এনেয়ে বহিছো অলপ।' সি হাতৰ তলুৱা দুখন মোহাৰি মোহাৰি ক'লে।

টিনৰ চকী এখন টানি আনি হাইদৰদাও বহি পৰিল। ফিৰ্‌ফিৰিয়া বতাহ এজাক বলি আছে। আকাশত ডাৱৰৰ মাজত জোনটোৱে লুকাভাকু খেলি আছে। ডাৱৰ অলপ বেছিকৈয়ে গোট খাইছে। ভাত খাই উঠি এইসময়ত সি সদায়ে অলপ সৰু বাৰাণ্ডাখনত বহে। সাধাৰণতে বস্তিৰ মানুহবোৰ সোনকালেই শোৱে। সিহঁতহে অলপ দেৰিলৈকে সাৰে থাকে। ৰতন-চন্দনে ৰামী খেলে, হাইদৰদাই পুৰণি গুড়গুড়িটো টানি বহি থাকে, পোৱালিয়ে ভাত খাই উঠি সিটো মূৰৰ ৰামলালৰ ঘৰত 'কিলিন' চাবলৈ যায়। হাইদৰদাই দবিয়ালে দুদিনমান নোখোৱাকৈ থাকে। আকৌ যায়। বাকী একো জঞ্জাল নাই। ৰাতি চন্দনে ভাত ৰান্ধে। হাইদৰদা, সি আৰু ৰতনে চন্দনৰ কাষত বহি গল্প কৰে। মাজে মাজে হাইদৰদাই পোৱালিক চিলটত অংক কৰিবলৈ দিয়ে। ইমানেই। আলতাফ ইয়ালৈ অহাৰ পিছৰপৰা এইখিনিয়েই চলি আহিছে, একো হেৰফেৰ হোৱা নাই। অহাৰ আগতে সি কি আছিল, আৰু এতিয়া কি হ'ল...! সি কেতিয়াবা ভাবে, দুখ এটা উজাই আহিব খোজে কোনোবাখিনিৰপৰা। নাই, মানুহ বেপৰুৱা হ'ব লাগে। এনেকুৱা সময়তে সি হাইদৰদাৰ কথাখিনি মনত পেলায়। হাইদৰদা, মানুহটোক আচৰিত লাগে তাৰ। ইমান গহীন, অথচ ইমান ৰসিক। বিখ্যাত ব্যৱসায়ী আফজল আলিৰ এই গেৰেজটোত হাইদৰদা 'হেড মেকানিক'। তেওঁৰ তলতে সিহঁতে কাম শিকিছে। 'আলতাফ, টোপনি ধৰা নাই তোৰ? শুই থাকগৈ যা।'

'হুঁ, ...অ,' ইচ্ছা নাছিল যদিও হাইদৰদাৰ কথাত সি থিয় হ'ল। দুৱাৰডলিটো পাৰ হওঁতেই আকৌ মাতিলে হাইদৰদাই — 'ঐ ঘূৰি আহ। তোৰ নিজৰ একো বিচাৰ-বুদ্ধি নাই নেকি? টোপনি অহা নাই যদি আহ। বহি থাক। মানুহে ভাবিবলৈয়ো সময় অলপ ৰাখিব লাগে। কিমান কওঁ তোক, সৰু সুৰা গাঁতত ব্ৰেক নামাৰিবি।'

ঘূৰি আহি সি ধপ্‌কৈ চকীখনত বহি পৰিল। মনৰ পৰা হঠাতে তাৰ অৱসাদবোৰ আঁতৰি গ'ল। এৰা ভাবিব, সি আজি মনখুলি ভাবিব তাইৰ কথা...। হাইদৰদাৰ গুড়গুড়ি চলি থাকিল।

...কাঠৰ দলংখন পাৰ হৈ আলতাফৰ ঘৰৰ আগেদিয়ে তাই স্কুললৈ অহা যোৱা কৰিছিল। শিলগুটি দিয়া খলা-বমা ৰাস্তাটোত খোজ কাঢ়োতে তাইৰ মেখেলাৰ পাতনি চিগিছিল। সৰুৰেপৰাই সি তাইক দেখি আহিছিল যদিও বৰকৈ মন কৰা নাছিল। ক্লাছ নাইনলৈকে পঢ়ি স্কুল এৰাৰপৰা সি দুবছৰমান পবিত্ৰ ঠিকাদাৰৰ ট্ৰাক এখনত কাম কৰিছিল। পিছত সি তেওঁৰে দোকান এখনত কাম পালে। তাৰ ঘৰত, ঘৰ নহয়, আচলতে জুপুৰী, জুপুৰীটোত আছিল সি আৰু তাৰ হাঁপানী বেমাৰী মাক। সি স্কুল এৰাৰ বছৰেই তাৰ দেউতাক ঢুকাইছিল।

সেইবোৰ দিনেই ভাল আছিল। — সি কেতিয়াবা ভাবে। কিমান নিজঞ্জাল, নিৰ্ভেজাল দিন আছিল সেইবোৰ। ঘৰখন চলাওঁতে কষ্ট অলপ হৈছিল। হ'লেও চলি আছিল। কিন্তু লাহে লাহে ক'ৰবাত যেন গণ্ডগোল এটা লাগি গৈছিল। তাইৰ গোলপীয়া টেবুল ক্লথখনৰ সেউজীয়া ভাটৌবোৰ ওপৰত সি চাহ পেলাওঁতে হোৱা দাগটোৰ দৰে, তাৰ বুকুতো যেন কোনোবাই দাগ এটা বহুৱাই দিলে, গৰম চাহ এখিনি ঢালি যেন উষ্ণ স্ৰোত এটা বোৱাই দিলে। সৰুৰেপৰা যাপন কৰি অহা তাৰ নিৰ্জু, নিয়ম মাফিক জীৱনটোৰ কোনোবাখিনিত কোনোবাই যেন হুলস্থূল এটা লগাই দিলে। নিজকে নিজে আচৰিত কৰি দি এদিন সি দোকানত বহি তাই স্কুলৰ পৰা অহালৈ অপেক্ষা কৰি থাকিল। সেইদিনা চুলিত সি অলপ সৰহকৈয়ে নাৰিকল তেল লগাইছিল, চাফা চোলাটো পৰিপাটিকৈ পিন্ধিছিল। বেলিটো মূৰত লৈ তাই আহিছিল। কান্ধৰপৰা ওলমি থকা ক'লা বেগটোত এবেগ কিতাপ, সেউজীয়া পাৰিৰ মাৰ দিয়া চাদৰ, অলপ পুৰণি মুগাৰ মেখেলা, শকত বেণীডাল আৰু ৰ'দত ৰঙা পৰা তাইৰ মুখখন...।

'স্কুলৰ পৰা আহিলা' — সি মাতিলে।

'অ', ভালনে আপোনাৰ!' — তাইৰ মুখত ভাগৰুৱা হাঁহি এটা।

'তোমাৰ নামটো সিদিনা...।'

'দুৰ্বৰি। আপোনাৰ নাম আলতাফ নহয় জানো?'

'অ হয়। চোৱা দুৰ্বৰি, সিদিনা তোমালোকৰ ঘৰলৈ প্ৰথমদিনাই গৈ যিহে অভদ্ৰামি কৰিলো... কি ক'ম আৰু।'

'এ কি কয় আপুনি! মানুহ মাৰি দিব দেই।' — তাইৰ মুখৰ হাঁহিটো বহল হৈ গৈছিল।

তাৰ পিছত সদায় সি দুৰ্বৰিক লগ পোৱা হ'ল, স্কুলৰপৰা উলটি আহোতে তাই তাৰ দোকানত এনেয়ে কেতিয়াবা বহা হ'ল। সি তাইৰ বাবে সাঁচি থবলৈ আৰম্ভ কৰিলে ভালৰো ভাল টফি, মৰ্টন।



চব কথাই পাতিব পৰা হ'ল এদিন সিহঁতে, এদিন তাই তাৰ হাতত গুজি দিলে তাই হাতে কৰা ৰুমাল, শিৰৰ তোলা গামোছা। ... তাৰ বুকুৰ দাগটো বহল হৈ গৈ থাকিল।

এদিন তাই মেট্ৰিক পাছ কৰিলে। ভাল ৰিজাল্ট কৰিলে। সেইদিনা তাই তাৰ ওচৰলৈ আহি বহুতপৰ বহি থাকিল। বৰ মৌন হৈ আছিল সেইদিনা তাই। সি তাইক মৰমতে ইটো-সিটো যাচি আছিল। এসময়ত তাই যাবলৈ ল'লে। কিন্তু দুখোজমান গৈয়ে হঠাৎ ঘূৰি আহি তাৰ হাত দুখন খামোচ মাৰি ধৰিলে।

'মই পঢ়িবলৈ চহৰলৈ যামগৈ জানা। বৰ দুখ লাগিছে। তোমাক ঢেৰ কথা ক'বলৈ আছিল।' — সি মৌন হৈ বৈ থাকিল। 'কোৱা' বুলি ক'বলৈও তাৰ সাহস নহ'ল। এসময়ত ওঁঠ কামুৰি তাই ওলাই গ'লগৈ। সি বহুপৰ নিথৰ হৈ তাতে বহি থাকিল। দুদিনমান পিছত তাৰ দোকানৰ আগেদিয়ে তাই মোমায়েকৰ মটৰত উঠি চহৰলৈ গুচি গ'ল।নিজান দুপৰীয়াবোৰত সি আৰু কাৰো বাবে ৰ'ব লগা নহ'ল। টফি, মৰ্টন সাঁচিব লগা নহ'ল। তাৰ নিজকে বৰ অকলশৰীয়া যেন লাগিব ধৰিলে।

এৰা, সেইদিন ধৰি সি তাইক দেখা নাই। ডেৰমাহমানৰ পিছত দুদিনৰ জ্বৰতে এদিন তাৰ মাক ঢুকাই থাকিল। পবিত্ৰ ঠিকাদাৰে এদিন দোকান বন্ধ কৰি দিলে। এদিন সি চহৰলৈ গুচি আহিল। হাইদৰদাক লগ পালে ষ্টেচনত আৰু এই হাইদৰদায়েই তাক লৈ আহিল এই গেৰেজটোলৈ, বস্তিৰ এই সৰু ঘৰটোলৈ, তাক এটা জীৱন দিলে, এটা 'আইডেণ্টিটি' দিলে। কিন্তু তাৰ মাজতো তাৰ বুকুত বুলবুলি চৰাই এটা হৈ দুলি থাকিল তাই, কাঠৰ দলংখন পাৰ হৈ তাই সদায় স্কুললৈ আহে, বতাহত উৰি থাকে তাইৰ চাদৰৰ সেউজীয়া আঁচল। বৰ ইচ্ছা হয় তাৰ এতিয়াও, তাইক এবাৰ লগ পাবলৈ, ধুনীয়া চকু দুটালৈ চাই বহুত কথা কৈ দিবলৈ, সুধিবলৈ, তাইৰনো তাক কি ক'ব লগা আছিল। তাই যদি এইখন চহৰতে থাকে! যদি কোনোবাদিনা তাই তাক আৱিষ্কাৰ

কৰে এই ৰূপত! মুৰে-গায়ে গ্ৰীজ-ম'বিলৰ দাগ লৈ, ধূলি গোবৰত লেটি লৈ থকা অৱস্থাত!

'গোবৰখোৰা' — হঠাৎ সম্বোধনটো মনলৈ অহাত তাৰ মনটো বিতৃষ্ণাৰে ভৰি পৰিল। ৰঞ্জনৰ মুখৰ অৱজ্ঞাৰ চাৱনিটোৱে তাৰ ভিতৰৰ কোনোবাখিনি জ্বলাই দিয়া যেন লাগিল। ৰঞ্জন — ল'ৰাটো ভাল নহয়। হাইদৰদা এই অঞ্চলৰ পুৰণি মানুহ। চবৰে 'হিষ্ট্ৰি' তেওঁৰ নখ দৰ্পনত। তেৱেঁ কৈছিল এদিন ৰঞ্জনৰ কথা। ব্যৱসায়ী বাপেকৰ একমাত্ৰ ল'ৰা সি। চিনেমাহল এটা চলাই আছে। প্ৰাইভেট হোষ্টেল এটাও আছে। হোষ্টেলত থকা ছোৱালী কিছুমানৰ লগত তাৰ অলপ বেলেগ সম্বন্ধ আছে। সিহঁতক লৈয়ো তাৰ ব্যৱসায়। অসংখ্য প্ৰমাণ আছে পুলিচৰ। কিন্তু একো কৰিব নোৱাৰে তাক। আমোলা বাপেকৰ দীঘল হাত।

ধেৎ, কি দৰকাৰ পৰিছে তাৰ ৰঞ্জনৰ কথা ভাবি থাকিবলৈ। নিজৰ ওপৰতে খং উঠিল তাৰ। এসময়ত আকৌ সি ভাবত বুৰ গ'ল। হাইদৰদাই নমতালৈকে সি তাতে বহি থাকিল — বুকুত দুবৰিক লৈ।

... হৰ্ণকৈ ৰৈ যোৱা গাড়ীখনৰ শব্দত আলতাফে মূৰ তুলি চালে। দুৱাৰ খুলি নামি আহিছে ৰঞ্জন।

'হেই... গো... মানে, আলতাফ কি কৰিছ বে?

'এইয়া দাদা, আমাৰনো কি আৰু...!'

'আচ্ছা, শুনচোন, চাৰ্মিনাৰ এপেকেট লাগিছিল। আনচোন ক'ৰবাৰ পৰা।' চকচকীয়া নোট এখন তালৈ আগবঢ়াই দি ৰঞ্জনে ক'লে।

ইচ্ছা নাছিল যদিও সি হাত পাতি ল'লে। ৰাস্তাৰ সিপাৰৰ দোকানখনৰ পৰা চাৰ্মিনাৰ পেকেট লৈ উভটি আহি পাওঁতে গাড়ীৰ দুৱাৰ জপাই বহি পৰিছিল ৰঞ্জন।

'দাদা, লওক।' — সি কাষ চাপি গ'ল।

ৰঞ্জনৰ হাতত চিগাৰেট পেকেট তুলি দিওঁতে হঠাৎ তাৰ চকুত পৰিল কাষৰ চিটত বহি থকা ছোৱালীজনীৰ ওপৰত। আশ্চৰ্যত তাৰ চকু ফাটি পৰিল। জিভাখন শুকাই অহা যেন লাগিল। গৰম তেজৰ স্ৰোত এটা বৈ গ'ল তাৰ দেহৰ মাজেৰে। ক্লান্ত তাইৰ চকুদুটা, চুলিখিনি বান্ধলৈকে কটা, ক্ষীণ এটা দেহ, কাপোৰ এখন মেৰিয়াই তাই বহি আছে।

'ৰঞ্জন, ক'ৰপৰা আহিলা?' হাইদৰদাৰ মাত শুনি ৰঞ্জনে মূৰ উলিয়াই বাহিৰলৈ চালে।

'অ'... এইৰ, মানে হোষ্টেলৰ ছোৱালী এজনীৰ অলপ অসুখ, ডাক্তৰৰ ওচৰৰপৰা আনিলোঁগৈ।'

'অ'...।' হাইদৰদাৰ মুখত এটা ম্লান হাঁহি। গাড়ীখন গ'লগৈ।

'ভাল ছোৱালী আছিল বুইছ আলতাফ। গাঁৱৰপৰা অহা। ইয়াৰ হোষ্টেলত থাকিল। এতিয়া তাৰ হাতৰ পুতলা। আগতে এবাৰ তাইৰ এবৰ্ছন হৈ গৈছে। এইবাৰো তেনেকুৱাই কিবা ছাগে।' — হায়দৰদাই নিজকে কোৱাদি ক'লে।

'হাইদৰদা, আপুনি ইমানবোৰ খবৰ কেনেকৈ জানে?' — তাৰ মাতটো কোনোমতেহে ওলাল।

'তাৰ হোষ্টেলৰ ৰান্ধনীজনীটো মোৰ লগত ভাল। এইবোৰ কথা ক'বলৈ মানুহে ভয় কৰিলে নচলে। সঁচা কথা ক'বলৈ মোৰ ভয় নালাগে।'

'তাইৰ নামটো...!'

'দুবৰি।'

সেইদিনা ৰাতি তাৰ টোপনি নাহিল। বাহিৰত বহিবলৈও তাৰ মন নগ'ল। ভাত খাই উঠি সি ঠিক কৰিলে — সি অলপ ওলাই যাব, অকণমান খোজ কাঢ়িব। বাহিৰত জোনাক। আহি আহি কিমান দূৰ পাইছিলহি সি নাজানে। হঠাৎ গীৰ্জাৰ দেৱালখনেদি ঘূৰিব খোজোঁতেই সি গম পালে, গাড়ী এখন আহি ৰৈ গৈছে সিফালৰ ডাষ্টবিনটোৰ কাষত। ছোৱালী এজনীয়ে ৰৈ ৰৈ কান্দিছে ক'ৰবাত, সম্ভৱ, গাড়ীখনৰ ভিতৰত। দেৱালখনতে চেপেটা লাগি সি ৰৈ থাকিল। সি দেখিলে ৰঞ্জন নামি আহিছে। পিছে পিছে কিবা টোপোলা এটা খৈ সেইজনী দুবৰি। ডাষ্টবিনটোৰ কাষতে তাই টোপোলাটো থৈছে। তাই কান্দিছে। কান্দোনত তাইৰ পিঠিখন কঁপি আছে। ৰঞ্জনে তাইৰ গালত প্ৰচণ্ড চৰ এটা দি তাইক টানি নি গাড়ীত উঠাই দিছে। গাড়ীখন এইবাৰ প্ৰচণ্ড বেগত আঁতৰি গ'ল। আলতাফ লাহে লাহে ডাষ্টবিনটোৰ কাষলৈ গ'ল। সি টোপোলাটো চালে — এটা কেঁচুৱা ল'ৰা। নাকত হাত দি সি গম পালে — কেঁচুৱাটো জী আছে। এটা গুলপীয়া, কণমানি প্ৰাণ। একো নাভাবি সি কেঁচুৱাটো বুটলি বুকুত হেঁচি ধৰিলে। তাৰ গ্ৰীজ, ম'বিল লগা চোলাটোৰ ফাঁকেৰে তাৰ ভিতৰলৈকে সোমাই গ'ল কেঁচুৱাটোৰ চুটি চুটি উমাল নিশ্বাস। সি আৱেগেৰে তাক সাৱটি ধৰিলে। তাৰ চকুপানী ওলাইছিল নেকি — মনত নাই।

পিছদিনা পুৱা, হাইদৰৰ ঘৰৰ সন্মুখত অলেখ মানুহ। হাইদৰে সকলোকে ঘটনাটো বুজাই আছে। ভিতৰত কেঁচুৱাটোক লৈ ব্যস্ত আলতাফ। ৰতন, চন্দন, পোৱালি। তেনেতে দুজন পুলিচ সোমাই আহিল। হাইদৰ আৰু আলতাফক মাতি সোধ-পোছ কৰিলে। নেপালী মন্দিৰৰ ওচৰত ছোৱালী এজনীৰ মূৰ নোহোৱা মৃতদেহ পোৱা গৈছে বুলি ক'লে। পোষ্টমৰ্টেম ৰিপৰ্ট মতে, তাই সদ্য মাতৃ আছিল। সেয়ে পুলিচে কেঁচুৱাটোৰ ডি. এন. এ. পৰীক্ষা কৰিব খোজে। হাইদৰ কিছু উৎকণ্ঠিত হ'ল। তেওঁ বাৰে বাৰে আলতাফক সুধি থাকিল — 'এতিয়া কি হ'ব?'

সি থিয় হ'ল। মাতটো অকণমানো নকঁপাকৈ সি ক'লে— 'যিটো কেঁচুৱাক মাক-বাপেকে শিয়াল-কুকুৰৰ আহাৰ হ'বলৈ ডাষ্টবিনৰ কাষত পেলাই থৈ যাব পাৰিছিল, মই পাই বুটলি আনিলো, তাৰ ডি. এন. এ. পৰীক্ষা কৰাই কি কৰিব আপোনালোকে? ধৰিব পাৰিব তাৰ বাপেকক? নোৱাৰে, মই জানো। আপোনালোকে তাৰ বাপেকৰ ভৰি ধোৱা পানীকে খাই জীয়াই আছে। যাওক ইয়াৰ পৰা, তাক মই ডাঙৰ কৰিম, মোৰ মতে।'

তেনেতে ভিতৰত কেঁচুৱাটোৱে কান্দি উঠিল। ভিতৰলৈ যাব খুজিও উভটি আহি সি হাইদৰদাক ক'লে—

'কি চিন্তা কৰি আছে হাইদৰদা, বাদ দিয়কচোন। নিহাতে টেন্‌ছন নলবচোন। ইমান সৰু গাঁতেতে কিয় ব্ৰেক মাৰিছে? এক্সিলাৰেটৰ ভৰাই দিয়ক।'❖

গ্ৰন্থ সমালোচনা

# নাৰীবাদী চিন্তাৰ নতুন ফচল

**গ্ৰন্থ ঃ নাহৰৰ নিৰিবিলি ছাঁ**
**লেখিকা ঃ অনুৰাধা শৰ্মা পূজাৰী**

শাৰী শাৰী নাহৰ গছৰ মাজত স্ব-মহিমাৰে উজ্বলি থকা ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পাৰ কৰা আঢ়ৈটা বছৰৰ অভিজ্ঞতা, উপলব্ধি তথা অনুভৱে সম্পূৰ্ণ ১৪ টা বসন্তৰ পাছত আঁহফালি সাৰটি ধৰাৰ মনোৰম কাহিনীৰে উপন্যাসখনৰ পাতনি মেলি লেখিকাই ইয়াৰ মূল নাৰী চৰিত্ৰ ভাস্বতীৰ যোগেদি কাহিনীত প্ৰাণ সঞ্চাৰ কৰিছে। বিশ্ববিদ্যালয় চৌহদৰ উত্তাল যৌৱনৰ স্বতঃস্ফূট প্ৰকাশৰ স্মৃতি সজীৱ কৰি ভাস্বতী উভতি গৈছে বিশ্ববিদ্যালয়ৰ শাৰী শাৰী নাহৰৰ মাজলৈ, যেতিয়া বিশ্ববিদ্যালয়ৰ বটা বিতৰণী অনুষ্ঠানৰ নিমন্ত্ৰণী পত্ৰই ভাস্বতীৰ দুহাতত স্মৃতিৰ পানচৈ মেলিছে। এক নষ্টালজিয়াৰ মনোৰম বৰ্ণনাৰে আৰম্ভণি তাৰ পাছত প্ৰেম-বিৰহ, আৱেগ, হোষ্টেলীয়া জীৱনৰ কথাৰে উজলি উঠিছে 'নাহৰৰ নিৰিবিলি ছাঁ'।

অসমীয়া সাহিত্য জগতলৈ অনুৰাধা শৰ্মা পূজাৰীৰ শেহতীয়া সংযোজন এইখন উপন্যাস। ইতিমধ্যে প্ৰকাশ পোৱা লেখিকাৰ আন উপন্যাসৰ বিপৰীতে এইখন উপন্যাসত লেখিকাই পাঠকক নতুনত্বৰ সোৱাদ দিবলৈ সক্ষম হৈছে। নাৰীবাদী চিন্তাৰ ফচল লেখিকাৰ এইখন উপন্যাসে কিন্তু লক্ষণীয় ভাৱে কেইবাটাও নতুন দিশ উন্মোচিত কৰিছে। বিশেষতঃ নাৰীৰ মুখে আন এগৰাকী নাৰীৰ ৰূপ-লাৱণ্যৰ অকপটভাৱে প্ৰশংসা কৰাৰ কাহিনীভাগে নাৰী সমাজলৈ নতুন চিন্তা কঢ়িয়াই অনাটো ধ্ৰুৱপ। গতানুগতিকতাৰ পৰা ফালৰি কাটি এক নতুন চিন্তাধাৰাৰ উন্মেষ ঘটোৱা ঔপন্যাসিকাৰ এই পদক্ষেপ আমাৰ অসমীয়া সমাজ জীৱনৰ ওপৰত কিমানদূৰ সফল কাম হ'ব কাৰ্যক্ষেত্ৰত সেয়াহে আমাৰ বিচাৰ্য। কাৰণ সমাজে ঠিক কৰি দিয়া কিছুমান ৰীতি-নীতিৰ ঠেক গণ্ডীৰ মাজত সোমাই থকা গৰিষ্ঠ সংখ্যক অসমীয়া মহিলাই উপন্যাসখনৰ এই দৃষ্টিভংগীক কি ভাৱে লয় তাতকৈ ঔপন্যাসিকাৰ এই সাহসী পদক্ষেপকহে আমি ইয়াত প্ৰশংসা কৰিব পাৰো। ইয়াৰ দ্বাৰা ঔপন্যাসিকাই অসমীয়া মহিলাৰ মাজলৈ অহা নব্য-চেতনাৰো উন্মেষ ঘটাইছে অতি সাৱলীল ভাৱে।

উপন্যাসৰ আন এক দৃশ্যত 'সমকামিতা' বিষয়ক স্থান দি ঔপন্যাসিকাই এই ক্ষেত্ৰত জ্ঞান, শিক্ষা আৰু ভাবনাৰ এক সাহসী দৃষ্টি নিক্ষেপ কৰাত উপন্যাসখনে আন এক মাত্ৰা লাভ কৰিছে। মূলতঃ গাৰ্লচ হোষ্টেল কেন্দ্ৰীক উপন্যাসখনৰ মাজেদি এজাক তৰুণীৰ বুকুৰ উখল-মাখল উন্মোচিত কৰাৰ লগতে 'ৰেগিং'ৰ ক্ষেত্ৰতো নিৰ্মোহ বিশ্লেষণ আগবঢ়াবলৈ সক্ষম হৈছে। তদুপৰি গাৰ্লচ হোষ্টেলৰ মজিয়া গৰকি ইয়াৰ সৈতে একাত্মীয়তা গঢ়ি তোলা প্ৰতি গৰাকী নাৰীৰ বাবেই ই এক জীৱন্ত ছবি। ঔপন্যাসিকাৰ সহজ-সৰল অথচ সুন্দৰ প্ৰকাশভংগীয়ে উপন্যাসখন সকলো শ্ৰেণীৰ পাঠকৰ বাবেই উপযোগী কৰি তুলিছে।

আনহাতে 'জ্যোতি বাটচ'ৰা' গৰকি নাহৰ গছৰ সৈতে বন্ধুত্ব পাতি অহা বহুজনৰ বাবে এই উপন্যাসখন এক সতেজ নষ্টালজিয়া। উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ ভাস্বতীৰ সংস্পৰ্শলৈ অহা বিভিন্নজনৰ চৰিত্ৰৰ মাধ্যমেদি ডিব্ৰুগড় বিশ্ববিদ্যালয় গৰকি অহা বিভিন্নজনৰো বাস্তৱত সংস্পৰ্শলৈ অহা প্ৰিয়জন তথা বন্ধুবৰ্গ, জ্যেষ্ঠ, কনিষ্ঠসকল ভাস্বৰ হৈ উঠে অতীতৰ এক সু-মধুৰ স্মৃতি হৈ। উপন্যাসৰ শেষ পৃষ্ঠাত ঔপন্যাসিকাই ভাস্বতীৰ মুখেদি কোৱাৰ দৰেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত নিজৰ উপস্থিতি জাহিৰ কৰি অহা অন্যসকলেও পিছৰ জীৱনত তেওঁৰ সংস্পৰ্শলৈ অহা বিভিন্নজনৰ মাজেৰে দুই-এজনকহে পিছৰ জীৱনত কাষত পাই আহিছে। বহুজন হয়তো হেৰাই গৈছে সময়ৰ বালিচৰত নাইবা বহুজন থাকিও নথকাৰ দৰেই হৈছে।

এই সকলোবোৰৰ বিপৰীতে চিৰিলি পাতৰ নাহৰ জোপাৰ ছাঁ কি দৰে নিৰিবিলি হ'ব পাৰে তাৰ উত্তৰ বেটুপাতে দিব পৰা নাই আৰু 'নাহৰৰ নিৰিবিলি ছাঁ' শিৰোনামা এইক্ষেত্ৰত দ্বিমত যুক্ত। তৎসত্বেও উপন্যাসখনৰ উপস্থাপন, কাহিনীৰ প্ৰৱাহমান গতি আৰু বিষয়বস্তুৰ যথোপযুক্ত অৱতাৰণাই পাঠক সমাজক আপ্লুত কৰাটো খাটাং। তাৰবাবে লেখিকা সকলোৰে ধন্যবাদৰ পাত্ৰী। সঁচাকৈয়ে এইখন উপন্যাসৰ যোগেদি ঔপন্যাসিকাই পাঠকক নতুনত্বৰ সোৱাদ দিবলৈ সক্ষম হৈছে।❖

**যাদবেন্দ্ৰ বৰা**
*স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ*

# ড° দিলীপ কুমাৰ বৰুৱা

## অৰ্থনীতিবিদ, প্ৰাক্তন অধ্যক্ষ (কটন কলেজ)



**(১) উঃ পূৰ্বাঞ্চলত কেনেধৰণৰ উদ্যোগ গঢ়ি উঠাৰ সম্ভাৱনা আছে? এতিয়ালৈকে কিয় গঢ়ি উঠা নাই?**

যিবোৰ উদ্যোগৰ বিকাশৰ বাবে প্ৰয়োজনীয় সম্পদৰাজি আৰু অন্যান্য সা-সুবিধাবোৰ উত্তৰ-পূৰ্বাঞ্চলত আছে, তেনেবোৰ উদ্যোগেই ইয়াত গঢ়ি উঠাৰ সম্ভাৱনা আছে। উদাহৰণস্বৰূপে ঃ পৰ্যটন উদ্যোগ, হস্তশিল্প উদ্যোগ, বস্ত্ৰশিল্প উদ্যোগ, প্ৰযুক্তিবিদ্যা সম্পৰ্কিত উদ্যোগ আৰু কেতবোৰ কৃষিভিত্তিক উদ্যোগ।

উপৰোক্ত উদ্যোগকেইটাৰ ভিতৰত হস্ততাঁত আৰু বস্ত্ৰশিল্প উদ্যোগৰ বাহিৰে বাকী আটাইকেইটা উদ্যোগ চালুকীয়া অৱস্থাতে আছে বুলি ক'ব পাৰি। কাৰণ —

(ক) উপযুক্ত আন্তঃগাঁথনিৰ অভাৱ।

(খ) থলুৱা মূলধনৰ অভাৱ।

(গ) উপযুক্ত প্ৰশিক্ষণৰ অভাৱ।

(ঘ) বিনিয়োগৰ বাবে এক সুস্থ পৰিৱেশৰ অভাৱ।

**(২) ক্ষুদ্ৰ উদ্যোগে নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত কেনে অৰিহণা যোগাব পাৰে বুলি ভাবে?**

নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত ক্ষুদ্ৰ উদ্যোগে বিশেষ ভূমিকা পালন কৰি আহিছে। নাৰিকল, মৰাপাট, কুঁহিয়াৰ, ফুল আদি কেঁচা সামগ্ৰীৰ যোগেদিও বহু নিবনুৱাই স্বাৱলম্বিতাৰ পথ বিচাৰি লৈছে। স্বাস্থ্য সেৱাখণ্ডৰ দৰে এটা সমাজসেৱা উদ্যোগ অৱহেলিত হৈ থকা বাবে বৰ্তমান বহু নিবনুৱা কৰ্মসংস্থাপনহীন হৈ আছে।

আমাৰ অসমৰ শিক্ষিত নিবনুৱাৰ এটা ডাঙৰ দোষ আছে। তেওঁলোক 'tunnel thinking' এৰিব লাগিব। কৰ্মসংস্কৃতি বুজি ল'ব লাগিব। গতিশীলতা থাকিব লাগিব। শ্ৰমৰ মৰ্যাদাক গুৰুত্ব দিব লাগিব। এটা কথা সঁচা যে— 'মূলধনৰ অভাৱ প্ৰধান অভাৱ নহয়, চিন্তাৰ দৈন্যতাহে উত্তৰণৰ প্ৰধান অভাৱ।'

**(৩) কৃষিনিৰ্ভৰ অসমৰ কৃষিখণ্ডৰ উন্নয়নৰ ক্ষেত্ৰত আপোনাৰ মতামত কি?**

(১) বৰ্তমান অসমৰ ২১ শতাংশ মাটিতহে জলসিঞ্চনৰ ব্যৱস্থা আছে। গতিকে জলসিঞ্চনৰ উপযুক্ত ব্যৱস্থা নিতান্তই প্ৰয়োজনীয়।

(২) কৃষিঋণৰ পৰিমাণ বৃদ্ধি হ'ব লাগিব। এইক্ষেত্ৰত, আত্মসহায়ক গোটৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ জৰিয়তে বিত্ত যোগান ধৰা অনুষ্ঠান আৰু কৃষক শ্ৰেণীৰ মাজত এক যোগসূত্ৰ স্থাপন হয়।

(৩) কৃষিসামগ্ৰীৰ বাবে উপযুক্ত বজাৰৰ সৃষ্টি হ'ব লাগে, যাতে প্ৰকৃত খেতিয়কে উৎপাদিত সামগ্ৰীৰ বাবে উপযুক্ত মূল্য পাব পাৰে।

(৪) অনুন্নত যাতায়ত পৰিবহন, বিজ্ঞানসম্মত খাদ্য সামগ্ৰীৰ ভঁৰালৰ অভাৱ ইত্যাদি সমস্যা নিৰ্মূল কৰিব লাগিব।

(৫) বানপানী আৰু খৰাখহনীয়াৰ সমস্যাৰ এক অধিক বিজ্ঞানসন্মত অধ্যয়নৰ প্ৰয়োজন হৈছে। এটা সময়ত অসমত বানপানীৰ অন্তত পলশ পেলাই যোবা মাটিত অধিক উৎপাদন হৈছিল।

**(৪) ভাৰতীয় অৰ্থনীতিৰ ওপৰত বিশ্বায়নে কেনেধৰণৰ প্ৰভাৱ পেলাইছে?**

'বিশ্বায়ন' এটা নতুন ব্যৱস্থা নহয়, ই অতীততো আছিল। চীন বিশ্ববাণিজ্য সন্থাৰ সভ্য। তাত বিশ্বায়ন হৈছে। পশ্চিম বংগৰ অগ্ৰণী নেতাসকলেও এক মত পোষণ কৰিছে যে — বিশ্বায়নৰ সা-সুবিধা গ্ৰহণ কৰিব লাগে। বিশ্বায়ন আমাৰ বাবে লাভদায়ক হ'ব যদিহে ইয়াৰ ফলত এক সুস্থ প্ৰতিযোগিতাৰ বাতাবৰণ সৃষ্টি হয়। যাৰ ফলত সা-সামগ্ৰীৰ বিভিন্নতা আহিব পাৰে, উচ্চ মানবিশিষ্ট হ'ব পাৰে আৰু গ্ৰাহকৰ বাবে সেইবোৰৰ দাম নিম্নগামী হয়। কিন্তু, এই প্ৰতিযোগিতা আমাৰ দেশত সুস্থ হ'ব লাগিলে আৰ্থ-সামাজিক অসমতাৰ প্ৰতি লক্ষ্য ৰাখি আপেক্ষিকভাৱে দুৰ্বল প্ৰতিযোগীসকলক চৰকাৰে যাৱতীয় সা-সুবিধাৰ যোগান ধৰিব লাগিব। গতিকে, চৰকাৰী প্ৰশাসনযন্ত্ৰৰ দক্ষতা এইক্ষেত্ৰত অপৰিহাৰ্য হ'ব। বিশ্বায়নৰ পৰিপ্ৰেক্ষিতত সাধাৰণ ৰাইজৰ হাতলৈ ক্ৰয় ক্ষমতা অহাৰ পথটো প্ৰশস্ত আৰু সুনিশ্চিত হ'ব লাগিব। নিয়োগৰ সা-সুবিধা বৃদ্ধিৰ বিকল্প নাথাকিব।

সংস্কৃতিও এতিয়া আৰ্থিক ব্যৱস্থাটোৰ অংগ হৈ পৰিছে। থলুৱা সংস্কৃতিৰ ওপৰত বিশ্বায়নৰ প্ৰভাৱ প্ৰতি মুহূৰ্ততে পুনৰীক্ষণ হৈ থকাটো জৰুৰী হৈ পৰিছে। সাংস্কৃতিক বিনিময়ৰ জৰিয়তে সংস্কৃতিৰ উৎকৰ্ষ সাধন হয় — সেইটো সঁচা কিন্তু, তাৰ ফলস্বৰূপে নিজৰ সংস্কৃতিৰ অস্তিত্বক বিসৰ্জন দিব নোৱাৰি।❖



# বাণীকান্ত কাকতিৰ সোঁৱৰণী উপত্যকাত শৈল্পীক গুঞ্জন

## প্ৰবন্ধ


- শৈক্ষিক প্ৰব্ৰজন- এক অৱলোকন : **ড° সীতানাথ লহকৰ** ৭৯
- স্বপ্নৰ ফেৰীৱালা গায়কজন আৰু অসমীয়া সমাজমুখী গানৰ ভৱিষ্যৎ সম্ভাৱনা : **বিদ্যুৎ সাগৰ বৰুৱা** ৮২
- জনজাতীয় সমস্যা- এক বিহংগম দৃষ্টি : **উৎপল ঠাকুৰীয়া** ৮৫
- বিষণ্ণতাৰ নৈ পাৰ হৈ- উপলব্ধিৰ সীমনাত এজাক অনুভৱী জোনাকৰ বৰষুণ... : **ৰিপনজ্যোতি নাথ** ৮৭
- অসমীয়া জাতীয় সংস্কৃতিৰ অৱক্ষয়ৰ কাৰণ আৰু সমাধান : **সুৰেশ দত্ত** ৮৮


## কবিতা


- শেলাইৰ দৰে : **ধনদা শইকীয়া** ৯০
- ময়ূৰ : **লিনামী দাস** ৯০
- এপিটাফ : **অৰুণিমা মেধি** ৯১
- ভালপোৱাৰ দুটি স্কেচ্ : **বিজিত দাস** ৯১
- তুমি : **জ্যোতিৰূপা নাথ** ৯২
- অন্বেষণ : **অপৰাজিতা কলিতা** ৯২
- এবাৰ সোধা... মাথোঁ এবাৰ : **বিজিতা শৰ্মা** ৯৩
- বেষ্ট ফ্ৰেণ্ড বুলি নক'বা : **হুছেইন মহম্মদ ছাহজাহান** ৯৩




## গল্প


- শেষ বিচাৰৰ আখৰা : **ৰূপম কুমাৰ বৰ্মন** ৯৪
- বৈধব্য : **অৰ্কজা ভৰদ্বাজ** ৯৭


## ব্যংগ ৰচনা


- নৱবৰ্ষ অনলাইন : **প্ৰদীপ কুমাৰ দে** ৯৯


## সাক্ষাৎকাৰ


- বাহাৰুল ইছলাম ১০১

  যতীন বৰা ১০২





# শৈক্ষিক প্ৰব্ৰজন ঃ এক অৱলোকন


**ড° সীতানাথ লহকৰ**

*প্ৰৱক্তা, গণিত বিভাগ*


আদিম কালত গোষ্ঠীবদ্ধ মানুহৰ জীৱন যেতিয়া বনৰ ফল-মূল আৰু চিকাৰৰ ওপৰত নিৰ্ভৰ আছিল, তেতিয়াও মানুহ এঠাইৰ পৰা আন ঠাইলৈ গুচি গৈছিল ভাল(আচলতে উভৈনদী) খাদ্য আৰু বাসস্থানৰ সন্ধানত। খাদ্যৰ তাড়নাত কৰা এই পৰিভ্ৰমণ আচলতে জীৱন ধাৰণৰ নিশ্চিতি বিচাৰি কৰা প্ৰব্ৰজনহে। আদিতে আৰম্ভ হোৱা এই প্ৰব্ৰজন আজিও অব্যাহত মূলতঃ একেই কাৰণত। তেতিয়া দেশ পৰদেশ বুলি কথা নাছিল। পৃথিৱীৰ বক্ষ অবিভাজিত আছিল। আজি কিন্তু দেশ, মহাদেশ আদিৰ গণ্ডীৰ সীমাৰে বহুধা বিভক্ত পৃথিৱীৰ বক্ষ। নানা বাধা, বিধি এখন দেশৰ পৰা আন এখনলৈ যাবলৈ। তথাপিও কিন্তু প্ৰব্ৰজন হৈ আছে; বৰং উন্নতৰ পৰা উন্নততৰ, শ্ৰেষ্ঠৰ পৰা শ্ৰেষ্ঠতৰ জীৱনৰ সন্ধানত হোৱা আজিৰ প্ৰব্ৰজন অধিক ব্যাপক— অধিক দুৰ্নিবাৰ। সি বাংলাদেশৰ পৰা ভাৰত তথা আমাৰ ৰাজ্যখনলৈ হোৱা প্ৰব্ৰজনেই হওক বা তৃতীয় বিশ্বৰ দুখীয়া আৰু উন্নয়ণশীল দেশ সমূহৰ পৰা আমেৰিকা, অষ্ট্ৰেলিয়া, বৃটেইন, কানাডা আদি উন্নত দেশবোৰলৈ হোৱা প্ৰব্ৰজনেই হওক। খাদ্য, শিক্ষা তথা চাকৰিৰ নামত হোৱা প্ৰব্ৰজনে একোখন সমাজৰ বা দেশৰ জনগাঁথনিত প্ৰভূত প্ৰভাৱ পেলোৱাৰ লগতে সলনি কৰি দিয়ে তাৰ অৰ্থনৈতিক বিকাশ। পৰিৱৰ্তন আনে ৰাজনৈতিক সমীকৰণত, নতুনত্ব আনে সাংস্কৃতিক বিন্যাসত। পৃথিৱীৰ কোনো এখন দেশ নাই যি প্ৰব্ৰজনমুক্ত, কোনো এটা জাতি নাই য'ত প্ৰব্ৰজনে সংমিশ্ৰণ ঘটোৱা নাই। খোদ আমেৰিকান সকলৰ মাজত প্ৰায় ২৪% বাহিৰৰ মানুহ।

বৰ্তমান পৃথিৱীত জীৱিকাৰ নিৰাপত্তা টুটি আহিছে। ফলত এক সামাজিক অস্থিৰতাই গা কৰি উঠিব লাগিছে। মানুহৰ জীয়াই থকাৰ চেতনা আতঙ্কগ্ৰস্ত হৈছে- বিশেষকৈ তৃতীয় বিশ্বৰ দেশবোৰত। এই আতঙ্ক জীৱিকাৰ ক্ষেত্ৰখনত এটা 'সুব্যৱস্থা' কৰি ল'ব নোৱাৰাৰ আতঙ্ক। আৰ্থ-সামাজিক দৃশ্যপটৰ দ্ৰুত পৰিৱৰ্তনে সৃষ্টি কৰা অস্থিৰ দৌৰা-দৌৰিত পিছ পৰি ৰোৱাৰ আতঙ্ক। সেয়ে 'সুসজ্জিত' হোৱাৰ প্ৰাণান্তক প্ৰচেষ্টা। চাকৰি এটা যোগাৰ কৰি ল'ব পৰা শিক্ষণ-প্ৰশিক্ষণৰ বাবে লৰা ঢপৰা। এঠাইৰ পৰা আন ঠাইলৈ, এখন দেশৰ পৰা আনখন দেশ, মহাদেশলৈ প্ৰব্ৰজন। বৰ্তমান কালত শিক্ষাৰ নামত হোৱা ব্যাপক প্ৰব্ৰজন বহু

ৰাজ্য, দেশৰ চিন্তাৰ কাৰণ হৈ পৰিছে। আমাৰ অসম ৰাজ্য একাধিক প্ৰব্ৰজন অভিজ্ঞ। সীমাৰ সিপাৰৰ পৰা বাংলাদেশীৰ প্ৰব্ৰজনে বিপদৰ এক সমস্যাৰ ৰূপ লৈছে, সেইদৰে শিক্ষাৰ নামত ৰাজ্যখনৰ পৰা হোৱা প্ৰব্ৰজনেও যুক্তি সংগতভাৱেই এক শংকাৰ সৃষ্টি কৰিছে। দেশৰ বাহিৰলৈ হোৱা প্ৰব্ৰজনতকৈ এই ক্ষেত্ৰত অসমৰ পৰা আন ৰাজ্যবোৰলৈ হোৱা প্ৰব্ৰজনহে এক চিন্তনীয় পৰ্যায়ত উঠিছেগৈ। কিয়নো অবাধ শৈক্ষিক প্ৰব্ৰজনে ৰাজ্যৰ উচ্চ শিক্ষানুষ্ঠানসমূহক প্ৰখৰ মেধাৰ পৰা বঞ্চিত কৰিছে। সমাজ তথা ৰাজ্যখনক বঞ্চিত কৰিছে যথোপযুক্ত(কাৰিকৰী বা অকাৰিকৰী)জনৰ সেৱাৰ পৰা। সংস্থানৰ নিশ্চিতৰ বাবেই যিহেতু বাহিৰলৈ যায়, প্ৰায় ৯০% ছাত্ৰ-ছাত্ৰী অসমলৈ পুনৰ ঘূৰি নাহে। আটাইতকৈ ডাঙৰ কথাটো হৈছে এই প্ৰব্ৰজনৰ ফলত দুখীয়া ৰাজ্যখনৰ পৰা এক বুজন অংকৰ ৰাজহ বাহিৰলৈ যায়। অৱশ্যে শিক্ষাৰ অন্তত ৰাজ্যৰ বাহিৰত চাকৰি কৰা সূত্ৰে কিছু ৰাজহ আন ৰাজ্যৰ পৰা অসমলৈ আহে। কিন্তু ৰাজ্যখনৰ বিশেষকৈ উচ্চ শিক্ষাৰ পৰিমণ্ডলত এই প্ৰব্ৰজনে মেধাৰ যি দৈন্যতা সৃষ্টি কৰে সি নিতান্তই চিন্তাৰ বিষয়। প্ৰতি বছৰে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ পৰা প্ৰায় পাঁচ হেজাৰ ছাত্ৰ-ছাত্ৰী অকল দিল্লীলৈ যায় অধ্যয়নৰ বাবে। বাঙ্গালোৰ, চেন্নাই, পুনেতো আছেই। উচ্চ শিক্ষাৰ সুস্বাস্থ্যৰ খাতিৰতে এই ব্যাপক বহিৰ্গমন বন্ধ হোৱা উচিত। ৰোগ নিৰ্মূল কৰিব খুজিলে প্ৰথমে জানিব লাগিব ৰোগৰ কাৰণ। সেয়ে এই শৈক্ষিক প্ৰব্ৰজন বন্ধ হ'ব লাগিলে প্ৰথমে তাৰ কাৰণ বিচাৰি উলিয়াব লাগিব। তাৰ পিছত লাগিব সেই কাৰণ নিৰ্মূল কৰাৰ সঁচা, বলিষ্ঠ পদক্ষেপ।

কিয় হয় এই প্ৰব্ৰজন? ছাত্ৰ-ছাত্ৰী সকলে যিবোৰ পাঠ্যক্ৰম পঢ়িবলৈ যায় সেইবোৰ অসমত নাই কাৰণে? সঁচা নহয় কথাটো। চাকৰিমুখী পাঠ্যক্ৰমৰ কিছু অভাৱ থাকিলেও প্ৰথাগত বিষয় ইংৰাজী, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান বা প্ৰাকৃতিক বিজ্ঞান, গণিত, ৰসায়ন, পদাৰ্থ বিজ্ঞান আদিৰ দৰে পাঠ্যক্ৰমৰতো অভাৱ নাই ইয়াত। অথচ সেইবোৰ বিষয় পঢ়িবলৈও বুজন সংখ্যক ল'ৰা ছোৱালী আন ৰাজ্যলৈ বিশেষকৈ দিল্লী, পুনেলৈ যায়। কিয় যায় তেনেহ'লে? শৈক্ষিক বাতাবৰণ অসমতকৈ উন্নত? কিছু পৰিমাণে সঁচা এই কথাটো। ৰাজনৈতিক, আৰ্থিক ধামখুমীয়াত ৰাজ্যখন এনেদৰে বিধ্বস্ত যে সুস্থ পৰিৱেশৰ ক্ষেত্ৰখন দ্ৰুতহাৰত টুটি আহিছে। ক'ত কোন ডেকা ল'ৰা অবাঞ্ছিত কথা-কাণ্ডত জড়িত হৈ পৰে, ক'ত কেতিয়া বোমা ফুটে, ৰেলগাড়ী বাগৰি পৰে একো ঠিক নোহোৱা হৈছে আমাৰ ৰাজ্যখনত। ৰাতিপুৱা ওলাই যোৱা মানুহজন সন্ধিয়া ঘূৰি আহিব বুলি ক'ব নোৱাৰি সেয়ে

**নীতিগতভাৱেই দেশৰ ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰে সকলো সঁপি দিছে ব্যক্তিগত খণ্ডৰ হাতত। অথচ ৰাজ্যৰ ভিতৰত বিৰাজ কৰা পৰিস্থিতিৰ বাবে কোনো ব্যক্তিগত খণ্ড আগবাঢ়ি অহা নাই। আহিবই নোখোজে। ফলত ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰী যিবোৰ ৰাজ্যলৈ শৈক্ষিক প্ৰব্ৰজন কৰে সেইবোৰ ৰাজ্যৰ তুলনাত আৰ্থিক ক্ষেত্ৰত বহু যোজনা পিছ পৰি ৰৈছো আমি।**

এক প্ৰকাৰ আতংকৰ পৰা হাত সাৰিবলৈকে একাংশ অভিভাৱকে ল'ৰা-ছোৱালীক বাহিৰলৈ পঠিয়াই। আমাৰ বিশ্ববিদ্যালয়বোৰৰ (বিশেষকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ) দুবছৰীয়া পাঠ্যক্ৰমণত তিনি বছৰ লগাটোও প্ৰব্ৰজনৰ এটা কাৰণ। কিন্তু ছাত্ৰ নেতা, সমাজ নেতা একাংশই ক'ব খোজে যে ৰাজ্যৰ শিক্ষানুষ্ঠানবোৰত নতুন তথা চাকৰিমুখী পাঠ্যক্ৰমৰ অৱতাৰণা কৰিলে শৈক্ষিক প্ৰব্ৰজন বন্ধ হ'ব। কটন কলেজক ডীমড্ বিশ্ববিদ্যালয় নাম দি ব্যক্তিগত খণ্ডলৈ নিব খোজা এটা মহলেতো ভাটো পখীটোৰ দৰে আওৰাইছিল যে কলেজখনক ডীমড্ বিশ্ববিদ্যালয় কৰি নতুন নতুন বিষয় খুলিলেই শৈক্ষিক প্ৰব্ৰজন ঠাণ্ডা হৈ যাব। ঘোঁৰাটোৰ আগত গাড়ীখন পাতি দিয়াৰ লেখীয়া চিন্তা তথা যুক্তি এইবোৰ। বাস্তৱ বিবৰ্জিত ধ্যান-ধাৰণা এইবোৰ। আন কথালৈ নগৈ সেইসকল নেতা পণ্ডিতক সুধিবৰ মন যায় যে মহাশয়! আপোনাসবৰ কথা যদি সঁচা হয় তেন্তে আমাৰ জালুকবাৰী, যোৰহাট, শিলচৰৰ পৰা ওলোৱা ইঞ্জিনিয়াৰিং স্নাতক সকলে চাকৰিৰ বাবে হাজাৰে হাজাৰে গৈ বাঙ্গালোৰ, পুনেত শাৰী পাতিব লাগে কিয়? বহিৰ্গমন নেতা পণ্ডিত সবৰ বৰ বৰ কথাত বন্ধ নহয়। বন্ধ হ'ব পেটৰ সমস্যা সমাধানত। য'তেই ভাত মুঠিৰ সম্ভাৱনা আছে, নিশ্চয়তা আছে তালৈ ছাত্ৰ-ছাত্ৰী ধাৱিত হ'বই। দেশ দেশান্তৰৰ মাজত হোৱা প্ৰব্ৰজনৰ মূল কাৰণো এইটোৱে। গতিকে দিল্লী, বাঙ্গালোৰ, পুনেলৈ যোৱাৰ আচল কাৰণটো কেৱল 'নতুন' পাঠ্যক্ৰম নহয়; বৰং পাঠ্যক্ৰমৰ অন্তত সেই ঠাইবোৰত থকা সংস্থানৰ সম্ভাৱনা আৰু নিশ্চিতিহে। আন হাতে অসমৰ তুলনাত সেই ঠাইবোৰৰ পৰা বহিৰ্বিশ্বৰ লগত থকা যোগাযোগৰ সুচল ব্যৱস্থাও শৈক্ষিক বহিৰ্গমনৰ অন্যতম কাৰণ। এই একেই কাৰণতে অসমৰ জকাই চুক, মাদুলীঝাৰ আদিৰ দৰে ঠাইৰ পৰা গুৱাহাটীলৈ হয় শৈক্ষিক প্ৰব্ৰজন। গতিকে একেবাৰে চুটি কথাত ক'ব লাগিলে শৈক্ষিক প্ৰব্ৰজনৰ মূল কাৰণটো হ'ল অসম উন্নয়ন। য'তেই উন্নয়ন (বিশেষকৈ ঔদ্যোগিক উন্নয়ন) বেছি হৈছে তাতেই চাকৰি, ব্যৱসায় আদিৰ সুবিধা সৃষ্টি হৈছে আৰু সেই সুবিধাই চুম্বকে টনাদি টানিছে নিবনুৱা সমস্যাৰ আতঙ্কত আতঙ্কিত ডেকা-ডেকেৰী, ছাত্ৰ-ছাত্ৰীক। আজি যদি অসমৰ যুৱক-যুৱতীসকলক স্নাতক বা স্নাতকোত্তৰ পাঠ্যক্ৰমৰ অন্তত একোটা চাকৰিৰ নিশ্চিতি দিয়া হয়, তেনেহ'লে উচ্চ শিক্ষাৰ প্ৰতি বিশেষ আকৰ্ষণ থকা মুষ্টিমেয় কেইজনমানৰ বাহিৰে আন ছাত্ৰ-ছাত্ৰীয়ে ৰাজ্যৰ সীমাকে পাৰ নহ'ব। শৈক্ষিক প্ৰব্ৰজন বন্ধ হৈ যাব। কিন্তু বাস্তৱত সেয়া সম্ভৱ নহয়। কিয়নো তেনে নিশ্চিতি দিয়াতো দূৰৈৰ কথা, দিয়াৰ কথা ভাবিবলৈকো ৰাজ্যত হ'ব লাগিব অভূতপূৰ্ব উন্নয়ন, বিশেষকৈ ঔদ্যোগিক ক্ষেত্ৰত। ইয়াৰ বাবে লাগিব যথেষ্ট বিনিয়োগ, চৰকাৰী-বেচৰকাৰী দুয়ো পক্ষৰ পৰা। নীতিগতভাৱেই দেশৰ ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰে সকলো সঁপি দিছে ব্যক্তিগত খণ্ডৰ হাতত। অথচ ৰাজ্যৰ ভিতৰত বিৰাজ কৰা পৰিস্থিতিৰ বাবে কোনো ব্যক্তিগত খণ্ড আগবাঢ়ি অহা নাই। আহিবই নোখোজে। ফলত ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰী যিবোৰ ৰাজ্যলৈ শৈক্ষিক প্ৰব্ৰজন কৰে সেইবোৰ ৰাজ্যৰ তুলনাত আৰ্থিক

ক্ষেত্ৰত বহু যোজনা পিছ পৰি ৰৈছো আমি। জনমূৰি আয় নিৰিখলৈ চালেই উক্ত ৰাজ্যবোৰৰ লগত আমাৰ উন্নয়ন অসমত কিমান বেছি সি ওলাই পৰে।

| ৰাজ্য | জনমূৰি আয় (টকাত) (১৯৯৩-৯৪ ৰ ধ্ৰুৱক মূল্যৰ আধাৰত) | |
|---|---|---|
| | ২০০২-০৩ | ২০০৩-০৪ |
| অসম | ৬২২১.০০ | ৬৫২০.০০ |
| বিহাৰ | ৩৯২৮.০০ | ৩৫৫৭.০০ |
| গুজৰাট | ১৪৫৩৯.০০ | ১৬৭৭৯.০০ |
| কৰ্ণাটক | ১২৫১৮.০০ | ১৩১৪১.০০ |
| মহাৰাষ্ট্ৰ | ১৫৫৮০.০০ | ১৬৪৭৯.০০ |
| দিল্লী | ২৭৫২৯.০০ | ২৯২৩১.০০ |
| পশ্চিম বঙ্গ | ১০৯৫১.০০ | ১১৬১২.০০ |
| সৰ্বভাৰতীয় | ১১০১৩.০০ | ১১৭৯৯.০০ |

ওপৰৰ তালিকাই দেখুৱাই দিয়ে আৰ্থিকভাবে কোন ক'ত আছে? যামৰ পৰা দৈলে পানী বৈ যোৱাৰ দৰে আৰ্থিকভাবে অনুন্নত ঠাইৰ পৰা উন্নত ঠাইলৈ জনস্ৰোত বৱই। সি অপ্ৰতিৰোধ্য।

সেই বাবেই অসম আৰু বিহাৰৰ জনমূৰি আয় জনাৰ পিছত উক্ত ৰাজ্যদুখনৰ ছাত্ৰ-ছাত্ৰী কিয় দিল্লী, বাঙ্গালোৰ, পুনে ভৰি পৰিছে গৈ তাক আৰু নতুনকৈ কৈ দিব নালাগে।

মন কৰিবলগা কথা যে প্ৰদৰ্শিত আৰ্থিক বৈষম্য ভৱিষ্যতত নকমে, বৰং বাঢ়িবহে। কিয়নো দিল্লী, মুম্বাই, কলকাতা, বাঙ্গালোৰ পুনে আদি ঠাইত বিভিন্ন কোম্পানী, ব্যৱসায়ী আদিয়ে বৃহৎ আকাৰত নতুন নতুন বিনিয়োগ কৰিব লাগিছে, যিবোৰে সৃষ্টি কৰিব বুজন সংখ্যক চাকৰি আৰু ব্যৱসায়ৰ সুবিধা। যি বাঙ্গালোৰে ভাৰতবৰ্ষৰ তথ্য-প্ৰযুক্তিৰ ৪০% যোগান ধৰে তাত পুনৰ ডি.এল.এফ লিমিটেডে ৬০,০০০ কোটি টকা (১২৫ মিলিয়ন ডলাৰ) বিনিয়োগ কৰি সাজিবলৈ ওলাইছে 'নিউ বাঙ্গালোৰ চিটি' যাৰ ফলত সৃষ্টি হ'ব হাজাৰ হাজাৰ চাকৰিৰ সুবিধা, প্ৰস্তুত হ'ব বহু সৰু বৰ ব্যৱসায় ক্ষেত্ৰ। এক সমীক্ষাত প্ৰকাশ যে যোৱা এঘাৰ মাহত পশ্চিমবঙ্গৰ শিল্পত বিনিয়োগ হৈছে ১ লাখ কোটিৰো অধিক টকা। প্ৰস্তাৱ আহিছে ২ লক্ষ ১৫ হাজাৰ কোটি বিনিয়োগৰ। ফলত তাত কিমান নিয়োগ সুবিধাৰ সৃষ্টি হ'ব সহজে অনুমেয়। ইয়াৰোপৰি ডি, এল, এফ. এ কলকাতাত ৭০০ কোটি টকাৰ বিনিয়োগত সাজিবলৈ ওলাইছে দ্বিতীয়তো 'আই, টি পাৰ্ক' যাৰ ফলত সৃষ্টি হ'ব ৪০,০০০ কৰ্মসংস্থান। এই একে গোষ্ঠীয়ে নাগপুৰত আৰম্ভ কৰিবলৈ লৈছে প্ৰথমটো 'আই, টি, ছিজ'। ই সম্পূৰ্ণ হ'লে ৫০,০০০ কৰ্মসংস্থানৰ সৃষ্টি হ'ব বুলি গোষ্ঠীৰ সূত্ৰত প্ৰকাশ। উল্লেখ্য যে ইতিমধ্যে সমগ্ৰ ভাৰতবৰ্ষত ১ লক্ষ্য কোটিৰ বিনিয়োগত ১৭২ টা 'ছেজ' নিৰ্মাণৰ চূড়ান্ত সিদ্ধান্ত হৈ গৈছে (অন্ধ্ৰত ৪৮ টা, মহাৰাষ্ট্ৰত ২৪ টা) আৰু সিবোৰ সম্পূৰ্ণ হলে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ২১ লাখ কৰ্ম সংস্থানৰ সুযোগ সৃষ্টি হ'ব। কিন্তু পৰিতাপৰ কথা যে আমাৰ অসমত এটাও নহ'ব তেনে 'ছেজ'। ক্ষুদ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত নাগালেণ্ডত কেৱল ২ টা 'ছেজ'ৰ প্ৰস্তাৱ বিবেচনাধীন হৈ আছে। বিবেচনাধীনবোৰ হিচাপৰ আওতাত আনিলে দেশৰ ভিতৰত হ'ব লগা 'ছেজ'ৰ সংখ্যা ৭৪১ টা। অদূৰ ভৱিষ্যতে জীৱন জীৱিকাৰ সমস্যাৰ সমাধান ক'ত বেছিকৈ হ'ব আৰু ছাত্ৰ-ছাত্ৰী ক'লৈ ধাৱিত হ'ব তাক কৈ দিয়াৰ প্ৰয়োজন আছে নে? আনকি যিসকল আৰ্থিকভাবে দুৰ্বল ছাত্ৰ-ছাত্ৰীয়ে বাহিৰলৈ যাব নোৱাৰি ৰাজ্যৰ ভিতৰতে পঢ়া-শুনা কৰিব, তেওঁলোকেও সংস্থানৰ বাবে বাহিৰৰ সেইবোৰ ঠাইলৈ দৌৰিবলৈ বাধ্য হ'ব। একমাত্ৰ এই সংস্থানৰ খাতিৰতে বহু অভিভাৱকে আজি দিল্লী, বাঙ্গালোৰ, পুনে, চেন্নাইৰ ব্যক্তিগত শিক্ষাপ্ৰতিষ্ঠানত (বিশেষকৈ কাৰিকৰী) লাখে লাখে টকা ভৰি ল'ৰা ছোৱালীক (ৰাজহুৱা প্ৰবেশ পৰীক্ষাত অনুত্তীৰ্ণ হোৱাৰ পিছতো) ভৰ্তি কৰিছেগৈ।

গতিকে শৈক্ষিক প্ৰব্ৰজনৰ মূল কাৰণটো অধ্যয়নৰ বাবে নতুন বিষয় নোহোৱাটো নহয়; পাঠ্যক্ৰমৰ অন্তত কৰ্মসংস্থানৰ নিশ্চয়তা নোহোৱাটোহে। সেয়ে ৰাজ্যৰ পৰা হোৱা এই প্ৰব্ৰজন বন্ধ হ'ব লাগিলে প্ৰথমে লাগিব অসমৰ চকুত লগা উন্নয়ন, বিশেষকৈ ঔদ্যোগিক ক্ষেত্ৰত। তাৰপিছতহে নতুন পাঠ্যক্ৰমৰ অৱতাৰণা যাতে ছাত্ৰ-ছাত্ৰীয়ে নতুন পাঠ্যক্ৰমৰ অন্তত ভাত দুমুঠি যোগাৰ কৰিব পৰা চাকৰি এটা পোৱাৰ আশা পুহিব পাৰে মনত। ইয়াৰ অন্যথাই পাঠ্যক্ৰমৰ অন্তত খালী পেটে বাকদৰ গোন্ধ শুঙিবলৈ, বিভিন্ন সংঘাত-সংঘৰ্ষৰ জুইত ভজা যাবলৈ ছাত্ৰ-ছাত্ৰীৰ সিংহভাগেই অসমত থাকি নতুন বিষয় নপঢ়ে। বাহিৰলৈ যাবই। শৈক্ষিক প্ৰব্ৰজন চলি থাকিব, বৰং অধিক হাৰত।❖

**সম্পাদকীয়**

সুজলা সুফলা আমাৰ এই অসম দেশ আজি এনে এটা অৱস্থাৰ সন্মুখীন হৈছেহি যাৰ ফলত এইটো ধ্ৰুৱপ যে আৰু কিছুদিনৰ পিছত থলুৱা অসমীয়াসকল ঘৰতে আলহীৰ দৰে হ'ব। ভালকৈ পৰ্যালোচনা কৰিলে আমি দেখিম যে আজি অসমত থলুৱা নিবাসীসকলৰ কাৰণে কোনো চাকৰি নাই, অন্নসংস্থানৰ সু-ব্যৱস্থা নাই, চাৰিওপিনে বস্তু-বাহানিৰ জুই-চাই দাম, তদুপৰি কৃষিজীৱি অসমীয়াই জীৱন ধাৰণৰ নিম্নতম মানদণ্ডকণো বজাই ৰাখিব পৰা নাই। ইয়াৰ গুৰিতে নিহিত আছে (১) শোষণ (২) গাদী নিকপকপীয়া কৰিবৰ কাৰণে শাসকসকলৰ ভাণ্ডোন-মুখী মনোভাৱ (৩) সাম্প্ৰদায়িকতাবাদী নেতৃত্বৰ দ্বাৰা বহিৰাগতৰ আমদানি (৪) অসমৰ ব্যৱসায় বাণিজ্যৰ প্ৰায় চাৰিভাগৰ তিনিভাগ পুঁজি বহিৰাগতৰ দ্বাৰা নিয়ন্ত্ৰণ আৰু (৫) কেন্দ্ৰীয় শাসনৰ আওকণীয়া মনোভাৱ তথা অসমীয়া মানুহৰ চাৰিত্ৰিক দোষ।

— মনোজ কুমাৰ দাস ঃ ১৯৭৬-৭৭/৫২ তম সংখ্যা



# স্বপ্নৰ ফেৰীৱালা গায়কজন আৰু অসমীয়া সমাজমুখী গানৰ ভৱিষ্যৎ সম্ভাৱনা

**বিদ্যুৎ সাগৰ বৰুৱা**

*স্নাতক দ্বিতীয় বৰ্ষ, ইংৰাজী বিভাগ*

(১)

কেইটামান প্ৰশ্নেৰে আৰম্ভ কৰো ঃ গানৰ মাজেৰে কি কি ভাব প্ৰকাশ কৰিব পাৰি? গান শুনাৰ প্ৰয়োজন কি? গান গোৱাৰেই বা উদ্দেশ্য কি?

সাম্প্ৰতিক অসমীয়া গীতৰ জগতলৈ দৃষ্টি ফুৰালে এই প্ৰশ্নবোৰৰ উত্তৰ নিতান্তই সহজপ্ৰাপ্য। আজিৰ অসমীয়া গীতবোৰৰ প্ৰায়সংখ্যকৰে বিষয়-বস্তু কি বেলেগকৈ ক'বৰ নিশ্চয় দৰকাৰ নাই। এতিয়া গান শুনি আছো মূলতঃ মনোৰঞ্জনৰ বাবে, সাময়িক প্ৰশান্তি লাভৰ বাবে। আৰু গান গোৱাৰ উদ্দেশ্য? যেন ব্যৱসায়িক লাভালাভেই শেষ কথা।

কিন্তু এইবোৰেই কি চিৰন্তন কথা? এৰা আমাৰ বৰ্তমানটোক যদি বন্ধ পুখুৰী বুলি কল্পনা কৰো বা বন্ধ পুখুৰীত পৰিণত কৰিব খুজিছো, তেন্তে এইবোৰেই শেষ কথা হ'ব। কিন্তু বাস্তৱিকতে বৰ্তমান বন্ধ পুখুৰী হ'ব নোৱাৰে, ই চিৰ-প্ৰৱাহমান সময়-নদীৰ দৃষ্টিয়ে ঢুকি পোৱা অংশহে। দৃষ্টিৰ পৰিধি বহলাব পাৰিলে আমি দেখিম অতীতক আৰু অতীত আৰু বৰ্তমানৰ সমন্বয়ত অনুধাৱন কৰিব পাৰিম ভৱিষ্যতক। অসমীয়া গীতৰ অতীত তথা ঐতিহ্যই বাৰে বাৰে আঙুলিয়াই দিয়ে গান প্ৰতিবাদৰ অস্ত্ৰ হ'ব পাৰে, গান = Gun সমীকৰণটি সম্ভৱ হ'ব পাৰে আৰু গান সমাজ বিশ্লেষণৰ অস্ত্ৰ হ'ব পাৰে। জ্যোতিপ্ৰসাদৰ 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা'ই অসমীয়া মুক্তিকামী ৰাইজৰ স্বাধীনতা স্পৃহাত উদগনি দিছিল, বিষ্ণু ৰাভাৰ 'ব'ল ব'ল কৃষক শক্তি দল'ৰ দৰে গীতে সাম্যবাদী মতাদৰ্শৰ প্ৰসাৰ সাধন কৰিছিল আৰু ড° ভূপেন হাজৰিকাৰ গীতবোৰৰ মাজেৰে যেন সমাজ সচেতন গীতৰ ধাৰাটোৱে শিখৰত

আৰোহণ কৰিছিল। খগেন মহন্ত, সূৰ্য দাস, লোকনাথ গোস্বামী আদিও এই ধাৰাৰে বাহক। সন্দেহ নাই যে তেওঁলোকে মানবীয় অনুভূতিৰ বৈচিত্ৰ্যময় জগতখনতো বিচৰণ কৰিছে। এইখিনিতে আকৌ ক'ব পাৰি জয়ন্ত হাজৰিকা, বীৰেন্দ্ৰনাথ দত্ত, জ্যোতিষ ভট্টাচাৰ্য আৰু আনেকজনৰ কথা যাৰ গীতত আমি সমাজ বিশ্লেষণৰ প্ৰাধান্য দেখা নাপাওঁ, কিন্তু গভীৰভাৱে ব্যক্তিগত অনুভূতিবোৰে প্ৰাণ পাই উঠে। নিঃ সন্দেহে এওঁলোকেও অসমীয়া গীতক সমৃদ্ধ কৰিছে। এই সমৃদ্ধ অতীতৰ সন্মুখত কিন্তু বৰ্তমানটো তেনেই তথাং যেন লাগে। সন্দেহ নাই প্ৰতিভা আছে, কিন্তু কোনোবাখিনিত ছন্দ পতন ঘটিছে। সমাজ দায়বদ্ধ গীতৰ ধাৰাটো ক্ষীণ সুঁতিত পৰিণত হোৱাৰ উপক্ৰম হৈছে। জনপ্ৰিয় গায়কজনে হাকে-বিহকে অজস্ৰ গীতত কণ্ঠদান কৰি দুবছৰ-তেৰবছৰৰ মূৰে মূৰে 'একক পৰিকল্পনা'ৰে এলবাম তৈয়াৰ কৰি তাৰে দুই-এটা গানত সমাজ সচেতনতা দেখুৱাবলৈ যোৱাটো ব্যৱসায়িক হিচাপ-নিকাচৰ অংশ যেনহে ধাৰণা হয়। আৰু ব্যক্তিগত অনুভূতিৰ ব্যাপ্তিতো ব্যৱসায়িক হিচাপ নিকাচে আউল লগাইছে। কিন্তু...

'অন্ধকাৰ সৰণী ধৰে শেষ হ'বে এই পথ চলা
আসবে যেন' সেই সকাল
জীবনেরই গল্প বলার'

(শেষ হ'ব অন্ধকাৰ পথেৰে বাট বুলা/আহিব এদিন সেই প্ৰভাত/যেতিয়া আমি জীৱনৰ কথা পাতিম)

অথবা

সংঘাত প্ৰতিঘাত দেয়ালে দেয়ালে আকাঁ
তবু চুরি যায় প্ৰতিবাদের ভাষা

--- অসমৰ সাম্প্ৰতিক পৰিস্থিতিতে এনে কেতবোৰ কথা অসমীয়া গায়কৰ কণ্ঠত শুনিবলৈ পাবলৈ আশা কৰাটো ভুল হ'ব নেকি?

(২)

হয়, উপৰোক্ত দুয়োটা গানৰ গায়ক নচিকেতা চক্ৰৱৰ্তী। অৱশ্যে নচিকেতাৰ বিষয়ে কোৱাৰ পূৰ্বে সুমনৰ সৈতে চিনাকি হোৱা প্ৰয়োজন। কাৰণ 'জীৱনমুখী বাংলা গান' — যি ধাৰাৰ বিশিষ্ট গায়ক নচিকেতা — সেই ধাৰাৰ অগ্ৰদূত সুমন চট্টোপাধ্যায় (পৰৱৰ্তী সময়ত কবীৰ সুমন)

'আজকাল' কাকতে লিখিছিল 'আধুনিক বাংলা গানৰ জগতত সুমনে আগন্তুক দিনৰ গান গাবলৈ আৰম্ভ কৰিছে আজি।' 'দেশ' পত্ৰিকাত প্ৰকাশ পাইছিল 'সুমনৰ গান অনেক দিনৰ বিৰতিত এজাক সতেজ বতাহ। প্ৰাণভৰি যায়।' সুমনৰ গানৰ প্ৰভাৱ আধুনিক বাংলা গীতৰ জগতত বা বৌদ্ধিক জগততো কিদৰে পৰিছিল তাৰ উমান পোৱা যায় এই প্ৰশংসাসূচক বাক্যবোৰত। সুমনে গানৰ ভাষাৰে বাংলাৰ মধ্যবিত্তক শুনাব খুজিছিল বিক্সা চলোৱা কোনো কিশোৰৰ কাহিনী, বাটৰ পাগল এটাৰ কথা, সঞ্জীৱ পুৰোহিতৰ অকাল মৃত্যুৰ কথা; গাইছিল— 'হাল ছাড়ো না বন্ধু'— আশা এতিয়াও আছে পৃথিৱী সলনি কৰাৰ।

কিন্তু সুমনৰ গান কোনো আকস্মিক পৰিঘটনা নাছিল। ১৯৫০ চনত জন্মগ্ৰহণ কৰা সুমনে ১৬ বছৰ বয়সতে বেতাঁৰত আত্মপ্ৰকাশ কৰিছিল, ৭০ ৰ দশকত ৰবীন্দ্ৰ সংগীতৰ ৰেকৰ্ডত কণ্ঠদান কৰিছিল। কিন্তু সেই সময়ৰ উত্তাল বংগত অনুভৱী সুমন ক্ৰমশঃ অস্থিৰ হৈছিল সমসাময়িকতাক গানেৰে আৱৰিবলৈ। তাৰেই পৰিণতি প্ৰায় দুটা দশকৰ বিৰতিত ১৯৯২ চনত 'তোমাকে চাই'। জন্ম হয় বাংলা গানত এক নতুন সময়ৰ।

সুমনৰ দ্বাৰা প্ৰদৰ্শিত বাটেৰেই ওলাই আহিল শিলাজিৎ, অঞ্জন দত্ত, মৌচুমী ভৌমিক, লোপামুদ্ৰা আদি। নচিকেতাও তেওঁলোকৰে এজন। ১৯৯৩ চনত প্ৰকাশ পায় নচিকেতাৰ প্ৰথম এলবাম 'এই বেশ ভাল আছি।'

(৩)

কেছেটৰ বেটুপাতত এজন যুৱক। মুখভৰ্তি দাড়ি, মুখত এটা ব্যংগাত্মক হাঁহি। কিছুমান শব্দ সিঁচৰিত হৈ আছে ঃ জীৱন, কাৰফিউ, সময়, চোৰ, বিষ, বুড়ো ভাম, সাৰে জাহাঁ সে আচ্ছা, গান শুনবো না। বেটুপাতৰ সোঁকালে তললৈ এটা পাচি, পাচিটোৰ ওপৰত এটা কাউৰী। পাচিটো পিছে ভঙা আৰু তাৰপৰা ওলাই আহিছে এদম কাগজ। এই প্ৰাত্যহিকতাত আমি ভাৰাক্ৰান্ত, তথাপি কৈ থাকো 'এই বেশ ভাল আছি'।

বেটুপাতৰ যুৱকজন গায়ক নচিকেতা। আমাৰ প্ৰাত্যহিকতা আৰু সমাজৰ বিশ্লেষণেৰে মুখৰ গানবোৰ। ক'ৰবাত বেকাৰ যুৱকৰ দৃষ্টিৰে চোৱা হৈছে সমাজখন ঃ

যেদিকেই তাকাইনা দেখি জন অরণ্য
সেই অরণ্যেই দেখি মানুষেরা পণ্য...

ক'ৰবাত নানা সমস্যাৰে ভাৰাক্ৰান্ত আৰু ভূতৰ ওপৰতে দানৰ পৰাদি সাম্প্ৰদায়িকতাৰ বাঘটোৱে আমাৰ ৰক্ত পিবলৈ খেদি অহা শংকাগধুৰ সময়ৰ ছবি



অঁকা হৈছে (এই বেশ ভাল আছি)। ব্যংগাত্মকভাৱে উচ্চাৰণ কৰা হৈছে চমৎকাৰ আপ্তবাক্য ঃ 'মন দিয়ে লেখা-পড়া করে যেইজন, বড় হয়ে গাড়ী-ঘোড়া চড়বে সেজন।' 'কলকাতা', 'তুমি কি আমার ভালবাসো', 'কেউ বলে বুড়ো ভাম', 'শুনবো না গান, গান শুনবো না' আদিতো সমসাময়িক সমাজখনক নাঙঠ কৰি দিয়া হৈছে— মহানাগৰিক জীৱনৰ সমস্যা, প্ৰেম আৰু ধনীক সভ্যতাৰ দ্বন্দ্ব, বাৰ্ধক্যত অৱহেলা, গানৰ এক ঘেয়ামি আদি বিচিত্ৰ বিষয়বস্তু গানৰ মাজলৈ অনা হৈছে। 'শুধু বিষ দাও' গানটোত আমাৰ সভ্যতাৰ ভেঁটিত তীৰ্যক ভাষাৰে আঘাত হনা হৈছে ঃ

ধ্বংসের ব্যৱসায়ে মগ্ন যা সভ্যতা/তাৰ অমৃত চায় না/বিভেদ মন্ত্রে দীক্ষিত যে সভ্যতা/তার অমৃত চায় না/সবুজ পৃথিৱীটোকে যন্ত্রেৰে কালো হাতে শ্বাসৰোধ করে যে প্রগতি/পরিসংখ্যানে মাপে জীবনের ক্ষয়ক্ষতি/এমন প্রগতি চায় না।

জীৱনৰ প্ৰাত্যহিকতাৰ মাজতে যে মাথোঁ এই গায়ক আৱদ্ধ নহয়, তাৰ উমান পোৱা যায় কেছেটটোৰ দুটা গানত — 'নীলাঞ্জনা' আৰু 'যখন সময় থমকে দাড়ায়'। প্ৰত্যেক ব্যক্তি মানসৰ বাবে স্বপ্নৰ প্ৰয়োজন অনুভৱ কৰিব পাৰি দ্বিতীয়টো গানত ঃ 'যখন আমার ক্লান্ত চরণ/অবিরত বুকে রক্তক্ষরণ/খুজে নিয়ে মন নির্জন কোণ/কি আর করে তখন?/স্বপ্ন দেখে মন।' আৰু 'নীলাঞ্জনা'.. প্ৰাত্যহিকতাৰ মাজেৰেই গৈ তাৰ উৰ্দ্ধলৈ কৈশোৰৰ প্ৰথম প্ৰেমৰ মহৎ অনুভূতিক লৈ যোৱাৰ এক অপূৰ্ব দক্ষতা দেখুৱাইছে নচিকেতাই।

(৪)

সেই প্ৰথম এলবামটোৰ পিছতো আৰু অনেক গীত লিখিছে আৰু গাইছে নচিকেতাই। সেইবোৰত লিপিৱদ্ধ হৈছে সমাজ আৰু সময়, সাধাৰণ মানুহৰ সুখ-দুখ, ৰূপান্তৰৰ স্বপ্ন আৰু সংঘৰ্ষমুখৰ সমাজৰ সংস্পৰ্শলৈ আহি এজন সংবেদনশীল মানুহৰ মনত উদ্ভূত হোৱা অনুভৱবোৰ। নিঃসন্দেহে এনে কিছুমান গীতো তেওঁ গাইছে য'ত সমাজৰ সৈতে ব্যক্তিসত্তাৰ সম্পৰ্কৰ দিশটো উন্মোচিত কৰাৰ পৰিৱৰ্তে ব্যক্তিগত অনুভূতিৰ অন্যান্য দিশলৈ দৃষ্টিপাত কৰা হৈছে। 'একা একা পথ চলা'ত শৈশৱৰ স্মৃতিচাৰণ আৰু মাতৃ-পুত্ৰৰ সম্পৰ্কত আলোকপাত, 'ৰাজশ্ৰী-৪ৰ্থ পৰ্ব'ত, ৰাজশ্ৰীলৈ আকুল আহ্বান, 'শ্ৰাৱণ ঘনায়'ত প্ৰকৃতিৰ চিত্ৰৰূপৰ মাজেৰেই মানসিক অৱস্থাৰ বৰ্ণনা ইত্যাদি তাৰেই উদাহৰণ। নিজকে স্বপ্নৰ ফেৰীৱালাৰূপে প্ৰতিস্থাপিত কৰি তেওঁ গাইছে ঃ

আমি এক ফেরীৱালা ভাই
স্বপ্ন ফেরী করে বেরাই...

আৰু তেওঁৰ ঠিকনা ঃ কেয়াৰ অৱ ফুটপাথ নচিকেতা।

(৫)

হয়তো ক্লান্তি আহিছে! সেইবাবেই ২০০১ চনত নচিকেতাই গালে— 'অনেক চলার শেষে দেখলাম শুরু থেকে সেখানেই দাড়িয়ে আছি।' 'এখন তখন' এলবামটোৰ এখন অংশৰ গীতকেইটাও যেন তাৰেই চানেকি। ২০০৬ চনত এটি সাক্ষাৎকাৰত সাক্ষাৎ লওঁতাই নচিকেতাক সুধিছিল ঃ 'তুমি কে?' গোৱাৰ প্ৰায় এক দশকৰ মূৰকত আপুনি গালে 'তুমি আসবে বলে'। 'তুমি আহিবা বুলিয়ে চাৰিআলিৰ পুলিচটোৰে ঘোচ নাখায়— সেই বিশ্বাস কি আজিও অটুট আছে?' নচিকেতাৰ উত্তৰৰ সাৰমৰ্ম আছিল এনেধৰণৰ ঃ 'বিশ্বাস আৰু অভ্যাসৰ বাদে জীৱনত এতিয়াতো একোৱেই নাই। এই যে মই আজিও কৈ আছো — মই বামপন্থাত বিশ্বাস— মইতো জানো সেয়া মাত্ৰ অভ্যাস!' অৱশ্যে বিশ্বাস-অবিশ্বাসৰ দোমোজা আৰু সমাজৰ পৰিৱৰ্তনৰ হেতু হাতে-কামে একো কৰিব নোৱাৰাৰ দুখ নচিকেতাৰ গীতৰ মাজত প্ৰথমৰে পৰা লক্ষ্য কৰিব পাৰি। ১৯৯৪ চনত গোৱা 'অনিৰ্বাণেই তাৰ অন্যতম উদাহৰণ ঃ দেখে যা অনির্বাণ কি সুখে রয়েছে প্রাণ... কি সুখে বেঁচেছি আমি গান...! তথাপি এতিয়াও আমি আশা বুকুত সাঁচি থ'ব পাৰো ঃ

একদিন ঝড় থেমে যাবে
পৃথিবী আবার শান্ত হ'বে...

(৬)

শেষত পুনৰ অসমীয়া গীতৰ প্ৰসংগলৈ উভতি যাওঁ। অসমীয়া গীতৰ ক্ষেত্ৰত বাংলা ভাষাৰ গায়ক নচিকেতাৰ প্ৰাসংগিকতা ক'ত? বিশেষকৈ যেতিয়া অসমীয়া গীতৰ ঐতিহ্যৰ মাজতেই ড° ভূপেন হাজৰিকাৰ দৰে উজ্জ্বল নক্ষত্ৰ বৰ্তমান। কিন্তু পৰিৱৰ্তিত সামাজিক প্ৰেক্ষাপটত নচিকেতাৰ গীতৰ কেতবোৰ অনন্য বৈশিষ্ট্যই তেওঁৰ প্ৰাসংগিকতাৰ দাবী কৰে। প্ৰথমতেই ক'ব পাৰি, তেওঁৰ গানত উপস্থিত থকা নগৰ জীৱনৰ সংঘাত আৰু সমস্যাৰ কথা। তদুপৰি নগৰীয়া মধ্যবিত্তৰ জীৱনত আহি পৰা একপ্ৰকাৰৰ শূন্যতাবোধেৰে নচিকেতাৰ গীতবোৰো সিক্ত। 'চল যাব তোকে নিয়ে', 'তুমি কখনো শুনেছ কি?', 'সবুজের ফিকে রং' ইত্যাদি গীতবোৰত এই ভাৱ অতি প্ৰকট। দ্বিতীয়তে, বিজ্ঞানৰ অপপ্ৰয়োগৰ দিশটো— পুঁজিবাদী ব্যৱস্থাৰ সৈতে কেইবা শতিকা সহাৱস্থানৰ ফলত বিজ্ঞানৰ দৰ্শনতো প্ৰকৃতিৰ ওপৰত আধিপত্যৰ মানসিকতা পৰিলক্ষিত হয়। ড° ভূপেন হাজৰিকাৰ গীতত উল্লেখ থকা 'তোৰ সেই শক্তিকে কাঢ়ি কাঢ়ি আনি তোকেই আমাৰ ভৃত্য কৰিম' — এনেধৰণৰ কথাই তাৰ উমান দিয়ে। কিন্তু নচিকেতাৰ 'শুধু বিষ দাও'ৰ দৰে গীতত বিজ্ঞানৰ এই মানসিকতাতেই আঘাত কৰা হৈছে। সৰ্বোপৰি নচিকেতাৰ গীতত ব্যক্তিসত্তাৰ শক্তিশালী উপস্থিতি। ভূপেন হাজৰিকাৰ গায়ক জীৱনৰ আৰম্ভণিতে পৃথিৱীখনত ৰূপান্তৰ স্বপ্ন আছিল দুৰ্বাৰ ৰূপত, তেতিয়া সন্মিলিত প্ৰচেষ্টাৰ গুৰুত্ব আছিল যথেষ্ট। কিন্তু আজি সেই স্বপ্ন স্তিমিত, ফলত নচিকেতাৰ গানত সন্মিলিত স্বৰতকৈ অধিক প্ৰকট নচিকেতা ব্যক্তিজনৰ উপস্থিতি। অসমীয়া গীতৰ সমাজ সচেতন ধাৰাটো পুনৰ নতুনকৈ সঞ্জীৱিত হ'লে এইবোৰ বৈশিষ্ট্যৰে ভাস্বৰ হোৱাৰ সম্ভাৱনা থকা হেতুকে নচিকেতা আমাৰ বাবে প্ৰাসংগিক।

শেষত দুটা কথা ঃ (১) নচিকেতাই শেহতীয়াভাৱে অসমীয়া গীতত কণ্ঠদান কৰিছে। কিন্তু সেয়া অধিক গুৰুত্বপূৰ্ণ নহয়। বৰং আমাক প্ৰয়োজন নচিকেতাই বাংলা ভাষাত গোৱাৰ দৰে কেইটামান গান। (২) অসমীয়া গানৰ পৰিৱৰ্তনৰ বাটত কিন্তু অসমীয়া গীতৰ ঐতিহ্যটিক অৱহেলা কৰিব নোৱাৰি। এই ঐতিহ্য সামগ্ৰিক, কেৱল সমাজ সচেতন ধাৰাটোৰ কথা কোৱা হোৱা নাই।❖

> আবহমান কালৰে পৰা অসমত প্ৰায় ১২৮টা জনগোষ্ঠীয়ে বাস কৰা বুলি গৱেষকসকলে ঠিৰাং কৰিছে। জাতি এটা যেতিয়ালৈ জীয়াই থাকিব ইয়াৰ গঠন প্ৰক্ৰিয়াও চলি থাকিব। কিন্তু বৰ্তমান অসমৰ জাতি গঠন প্ৰক্ৰিয়াত বিচ্ছিন্নতাবাদ দেখা দিছে। আমাৰ জাতীয়তাবাদী নেতাসকলৰ উপৰুৱা মনোভাৱৰ বাবে জাতীয়তাবাদী আন্দোলন বিশ্বাসৰ সংকটত পৰিছে। যথাসময়তে জনগোষ্ঠী সম্প্ৰদায়সমূহৰ বুৰঞ্জী পুনৰুদ্ধাৰ বা শিপা সন্ধানী উপৰুৱা প্ৰৱণতাও ইয়াত হাত উজাইছে।

# জনজাতীয় সমস্যা- *এক বিহংগম দৃষ্টি*

**উৎপল ঠাকুৰীয়া**

*স্নাতক তৃতীয় বৰ্ষ, বুৰঞ্জী বিভাগ*

আমাৰ পাহাৰে-ভৈয়ামে, গাঁৱে-ভূঞে চহৰে-নগৰে চিন অচিনভাৱে পূব-পুৰুষৰ লিখিত অলিখিত নানা বিধ কাৰুকাৰ্য কলা -সংস্কৃতিৰ নিদৰ্শন লৈ জীয়াই থকা লোককে সাধাৰণ অৰ্থত আমি জনজাতি বোলো। জনজাতীয় লোক পৃথিৱীৰ সকলো ঠাইতে বিদ্যমান। অৱশ্যে পৃথিৱীৰ বিভিন্ন ঠাইত এওঁলোকক বিভিন্ন নামেৰে জনা যায়। উদাহৰণস্বৰূপে- USA ত Red Indians, অষ্ট্ৰেলিয়াত Aborigines, ইউৰোপীয় দেশত Gypsys আৰু এছিয়া, আফ্ৰিকা মহাদেশত Tribals নামে জনা যায়। উল্লেখযোগ্য যে আফ্ৰিকা মহাদেশৰ পিছত ভাৰতবৰ্ষতে অধিকাংশ জনজাতীয় লোক বাস কৰে। প্ৰকৃততে আমি সকলোৱে জনজাতীয় বা এক নিৰ্দিষ্ট জনগোষ্ঠীৰ অন্তৰ্গত। কিন্তু বিভাজন আহিছে বিজ্ঞান-প্ৰযুক্তিবিদ্যাই দিয়া শিক্ষা, সা-সুবিধাৰ ফলত। নিগ্ৰোটো, মংগলীয়ড, মেডিটেৰানীয়ান, ৰেষ্টাৰ্ণ ব্ৰেকী চেফাল আৰু নাৰ্ডিকসকলেই হ'ল ভাৰতৰ জনজাতীয় লোকৰ উপৰিপুৰুষ। ভাৰতীয় সংবিধানৰ ৩৪২ নং অনুচ্ছেদ আৰু ষষ্ঠ অনুসূচীত জনজাতীয় লোকৰ সংজ্ঞা আৰু সা-সুবিধাৰ কথা উল্লেখ আছে। প্ৰথম অৱস্থাত ভাৰতীয় সংবিধান প্ৰণয়ণ কৰোতে প্ৰথম দহবছৰৰ বাবেহে সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছিল যদিও ই এতিয়াও বাহাল আছে আৰু ইয়াৰ বৰ্তমান সমীকৰণটো এনেধৰণৰ—

(S.T)15%+(S.C.)7.5%+(O.B.C.)27%=49.5%। সংৰক্ষণ ব্যৱস্থা হৈছে ভাৰতীয় সংবিধানে অনুন্নত লোকসকলৰ বাবে দিয়া এক ৰক্ষা কবচ। স্বাধীনতা লাভৰ পিছত জনগোষ্ঠীয় লোকসকলৰ আৰ্থ-সামাজিক অৱস্থাৰ পৰিৱৰ্তন হ'ল যেয়েহে ভাৰতৰ অনুন্নত লোকসকলৰ দৰিদ্ৰতা আৰু শিক্ষা সমস্যাটোৰ সমাধান বিচাৰোতে কেৱল গোষ্ঠীগত আৰু সমষ্টিগত দিশটো নলৈ প্ৰকৃত দৰিদ্ৰ লোকৰ ব্যক্তিগত দিশটোত মনোনিবেশ কৰিলে সংৰক্ষণ ব্যৱস্থা বেছি ফলপ্ৰসু হ'ব নিশ্চয়।

মানৱ জাতিৰ ইতিহাস প্ৰব্ৰজনৰ ইতিহাস। বিশেষতঃ যেতিয়ালৈ জাতি বা দেশৰ ধাৰণাই পোখা মেলা নাছিল ই আছিল অন্তহীন ফল্গুধাৰা। নৃতত্ত্বৰ দিশৰ পৰা ইয়াৰ তিনিটা শাখাত আলোচনা কৰা হয়। এই কেইটা আৱয়বিক নৃতত্ব (Physical Anthropology), সাংস্কৃতিক নৃতত্ব (Cultural Anthropology) আৰু সামাজিক নৃতত্ব (Social Anthropology)। আৱয়বিক নৃতত্ত্বৰ এক সংজ্ঞা পালেও সাংস্কৃতিক আৰু সামাজিক নৃতত্বক সংজ্ঞাৰ মাজত আবদ্ধ কৰা কঠিন কাম। সাংবিধানিক Schedule Tribe আৰু Schedule Cast ৰ লগত সাঙুৰি ইয়াক ব্যাখ্যা কৰাতো অধিক কঠিন হৈ পৰে। Tribe ৰ বিষয়ে সংজ্ঞা দিবলৈ যাওঁতে আমি সাধাৰণতে ৰাজনৈতিক তথা সাংবিধানিক ব্যাখ্যাৰ জনজাতিৰ সংজ্ঞা আৰু অৰ্থকে ব্যৱহাৰ কৰো যি সাংস্কৃতিক আৰু সামাজিক নৃতত্ত্বৰ দিশৰ পৰা গ্ৰাহ্য নহয়। এনে সমস্যাৰ বাবে অসমীয়া বিদ্বত মহলে Tribe ৰ প্ৰতিশব্দ স্বৰূপে জনগোষ্ঠী শব্দটোক ব্যৱহাৰৰ সমৰ্থন কৰে।

এক স্পষ্ট আৰু ভাৰসাম্য বিশ্লেষণৰে উত্তৰ-পূৰ্বাঞ্চলৰ সমাজৰ এক সুসংহত উন্নয়নত সহায় কৰিবলৈ এতিয়াও বৃহৎ সংখ্যক সমাজ বিজ্ঞানী আৰু নৃতাত্বিকৰ প্ৰয়োজন। কিন্তু এই বিষয়ে কৰা গৱেষণা এতিয়াও কেইজনমানৰ খেয়ালী কাম বুলিয়ে অভিহিত হয়। Verwier Elwin জনজাতীয় সমাজৰ প্ৰতি আগ্ৰহী জনতাৰ বাবে এক পৰিচিত নাম দিল্লীৰ এখন বাতৰি কাকতে Elwin ক অভিহিত কৰিছিল এক খেয়ালী ভদ্ৰলোক বুলি। কাৰণ ক্লাব, গ'লফ, টেনিচ আদি খেল-ধেমালি, আমোদ প্ৰমোদত ব্যস্ত থকা সেইসময়ৰ (১৯৪০-৪৫) ভাৰত নিবাসী ইংৰাজ ভদ্ৰলোক সকলৰ সহজ জীৱন-যাপন স্বেচ্ছাই পৰিত্যাগ কৰি তেওঁ বাস কৰিছিল দূৰ গাঁৱৰ আদিবাসীসকলৰ মাজত। কিন্তু সুখ-শান্তি হ'ল মনৰ এক সম্পূৰ্ণ কাল্পনিক অৱস্থা।

অসম জনজাতি প্ৰধান ৰাজ্য। ৰাজনৈতিক সংজ্ঞাৰ বাহিৰত অসমত ৫০ শতাংশ বা তাতোধিক জনগোষ্ঠীয় লোক আছে। অসম অকল ভাষাবিদ বা নৃতাত্বিকৰে নহয় প্ৰকৃতাৰ্থত এক প্ৰাকৃতিক গৱেষণাগাৰ। ইয়াৰ বহুতো সমস্যাৰ গুৰি বিহিত হৈ আছে অতীতৰ গৰ্ভত জনজাতীয় সমস্যা নিশ্চয় তাৰেই এটা। আৱহমান কালৰে পৰা অসমত প্ৰায়

১২৮টা জনগোষ্ঠীয়ে বাস কৰা বুলি গৱেষকসকলে ঠিৱাং কৰিছে। জাতি এটা যেতিয়ালৈ জীয়াই থাকিব ইয়াৰ গঠন প্ৰক্ৰিয়াও চলি থাকিব। কিন্তু বৰ্তমান অসমৰ জাতি গঠন প্ৰক্ৰিয়াত বিচ্ছিন্নতাবাদ দেখা দিছে। আমাৰ জাতীয়তাবাদী নেতাসকলৰ উপৰুৱা মনোভাবৰ বাবে জাতীয়তাবাদী আন্দোলন বিশ্বাসৰ সংকটত পৰিছে। যথাসময়তে জনগোষ্ঠী সম্প্ৰদায়সমূহৰ বুৰঞ্জী পুনৰুদ্ধাৰ বা শিপা সন্ধানী উপৰুৱা প্ৰৱণতাও ইয়াত হাত উজাইছে। বৰ্তমান সময়ত সাম্প্ৰদায়িক ভিত্তিত ৰাজ্য গঠন আৰু স্বায়ত্ব শাসনৰ যি ধুম উঠিছে ই অসমীয়া সমাজক অতি সহজে বিধ্বস্ত কৰিব।

১৯৫৬ চনত কেন্দ্ৰীয় চৰকাৰে ভাষা ভিত্তিক ৰাজ্য গঠন কৰাৰ সিদ্ধান্ত লোৱাত সমগ্ৰ দেশতে জাতীয়তাবাদ আঞ্চলিক ৰূপত দেখা দিছিল। আনবোৰ ৰাজ্যত আঞ্চলিক ভাষাই ৰাজ্য ভাষাৰ মৰ্যাদা পালেও অসমত তেনে ঘোষণা কৰা নহ'ল ফলত ভাষা আন্দোলনে গুৰুতৰ ৰূপ ল'লে। পিছত বৰাক উপত্যকাত বঙালী ভাষাক সহযোগী ভাষা হিচাপে লৈ অসমীয়া ভাষাক ৰাজ্য ভাষা হিচাপে ঘোষণা কৰা হ'ল। ইয়াৰ ফলত আন্দোলন শাম কাটিল যদিও খাচী, জয়ন্তীয়া, নগা আৰু লুচাই পাহাৰক অসমৰ মূলসুঁতিৰ পৰা আঁতৰাই নিয়াত এইখিনি ভেকোভাওনাই যথেষ্ট আছিল। অসমীয়া ভাষাক স্বীকাৰ কৰি লোৱাত অনা অসমীয়া ভাষীসকলৰ মাজত আপত্তি নাছিল ঠিকেই কিন্তু তেওঁলোকৰ ভাষা সাংস্কৃতিক তথা কথিত জাতীয়তাবাদৰ ধাৰণাই সামৰি লোৱাৰ ব্যৰ্থতাই সৃষ্টি কৰিছিল অবিশ্বাস। পছলৈ বড়োসকলৰ ক্ষেত্ৰতো সেই একে ভুলৰ পুনৰাবৃত্তি ঘটিল। সদৌ অসম ছাত্ৰসন্থা আৰু অসম সাহিত্য সভাৰ উপেক্ষাই বড়োসকলক অসমৰ জাতীয়তাবাদী আন্দোলনৰ পৰা আঁতৰাই নিলে।

অসমীয়া ভাষাক জাতীয় শিক্ষাৰ মাধ্যমে কৰাৰ বাবে আন্দোলন কৰা হ'ল আৰু আন্দোলনে সফলতা লাভ কৰিলে। কিন্তু এনেকুৱা এটি গুৰুতৰ আৰু স্পৰ্শকাতৰ বিষয়ক অকল ৰাজপথৰ আন্দোলনৰ জৰিয়তে সমাধান কৰা হ'ল। বৰ্তমানৰ ফোপোলা সত্যটো এইটোৱে যে প্ৰায়ভাগ অভিভাৱকে আজিকালি ল'ৰা-ছোৱালীক অসমীয়া মাধ্যমৰ বিদ্যালয়ত শিক্ষা প্ৰদান নকৰি ইংৰাজী মাধ্যমত শিক্ষা প্ৰদানত আগ্ৰহী। কাৰণ অকল এইটোৱে নহয় যে তেওঁলোকে ল'ৰা-ছোৱালীক ultra-modern কৰিব গৈছে। কথা হ'ল এক সুসংহত শিক্ষা ব্যৱস্থাত ল'ৰা-ছোৱালীক শিক্ষা দান কৰা, যিটো নেকি অসমীয়া মাধ্যমৰ প্ৰায়বোৰ বিদ্যালয়ৰ অভাৱ।

যোৱা কেইবা বছৰ ধৰি অসমৰ জনগোষ্ঠী সমূহে সাম্প্ৰদায়িক স্বায়ত্ব শাসন বিচাৰিছে আৰু সাংবিধানিক জনজাতিকৰণৰ অন্তৰ্ভুক্ত হ'বলৈ অহোপুৰুষাৰ্থ কৰিছে। যিহেতু তেওঁলোকৰ জনসংখ্যা তুলনামূলকভাৱে কম আৰু তেওঁলোকৰ সমস্যাসমূহ স্থানীয় বুলিয়ে স্বীকৃত সেয়েহে তেওঁলোকে ৰাজনৈতিক ক্ষমতা প্ৰয়োগত সফল নহয় বা নিৰ্বাচনত তেওঁলোকে বিশেষ প্ৰভাৱ পেলাব নোৱাৰে-সেয়েহে তেওঁলোকে উগ্ৰপন্থাৰ অৱলম্বন লয়।

স্বায়ত্ব শাসন নিশ্চয় ফলপ্ৰসু হ'ব যদিহে ইয়াত সকলোৰে স্বাৰ্থ সুৰক্ষিত হয়। কিন্তু অসমত ইতিমধ্যে সম্প্ৰদায় ভিত্তিক স্বায়ত্ব শাসন প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। কোনো এটা এনে সম্প্ৰদায়ক স্বায়ত্ব শাসনৰ দিয়াৰ অৰ্থই হ'ব বাকী সকলোবোৰৰ বাবে তাৰ দুৱাৰ মুকলি কৰা আৰু ই কেনেকুৱা পৰিবেশৰ সৃষ্টি কৰিব পাৰে তাক বুজি পোৱাত বেছি কষ্ট নহ'ব। ইয়াৰ ফলত নিৰ্দ্দিষ্ট সম্প্ৰদায়ৰ স্বায়ত্ব শাসিত অঞ্চলটোত আন আন জনগোষ্ঠীৰ মানুহ বিলাকে তেওঁলোকৰ প্ৰয়োজনীয়সমূহ পৰিপূৰণ কৰাত বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব। সেয়েহে স্বায়ত্ব শাসন সন্দৰ্ভত নগেন শইকীয়া ডাঙৰীয়াই এনেদৰে মন্তব্য আগবঢ়াইছে— 'এনেভাৱে প্ৰত্যেকখন জিলাকে একোখন স্বায়ত্ব শাসিত জিলালৈ ৰূপান্তৰ কৰিব লাগে- প্ৰত্যেক জিলাৰ বিভিন্ন জাতি, বৰ্ণ, ধৰ্ম আৰু ভাষাৰ লোকে এই অৰ্থ ৰাজনৈতিক গাঁথনিত সমানে অংশগ্ৰহণ কৰিবলৈ সুযোগ পায়। এনে হ'লে সামাজিক এক ঐক্যবদ্ধ শক্তিৰো জন্ম হ'ব। এনে গণতান্ত্ৰিক পদ্ধতিৰে আমি ৰাজনৈতিক ক্ষমতাৰ বিকেন্দ্ৰীকৰণো সম্ভৱপৰ কৰি তুলিব পাৰিম আৰু সাম্প্ৰদায়িক মনোভাৱৰ অন্ত পেলাই এক সামাজিক সংহতিও গঢ়ি তুলিব পাৰিম।'

অসমৰ জনগোষ্ঠী সমূহক এক ভাবসাম্য দৃষ্টিৰে চালে দেখা যাব যে অসমৰ প্ৰায়বোৰ জনগোষ্ঠীৰে জনজাতীয় লক্ষণ বিদ্যমান সেয়েহে আমাক জনজাতীয় ৰাজ্য হিচাপে ঘোষণা কৰিলে আন জনজাতীয় গোষ্ঠীসমূহৰ স্বাৰ্থ বিঘ্নিত হোৱাৰ অৱকাশ নাথাকিব নিশ্চয়। টাই আহোম, কোচ-ৰাজবংশী, চুতীয়া, মৰাণ, মটক আৰু চাহ জনগোষ্ঠী সকলে জনজাতীকৰণৰ বাবে আন্দোলনৰ ব্যৱস্থা লোৱাৰ ফলত অসমীয়া জনগোষ্ঠী সমূহৰ মাজত ভ্ৰাতৃঘাটী সংঘৰ্ষৰ সম্ভাৱনাই অধিক। কাৰণ ইতিপূৰ্বে পাই অহা সা-সুবিধাসমূহ অধিক লোকৰ মাজত বিতৰণ হ'ব।

জনজাতীয় হ'ব খোজাৰ প্ৰধান কাৰণ হ'ল মূলতঃ অৰ্থনৈতিক অনগ্ৰসৰতা। এই ক্ষেত্ৰত গোষ্ঠীগত হিচাপে চাহ জনগোষ্ঠীসকলেই বোধহয় অধিক শোষিত। এওঁলোক অসমৰ ভূমিপুত্ৰ নহয় কিন্তু সংস্কৃতিৰ ফালৰ পৰা বৰ্তমান অসমীয়া বুলিয়ে পৰিচিত। ব্ৰিটিছসকলে তেওঁলোকক বিভিন্ন ঠাইৰ পৰা বিভিন্ন প্ৰলোভনৰে অসমলৈ লৈ আনিছিল চাহ বাগিছাত কাম কৰিবলৈ। এই ব্যৱস্থা আৰম্ভ হৈছিল ১৮৫২ চনৰ পৰা। অসমৰ চাহ জনগোষ্ঠীৰ মাত্ৰ ১৫শতাংশ লোকহে বৰ্তমান শিক্ষিত য'ত নেকি তেওঁলোকৰ জনসংখ্যা অসমৰ জনসংখ্যাৰ এক তৃতীয়াংশৰ সমপৰ্যায়ৰ।

জাতীয়তাবাদ অবিহনে জাতি এটা জীয়াই থকা কঠিন। ক্ষুদ্ৰ জাতিগোষ্ঠীৰ বাবে ই আৰু অধিক প্ৰয়োজনীয়। দেখা যায় যে প্ৰায়বোৰ সমস্যাই ৰাজনীতিবিদৰ নিৰ্বাচনী ইচ্ছা হৈ পৰে আৰু তাতকৈ তেওঁলোক বেলেগ এটা নতুন কৰাৰ অপাৰগ! নেতা এজনৰ উদ্দেশ্য হ'ব লাগে অনা বহুজন নেতাৰ সৃষ্টি কৰা। কিন্তু অসমত এজন নেতা সৃষ্টি কৰা দূৰৰ কথা বহুজন পালি নেতাহে সৃষ্টি হয় 'হয় হুজুৰ' প্ৰকৃতিৰ। এজন-দুজন নেতাই অসমৰ সমস্যা সমাধান কৰিব নোৱাৰে। সমস্যা সমাধানৰ বাবে লাগিব জনসাধাৰণৰ আগ্ৰহ। সমস্যা সমাধানৰ ক্ষেত্ৰ হ'ব লাগিব সামগ্ৰিক, স্থানীয় নহয়। সোণৰ অসম গঢ়িম বুলি বা অন্য গহীনা লৈ কিছুলোকে ৰাজভোগ কৰিলে আৰু এৰি থৈ গ'ল ফোপোলা অসম। তেনে নেতাক অসম চৰকাৰে, ভাৰত চৰকাৰে কোনো উপযুক্ত শাস্তি দিয়া নাই। এই শাস্তি দিব লাগিব অসমীয়া জনসাধাৰণে লাগিলে প্ৰচলিত System যিয়েই নহওক।



# বিষণ্ণতাৰ নৈ পাৰ হৈ– উপলব্ধিৰ সীমনাত এজাক অনুভৱী জোনাকৰ বৰষুণ...


ৰিপনজ্যোতি নাথ

*স্নাতক তৃতীয় বৰ্ষ, ইংৰাজী বিভাগ*


...চিঠিৰ সাৰ্থকতানো ক'ত?
আখৰবোৰ হৃদয়ৰ চিনাকি হৈ
পৰে য'ত...

হৃদয়ৰ অনুভৱবোৰ বিগলিত হৈ কাগজৰ শুভ্ৰ বুকুত শব্দৰ পোহাৰ মেলোতেই অজানিতে... সংগোপনে আখৰ নামৰ আক্-বাক্‌বোৰো এখন হৃদয় হৈ পৰে। বহুদিনৰ মূৰত চিঠি এখন খুজিছিলো তোমাক। তুমি 'হৃদয়' এখন দিছিলা। সেউজীয়া যি 'হৃদয়'ৰ বং... কৃত্ৰিম সুবাসতকৈ ঘৰ্মাক্ত দেহৰ গোন্ধেৰে মাতাল হোৱাৰ জোখাৰে আকুল যি 'হৃদয়'... অৰণ্যৰ 'সেউজীয়া'ত আকাশৰ 'নীলা'ত, সোণাৰুৰ 'হালধীয়া'ত, কৃষ্ণচূড়াৰ 'ৰঙা'ত অথবা মেটেকা ফুলৰ 'বেঙুনীয়া'ত ক্ষণিকৰ বাবে হেৰাই গৈ স্বপ্নৰ কেনভাচ ৰঙীন কৰি তোলাৰ তীব্ৰ ৰাগীত বলিয়া যি 'হৃদয়'... ঠিক, ঠিক তেনে এখন 'হৃদয়' — এই দিছিলা তুমি। ভালপোৱাৰ ইয়াতকৈ ভাল উপহাৰ কোনে দিব পাৰিব কোৱা? সেইবাবেইতো কওঁ, জীৱনত প্ৰেম সকলোৱে পায়, কিন্তু মোৰ দৰে প্ৰেম পায় জানো সকলোৱে? নাপায়, নাপায়ো, কাৰণ 'তুমি' যে নাই সকলোৰে ওচৰত...

কি হ'ব পাৰে
জীৱনৰ বিশ্বস্ত ঠিকনা?
সকলোকে সুধিলো
কোনেও দিব নোৱাৰিলে সঠিকতা,
পাই হেৰুৱাৰ বেদনাই ক'লে—
এখন হৃদয় বিচৰা
য'ত থাকে আকুলতা...

জোনাকৰ বগাত হৃদয়ৰ সেউজীয়া বিচাৰি কটাইছা নে কেতিয়াবা উজাগৰী ৰাতি? অথবা সেই হেৰুৱা নিদ্ৰাটোৰ নামেৰে লিখিছানে কেতিয়াবা এটি ভালপোৱাৰ কবিতা? য'ত অনুভৱৰ তীব্ৰতাই শব্দৰ আঁহে-আঁহে ব্যাকুলতাৰে বিচাৰি ফুৰে এখন হৃদয়, যি হ'ব পাৰে জীৱনৰ সকলো হেৰুৱাই দিক্‌ভ্ৰান্ত হোৱাৰ সময়তো আশ্ৰয়ৰ বিশ্বস্ত ঠিকনা... আহ! তুমিয়েইতো মোৰ সেই অহংকাৰ অথবা দুৰ্বলতা, যাৰ হৃদয়ত বিচাৰি পাওঁ মই নিৰাপত্তাৰ বিশ্বাসভৰা আকুলতা...

...কুঁহিপাতে বসন্তৰ বতৰা/ আনে নে
বসন্তই কুঁহিপাতৰ বতৰা/ মই নাজানো
যিদৰে তুমিও নাজানা/ মোক লগ পোৱাৰ পিছত
তুমি তোমাৰ হৃদয় হেৰুৱাইছিলা নে/ তোমাক লগ পোৱাৰ পিছত
মই মোৰ হৃদয়...

তৰা, ভালপোৱাৰ গভীৰতা কিমান হ'লে শাৰীৰিক স্পৰ্শ হৃদয়ৰ স্পৰ্শলৈ পৰিৱৰ্তিত হ'ব পাৰে মই নাজানো। অথবা, মই নাজানো ভালপোৱা কিমান সস্তীয়া হ'লে ধূসৰ ভৱিষ্যতত জাহ যাব পাৰে সোণালী অতীত নাইবা ছিগি যাব পাৰে হৃদয়ক সমস্ত বান্ধোন। এনেদৰে নজনাকৈ বহু কথাই বৈ যায়, অথচ বুকুত অহৰহ দুলি বয় জনাৰ এক উদগ্ৰ বাসনা। অনুভৱৰ সীমাবদ্ধতাত অপূৰ্ণ হৈ বৈ যোৱা জীৱনৰ এনেবোৰ সমীকৰণেইতো হৃদয়ক একো-একোটা আৱেগপূৰ্ণ মধুৰ সম্পৰ্কত সাঙুৰি ৰাখে, য'ত আমি ইজনে সিজনৰ হাতত হাত থৈ অনুভৱ কৰো নিৰাপত্তাৰ উমাল অনুভূতি, অনুসন্ধানৰত হৈ ৰও কেইটামান উত্তৰবিহীন প্ৰশ্নৰ আৰু ভাৱনাৰ সিপাৰৰ এটি ঠিকনাৰ আৰু হয়তো এইবাবেই জটিল হৈ পৰে বিষয় — 'জীৱন'। সেইবাবেইতো জীৱনৰ জটিল চাকনৈয়া নেওচিবলৈ হৃদয়ে বিচাৰে তোমাক শতবাৰ...

...যিদিনা দেখিছিলো—
মেঘৰ লুকা-ভাকুত
ম্লান নহয় জোনাকৰ স্নিগ্ধতা,
সেইদিনাই বুজিছিলো—
জীৱন নহয় দুঃস্বপ্নৰ মৰিচীকা...

মাদকতভৰা মুহূৰ্তেৰে জীৱনটো জীপাল হৈ উঠিলে এনে লাগে যেন, তাহানিৰ আইতাৰ সাধুকথাৰ শেতেলীত বিচাৰি ফুৰা সেই পৰীগৰাকী তুমিয়েই, কিন্তু আইতাইতো দেখা নাপালে বৰ্তমান বাস্তৱতাৰ এই কদৰ্যতা, মাথোঁ ল'ৰালিৰ সৰল দুচকুত গুজি দি গ'ল এটি নিস্পাপ সপোন আৰু কিছু আশা... সপোন এটাৰ দৰে বিচাৰিলে বাস্তৱ যান্ত্ৰিকতাই বিভ্ৰান্ত কৰি তোলে তোমাক অথবা মোক... এটা চাকৰি অথবা আৰ্থিক নিৰাপত্তাৰ দুৰ্ভাৱনাত দুলি বয় এটি সম্পৰ্ক, এটি অনুভূতি...! সফলতা হেৰুৱাৰ আশংকাত মানুহবোৰ আবেগিক হ'বলৈ ভয় কৰে, প্ৰতিযোগিতাৰ দৌৰত আৱেগ যে তেনেই সস্তীয়া... তুমিটো জানাই এটি কবিতা, এটি গল্প অথবা এখন উপন্যাসেৰে পেট নভৰে। আৱেগ আৰু যান্ত্ৰিকতাৰ দুদোল্যমান স্থিতিত তুমি অথবা মই এনেদৰেই হেৰুৱাইছো স্বৰ্গীয় প্ৰেমৰ মহানুভৱতা, কিন্তু সেই বুলিয়েই জানো পৃথিৱীৰপৰা প্ৰেম হেৰাই যাব কাহানিবা...?

...পোৱাৰ আনন্দই/ মচি দিয়ে/ হেৰুৱাৰ বেদনা
আৰু আমিবোৰ হৈ পৰো সুখী...

তৰা, হৃদয়ৰ অসুখত নোভোগাজনে জানো জানে, বুকুৰ কেঁচা ঘাঁৰ যন্ত্ৰণা কেনেকৈ প্ৰশমিত হ'ব পাৰে? তুমিও নাজানা সেয়ে, মোৰ যন্ত্ৰণাৰ উৎস অথবা তাৰ নিৰাময়...! কিন্তু খৰাঙত ফাট মেলা ধৰাৰ বুকুত বৰষুণৰ পৰশত যিদৰে এদিন গজি উঠে শইচৰ সেউজীয়া, মই জানো মোৰ হৃদয়ৰ ছন পৰি ৰোৱা মাটি ডৰাও এদিন ভৰি উঠিব তুমি সিঁচি দিয়া প্ৰেমৰ কঠিয়াডৰাৰ সেউজীয়াৰে আৰু মই হৈ পৰিম তুমি ভালপোৱা আকাশখনৰ দৰেই নীলা অথবা অৰণ্যখনৰ দৰেই সেউজীয়া... কেৱল তোমাৰ বাবে। কাৰণ তুমিয়েইতো মোৰ হেৰুৱা অতীত, বৰ্তমান অথবা আশাৰ ভৱিষ্যত...

*(মোৰ সপোনৰ 'মৰম'ৰ নামত উৎসাৰ্গিত)* ❖

# অসমীয়া জাতীয় সংস্কৃতিৰ অৱক্ষয়ৰ কাৰণ আৰু সমাধান

সুৰেশ দত্ত
*স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক অসমীয়া বিভাগ*

"অসমীয়া জাতীয় সংস্কৃতিৰ ভড়াল বৰ ব্যাপক। অতি চহকী অসমীয়া সংস্কৃতি। ইতিহাসলৈ মন কৰিলেই আমি অসমীয়া সংস্কৃতিৰ এক এভাৰেষ্ট সদৃশ সুউচ্চ শৃংগ দেখিবলৈ পাওঁ। বিহু অসমীয়াৰ বাপতি সহোন, বিহু অসমীয়াৰ প্ৰাণ, বিহু অসমীয়াৰ জাতীয় গৌৰৱ। তাহানি মুকলি পথাৰৰ যৌনগন্ধী বিহু সম্প্ৰতি সময়ৰ তাগিদাত মঞ্চলৈ আহিল যদিও বিহুৰ উত্তাল তৰংগৰ মাদকতা অক্ষুণ্ণ আছে। কিন্তু যান্ত্ৰিকতাৰ পাকচক্ৰত বিহুত আধুনিক ইলেকট্ৰিকেল বাদ্যযন্ত্ৰই বিহুৰ পূৰ্বৰ সৌষ্ঠৱত ব্যাঘাত জন্মোৱা বুলি ক'লেও ভুল কোৱা নহয়।"

বাৰে ৰহনীয়া অসমৰ কৃষ্টিৰ পাতনিত ভিন্ন ভিন্ন গোষ্ঠীৰ সৃষ্টি খেলা নিগৰিত হৈ আছে। কৃষ্টিৰ দলিছাত সৃষ্টিৰ পাতনি মেলে সংস্কৃতিয়ে। লোক কথা, সংস্কৃতি, কৃষ্টি তথা বিশ্বাসৰ মাজতে সৃষ্টি হয় একোটা জাতিৰ ধ্যান-ধাৰণা, মানসিকতা আৰু জীৱন ধাৰণৰ আদৰ্শ। সময়ৰ তাগিদাত সংস্কৃতিয়ে বসন সলালেও অক্ষুণ্ণ থাকে আপুৰুগীয়া সংস্কৃতিৰ স্নেহ।

সংস্কৃতি বুলি ক'লেই এটা জাতিৰ জীৱনধাৰণৰ ভিন্ন প্ৰণালী, পৰম্পৰা ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস, লোক-উৎসৱ, লোক কলা ইত্যাদিক সাঙুৰি লোৱা এটা বিষয়ক বুজা যায়। অৱশ্যে এই বিষয়ে বিভিন্নই বিভিন্ন সংজ্ঞা বা মত আগবঢ়াইছে যদিও সেই সকলোবোৰ সৰ্বজন গ্ৰাহ্য নহয়। William A Haviland য়ে 'Cultural Anthropology' নামৰ গ্ৰন্থত সংস্কৃতি সম্পৰ্কে এক আধুনিক সংজ্ঞা এনেদৰে দিছে — 'Culture is a set of rules or standards which, when acted upon by the members of a society, produce behaviour that falls within a range of variance the members consider proper and acceptable.'

এটা জাতিৰ বিভিন্ন লোকসংস্কৃতি, লোকবিদ্যাই সেই জাতিৰ জাতীয় সংস্কৃতিক প্ৰতিনিধিত্ব কৰে। সংস্কৃতিক বিজ্ঞসকলে বিভিন্ন দৃষ্টিকোণৰপৰা তিনিটা ভাগত যেনে (ক) অভিজাত সংস্কৃতি (খ) লোকসংস্কৃতি আৰু (গ) জনজাতীয় সংস্কৃতি। এইকালৰপৰা অৰ্থাৎ, জাতীয় সংস্কৃতি হ'ল এই তিনিওটা অংশৰ সমষ্টি। অসমীয়া জাতীয় সংস্কৃতিও এই তিনি ভাগ সমষ্টি।

সাম্প্ৰতিক সময়ত অসমীয়া জাতীয় সংস্কৃতিৰ কিছু কিছু ক্ষেত্ৰত গোন্ধ নাইকিয়া হ'বৰ উপক্ৰম ঘটিছে নতুবা গোন্ধ নোহোৱা হৈছে। অসমীয়া জাতীয় সংস্কৃতিৰ যান্ত্ৰিকতাৰ পাকচক্ৰত, জনবিস্ফোৰণৰ ফলত, সাম্প্ৰদায়িক সংঘৰ্ষত, সন্ত্ৰাস জৰ্জৰিত ইত্যাদি কাৰণত অৱক্ষয় হ'বলৈ ধৰিছে। এই ক্ষেত্ৰত অসমীয়া জাতি ইতিহাসলৈ উভতি চাই সজাগ হোৱাৰ সময় হ'ল। অসমীয়া জাতীয় সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। সেয়েহে ইয়াত বৈসাগু, বিহু, ঐনিতম, বায়ুখো, খেৰাই ইত্যাদিয়ে ঠাই পায়। ব্ৰহ্মপুত্ৰ, বৰাক উপত্যকাৰ এক সমন্বয়ৰ সেতু অসমীয়া জাতীয় সংস্কৃতি। এই সংস্কৃতি আমাৰ জাতিৰ প্ৰাণ, বুকুৰ-কুটুম। ই যদি আমাৰ চকুৰ আগতে বিনষ্ট হয় সঁচাকৈ এক লজ্জাৰে ধৰ দোষে আমাক চুব।

অসমীয়া জাতীয় সংস্কৃতিৰ ভড়াল বৰ ব্যাপক। অতি চহকী অসমীয়া সংস্কৃতি। ইতিহাসলৈ মন কৰিলেই আমি অসমীয়া সংস্কৃতিৰ এক এভাৰেষ্ট সদৃশ সুউচ্চ শৃংগ দেখিবলৈ পাওঁ। বিহু অসমীয়াৰ বাপতি সহোন, বিহু অসমীয়াৰ প্ৰাণ, বিহু অসমীয়াৰ জাতীয় গৌৰৱ। তাহানি মুকলি পথাৰৰ যৌনগন্ধী বিহু সম্প্ৰতি সময়ৰ তাগিদাত মঞ্চলৈ আহিল যদিও বিহুৰ উত্তাল তৰংগৰ মাদকতা অক্ষুণ্ণ আছে। কিন্তু যান্ত্ৰিকতাৰ পাকচক্ৰত বিহুত আধুনিক ইলেকট্ৰিকেল বাদ্যযন্ত্ৰই বিহুৰ পূৰ্বৰ সৌষ্ঠৱত ব্যাঘাত জন্মোৱা বুলি ক'লেও ভুল কোৱা নহয়।

লোকসংস্কৃতিৰ সময়ে সময়ে বিলুপ্তি ঘটিব পাৰে বা ঘটিলেও বিশেষ হানি নহয়। কিন্তু যি লোক সংস্কৃতিয়ে এক মৰ্যাদাপূৰ্ণ স্থান লাভ কৰি জাতীয় সংস্কৃতিক প্ৰতিনিধিত্ব কৰে সেই সংস্কৃতিৰ হানি হ'লে এক দুখ লগা বিষয় হিচাপে চিহ্নিত হয়। অসমীয়া জাতীয় সংস্কৃতিৰ উদাহৰণস্বৰূপে বিহুৰ কথাটো এইকাৰণে উল্লেখ কৰিছো যে বিহু অসমীয়াৰ এক চিনাকী পৰিচয়। সেয়েহে বিহুক মন কৰিয়েই চমুকৈ অসমীয়া জাতীয় সংস্কৃতিৰ অৱক্ষয়ৰ বিষয়ে লিখাৰ প্ৰয়াস চলাইছো।

অসমীয়া জাতিটোৰে নিজৰ অস্তিত্বক পাহৰি যোৱাৰ উপক্ৰম ঘটিছে। বিশ্বায়নৰ সম্প্ৰতি অবাধ প্ৰচলনত অসমীয়া জাতিটোৱে হেৰুৱাই পেলাইছে সেউজীয়া জাতীয় সংস্কৃতিৰ গোন্ধ। পাশ্চাত্যৰ কুৰূপ প্ৰভাৱ অসমীয়া জাতীয় সংস্কৃতিত পৰিছে। বিহুৰ যি সেউজীয়া সেই সেউজীয়াত কলা ছাঁ পৰা যেন অনুমান হয়। ফেশ্বন শ্ব', বুগী-বুগী ইত্যাদি প্ৰতিযোগিতাৰ অবাধ প্ৰচলনে অসমীয়া জাতীয় সংস্কৃতিৰ মুগা ৰিহা মেখেলাবোৰক এলাগি কৰা যেন বোধ হয়। বিভিন্ন বিজ্ঞাপনৰ প্ৰভাৱ, বৈদেশিক 'কালছাৰ'ৰ প্ৰভাৱ ইত্যাদি অসমীয়া সংস্কৃতিত এনেভাৱে পৰিছে যে এতিয়া পূৰ্বৰ সংস্কৃতি মিছা আৰু সম্প্ৰতি সৃষ্টি হোৱা এক ভিন্ন অপসংস্কৃতি সঁচা যেন হৈছে। বিভিন্ন জনগোষ্ঠীয়, ভৈয়ামীয় সংম্প্ৰদায়বো সংস্কৃতিত ঘুনে ধৰাটো লক্ষণীয়।

সংস্কৃতিৰ নামত অপসংস্কৃতিয়ে মূৰ দাঙি উঠাৰ সুবিধা কোনে দিলে? যিহেতু সংস্কৃতি সমাজলব্ধ সেইহেতু অপসংস্কৃতিকো স্থান দিয়া ক্ষেত্ৰ সমাজ আৰু এই অপসংস্কৃতি সৃষ্টি হোৱাৰ ইন্ধন যোগাইছে সমাজৰ এচাম মানুহে। সম্প্ৰতি যুৱসমাজৰ অশৃংখল মানসিকতাত সংস্কৃতি দংশিত হৈছে। লাজৰ বিষয় যে বহু অসমীয়াই বিহুৰ বিষয়েই নাজানে। ইংৰাজী মাধ্যমৰ স্কুলত মাত ফুটো কি নুফুটো হোৱাৰপৰাই আবদ্ধ হৈ এক বৈদেশিক 'কালছাৰ'ত। অসমীয়া জাতীয় সংস্কৃতিৰ গোন্ধ সেই পোনাকণহঁতে কেনেকৈ পাব? ক'ত পাব? ইয়াৰ বাবে জগৰীয়া কোন? শংকৰ-আজানে অসমীয়া সংস্কৃতিৰ বিকাশত ইন্ধন যোগাইছে; কিন্তু বৰ্তমান বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ পৰিচয়েই নাজানে। ই কি দুখৰ বিষয় নহয়।

পুখুৰীৰ মাছে সদায় নৈৰ পিনে যাব খোজে। সময়ৰ লগে লগে সংস্কৃতিয়েও গতি কৰে। পূৰ্বৰ সংস্কৃতিয়ে নসাজ বহন কৰে। এই ক্ষেত্ৰত নতুন কিছুমান সোমায় আৰু পুৰণি কিছুমান বৰ্জিত হয়। আমাৰ কাম্য যে নতুনখিনি সকলোৰে ভাল লগা তথা গ্ৰহণযোগ্য হ'ব লাগে। কিন্তু এনে ক্ষেত্ৰত যদি বিপৰীত ক্ৰিয়া ঘটে সঁচাকৈ মনত আঘাট লাগে। বৰ্তমান সমাজত বিশৃংখলতাই দেখা দিয়াৰ লগে লগে সংস্কৃতিৰ চহকী ৰূপত ঘাটি পৰা যেন অনুমান হৈছে। নৱ প্ৰজন্মৰ বৌদ্ধিক বিকাশৰ লগে লগে ন ন চিন্তাই গজালি মেলিছে; কিন্তু নতুন চিন্তাইযে অপসংস্কৃতিৰ সৃষ্টি কৰিব পাৰে সেইয়া হ'লে মন কৰা নাই। বিলাতী সুৰাৰ ৰাগীত বিহু গুচি ৰিহু হৈছে, ৰঙালী আঁতৰি ৰাঙলী হৈছে ইত্যাদি শব্দগত বিভ্ৰান্তিৰ লগতে আৰু যে ক'ত কিমান পৰিৱৰ্তন। বিহুৰ নামত প্ৰহসন, বিহুৰ নামত বা উৎসৱ পাৰ্বনৰ নামত চান্দা তোলা ইত্যাদিয়ে সমাজখনত অশৃংখলতাৰ সৃষ্টি কৰিছে। বিভিন্ন জনগোষ্ঠীয় সংস্কৃতি, অভিজাত সংস্কৃতি সকলোতে কিছু কিছু পৰিমানে হ'লেও পৰিৱৰ্তন হৈছে। মুঠতে অসমীয়া জাতীয় সংস্কৃতিৰ যে অৱক্ষয় ঘটিছে সেয়া সম্প্ৰতি স্পষ্টভাৱে জিলিকি উঠিছে।

আমি সজাগ হ'বৰ হ'ল। বংপি-ৰাভা-বসুমতাৰী ইত্যাদি জাতিৰ সংমিশ্ৰণত ঘটা অসমীয়া জাতিটোৰ সজাগ হোৱা সময় আহি পৰিছে। যুৱ সমাজে এই ক্ষেত্ৰত আগভাগ ল'ব লাগিব। আধুনিকতাৰ মেৰপাকত পৰিলেও আমি আমাৰ জাতীয় সংস্কৃতিক বিলুপ্ত হ'ব দিব নালাগিব। আমি আগুৱাই আহি সংস্কৃতিৰ উপাদেয় সমলবোৰক কঁহিয়াই চাব লাগিব আৰু তাক সম্মানেৰে গ্ৰহণ কৰিব লাগিব। ভাষাৰ ভিন্নতাই গোষ্ঠীগত বা ভাষাগত বিভেদ অনাত যাতে সহায় নকৰে তাৰ প্ৰতি নজৰ দিব লাগিব। ইটো জাতিৰপৰা সিটো আনি আৰু সিটো জাতিয়ে ইটোৰপৰা আমদানি কৰি বৃহত্তৰ অসমীয়া জাতিৰ সৌষ্ঠৱ বঢ়াব লাগিব। অপসংস্কৃতিৰ যি আই কলমসদৃশ বৰ্দ্ধন ঘটিছে তাক লাহে লাহে উভালি চিন চাব নাইকিয়া কৰিব লাগিব। তেতিয়াহে অসমীয়া জাতীয় সংস্কৃতিৰ স্বৰূপ বৰ্তি থাকিব।

**সম্পাদকীয়**

আন্তৰ্জাতিক যুৱবৰ্ষত অসমৰ যুৱকসকলে নিজকে বিশ্বৰ সকলোতকৈ 'শক্তিশালী যুৱক বাহিনী' বুলি চিনাকি দিলে '৮৫ ৰ চুক্তিৰ মাজেৰে হাজাৰজনৰ শোণিতেৰে। সুদীৰ্ঘ ছয়টা বছৰৰ হাজাৰ ৰক্তনদী, পুত্ৰহাৰা মাতৃৰ অস্ফুট ক্ৰন্দন-ধ্বনি, বিধবাৰ উকা কপাল, হাজাৰ নাৰীৰ সতীত্বৰ অপমান আৰু 'বিশ্বৰ সবাতোকৈ শক্তিশালী' যুৱক সমাজৰ ত্যাগৰ বিনিময়ত এই চুক্তি। ত্যাগৰ পৰিমাণে অৱশেষত প্ৰতিদানৰ পৰিমাণক অপমান কৰিছে, চিৰদিন কৰিব। 'ভাষা আন্দোলন' আৰু 'মাধ্যম আন্দোলন'ৰ ফলশ্ৰুতিৰ দৰেই যদি এইটো আন্দোলনৰ ফলশ্ৰুতি হয়, তেন্তে এই নিপৰুৱা জাতিটোৰ অৱস্থা কি হ'ব?

—হেমন্ত বিকাশ ডেকা ঃ ১৯৮৪-৮৫

ভাৰত চৰকাৰে কিমান দিন অসমক মাহী মাকৰ মৰম দি থাকিব? অসমৰ স্বায়ত্বশাসনৰ মূল্য ক'ত? ভাৰত চৰকাৰে দেখোন কেৱল বিভিন্ন পাৰ্বত্য জিলা সমূহৰ সমস্যাকলৈয়ে ব্যস্ত! দেশৰ উন্নতিৰ কথা ভাবিবৰ প্ৰয়োজন নাই নেকি? মাথোঁ পাছ বছৰীয়া পৰিকল্পনাৰ ভূমিকা আৰু সপোন দেখিলেই জানো হ'ব? পৰিকল্পনাক বাস্তৱত ৰূপ দিয়াতহে গৌৰৱত্ব আছে যেন পাওঁ। আপোনালোকে কি কয়?

—ধীৰেন্দ্ৰ কুমাৰ ৰাভা ঃ ১৯৬৭/ ৪৩ তম্ সংখ্যা

## শেলাইৰ দৰে...

**ধনদা শইকীয়া**
*স্নাতক দ্বিতীয় বৰ্ষ, ইতিহাস বিভাগ*

শিপাৱহি কিয় বাৰে বাৰে
সময়ৰ পতিতা বুকুত
দুৰ্ভাৱনাৰে জেকা ঠাই

তই, কেনেকৈ ঠন ধৰিবি
অনামী যৱকুণত তিতিবি
দুখৰ বাৰিষাই গিলিব তোক

তৰাং হৃদয়ত, বিধবাৰ আকুল পিয়াহ
চপৰা চপৰে ছানি ৰবি

সদ্যজাত কবি, ভাবনাৰ পানী ডোঙা
নামহীন তই মুঠি মুঠি অকবিতা।





## ময়ূৰ

**লিনামী দাস**
*স্নাতক প্ৰথম বৰ্ষ, ইংৰাজী বিভাগ*

বহুদিনৰ অক্লান্ত শ্ৰম আৰু উজাগৰী নিশাৰে
মই সাজি উলিয়ালো এটা জীৱন্ত ময়ূৰ।

যাৰ শৰীৰত ৰামধেনুৱে খেলিছিল
হিয়া মোৰ ভৰি পৰিল সৃষ্টিৰ আনন্দত
মোৰ প্ৰতিটো ক্ষণ, প্ৰতিটো মুহূৰ্ত
প্ৰতিটোপাল ঘাম জিলিকিছিল ময়ূৰটোৰ পাখিত।
কিন্তু হঠাতে...!
মোৰ হিয়াত বেদনাৰ তানপুৰাৰ সুৰ তুলি
ময়ূৰটোৱে কৰ্কশ মাত এটিৰে সৰৱ হৈ উঠিল
মোৰ এনে লাগিল যেন মই উকা কেনভাছত
এখন ছবি আঁকিবলৈ চেষ্টা কৰিছিলো
যিখন উকাৱেই হৈ থাকিল।



## এপিটাফ

**অৰুণিমা মেধি**

*স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ*

মোৰ নিসংগতা অনুবাদ হয় তোমাৰ হৃদয়ত
সংগোপনে, নীৰৱে
কোনেও নজনাকৈ...
তুমি নিয়ৰ,
মই ৰ'দালি
আহা তুমি আৰু মই উপভোগ কৰো
শৰতৰ সন্ধিয়াৰ কলিজা কঁপোৱা গান।
যি টোপাটোপে গিলিব বিচাৰে
মৰমৰ সেউজীয়া!
মেঘৰ দৰে নিমজ
মোৰ সপোনৰ লয়লাস ভংগী,
জোনাক হৃদয়লৈ নামে সন্ধিয়াৰ গীতত
যি গীতৰ সাক্ষী
জোন-তৰা
চকামকা এন্ধাৰে গিলিব বিচাৰে
মনে সজা ৰামধেনুৰ সাতোটা ৰং!
জোনাকৰ ক্ষীণ পোহৰত
জীপাল হ'ব খোজে
উশাহৰ স্থিৰতা হেৰুওৱা
মোৰ ভালপোৱা।
ধুমুহাৰ আগমনত বাস্তৱে দুভাগ কৰে
মোৰ সপোনৰ সবিশেষ
তথাপিতো,
মোৰ নিসংগতা অনুবাদ হয় তোমাৰ হৃদয়ত
সেইবাবেইতো
মোৰ ভিতৰত তুমি নদীৰ দৰে,
তোমাৰ ভিতৰত মই সাগৰৰ দৰে।

## ভালপোৱাৰ দুটি স্কেচ্

**বিজিত দাস**

*স্নাতক দ্বিতীয় বৰ্ষ, অৰ্থনীতি বিভাগ*

(১)

মৰমবোৰ বিকিবলৈ বজাৰ নাই
কঢ়িয়াবলৈ নাই জোলোঙা,
বুকুখন ফালচোন
তাতেই সুমুৱাই দিওঁ
গুজি গুজি
ঠিক তই দিয়াৰ দৰেই।

(২)

ন্যামফলক নলগাবি
তোৰ ঘৰৰ সন্মুখত
ঠিকনা বিচাৰি মই নাযাওঁ।
মোৰ গ্ৰন্থিত সুবাস লাগিবই
তাহানি তোৰ খোপাত গুজি দিয়া
(বৰ্তমান) শেঁতাপৰা গোলাপ-পাহৰ।

মই চিনি পাম
তোৰ ঘৰৰ নঙলা।





## অন্বেষণ

**অপৰাজিতা কলিতা**
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান)*

মৃতপ্ৰায় আত্মাৰ বেদনাসিক্ত আৰ্তনাদত
উজাগৰে কটোৱা প্ৰতিটো নিশা
এচমকা ঘোৰ অন্ধকাৰত
ভোকাতুৰ এজাক ফেঁচাৰ কুৰুলি

অ', সেয়া শুনিছো
নুমাব খোজা হৃদয়ৰ
তীব্ৰতৰ স্পন্দন,
এৰা জীৱনটোৱে কিবা এটা বিচাৰিছে!
নাই, নহয়
হৃদয়ে বিচাৰিছে মোৰ জীৱনৰ ছন্দ,
গুটিবিহীন এখন কেৰম বৰ্ডত।
পাব জানো বিচাৰি অস্তিত্ব
মোৰ যাযাবৰ যৌৱনৰ

নাই উভতিবই লাগিব!
আৰু উভতনি...?
হয়তো(!) জীৱনৰ নিম্নগামী কেইটিমান
'কোৱান্টাম জাম্প'।।

## তুমি

**জ্যোতিৰূপা নাথ**
*স্নাতক প্ৰথম বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*

তিমিৰাচ্ছন্ন আকাশৰ বুকুত
হঠাতে দৃষ্টিগোচৰ হ'ল
এটি তৰা
মন গহনৰ বেদনাবিধূত জীৱনৰ
অবসান ঘটিল
শুকালে অশ্ৰুবন্যা
নমালে আশাৰ মদিৰা
এয়েই জীৱন
এয়েই স্বপ্ন
বিচিত্ৰ তোমাৰ সৃষ্টিৰ মহিমা।





# এবাৰ সোধা... মাথোঁ এবাৰ

**বিজিতা শৰ্মা**

*স্নাতক প্ৰথম বৰ্ষ, পদাৰ্থ বিজ্ঞান বিভাগ*

এবাৰ সোধানা, হৃদয়ৰ সমস্ত আন্তৰিকতাৰে...
কেনে আছো মই?
তোমাৰ বাৰু জানিবলৈ মন নাযায়নে...
কিমান দিন...
মই জোনাক দেখা নাই?
তৰাৰে স'তে কথা পতা নাই ওৰেতো নিশা?
আকাশৰ নীলিম সীমনাত হেৰাই গৈছে নেকি মোৰ সত্ত্বা!

এবাৰ সোধানা মোক
কিমানদিন ধৰি...
উদ্‌যাপন কৰা নাই এটা আবিৰসনা গধূলি।
নৈৰ পাৰত বহি মুগ্ধ দৃষ্টিৰে চোৱা নাই নীড়মুখী চৰাইৰ জাক?
শাওনী বৰষুণত জুৰুলি জুপুৰি হোৱা নাই।
পখিলা যেদি উন্মনা হোৱা নাই।
আৰু, আৰু অনুভৱ কৰা নাই হৃদয়ত কাৰোবাৰ
টুকুৰা টুকুৰ স্পন্দনৰ পৰশ...
অকৃত্ৰিম সেউজীয়াৰ উপস্থিতি...

দৈনন্দিন ব্যস্ততাৰ মাজতো
এবাৰ, মাথো এবাৰ সোধানা
কেনে আছো মই আৰু
মোৰ সেউজীয়া সপোন...??

# বেষ্ট ফ্ৰেণ্ড বুলি নক'বা

**হুছেইন মহম্মদ ছাহজাহান**

*স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ*

প্ৰথম, দ্বিতীয়, তৃতীয় হ'ব পৰা নাছিলোতো
নিচুকণি বঁটা পাইছিলো শৈশৱত
কাঠপেঞ্চিল অথবা ৰবৰ
প্লিজ 'বেষ্ট ফ্ৰেণ্ড' বুলি নক'বা—
থু মাৰি দিয়া মুখত
কৈ দিয়া মুখেৰে দুৰ্গন্ধ ওলায় বুলি
পাৰফিউমৰ সাগৰত গা ধুই আহিলেও
তোমাৰ গাৰ পৰা গোন্ধ ওলাই বুলি কৈ দিয়া—
বেষ্ট ফ্ৰেণ্ড বুলি নক'বা।
শৈশৱৰ নিচুকণি বঁটা মোক নালাগে

টিভি ছিৰিয়েল চাই চাই হোৱা
তোমাৰ বন্ধুত্বৰ কনচেপ্ট
প্ৰেমিক মানেই চলমান খান হোৱাৰ ধাৰণা
আৰু মানৱতাৰ খাতিৰত
বাতিলজনক বেষ্টফ্ৰেণ্ড বোলাৰ অভ্যাস
জানো, ভাই চব জানো
কি বিচাৰা
আৰু কিহক নাপাই কান্দা চব জানো
লাফাংগা বুলি কোৱা আৱাৰা বুলি কোৱা
কমচেকম বেষ্ট ফ্ৰেণ্ড বুলি নক'বা

আৰে আমাৰ নিচিনা ল'ৰাৰ কি বন্ধুৰ আকাল
ইমানেই ওচৰৰ বন্ধুত্ব
যে অলপৰ বাবেহে কোনোবাই সমকামী বুলি নাভাবে

কি বিচাৰো তোমাৰ পৰা
বেকাৰ খাতাত নাম লিখাই লোৱা তোমাৰ
প্ৰেমিকক এবাৰৰ বাবেও নিজকে
মানুহ বুলি ভবাৰ অৱকাশ দিয়া
চাকৰি এটা বিচাৰি বাটৰ কুত্তাৰ দৰে হোৱা
সেইজনক
জীপাল কৰি তোলা তোমাৰ বুকুৰ উত্তাপেৰে
পাহৰাই দিয়া মৰমেৰে বিষময় এই পৃথিৱীৰ
সকলো বিষাদ।

এইবোৰ তোমাৰ অক্ষমতা, নোৱাৰিলা নাই—
নিচুকণি বঁটা নিদিবা—
কমচেকম বেষ্ট ফ্ৰেণ্ড বুলি নক'বা।



# শেষ বিচাৰৰ আখৰা


ৰূপম কুমাৰ বৰ্মন

*স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক, ইংৰাজী বিভাগ*


(এক)

পোৰামাটি-পোৰামাটি, চিনাকি অথচ তীব্ৰ অস্বস্তিদায়ক গোন্ধটোৱে গোটেই পথচোৰা সিহঁতক বিৰক্ত কৰি থাকিল। সিহঁতৰ চৌদিশে চিৰালফটা মাটিৰ বিশাল পথাৰ, অ'ত ত'ত কয়লা সদৃশ ক'লা মাটিৰ দ'ম, ক'ৰবাত ক'ৰবাত মান্ধাতা যুগৰেপৰা পৰি থকা বৃহৎ বৃহৎ শিলৰ টুকুৰা। শাৰী শাৰী তালগছৰ মাজত সূৰ্যৰ তীক্ষ্ণ পোহৰৰ আঁচোৰত ফাটিপৰা মাটিৰ বেদনা-বিহ্বল চাৱনিত তাইৰ সহ্যৰ সীমা শেষ হৈ গ'ল। ইপিনে ৰ'দত পোৰা দেহত ক্লান্তিৰ ৰেখা আনপিনে আপোনজনৰ বেদনাৰ মৌন আৰ্তনাদ। তাই নীৰৱে কিছুসময় চাই ৰ'ল। চিনাকি সেই মুখত ৰ'দে পোৰা স্পষ্ট দাগ। সুঠাম-সুস্থ শৰীৰ ঘামে ধুই নিছে। ক'লা দেহটো তেলতেলীয়া হৈ পৰিছে। ভাগৰে জুৰুলা কৰা দেহত কিন্তু নাই কোনো অৱসাদৰ চিন। বহুতো পুৰণি খণ্ড চিত্ৰ তাইৰ মনেৰে বিজুলীবেগে গুছি গ'ল। সেই মাহ-হালধিৰে গোন্ধ, খোপাৰ জেতুনিন ফুলৰ গোন্ধ... বিয়াৰ পিছৰ প্ৰথম চিনাকি... পিছৰ এবছৰ... দুবছৰ... সাতবছৰ... দহবছৰ। মৌনতাৰ ভাবাৰে কথাপাতি দুয়ো আগৰ ঢ়ি থাকিল। দুয়োৰে মন আকাশত পোৱা-নোপোৱা, হাঁহি-কান্দোনৰ অনেক খণ্ড চিত্ৰ। আপোন আপোন লগা ঠাই টুকুৰা পোৱাত তাই মূল পথ এৰি পথাৰৰ কিছু ভিতৰলৈ নামি গ'ল। সি পথৰ দাঁতিত থিয় হৈ আকাশৰ পিনে চাই ৰ'ল...।

তাই বহি পৰিল। চিৰালফটা মাটিত হাত ৰাখি আপোনমনা হৈ তাই চিৎকাৰ কৰি উঠিল ঃ 'এই... এই মাটি আমাৰ নহয় জানো? আমাৰ... আমাৰ মাটি... আমাৰে চন মাটি।'

ঃ 'ৰ'দে পুৰি ভস্মীভূত কৰা এই মাটি আমাৰ নহৈ আৰু কাৰ হ'ব মীনা, ঈশ্বৰৰ কি উত্তম বিচাৰ... আজি বিশবছৰে চন পৰি ৰ'ল। নদীয়ে সুঁতি সলালে... দেউতা হেৰাল। ... ভাগত পৰিল আমাৰ।'

তীব্ৰ ক্ষোভ আৰু হুমুনিয়াহৰ সুৰত কোৱা কথাখিনি শুনাৰ পিছতহে তাইৰ গাত তত আহিল। ইমানপৰে তাই যি ভাবিছিল তাৰ বিপৰীতহে হ'ল। সি তাইৰ মনৰ কথা শুনিলে অৱশেষত... ৰুক্ষ সপোন এটাৰ কথা... মাটিৰ মালিক হোৱাৰ... ধনে ধানে ওপচি উঠা ভড়াল এটাৰ কথা... এটা মৰীচিকাৰ কথা।

ঃ 'এন্ধাৰ হ'বৰে হ'ল, ঘৰলৈ ব'লা। পোনাকেইটাই বা কিখন ঘটাইছে। বুঢ়ীমাৰো চকুৰ জেউতি কমিছে।'

প্ৰসংগৰ আঁত অইন পিনে টানি তাই কৈ উঠিল। শেঁতা পোহৰত সিহঁত আগবাঢ়ি থাকিল...।

(দুই)

'আইতা... অ' আইতা... 'মা'হঁত এতিয়াও অহা নাই...? ৰাতি হ'ল দেখোন।'

ঃ 'আহিব দে, আহ বহ ... ইয়াতে বহ, কচোন আজি কি কি কৰিলি?'

ঃ 'অ' আইতা... বাবাই কিয় সিহঁতৰ মাটিত কাম কৰে। আমাৰ নিজা মাটি নাই নেকি?'

ঃ 'আছে অ'... সাধু এটাকে কওঁ আহ... বাকী দুটা বা ক'ত মৰিল। মুন্না... আয়া... ক'ত মৰিলি? আহ চোতালতে বহিবিহি আহ...'

ঃ 'বাবাই আমাৰ মাটিত কাম নকৰে কিয়? বাবা-মাই ইমান কষ্টেৰে কৰা খেতিৰ ধান সিহঁতে কিয় লৈ যায়? সিহঁতেটো পথাৰত কাম নকৰে। হাল নাবালেও কোনোবাই ধান পায় নেকি কিবা? বাবাই একো বুজি নাপায়।'

ঃ 'ধেৎ, এইটো... ফিবাকিবি সোপা বলকি থাক... এইটোৰ লগত আৰু নোৱাৰিছো। ৰাতি হৈ আহিল... মাক-বাপেক হালৰ এতিয়াও খবৰ নাই। ইমান গৰম পৰিছে, বিচি দিও ৰহ। সৌৱা আকাশলৈ চাচোন সেয়া তৰা এটাই দৌৰি আছে। মুন্না আয়া আহ এইপিনে আহ সাধু আৰম্ভ কৰিছোয়ে...'

ঃ 'অ' আইতা... আইতা... মই কেতিয়া পথাৰত যাব পৰা হ'ম? মই হ'লে বিমান ধান পাম গোটেই মথা ৰাখি থম। বহি বহি কোনোবাই ধান পাব পাৰে নেকি? নিদিওঁ সিহঁতক। নিদিওঁ...'

সিহঁতৰ ডাঙৰটো ল'ৰা ৰামাৰ প্ৰশ্নত বুঢ়ী বিৰক্ত হৈ উঠিল। কিছুমান নতুন নতুন প্ৰশ্ন তেওঁৰ মগজুৰে বাগৰি যাব ধৰিলে। সিহঁত আমাৰ মালিক। মালিকৰ মাটিত কাম কৰিলে ধান দিবয়ে লাগে, এয়ায়ে নিয়ম। 'কিন্তু পথাৰত কাম নকৰিলে জানো ধান পাব পাৰি?' প্ৰশ্নটোৱে তাৰ মনত বাৰে বাৰে ঘূৰি থাকিল। 'হয়তো?' যিয়ে কাম কৰে সিহে পাব লাগে' কিন্তু সিহঁত মালিক যে...। এই নুবুজা সাঁথৰটোৱে তেওঁৰ অভিজ্ঞ মগজুটো যোৱা কৰি তুলিলে। তেওঁ বিবুদ্ধিত পৰিল... 'এ থাওক দে বিয়ে যি কৰ কৰি থাক' আকাশত দৌৰি থকা তৰাটোৱে সিতো মূৰ পায়। তেওঁ সাধুটো আৰম্ভ কৰে... এখন দেশত আছিল এজন ৰজা...

ঃ 'মা আহিছে... মা আহিছে।' মুন্না আৰু আয়া দৌৰি মাকৰ ওচৰ পালে। 'বৰ ভোক লাগিছে মা, আইতাই একোকে নিদিয়ে... আজি আমি আম চুৰি কৰি খাওঁতে মাৰিছে জানা... ইমান বেয়া' দুয়ো একেমুখে অভিযোগ তুলিলে।

তাই শিয়ঁৰি উঠিল। ৰাতিপুৱাৰ ভয়টোৱে তাইৰ বুকুখন খামুচি ধৰিলে। তাই একে দৌৰে ঘৰৰ ভিতৰত সোমাল...

সাধুটো সামান্য বিৰতি লৈ পুনৰ চলি থাকিল। পেটৰ ভোক এৰি সাধুৰ ভোকত দুইটাই আইতাকৰ কোলাত ওলমি পৰিল। সাধুৰ ৰাজকোঁৱৰে দহখন যাদুকৰী দুৱাৰ ভেদি শালিকীটো পোৱাৰ কথা ওলাল, য'ত আছে দৈত্যটোৰ প্ৰাণ। সাধু চলি থাকিল...

দিনটোৰ বিৰামহীন পৰিশ্ৰান্ত দেহটো থুই সামান্য সতেজতা অনুভৱ কৰি বুধুৰ চোতালত বহাৰ মন যায়। মন যায় ধঁপাতৰ মায়াময় নিচাত কিছুসময় নিজকে পাহৰি যাবলৈ। ই তাৰ বহুদিনীয়া অভ্যাস। চোতালৰ পিৰাখনত বহি পৰি আপোনমনে সি বিড়ীটো জ্বলাই ল'লে। কাষত সাধুটো চলি থাকিল। আকাশত দ্বিতীয়াৰ কাঁচি জোন। আকাশভৰা তিৰ-বিৰ তৰাৰ সাম্ৰাজ্য... গোহালিৰ বলদৰ পলৰ ঘণ্টাৰ শব্দ... জিলিৰ মাত, শিয়ালৰ হোৱা। আকাশৰ পিনে তন্দ্ৰালস হৈ চাই থাকোতে তাৰ মনে উঁৱা মাৰিলে সেই সপোনটোৰপিনে... চৌদিশে নিলাভ জলৰাশি... বতাহে টানি নিয়া পাল... মনিবপৰা দূৰত্বৰ চৌদিশে আকাশৰ শেষ সীমা... মানুহৰ উত্তেজনা... কেঁচা মাছৰ গোন্ধ... উভতোতে এমোনা টকা। খেৰৰ চাল এৰি টিন উঠা... মাটিৰ ঠাইত ইটাৰ বেৰা... মীনাৰ ব'দে পোৰা গাল পকা সুমঠিৰা বৰণ হোৱা... শীৰ্ণ দেহত মেদ... ৰামাৰ কান্ধত স্কুলৰ বেগ... খেলনাত ডুবি থকা মুন্না আৰু আয়া আৰু বুঢ়ীমাকৰ শেষ নোহোৱা সাধুৰ মেলা।

ঃ 'হু, হু তৰমুজ লোৱা, যোৱাকালি আই ক'ৰবাৰ পৰা আনিছিল! ভালদৰে পকায়ে নাই...।' মীনাৰ মাততহে সি সপোন এৰি বাস্তৱত প্ৰৱেশ কৰিলে। তাইৰ জিলমিলাই থকা শেঁতা চকুযুৰিৰ পিনে চাই সি তৰমুজ টুকুৰা হাত পাতি ল'লে।

সাধুটো ক'ৰবাত এৰি ল'ৰা-ছোৱালীকেইটাই তৰমুজ টুকুৰাবোৰত উবুৰি খাই পৰিছে। পৰম তৃপ্তিত চোবাই থকা পোনাকেইটাৰ মুখলৈ চাই বুধুৰ কোনোবাখিনিত কিহবাই হেঁচা মাৰি ধৰা যেন লাগিল। উদ্বিগ্ন চাৱনিৰে সি সিহঁতৰ পিনে চাই ৰ'ল। ...

(তিনি)

ভাত ৰান্ধিবলৈ গৈ মীনাৰ ভয়টো আৰু বাঢ়ি গ'ল। মাত্ৰ এক ডেৰ কিলোমান চাউলহে বাকী আছে। ভঁড়ালো উদং...। খেতিৰ সময় হৈছেহে মাত্ৰ। বাকী দিনকেইটা কিদৰে খাব! দহটা বছৰত বাকী থাকিল কেৱল তাই মাকৰ ঘৰৰপৰা অনা গহনাখিনি... ভেটিৰ মাটি টুকুৰা আৰু বাচন বৰ্তন দুই এপদ। বাকীবোৰ... বাকীবোৰ কেৱল খোৱা ভাতমুঠিৰ বাবে আনৰ ভঁড়ালত সোমাল। ল'ৰা-ছোৱালীকেইটাৰ ভোকত আকুল মুখকেইখন তাইৰ দুচকুয়ে অহা যোৱা কৰিব ধৰিলে—

ঃ 'ভাত আৰু মূলাৰ আঞ্জা। আৰু একো নাই?'

ঃ 'মা মই মূলা নাখাওঁ, বেয়া... তিতা লাগে... কালি কিন্তু মোক কণী দিব লাগিব।'

ঃ 'মোকো লাগিব।'

ঃ 'মোকো লাগিব মা।'

এনেকুৱা পৰিস্থিতিত তাইৰ মগজুৰ যন্ত্ৰপাতিবোৰ খৰ গতিত চলিব ধৰে। চৌদিশৰ পৃথিৱীখন ঘূৰি থকা যেন অনুমান হয়। বাঁহী বজোৱা ঈশ্বৰলৈ মনত পৰে... হাতত ধনৰ কলহ থকা দেৱীৰ ছবি ভাহি উঠে।

...................

ৰাতি বিছনাত বুধু চটফটাই থাকিল। আকাশ দেখা ঘৰৰ ভিতৰত সামান্য চাকিৰ পোহৰ। মাকৰ কাষত... পোনা কেইটাই বিভিন্ন ভংগিত শুইছে। সিটো কোঠালীত বুঢ়ীমাকৰ নাকৰ ঘোৰ ঘোৰ শব্দ। বহুদূৰৰ পৰা অহা এচাটি মলয়া বতাহে নিশাটো বেছ আৰামদায়ক কৰি তুলিছে। ল'ৰা-ছোৱালীকেইটাৰ সুখ নিদ্ৰাৰ পিনে এবাৰ চাই পঠালে... সিহঁতৰ স্নিগ্ধ কোমল মুখত স্বৰ্গীয় দীপ্তি! ৰাতিৰ নিস্তব্ধতা ভেদি এটা হুমুনিয়াহ বাগৰি গ'ল।

ঃ 'অহাকালি ইহঁতৰ মুখত দিবলৈ একোৱে নাই।' নিশাৰ গভীৰতাক আৰু বেছি গধূৰ কৰি মীনাই কৈ উঠিল। 'ৰাতিপুৱাই কিবা এটাৰ যোগাৰ নকৰিলে কিযে হ'ব। তুমি কি ভাবিছা? মোৰ গহনা কেইপদে নহ'লে...।'

ঃ 'মনে মনে থাক' তাই কথাখিনি শেষ কৰিবলৈয়ে নাপালে, বুধু গৰজি উঠিল। 'মালিক, মালিক... কি বুলি ভাবিছে সি, সুতৰ নামত আমাৰ ভাত কাঢ়িব... তাৰ ওচৰত...'

ঃ 'চাউল ক'ৰপৰা আনিবা তেনে। তোমাৰ হাতত টকা-সিকি আছে নেকি?'

ঃ 'নাই... ৰাতিপুৱাবলৈ দেচোন কিবা এটা কৰিব লাগিব... তাৰ নাম নলবি... অলপ শান্তিত শুবলৈ নিদিবি নেকি?'

ঃ 'নহয়... মানে... এইটোও সঁচা তেওঁৰ বাহিৰেনো আমাক ভাত-মুঠি দিবৰ বাবে আৰু কোন আছে? এনেয়ে ইমান ধাৰ খাইছো... গহনা কেইপদ মোৰ একো কামত নালাগে...।'

ঃ 'তই মনে মনে থাকিবি নে?' বুধু গৰজি উঠিল। 'মালিক, মালিক... ঠগ, প্ৰৱঞ্চক... ছালা তাক। দোষ কৰিলে শাস্তিৰ বাবে সমাজ... পেটৰ ভাতমুঠিৰ বাবে...।' তাৰ কথা মীনাই একো বুজি নাপালে — মাথোঁ মনে মনে থাকিব লাগে মনে মনে থাকিল।

পিছদিনা পুঁৱতি নিশাৰ আজানৰ শব্দৰ লগত বুধুয়ে গৰুহাল লৈ পথাৰলৈ গ'ল। শুকান মাটি ফালি নাঙল আগুৱাই গৈ থাকে। তপিনাত এচাবিৰ মাৰ লৈ দেহত হালৰ ভাৰ লৈ বিনাপ্ৰশ্নে গৰুহাল ঘূৰি থাকে। আজি অ'ত বছৰে যিদৰে ঘূৰি আছে। হঠাৎ বিজুলি চমকনিৰ দৰে আজি তাৰ এটা চৰম সত্য আৱিষ্কৃত হ'ল। নিজকে তাৰ গৰুৰ শাৰীলৈ পৰ্যবসিত হোৱা যেন লাগিল। কোনো প্ৰশ্ন নাই কেৱল সমস্ত যন্ত্ৰণা লৈ ঘূৰি আছে... নিজৰ কাৰণে একোৱে নাই... চাউলৰ চিন্তাই তাক

কামত মনোযোগ দিব নিদিলে। সকলো এৰি সপোনটোৰ পিছে পিছে দৌৰিবলৈ মন গ'ল তাৰ...

ইপিনে মীনাই ঘৰৰ সকলো বাচন-বৰ্তন সামৰিলে। বুঢ়ীমাকে নীৰৱে কাণ্ড কাৰখানাবোৰ পৰ্যবেক্ষণ কৰি থাকিল। তেওঁ সাজু হ'ল। ক'ৰবাত দৌৰি খেলি ঘূৰি ফুৰা ৰামা আহি হঠাৎ উপস্থিত হ'ল। কাৰ্য-কাৰখানাবোৰৰ সি একো তত ধৰিব নোৱাৰিলে। বাচনবোৰৰ পৰা সি নিজৰ চিনাকি কাঁহীখন আৰু বাটিটো বুকুত খামোচ মাৰি চিঞৰি উঠিল।

'এইখন মোৰ কাঁহী, নিদিও কাকো। এইখন নহ'লে মই কিহত ভাতখাম... নিদিও নিদিও।'

বুঢ়ীমাকে তাৰ ওচৰ চাপে... মৰমেৰে সকলো বুজোৱাৰ প্ৰয়াস কৰে। সি ভেবা লাগি মাকৰ পিনে চাই ৰয়। তাৰ দুগালৰ চকুলো বাগৰে...

মীনাৰ বুকুৰ বোজাটো আৰু গধূৰ হয়। মুখখন ফুলি উঠে .. দাঁতে দাঁতে ঘঁহনি উঠে... দুচকুৰে মৌন অশ্ৰুজল সৰে।

(চাৰি)

অন্যদিনতকৈ পলমকৈ বুধু পথাৰৰ পৰা উভতিল। ঘামে তিতি তেলতেলীয়া কৰা তাৰ দেহটো দেখিবলৈ দুৰ্গাপূজাৰ বেদিত থকা মহিষাসুৰ যেন লগা হৈছে। ক'তো নোৰোৱাকৈ সি পাকঘৰ সোমাল...

ঃ 'ভাত বনাবলৈ চাউল ক'ত পালি? মাটিৰ চৰু কিয়? সাজ বাচনবোৰ ক'ত? অৱশেষত তাকে কৰিলি...' খঙত কঁপি কঁপি সি গৰজি উঠিল।

ভাতৰ চৰুটো দাঙি অনাৰ চেষ্টা কৰোতে মীনাই বাধা দিলে। শিৰাই শিৰাই প্ৰবাহিত গৰম তেজৰ সোঁত শাঁত পেলাবলৈ সি মীনাৰ গাত হাত তুলিলে। তাৰ পেশীবান হাতৰ প্ৰহাৰত মীনা বাগৰি পৰিল, ভাতৰ চৰুটো দাঙি সি মাটিত পেলাই দিলে। বিমূৰ্ত হৈ থকা মীনা এইবাৰ আঠুকাঢ়ি চিঁঞৰি পৰা ভাতৰ চৰুটোৰ ওপৰত পৰিল। অশ্ৰুসিক্ত কৰুণ চাৱনিৰে তাই মাতৃৰ সমস্ত মমতাৰে কৈ উঠিল।

ঃ 'পোনাকেইটাক বাচি থাকিব দিয়া। পোনাকেইটাক... প্ৰাণে নামাৰিবা...।'

সি কি কৰিব নকৰিব একো উবাদিহ নোপোৱা হ'ল। আকাশখন ভাঙি তাৰ মূৰত পৰা যেন লাগিল। সি পথাৰৰ পিনে খোজ ল'লে...

... ..........

নিশা কাঁচি জোনৰ বাঢ়ি অহা পোহৰে বুধুহঁতৰ ঘৰৰ ভিতৰখন কিছু পোহৰাই তুলিছে। অইন দিনৰ দৰে আজি চাকিৰ ব্যৱস্থা কৰা হোৱা নাই। শেঁতা পোহৰতে বুধুয়ে শুই থকা মীনাৰ পিনে চাই পঠালে। আয়া মাকৰ কোঁচতে শুই আছে। ৰ'দ আৰু পৰিশ্ৰমে কাবু কৰা মীনাৰ মুখমণ্ডলত আগৰ সেই জ্যোতি নাই। লঘোনে-ভোকে তাইৰ মুখখন শুকাই টেমি যেন হৈছে। তাতে আকৌ তাৰ লৌহ হাতৰ প্ৰহাৰ... ভাগৰে জুৰুলা কৰা দেহাটো বিছনাতে এৰি তাই আপোনমনে শুই আছে। এক তীব্ৰ শোকভাব আৰু মৰমৰ এনাজৰীয়ে বুধুৰ মনটো সেমেকাই তুলিছে। সি বিছনাৰ পৰা উঠি গৈ তাইৰ ওচৰাতে বহিল। ইমানদিনৰ চিনাকি দেহাটো তাৰ চুই চাবলৈ সংকোচ লাগিল। তাৰ অপৰাধী হাতখন আগুৱাই গৈও থমকি ৰ'ল। বুকুৰ পৰা উজাই অহা শোকটো তাৰ দুচকুৰে সৰি পৰিল। সি ভাবিবলৈ ধৰিলে তাৰ আলৈ-আথানি হোৱা সংসাৰখনৰ বাবে কেৱল সিয়ে দায়ী। এয়া তাৰ পূৰ্বজন্মৰে কৰ্মফল। আকাশত থকা ভগবানৰে বা তাত কি দোষ। এক হুমুনিয়াহৰ সতে সি উঠি আহিব খোজোতে খপ্‌জপাই মীনা উঠি বহিল। মৌন দুটি প্ৰাণ ওচৰ চাপিল...

..................

**গভীৰ নিশা...ঃ** 'আমাৰ সেই মাটিখিনিত খেতি নহবয়ে নেকি? আমি যদি গোটেইকেইটাই তাত লাগো...' বুধুৰ বুকুতে মুখ ৰাখি এক স্বপ্নৰ সুৰত মীনাই লাহে লাহেকৈ কৈ উঠিল। 'এবাৰ চেষ্টা কৰি চালে কেনে হয়। সেয়া আমাৰ মাটি... কোনেও তাৰ ধান নিব নোৱাৰে... সকলো আমাৰ... প্ৰথমবাৰ টান পৰিব... পিছত ঠিক হৈ যাব...।'

ঃ 'কথাটো হওতে হয়। পিছে ইমান বছৰৰ চন মাটি। বৰবুণো নাই... মই অকলে পাৰিম জানো...। ইমান টান মাটি...'

ঃ 'আমি আছো নহয়... ৰামায়ো দুই-এখন কৰিব পৰা হৈছে সিও যাব... এবাৰ চেষ্টা কৰি চালে কি ক্ষতি...। সেয়া আমাৰ মাটি... নিজৰ মাটি।'

(পাঁচ)

পুঁৱতি নিশাৰ আজানৰ শব্দৰ লগে লগে নতুন উদ্যমেৰে বুধুয়ে গৰুহাল লৈ পথাৰলৈ গ'ল, লগত মীনা আৰু ৰামা। ওৰে বাট সিহঁতৰ অসম্ভৱক সম্ভৱ কৰাৰ স্বপ্ন। মাটিত নাঙল পেলাইহে বুধুৰ স্বপ্ন ভাঙিল। ইমান টান আৰু ৰুক্ষ মাটি নাঙলৰ ফাল বহি যাওক চাৰি চুচুৰিহে যায়। কিছুসময়ৰ মূৰতে গৰুহালৰ মুখেৰে ফেন ওলাল। বেলি পূব পিনে থাকোতেই সিহঁত বহি পৰিলে। চিৰাল্‌ফটা মাটিত সোণ ফুলোৱাৰ স্বপ্নত মীনা অধীৰ হৈ উঠিল।

ঃ 'আমি পাৰিব লাগিব। চোৱা মাটি ফালিছে নহয়। এদিনত ইমানকৈ হ'লেও বহুমাটি ওলাব। এয়া আমাৰ মাটি... আমাৰ অন্নদাতৃ মাতৃ... এই মাটিতে আমি খেতি লগাম। ... ৰামা পানী লৈ আহ্...।' তাই বুধুক শক্তি দিয়াৰ চেষ্টা কৰিলে।

ঃ নহ'ব! ব'ল যাও ব'ল। বৰষুণ হ'লে আহিম।' বুধুয়ে সেপ ঢুকি ঢুকি তাইক বুজোৱাৰ প্ৰয়াস কৰিলে।

*ঃ বাবা চোৱা কজলা গৰুটোৱে শুই দিলে।' ৰামাই চিঞৰি উঠিল।*

..............

পিছদিনা ৰাতিপুৱা কাৰোবাৰ গগনফলা চিঞৰত ৰামা বিছনাৰপৰা উঠিল। কি হৈছে উমান লোৱাৰ বাবে বাহিৰ ওলাই সি দেখে--- আইতাক আৰু মাকে চোতালতে পৰি হিয়া ঢাকুৰি কান্দি আছে। কিছুদূৰত তাৰ দেউতাক আৰু কেইজনমান মানুহে সিহঁতৰ কজলা গৰুটো ভৰিত বান্ধি ওলোটাকৈ দাঙি পথাৰৰ পিনে গৈ আছে। সি মাকৰ ওচৰলৈ দৌৰি গ'ল। চৌদিশে কৰুণ পৰিৱেশ...

ৰাতি বাৰমান বজাতহে বুধু ঘৰ সোমাল। দিনটোত সি ক'ত কি কৰিছে একোয়ে তাৰ মনত নাই। শুই থকা মীনাৰ কাষত বহি কপালত চুমা খালে। হাতত গুজি দিলে গহনা বেচা টকাকেইটা। তাৰ ওঁঠত মীনাৰ সেন্দুৰৰ ফোটটো উঠি আহিল। খন্তেকো বিৰতি নলৈ সি সপোনটোৰ পিছে পিছে দৌৰি থাকিল।...

উপসংহাৰ

ঘূৰি আহোতে অনেক টকাৰ আশালৈ বুধু নাৱত উঠিছিল। মাছমৰীয়া বুঢ়াজনে এই দহদিনতে তাক বহু আদব-কায়দা শিকায়। কেনেকৈ জাল টানিব লাগে, কেনেকৈ ডাঙৰ মাছ তুলিব লাগে... ঢৌ বাঢ়িলে কি কৰিব লাগে, হাংগৰৰ লগত কিদৰে যুঁজিব লাগে। মন বেয়া লাগিলে কি গান গাব লাগে। চৌদিশে নীলা জলৰাশি... ঢৌৰ গৰ্জন... ৰোমাঞ্চকৰ অভিজ্ঞতাৰ পূৰ্বাভাষ... মীনাৰ শেঁতা চাৱনি... পোনাকেইটা... টকাৰ স্বপ্ন... সকলোবোৰ তাৰ মগজুত চাকনৈয়াৰ দৰে ঘূৰি থাকে। নাও চলি থাকিল। ট্ৰেঞ্জিষ্টৰত খবৰ 'বতৰ ফৰকাল'। নাও আগবাঢ়ি থাকিল। ...❖



# বৈধব্য

**অৰ্কজা ভৰদ্বাজ**

*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)*

মেলি থোৱা খিৰিকীখনেৰে এজাক ফিৰ্‌ফিৰীয়া বতাহ সোমাই আহিল। খিড়িকিখন জপাই দিওঁ বুলি ভাবিও অলসভাৱে বিছনাতে পৰি থাকিল স্মিতা। আজি কিছুদিনৰপৰা প্ৰায়ে এনেকুৱা সময়তে তাই টোপনিৰ পৰা সাৰ পাই যায়। কণমানি ঈপ্সিতাক পৰীৰ দেশৰ সাধু কৈ থাকোতে কেতিয়ানো তাইৰ টোপনি আহে গমেই নাপায়। দিনটোৰ চাকৰিৰ ব্যস্ততা আৰু দৈনন্দিন জীৱনৰ অতিৰিক্ত কৰ্ম ব্যস্ততাই শৰীৰটো ভাগৰুৱা কৰি তোলে। সেয়ে ঈপ্সিতাক শুৱাবলৈ লওঁতে তাইও ক'ব নোৱাৰাকৈ শুই পৰে আৰু মাজনিশা ঠিক এনে সময়তে তাই সাৰ পাই যায়। জোৰকৈ টোপনি নিয়াবলৈ চেষ্টা কৰিলেও তাই সাৰ পাই থাকে, যিদৰে ৰাতিৰ আকাশত সাৰ পাই থাকে তৰাবোৰ। স্মিতাৰ মনৰ বেদনাবোৰ যেন কেৱল জানে তৰাবোৰে। সেয়ে তৰাভৰা আকাশখনলৈ চালেই মনটো ভাৰাক্ৰান্ত হৈ পৰে। বহুদিন ভাবিছে... খিড়িকীখন জপাই থব। কিন্তু হাত দুখন দেখোন সংকুচিত হৈ আছে। মাজনিশা তৰাভৰা আকাশখনৰ বুকুতে তাই বহুত কিবাকিবি বিচাৰি পায়। বহুত প্ৰশ্নৰ সমাধান পায়। উন্মিলীত হয় তাইৰ আশাবোৰ, চাৰিবছৰীয়া ঈপ্সিতাক লৈ কৰা আশাবোৰ...।

প্ৰতি পলে পলে ঈপ্সিতাক লৈ কৰা আশাবোৰ সূৰুযমুখী নৌহওতেই দেবাৰ্থ তাইৰ জীৱনৰ

পৰা আঁতৰি গ'ল। অতিশয় জেদী আৰু অভিমানী আছিল সি। কিন্তু ক'তা... তাইতো কোনোদিনে দেবাৰ্থৰ ওচৰত কোনো অভিমান কৰা নাছিল, খং কৰা নাছিল। তেন্তে কি... য়...? কিয়... দেবাৰ্থ তাইৰ জীৱনৰপৰা আঁতৰি গ'ল?

সৰুৰেপৰা একেলগে খেলি ডাঙৰ হোৱা, একেটা শ্ৰেণীতে দুয়ো সদায় প্ৰথম, দ্বিতীয় হৈ আহি বিশ্ববিদ্যালয়ৰ পৰীক্ষাতো এৰে ফলাফল লাভ কৰা দেবাৰ্থই এদিন স্মিতাক প্ৰস্তাৱ দিছিল দুয়ো গোটেই জীৱন একেলগে থকাৰ। প্ৰথম অৱস্থাত তাই উচপ খাই উঠিছিল। বন্ধুত্বৰ এনাজৰীৰে বকুল ফুল বুটলি ডাঙৰ হোৱা সিহঁতৰ ল'ৰালি। এনে কথা তাই ভাবিবই নোৱাৰে। কিন্তু দেবাৰ্থৰ সবল যুক্তিত তাই হাৰ মানিছিল আৰু সেয়ে দুইখন ঘৰৰ সামান্য আপত্তি সত্ত্বেও এদিন সিহঁত দুয়োৱে যুগ্ম জীৱনৰ পাতনি মেলিছিল। দুবছৰৰ পিছত সিহঁতৰ জীৱনলৈ আহিছিল মৰম লগা ঈপ্সিতা। দেবাৰ্থই কৈছিল কন্যাজনীৰ নাম ৰাখিব লাগিব 'আশা'... তাই য়ে হ'ব আমাৰ আশা। স্মিতাই আপত্তি কৰিছিল। নামটো অলপ অগতানুগতিক হওক— 'অভিলাষা'। শেষত দুয়োৰ যুক্তি, প্ৰতিযুক্তিত আভিধানিক অৰ্থ চাই নাম ৰখা হৈছিল 'ঈপ্সিতা'। থুনুক থানাককৈ দুই এটা কথাৰে সকলোকে মৰম লগোৱা ঈপ্সিতাজনীক ওচৰ চুবুৰীয়া আৰু স্মিতা-দেবাৰ্থই চাকৰি কৰা কলেজখনৰ পৰিয়ালেই দিনটোৰ সৰহভাগ সময় মৰমেৰে আবৰি ৰাখিছিল। কণমানি ঈপ্সিতাই সকলোৰেপৰা অলপ বেছি মৰম আদায় কৰাৰ মূলতে আছিল তাইৰ চাইনিজ গঢ়ৰ মুখাৱয়ব। টনা টনা চকুহালিৰে উজ্জ্বল বৰণৰ ঈপ্সিতাক বহুতে জাপানী পুতলা বুলিয়ে মাতিছিল। আৰু দেবাৰ্থ...? সুন্দৰ কণ্ঠ আৰু সুৰেৰে মুগ্ধ কৰা নৃতত্ত্ববিভাগৰ দেবাৰ্থ কলেজৰ সকলো ছাত্ৰ-ছাত্ৰীৰে শ্ৰদ্ধাৰ আৰু মৰমৰ আছিল। সহকৰ্মী বহুতেই চুলিৰ ষ্টাইলৰ বাবে দেবাৰ্থক বিবেক ওবেৰয় বুলিয়ে জোকাইছিল। বেছিভাগ সময়তে জয়ন্ত হাজৰিকাৰ গান গুণগুণাই থকা দেবাৰ্থই কলেজৰ প্ৰায়বোৰ সংগীতানুষ্ঠানত জ্যোতিষ ভট্টাচাৰ্যই গোৱা— 'যোৱাৰ পৰত, সৰা শেৱালি বুটলি, কি হ'ব কোৱা' গীতটো গাইছিল আৰু পিছলৈ সহকৰ্মী, ছাত্ৰ-ছাত্ৰী সকলোৱে তাক সেই গীতটো গাবলৈ বাধ্য কৰাইছিল। মনৰ দুৰ্বাৰ আৱেগ আৰু অনুভূতিৰে গোৱা সেই গীতে ক্ষন্তেকৰ বাবে হ'লেও শ্ৰোতাৰ মনত শিহঁৰণ জগাইছিল। কিন্তু গানৰ শেষত জাউৰিয়ে জাউৰিয়ে পৰা হাত চাপৰিয়ে পুনৰ আনন্দৰ বন্যা নমাই আনিছিল। এনেকৈয়ে পাৰ হৈছিল সেউজবুলীয়া সপোনেৰে ভৰা ৰঙীন দিনবোৰ...। কিন্তু হ... ঠা... ৎ... হঠাৎ যেন এক ভুল হৈ গ'ল। সময়ৰ স'তে জুখি জুখি আগবাঢ়িবলৈ খোজা দেবাৰ্থৰ জীৱনৰ গতি যেন ৰুদ্ধ হৈ গ'ল। অতি সংগোপনে সময়তকৈ সি আগবাঢ়ি গ'ল য'ৰপৰা উভতি অহাৰ কোনো পথ নাই। কোনো যুক্তি-প্ৰতিযুক্তি নাই। আছে মাথোঁ অভিমান, বুকুভৰা অভিমান। কিন্তু কাৰ ওপৰত অভিমান কৰি দেবাৰ্থ আঁতৰি গ'ল সেয়া স্মিতাই বুজিব নোৱাৰিলে। কেতিয়াবা যুক্তিৰ খাতিৰত যুক্তি দিলেও কোনোদিনে স্মিতাই দেবাৰ্থক ভুল বুজা নাই, অভিমান কৰা নাই, মৰমৰ অভাৱ হ'বলৈ দিয়া নাই। তেন্তে... তেন্তে কিয়? ... তাই আৰু ভাবিব নোৱাৰা হৈ প'ৰে...। চকুৰ আগত ভাহি উঠে সেই অভিশপ্ত নিশা। কলেজৰপৰা আহিয়ে দহ মিনিটৰ বাবে বজাৰলৈ যোৱা দেবাৰ্থক নিশা দহ বজাত বগা কাপোৰেৰে মেৰিয়াই লৈ অহা হৈছিল তাইৰ ওচৰলৈ। দৈনিক বজাৰখনত হোৱা বোমা বিস্ফোৰণে আন তিনিজন নিৰীহ লোকৰ সৈতে দেবাৰ্থক চিৰদিনৰ কাৰণে আঁতৰাই নিছিল তাইৰ ওচৰৰপৰা। কূটাঘাতকাৰীৰ বৰ্বৰতাত হেৰাই গ'ল তাইৰ সপোন, বাস্তৱ সকলো। স্তব্ধ হৈ গৈছিল যেন প্ৰকৃতি, স্তব্ধ হৈছিল তাইৰ সমগ্ৰ সত্ত্বা। কোনোবাই তাইক গাত ধৰি জোকাৰি দিছিল, কপালৰ ৰঙা ফোঁটটো মোহাৰিবলৈ কোনোবা এগৰাকী আগুৱাই আহিছিল তাইৰ ওচৰলৈ। ঠিক... ঠিক সেই সময়তে... প্ৰচণ্ড ক্ষোভ আৰু বেদনাৰে তাই সশব্দে চিঞৰি উঠিছিল... না-ই... এনে... হ'ব নোৱাৰে... নোৱাৰে...। দেবাৰ্থই যে তাইক গোটেই জীৱন একেলগে থকাৰ প্ৰতিশ্ৰুতি দিছিল। এনে হ'বই নোৱাৰে...। হোৱাৰ যুক্তি নাই...। কিন্তু স্মিতাৰ যুক্তিক উপহাস কৰি দেবাৰ্থ হেৰাই গৈছিল দপদপাই জ্বলি উঠা চিতাৰ জুইৰ মাজত। বহুদিনলৈ কাৰো লগত মাত-বোল কৰিবলৈ ইচ্ছা নকৰা স্মিতাৰ সকলো সাহস, ধৈৰ্য যেন হেৰাই গৈছিল।

হাঁহি-কান্দোন, পোৱা-নোপোৱাৰ হিচাপেৰে সময় আগবাঢ়িছিল। লাহে লাহে মনৰ ইচ্ছাৰ বিৰুদ্ধেও কিছুমান কাম কৰিব লগা হৈছিল। কাৰণ তাই ব্যক্তিসত্ত্বা নহয়। তাই ঈপ্সিতাক ডাঙৰ কৰিব লাগিব, তাইক লৈ কৰা আশাবোৰ বাস্তৱায়িত কৰিব লাগিব। সেয়েহে উকা কপাল আৰু বগা সাজযোৰকে সাৰথি কৰি এক নতুন জীৱনৰ বাট বুলিছিল। কিন্তু লাহে লাহে এক গভীৰ উপলব্ধিয়ে তাইৰ আচ্ছন্ন কৰি পেলাইছিল। তাই নিৰাপত্তাহীনতাত ভুগিছিল। ওচৰ চুবুৰীয়া আৰু সহকৰ্মীসকলৰ কৰ্মব্যস্ততা আৰু উদাসীনতাই তাইক জীৱনটোক আকৌ এবাৰ নতুনকৈ ভাবিবলৈ শিকাইছিল। সেয়ে এদিন ৰাতিৰ তৰাভৰা আকাশৰ বুকুত তাই সমাধান বিচাৰি পাইছিল। তাই সিদ্ধান্ত লৈছিল উকা সাজযোৰ তাই আঁতৰাই পেলাব। তাই মূৰ তুলি থিয় হ'ব। বৈধব্যৰ কাৰুণ্যক আঁতৰাই তাই আগুৱাই যাব ঈপ্সিতাৰ সৈতে আৰু দেবাৰ্থৰ স্মৃতিবোৰ হ'ব তাইৰ যাত্ৰাপথৰ পাথেয়। ❖

উকা কপাল আৰু বগা সাজযোৰকে সাৰথি কৰি এক নতুন জীৱনৰ বাট বুলিছিল। কিন্তু লাহে লাহে এক গভীৰ উপলব্ধিয়ে তাইৰ আচ্ছন্ন কৰি পেলাইছিল। তাই নিৰাপত্তাহীনতাত ভুগিছিল। ওচৰ চুবুৰীয়া আৰু সহকৰ্মীসকলৰ কৰ্মব্যস্ততা আৰু উদাসীনতাই তাইক জীৱনটোক আকৌ এবাৰ নতুনকৈ ভাবিবলৈ শিকাইছিল। সেয়ে এদিন ৰাতিৰ তৰাভৰা আকাশৰ বুকুত তাই সমাধান বিচাৰি পাইছিল। তাই সিদ্ধান্ত লৈছিল উকা সাজযোৰ তাই আঁতৰাই পেলাব। তাই মূৰ তুলি থিয় হ'ব।



# নৱবৰ্ষ অনলাইন

প্ৰদীপ কুমাৰ দে

*স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক, অৰ্থনীতি বিভাগ*

হেল্ল' অসমবাসী বাইজ Can you hear me? মই নৱবৰ্ষই কৈছোঁ। তোমালোক ভালে-কুশলে আছানে? বহুদিন ধৰি তোমালোকৰ লগত কথা পাতিবলৈ বৰ মন গৈ আছে। কিন্তু গ্ৰাহাম বেলে বনাই থৈ যোৱা যন্ত্ৰটোৰ তাঁৰ-ছাৰ সোলোকাই তোমালোকে এইটো কি যে আধুনিক যন্ত্ৰ বনাই দিলা? সকলো সময়ত ছোৱালীজনীৰ এটাই কথা— 'All the lines in this route are busy, please try after sometime.' দিনে-নিশাই একেজনী ছোৱালী, একেই কণ্ঠ আৰু একেই উত্তৰ। আজিহে ইমান দিনৰ মূৰত খুচৰি খুচৰি লাইনটো পাইছোঁ। মই আহি আহি তোমালোকৰ ওচৰ পাইছোঁহি। কিন্তু এয়া কি? বাঁহৰ জপনাখন জপাই থৈছা যে? মই আহিম বুলি নাজানা নেকি? আৰু এয়া কি দেখিছোঁ। মোক আদৰিবলৈ আনি থোৱা গামোচাখনো বজাৰৰ পৰাহে কিনি আনিছা? নিজে ঘৰত ব'বলৈ পাহৰিলাই নেকি? নে সময়ৰ অভাৱ? তোমালোক সঁচাকৈয়ে ব্যস্ত নে? হাঁহি উঠা কথা নক'বাচোন? অসমবাসী আৰু ব্যস্ত? হ'বই নোৱাৰে। ব্যস্ততাৰ সংজ্ঞা কি জানানে? নে তোমালোক ব্যস্ত ফটকা ফুটোৱাত; মই আহিম বুলি?? অলপতে ফাঁচী বজাৰ, ৰেল ষ্টেচনত ফুটা ফটকাৰ উন্মাদ শব্দ মই শুনিছোঁ। উষ্ম আদৰণি পাই মোৰ বৰ ভাল লাগিছে? কিন্তু ফটকাৰ শব্দৰ লগতে ভাহি অহা মৰণকাতৰ চিঞৰবোৰ কাৰ? আপোনজনক হেৰুৱাৰ সেই কৰুণ বিনানি কাৰ? নে তোমালোকে মোৰ আগমনত বিশাল যজ্ঞ পাতিছা? আৰু নিজৰে আপোনজনক যজ্ঞত আহুতি দিছা? মই বেয়া পোৱা নাই কাৰণ 'Ye dil maange more...'.

বাকী খবৰ কোৱাচোন। সকলো ঠিকে আছেনে? আজৰি সময়ত আজিকালি কি কৰা? সময় পালেই গোষ্ঠীগত সংঘাটত লিপ্ত হৈছা নে নাই? নাই হোৱা? বৰ বেয়া কথা। চাবা কিন্তু, তোমালোকৰ ৰেকৰ্ড

যাতে কোনেও ভাঙিব নোৱাৰে। মই গৈয়েই হিচাপ ল'ম। বিগত বছৰটোত এনে মহাযুদ্ধত কেইজনক শ্বহীদ কৰিব পাৰিছা? মই জানো, এই ক্ষেত্ৰত তোমালোক সিদ্ধহস্ত। যিমানেই শিক্ষিত তথা বাস্তু নোহোৱা কিয়? এইবোৰ যুদ্ধত তোমালোক আগৰণুৱা। মই বুজি নাপাওঁ, নিজৰ ঘৰত জুই লগাই তোমালোকে ইমান আনন্দ কৰিব পাৰানে? অৱশ্যে সেইটোৱেইতো বৈচিত্ৰ্য, আমি অসমবাসী— Something Extraordinary'.

কিন্তু সংঘৰ্ষৰ পিছত, তোমালোকে যি দুজন ৰাজনৈতিক স্বাৰ্থলোভী মহান দালালৰ নিৰ্দেশত দুটা দলত বিভক্ত হৈ পৰস্পৰে পৰস্পৰক আঘাত কৰিছা, সেই দুজন বিৰোধী দালালৰ ঘৰলৈ যাওঁতে সাৱধান। সদায় বুকু ডাঠ কৰি যাবা, কাৰণ যাৰ নিৰ্দেশত তোমালোক বিভক্ত হৈছা, সেই দুজনে একেলগে বহি মদ্যপান কৰি থকা দৃশ্য দেখি হৃদযন্ত্ৰ বিকল নকৰিবা। পেচমেকাৰৰ খৰচ বাঢ়িব। হয়তো এই খৰচ তোমাৰ মহান দালালে নিদিবও পাৰে। কাৰণ তুমি এতিয়া এখন শেষ হৈ যোৱা নাটকৰ প্ৰাক্তন অভিনেতা।

শুনিছো যোৱাবছৰ জেলত থাকি অহা হত্যাকাৰীজনে এইবাৰ নিৰ্বাচনত প্ৰাৰ্থী হিচাপে থিয় হ'ব আৰু তেওঁৰ উদ্দেশ্য 'দুৰ্নীতি নিৰ্মূলকৰণ'। বৰ ভাল কথা। এওঁলোকৰেই দৰকাৰ আমাৰ সমাজত। তেওঁৰ লক্ষ্য যেতিয়া দুৰ্নীতিক নাইকিয়া কৰাৰ তেন্তে বৰ আনন্দৰ কথা। কাৰণ তেওঁ জিকিলে সমাজত দুৰ্নীতিয়েই নীতি হৈ পৰিব। তেতিয়া 'দুৰ্নীতি' শব্দটোৱেই নিৰ্মূল হৈ পৰিব। একেবাৰে 'Neat and clean'। তোমালোকে তেওঁৰ লগত লাগি আছা নহয়? চাবা, সুবিধা এৰি নিদিবা। তোমালোক থাকোতে আৰু তেওঁ নিজিকাকৈ থাকিবনে? তেৱেঁই হ'ব জন-প্ৰতিনিধি। অৰ্থাৎ তেওঁ হ'ব অহা পাঁচ বছৰৰ বাবে লাইচেঞ্চপ্ৰাপ্ত চোৰ, হত্যাকাৰী। শুনিছো তোমালোকৰ গাঁৱৰ বৃদ্ধ শিক্ষক ৰমাকান্ত বৰুৱাই তেওঁৰ বিৰুদ্ধে জনমত গঠন কৰি ফুৰিছে। তোমালোকে কি কৰি আছা? যোৱা, 'আবে বুঢ়া..'' বুলি দম এটা দি ঠাণ্ডা কৰি দিয়া নহ'লে তেওঁৰ গাভৰু ছোৱালীজনীক উঠাই আনিবা বুলিওতো হুমকি দিব পাৰা। যোৱা, যোৱা।

এইবছৰৰ বৃদ্ধ পেঞ্চনৰ তালিকাখনো মহান দালালজনে-যোৱাবাৰৰ দৰে বনাইছে নে নাই? কুমুদ ইঞ্জিনিয়াৰৰ বাপেকে ৰাতিপুৱা লগত লৈ মৰ্নিং ৱাক কৰা কুকুৰটোৰ বাবে তেওঁৰ বহুত খৰচ হয়। নাই নাই, তেওঁক এক নম্বৰত ৰাখিবা। পেঞ্চন তেওঁক লাগিবই। প্ৰেমানন্দ কাইটিৰ ডেকা ল'ৰাটি দুৰ্ঘটনাত ঢুকাল। এতিয়া তেওঁৰ খোৱা-বোৱাই নচলে। তেওঁকো পেঞ্চন এটা লাগিছিল; কিন্তু এইবাৰ হ'লে নহব দেই। নাখাই-নবৈ জীয়াই থাকে যদি পিছৰবাৰ তেওঁৰ কথা ভবা যাব। এইবাৰ হ'লে কুমুদ ইঞ্জিনীয়াৰৰ বাপেকৰটোহে বেছি জৰুৰী, বেচেৰা কুকুৰটোৰ চেহেৰা বেয়া হৈ গৈ আছে।

বাৰু, তোমালোকে কলেজ বা অন্য কাম ক্ষতি কৰি হ'লেও পাৰ্ক, চিনেমা হলত গৈ আছানে নাই? গৈ থাকিবা দেই। ক্লাছ দুই-এটা নকৰিলেও নাই কিন্তু এই মধুৰ মহূৰ্ত, চাৰি চকুৰ মিলন, নেহৰু পাৰ্কৰ আনন্দ হ'লে নষ্ট নকৰিবা। তোমালোকৰ বাবেই অসমৰ চিনেমা-উদ্যোগ নমৰি কোনোমতে জীয়াই আছে। তোমালোক যদি ক্লাছত বহি থকা, আৰু ইফালে চিনেমা হলত তলা নালাগিব নে? লোকচান কাৰ হ'ব? চৰকাৰৰ? চৰকাৰখন কাৰ? আমাৰ ৰবদেউতাহঁতৰ? গতিকে লোকচানতো আমাৰে হ'ল।

আৰু এটা ডাঙৰ কথা, তোমালোকে এতিয়াও গাখীৰ বেছি মদ খাই আছা নে নাই। যোৱাবাৰৰ তুলনাত এইবাৰ মদৰ দোকানৰ সংখ্যা বেছি বঢ়া নাই বুলি শুনিছো। বৰ বেয়া কথা। আন্দোলন কৰা, জন জাগৰণ গঢ়ি তোলা, ধৰ্ণা দিয়া। মুঠতে মদৰ দোকান যিমান পাৰা সিমান গঢ়ি তোলা। বেলেগে কি কয় নুশুনিবা। মাথোঁ মদ খাই যোৱা, মদ খালে কি হ'ব? নিচা লাগিব, বেচিকৈ খালে? বেছি নিচা লাগিব। সদায় খাই থাকিলে কি হ'ব? মৰি যাব। মৰি গ'লে কি হ'ব? জনসংখ্যা কমিব? ভাৰত চৰকাৰে ইমান বছৰে ইমান আঁচনি প্ৰস্তুত কৰিও সমাধান কৰিব নোৱাৰা সমস্যা এটা যদি ইমান সহজতে সমাধান হৈ যায়, তাতে বেয়া কথাটো কি? মদ খালে দেখোন আমাৰ দেশৰে উন্নতি আৰু আমাৰ দেশৰ উন্নতি নিবিচাৰে কোনে? আই.এছ.আই? অৰ্থাৎ মদ খাবলৈ নিদিয়া মানুহবোৰ কি বাৰু? হয়, ঠিকেই ভাবিছা— I.S.I.

বহুত সময় কথা পাতিলো। কি বুজিলা? কি নুবুজিলা? নাজানো। কাৰণ তোমালোক প্ৰত্যেকেই এটাই জানা যে তুমি যিটো জানা, সেইটো আৰু ত্ৰিভূবনত কোনেও নাজানে। আজিলৈ থৈছো। পুনৰ কেতিয়াবা ফোন কৰিম। কিন্তু মই জানো সেই ছোৱালীজনীয়ে একেটা কথাই ক'ব— 'All the lines in this route are busy. please try after sometime'.❖

---

**সম্পাদকীয়**

বৰ্তমান অসমত অসমীয়া বিভিন্ন লোক-সংস্কৃতিসমূহৰ পতন ঘটাই এক পাশ্চাত্যৰ সংস্কৃতিৰ ৰব চোলা পিন্ধা এক বিজতৰীয়া সংস্কৃতিৰ জন্ম হোৱা দেখা গৈছে। তথাকথিত শিক্ষিত সমাজত অসমীয়া বিভিন্ন গীতকৈ পাশ্চাত্য সঙ্গীতৰ আদৰ বেছি। একেদৰেই অসমীয়া ভাওনা, থিয়েটাৰতকৈ Enter the Dragon আদিৰ দৰে কেতবোৰ হলস্থুলীয়া ইংৰাজী কথাছবি ডেকাচামৰ বেছি প্ৰিয়। আনকি অসমীয়া কথাছবিও হিন্দী বা ইংৰাজী ছবিতকৈ ডেকাচামৰ মাজত কম জনপ্ৰিয়। বহু অসমীয়া যুৱকে স্পষ্ট ভাবেই Beat Contestতকৈ লোকগীত, বৰগীত নিম্ন মানদণ্ডৰ বুলি কয়। অসমীয়া জাতিৰ পক্ষে ইয়াতকৈ দুৰ্ভাগ্যৰ কথা একো নাই। অসমীয়া সংস্কৃতিৰ বিপদাপন্ন অৱস্থাত প্ৰতিজন অসমীয়াৰে কৰ্তব্য হৈছে ইয়াক ৰক্ষণাবেক্ষণ দিয়া। শ্লোগান আৰু পোষ্টাৰত 'জয় আই অসম' বুলি লিখিয়েই ক্ষান্ত নাথাকি অসমীয়া সংস্কৃতিক বিপদৰ মুখৰপৰা ৰক্ষা কৰি এক সুস্থ সবল সংস্কৃতিৰ সৃষ্টি কৰি 'অসমীয়াৰ অসমীয়াত্ব' বজাই ৰাখিবলৈ সাজু হ'বৰ হ'ল।

—হিৰণ্য বৰুৱা ঃ ৭৯-৮০/৫৫ তম সংখ্যা



# বাহাৰুল ইছলাম

## বিশিষ্ট অভিনেতা

**(১) ভ্ৰাম্যমান থিয়েটাৰত 'গ্লেমাৰ'ৰ আগমনে প্ৰতিভাসম্পন্ন অভিনেতা-অভিনেত্ৰীৰ ভৱিষ্যত উজ্জ্বলৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিছে নেকি ?**

সকলো নহ'লেও বেছিভাগ 'গ্লেমাৰে' প্ৰকৃত অভিনয় নজনাকৈ ৰাইজৰ মাজত জনপ্ৰিয় হৈ পৰিছে। গতিকে, ভ্ৰাম্যমান থিয়েটাৰত তেওঁলোকৰ আগমনে গ্লেমাৰহীন এচাম প্ৰতিভাবান অভিনেতা-অভিনেত্ৰীৰ অভিনয়ৰ পৰিসৰ সংকুচিত কৰি পেলাইছে। ভাল 'চৰিত্ৰ' অভিনয়ৰ ক্ষেত্ৰত বাধা দিছে। ফলত গ্লেমাৰহীন প্ৰতিভাবানসকলে সৰু সৰু 'চৰিত্ৰ'তে সীমাবদ্ধ থাকিব লগা হৈছে।

**(২) অভিনয়ৰ বাবে আনুষ্ঠানিক শিক্ষাৰ প্ৰয়োজন আছে বুলি আপুনি ভাবেনে ?**

ভাবো। নিশ্চয় আছে। সফল অভিনয়ৰ বাবে এই শিক্ষা নিতান্তই প্ৰয়োজনীয়।

**(৩) অসমত ভাল নাট্যকাৰৰ অভাৱ অনুভৱ কৰিছে নেকি ?**

একেষাৰতে ক'বলৈ গ'লে — কৰিছো। কাৰণ, গধুৰ বিষয়বস্তু আৰু গভীৰ আলোকপাতেৰে এখন নাটক আগুৱাই নিবৰ বাবে অধ্যয়নৰ নিতান্তই প্ৰয়োজন। যদিও বৰ্তমান সময়ত দুই-এজন নবীন নাট্যকাৰ সফলতাৰ দিশত অগ্ৰসৰ হৈছে — তথাপিও অনুভৱ হয় যেন নৱপ্ৰজন্মৰ নাট্যকাৰৰ অধ্যয়নৰ অভাৱ ঘটিছে।

**(৪) অসমত অব্যৱসায়িক নাটকৰ যোগেদি এচাম প্ৰতিভাবান অভিনেতা-অভিনেত্ৰীয়ে নিজৰ অভিনয়ক পেছা হিচাপে ল'ব পৰাৰ সময় বা পৰিস্থিতিৰ উত্তৱ হৈছে বুলি ভাবেনে ?**

দুখৰ বিষয় যে, ৰাজ্য চৰকাৰৰ সাংস্কৃতিক ক্ষেত্ৰত এনে কোনো আঁচনি নাই। কিন্তু, কেন্দ্ৰীয় চৰকাৰত আছে। কেন্দ্ৰীয় চৰকাৰৰ এনে আঁচনিৰ বিষয়ে কাকতে-পত্ৰই বহু লেখা-মেলা ওলাই থাকে। কিন্তু, আমাৰ নৱ-প্ৰজন্মৰ অধ্যয়নৰ মানসিকতা নথকা বাবে এইবোৰৰ বিষয়ে আজিও অজ্ঞাত হৈ আছে। সঁচা কথা ক'বলৈ গ'লে — নতুন প্ৰজন্মৰ বিশ্লেষণিক মনোভাৱ একেবাৰে কমি গৈছে। যাৰফলত, কিছুমান সুবিধা গ্ৰহণৰপৰা আজিও বঞ্চিত হৈ আছে।

**(৫) 'ছিগাল' থিয়েটাৰক লৈ আপোনাৰ ভৱিষ্যত পৰিকল্পনা ?**

১৯৯০ চনতে জন্ম হোৱা ছিগালে এতিয়া উঁৰিবলৈ আৰম্ভ কৰিছেহে মাথোঁ। আশা আছে, সপোন আছে বহুতো। মোৰ বহুকেইজন বন্ধু-বান্ধৱে ইয়াৰ উন্নয়নৰ ক্ষেত্ৰত আৰ্থিক সহায়ো কৰিছে। ৰাইজৰ সহায়-সহযোগিতাৰে আমি এতিয়া ছিগাল থিয়েটাৰৰ সলনি 'ছিগাল পৰিয়াল' হিচাপে জনসমাজত পৰিচয় দি আগবাঢ়িবলৈ প্ৰয়াস কৰিছো এক নৱ আলোকৰ সন্ধানত।



# যতীন বৰা

## বিশিষ্ট অভিনেতা

**(১) ভ্ৰাম্যমান থিয়েটাৰে অসমীয়া বোলছবি জগতৰ প্ৰতি কিবা ভাবুকিৰ সৃষ্টি কৰিছে বুলি ভাবে নেকি ?**

নাই নাভাবো। কাৰণ ছবিঘৰলৈও দৰ্শক যায় আৰু ভ্ৰাম্যমান থিয়েটাৰ উপভোগ কৰিবলৈও দৰ্শক আছে। কিন্তু, বোলছবি নগৰ-চহৰতে সীমাবদ্ধ আৰু ভ্ৰাম্যমান থিয়েটাৰ গাঁও-নগৰ সকলোতে প্ৰদৰ্শিত হয়। গতিকে, বিদেশৈই নহওক আমি আমাৰ সংস্কৃতিটো অক্ষুণ্ণ ৰাখিব লাগে।

**(২) ভৱিষ্যতে ভ্ৰাম্যমান থিয়েটাৰ আৰু অসমীয়া বোলছবিৰ মাজত কিবা সংঘাতৰ সৃষ্টি হ'ব পাৰে নেকি ?**

নাই নোৱাৰে। অসম্ভৱ কথা। কাৰণ আমি একেখিনি মানুহেই কম-বেছি পৰিমাণে দুয়োক্ষেত্ৰতে জড়িত। যদিও যোৱা কেবাবছৰ ধৰি অসমীয়া চিনেমাই আশাৰ মুখ দেখা নাই, কিন্তু আমি এই ২০০৮ চনৰপৰা এইক্ষেত্ৰত এক বিশেষ আঁচনি ল'বলৈ আগবাঢ়িছো। চৰকাৰেও মিনি চিত্ৰগৃহ নিৰ্মাণৰ ক্ষেত্ৰত আমাক সঁহাৰি জনাইছে। ৰাইজৰ আশীৰ্বাদ আৰু সহায়-সহযোগিতা পালে আমি নিশ্চয় সফল হ'ম। তেনেস্থলত, সংঘাতৰ কথা ভাবিবই নোৱাৰি।

**(৩) VCD ৰ জোৱাৰে বৰ্তমানৰ নৱ-প্ৰজন্মৰপৰা সফল অভিনেতা- অভিনেত্ৰী সৃষ্টিৰ ক্ষেত্ৰত কেনে অৰিহণা যোগাইছে?**

VCDৰ অৰিহণা আছে। বহু নতুন অভিনেতা-অভিনেত্ৰীয়ে ইয়াত সুযোগ পাইছে। এয়া তেওঁলোকৰ বাবে নতুন প্ৰেৰণা। আশা ৰাখিছো — এই নৱপ্ৰজন্ম নিশ্চয় সফল হ'ব।

**(৪) অসমীয়া বোলছবি জগতৰ ভৱিষ্যত সম্বন্ধে আপোনাৰ মতামত কি ?**

ভৱিষ্যত আমি উজ্জ্বল হোৱাটোৱেই কামনা কৰো। বৰ্তমান সময়ত অসমীয়া বোলছবিৰ অৱস্থা দুখজনক হোৱাৰ মূলতে হ'ল — অসমীয়া বোলছবি উদ্যোগৰ নিষ্ক্ৰিয়তা, বেছি বাজেট যোগান ধৰা প্ৰযোজকৰ অভাৱ আদি। এইক্ষেত্ৰত আমাৰ যথেষ্ট দায়িত্ব আহি পৰিছে। এই ২০০৮ চনত মই, মুনিন বৰুৱা, জুবিন গাৰ্গ, ৰাজেশ ভূএগ কেইবাজনো লগ লাগি 'সুপ্ত ক্ৰন্দন' নামৰ এখন বোলছবিৰ কাম হাতত লম। আমি আশা ৰাখিছো — ইয়াৰপৰাই অসমীয়া বোলছবি জগতত পুনৰ এক নতুন ঢৌৰ সৃষ্টি হ'ব।

**(৫) বৰ্তমান হত্যা-হিংসাৰ বিভীষিকাৰে জৰ্জৰিত অসমৰ নতুন প্ৰজন্মৰ ভৱিষ্যত সম্পৰ্কে আপুনি কি ভাবে ?**

আমি শিল্পী মানুহ। আমাক শান্তি লাগে। মই ক'বহে পাৰিম। অকলেতো একো কৰিব নোৱাৰো। জনগণ জাগ্ৰত হ'ব লাগিব। এক শান্তিময় পৰিৱেশ সৃষ্টি কৰিবলৈ উঠি-পৰি লাগিলেহে আমাৰ নতুন প্ৰজন্মই উজ্জ্বল ভৱিষ্যতৰ মুখ দেখিব।



# বিষ্ণুপ্ৰসাদ ৰাভা স্মৃতি কাননত শব্দৰ কাকলি

## প্ৰবন্ধ


- স্বপ্নসন্ধানী জীৱন : **স্বৰাজ ফুকন** ১০৫
- অসমৰ লোক-সংস্কৃতিৰ বাদ্যযন্ত্ৰসমূহ : **ৰুমী কলিতা** ১০৭
- ব্যৱসায়িক ভিত্তিত কাঠফুলা : **নমিতা শইকীয়া** ১০৯
- নতুন প্ৰজন্মৰ ওপৰত অভিভাৱকৰ আৰ্থিক স্বচ্ছলতাৰ প্ৰতিকূল প্ৰভাৱ : **প্ৰণৱজ্যোতি ভূঞা** ১১১
- এক বিহংগম দৃষ্টিৰে মাতৃভাষাৰ প্ৰতি আমাৰ দায়বদ্ধতা : **চন্দ্ৰপ্ৰভা ঠাকুৰীয়া** ১১৩


## কবিতা


- অব্যৰ্থ সাহস : **অংকিতা বৰা** ১১৪
- এখন নদীৰ সৈতে : **সংগীতা নেওগ** ১১৪
- মোৰ ঠিকনা : **বৰ্ণালী বৰ্মন** ১১৫
- অপাংক্তেয়- ডাষ্টবিনত অমৃত : **যুৱৰাজ গগৈ** ১১৫
- মৃত্যুলৈ আন্তৰিকতাৰে : **কাংকান কাকলি পেগু** ১১৫
- বিষাদ স্তৱক : **জয়শ্ৰী বৰা** ১১৬
- বৰ্ণময় অনুভৱ : **ঋতুপৰ্ণা বৰগোহাঁই** ১১৬
- এজনৰ অন্তৰ্দৃষ্টিৰে : **পুণ্যপ্ৰভা বৰুৱা** ১১৭
- এটি গীত : **নুৰুল ইছলাম শইকীয়া** ১১৭




## গল্প


- মৃতদেহৰ সন্ধান : **নমিতা কলিতা** ১১৮
- মাটিৰ গোন্ধ : **প্ৰীতি ডেকা** ১১৯
- নিশব্দ : **ভাৰ্গৱজ্যোতি নাথ** ১২১


## প্ৰাচীৰ পত্ৰিকা


- প্ৰাচীৰ পত্ৰিকাত কটনিয়ানৰ ভাৱৰ সোণালী আকাশ : **অভিজ্ঞান দাস/অনন্ত গগৈ** ১২৪


## সাক্ষাৎকাৰ


- ডাঃ মৃদুলা শ্যাম ১২৬



# স্বপ্ন-সন্ধানী জীৱন



**স্বৰাজ ফুকন**

*স্নাতক তৃতীয় বৰ্ষ, বুৰঞ্জী বিভাগ*

### এক/প্ৰস্তাৱনা

ভল্টেয়াৰ আছিল ফৰাচী বিপ্লৱৰ এজন অন্যতম কাণ্ডাৰী। তেওঁ আছিল প্ৰখ্যাত দাৰ্শনিক আৰু মনীষী। অনেক তেজস্বী ৰচনাৰে তেওঁ সমসাময়িক জগতখনত তুমুল আলোড়নৰ সৃষ্টি কৰিছিল। এইজন প্ৰখ্যাত বিপ্লৱী, দাৰ্শনিক তথা সাহিত্যিকৰ আছিল জীৱন সম্পৰ্কে গভীৰ ধাৰণা। সেই ধাৰণাৰে তেওঁ জীৱনযাত্ৰা সম্পৰ্কে যুৱকসকলক উদ্দেশ্যি এইদৰে কৈছিল — 'হেৰা মোৰ ল'ৰা, সংসাৰত তোমাৰ প্ৰথম খোজটো এনেকৈ দিবা, যিটোৰ ওপৰত জীৱনৰ বাকী দিনবোৰ নিৰ্ভৰ কৰিব।' অতীতৰপৰা সাম্প্ৰতিক কাললৈকে অনেক মনীষীয়ে জীৱন সম্পৰ্কে অৰ্থপূৰ্ণ মন্তব্য আগবঢ়াইছে। কিন্তু ভল্টেয়াৰৰ উক্ত মন্তব্যই আমাক নিশ্চয় সচকিত কৰি তোলে। ইয়াৰপৰাই প্ৰমাণ হয় যে জীৱন এক অবিৰত যাত্ৰা; কিন্তু সেই যাত্ৰাৰ দীৰ্ঘপথ হয়তো মসৃণ আৰু সেন্দূৰীয়া নহয়। জীৱন যাত্ৰাত পদে পদে দিব লাগে সাৱধানী খোজ।

### দুই/জীৱন এক বিস্ময় ঃ

জীৱন এক অন্তহীন বিস্ময়। সামগ্ৰিক অৰ্থত জীৱন ক্ষুদ্ৰ নহয়, খণ্ডেকীয়াও নহয়। ৰহস্যময় বিশ্বৰ কোনো অনাদি অনন্তৰ প্ৰান্তৰ ভেদি আহিছে জীৱন! ক'ত সেই জীৱনৰ প্ৰথম বিন্দু? ক'ত সূচনা হ'ল জীৱন শলিতাৰ পহিলা শিখা? আজিও যে নোলাল উত্তৰ। ওলাইছে; কিন্তু সঠিক উত্তৰ যেন এতিয়াও মৰীচিকা। তথাপি লহৰ। লহৰে লহৰে আহি আছে জীৱন। বিশাল সমুদ্ৰত যেন অনন্ত লহৰ। দিবা-নৈশ বিৰতিবিহীন। ইয়েই মহাজীৱন।

> প্ৰেমত সহযোগৰ প্ৰয়োজন আছে। প্ৰেমে মধ্য জীৱনত অৱস্থান কৰে কিয়? প্ৰেম যৌৱনৰ অতিথি। এই অতিথি যিমানে সভ্ৰান্ত হয়, সিমানে মংগল। নৰ-নাৰীৰ যি প্ৰেম, সেই প্ৰেমক এৰাল ছিঙি দৌৰিবলৈ দিব নোৱাৰি। কাৰণ মানৱৰ প্ৰেম সভ্যতাৰ ৰঙেৰে উজ্জ্বল।

স্তু জীৱন নহয় উকা তুলাপাত। ৰং আৰু ৰঙৰ সমাৱেশ। সেই ৰঙৰ ন্য নাম স্বপ্ন, আশা, কামনা-বাসনা আৰু সহজাত প্ৰবৃত্তি। জীৱনে প্নক আগুৱাই নিয়ে নে স্বপ্নই জীৱনক? প্ৰকৃততে স্বপ্নৰপৰা জীৱন থক নহয়। পৃথক হোৱা হ'লে জীৱনৰ 'Trend' অন্যধৰণৰ লহেঁতেন। অৱশ্যে জীৱনৰপৰাই স্বপ্নক মুকলি মাতেৰে আমন্ত্ৰণ ৰা হয়। আমন্ত্ৰণে সঁহাৰি লাভ কৰে। কিন্তু সেই বুলি জানো সকলো প্নই বাস্তৱৰ সোণালী উপত্যকাত নাম লিখোৱাব পাৰে। হয়তো াৰে, হয়তো নোৱাৰে। কেতিয়াবা উপত্যকালৈ আহে অপ্ৰত্যাশিত মুহা। চূৰ্ণ-বিচূৰ্ণ কৰি যায় জীৱন-শস্য। তেতিয়া কি কৰা যায়। হসৰ সমল গোটোৱা হয়নে, দোহাই দিয়া হয় ভাগ্য বা নিয়তিক।

### তিনি/জীৱনৰ ভোগঃ

চাৰ্লছ ডাৰউইনৰ Origin of Species পঢ়ি আজিৰ মানুহ য়িৰি নুঠে। হয়, 'My great grandfather was a monkey'. নই ধূসৰ বিৱৰ্তনৰ ইতিহাসত লাগি আছে সংগ্ৰাম, জীৱন সংগ্ৰাম। যি ত্ত্ব চিৰসত্য, সেয়া হৈছে 'Survival of the Fittest'-যোগ্য-ভোগ্য সুন্ধৰা! আমি স্বপ্নাতুৰ, কামনা-বাসনাৰ চিৰন্তন ৰঙেৰে আৰক্ত থিক। আমি কেতিয়াবা নিয়তিৰ দাস হৈ নপৰা নহয়। কিন্তু মানুহ চাপে নিজৰ ভাগ্যৰ অভিযন্তা-নিয়ন্ত্ৰা হ'বলৈ আমি সাজু থকা ভাল। নয়া হ'ব আধুনিক মানুহৰ আধুনিক চিন্তা।

ব্যক্তি, সমাজ আৰু ৰাষ্ট্ৰক প্ৰাচুৰ্য লাগে। ইয়াৰ বাবে অৰ্থ-সম্পদ পৰিহাৰ্য। জীৱনৰ প্ৰয়োজনীয় আহিলাবোৰ উভৈনদী হ'লেই ক্তিৰপৰা ৰাষ্ট্ৰলৈকে প্ৰাচুৰ্যক গ্ৰহণ কৰাও হৈছে। আমাৰ ৰাষ্ট্ৰ বহু মস্যাৰে জৰ্জৰিত হ'লেও উন্নত ৰাষ্ট্ৰ হোৱাৰ দিশত ধাৱমান। ইয়াৰ জতে বৃহৎ জনসাধাৰণৰ বাবে মানসিক ঐশ্বৰ্যৰ যে অতীৱ য়োজন, সেই কথা পাহৰিলে নচলিব। মানসিক ঐশ্বৰ্যৰ অবিহনে ীৱন উপভোগ্য হ'ব নোৱাৰে। হ'লেও সেই উপভোগ বেসুৰা হৈ ৰে। কাৰণ বিনন্দীয়া পৃথিৱীৰ সমৃদ্ধি উপভোগ কৰিবলৈ হ'লে বাচি 'ব লাগিব সঠিক পথ। দেশপ্ৰেম, মানৱ প্ৰেম যাৰ অন্তৰত বিদ্যমান, তনেজন ব্যক্তিৰ বাবে জীৱন উপভোগৰ অৰ্থ সুকীয়া। অকলে ীৱন উপভোগ্য হ'বই নোৱাৰে। মানুহে মানুহক দিয়া প্ৰেম, মমতা, ৰুণা আদি সজ গুণে মানুহক মহান কৰে আৰু ইয়াৰ মাজেদি সম্ভৱ হ উঠে জীৱনৰ উপভোগ।

### চাৰি/জীৱনৰ বৈভৱঃ

যৌৱন জীৱনৰ বৈভৱ। প্ৰাণ বন্দৰত যেতিয়া গুঞ্জণ উঠে, ৰীৰ পুৰঠ হয়, মন দ্ৰুতগামী হয়, সেই সময়তে জীৱনৰ বৈভৱ হ আহে যৌৱন। জীৱনৰ শ্ৰেষ্ঠ সময় যৌৱনত সকলোৰে মনত ম-বেছি পৰিমাণে উন্মাদনাই বাহ সাজে। কিন্তু যৌৱন কেৱল উন্মাদনাসৰ্বস্ব হ'লে ক্ষতিকাৰক হোৱাৰো সম্ভাৱনা থাকে। সেইবাবে যৌৱনে ভঙাৰ নহয়, গঢ়াৰ সোণালী পথ বাচি লোৱা যুগুত। যৌৱনত প্ৰেমৰ অনুৰাগ এক স্বাভাৱিক ধৰ্ম। বিশ্ববিখ্যাত নোবিজ্ঞানী ছিগ্‌মণ্ড ফ্ৰয়ডে কৈছে — 'প্ৰেম আৰু পৰিশ্ৰম' — ই দুটাৰ বাহিৰে জীৱনৰ আন কোনো বস্তুৰেই মূল্য নাই।' যৌৱন যে পৰিশ্ৰমৰ বাবে যোগ্য সময়, সেই কথা সত্য। কৰ্মঠ দুবাহু, সবল শৰীৰ, পৰিপুষ্ট হৈ উঠা মনৰ বিস্তৃত বলয়ৰ মাজত যুৱক-যুৱতীৰ বাবে যিকোনো পৰিশ্ৰমেই সম্ভৱ হৈ উঠিব পাৰে। কিন্তু উচিত জ্ঞান আৰু চিন্তাৰ অভাৱত যৌৱন অন্তঃসাৰশূন্য হৈ পৰিব পাৰে। তেতিয়াই সমাজে লোকচান ভৰিব লাগে। আমাৰ যৌৱনে অনিশ্চয়তাৰ দায়িত্ব (Uncertainity or risk) বহন কৰা ভাল। জীৱনত সকলো কাম সম্ভৱ হ'লেও অনিশ্চয়তাৰ দায়িত্ব বহন কৰিব নোৱাৰিলে কোনো মহৎ কাম হৈ নুঠে। এই প্ৰসংগত নীৎসে কোৱা এষাৰ কথা অতি প্ৰেৰণাস্পৰ্শী — 'জীৱনটোক সাৰ্থক আৰু উপভোগ্য কৰি তোলাৰ প্ৰধান হ'ল বিপজ্জনকভাৱে জীৱনটোক যাপন কৰা।' সংঘাত পাৰ হৈ অহা জীৱনৰ সোৱাদ অনন্য। অলসতাৰে ভৰা জীৱনত সেই সোৱাদ; সেই আনন্দৰ পাত্ৰ শূন্য। অফুৰন্ত প্ৰাণশক্তিৰ আধাৰ যৌৱনে পূৰ্ণ কৰিব পাৰে কিছু মহত্বসুলভ উপভোগ্য জীৱনৰ পাত্ৰ। তেতিয়াই ই বহন কৰিব যৌৱনৰ বৈভৱ।

### পাঁচ/জীৱনৰ পুলকিত দিনঃ

জীৱন কুসুমিত হয়। ৰং-বিৰঙৰ বাসন্তী পুষ্পই ভৰপক দিয়ে জীৱনৰ নন্দনবনত। অমৰাৱতীৰ বিশাল সাম্ৰাজ্য সৌৰভেৰে মদিৰ আৰু গুণ গুণ ধ্বনিৰে মুখৰিত হয়। এইবোৰ হৈছে পুলকিত দিনৰ আভাস। কিন্তু তাৰ মাজৰ উত্তমৰো উত্তম পুষ্পটি হৈছে পাৰিজাতস্বৰূপ প্ৰেমৰ অনুভৱ। নাৰীৰ প্ৰতি পুৰুষৰ আৰু পুৰুষৰ প্ৰতি নাৰীৰ মাদকতাপূৰ্ণ ভাবনাই জন্ম দিয়ে প্ৰেমৰ। সেইবাবে প্ৰেমত সহযোগৰ প্ৰয়োজন আছে। প্ৰেমে মধ্য জীৱনত অৱস্থান কৰে কিয়? প্ৰেম যৌৱনৰ অতিথি। এই অতিথি যিমানে সম্ভ্ৰান্ত হয়, সিমানে মংগল। নৰ-নাৰীৰ যি প্ৰেম, সেই প্ৰেমক এৰাল ছিঙি দৌৰিবলৈ দিব নোৱাৰি। কাৰণ মানৱৰ প্ৰেম সভ্যতাৰ ৰঙেৰে উজ্জ্বল।

সেইবাবে শ্বেক্সপীয়েৰৰ কালিমা লগা নাৰী 'Dark Lady'-এ গৰিহণা খালে — 'Fraud, thy name is women'.

জীৱনৰ পাৰিজাতস্বৰূপ এই প্ৰেমে বিশ্বত কিমান কি সৃষ্টি কৰিছে, তাৰ লেখ-জোখ নাই। ইটালীৰ মহাকবি ডাণ্টেৰ 'ডিভাইন কমেডি'ৰপৰা শ্বেক্সপীয়েৰৰ 'ৰোমিঅ' জুলিয়েট', মহাকবি কালিদাসৰ 'মেঘদূত' আদিলৈকে এই মৰ্ত্যতে যেন স্বৰ্গৰ ঢৌ।

### ছয়/উপসংহাৰঃ

শৈশৱৰপৰা বাৰ্ধক্যলৈকে জীৱন। মাজত বিবিধ ঘটনা প্ৰৱাহ। ঘটনাপূৰ্ণ মানুহে ভালপাই জীৱনক। জীৱনক ভালপাই বাবেই পৃথিৱীৰপৰা সৌন্দৰ্যই বিদায় লোৱা নাই। ইয়াতেই প্ৰমাণ হৈছে সমাজলৈ জীৱনৰ অৱদান। শৈশৱ, কৈশোৰ, যৌৱন আৰু বাৰ্ধক্য নাম গ্ৰহণ কৰি অবিৰাম যাত্ৰা চলি আছে জীৱনৰ। অনাদি কালৰপৰা অনন্ত গতিৰে প্ৰৱাহমান স্বপ্নপ্ৰিয় জীৱন যেন ক্ষুদ্ৰৰপৰা বিশালতালৈ ধাৱমান। গতিকে এক অনুভৱী সিদ্ধান্তত উপনীত হ'ব পাৰি যে স্বপ্ন-সন্ধানী জীৱন এক বিৰামবিহীন যাত্ৰাৰ প্ৰক্ৰিয়া।❖





# অসমৰ লোক-সংস্কৃতিৰ বাদ্যযন্ত্ৰসমূহ

**ৰুমী কলিতা**

*স্নাতক দ্বিতীয় বৰ্ষ, পৰিসংখ্যা বিভাগ*

অসমীয়া সংস্কৃতি এক বাৰেবৰণীয়া সংস্কৃতি। ৰাভা, বড়ো, মিচিং, কছাৰী, জয়ন্তীয়া, দেউৰী, মহাপুৰুষীয়া, আহোম, চাহ জনগোষ্ঠী ইত্যাদি বিভিন্ন জাতি-উপজাতিৰ সমাহাৰ 'অসমীয়া জাতি'। এই ভিন্ন জাতি-উপজাতিৰ লোক-সংস্কৃতিবোৰৰ এক বিৰাট সমন্বয় 'অসমীয়া সংস্কৃতি'।

এই অসমীয়া সংস্কৃতিৰ এক ঐতিহ্যশালী সম্পদ হ'ল লোক-সংস্কৃতিৰ বাদ্যযন্ত্ৰসমূহ। এই বাদ্যযন্ত্ৰসমূহৰ এক নিজস্ব বৈশিষ্ট্যপূৰ্ণ পুৰণি আৰু বৰ্ণাঢ্য ইতিহাস আছে। পুৰণি পুথি-পাঁজি, শিলালিপি, তাম্ৰলিপি, কলিত উল্লেখ থকাৰ উপৰিও প্ৰাচীন মূৰ্তিৰ লগত অংকিত বিভিন্ন বাদ্য-যন্ত্ৰৰ ভিতৰত ঢোল, খোল, তাল, কালি, বাঁহী আৰু ডম্বৰুৱেই প্ৰধান। বিভিন্ন পুথিপাঁজিত অংকিত চিত্ৰসমূহতো শিঙা, শংখ, বাঁহী, ঢোল, খোল, তাল ইত্যাদি বজোৱা পুৰুষ-নাৰীৰ ভিন্ন ভংগীৰ দৃশ্য দেখিবলৈ পোৱা যায়।

পুৰণি পুথিত বাদ্যযন্ত্ৰৰ এক দীঘলীয়া তালিকা পোৱা যায়। ইয়াৰ বিশদ উল্লেখৰ ক্ষেত্ৰৰ দিশে চাবলৈ গ'লে দেখা যায় যে কাব্যিক পুথিসমূহ এক উল্লেখযোগ্য উদাহৰণ। ওঠৰ শতাব্দীৰ দৰং ৰাজবংশাৱলীতো বাদ্যযন্ত্ৰৰ এক বিশদ তালিকা পোৱা যায়—

শংখ, ঘণ্টা, ঢাক-ঢোল, শিংগা, কালি ভেৰি।
জয় কালি ৰাম বেণা বজাৱে মহৰি।।
খোল কৰতাল বাৱে নাগৰা মৃদংগ।
দোতোৰা সাৰিন্দা বাঁশী ৰবাব উপাংস।।
ৰামতাল ৰামবীণা বাৱে বৰকাংস।
সপ্ত স্বৰা কলন্দাৰ বজাৱে অসংখ্যা।।

এনেদৰে অসমৰ বিভিন্ন ভাস্কৰ্য-চিত্ৰসমূহ আৰু পুথিপাঁজিত বিবিধ বাদ্যযন্ত্ৰৰ কথা পাওঁ। এইবোৰৰ কিছুমান বৰ্তমান অপ্ৰচলিত আৰু আন কিছুমান ইতিহাসৰ বুকুত বিলীন হৈ গৈছে। বেলা, সাৰিন্তা (চাৰিণ্ডা), টোকাৰী, দোতোৰা, গোগোনা (গগনা), টকা, বৰকাংস (বৰকাঁহ) আদি অসমৰ থলুৱা বাদ্য। আন কিছুমান বাদ্য যেনে শৰদ (সাৰোদ), স্বৰমণ্ডল, ৰবাব আদিৰ স্থান আজিৰ অসমত প্ৰায় নাই বুলিবই পাৰি। তথাপিও এই বাদ্যযন্ত্ৰসমূহৰ এক বহুল ব্যৱহাৰ আছিল তাৰ প্ৰমাণ পোৱা যায়, যেনে ৰবাব ব্যৱহাৰ কৰা হৈছিল বৰগীতত, তাৰ সাক্ষ্য দিয়ে গুৰুচৰিতে। বিভিন্ন বাদ্যৰ লগতে চৈধ্যশ শতাব্দীত 'তবল'ৰ উল্লেখলৈ চাই তবলাৰ ব্যৱহাৰ পূৰ্বতে অসমত হৈছিল বুলি এটা অনুমান কৰিব পাৰি।

অসমত প্ৰচলিত বাদ্যযন্ত্ৰসমূহক সংগীত শাস্ত্ৰত বৰ্ণোৱা উক্ত চাৰিটা ভাগত বিভক্ত কৰিব পাৰি। সেই ভাগকেইটা হ'ল তত(তাঁৰ ব্যৱহাৰ হোৱা বাদ্য), সুষিৰ(ফু দি বজোৱা বাদ্য), আনদ্ধ(ছামৰাৰে ছাই লোৱা বাদ্য) আৰু ঘন (ধাতুৰে নিৰ্মিত তাল ৰখা যন্ত্ৰ)।

**তত বাদ্য ঃ** অসমৰ বিভিন্ন অঞ্চলত প্ৰচলিত তাঁৰ যন্ত্ৰৰ ভিতৰত দোতোৰা আটাইতকৈ জনপ্ৰিয় যাক উজনি অসমত 'ঢোকাৰী' বুলি কয়। লোকগীত গোৱা সময়ত এই বাদ্য বজোৱা হয়, আন এবিধ বাদ্য বীণা বা বেণা, যি তাঁৰ ৰেপি বজোৱা বাদ্য। গোৱালপাৰা অঞ্চলত এই বাদ্যৰ ব্যৱহাৰ হোৱা দেখা যায়। চাৰিণ্ডাও ৰেপ দি বজোৱা বাদ্য। ইয়াৰ ব্যৱহাৰ বড়ো জনজাতিৰ মাজত অধিক। ইয়াক তেওঁলোকে 'চেৰ্জা' বোলে।

'ঘমক' গোপীযন্ত্ৰ এটা এমুখীয়া ঢোলৰ আকৃতিৰ এমূৰে খোলাবস্তুৰ মাজেৰে দোল ভৰোৱা এবিধ যন্ত্ৰ। এহাতেৰে ঢোল জাতীয় বস্তুটো কাখলতিৰ তলত চেপি ধৰি এখন হাতেৰে গোলডাল টানি লৈ আনখন হাতেৰে বজোৱা হয়।

**সুষিৰ বাদ্য ঃ** এই শ্ৰেণীৰ বাদ্যযন্ত্ৰসমূহৰ ভিতৰত পেঁপা, বাঁহী, শিঙা আটাইতকৈ জনপ্ৰিয় আৰু নিজস্ব বৈশিষ্ট-সম্পন্ন বাদ্য। এই শ্ৰেণীৰ বাদ্যসমূহ সাধাৰণতে ফু দি বজোৱা বাদ্য।

খাগৰি বা নলেৰে মূল যন্ত্ৰটো সাজি তাত ম'হৰ শিং বা আন নলী লগাই পেঁপা তৈয়াৰ কৰা হয়। এই পেঁপাৰ স্থান বিহুগীতত অতি গুৰুত্বপূৰ্ণ। শিঙাও পেঁপাৰ এটা সংস্কৰণ, সংগীত সৃষ্টি কৰাৰ উপৰিও ধৰ্মীয় আৰু সামাজিক ক্ৰিয়া আচৰণৰ অংগ হিচাপেও শিঙা জাতীয় বাদ্য ব্যৱহাৰ হয়।

এই শ্ৰেণীৰ আন এবিধ বাদ্য হ'ল কালি বা চানাই। ইয়াৰ ব্যৱহাৰ গোৱালপাৰা অঞ্চলত অতি ব্যাপক।

অসমত প্ৰচলিত অতি জনপ্ৰিয় আন এবিধ বাদ্য হ'ল বাঁহী। বৈষ্ণৱ সাহিত্য আৰু লোকগীতত বাঁহী (বংশী, মুৰুলী, বেঁণু)ৰ উল্লেখ থকা দেখা যায়। অসমৰ বিভিন্ন জনজাতি আৰু বিভিন্ন অঞ্চলত ভিন্ন প্ৰকাৰৰ বাঁহী ব্যৱহাৰ হয়; উদাহৰণস্বৰূপে বড়োৰ 'চিফুং', ৰাভাৰ 'ব্ৰাংছি', 'লাখৰ ব্ৰাংছি', ডিমাচাসকলৰ 'মুফিন', মিচিংসকলৰ 'কুৰুলি', 'পুলি', গোৱালপাৰা অঞ্চলত 'বস বাঁশী', বা 'মুখ বাঁশী' আদি। বাঁহেৰে নিৰ্মিত এই বিধ বাদ্যযন্ত্ৰ অসমীয়া জনজাতীয়সকলৰ অতি আপোন।

**আনদ্ধ বাদ্য ঃ** অসমৰ থলুৱা বাদ্যৰ ভিতৰত এই শ্ৰেণীৰ সংখ্যা আৰু গুৰুত্ব আটাইতকৈ বেছি।

ঢোল হ'ল আনদ্ধ বাদ্যৰ ভিতৰত অধিক প্ৰচলিত। বিহুগীত আৰু নৃত্যৰ অনুষংগ হিচাপে বিহুঢোলৰ ছেও অপৰিহাৰ্য। ঢোলৰ ছেওৰ ছন্দ আৰু ধ্বনি বৈচিত্ৰ্যই চমক লগাই দিব পাৰে। জয়ঢোল আকাৰত অলপ সৰু, ইয়াক দেওধানী নৃত্যৰ লগত ঢুলীয়াই নিজেও নাচি নাচি বিচিত্ৰ ছন্দত বজায়। ঢেপাঢোল মঙলদৈ অঞ্চলত প্ৰচলিত। ছালৰ মাজত পানী ভৰাই লৈ বজোৱা এইবিধ ঢোলৰ মাত গুৰু-গম্ভীৰ।

কৰকা, তাৰচা আদি বাদ্য-যন্ত্ৰ নামনিত বিশেষকৈ বিয়া-সবাহত ঢুলীয়াৰ দলত বজোৱা হয়। সৰু এপিঠীয়া ঢোলৰ দৰে এমূৰে খোলা আৰু আনমূৰে চামৰা লগোৱা বাদ্য হ'ল 'দগৰ'। কামৰূপী লোকগীতত ইয়াৰ ব্যৱহাৰ ব্যাপক। ইয়াক 'খঞ্জৰি'ও বোলা হয়। 'ঢাক' গোৱালপাৰা অঞ্চলত অতি প্ৰচলিত আন এবিধ বাদ্য, যাক ভক্তিমূলক নাচত ব্যৱহৃত হয়। আন এবিধ আনদ্ধ বাদ্য 'নাগৰা' মূলতে পশ্চিমৰপৰা আহৰিত যদিও আজি ই আমাৰ থলুৱা জীৱনত প্ৰৱেশ কৰিছে। নামত নাগৰাৰ ব্যৱহাৰ অতি ব্যাপক। কামৰূপত ডাঙৰ নাগৰাৰ ছেৱৰ বৈচিত্ৰ্য অনুপম।

অসমৰ ভক্তি আন্দোলনৰ এটা অতি গুৰুত্বপূৰ্ণ বাদ্য হ'ল খোল আৰু মৃদংগ একে জাতীয় বাদ্য। তথাপিও দুয়োটাৰ মাজত পাৰ্থক্য আছে। মৃদংগ মাটিৰে নিৰ্মিত অৱশ্যে মাটিৰে নিৰ্মিত খোলো আছে। দিহিং আৰু মায়ামৰীয়া সত্ৰসমূহত মৃদংগ ব্যৱহাৰ হয়। দবাও অসমীয়া সমাজত প্ৰধানকৈ নামঘৰত ব্যৱহাৰ হয়।

জনজাতি সমাজত আনদ্ধ বাদ্যৰ প্ৰচলন অতি ব্যাপক। বড়োসকলৰ 'খাম', ৰাভাসকলৰ 'হেম' আৰু 'খাম', ডিমাচাসকলৰ 'খ্ৰাম', মিচিংসকলৰ 'দুমদুম', কাৰ্বিসকলৰ 'চেংবুৰুপ' (খালৈৰ আকৃতিৰ সৰু আকাৰৰ ঢোল), তিৱাসকলৰ 'খ্ৰাম বাৰ' (বৰঢোল), 'পিচুখ্ৰাম' (পাতি ঢোল) আদি উল্লেখনীয় বাদ্যযন্ত্ৰ।

**ঘনবাদ্য ঃ** তাল ৰক্ষা কৰিবলৈ এই বাদ্যৰ ব্যৱহাৰ কৰা হয়। ঘন বাদ্যৰ ভিতৰত অসমত প্ৰচলিত হয় সৰু-ডাঙৰ বিবিধ তাল। 'ৰামতাল' আৰু 'কৰতাল' বাঁহেৰে নিৰ্মিত, বাঁহৰ 'টকাও' এই শ্ৰেণীৰ অন্তৰ্গত। ধাতুৰে নিৰ্মিত প্ৰধান ঘন বাদ্য হ'ল — তাল, কাঁহ আৰু ঘণ্টা।

তাল কেইবাপ্ৰকাৰৰো; সৰু তালক পাতিতাল, খুটিতাল, মন্দিৰা, খঞ্জৰি বা খঞ্জৰিকা বোলে আৰু ডাঙৰ তালসমূহৰ ভিতৰত ভোৰতাল, ভোটতাল আদি। বৰগীতত পাতিতাল আৰু ওজাপালিত খুটিতাল বজোৱা হয়।

কাঁহ, ঘণ্টা আদি বাদ্যযন্ত্ৰ হ'লেও সংগীতৰ অনুষংগ হিচাপে অসমত এইবোৰৰ ব্যৱহাৰ তাকৰ। কাঁহ সাধাৰণতে দুই ধৰণৰ — সৰু কাঁহ আৰু বৰকাঁহ। সৰু ঘণ্টাক 'টিলিঙা' বুলি কোৱা হয়, যাক একপ্ৰকাৰৰ বাদ্যযন্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হয়। অন্যপ্ৰকাৰৰ ঘণ্টাৰ ভিতৰত কঁকালত বন্ধা সৰু সৰু ঘণ্টাক 'কিংকিনী' আৰু ভৰিত বন্ধাবোৰক 'জুনুকা' বোলে। জুনুকাৰ উন্নত ৰূপ নুপুৰ আৰু পাঞ্জেপ

এইবোৰৰ উপৰি আন কিছুমান বাদ্য আছে যিবোৰ এই চাৰিওটা শ্ৰেণীৰ কোনোটোতে থিৰাংকৈ শ্ৰেণীভুক্ত কৰিব নোৱাৰি। গগনা, বেণু বা ৰেপনি আদি এনে বাদ্য। অসমীয়া সমাজত গগনাৰ ব্যৱহাৰ অতি ব্যাপক। জনজাতি সমাজতো ইয়াৰ সমাদৰ আছে, নাম ভিন্ন হ'লেও ই একে বাৰ্তা বহন কৰে। গগনাক প্ৰণয় বিনিময়ৰ চিন হিচাপে ব্যৱহৃত হয়। বড়োসকলে গগনাক 'গংগোনা', ৰাভাসকলে 'গমেনা' আৰু মিচিংসকলে 'গুংগ' বুলি কয়।

অসমৰ এই বিভিন্ন ৰঙৰ সমন্বয় থকা কৃষ্টি আৰু জনজাতি সমাজত ব্যৱহৃত হোৱা এনে ধৰণৰ বাদ্যসমূহৰ স্থান অতি উচ্চ খাপৰ। এইবোৰৰ মাজত বিশেষকৈ বাঁহৰ নিৰ্মিত বাদ্যৰ ক্ষেত্ৰত অসম নিশ্চয়কৈ গৌৰৱান্বিত।

অসমৰ বাদ্যযন্ত্ৰৰ বৈশিষ্ট্যতাত জনজাতি সমাজৰ বৰঙণি বহুল পৰিমাণৰ। বড়ো, ৰাভা, গাৰো, কছাৰী, মিচিং আদিসকলৰ কৃষ্টি-সংস্কৃতিৰ দৰে বাদ্যযন্ত্ৰসমূহো আমাৰ অমূল্য সম্পদ। যাৰ বাবে আমি গৌৰৱ কৰিব পাৰো যে এনে এক বৈশিষ্ট্যপূৰ্ণ আৰু বৈচিত্ৰ্যময় সংস্কৃতিৰ অংগ হ'ব পাৰিছো।

এই বাদ্যযন্ত্ৰবোৰ আমাৰ কলা-সংস্কৃতিৰ এনে এক অপৰিহাৰ্য অংশ যে এইবোৰৰ বাবে বিশ্বদৰবাৰত নিজকে অসমীয়া হিচাপে চিনাকি দিব পাৰিছো। কিন্তু বৰ্তমান এই বাদ্যযন্ত্ৰসমূহৰ উন্নতি আৰু বিস্তাৰৰ প্ৰয়োজন। যাৰ বাবে আমি নৱপ্ৰজন্মই আগবাঢ়ি আহি এই দায়িত্ব কান্ধত লোৱাতো নিশ্চয় প্ৰয়োজনীয়। তেতিয়াহে আমি নিজকে অসমীয়া বুলি চিনাকি দি গৌৰৱান্বিত হ'ব পাৰিম আৰু সূৰ্য উঠা দেশৰ বেলি কেতিয়াও অস্ত নাযাব আৰু সাতৰঙী সংস্কৃতিৰ ৰামধেনু সঁচাকৈয়ে উজলি থাকিব।❖

# ব্যৱসায়িক ভিত্তিত– কাঠফুলা উদ্যোগ

নমিতা শইকীয়া

স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

উদ্ভিদ-পৃথিবী নামৰ গ্ৰহটোৰ জীৱন প্ৰবাহ। সৌৰজগতৰ আঠোটি গ্ৰহৰ ভিতৰত একমাত্ৰ তৃতীয় গ্ৰহটোতেই জীৱৰ অৱস্থিতিৰ মূলতঃ এই উদ্ভিদ।

সাধুকথাৰ বুকুৰপৰা 3D চিনেমাৰ মাজলৈ জনমানসত উদ্ভিদ নিৰ্ভৰশীলতাৰ অফুৰন্ত উদাহৰণ। শ্বাস-প্ৰশ্বাস, খাদ্য, ইন্ধনৰ পাছত সাম্প্ৰতিক যুগত উদ্ভিদ হৈ পৰিছে ব্যৱসায়ৰ ঈৰ্ষণীয় সমল। আপেক্ষিকভাৱে কম ব্যয়ৰ বিনিময়ত অধিক মুনাফা অৰ্জনৰ ক্ষেত্ৰত বহুতো উদ্ভিদ ব্যৱসায় সফল হোৱা পৰিলক্ষিত হৈছে। তাৰে ভিতৰত অন্যতম হৈছে 'কাঠফুলা' বা 'Mushroom' ৰ ব্যৱসায়।

প্ৰকৃতিগতভাৱে কাঠফুলা মৃতজীৱী উদ্ভিদ। ই সাধাৰণতে শুকান কাঠ, কিছুমান সেমেকা ঠাইত হোৱা দেখা যায়; যিবোৰ মানুহৰ কাৰণে প্ৰয়োজনীয় নহয়, বৰঞ্চ ই বিপৰীত ক্ৰিয়াহে দেখুৱায়। ই মানুহক মৃত্যুমুখতো পেলাব পাৰে। কিন্তু খাদ্যৰ বাবে ব্যৱহৃত কাঠফুলাবিধ ব্যৱসায়িকভিত্তিত পৃথকভাৱে প্ৰস্তুত কৰা হয়। প্ৰবন্ধটোত কাঠফুলাৰ গুণাগুণ আৰু ইয়াৰ ব্যৱসায়িক দিশৰ ওপৰত আলোকপাত কৰা হৈছে।

**কাঠফুলা ঃ** পৃথিবীত ৫০ হাজাৰৰো অধিক প্ৰজাতিৰ কাঠফুলা পোৱা যায়। তাৰে ভিতৰত চীনত ইয়াৰ উৎপাদন অধিক। পোনপ্ৰথমে ওঠৰশ শতিকাত চীনত ইয়াৰ আৱিৰ্ভাৱ হৈছিল। তাৰপিছত পৃথিবীৰ বিভিন্ন ঠাইত ই প্ৰচলিত হয়। দক্ষিণ ভাৰতত পোন প্ৰথমে কইম্বটোৰ নামৰ ঠাইত ইয়াক উৎপাদন কৰা হয়।

ভাৰতত প্ৰধানকৈ তিনিপ্ৰকাৰৰ কাঠফুলাৰ খেতি কৰা হয়। সেইকেইবিধ হৈছে —

(i) Button mushroom.

(ii) Oyster mushroom.

(iii) Paddy straw mushroom.

এই আটাইকেইবিধৰ ভিতৰত Paddy straw টো অতি সহজে আৰু কম খৰচতে হয়। সেয়েহে এই প্ৰকাৰৰ mushroom যথেষ্ট পৰিমানে প্ৰচলিত। এই mushroom বিধ ধানখেৰৰ ওপৰত কৰা হয় বাবে ইয়াক Paddy straw mushroom বোলা হয়। এই প্ৰকাৰৰ mushroomৰ বাবে খুব কম পৰিমানৰ সামগ্ৰীৰ প্ৰয়োজন আৰু সেই আটাইখিনি অতি সহজতে পোৱা যায় বাবে ইয়াক সকলোৱে কৰিব পাৰে।

**পদ্ধতি ঃ**

Paddy straw mushroom টো প্ৰধানতঃ Volvarella নামৰ ভেঁকুৰবিধৰ তিনিবিধ Species ৰ ক্ৰিয়াৰ দ্বাৰা উৎপন্ন হয়। সেইকেইবিধ হৈছে — V. esculenta, V. displasia আৰু V. volvocea বিভিন্ন প্ৰকাৰৰ species ৰ বাবে বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰা হয়।

1982 ত Bahl য়ে Polybag method বিধ Volvarella volvocea ৰ বাবে ব্যৱহাৰ কৰিছিল আৰু সেই পদ্ধতিটোৱেই এতিয়া সৰ্বাধিক ব্যৱহৃত। পদ্ধতিটো তলত উল্লেখ কৰা হ'ল —

প্ৰয়োজনীয় সামগ্ৰীবোৰ —

1. Hand chopper or chaff cutter, 2. Chopped Paddy straw, 3. Spaw., 4. Polythene bag, 5. Binding thread, 6. Water boiling tin, 7. Sprayer, 8. Fungicides : Dithane Z-78, 9. Insecticide : Cythion/Nuva, 10. Disinfectant : Detton/Formaldehyde solution.

Growing season :March to October ত সাধাৰণতে পাহাৰীয়া ঠাইত আৰু November to March ত হয় সাধাৰণতে সমতল ঠাইত।

Crop Duration : 45 to 60 days.

Yield : 800-900 fresh wt/kg of dry paddy straw

অধিক উৎপাদনৰ বাবে সাধাৰণতে শালি ধানৰ খেৰ ব্যৱহাৰ কৰা হয়। এই খেৰসমূহ পৰিষ্কাৰ হোৱা উচিত। প্ৰথমতে খেৰসমূহ প্ৰায় ৩-৫ ছেঃ মিঃৰ জোখত কাটি লোৱা হয় আৰু পৰৱৰ্তী পৰ্যায়ত ইয়াক প্ৰায় এঘণ্টাৰ বাবে গৰম পানীত উতলোৱা হয়। অৱশ্যে পানীখিনি প্ৰথমে গৰম কৰি লোৱা হয় আৰু তাত খেৰখিনি সিজোৱা হয়। পানীৰপৰা তোলাৰ পিছত দ্ৰব্যসমূহক শুকুৱা হয়। যি ঠাইত শুকুৱা হয় সেই ঠাইখিনি সম্পূৰ্ণ বীজাণুমুক্ত কৰি লোৱা হয়। সাধাৰণতে বীজাণুমুক্ত পলিথিনও ব্যৱহাৰ কৰা হয়। অন্যথা ঠাইডোখৰ বীজাণুমুক্ত কৰিবৰ বাবে ১ ভাগ ফৰ্মেলডি হাইডৰ লগত ৯ ভাগ পানী মিহলাই সেই মিশ্ৰণটোৱে ইয়াক চাফা কৰি লোৱা হয়। পানীখিনি শুকুৱাৰ পিছত তাক পলিথিনত ভৰাই কাঠফুলা উৎপাদনৰ বাবে ব্যৱহাৰ কৰা হয়। কাঠফুলা গজাবৰ বাবে যি 'spawn' অৰ্থাৎ 'বীজ' ব্যৱহাৰ কৰা হয় সেয়া বজাৰত পেকেট হিচাপে কিনিবলৈ পোৱা যায়। সাধাৰণতে এটা পেকেটত ২০০ গ্ৰাম ধান বা ঘেঁহুৰ spawn থাকে আৰু ইয়াৰ মূল্য ৮ ৰ পৰা ১০ টকাৰ ভিতৰত হয়। এটা পেকেট প্ৰায় ৬ কেঃজিঃ খেৰত ব্যৱহাৰ কৰা হয়।

পলিথিনত ভৰোৱাৰ আগতে প্ৰথমতে spawn সমূহ খেৰৰ লগত (যিখিনি গৰম পানীত উতলাই শুকুৱাই থোৱা হয়) ভালদৰে মিহলোৱা হয় আৰু সেইখিনি পলিথিনত ভৰাই তাৰ মুখখন ৰবৰ বা সূতাৰে বান্ধি দিয়া হয়। পানী সোমাবৰ বাবে আৰু বতাহ অহা-যোৱা কৰিবৰ বাবে পলিথিনটোত প্ৰায় ৬ ইঞ্চিমানৰ অন্তৰে অন্তৰে কিছুমান ফুটা উলিয়াই

লোৱা হয়। এতিয়া সেই পলিথিন বেগবোৰ এনে এটা কোঠাত থোৱা হয় যাতে তাৰ উষ্ণতা প্ৰায় ২৫°-৩০° ছেঃ হয় আৰু এনেদৰে ওলোমাই ৰখা হয় যাতে তাত পানী বা আন বীজাণুমুক্ত ঔষধ ছটিয়াই থাকিব পৰা যায়। এনেদৰে ১০-১৫ দিনমান ৰখাৰ পিছত তাত কিছুমান বগা সূতাৰ দৰে আঁহৰ সৃষ্টি হয় যিয়ে mushroom ৰ সৃষ্টি কৰে। সেই আঁহবোৰে খেৰসমূহক সম্পূৰ্ণ টান কৰি বান্ধি ৰাখে। এতিয়া খেৰৰপৰা পলিথিন বেগবোৰ গুচাই দিয়া হয় আৰু তাত মাজে সময়ে পানী ছটিয়াই থকা হয় যাতে খেৰখিনি শুকাই নাযায়। পলিথিন বেগবোৰ খোলাৰ ৪-৫ দিনৰ পিছতে mushroom হোৱা দেখা যায়। এনেদৰে ৪-৫ দিনৰ অন্তৰে অন্তৰে প্ৰায় এমাহ মানলৈকে ইয়াৰ উৎপাদন হয় আৰু কাঠফুলা ছিঙি থকা হয়। ইয়াৰ উৎপাদন এমাহমানলৈকে বৃদ্ধি হৈ থাকে আৰু লাহে লাহে উৎপাদনৰ মাত্ৰা কমি আহে। ৬০ দিনৰ পিছত খেৰসমূহৰ উৎপাদন ক্ষমতা একেবাৰে নাইকিয়া হয়। শেষত এই খেৰসমূহ মাটি সাৰুৱা কৰিবলৈ সাৰ হিচাপে ব্যৱহাৰ কৰা হয়।

**কাঠফুলা চপোৱাৰ সময় ঃ**

যেতিয়া কাঠফুলাখিনি সম্পূৰ্ণৰূপে পূৰঠ হয়, তেতিয়া তাক সাৱধানতাৰে হাতেৰে ছিঙা হয়। ইয়াক এনেদৰে পাকখুৱাই ওপৰমুৱাকৈ ছিঙা হয় যাতে খেৰখিনিৰ কোনো অনিষ্ট নহয় আৰু পুনৰ কাঠফুলা ওলায়। ৮-১০ ছেঃমিঃ জোখৰ কাঠফুলাখিনি পূৰঠ অৱস্থাত থাকে।

**ব্যৱসায় ঃ**

সতেজ কাঠফুলাত অধিক পৰিমানৰ অৰ্থ উপাৰ্জন হয়। হোটেল, ৰেষ্টুৰেণ্ট ইত্যাদি ব্যৱসায়ত ইয়াৰ চাহিদা যথেষ্ট অধিক। ব্যৱসায়ীসকলে সতেজ কাঠফুলাবোৰ তৎক্ষণাত উচিত দ মত ক্ৰয় কৰে। কাঠফুলাবোৰ শুকুৱাই তাক পেকেট হিচাপেও বিক্ৰী কৰা হয়।

Oyster mushroomবিধ এসপ্তাহৰ কাৰণে ফ্ৰিজত ৫° ছেঃত সতেজ কৰি ৰখা হয়। কাঠফুলা সাধাৰণতে কিলোগ্ৰাম হিচাপত বিক্ৰী কৰা হয় আৰু প্ৰতি কিলোগ্ৰামত অধিক মূল্য পোৱা যায়।

**ল'বলগা সাৱধানতা ঃ**

যিমান সহজে কাঠফুলা উৎপাদন কৰিব পাৰি সিমান সহজে ই নষ্টও হয়। সামান্য অসাৱধানতাৰ ফলত ই বিপৰীত ক্ৰিয়াও দেখুৱাব পাৰে। গতিকে পোন প্ৰথমে ইয়াৰ সাৱধানতাৰ ওপৰত চকু ৰাখিব লাগে।

পৰিষ্কাৰ খেৰ, নিৰ্বাচিত বীজ, উপযুক্ত সময় আৰু উষ্ণতা আদি সকলোবোৰৰ ওপৰত গুৰুত্ব ৰাখি তলৰ নিয়মবোৰ মানি চলিব লাগে।

1. বীজসমূহত কোনো ৰোগৰ বীজাণুৱে ক্ৰিয়া কৰিছে নেকি তালৈ প্ৰত্যেকদিনাই নজৰ ৰাখিব লাগে। যদি আক্ৰমণ কৰে তেতিয়া লগে লগে তাৰ প্ৰতিকাৰৰ ব্যৱস্থা লোৱা হয়।

2. উৎপাদন প্ৰক্ৰিয়াটো বীজাণুমুক্ত হ'ব লাগে আৰু তাত ব্যৱহৃত সকলো সামগ্ৰী পৰিষ্কাৰ আৰু বীজাণুমুক্ত কৰি ল'ব লাগে।

3. অধিক পৰিমাণে পানী দিব নালাগে; মাত্ৰ মাজে সময়ে এনেদৰে দিব লাগে যাতে খেৰসমূহ সেমেকা হৈ থাকে।

4. কোঠাটো প্ৰতিসপ্তাহে বীজাণুমুক্ত কৰি ৰাখিবৰ বাবে প্ৰতি লিটাৰ পানীত ১ মিঃ লিঃ malathion আৰু kethane মিহলাই কোঠাটো চাফা কৰি থকা হয়।

5. নেট বা আঁঠুৱা জ তীয় পৰ্দা কোঠাটোৰ খিৰিকী আৰু দৰ্জাত ব্যৱহাৰ কৰা হয় যাতে পোক-পতঙ্গ সোমাব নোৱাৰে।

6. মাজে সময়ে সেউজীয়া ৰঙৰ কিছুমান mushroom হোৱা দেখা যায়; সি অপকাৰী হয় আৰু সেয়া ছিঙি আঁতৰাই পেলোৱা হয় আৰু ফৰ্মেলিন দি স্থানসমূহ পুনৰ বীজানুমুক্ত কৰা হয়।

7. কাঠফুলা চপোৱাৰ সময়ত হাত সম্পূৰ্ণ চাফা কৰি লোৱা হয়।

8. নিৰ্ধাৰিত species ৰ বাহিৰে যাতে বীজসমূহক আক্ৰমণ নকৰে তাৰ বাবে নজৰ ৰাখিব লাগে।

**গুণাগুণ ঃ** পুষ্টিকৰ খাদ্য হিচাপে ব্যৱহাৰ কৰাৰ উপৰিও ইয়াৰ বহুতো ঔষধীয় গুণো আছে। ইয়াৰ সোৱাদ অতিকৈ তৃপ্তিদায়ক। ইয়াৰ সুগন্ধও মনোমোহা। গঠনত ই সাগৰীয় শামুকৰ আকৃতিৰ হয়। Pleweotus spp ৰ পৰা হোৱা কাঠফুলাবিধত যথেষ্ট পৰিমাণৰ প্ৰ'টিন থাকে আৰু লগতে ভিটামিনো প্ৰচুৰ পৰিমাণে পোৱা যায়। কাঠফুলাত থকা প্ৰ'টিন, ফলমূল আৰু শাক-পাচলিত থকা প্ৰ'টিনতকৈ যথেষ্ট পৰিমাণে বেছি। কাঠফুলাত যথেষ্ট পৰিমাণৰ পানী থকাৰ বাবে ইয়াক ৰন্ধাৰ সময়ত বেছি পানী দিব নালাগে। কাঠফুলাৰপৰা বনোৱা কেইবিধমান ৰন্ধন দ্ৰব্য হৈছে— mushroom mator masala, Mushroom Pakoras, Mushroom omletts, Sandwiches ইত্যাদি। যিবোৰ আজিকালি হোটেল, ৰেষ্টুৰেণ্টত প্ৰচুৰভাৱে প্ৰচলিত। ঔষধ হিচাপেও ইয়াক বিবিধ ধৰণে ব্যৱহাৰ কৰা হয়। ডায়েবেটিছ ৰোগীৰ বাবে ই উত্তম আহাৰ। বিভিন্ন প্ৰকাৰৰ species ৰ পৰা হোৱা কাঠফুলা বিভিন্ন ঔষধত ব্যৱহাৰ কৰা হয়। তাৰে ভিতৰত কেইবিধমান বৰ্ণোৱা হ'ল —

1. Polyporus efficineales : ই প্ৰধানতঃ কটা ঘাঁৰপৰা ওলোৱা তেজ বন্ধ কৰিবলৈ ব্যৱহাৰ কৰা হয়। ইয়াক নানা বিধত, জণ্ডিচতো ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়। 2. Lycoperdon giganticum : ইয়াক অপাৰেচনৰ পিছত dressing কৰাত ব্যৱহাৰ কৰা হয়। 3. Calvatia Volvacia : ই উচ্চ ৰক্তচাপ ৰোগত ব্যৱহৃত হয়। 4. Flammuleria volutipes : ইয়াৰ সহায়ত টিউমাৰৰ বৃদ্ধিত বাধা দিয়া হয় 5. Lentinus edudus : ইয়াক ইনফ্লুয়েঞ্জা ৰোগ প্ৰতিৰোধত ব্যৱহাৰ কৰা হয়।

**কৰ্মসংস্থাপনৰ ক্ষেত্ৰত কাঠফুলাৰ ব্যৱসায় ঃ**

আজিৰ যুগত কাঠফুলা কৰ্মসংস্থাপনৰ ক্ষেত্ৰত এবিধ উৎকৃষ্ট আহিলা। কাঠফুলা খেতিৰদ্বাৰা আজিৰ নিবনুৱা সমাজ যথেষ্ট উপকৃত হৈছে। তাৰোপৰি কম ব্যয়ৰ বিনিময়ত অধিক উপাৰ্জন হোৱাৰ বাবে ই নিবনুৱা সমাজত যথেষ্ট আপোন হৈ পৰিছে। কম খৰছতে আৰু কম সময়তে ইয়াৰ উৎপাদন হোৱাৰ বাবে ইয়াক সকলোৱে কৰিব পাৰে। কাঠফুলা এক মৃতজীৱী উদ্ভিদেই নহয়, বৰ্তমান যুগত এক পুষ্টিকৰ খাদ্য হোৱাৰ লগতে ই অৰ্থনৈতিক দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। আজিকালি আত্মসহায়ক গোটসমূহে কাঠফুলাৰ খেতি কৰি স্বাৱলম্বী হোৱাৰ লগতে আৰ্থিক দিশতো উপকৃত হৈছে। অনাগত দিনবোৰত কাঠফুলাৰ খেতিয়ে অসমৰ অৰ্থনীতিত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰাৰ সম্ভাৱনা আছে। ইয়াৰ বাবে প্ৰয়োজন হ'ব চৰকাৰৰ সহায় সহযোগিতা আৰু কাঠফুলাৰ খেতিৰ প্ৰতি জনসাধাৰণৰ আদৰণীয় মনোভাৱ।❖



# নতুন প্ৰজন্মৰ ওপৰত অভিভাৱকৰ আৰ্থিক স্বচ্ছলতাৰ প্ৰতিকূল প্ৰভাৱ

**প্ৰণৱজ্যোতি ভূঞা**

*স্নাতক তৃতীয় বৰ্ষ, পদাৰ্থবিজ্ঞান বিভাগ*

সাম্প্ৰতিক বিশ্ব এখন গোলকীয় গাঁৱলৈ পৰ্যবসিত হোৱাৰ পথত। ঊনবিংশ শতাব্দীৰ শেষভাগত আৰু বিংশ শতাব্দীৰ প্ৰথমাৰ্ধত সূচনা হোৱা বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ত্বৰান্বিত আধুনিকীকৰণে মানৱ জাতিৰ প্ৰগতিৰ সোপানত অগ্ৰগতি সুগম কৰি তুলিছে আৰু জীৱনধাৰণৰ মানদণ্ডৰ উন্নয়ন ঘটাইছে। জীৱনধাৰণৰ লগত মূখ্য আৰু প্ৰত্যক্ষ সম্পৰ্ক আছে অৰ্থনীতিৰ। একবিংশ শতিকাত সমগ্ৰ বিশ্বতে বিশ্বায়ন আৰু মুক্ত অৰ্থনীতিৰ ধাৰণা গঢ় লৈ উঠিছে। দেশে-দেশে নতুন উদ্যোগ গঢ় লৈ উঠিছে, আৰম্ভ হৈছে উন্নয়নৰ 'নিগনি দৌৰ'। মুক্ত আৰু বজাৰকেন্দ্ৰিক অৰ্থনীতিয়ে সমাজৰ এক বিশেষ শ্ৰেণীক আৰ্থিকভাৱে স্বচ্ছল কৰি তুলিছে আৰু ইয়েই জন্ম দিছে শ্ৰেণী বৈষম্যৰ।

এখন সমাজৰ উত্তৰণৰ বাবে সেই সমাজৰ আৰ্থিক স্বাধীনতা আৰু প্ৰগতি এক প্ৰাথমিক চৰ্ত। কিন্তু বৈষম্যমূলক সম্পদৰ বিতৰণে সমাজত প্ৰতিকূল প্ৰভাৱ পেলোৱাহে পৰিলক্ষিত হয়। সাম্প্ৰতিক সময়ত অভিভাৱকৰ আৰ্থিক স্বচ্ছলতাই নৱ-প্ৰজন্মৰ ওপৰত বহুক্ষেত্ৰত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

অৰ্থোপাৰ্জনেই এজন ব্যক্তিৰ জীৱনৰ মূল উদ্দেশ্য নহয়। এক সৎ, সুন্দৰ-সনাতন জীৱনযাপনৰ যোগেদি সমাজৰ কল্যাণৰ হকে যোগাত্মক বৰঙণি আগবঢ়াব পৰাটোতহে ব্যক্তি জীৱনৰ সাফল্য নিহিত আছে। আৰ্থিক স্বচ্ছলতাই নৱ-প্ৰজন্মৰ ভৱিষ্যতৰ সোণালী সপোন সাৰ্থক কৰাত বৰঙণি যোগায়। কিন্তু বিশ্বায়নৰ ধামখুমীয়াত আৰু পুঁজিবাদী অৰ্থনীতিৰ কৃপা( !)ত ই বহুক্ষেত্ৰত কুফলদায়ক বুলিহে প্ৰতিপন্ন হৈছে।

আৰ্থিক স্বচ্ছলতাৰ এক অৱশ্যম্ভাৱী ফলাফল হ'ল সম্পদৰ প্ৰাচুৰ্য। বস্তুগত সম্পদৰ প্ৰাচুৰ্যই নতুন প্ৰজন্মৰ মানসিকতাত এক ভোগবাদী আদৰ্শ গঢ় দিয়াইছে। কেৱল ভোগৰ প্ৰাচুৰ্য আৰু বস্তুগত নিৰাপত্তাইহে জীৱনৰ লক্ষ্য বুলি ভাবিবলৈ লৈছে এইচাম যুৱক-যুৱতীয়ে। ভোগত আকণ্ঠ মত্ত হৈছে তেওঁলোক। চক্ষুৰ আগত দৃশ্যমান পাৰ্থিৱ জগতখনৰ ৰঙচঙীয়া ভোগ-বিলাসকেই তেওঁলোকে পৰিদৃশ্যমান জগতৰ প্ৰকৃত ৰূপ বুলি ভুল ধাৰণা গঢ়ি তুলিছে। ফলস্বৰূপে নৱ-প্ৰজন্মৰ চিন্তাধাৰাৰ পৰিধি ক্ৰমান্বয়ে সংকুচিত হৈ আহিছে।

আৰ্থিক স্বচ্ছলতাৰ এক প্ৰত্যক্ষ বিৰূপ পৰিণতি হৈছে সমাজত বৰ্তমান সঘনে আলোচিত 'যুৱ-উশৃংখলতা'। নিজে কাহানিও অৰ্থ উপাৰ্জন কৰি নোপোৱা নতুন-প্ৰজন্মৰ এচামে পিতৃ-মাতৃ উপাৰ্জিত অৰ্থৰ প্ৰকৃত মূল্য অনুধাৱন কৰিব নোৱাৰি দুহাত মেলি উৰুৱাই দিছে। 'পকেট মানি'ৰ নামত এক বৃহৎ পৰিমাণৰ অংক আদায় কৰি কিছুমান অৰ্থহীন কাৰ্যত ব্যয় কৰিছে এওঁলোকে।

যুৱ সমাজৰ উশৃংখলতাই বিশেষভাৱে ক্ষতিগ্ৰস্ত কৰিছে তৃতীয় বিশ্বৰ আৰ্থিকভাৱে অনগ্ৰসৰ ৰাষ্ট্ৰসমূহক। ৰাষ্ট্ৰৰ উন্নয়নৰ বাবে আৱশ্যকীয় এক বিপুল সম্ভাৱনাময় মানৱ শক্তিৰ অপচয় হৈছে। বিশ্বায়নৰ হাতত ধৰা ধৰিকৈ আগবাঢ়ি অহা পুঁজিবাদী অৰ্থনীতিৰ সৰ্বগ্ৰাসী হাতোৰাই কেকোঁৰা চেপা দিছে এনে ৰাষ্ট্ৰৰ বিপন্ন অৰ্থনীতিক। যুৱ সমাজৰ স্বভাৱগত আৱেগ, অনুভূতি, তাৰুণ্যক মূলধন হিচাপে লৈ মনোলোভা আকৰ্ষণীয় বিজ্ঞাপনৰ জৰিয়তে ইহঁতে নিজৰ বাণিজ্যৰ প্ৰসাৰণ ঘটাইছে। আৰ্থিকভাৱে স্বচ্ছল অভিভাৱকৰ সন্তানে নিজৰ 'ষ্টেটাছ' বজাই ৰাখিবলৈ গৈ এনে ফান্দত ভৰি দিছে আৰু এক বৃহৎ পৰিমাণৰ অৰ্থসম্পদ বহুজাতিক পুঁজিপতিৰ উদৰস্থ হৈছে।

বৰ্তমান যুৱ-সমাজৰ মাজত 'মাৰ্গদৰ্শন' হৈ পৰা জনপ্ৰিয়( !) বাইক সংস্কৃতি(দুষ্কৃতি !) আৰু ম'বাইল সংস্কৃতি( !)ও অভিভাৱকৰ আৰ্থিক স্বচ্ছলতাৰেই কুফল। এইকথাত কাৰো দ্বিমত থাকিব নোৱাৰে যে, এই একবিংশ শতিকাত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভিনৱ উদ্ভাৱনসমূহেৰে আমাৰ জীৱনধাৰণৰ মানদণ্ডৰ উত্তৰণ ঘটাব পাৰো। কিন্তু সেই ধাৰণাৰে অচিলা লৈ বাইক-ম'বাইল সংস্কৃতিয়ে নৱপ্ৰজন্মৰ মাজত সৰ্বগ্ৰাসী ব্যাধিৰ ৰূপ লৈছে। আৰ্থিকভাৱে স্বচ্ছল অভিভাৱকৰ বাবে নিজৰ সন্তানক এখন বাইক কিনি দিয়াটো সন্মানৰ প্ৰশ্ন হৈ পৰিছে। নহ'লেও এচাম যুৱকে পিতৃ-মাতৃৰপৰা যিকোনো উপায়েৰে এখন বাইক আদায় কৰিবৰ বাবে যিকোনো ধৰণৰ পন্থা হাতত ল'বলৈ সাজু হৈ পৰিছে। এইচাম যুৱকে জনাকীৰ্ণ পথত বিভিন্ন উদণ্ড ভংগীমাত বিচৰণ কৰি সাধাৰণ পথচাৰীৰ লগতে নিজৰে অমূল্য জীৱনকো বিপদাপন্ন কৰি তুলিছে। শেহতীয়াকৈ বাতৰি কাকতত প্ৰকাশিত এক সমীক্ষা অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ ২৫ অনুৰ্ধ যুৱক-যুৱতীয়ে প্ৰতি মাহত গড়ে ৫০০ মিনিট ম'বাইলত কথা পতাত ব্যয় কৰে। ই উত্তৰ-পূৰ্বাঞ্চলৰ দৰে আৰ্থিকভাৱে অনগ্ৰসৰ অঞ্চলৰ বাবে সময় আৰু অৰ্থ দুয়োৰে অপব্যয়। ই এফালে আমাক সুবিধা প্ৰদানৰ নামত আনফালে বহুজাতিক নিগমৰ লুণ্ঠনৰ পথ প্ৰশস্ত কৰিছে।

অভিভাৱকৰ আৰ্থিক স্বচ্ছলতাই নৱ-প্ৰজন্মৰ এচাম প্ৰতিনিধিক উদণ্ড আৰু আদৰ্শহীন কৰি তোলাত প্ৰত্যক্ষ অৰিহণা যোগাইছে। নতুন

প্ৰজন্মৰ এক বৃহৎসংখ্যকে কাণ্ডাৰীবিহীন টুলঙা নাৱত উঠি আৱেগৰ পকনীয়াত নিজকে উটুৱাই দিছে। পিতৃ-মাতৃ-সন্তান, গুৰু-শিষ্যৰ মাজত থকা কৌটিকলীয়া পৱিত্ৰ সম্পৰ্কত ঘূণে ধৰিছে। এই পৱিত্ৰ সম্পৰ্কসমূহো অৰ্থৰ তুলাচনীত পৰিমাপণ কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে এইসকল যুৱক-যুৱতীয়ে। এনেধৰণৰ ধ্যান-ধাৰণাই তেওঁলোকক মজ্জাবিহীন আৰু মূলবিহীন গুল্মত পৰিণত কৰিছে। ধন আৰু ক্ষমতাৰ ৰ'গীত মতলীয়া হৈ উঠিছে এওঁলোক।

উপনিষদৰ যুগত গুৰুগৃহত শিক্ষা লাভৰ পৰিসমাপ্তিত ঘৰলৈ উভতি কৰ্মময় জীৱনত প্ৰৱেশ কৰিব খোজা ছাত্ৰক গুৰুৱে উপদেশ দিছিল এক সত্যম-শিৱম-সুন্দৰম জীৱন যাপন কৰাৰ। লগতে গুৰুৱে কৈছিল যে, খাৱন-শোৱনৰ দৰে অধ্যয়নো এক নিয়মিত কৰিবলগীয়া কৰ্ম। অধ্যয়নৰ অবিহনে মানুহৰ চিন্তাধাৰা পৰিৱৰ্ধিত আৰু পৰিশোধিত নহয়। কিন্তু সাম্প্ৰতিক সময়ত ধনসৰ্বস্ব যুৱচামৰ মাজত ক্ৰমান্বয়ে এক অধ্যয়নবিমুখী পৰিৱেশ ৰচনা হোৱা দেখা গৈছে। অধ্যয়নৰ স্পৃহা হ্ৰাস হোৱাৰ লগে লগে মহা মহা পুৰুষৰ জীৱনগাঁথাৰপৰা বঞ্চিত হৈছে, বঞ্চিত হৈছে এক সুন্দৰ-উজ্জ্বলতৰ ভৱিষ্যতৰ বাবে মাৰ্গদৰ্শন কৰিব পৰা এক মহত্তম আদৰ্শৰপৰা। তেওঁলোক নিমজ্জিত হৈছে কিছুমান আত্মক্ষয়ী ধ্যান-ধাৰণাত। ইও অৰ্থসৰ্বস্ব আৰ্থিক স্বচ্ছলতাৰেই ফচল বুলিব পাৰি।

আৰ্থিক ক্ৰমোন্নতিৰ হাতত হাত ধৰি যোৱাবান অভিভাৱকৰ বাবে সহজলভ্য হৈ পৰা ইণ্টাৰনেটৰ দৰে চমকপ্ৰদ আৰু যুগান্তকাৰী উপাদানবো ধনাত্মক আৰু ঋণাত্মক দুয়োটা দিশেই আছে। সমগ্ৰ বিশ্বৰ প্ৰতিটো কোণৰে তথ্য আহৰণ, নব-নব তথ্য উদ্‌ঘাটনৰ ক্ষেত্ৰত ইণ্টাৰনেটৰ ভূমিকা অনস্বীকাৰ্য। কিন্তু এচাম তৰল মানসিকতাৰ যুৱক-যুৱতীৰ মাজত ইণ্টাৰনেটক আন এক ক্ষেত্ৰত প্ৰয়োগৰ সাক্ষ্যহে পোৱা যায়। ইয়াৰে ফচল হৈছে চাইবাৰ অপৰাধ, হেকিং ইত্যাদি। ইণ্টাৰনেটত নিষিদ্ধ যৌনগন্ধী চাইট, যৌনতাসৰ্বস্ব নিষিদ্ধ ফিল্ম আদি চাই বিকৃত আনন্দ উপভোগ কৰা যুৱচামৰ মানসিকতা কি ধৰণে অধঃপতিত হৈছে সেয়া সহজেই অনুমেয়। শেহতীয়াকৈ মুম্বাইত ম'বাইলৰ জৰিয়তে অশ্লীল এম.এম.এছ বিনিময়ত জড়িতসকল আৰ্থিকভাৱে স্বচ্ছল ঘৰৰেই সন্তান।

সমাজত দিনে দিনে দ্ৰুতগতিত বৃদ্ধি পাই অহা অপৰাধমূলক কাৰ্যকলাপ সংঘটনৰ ক্ষেত্ৰতো আৰ্থিক স্বচ্ছলতাই উদ্‌গনি নোযোগোৱা নহয়। টকাৰে আইনো কিনিব পাৰি— এনে ধাৰণাৰ বশৱৰ্তী হৈছে নৱপ্ৰজন্ম। অপৰাধমূলক কাৰ্যকলাপ সংঘটিত কৰাৰ পিছতো কেৱল অৰ্থৰ বলতেই আইনৰপৰা সাৰি যোৱা উদাহৰণে তেওঁলোকৰ এই বিশ্বাসত সাৰ-পানী যোগাইছে। পিতৃ-মাতৃ প্ৰদত্ত অৰ্থ আৰু ক্ষমতাৰ বলেৰে বলীয়ান হৈ উঠিছে নতুন প্ৰজন্মৰ এচাম। ড্ৰাগছৰ দৰে বহু মূল্যৰ নিচাযুক্ত সামগ্ৰী ইহাত-সিহাত কৰাটো কেৱল আৰ্থিকভাৱে স্বচ্ছলসকলৰ বাবেহে সম্ভৱ। পিতৃ-মাতৃৰ আৰ্থিক স্বচ্ছলতাই সন্তানলৈ কঢ়িয়াই অনা নৈতিক অধঃ পতনৰ শেহতীয়া উদাহৰণ হ'ল— প্ৰয়াত প্ৰমোদ মহাজনৰ পুত্ৰ ৰাহুল মহাজন। টকা আৰু ক্ষমতাৰ অন্ধ বাগীয়ে নৱপ্ৰজন্মক উন্মত্ত কৰি তোলাৰ আন এক উদাহৰণ হ'ল -- উজ্জয়িনী বিশ্ববিদ্যালয়ত নিৰ্বাচনকেন্দ্ৰিক ঘটনাত ছাত্ৰবৃন্দৰ অধ্যাপকৰ হত্যা।

বৰ্তমানৰ নৱপ্ৰজন্মই ভৱিষ্যত দেশৰ নেতৃত্বৰ বাঘজৰী হাতত ল'ব লাগিব। গতিকে এই প্ৰজন্মক কৰ্ম-সাধনাৰে সু-সংস্কৃতিসম্পন্ন কৰি গঢ়ি তুলিব নোৱাৰিলে দেশৰ ভৱিষ্যত তিমিৰাচ্ছন্ন হ'ব।

বহুসময়ত দেখা যায় যে, অভিভাৱকৰ আৰ্থিক স্বচ্ছলতাই দুৰ্নীতিৰ নব-নব ক্ষেত্ৰ উন্মোচিত কৰিছে। বিভিন্ন চৰকাৰী চাকৰিত, অথবা প্ৰৱেশ পৰীক্ষাসমূহক নিজৰ সন্তানক জয়ী কৰোৱাৰ স্বাৰ্থত বৃহৎ পৰিমাণৰ ভেটি দি নৱপ্ৰজন্মৰ সন্মুখত ঘৃণনীয় দৃষ্টান্ত স্থাপন কৰিছে। নৱ-প্ৰজন্মৰ মাজত "হ'জি-মানি'ৰ মানসিকতা ঠন ধৰি উঠিছে।

অভিভাৱকৰ আৰ্থিক স্বচ্ছলতাৰ আন এক সুদূৰপ্ৰসাৰী কুফল শ্ৰমবিমুখিতা। শ্ৰমৰ গুৰুত্ব আৰু মৰ্যাদাক নৱ-প্ৰজন্মই পাহৰি পেলাবৰ উপক্ৰম হৈছে। কৰ্ম সাধনাৰ জৰিয়তে নিজৰ সৰ্বাংগীন উন্নতি সাধনৰ বিষয়টো আওকাণ কৰিছে। এইচাম যুৱক-যুৱতীৰ হঠকাৰিতাৰ ফলস্বৰূপেই থলুৱা সংস্কৃতিও প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। বিজ্ঞান বিটোত সংস্কৃতিত উটি-ভাহি গৈ আমদানিকৃত উপাদানৰ প্ৰতি অহেতুক প্ৰীতি প্ৰদৰ্শন কৰি বৰপীৰা পাৰি বহুওৱা পৰিলক্ষিত হৈছে। পুৰণি সমাজ-ব্যৱস্থাক উৎখাত কৰি নতুনকৈ গঢ়াৰ স্বপ্নত বিভোৰ হৈ নগ্নতা, যৌনতাৰ দৰে উপাদানক আদৰি অনা হৈছে। নিজৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাহীন নৱপ্ৰজন্মৰ এই চামেই অৰ্থসৰ্বস্ব মানসিকতাৰে নিজৰ ভাষা-সাহিত্য, ঐতিহ্য-পৰম্পৰা, ধৰ্ম-আধ্যাত্মিকতা ইত্যাদি মহৎ উপাদানসমূহক হেয় জ্ঞান কৰি নিজকে ক্লেদাক্ত কৰি তুলিছে।

এক কথাত আৰ্থিক স্বচ্ছলতাই সাম্প্ৰতিক সময়ত নৱপ্ৰজন্মক পথভ্ৰষ্ট কৰি ভৱিষ্যতৰ উত্তৰসূৰীসকলৰ বাবেও অশনি সংকেত কঢ়িয়াই আনিছে।

আজিৰ যুৱ মানসিকতাৰ এই ধ্বংসমুখী প্ৰৱণতাৰ বাবে কেৱল যুৱচামকে জগৰীয়া কৰাটো যুক্তিযুক্ত নহয়। ইয়াৰ বাবে বহুপৰিমাণে দায়ী আমাৰ সমসাময়িক সমাজ ব্যৱস্থা। বন্ধনবিহীন এখন সমাজত যুৱ-সমাজৰ সন্মুখত ভোগ-সৰ্বস্ব জীৱন এটাৰ সকলো প্ৰদৰ্শনৰ পোহাৰ মেলা হৈছে। বৃত্তিমুখী শিক্ষাৰ নামত সংস্কৃতৰ দৰে ভাষাক আৰু বুৰঞ্জীৰ দৰে বিষয়ক দ-খাৰৈত নিক্ষেপ কৰা হৈছে। যি সংস্কৃত ভাষাৰ আখ্যানসমূহৰ পাতে পাতে এক সুন্দৰ জীৱন-যাপনৰ বাবে নৈতিক প্ৰমূল্যবোধৰ বাণী সন্নিবিষ্ট হৈ আছে সেই সংস্কৃত ভাষা সম্প্ৰতি মৃত। বুৰঞ্জীৰ জ্ঞানৰহিত নৱ-প্ৰজন্ম ঐতিহ্য আৰু মজ্জাবিহীন।

বিশ্বায়ন আৰু নব্য উদাৰবাদী অৰ্থনীতিৰ সমান্তৰালভাৱে অহা পশ্চিমীয়া সংস্কৃতিয়ে প্ৰচলিত মূল্যবোধসমূহৰ প্ৰতি তীব্ৰ প্ৰত্যাহ্বানৰ সূচনা কৰিছে।

এইক্ষেত্ৰত বিশেষভাৱে কৰণীয় আছে সমাজৰ অভিজ্ঞতাপুষ্ট অগ্ৰজসকলৰ। তেওঁলোকে অনুজসকলক এক শুদ্ধ আৰু সৎ পথৰ সন্ধান দিব লাগিব। অভিভাৱকসকলে উটৰ দৰে বালিত মূৰ গুজি পৰিস্থিতিৰপৰা পলায়ন কৰিব বিচাৰিলে নহ'ব। তেওঁলোকৰ আৰ্থিক স্বচ্ছলতাই যাতে সন্তানৰ অধঃ পতনৰ কাৰক হ'ব নোৱাৰে তাৰ বাবে সদা সচেষ্ট হ'ব লাগিব। যদি তেওঁলোকৰ আৰ্থিক স্বচ্ছলতাৰ মূল উৎস দুৰ্নীতি হয় তেন্তে তেনে নিকৃষ্ট পন্থা পৰিত্যাগ কৰি সন্তানক প্ৰকৃত পথৰ সন্ধান দিব পাৰিব লাগিব।

সমাজৰ প্ৰতিজন ব্যক্তিয়েই এক সু-সংস্কৃতি সম্পন্ন সমাজ গঢ়ি তোলাৰ বাবে যত্নপৰ হ'ব লাগিব। আৰ্থিক স্বচ্ছলতাক ভোগৰ আহিলাৰূপে প্ৰয়োগ নকৰি সমাজৰ কল্যাণৰ হকে খটুৱাব পাৰিব লাগিব। যুৱ সমাজেও নিজৰ ঐতিহ্য-পৰম্পৰাৰ প্ৰতি সচেতন হৈ পাৰ্থিৱ জগতখনৰ মৰীচিকাৰ ৰূপ অনুধাৱন কৰি প্ৰমূল্যবোধৰ ভেটিত আধ্যাত্মিকতাৰে উদ্ধুদ্ধ হৈ সত্য-শিৱ-সুন্দৰৰ সাধনাত মগ্ন হ'ব লাগিব। সমাজৰ সকলোৰে সমন্বিত প্ৰচেষ্টাৰে উত্তৰি যোৱা সমাজ ব্যৱস্থাক নৱ ৰূপত গঢ় দিয়াৰ সময় সমাগত।✣

# এক বিহংগম দৃষ্টিৰে মাতৃভাষাৰ প্ৰতি আমাৰ দায়বদ্ধতা

চন্দ্ৰপ্ৰভা ঠাকুৰীয়া

*স্নাতকোত্তৰ তৃতীয় ষান্মাসিক, ইংৰাজী বিভাগ*

**প্ৰথম দৃশ্য ঃ**

কটনৰ এক মায়াসনা সাংস্কৃতিক সন্ধিয়া। বেক ষ্টেজত মোৰ স'তে ঘোষকৰ তালিকাত অন্য এক সহযোগী। কোনোবা এটা মুহূৰ্তত হঠাৎ মোৰ ওচৰত আহি ৰ'লহি ভূগোল বিভাগৰ পল্লৱী। পিন্ধনত তাইৰ এসাজ ৰঙা ফুলৰ বুটা বছা ধুনীয়া মুগাৰ মেখেলা-চাদৰ। তাই যেন এজনী ফুটুকী, চঞ্চলা, হৰিণী, দেও দি দি আহি সন্তৰ্পনে বৈছেহি মোৰ কাষত। আহিয়েই তাই মোৰ সন্মুখত দাঙি ধৰিলে এখিলা কাগজ, তাত লিখা থকা কোনোবাটো শব্দৰ উচ্চাৰণৰ ভ্ৰান্তি আঁতৰাবলৈ। কাগজখিলা হাতত লৈ প্ৰথম দৃষ্টিত মই তাৰ কোনো আঁত বিচাৰি নাপালো। দুবাৰমান পুনৰ আদিৰ পৰা অন্তলৈ দৃষ্টি বিয়পাই যোৱাতহে উৰহি গছৰ ওৰটো বিচাৰি পালো, কাগজখিলাত লিখা আছিল এটি বিহুগীত, তাকো হিন্দীত। তাই কণ্ঠত এক গৰ্বৰ ভাব নিগৰাই উত্তৰ দিলে— তাই হেনো 'আচামীজ' লিখিব নোৱাৰে। সম্পূৰ্ণ অসমীয়া পল্লৱীক অসমীয়া জাতিৰ গৌৰৱ বিহুগীত এটি হিন্দীতে পঢ়ি দি ক্ষন্তেক ভাবিবলৈ বাধ্য হৈছিলো সেইদিনা। ...

**দ্বিতীয় দৃশ্য ঃ**

গ্ৰীষ্মৰ এক অশান্তিভৰা আবেলি। কলেজৰ পৰা ঘৰমুখী বাছত মোৰ ওভতনি যাত্ৰা। বাছৰ চিটত ভাগৰুৱা শৰীৰটো এৰি দি খিৰিকীৰে এবাৰ বাহিৰলৈ এবাৰ বাছৰ ভিতৰলৈ দৃষ্টি ঘূৰাই ফুৰিছো। কোনোবাটো ষ্টপেজত হুৰমূৰকৈ বাছৰ ভিতৰলৈ সোমাই আহি মোৰ থিক কাষতে আহি ৰোৱা, দেখাত সম্ভ্ৰান্ত যেনেই লগা ভদ্ৰমহিলা দুগৰাকীলৈ এবাৰ দৃষ্টি বিয়পাই, চহৰতনো কোনে কাক চাই ভাবত পুনৰ খিৰিকীৰে বাহিৰৰ জগতখন চোৱাত লাগিলো। তেওঁলোকৰ কথোপকথনে কিন্তু কৰ্ণ গহ্বৰত বাৰে -বাৰে খুন্দিয়াই থাকিল। ভদ্ৰমহিলা দুগৰাকী হয়তো সহকৰ্মী। ঠিক মোৰ দৰেই হয়তো কৰ্মক্ষেত্ৰৰ পৰা নিজ গৃহ অভিমুখে আগবাঢ়িছে। তেওঁলোকৰ মাজৰ কোনোবা এগৰাকীয়ে আনগৰাকীক কাৰোবাৰ কথা কৈছে, খুব সম্ভৱ তেওঁৰ নিজৰ জীয়েকৰ, তাই হেনো অসমীয়া চিনেমাৰ নামকে শুনিব নোখোজে, একেবাৰে লেহেমীয়া তথা কিবা ঢেকেৰী-ঢেকেৰী লাগে। বৰ কম বয়সতে হেনো তাই প্ৰায় আটাইবোৰ ইংৰাজী চিনেমা চালে আৰু খোকোজা নলগাকৈ ইংৰাজী ক'ব পাৰে, একেবাৰে পানীৰ দৰে। সঁচাই! তাই বৰ স্মাৰ্ট! বৰ স্মাৰ্ট...?

**প্ৰসংগ ঃ**

ওপৰত দৰ্শোৱা ঘটনাকেইটা মাত্ৰ এক ক্ষুদ্ৰ নিদৰ্শন, আজিৰ অসমত নিজ মাতৃভাষাৰ দৈন্যতা, বিশেষকৈ চহৰ তথা তথাকথিত উচ্চ মধ্যবিত্ত শ্ৰেণীৰ মাজত। গোলকীকৰণৰ এই যুগত ভাৰতবৰ্ষৰ অন্য চহৰসমূহৰ পিছে পিছে অসমৰ চহৰ-নগৰো আগবাঢ়িছে ক্ৰমাগত আধুনিকতাৰ দিশত। আজিৰ যুগ আধুনিকতাৰ যুগ, কম্পিউটাৰৰ যুগ তথা ইংৰাজী শিক্ষাৰ প্ৰাধান্যতাৰ যুগ। অসমৰ জনতায়ো বিশ্ব দৰবাৰৰ খোজত খোজ মিলাই ইংৰাজীৰ দৰে এক বহুল প্ৰচাৰিত তথা চহকী ভাষাৰ ওপৰত আধিপত্য বিস্তাৰ কৰিছে, অত্যন্ত সুখৰ খবৰ কাৰণ আজিৰ যুগত ইংৰাজী ভাষাৰ প্ৰচাৰ তথা প্ৰাধান্য কিমান সেয়া যে কাৰো অগোচৰ নহয়। কিন্তু তাৰ বিনিময়ত যদি আমি নিজ মাতৃভাষাকে পাহৰিবলগীয়া হয় তাতকৈ জানো দুখৰ কথা অন্য কিবা হ'ব পাৰে। শংকৰ-মাধৱ, বিষ্ণু-জ্যোতিৰ দেশ অসম তথা অসমীয়া ভাষা নিজ মহিমামণ্ডিত। অসমীয়া ভাষা সাহিত্যৰ জৰিয়তেই আজি ড° মামণি ৰয়ছম গোস্বামীৰ দৰে বহুতো সাহিত্যিক, ড° ভূপেন হাজৰিকাদেৱৰ দৰে শিল্পীয়ে গোটেই ভাৰতবৰ্ষতে দপ্‌দপাই ফুৰিছে, তেনে এক ভাষাক অৱমাননা কৰাতো লজ্জাজনকেই নহয় চূড়ান্ত মূৰ্খামি বুলিয়ে ক'ব লাগিব। অসমৰ জনতাই আজি হাড়ে হিমজুৱে উপলব্ধি কৰা উচিত যে হওঁতে কোনো এক অগাধ পণ্ডিতেই হওক, যদিহে তেওঁৰ নিজ মাতৃভাষাৰে জ্ঞান নাথাকে তেওঁতকৈ দৈন্য আৰু কোন থাকিব পাৰে। ...

**নিজস্ব অনুভৱ ঃ**

অসমতে অসমীয়া ভাষাৰ কি দুৰৱস্থা সেয়া আমি কেৱল এজনী পল্লৱীৰ কাহিনীৰেই বুজাব নোৱাৰো। হয়তো আৰু হাজাৰ-বিজাৰ তেনে অন্য পল্লৱী ওলাব যাক আমি লিখি শেষ কৰিব নোৱাৰো। কটন, এক যেন শিহৰণ। যাৰ নামত লুকাই আছে হাজাৰ-হাজাৰ স্বপ্নবিলাসী যুৱক-যুৱতীৰ অযুত আকাংক্ষা। কটন যেন এক কমাৰশাল, য'ত গঢ়ি পিতি ৰূপ দিয়া হয় ভৱিষ্যতৰ অজস্ৰ সপোনক। কটন, য'ত প্ৰতিজন কটনিয়ানৰ দুচকুত হাজাৰ স্বপ্নৰ অঞ্জন। ইয়াৰ পৰাই হয়তো জন্মলভিব বহুতো চিকিৎসক, অভিযন্তা নাইবা কিছু উচ্চ পদস্থ বিষয়াৰ। যাৰ হাততেই হয়তো থাকিব সমাজ গঢ়াৰ গধুৰ দায়িত্বভাৰ। পল্লৱীৰ দৰেই কোনোৱে হয়তো গঢ়িব সমাজ। কল্পনা কৰকচোন এবাৰ, অসমীয়া সমাজ গঢ়া খোদ-খনিকৰ জনেই যদি অসমীয়া ভাষাৰ আদিপাঠেই নাজানে তেন্তে অসমত নিজ মাতৃভাষাৰ অস্তিত্ব তথা স্থায়িত্বৰ ওপৰতো জানো প্ৰশ্ন নুঠিব? হয়তো এনে এটা দিনো আহিব পাৰে যিদিনা অসমীয়া ভাষা বিস্মিতিৰ কৰাল গহ্বৰত ক্ৰমান্বয়ে বিলীন হৈ যাব।

**পৰিসমাপ্তি ঃ** কোনো এটা নিৰ্দিষ্ট ভাষাৰ সংৰক্ষণ তথা ইয়াৰ উন্নতি ভৰষা কৰে জাতিটোৰ নিজ দায়িত্ববোধৰ ওপৰত। ঠিক তেনেদৰেই অসমীয়া ভাষাৰ উন্নতিৰ ক্ষেত্ৰতো আমি অসমবাসীৰ দায়িত্ববোধ নিতান্তই প্ৰয়োজন, প্ৰয়োজন ভাষাটোক হৃদয়ৰ পৰা ভালপোৱাৰ। আজিৰ যুৱচাম কাইলৈৰ ভৱিষ্যত, যদিহে তেওঁলোকৰ হৃদয়তে নিজ মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধাৰ ভাব নাথাকে, নাথাকে ভাষাটো জনাৰ প্ৰতি কোনো উৎসুকতা, তেন্তে অসমীয়া ভাষাৰ অস্তিত্বই বা ভৱিষ্যতলৈ থাকিব ক'ত? সেয়ে আমি প্ৰতিজন অসমীয়াৰ দায়িত্ব নিজ ভাষাটো যেন কেতিয়াও অস্তিত্বহীন হ'বলৈ নাপায়। বৰ্তমান সমাজত আটাইতকৈ গধুৰ দায়িত্ব আমি প্ৰতিজন নাগৰিকৰ তথা প্ৰতিজন অভিভাৱকৰ যেন তেওঁলোকৰ সন্তানে নিজ মাতৃ ভাষাৰ শিক্ষাৰ ক্ষেত্ৰত কেতিয়াও বঞ্চিত হ'বলগীয়া নহয়। জন্ম নলওক অন্য কোনো পল্লৱীৰ যি নিজ মাতৃভাষাৰ জ্ঞান নথকাটো এক গৰ্বৰ চিন বুলি ভাবে! নিজকে আধুনিক তথা তথাকথিত 'স্মাৰ্ট' দৰ্শাবলৈ গৈ যেন কোনো অসমীয়াই অসমীয়া ভাষাক অপমান নকৰে, কাৰণ যেতিয়ালৈ অসমীয়া ভাষা জীয়াই থাকিব তেতিয়ালৈহে জীয়াই থাকিব অসমীয়া জাতি ... ❖

# মব্যৰ্থ সাহস

**ংকিতা বৰা**

*াতকোত্তৰ চতুৰ্থ ষাম্মাসিক, সংস্কৃত বিভাগ*

কৰ এক গ'লে শূন্য হোৱাৰ
নাৰ পৰাই
ীৱনৰ প্ৰচ্ছদ পটত
য়োগ অংকৰ সমাহাৰ
হুৰ তলত বৈ
নওঁতা আওৰাবৰ দিনাৰ পৰাই
য়োগৰ সৈতে এক
াত্মীয়তা গঢ়ি উঠিছে।
পাৰা-নোপোৰা...
াই হেৰুৱা
াথবা
কলোৰে সমাহাৰত
ীৱনৰ এটি ক্ষণ
াণিতিক সূত্ৰৰে
ীৱনৰ চকৰী ঘূৰে
ূন্যৰ দৰে
াৰোবাৰ লগত বহি
নিজৰ অস্তিত্ব ঘোষণা কৰে।
ূন্যও কেতিয়াবা
অকলশৰীয়া হয়
যিদৰে এখন
পৰিত্যক্ত হৃদয়
অকলশৰীয়া হৈ
উমি উমি জ্বলে
তথাপিতো...
শূন্যৰ অস্তিত্ব আছে
যিদৰে মোৰ হৃদয়ৰ
অকলশৰীয়া হৈ জীয়াই থকাৰ
এক অব্যৰ্থ সাহস আছে।



# এখন নদীৰ সৈতে

**সংগীতা নেওগ**

*স্নাতক দ্বিতীয় বৰ্ষ, ৰসায়ন বিজ্ঞান বিভাগ*

তাত এখন নদী আছে।
তাৰ বুকুত আছে
স্মৃতিৰ এপিটাফ্।
বহিচানে কেতিয়াবা তুমি
সেই নদীৰ পাৰত?
নিৰ্জন দুপৰীয়াটোক উত্তাল কৰি
ঢৌত ঢৌ তুলি চিৰপ্ৰৱাহমান হৈ ৰোৱা
তাৰ বুকুৰ গোপন গাঁথা,
তুমি শুনিছানে?
জানা, নদীখনে বহু কথা কয়।
পিছলা, ৰঙানদী অথবা টেমচ,
যিয়েই নহওক
তাৰ বুকুত শুনিবা
ৰিণি ৰিণি ভাঁহি অহা
শৈশৱৰ কুঁহিপাঠ।
নদীয়ে ক'ব পাৰে
জীৱনৰ সহজ সংজ্ঞা;
নদীৰ কোনো সংজ্ঞা নাই,
নাই বাহ্যিকতা।
সেয়ে সময় পালে আহিবাচোন
নদীৰ কাষলে
যান্ত্ৰিকতাৰ আঁতৰত
আৰেগঢালি পাতিম কথা,
দুয়ো মিলি যাম
নদীখনৰ সৈতে।।



## মোৰ ঠিকনা

**বৰ্ণালী বৰ্মন**

*স্নাতক দ্বিতীয় বৰ্ষ, ইতিহাস বিভাগ*

কেতিয়াবা বিচাৰিবলৈ চেষ্টা
কৰিছানে মোৰ ঠিকনা?
চাইছানে বিচাৰি এবাৰ, দুবাৰ... বহুবাৰ!
এক গভীৰ অপেক্ষাৰ অন্তত
পালানে বিচাৰি মোৰ ঠিকনা?
যদি নাই পোৱা তেন্তে
কুলুকুলু সুৰেৰে বৈ থকা নিজৰাটোক সুধিবা
সিয়ে দিব মোৰ ঠিকনা...
সেই খৰস্ৰোতা নৈখনিক সুধিবা
যাৰ পাৰত বহি কটাইছিলো আমি
বহুতো নিৰিবিলি সন্ধিয়া।
নহ'লে সেই বৰগছ জোপাক সুধিবা
যাৰ ছাঁত দেহাজুৰ পেলাইছিলো আমি
বহুতো নিৰ্জন দুপৰীয়া।
বা সুধিব পাৰা ৰাতিপুৱাৰ সেই চৰাইজাকক
যিয়ে আমালৈ কঢ়িয়াই আনিছিল প্ৰেমৰ বতৰা...
যদি তাতো বিচাৰি নোপোৱা তেন্তে
সুধিবা তোমাৰ হৃদয়খনক
যিয়ে সঠিকভাৱে দিব পাৰিব
মোৰ ঠিকনা।



## মৃত্যুলৈ আন্তৰিকতাৰে

**কাংকান কাকলি পেগু**

*স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ*

জীৱনতকৈ তুমিয়েই ভাল
সপোনৰ মৰীচিকা খেদি
ভাগৰাই পেলোৱা দুচকুক
তুমি কোলাত তুলি ওমলোৱা

ভঙা পতাৰ অংক কৰি কৰি
বাৰে বাৰে বিয়োগৰ ঘৰত
বৈ যোৱা হৃদয়বোৰৰ বাবে
তুমি নিৰ্ভৰযোগ্য আশ্ৰয়

জীৱনৰ প্ৰেমত পৰি
তোমাক এৰাই চলিব খোজা,
তোমাৰপৰা পলাই ফুৰা মনবোৰৰ ওচৰত
আৰু কেতিয়াও নাহো বুলি অভিমান নকৰা...

জীৱনতকৈ তুমিয়েই ভাল
তুমি এদিন মোৰ বাবে,
অকল মোৰ বাবেই আহিবা বুলিতো জানো...
জীৱন সদায় থাকে কাষে কাষে
বাহিৰে ভিতৰে
তথাপি এবাৰো নকয়,
'সদায় তোমাৰ কাষত থাকিম,
কেৱল তোমাৰ বাবে...'

## অপাংক্তেয় ঃ ডাষ্টবিনত অমৃত

**যুৱৰাজ গগৈ**

*স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*

দিনচেৰেকৰ পৰা দেখা নাই তাইক
আপুনিও(?), ময়ো—
সেই ডাষ্টবিনত অমৃতৰ
সন্ধান কৰা পখীজনীক।
অনৈক্যৰ মাজত ঐক্যৰ বাণী
সৰ্বোগত কৰি তাই
ডাষ্টবিনৰ পীয়ুষ ভক্ষণ কৰে
কাউৰী কুকুৰৰ সৈতে ভগাই
(অমৃত মন্থন নকৰে তাই
ডাষ্টবিনত যে গৰল নাই)
পৰম তৃপ্তিৰে!
অনাবিল প্ৰশান্তিৰে!!
(অমৰ হোৱাৰ লক্ষ্যৰে?)
তাইৰ নামটো বাৰু
লিপিবদ্ধ হৈছে নেকি
পাৰিপাৰ্শ্বিকতাৰ সেই
পৰম সুহৃদসকলৰ তালিকাখনত?
দিনচেৰেকৰ পৰা দেখা নাই তাইক
যাযাবৰী বিহংগিনী!



# বিষাদ স্তৱক

**জয়শ্ৰী বৰা**

*স্নাতক প্ৰথম বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*

কাঞ্চন ফুলৰ নিৰ্যাস সনা দুপৰীয়াত
তোমাক এবাৰ বিচাৰিলো৷
একান্ত নিজৰকৈ
য'ত থাকিলহেঁতেন
তোমাৰ উমাল নিশ্বাস
আৰু মোৰ তৰুণী হেঁপাহ
উৰন্ত সময়ো য'ত
থমকি ৰয়।
এবাৰ মাত্ৰ তুমি যদি কোৱাহেঁতেন
'মই তোমাক ভালপাওঁ'
মোৰ উকা পদূলিত ৰুলোহেঁতেন
এজুপি নাহৰ।
(নাহৰ যে নহয় তোমাৰ প্ৰিয় গছ)
মইতো তোমাক দিব খুজিছিলো তোমাৰ হৃদয়ত
এসোপা সেউজীয়া,
প্ৰতিদানতো বিচৰা নাছিলো মই
তথাপি,
কিয় তুমি মোলৈ ছটিয়াই দিলা
এমুঠি বিষাদ?
তুমি মোৰ নোহোৱা কাহানিও
তথাপি তোমাৰ চৌপাশে
গুঞ্জৰি থাকিব মোৰ মাত
কেনে আছা তুমি?
কুশলে আছানে তুমি?





# বৰ্ণময় অনুভৱ

**ঋতুপৰ্ণা বৰগোহাঁই**

*স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ*

থৰথৰকৈ কঁপি কঁপি গছজোপা কান্দি আছে
ভৰিৰ পৰা মূৰলৈকে
এজাক হিমচেঁচা বতাহ।

সপোনৰ ছয়াময়া কাচোনত
গছজোপা মুগ্ধ হ'লৈও
বাস্তৱৰ নিষ্ঠুৰ জোকাৰনিত
সৰি পৰে সপোনবোৰ
টুপুৰ-টুপৰকৈ বিস্মৃতি নদীত।

ফুল ফুলিছে, বহু ৰঙীন ফুল
তেজৰঙা, বগলীবগা, হালধীয়া বহু ফুল।
ফাগুনী মলয়াৰে চুপতি মাৰি
গছজোপাই খিলখিলাই হাঁহিছে
ফুলবোৰে লাজতে
ৰঙীন সপোনৰ দীঘল ওৰণি লৈছে।

এয়া গছজোপাৰ দুটি ভিন্ন দৃশ্য
ভিন্ন দিনত গছজোপাত ভেজা দি
জীৱনে বজাই বাঁহী ভিন্ন সুৰৰ।
সুৰবোৰত নাচি উঠে-
সুৰবোৰত কঁপি কান্দে-
কুঁহিপাত, পুৰণি পাত।
সুৰবোৰৰ কিছুমানে গছজোপাক
জপটিয়াই ধৰে কিম্বা চিটিকি পৰে
জীৱনে বাঁহী বজায়ে থাকে।

## এজনৰ অন্তৰ্দৃষ্টিৰে

*(যি কথা পতা নাই এবাৰলেও মোৰ স'তে)*


**পূণ্যপ্ৰভা বৰুৱা**

*স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ*


পৃথিৱীখন ঘূৰণীয়া, সকলোৱে জানে
প্ৰায়েই নাজানে 'দ্য আৰ্থ ইজ কমপ্লেক্স এণ্ড ডিফিকাল্ট অলচ'
নজনাবোৰৰ ভিতৰত
জীৱনৰ অন্ধকাৰত লুকাই থকা আপুনিও এজন
উন্মাদ ফাগুণী মই আপোনাৰ অন্তৰ্দৃষ্টিত।
কেনেকৈ জানিলে বাৰু আপুনি মইযে এজাক বেনামী বতাহ!
মইতো তচ্‌নচ্‌ কৰি পেলোৱা নাই আপোনাৰ বসন্তৰ ফুলনি
কথাওটো পতা নাই এবাৰলেও আপোনাৰ স'তে
মোৰ জীৱনৰ ঊনৈশটা বসন্তত
হঠাৎ আপোনাক লগ পাই ভাল লাগিছে।
পিছে, কেনেকৈ জানিলে আপুনি।
দুখুনী আই আৰু শ্ৰমিক দেউতাৰ বুকুত প্ৰচণ্ড আঘাতেৰে
মই হেৰাই যাব পাৰিম পৃথিৱীৰ ব্যস্ততাত!
(আপুনি বাৰু কোনদিশেৰে ভাবে- সদৰ্থক নে নঞৰ্থক)
কোনোৱে কয়-
মোৰ হেনো বাহ্যিক আৰু আভ্যন্তৰীণৰ দূৰত্ব বহুত।
কোনোবা প্ৰেমিক কবিয়ে লিখাৰ দৰে
মোৰ বন্ধুবোৰে কয়,
মই হেনো বসন্তৰ আস্তাবলত মূৰ গুজি বহি থকা
আপাত চঞ্চল, ভিতৰি বিবৰ্ণ।
কি ঠিক আপুনিয়েইতো হ'ব পাৰে শুদ্ধ
এইবাৰ কথা হ'বচোন মোৰ স'তে
আহিবচোন মোৰ বিশালতালৈ
আমন্ত্ৰণ কৰিলো সাদৰেৰে
মন্তব্য দিব মোক বুজিলেনে নাই
কাৰণ— 'দ্য আৰ্থ ইজ কমপ্লেক্স এণ্ড ডিফিকাল্ট।'



## এটি গীত


**কথা আৰু সুৰ ঃ নুৰুল ইছলাম শইকীয়া**

*প্ৰবক্তা, অসমীয়া বিভাগ*


যেতিয়া আবেলি
হেঙুলীয়া বেলি
পশ্চিম আকাশত
মাগে মেলানি
পুঠিমাৰীপৰীয়া
গাঁওখনলৈ' মোৰ
এখনি সৰগ
আহে যে নামি



নৈ পাৰ মুখৰিত
গৰখীয়া গীতেৰে
কঁহুৱা বিৰিণা
হালিলে জালিলে
গাগৰি বুৰোৱা
চিনাকি ঘাটতে
অচিনা আবেগত
খলকে গাভৰু বুকু

বাহলৈ উভতিল
শালিকী বগলী
ঘৰলৈ উভতিল
ৰোৱনী দাৱনী
পদূলি পদূলি
উদুলি মুদুলি
জাক জাক
শিশুৰে ধেমালি

এইটি চুবুৰীত
ডবা কাঁহ বাজিলে
সেইটি চুবুৰীত
আজানৰ সুৰ উঠিলে
দুয়োটি সুৰ মিলি গৈ
একে আকাশ কঁপালে
ৰচিলে মিলনৰ সাকোঁ
ভেটিলে বিভেদৰ বাটো।



# মৃতদেহৰ সন্ধান


**নমিতা কলিতা**

*স্নাতক দ্বিতীয় বৰ্ষ, দৰ্শন বিভাগ*


কিমান কৰুণ হ'ব পাৰে এগৰাকী অসহায় নাৰীৰ দুটি নয়ন...! জিতুৰাজৰ দুচকুৰ মণিত ভাঁহি উঠিল মাকৰ দুটি নয়নৰ কৰুণ বিননি....। অসহায় জিতুৰাজে ভাৱাক্ৰান্ত খোজেৰে চাৰিআলিটোৰ পানদোকানখনৰ পৰা চিগাৰেট এটা জ্বলাই লৈ খোজ দিলে পুলিচ থানা অভিমুখে। 'জিতুৰাজ মহন্ত' নামৰ এজন যুবক! যিয়ে আজি এবছৰ ধৰি সন্ধান কৰি আছে এটি মৃতদেহৰ। ঘৰখনৰ চাৰিটা প্ৰাণী জীয়াই থাকিবলৈ হ'লে এটি মৃতদেহৰ প্ৰয়োজন যিটো মৃতদেহ তেওঁৰ দেউতাকৰ বুলি চিনাক্ত কৰিব পাৰে। চাৰিআলিটো পাৰ হৈ পুলিচ থানা অভিমুখে গৈ আছে জিতুৰাজ মহন্ত; যিটো এতিয়া তেওঁৰ দৈনন্দিন কামৰ তালিকাৰ অন্তৰ্গত। চিগাৰেটৰ ধোঁৱাখিনি আকাশৰ ফালে উৰুৱাই ভাবিবলৈ ধৰিলে জিতুৱে— কি কৰা যায়! কাৰণ পুলিচ অফিচাৰৰ খং উঠা হ'ল জিতুক দেখি। এদিনাখন কৈয়েই দিলে— 'আমিটো যাদুকৰ নহয়; কোটি কোটি মানুহৰ মাজৰপৰা তোমাৰ দেউতাৰাক বিচাৰি উলিয়াই দিবলৈ।'

কোনোবাদিনা আকৌ সহানুভূতিৰে সোধে 'তোমাৰ দেউতাৰাই আত্মহত্যা কৰিব পাৰে নেকি? জিতুৰাজ গৰজি উঠে 'মোৰ দেউতা ইমান কাপুৰুষ নহয়। তেওঁ জীৱনটোক বহুত ভাল পায়। তেওঁ ইমান পলায়নবাদী নহয়। তেওঁ জীৱনটোৰ সৈতে মুখামুখি হ'ব খোজে।' খঙত নিৰাশ হৈ উভতি আহে জিতুৰাজ।

জিতুৰাজৰ দেউতাক বিশ্বদেৱ মহন্ত স্থানীয় এম্ ই্ স্কুলৰ প্ৰধান শিক্ষক। নিজৰ আদৰ্শত অটল বিশ্বদেৱ মহন্ত অঞ্চলটোৰ মানুহৰ বাবে এজন শ্ৰদ্ধাৰ ব্যক্তি। জিতুৰাজ, পাপৰি আৰু নিতু তিনিটি ল'ৰা-ছোৱালীৰে তেওঁৰ সংসাৰখন। পত্নী জানকী এগৰাকী মনমিয়াল মহিলা, যিগৰাকীয়ে ঘৰখনৰ সকলো কাম-কাজৰ দায়িত্ব মূৰ পাতি লোৱাৰ উপৰিও ল'ৰা-ছোৱালীকেইটাৰ পঢ়া-শুনাত নজৰ ৰাখিছিল।

সকলোবোৰ ঠিকে-ঠাকেই চলি আছিল। জিতুৱে বি.এ. পাছ কৰিলে। কিন্তু দুবছৰ ধৰি ঘৰতে বহি আছে সি; তাৰ শীৰ্ণ মুখখন চাই চাই দেউতাকৰ মন বিষাদেৰে ভৰি পৰে। মাজে সময়ে কয় 'গুৱাহাটীলৈ যাচোন। কিজানিবা ক'ৰবাত কিবা এটা পাবহি!' জিতুৰাজ অৱশ্যে নোযোৱা নহয়। মাজে সময়ে দিশপুৰলৈও যায়। কিন্তু কি হ'ব দিনটো শুকাই বহু তিতা অভিজ্ঞতা লৈ সন্ধিয়া ঘৰলৈ ওভতে। এনেকৈয়ে দিনবোৰ গৈ আছে। আনহাতে সৰু ভায়েক নিতু বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব আৰু ভনীয়েক পাপৰি অৰ্থনীতি মেজৰসহ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী। কিন্তু বিধিৰ কি বিপাক! এদিনাখন বিশ্বদেৱ মহন্ত বজাৰ কৰিবলৈ গৈ হঠাতে নিৰুদ্দেশ হ'ল। থানাত খবৰ দিয়াৰ লগতে বাতৰি-কাকত ৰেডিঅ' আৰু দূৰদৰ্শনৰ যোগেও নিৰুদ্দেশ সম্পৰ্কীয় ঘোষণা এটি দি সন্ধান দিব পৰা জনক পুৰস্কৃত কৰা হ'ব বুলিও কোৱা হ'ল। তথাপি কোনো খবৰ নাই। আজি এবছৰ ধৰি কোনো খবৰ নাই বিশ্বদেৱ মহন্তৰ। পেটত ভাত আৰু চকুত টোপনি হেৰাই গ'ল পুত্ৰ পৰিবাৰ সমন্বিতে ঘৰখনৰ চাৰিটা প্ৰাণীৰ। জিতুৰাজে বি.এ. পাছ কৰা দুবছৰেই হ'ল যদিও চাকৰি এটা যোগাৰ কৰি ল'ব পৰা নাই। আনকি সি ব্যক্তিগত কোম্পানী আদিতো চেষ্টা নকৰাকৈ থকা নাই। তথাপি তাৰ ভাগ্য উদয় নহ'ল। দেউতাকৰ উপাৰ্জনেৰে কোনোমতে পৰিয়ালটি চলি আছে, কিন্তু কণা বিধাতাৰ যেন তাতো সহ্য নহ'ল। ইফালে ঘৰত এজনী গাভৰু ছোৱালী। কলেজত পঢ়ি থকা এজন ভায়েক; তাৰোপৰি নিত্য-নৈমিত্তিক খৰচবোৰটো আছেই। এইবোৰ কাৰণেতে মাকৰ নামত থকা টকাকেইটাও লাহে লাহে শেষ হৈ আহিবলৈ ধৰিলে। কি কৰিব সি? ভাবি পাৰ নোপোৱা হ'ল জিতুৰাজে। দেউতাকৰ মৃত্যু নিশ্চিত নোহোৱা বাবে দৰমহা, পেঞ্চন, জীৱন বীমা, আদিৰ টকাও বন্ধ হৈ আছে। ডেথ চাৰ্টিফিকেট জমা নিদিলে এইবোৰ একো পোৱা নাযায়। ডেথ চাৰ্টিফিকেট দিব পাৰিলে কমপেনচেচন গ্ৰাউণ্ডত দেউতাকৰ চাকৰিটো হয়তো পাব পাৰিলেহেঁতেন। আনহাতে ডেড্‌বডি নাপালে কোনেও ডেথ্ চাৰ্টিফিকেট নিদিয়ে।

অৱশিষ্ট চিগাৰেটখিনি পেলাই দি দ্বিতীয়টো চিগাৰেট পেকেটৰপৰা উলিয়াই জ্বলাই ল'লে জিতুৰাজে। এনেতে দূৰৈৰ আকাশত এজাক শগুন দেখিলে সি। সন্দেহ উপজিল জিতুৰাজৰ। কিয়নো শগুনে বহুত দূৰৰপৰা মৰাশ দেখা পায়। কিজানি শগুনবোৰেই সন্ধান দিব পাৰে এটি মৃতশৰীৰৰ। দেউতাক জীয়াই থকাৰ শেষ আশাকণ যেন হেৰাই গৈছিল জিতুৰাজৰ। কিন্তু অসহায় মাকগৰাকীয়ে ভগৱানৰ প্ৰতিমূৰ্তিৰ ওচৰত চাকি জ্বলাই প্ৰতি মুহূৰ্তত প্ৰতীক্ষা কৰিছে মাথোঁ স্বামী সুস্থ শৰীৰে ঘূৰি অহালৈ। পুলিচ থানা পাবলৈ উপক্ৰম হোৱা জিতুৰাজ পুলিচ থানালৈ নগৈ গলগৈ পুলিচথানাৰ বাওঁকাষে যোৱা পথটোৰ শগুনবোৰ উৰি থকা জনশূন্য স্থানডোখৰলৈ। জিতুৰাজ নিৰাশ হৈ উভতি আহিল। কাৰণ তাত মানুহৰ মৃতদেহৰ সন্ধান নাপালে সি। পালে মাথোঁ গেলি যোৱা এটি জন্তুৰ মৃতদেহহে। ঘৰলৈ উভতি আহি সি দেখিলে ঘৰত পুলিচ। তাৰেই অপেক্ষা কৰি আছে। তাক দেখা মাত্ৰকে ইন্সপেক্টৰে ওচৰলৈ আহি ক'লে— 'এটা মৃতদেহ পাইছো। গেলি গৈছে। তুমি কোৱাৰ দৰে পিন্ধনত ধুতি-পাঞ্জাবী, চুলি উঠি গৈছে। সম্ভৱ টপা আছিল। কিন্তু বাওঁভৰিত ছটা আঙুলি আছে।

ইন্সপেক্টৰৰ দুহাতত সাৱটি ধৰি কঁপি কঁপি জিতুৰাজে মাথোঁ ক'লে— 'ছটা আঙুলিত আৰু লাগি নাথাকিব ছাৰ। এইটোৱে মোৰ দেউতাৰ মৃতদেহ বুলি লিখি দিয়ক। অন্ততঃ মোৰ লগতে এই পৰিয়ালটো বাচি যাব। আপুনি এইকণ সহায় কৰি দিয়ক ছাৰ... '❖

# মাটিৰ গোন্ধ




**প্ৰীতি ডেকা**

*স্নাতক তৃতীয় বৰ্ষ, অৰ্থনীতি বিভাগ*


— 'জিতেন, ক'লৈ যোৱা?'

— 'অ' খুড়াদেউ। মই অলপ বজাৰৰ পৰা আহো। খুড়ীহঁতৰ খবৰ ভালনে?'

— 'এহ্ আছে দিয়া। আহিবা তুমি বিহু খাবলৈ।'

— 'হ'ব দিয়ক। অ' ৰ'ব। কালি মই গুৱাহাটীলৈ গৈছিলো নহয়। আপোনালোকৰ সৰু খুড়াদেউক লগ পাইছিলো। মোক বাটতে লগ পাই চিঠি এখন লিখি যেনে তেনে আপোনাক দিবলৈ দিছে। ভালেই হ'ল আপোনাক ইয়াতে লগ পালো। মই আৰু আপোনালোকৰ ঘৰলৈ নাযাওঁ। এইয়া চিঠিখন লওঁক।'

— 'অ' তুমি তাৰমানে কালি গৌতমক লগ পাইছিলা। সি আৰু কিবা কৈছে নেকি?'

— 'নাই খুড়াদেউ।'

জিতেনৰ পৰা চিঠিখন লৈ মই বেগাবেগিকৈ চাইকেল চলাই ঘৰলৈ আহিলো। এই সময়ত মালতী ঘৰত নাই। কাৰৰ ঘৰত চাউল খুন্দিবলৈ গৈছে। এইকেইদিন বিহু বুলি বেচেৰীজনী চাউল খুন্দা, নাৰিকল ৰোকা, পিঠা বনোৱা কামত ব্যস্ত হৈ আছে। হাত-মুখ ধুই চিঠিখন পঢ়িলো। এনেতে মালতী হাতত চাউলৰ গুড়িৰে পৰিপূৰ্ণ চৰিয়া এটা লৈ চোতালত থিয় হ'লহি।

গৌতম মোৰ সৰু ভাই। সি চহৰত থাকে। গৌতমৰ পত্নী অৰ্থাৎ লীনামী চহৰৰে ছোৱালী। সৰুতে মা-দেউতা ঢুকুৱাত তাক মই বহুত কষ্ট কৰি ডাঙৰ-দীঘল কৰিছো। ঘৰখনৰ ডাঙৰ সন্তান হোৱা হেতুকে আটাইকেইটা ভাই-ভনীৰ দায়িত্ব মোৰ ওপৰতে পৰিছিল। টিউচন কৰি, ঘৰৰ শাক-পাচলি বিক্ৰী কৰি, বাৰীৰ পাণ-তামোল বেচি হ'লেও সিহঁতক পঢ়ুৱাইছিলো। বি.এটো প্ৰাইভেটকৈ পাছ কৰি এম.এ. পঢ়িবলৈ মন আছিল যদিও টকা-পইচাৰ নাটনিয়ে সেই আশা পূৰণ নকৰিলে। তাৰ পাছত মই ওচৰৰে স্কুল এখনত কাম কৰিলো। এতিয়াও তাতেই কাম কৰি আছো। কিন্তু যোৱা তিনি বছৰমানৰপৰা দৰমহা নিয়মিতভাৱে পোৱা নাই। সেয়েহে ঘৰখন চলোৱাটো অলপ অসুবিধা হৈছে। তথাপি আমি চাৰিটা প্ৰাণী কোনোমতে পেটে-ভাতে খাই আছো। গৌতম আৰু বিপুল চহৰত থাকে। ইঞ্জিনিয়াৰীং পাছ কৰাৰ পাছত গৌতমে আইন বিভাগৰ ছাত্ৰী লিনামীক বিয়া কৰাই গুৱাহাটীত আছে। গৌতমৰ ল'ৰা-ছোৱালী দুটা। বিপুলেও গুৱাহাটীৰ কোনোবা এখন প্ৰাইভেট কলেজত চাকৰি কৰে। দুয়োটাৰে অৱস্থা বৰ ভাল। টকা-পইচাৰ অভাৱ নাই। ল'ৰা-ছোৱালীহঁতকো গুৱাহাটীৰ ইংৰাজী স্কুলত নাম লগাই দিছে। হওক তেওঁ, ইংৰাজী জনাটো বৰ দৰকাৰী। আমিয়ে ইংৰাজী ভালদৰে ক'ব নোৱাৰো বাবে কিমান পিছপৰি আছো। মই হ'লে মোৰ ল'ৰা-ছোৱালীকেইটাক আমাৰ গাঁৱৰে অসমীয়া স্কুলত নাম লগাই দিছো।

এতিয়া পাঁচ বাজিল। ইহঁতকেইটা স্কুলৰ পৰাতো আহি পাব লাগিছিল।

— 'মালতী, কি বাবা আৰু জোনমণি স্কুলৰ পৰা আহিয়ে পোৱা নাই নেকি?'

— 'ইহঁতকেইটা আহি আকৌ খেলিবলৈ গ'ল। হেৰি নহয়, আপোনাৰ হাতত সেইখন কি?'

— 'অ'..., গৌতমৰ চিঠি। বুজিছা, তাৰ ছোৱালীজনীৰ পৰহিলৈ জন্মদিন। আমাক গোটেইকেইটিকে নিমন্ত্ৰণ দিছে। তুমি এতিয়া কি ভাবিছা?'

— 'তাকেইতো! এইকেইদিন কিমান অভাৱ-অনাটন হৈ আছে। আটাইকেইটা চহৰলৈ যাবলৈ লাগিলে নাই বুলিলেও হাতত পাঁচশমান টকা নিবই লাগিব। আৰু এতিয়া ভঁৰালৰ ধান বিক্ৰী কৰি ভঁৰাল উদং হ'ল। আকৌ টকা ধাৰ কৰি চহৰলৈ নাযাওঁ।'

এৰা, মালতীয়েতো ঠিকেই কৈছে। সাঁচতীয়া ধন এটা হাতত নাই অথচ আমি চহৰলৈ যাবলৈ মন মেলিছো। হয়তো যোৱা বছৰ মালতীয়ে গৌতমৰ ঘৰলৈ যাওঁতে অপমানিত হোৱা কথাষাৰ পাহৰিব পৰা নাই। আমাৰ গাঁৱৰ মহাজনৰ পৰা পাঁচশ টকা ধাৰ কৰি গৌতমহঁতৰ ঘৰলৈ থকাকৈ গৈছিলো। ভাবিছিলো গুৱাহাটীখন মালতী আৰু ল'ৰা-ছোৱালীকেইটাক দেখুৱাই লৈ আহিম। সদায়তো আৰু অহা নহয়। চাহ-জলপান খোৱাৰ পাছত লিনামীয়ে ক'লে, 'বাইদেউ, আপোনালোক যায় যদি সোনকালে যাওঁক, ইফালে আকৌ ৰাতি হ'লে বাছ নাপাব।' মালতী আৰু মই হতবাক হৈ ইটোৱে সিটোৰ মুখলৈ চালো। মালতীয়ে মোলৈ চাই চকুৰে ইংগিত দিলে— আমি এতিয়া যাওঁ ব'লক। মালতীয়ে মোক খুলি কোৱা নাছিল যদিও মালতীৰ মনৰ ভাৱ মই বুজিলো। তাই বৰ অপমানবোধ কৰিলে।

যা হওক মালতীয়ে যি সিদ্ধান্ত লয় ময়ো তাকে গ্ৰহণ কৰিম। অতীতৰ কথাবোৰ মনত পৰিলে সিহঁতৰ ঘৰলৈ যাবলৈ বৰ মন যায়। কিন্তু, বৰ্তমানৰ কথা ভাবিলে মোৰ বুকুখন চিৰিংকৈ যায়। তাক ইমান কষ্ট কৰি লিখা-পঢ়া শিকাই এয়াহে কৰিলো নে? কেতিয়াবা নিজৰ ওপৰতে ধিক্কাৰ জন্মে।

পুৱা শুই উঠি কথাটো মই আকৌ চিন্তা কৰিলো। মালতীয়েও অকল মোকেই যাবলৈ দিলে। চিঠিখন দি মাতিছে যেতিয়া এজনো নগ'লে বেয়া কথা হ'ব। ঘৰখন অকলে এৰিতো যাব নোৱাৰি। মালতী যাব নোৱাৰে। ইফালে বাবা আৰু জোনমণিৰ স্কুলো আছে। মই গৈ মাত এষাৰ দি আহিম। বহুত দিন সিহঁতক দেখাও নাই। একেবাৰে বিহুলৈও নিমন্ত্ৰণ দি থৈ আহিম।

স্কুললৈ গৈ মোহন মাষ্টৰৰ পৰা তিনিশ টকা ধাৰে ল'লো। বিহুৰ আগে আগে যদি দৰমহা পাওঁ টকাৰ ধাৰ মাৰিম বুলি মোহন মাষ্টৰক প্ৰতিশ্ৰুতি দিলো। চহৰলৈ যোৱাৰ কথা। অলপ টকা হাতত লাগিবই। তাতে আকৌ ভতিজীৰ জন্মদিন। ভাল উপহাৰটো নিবই লাগিব। মালতীকো ক'লো সিহঁতলৈ বুলি লাৰু-পিঠা অলপ বনাই দিবলৈ। সিহঁত চহৰত

থাকে। এইবোৰনো ক'ত বনাই খাব? ৰাতি ভাত খাই উঠি মালতীয়ে আকৌ চহৰলৈ নিবলৈ বেলেগকৈ লাৰু-পিঠা বনাব ধৰিলে। শোওঁতে তাইৰ ৰাতি দুটা বাজিল।

পিছদিনাখনে শুই উঠি দেখিলো মালতীয়ে বাৰীত শাক তুলি আছে। ময়ো লৰালৰিকৈ গা-পা ধুই লাৰু-পিঠাৰে সৈতে শাক-পাচলি আৰু তামোল-পাণৰ টোপোলাকেইটা ডাঙৰ মোনা এখনত ভৰাই গুৱাহাটীলৈ বুলি ৰাওনা হ'লো। আদাবাৰীত নামি হোটেল এখনত চিঙ্‌লা এটাৰে চাহ একাপ খালো। ছোৱালীজনীলৈ বুলি একো উপহাৰেই অনা নহ'ল। যাওঁতে ফাঁচী বজাৰত নামি চোলা এটাকে কিনি লৈ যাম। তাইকতো দামী চোলাই দিব লাগিব। আমাৰ জোনমণিৰ দৰে কম দামী চোলাতো নিপিন্ধে। চহৰত ডাঙৰ হোৱা ছোৱালী। ইয়াৰ চোলাবিলাক আমাৰ গাঁৱৰ সাপ্তাহিক বজাৰত কিনা চোলাবোৰৰ দৰে ছাগে নহয়। গুৱাহাটীৰ মানুহবোৰেও ইমান ধুনীয়া ধুনীয়া কাপোৰ পিন্ধে!

ফাঁচী বজাৰত ইমান ভিৰ! ফুটপাথবোৰতো ইমান ধুনীয়া চোলাবোৰ ওলোমাই থোৱা আছে। কিন্তু তাই জানো এইবোৰ চোলা পিন্ধিব? নাই ফুটপাথৰ পৰা কিনি নিদিও। কথাটো বৰ বেয়া হ'ব, এটা কাম কৰো অলপ লাগে পইচাই খৰচ হওঁক ভাল চোলা এটা কিনি দিওঁ। তাইও খুব ভাল পাব। তেতিয়া হয়তো তাই গৰ্ব কৰি ক'ব— 'এইটো মোক খুড়াদেউতাই দিয়া চোলা। দেখিলা। ইমান ধুনীয়া।'

— 'চাওঁ দাদা, অলপ আঁতৰি দিয়কচোন।' মানুহজনে মোক প্ৰায় ঠেলিয়েই দিলে। ছেঃ মইও যে মাজবাটতে ক'ৰ কি চিন্তা কৰি আছো...। অ' এই সন্মুখৰ ডাঙৰ দোকানখনতে সোমাওঁ। ইয়াৰপৰাই দামে দৰে মিলিলে কিনিয়ে লৈ যাম। বেছি পলম নকৰো। ইফালে ভোকো লাগিছে।

— 'অ' কওঁকচোন আপোনাক কি লাগে?'

দোকানীজনে মোলৈ চাই সোধাত মই ভাল ভাল ফ্ৰক উলিয়াই দিবলৈ ক'লো। সঁচাকৈয়ে ফ্ৰককেইটা বৰ ধুনীয়া। 'কিন্তু এয়া কি? ফ্ৰককেইটাতচোন বহুত দাম লিখা আছে। অজানিতে মই সোঁহাতেৰে পইচা থোৱা জেপলৈ হাত ভৰাই চালো। মনতে ভাবিলো পাৰিমনে বলেৰে? ইয়াতে সোমাইছো যেতিয়া কিবা এটাটো নিবই লাগিব। কিন্তু, এইখন দোকানত দাম দৰাবলৈ মোৰ লাজেই লাগিব। বেলেগ এখনতে সোমাও নেকি...।

— 'দাদা, কাপোৰ পছন্দ হ'লনে? লওঁক। অলপ কমাই দিম দিয়ক।' দোকানীজনে বৰ উৎসাহেৰে ক'লে।

— 'এই চোলাটোৰ দাম কিমান?'

— 'চাৰিশ টকা। আপুনি এটা কাম কৰক তিনিশ পঞ্চাশ টকা দি দিব আৰু।'

— 'নাই নাই। ইমান দাম ক'লে কেনেকৈ হ'ব? দুশ টকা হয় যদি ল'ব পাৰো। ইয়াতকৈ ওপৰত নোৱাৰো।'

— 'ঠিক আছে এটা কাম কৰো। আপুনিও অলপ বঢ়াই দিয়ক ময়োও অলপ কমাই দিওঁ। দুশ পঞ্চাশ টকা দিব। এইবিলাক ফ্ৰকৰ দাম বহুত। আপুনি বুলিহে ইমান কমাই দিছো।'

অৱশেষত বহুত দাম-দৰ কৰাৰ পাছত উপায়বিহীন হৈ দুশ চল্লিশ টকাত ফ্ৰকটো কিনি আনিলো। তাই ছাগে বৰ ভাল পাব। কিন্তু এই ফ্ৰকটো জোনমণিক দিয়া হ'লে তাইতকৈ বেছি আনন্দ পালেহেঁতেন। জোনমণিয়ে এনেকুৱা চোলা ছাগে দেখাই নাই। এইবাৰ দৰমহা পালে তাইক এটা দামী চোলা দিব লাগিব।

মোৰ হাতত এতিয়া চল্লিশ টকাহে আছে। ফাঁচীৰজ বৰ পৰা চান্দমাৰিলৈ মই বাহত আহিলো। এতিয়া যদি মই চান্দমাৰিৰ পৰ ৰাজগড়লৈ বিক্সাত যাওঁ তেনেহ'লে মোৰ পইচাৰ টনাটনি হ'ব। এইখিনি বাট খোজকাঢ়িয়ে যাওঁ, গাঁৱত ক'ত কিমান বাট খোজ কাঢ়িলো...।

ঘৰটো পোৱাৰ আগতে সৰু গলি এটা পায়, গলিটোত কেইখনমান মাৰুতি গাড়ী ৰখোৱা আছে। তাৰ ঘৰলৈ আহিছে ছাগে। মইযে ধুতি-চোলা পিন্ধি আহিছো গৌতম আৰু লিনামীয়ে মোক আনৰ আগত চিনাকি কৰাই দিবলৈ লাজ কৰিব নেকি? ধেৎ সিহঁত তেনেকুৱা নহয়। মইহে কথাবিলাক বৰ বেয়াকৈ ভাবিবলৈ লৈছো। মানুহজনে ছোৱালীজনীক ৰঙ-বিৰঙৰ কাগজেৰে মেৰিওৱা সৰু-ডাঙৰ বাকচ কিছুমান দিছে। মই বাৰু কম দামী উপহাৰ দিলো নেকি? নাই, নাই। কিয় হ'ব? দুশ চল্লিশ টকা!

— 'দাদা, কেতিয়া আহি পালে? অকলে আহিলে যে..., বৌ, বাবা আৰু জোনমণিক নানিলে?' গৌতমে মোক সুধিলে।

— 'নাই ইহঁতৰ স্কুল আছে আৰু ঘৰখন অকলে এৰি আহিব নোৱাৰি নহয়!'

— 'আহক দাদা, ভাত খাই লওক।' লিনামীয়ে মোক ক'ত ভাত খাব লাগে দেখুৱাই দিলে।

এয়া কি? মানুহবোৰে দেখোন থিয় হৈ ভাত খাই আছে। গৌতমে কেইখনমান চকী-মেজ যোগাৰ কৰিব নোৱাৰিলে নে? ৰান্ধনীকেইজনে সন্মুখত খোৱা বস্তু লৈ থিয় হৈ আছে আৰু মানুহবোৰে আধা খোৱাকৈ উঠি গৈ কাঁহীখন হাতত লৈ লগা বস্তু খুজি আছে। ছিঃ বৰ লাজ লাগে। আমাৰ গাঁৱত মানুহবোৰে চকী মেজত বহি খায় আৰু বিলনীয়াবোৰ ইফালে সিফালে ঘূৰি যাক যি লাগে দি ফুৰে। মই হ'লে প্ৰথমবাৰত যি দিয়ে তাকেই খাম। দ্বিতীয়বাৰ আৰু উঠি নাযাওঁ। বহুত যোগাৰ কৰিছে। এৰা, মাছৰ টেঙাখন দেখি মালতীলৈ বৰকৈ মনত পৰিছে। তাই যে বৰ ভাল পায় মাছটেঙা, অকল মাছ টেঙা হ'লেই তাই বৰ তৃপ্তিৰে ভাতসাঁজ খায়। মাংসখনো বৰ সোৱাদ হৈছে। বাবা আৰু জোনমণিয়ে যে এইখন খাবলৈ পালে কিমান ভাল পালেহেঁতেন। এইবাৰ দৰমহা পালে মই মাছ মাংস সকলো কিনি জোনমনিহঁতক খুৱাম। সিহঁতক এৰি খাবলৈ মোৰ নিজৰে বৰ বেয়া লাগিছে। বাৰে বাৰে বাবা আৰু জোনমণিৰ মুখ দুখন ভাহি আহিছে। ছেঃ সিহঁতক এৰি মই খামনে? মই আৰু খাব নোৱাৰিলো।

গৌতম আৰু লিনামীয়ে মোক সিহঁতৰ ঘৰত থাকিবলৈ বৰ জোৰ কৰিলে। যোৱাবাৰ মালতীহঁতক লৈ আহি উভতি যোৱা কাৰণে গৌতমে হয়তো লিনামীক কিবা কৈছিল। ৰাতি ভাত-পানী খাই শুই থাকিলো।

ৰাতিপুৱা শুই উঠি দেখিলো কেইজনমান মিস্ত্ৰীয়ে আগফালৰ ৰভা দিয়া ঠাইখিনি পৰিস্কাৰ কৰি আছে।

— 'অ' চম্প, চম্পা। এই মানুহকেইজনক চাহ দিলিনে বাৰু? এটা কাম কৰিবি। পাকঘৰত মোনা এখনত লাৰু-পিঠা অনা আছে। কোনে বা আনিছিলে? তই হেৰি কৰিবি সেই লাৰু-পিঠাখিনি এই মানুহকেইজনক ভগাই দিবি।'

লিনামীয়ে চিএঞৰি চিএঞৰি কাম কৰা ছোৱালী চম্পাক কথাবাৰ কোৱা শুনিলো। হায় মালতী! মোক ক্ষমা কৰিবা। তোমাক ইমান কষ্ট মই কিয় দিলো বাৰু? ৰাতি দুটা বজালৈ টোপনি খটি কৰি এই মিস্ত্ৰীকেইজনক খুৱাবলৈ লাৰু পিঠা বনাবলৈ দিছিলো? কি ভাবি আনিছিলো আৰু কি হৈ গ'ল...। অলপ পিছত চম্পাই মোক চাহ দিবলৈ সোমাই আহিল। কিন্তু এয়া কি? চম্পাই পিন্ধি থকা চোলাটো মই কালি কিনা চোলাটোৰ দৰে সাইলাখ একে। মই কিনা চোলাটো... নাই, নাই হ'ব নোৱাৰে। কিয় একে ৰঙৰ দুটা ফ্ৰকও হ'ব পাৰে। কিন্তু মনে যে নামানে। মই চম্পাক সুধিয়ে পেলালো— 'কি চম্পা, নতুন চোলা নেকি?'

— 'অ' দাদা, কালি মাইনাক জন্মদিনত কোনোবাই এই চোলাটো উপহাৰ দিছিল, বাইদেউহঁতে কৈছে এই চোলাটো বোলে কোনোবাই ফুটপাথৰ পৰা কিনি দিছে। আমাৰ মাইনাইতো এনেকুৱা চোলা নিপিন্ধে। সেয়েহে বাইদেৱে এই চোলাটো মোকেই দিছে।'

মোৰ মূৰটো আচন্দ্ৰাই কৰা যেন লাগিল। এনে লাগিল যেন মোৰ ভৰিৰ তলৰপৰা পৃথিৱীখন খহি পৰিল।❖



# নিশব্দ


ভাৰ্গৱ জ্যোতি নাথ

*স্নাতক তৃতীয় বৰ্ষ, গণিত বিভাগ*


সুৰাৰ বটলটো আকাশে কম সময়তে শেষ কৰি পেলালে। ৰঙা-ৰঙা সুৰাযোৰ আৰু চিগাৰেটৰ ধোঁৱাই আবৰি ৰখা আকাশৰ মগজুত এই সময়ত আৰু কোনো নতুন কথা ভবাৰ অৱকাশ নাই। নিজৰ অস্তিত্বৰ বিষয়ে চিন্তা কৰিবলৈও আকাশ এই মুহূৰ্তত বৰ দুৰ্বল। নাই, কোনো নাই। তাৰ আৰু কোনো নাই। পিতৃ-মাতৃ সমাজ, বাই-ভনী ইত্যাদিবোৰ এতিয়া তাৰ ভাৱনা আৰু হৃদয়ৰ বহিৰ্বৃত্তত। তাৰ জীৱন বৃত্তত হয়তো শেষ পৰ্যন্ত বাছি গৈছে হুইস্কিৰে পৰিপূৰ্ণ কিছুমান বটল, চিগাৰেটৰ পেকেট আৰু অঞ্জলি। হৃদয়ৰ ভিতৰত যেন ধুমুহা বলিছে। হাতখন কঁপিছে। হাতৰ গিলাছটো মজিয়াত খহি পৰিল। পৰিপূৰ্ণ সুৰাবোৰ ফাইছিটিকা মাৰি মজিয়াত বিয়পি পৰিল। চিনাকি মুখখনে আজি কিয় তাক ইমানকৈ খুন্দিয়াইছে। সি হয়টো হাৰি গৈছে। বৰ অসহায় আজি সি।

'অঞ্জলি'। অস্ফুট সুৰেৰে আকাশে চিঞৰি উঠিল। তাৰ আজিৰ এই বিমুৰ্ত্ত অৱস্থাত অঞ্জলিও কাষত নাই। 'ভুল সকলোৱে কৰে, কিন্তু বুদ্ধিমানে একেটা ভুলকে দুবাৰ নকৰে। ভুলে মানুহৰ জীৱনলৈ হয়তো শুধৰণিৰ বতৰা আনে কিন্তু কিছুমান ভুলে মানুহৰ জীৱনটো অকল তিমিৰাচন্ন কৰাই নহয়, সমাজৰপৰা তেখেতৰ অস্তিত্ব এনেদৰে নোহোৱা কৰে যে মানুহ হিচাপে তেওঁৰ স্বীকৃতি আঁজুৰি অনা হয়। এনেকুৱা পৰিস্থিতিতে কোনো মানুহৰ বাবে জীৱনটো হৈ পৰে দুৰ্বিসহ। হয়তো সুৰাৰ তিক্ততাতকৈও গাঢ় এই বেদনা।

গুৱাহাটী বিশ্ববিদ্যালয়ত এম.এছ.ছি কৰি থাকোতেই বহাগৰ উন্মনা পছোৱাই আকাশক চুই গৈছিল। ল্যাহে ল্যাহে তাৰ চৌপাশৰ পৰিৱেশটো ভাল লাগিবলৈ ধৰিছিল। ফুলি থকা মদাৰবোৰ, তাৰ ভাৰাঘৰটিৰ পাছফালৰ সুন্দৰ বাগানখন, পশ্চিমৰপৰা সন্ধিয়া উভতি অহা বগা বগলীজাক তাৰ লাহে লাহে ভাল

লাগিবলৈ ধৰিছিল। সি লাহে লাহে প্ৰেমত পৰিছিল। কিয়নো জালুকবাৰীৰ সন্ধ্যাবোৰ তাৰ এতিয়া নিচেই আপোন। আন্নাৰ সৰু পানদোকানখনৰ কাষত বৈ গল্ডফ্লেকত হোপাটো মাৰি সি অকলশৰেই সন্ধ্যাবোৰ কটাইছিল। মাজে মাজে তাক এক অজান ভয়ে খেদি ফুৰিছিল। দুবছৰৰ পাছতে যে সি এৰি যাবগৈ লাগিব এই সপোনপুৰী। সি পুনৰ যাবগৈ লাগিব তাৰ পুৰণি গাঁওখনিলৈ। অতীতৰ মিঠা সপোনবোৰকে বুকুত বান্ধি সি জীয়াই থাকিব লাগিব। উঃ আঙুলিটো পুৰি দিলে, চিগাৰেটটো জ্বলি শেষ হৈ গৈছে। ৰুমলৈ যাব লাগে। বহুত পঢ়িবলৈ আছে। বিস্তীৰ্ণ পাৰৰে, অসংখ্য জনৰে... পকেটৰ ম'বাইলটো বাজি উঠিল। উঠাব খোজোতেই ই পুনৰ বন্ধ হৈ গ'ল। আন নউন নাম্বাৰ। মামা নহয়েটো। আকাশে সেই নাম্বাৰটো পুনৰ ডায়েল কৰিছিল। সিটো প্ৰান্তৰপৰা ভাহি আহিল এটি নাৰীকণ্ঠ।

ঃ হেল্ল' কোন আপুনি।

ঃ মই অঞ্জলি, এক্সুৱেলি মোৰ বান্ধৱী এজনীৰ নাম্বাৰ বুলি ডায়েল কৰিছিলো। ভুল হৈ গ'ল।

ঃ আপুনি

মই আকাশ, বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়তে এম এছ ছি কৰি আছো।

ঃ আপুনি

ঃ আপুনি নহয় তুমি। মই দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী।

ঃ আপোনাৰ বিষয়?

ঃ কেমেষ্ট্ৰি।

ঃ অ' হয় নেকি? তেন্তে মোক হেল্প কৰিব পাৰিব।

ঃ নিশ্চয়, প্ৰয়োজন হ'লে ফোন কৰিবা।

সিফালৰপৰা ফোনটো কাটি দিছিল। পঢ়াৰ চিন্তাত ডুব গৈ থকা চিন্তাক্লিষ্ট মনটোত অঞ্জলি বৰুৱা নামৰ চৰিত্ৰটোৱে হয়তো সেই সময়ত ক্ষণিকৰ বাবেও আকাশৰ মনত সাঁচ বহুৱাব নোৱাৰিলে।

১৪ অক্টোবৰ, ৰাতি ন বজা। আজি প্ৰথমটো কল আহিছিল অঞ্জলিৰপৰা।

ঃ আকাশ দা আপোনাৰ অৰগেনিকৰ নোটবোৰ দিব পাৰিবনে? এক্সুৱেলি আমাৰ কলেজৰ ছাৰসকলে জানে...।' নিৰাসক্তভাৱে আকাশে কথাবোৰ শুনি গৈছিল।

ঃ ঠিক আছে নোটবোৰ লৈ যাবা।

ঃ কিন্তু আপোনাৰ থকা ঠাই মই কিদৰে চিনি পাম।

ঃ নাই তুমি আহিব নালাগে, মই কালিলৈ পাণবজাৰলৈ যাম, মোৰো প্ৰয়োজন আছে। তুমি ওলাই আহিব।

১৫ অক্টোবৰ, পুৱা ন বজা। পাণবজাৰ পানী টেংকিৰ কাষতে আকাশ আৰু অঞ্জলিৰ প্ৰথম দেখা দেখি হয়। প্ৰথম দেখাতে আকাশ অঞ্জলিৰ প্ৰতি আকৰ্ষিত হয়। অঞ্জলিৰ মনত আকাশে কিদৰে ৰেখাপাত কৰিছিল, সেই কথা জনাটো সেইসময়ত দুৰ্বোধ্য আছিল। কিন্তু দুয়ো সেইদিনা বহু ঘণ্টা ছানফ্লাৱাৰ, শুক্ৰেশ্বৰ আদিত পাৰ কৰিছিল। অধ্যয়নৰ সীমাৰেখাডাল চেৰাই দুয়োৱে ব্যক্তিগত জীৱনৰ ভালপোৱা, পছন্দ-অপছন্দ ইত্যাদিৰ স'তে জড়িত হৈ পৰিছিল। অঞ্জলিয়ে কি ভাবিছিল মই জনা নাছিলো। কিন্তু মোৰ 'জালুকবাৰীৰ সন্ধ্যা' নামৰ নাটখনিৰ নায়িকা যে অঞ্জলিয়েই হ'ব সেই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছিলো। পাণবজাৰৰ ঘণ্টাকেইটাই মোৰ জীৱনত গভীৰ সাঁচ বহুৱালে, অঞ্জলিয়ে হয়টো বুজিছিল। ডেকা ল'ৰাৰ তীৰ্যক চাৱনিৰ অৰ্থ কি হ'ব পাৰে সেই কথা বুজাৰ বাবে তাই যথেষ্ট অভিজ্ঞ আছিল।

ৰুমলৈ উভতি আহি আকাশে সৰস্বতীৰ ফটোখনত ধূপ জ্বলাই প্ৰাৰ্থনা কৰিছিল যাতে ঈশ্বৰে তাৰ মনটো বিপথে পৰিচালিত নকৰে। আকাশৰ বাবে ই দুৰ্বোধ্য নাছিল। সি হয়তো বুজিছিল। এই প্ৰেম, ভালপোৱা শব্দবোৰ অভিজাত্যৰ চ'ৰাঘৰৰ ফুলদানি অথবা পুতলা মাত্ৰ। যেতিয়াই ইচ্ছা তেতিয়াই তাক লৈ ধেমালি কৰিব, খেলিব। পুতলাটো নষ্ট বা বেয়া হৈ গ'লে তাক পৰিত্যাগ কৰিব আকৌ এটা নতুন পুতলা কিনিব। জোৰকৈ অঞ্জলি নামৰ চিন্তাবোধৰপৰা আকাশে নিজকে দূৰত ৰাখিছিল। তাইৰ মিছকলবোৰৰপৰা পৰিত্ৰাণ পাবলৈ সি চিম বদলি কৰিছিল।

২০ নৱেম্বৰ। নাজানো কিয় মনটোক বুজাব পৰা নাই। গৃহাভিমুখী বগলীবোৰ আৰু মোৰ ভাল নালাগে। জালুকবাৰীৰ সন্ধ্যাবোৰতো যেন নাই আগৰ সেই তন্ময়তা। উঃ চৌপাশৰ বায়ুবোৰ যেন উত্তপ্ত হৈ পৰিছে। এৰা তাৰ আকৰ্ষণে সুঁতি সলাইছে। এৰা মই অঞ্জলিৰ প্ৰেমত পৰিছো। ফোনটো উঠালো। ডায়েল কৰিলো চিনাকি সংখ্যাকেইটা...।

ঃ আকাশ, ক'ত হেৰাই গৈছিলা তুমি?

ঃ কিয়; চিনাকি হোৱাৰ আগতেতো মই হেৰায়েই আছিলো নিজৰ মাজতে নিজে।

ঃ আকাশ, তোমাৰ বিষয় ফিলশ্বফি হ'ব লাগিছিল। দিনবোৰ অতিবাহিত হৈছিল। আকাশ আৰু অঞ্জলিৰ ঘনিষ্ঠতা বাঢ়ি গৈছিল। নিশাবোৰ দুয়োৰে বাবে গধুৰ হৈ পৰিছিল। সময়বোৰ সোণোৱালী হৈ পৰিছিল। পুৰুষ-নাৰীৰ ঘনিষ্ঠতাই জন্ম দিয়ে এনে এখন ৰঙীন পৃথিৱী য'ত থাকে কেৱল চকুৰ মিলন, ভালপোৱা আৰু দুখন হৃদয়ৰ স্পন্দন। দুয়ো দুয়োৰে প্ৰেমত পৰিছিল। তেওঁলোকক প্ৰায়ে দেখা গৈছিল উমানন্দ, উজানবজাৰৰ শান্তি উদ্যান, চিৰিয়াখানা অথবা অনুৰাধাৰ বেলকনিত। নীৰৱতায়ো কেতিয়াবা বহন কৰে তাৎপৰ্যপূৰ্ণ এনে কিছু ভাষা য'ৰপৰা ৰচনা হয় জীৱনৰ ৰংগমঞ্চ।

১৫ ডিচেম্বৰ।

ঃ মই তোমাৰ প্ৰেমত পৰিছো অঞ্জলি।

ঃ সঁচাকৈয়ে? আৰু আকাশ ময়ো হয়তো...

ঃ এতিয়া আৰু পিছলৈ উভতি চোৱাৰ সময় নাই অঞ্জলি। আমি দুয়ো দুয়োৰে এতিয়া বহু ওচৰত।

ঃ ভৱিষ্যত জীৱনৰ বিষয়ে কিবা চিন্তা কৰিছা?

ঃ অ' সেইবোৰ বহুত কথা। তিনিমাহৰ পাছতে ৰিজাল্ট দিব। মই এম. এছ. ছি আৰু তুমি বি. এছ. ছি. পাছ কৰি ওলাবা। কিবা এটা কৰিব লাগিব।

ঃ কি কৰিবা?

ঃ গুৱাহাটীতে সৰু সুৱা এটা বিজনেছ।

দিনবোৰ অতিবাহিত হৈছিল। আকাশ আৰু অঞ্জলিৰ মন আৰু শৰীৰ কোনোটোৰে ব্যৱধান নোহোৱা হৈ পৰিছিল। বছ, তেতিয়া মাথোন নাছিল কোনো সামাজিক স্বীকৃতি। মধুৰ মধুৰ যেন লগা আবেলিবোৰত অঞ্জলিৰ কোমল বুকুখনত মুখ দি শুই থকা আকাশে হয়তো ভাবিবই পৰা নাছিল যে কিছুদিন পাছতে সি মুখামুখি হ'ব লাগিব কঠিন বাস্তৱৰ স'তে।

২০ ডিচেম্বৰ। 'আমাৰ অসম'। প্ৰথম পৃষ্ঠা। 'যুৱতীৰ দল কৰায়ত্ত'। বিশ্বস্ত সূত্ৰৰ পম খেদি লতাশিল আৰক্ষী থানাই যোৱাকালি পল্টন বজাৰৰ এখন বিশেষ হোটেলত দেহ ব্যৱসায়ত জড়িত থকা কেইগৰাকীমান যুৱতীক কৰায়ত্ব কৰিছে। পুলিছৰ কঠোৰ জেৰাত তেওঁলোকে ইতিমধ্যে তেওঁলোকৰ পৰিচয় প্ৰকাশ কৰিছে। আজি এবছৰ ধৰি এই চক্ৰটোৱে হাজাৰ হাজাৰ টকাৰ বিনিময়ত দেহ ব্যৱসায় কৰি আহিছে বুলি অঞ্জলি বৰুৱা নামৰ বেশ্যাগৰাকীয়ে আৰক্ষীসূত্ৰক প্ৰকাশ কৰিছে। লতাশিল আৰক্ষীথানাৰ অধীক্ষকে সাংবাদিকক এই কথা প্ৰকাশ কৰিছে যে যদি পৰিয়ালৰ কোনোলোকে ভৱিষ্যতে এনে অপৰাধৰপৰা ছাত্ৰীজনী বিৰত থাকিব বুলি লিখি দিয়ে, তেন্তে তেওঁলোকৰ এই অপৰাধ ক্ষমা কৰা হ'ব। বহুজনে মন্তব্য কৰিছিল — 'এৰা ইলেকশ্বনৰ দিনত 'ক্ষমা', 'উদাৰতা', 'সাহার্য', 'আঁচনি', 'প্ৰাদেশিকীকৰণ' শব্দবোৰে পেপাৰবোৰ গৰম কৰি ৰাখে। সঁচাকৈয়ে বাস্তৱ সঁচাই নিষ্ঠুৰ'।

মন আৰু বিবেকৰ তুমুল দ্বন্দ্বত ভুগিছিল আকাশ। তাৰ সোণালী সপোনবোৰ নিঃশেষ হৈ পৰিছিল। পৰিয়ালৰ সাক্ষাতত সি বিবাহ কৰিব, গুৱাহাটীত চাকৰি নোহোৱালৈকে সৰু-সুৱা এটা বিজনেছ কৰিব, অঞ্জলিৰ সৈতে এখন সোণৰ সংসাৰ ৰচিব। সকলো শেষ হৈ গ'ল। নিজৰ ওপৰতে তাৰ ঘৃণা উপজিছে। ছিঃ সি এজনী বেশ্যাৰ প্ৰেমত পৰিছে। আজি এটা বছৰে কি দিয়া নাছিল আকাশে তাইক। তাৰ পাছতো তাই এই ঘৃণনীয় পথ বাছি কিয় ললে। আজি হয়তো সি অঞ্জলিক ক্ষমা কৰি দিলেও তাৰ ঘৰ আৰু পৰিয়ালে অঞ্জলি আৰু তাক কেতিয়াও ক্ষমা নকৰে। এনে পৰিস্থিতিত সি কাক জীয়াই ৰাখিব তাৰ প্ৰেম আৰু ভালপোৱাক নে পৰিয়ালৰ অপত্য স্নেহক।

২৫ ডিচেম্বৰত মই প্ৰেমত পৰিছো। মই এজনী বেশ্যাৰ প্ৰেমত পৰিছো। মই জানো মোৰ বিবেকৰ অপমৃত্যু হৈছে। ভাল বেয়া চিন্তা কৰিবলৈও মই এতিয়া মুঠেই অপাৰগ। কাৰোবাৰ হিতবাণী অনুকৰণ কৰিবলৈও মোৰ মন অবাধ্য। কাঞ্চনেও আকাশজ্যোতি ফুকনৰ প্ৰেমত পৰিছিল। কোনে ক'লে বেশ্যাৰ হৃদয় নাই বুলি। কোনে জানে অঞ্জলিয়েও হয়তো বাধ্যত পৰি দেহ ব্যৱসায়ৰ পথ বাচি লৈছিল। কোনে জানে অঞ্জলিৰ হৃদয়েও হয়তো হাহাকাৰ কৰি উঠিছিল কোনোবা জানোৱাৰৰ অত্যাচাৰত। কোনে জানে অঞ্জলিৰ ক্ষেত্ৰত হয়তো শাৰিৰীক নির্যাতনতকৈ মানসিক নির্যাতনে সীমা চেৰাই গৈছিল কেতিয়াবাই। এজন সুস্থ সবল শিক্ষিত ব্যক্তি এজনী বেশ্যাৰ প্ৰেমত পৰিব নোৱাৰে নেকি? এজন সুস্থ সবল শিক্ষিত ব্যক্তিয়ে এজনী বেশ্যাৰ স'তে ঘৰ সাজিব নোৱাৰে নেকি? আজিৰ ৰক্ষণশীল সমাজ ব্যৱস্থাই একেমুখে চিঞৰি উঠিব — 'নাই নাই এয়া হ'বই নোৱাৰে। তাক আৰু তাৰ ঘৰখনক আজিয়েই সমাজচ্যুত কৰিব লাগে। তাঁহাতৰ হাতেৰে পানী এটুপি খালেও সাতপুৰুষলৈ পাপ খণ্ডন কৰিব পৰা নহ'ব। এৰা এইসকল ভদ্ৰ লোকে যাৰ বহুজনে গুপ্তভাবে একাধিক পৰপত্নীৰ স'তে সম্পৰ্ক গঢ়ে। এয়া সেইসকল ভদ্ৰলোকে, যাৰ বহুতৰে পত্নীয়ে বিবাহৰ আগত অথবা পিছতো নিজৰ যৌন স্পৃহা চৰিতাৰ্থ কৰে বহুতৰ স'তে। অঞ্জলি আৰু সেই ভদ্ৰ মহিলাসকলৰ মাজত এটাই পাৰ্থক্য— 'অঞ্জলিয়ে নিজকে পৰিস্থিতিৰ হাতোৰাৰপৰা ৰক্ষা কৰিব নোৱাৰিলে আৰু সেইসকল মহিলাই চৰণীয়া কাউৰী কুকুৰকেইটাই শুনাকৈও উঃ শব্দটো উচ্চাৰণ নকৰিলে। অঞ্জলিৰ বোবা চকুলোৰ আঁৰৰ নির্মমতাক এইসকলে অনুভৱ কৰিব কিদৰে।

২৬ ডিচেম্বৰ। খাবলৈ পাহৰি গৈছো। জেলৰ কোঠাত হয়তো অঞ্জলি এতিয়া তেনেই অকলশৰীয়া। তাই হয়তো পাগল হৈ যাব। মই পাৰিমনে মোৰ প্ৰেমিকাক পাগলৰ বেশত ৰেলৰে ফ্লাইঅভাৰ অথবা ফুটপাথত প্ৰত্যক্ষ কৰিব। সমাজ মানুহে গঢ়িছে। মানুহেই বান্ধি দিয়া নিয়মৰ গোড়ামিৰে যদি 'ধৰ্ম', 'সমাজ' শব্দবোৰ বান্ধি ৰাখো, এনে সমাজৰ উত্তৰণ ঘটিব কিদৰে। আজিৰ নতুন প্ৰজন্মই যদি সমাজৰ সংজ্ঞাটো সলনি নকৰে এনে ভংগুৰ সমাজে মানুহক কি দিব। কেইখনমান মুকলি বিহুমেলা, ভাওনা সবাহ, উৎসৱ পাৰ্বন। কিন্তু এয়াইটো জীৱন নহয়। মই অঞ্জলিক মুক্তি দিম।

বহুদিন নুখুৰুওৱা দাড়ি আৰু অত্যাধিক চিন্তাই আকাশক কমদিনৰ ভিতৰতে সলনি কৰি পেলালে। তাৰ উত্তৰণ ঘটিছে। জেলৰ দুৱাৰখন খুলি অঞ্জলি ওলাই আহিল। আকাশক সাবটি তাই হুকহুকাই কান্দি উঠিল। 'মোক ক্ষমা কৰা আকাশ। তোমাৰ বাহিৰে মোৰ আৰু কোনো নাই'।

২৫ ফেব্ৰুৱাৰী ২০০৭। কোৰ্টত কেইজনমান উকীলক সাক্ষী ৰাখি মই অঞ্জলিক বিবাহ কৰালো। য'ত নাই কোনো সমাজ, নাই কোনো বৰখোল-তালৰ কাণ ফাটি যোৱা শব্দ, নাই কোনো আয়তী নামতীৰ উৰুলি। য'ত নাই কোনো মাতৃৰ হিয়াভৰা আশীৰ্বাদ। পিতৃৰ আনন্দৰ চকুলো।

কোৰ্টৰপৰা অঞ্জলিৰ হাতত ধৰি ওলাই আহিলো। কিয় নাজানো বহুদিনৰ পাছত খাৰঘুলিৰ পাহাৰটোত মোৰ বহিবৰ মন গ'ল। ওখ পিলাৰটোত অঞ্জলি বহিছে। তাইৰ কোলাত মুৰটো থৈ মই ভাবিবলৈ ধৰিছো— এৰা মোৰ আই হয়তো এতিয়া সন্ধিয়াৰ প্ৰাৰ্থনাত মগ্ন। তেওঁৰ বাবে ই এতিয়াও অজ্ঞাত যে তেওঁৰ একমাত্ৰ পুত্ৰই এজনী বেশ্যাৰ লগত বিবাহ কৰিছে।

*(বিঃ দ্ৰঃ উপৰোক্ত কাহিনীটিৰ বাস্তৱত কোনো ঘটনাৰ লগতে মিল নাই। ই সম্পূৰ্ণ কাল্পনিক আৰু চাপবিহীন।)*❖

# াচীৰ পত্ৰিকাত কটনিয়ানৰ ভাৱৰ সোণালী আকা

ৃথিৱীক নতুন ৰূপেৰে চাবলৈ, ন অলংকাৰে অলংকৃত কৰিবলৈ
ক তৰুণ-তৰুণীৰ অদম্য উৎসাহ, কামনা আৰু মনোবল। নতুন
ৰে সজীৱ চিন্তাৰ পৃথিবী। অনুভৱৰ কাপেদি নিগৰি আহে সেই
আৰু চিন্তা। কেতিয়াবা ই হয় অন্যায়-অসূয়াৰ বিৰুদ্ধে প্ৰতিবাদ,
য়াবা ই হয় জীৱনৰ পথত আৰ্তজনৰ জীয়াই থকাৰ অকণমান
জীয়া। কটনৰ চোতালত কটনিয়ানৰ চিন্তাৰ বাৰিষা নামে, চিন্তাৰ
ৰ ঢৌৰে জিৰ্ জিৰ্কৈ নিগৰি আহে শব্দৰ অলকানন্দা; ভাৱৰ
াড়নত জীপাল হৈ উঠে প্ৰাচীৰ পত্ৰিকাৰ প্ৰতি অংশ; ৰঙা, নীলা,
এখনি ৰামধেনু। প্ৰতিকূলতা নেওচি, সমূহ আবাসীৰ অক্লান্ত পৰিশ্ৰম,
নীহীন নিশাবোৰ প্ৰাণ পাই উঠে। অভাৱ-অনভিজ্ঞতাৰ বাবে বৈ
দুই এটা দোষ-ত্ৰুটি মাৰ্জনীয়। বিগত বছৰবোৰৰ দৰে এইবাৰো
সৱ প্ৰাচীৰ-পত্ৰিকাসমূহ সুবিধা-অসুবিধাৰ মাজতেই প্ৰকাশ পাইছে।
পি এই প্ৰচেষ্টাই নতুন পৃথিবীৰ বাবে নতুন চিন্তাৰ সাঁচ বাখিব পাৰিছে।





১) **প্ৰতিধ্বনি** ঃ আনন্দৰাম বৰুৱা
বাসৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰতিধ্বনি'
দনা কৰিছে হেমন্ত কুমাৰ টাৰেঙে।
পাত চিলেৰ বসুমতাৰীৰ। অলংকৰণ
স্কেচ্ কুলদ্বীপ বৰুৱা, অভিজিৎ কাকতি
পাপুমণি ডেকাৰ। হস্তাক্ষৰ ৰাজুৰাম
, অনুপজ্যোতি ডেকাৰ। মননশীল
াৰাৰে ৰেগিঙৰ ওপৰত লিখা অনিৰুদ্ধ
ৰ 'ৰেগিং আৰু আমি' প্ৰবন্ধটো চিন্তাকৰ্ষক।
াচীৰ পত্ৰিকাখনত প্ৰকাশিত একমাত্ৰ গল্প 'ভাগ্যলিপি'ত গল্পকাৰ
ফিক আহমেদে অনিল নামৰ মেধাসম্পন্ন ছাত্ৰজনে দুৰ্ভাগ্যৰ বলত
ৰ শিক্ষাৰ পথাৰখনত আগুৱাই যোৱাৰ হাবিয়াস থকা স্বত্বেও
চালক হোৱাৰ দুৰ্ভাগ্যক স্বীকাৰ কৰিবলগীয়া হয় তাক নিখুঁতভাৱে
কৰিছে। প্ৰতিধ্বনি কবিতাৰে সজাই তুলিছে Bijit Singkramsa
darkest night', Nong Yangchang 'Its my life, Its
Beer' সুশান্ত দিয়াং 'তুমি চিৰদিন থাকিবা' Hamanta Kumar
eng 'Bohag Bihu' আৰু ভাস্কৰ, ৰাকেশ, অভিলাষ, বিকাশ,
। কান্তিৰ দ্বাৰা লিখিত 'বিন্দাচ লাইফ'। ইয়াৰোপৰি আছে বিকাশ
াৰৰ এটি হাইকু। প্ৰাচীৰ পত্ৰিকাখনত Svel Sitlhov য়ে এটা
ত্বপূৰ্ণ প্ৰবন্ধ 'A Reflection of Human life' লিখিছে।



২) **ৰ'দ কাঁচলি** ঃ শ্বহীদ ৰঞ্জিত ৰবপূজাৰী
ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'ৰ'দ কাঁচলি' সম্পাদনা
কৰিছে ইনামুল হুছেইনে। সহকাৰী সম্পাদক
যুগল চহৰীয়া। বেটুপাত আঁকিছে হৃদয়
বৰগোহাঞিয়ে। হস্তাক্ষৰ মৃন্ময়, মেহবুবুল,
যুগলৰ। অংগসজ্জা মানস, কিশোৰ, কেশৱ,
দেৱজিৎ, অভিজিৎ, হিমাংশুৰ দ্বাৰা।

'ৰ'দ কাঁচলি'ত প্ৰকাশিত যুগল চহৰীয়াৰ Impossible
প্ৰবন্ধটি চিন্তাকৰ্ষক। প্ৰাচীৰ পত্ৰিকাখনিত কবিতা লিখিছে মেহ
ইছলাম (My Ambition), পংখ্য নাজাৰী (Light on light), I
chap kiri Phangcha (Pain), মানসজ্যোতি ডেকাৰ (সখিয়
চন্দনজ্যোতি সভাপণ্ডিতৰ (বালিমাহি), হাৰুণ আল ৰছিদৰ (স্মৃ
বালিমাহিত এখন নিভাঁজ গাঁৱৰ ছবি দেখিবলৈ পাওঁ। এক কথ
সাৰ্থক কবিতা। সখিয়তীও এটি খুবেই ভাললগা কবিতা। শব্দ
আৰু কল্পনাৰ নিখুঁত সংমিশ্ৰণ ইয়াত দেখিবলৈ পাওঁ। ইয়াৰে
প্ৰাচীৰ পত্ৰিকাখনত 'আজিৰ যুৱ প্ৰজন্ম আৰু দুআষাৰ', 'Indian M
শীৰ্ষক দুটি লেখা প্ৰকাশ পাইছে।

৩) **দেৱালৰ স্বৰ** ঃ কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাসৰ প্ৰাচীৰ-প
'দেৱালৰ স্বৰ' সম্পাদনা কৰিছে ৰেকিবুদ্দিন আহমেদ (অসমী
মোছলেইউদ্দিন আহমদ (ইংৰাজী)। বেটুপাত অংকণ ৰক্তিম ঠাকু
অলংকৰণ ৰক্তিম, নয়ন আৰু শৈলেনৰ। হস্তাক্ষৰ অৰবিন্দ
আকিবুল হক আৰু শৈলেন কলিতাৰ। কাৰ্টুন আঁকিছে হৃদয়
প্ৰাচীৰ পত্ৰিকাখনত বলবাহাদুৰ প্ৰধান আৰু মহানন্দ পেগুৱে
গুৰুত্বপূৰ্ণ প্ৰবন্ধ লিখিছে। প্ৰধানৰ Elnino এটি নতুন বিষয়বস্তুক
ধৰা প্ৰবন্ধটো নিতান্তই উল্লেখযোগ্য। গ্ৰন্থ সমালোচনা কৰিছে ৰ
ঠাকুৰীয়াই-'প্ৰহাৰ' (তিলোত্তমা মজুমদাৰ)। 'স্বপ্ন ভংগ' শীৰ্ষক
লিখিছে ভাস্কৰ দাসে। প্ৰকাশিত কবিতাৰ ভিতৰত হুছেইন ম
ছাহজাহানৰ 'অসুখী পদ্য' কিছু সাৰ্থক। দেৱালৰ স্বৰত কবিতাৰে
প্ৰকাশ কৰা আন লেখককেইগৰাকী হ'ল শৈলেন কা
মোছলেইউদ্দিন আহমেদ, গৌৰাংগ এম. শৰ্মা। ইয়াৰোপৰি প্ৰ
সৌৰভেৰে সৌষ্ঠৱ বৃদ্ধি কৰা লিখক কেইগৰাকী হ'ল- মহানন্দ
আকিবুল হক, জাণ্টু মণ্ডল।

৪) **প্ৰাচীৰৰ ৰেঙণি** ঃ মহেন্দ্ৰ নাথ ডেকাফুকন ছাত্ৰাবাসৰ
পত্ৰিকা 'প্ৰাচীৰৰ ৰেঙণি' সম্পাদনা কৰিছে নয়ন কলিতাই। বে
অংকণ প্ৰাঞ্জল গগৈৰ। হস্তাক্ষৰ অপূৰ্ব আৰু জীৱনৰ। প্ৰাচীৰ পত্ৰিক
প্ৰকাশিত কবিতাকেইটি হৈছে নয়নজ্যোতি ৰেইনৰ 'সোপাধৰা',
পেগুৰ 'বিষাদৰ ঐনিতম', বিজিত দাসৰ 'জঠৰ', Chandrak
Pawe ৰ 'Never doubt the true love'. প্ৰকাশিত কবিতাৰে
জীৱনৰ সেউজীয়া যৌৱনৰ সপোনৰঙী প্ৰেম, বিশ্বাস আদিৰ
কেইটি সাঙুৰি লোৱাৰ লগতে সমাজ চেতনাও ফুটাই তুলিছে।
শৰ্মাৰ 'আশীৰ্বাদৰ ৰঙ'ৰ সুন্দৰ সমালোচনাৰে প্ৰাচীৰ পত্ৰিকাখনি
তুলিছে প্ৰাঞ্জল প্ৰতীম কোঁৱৰে। প্ৰাচীৰ পত্ৰিকাখনিত প্ৰকাশিত এ
গল্প নৱজিত শইকীয়াৰ 'তেজৰ ঠিকনা'। ই বহন কৰে বৰ্তমান স
প্ৰচলিত Cast System প্ৰথা। এটি মননশীল গল্প।

৫) **শাশ্বত** ঃ নলিনীবালা দেৱী ছাত্ৰীনিবাসৰ পৰা প্ৰকাশ

প্ৰাচীৰ পত্ৰিকা 'শাশ্বত'ৰ সম্পাদনা কৰিছে নম্ৰতা বৰদলৈয়ে। বেটুপাত অংকন বনশ্ৰী মেচৰ। সামগ্ৰিক পৰিকল্পনা পাপৰি গগৈ। হস্তাক্ষৰ অঞ্জুমণি দত্ত (অসমীয়া), বেনু মুছাহাৰী (ইংৰাজী) আৰু অলংকৰণ নৱনীতা দাস আৰু পাপৰি গগৈৰ। শাশ্বতৰ পাতত দৃষ্টি ফুৰালেই অনুধাৱন কৰিব পৰা যায় আবাসীসকলৰ সাহিত্য বিষয়ৰ প্ৰতি মনোযোগিতা। লেখাসমূহৰ মানদণ্ড উল্লেখনীয়। পত্ৰিকাখনিৰ বিষয়বস্তু নিৰ্বাচনৰ ক্ষেত্ৰত সম্পাদকক মানিবলগীয়া। তেখেতৰ 'আন্ধাৰ গহ্বৰ জোনাক বিচাৰি' শীৰ্ষক নিবন্ধত প্ৰকাশ পাইছে সাম্প্ৰতিক অশান্ত পৰিস্থিতি। শান্তিকামী, মুক্তিকামী প্ৰতিজনকে শান্তিৰ বাবে, সম্প্ৰীতিৰ বাবে এক সংগ্ৰামৰ আহ্বান জনোৱা হৈছে। ইয়াৰ লগতে 'দুলুমণি বৰাই' তেখেতৰ 'বিপ্লৱ নে প্ৰহসন' প্ৰবন্ধটিৰ মাজেৰে 'আলফা' সমস্যাৰ এখন ছবি দাঙি ধৰাৰ প্ৰয়াস কৰিছে। 'ক'ত ছিগি আহিলো শিপা' শীৰ্ষক নিবন্ধটিৰে 'অনন্যা বৰাই গোলকীকৰণৰ যুগত পাশ্চাত্যৰ সংস্কৃতিক অনুকৰণ কৰিবলৈ গৈ কেনেকৈ আমি শিপাহীন হৈছো সেই কথা সৰলভাৱে তুলি ধৰিছে। শেৱালি বৰুৱাৰ 'নতুন প্ৰভাত' গল্পটি মূলতঃ সামাজিক সমস্যাৰ ওপৰত আধাৰিত। শব্দৰ সফল প্ৰয়োগে গল্পটিক এক অন্য মাত্ৰা প্ৰদান কৰিছে। ইয়াৰোপৰি ৰাজকুমাৰী দেৱলক্ষ্মীৰ 'Capital Punishment' এটি ভাললগা নিবন্ধ। অনুৰাধা শৰ্মা পূজাৰীৰ *'নাহৰৰ নিৰিবিলি ছাঁৰ' গ্ৰন্থ সমালোচনা আগবঢ়াইছে মৌচুমী সন্দিকৈয়ে।* প্ৰাচীৰ পত্ৰিকাখনত প্ৰকাশিত কবিতা কেইটা হৈছে— দুলুমণি বৰাৰ 'জীৱনৰ স্কেচ', জয়শ্ৰী বুঢ়াগোহাঁইৰ 'জোনাক সনা এৰাতিৰ অনুভৱ', নৱনীতা ভূঞাৰ 'Heralding Selfeng' আৰু নয়নমণি বৰদলৈৰ লিমাৰিক। ইয়াৰে আটাইকেইটা কবিতাই উল্লেখযোগ্য। প্ৰতিটো কবিতাই বহন কৰে মনৰ সুকীয়া অনুভৱ। পত্ৰিকাখনত কাৰ্টুন অংকন কৰিছে পাপৰিয়ে।

**৬) অন্বীষা ঃ** শ্বহীদ কনকলতা ছাত্ৰীনিবাসৰ প্ৰাচীৰ পত্ৰিকা 'অন্বীষা'ৰ সম্পাদনা কৰিছে কৰবী বৰাই, সহযোগী ধৰিত্ৰী দত্ত। অলংকৰণ ৰিমঝিম দত্তৰ। হস্তাক্ষৰ বহ্নিকা সেন(ইংৰাজী), নিয়ন্তা শৰ্মা (অসমীয়া)। 'অন্বিষা'ত প্ৰকাশিত প্ৰবন্ধসমূহৰ ভিতৰত ৰাণী দুৱৰাৰ 'My India : A vision', নিধি ফুকনৰ 'বৰ্তমান সময়ৰ পৰিস্থিতি' উল্লেখযোগ্য। নিধি ফুকনৰ প্ৰবন্ধটিত স্বতঃস্ফূৰ্তভাৱে প্ৰকাশ পাইছে সন্ত্ৰাসজৰ্জৰ ৰাজ্যখনৰ লগতে অচল শিক্ষা ব্যৱস্থাৰ ছবি। পত্ৰিকাখনিত একমাত্ৰ গল্প প্ৰকাশ পাইছে জোৎস্না শইকীয়াৰ 'স্বাধীনতাৰ সিপাৰে'।

শ্বহীদ কনকলতা দেৱী ছাত্ৰী নিবাসৰ প্ৰাচীৰ পত্ৰিকা 'অন্বীষা'ৰ সম্পাদকীয় যুগুতাই উলিয়াইছে কৰবী বৰাই। নিবন্ধটিত সন্ত্ৰাসবাদ, গোষ্ঠীগত সংঘৰ্ষই কেনেকৈ সমাজখনক অস্থিৰ কৰি তুলিছে, তাৰ ছবি সুন্দৰ ৰূপত প্ৰকাশ পাইছে। তাৰ লগতে আছে অশান্তিৰ বিপৰীতে শান্তি, হিংসাৰ বিপৰীতে অহিংসাৰ, অসত্যৰ বিপৰীতে সত্যৰ বাবে আকুল প্ৰাৰ্থনা। ৰীতা চৌধুৰীৰ 'বুৰঞ্জীৰ এক সোণোৱালী অধ্যায় ঃ দেওলাংখুই' নামৰ উপন্যাসখনিৰ ওপৰত এক সমীক্ষা আগবঢ়াইছে ধৰিত্ৰী দত্তই। প্ৰাচীৰ পত্ৰিকাখনিত প্ৰকাশিত কবিতাৰ ভিতৰত অৰ্চনা বৰ্মনৰ 'সময়', বৃন্দালয়া ৰাজবংশীৰ 'জলফাই পাতবোৰ ৰঙচুৱা হ'লে...' অন্যতম। কবিতা দুটিৰ মানদণ্ড উন্নত। ইয়াৰোপৰি ৰুবী তালুকদাৰ (My first Crush), বহ্নিকা সেন (Pathfinor), ধৰিত্ৰী দত্তই (আপদীয়া পদ্য) কবিতাৰে পত্ৰিকাখন সজাই তুলিছে।

**(৭) সাৰ্বজনীন ঃ** কেশৱানন্দ পেগু আৰু চম্পক শইকীয়াৰ সম্পাদনাত প্ৰকাশ পাইছে ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'সাৰ্বজনীন'। বেটুপাত আঁকিছে জীৱন শইকীয়াই, অলংকৰণ শিৱজ্যোতি। প্ৰকাশিত কবিতাকেইটা হ'ল মানসজ্যোতি শৰ্মাৰ 'ভাগি পৰিছো মই', বিৰিঞ্চি বৰাৰ 'ভগা জীৱন'। প্ৰাচীৰ পত্ৰিকাখনত প্ৰকাশিত টুনা গৌতমৰ 'জিন্নৎ'ৰ সমালোচনা যুক্তিসংগত। প্ৰাঞ্জল ডেকাৰ 'প্ৰচলিত ধৰ্ম-বিশ্বাস আৰু বৈজ্ঞানিক দৃষ্টিভংগী' শীৰ্ষক এটি চিন্তাগধুৰ প্ৰবন্ধ। ইয়াৰোপৰি অভিজিৎ আৰু ধ্ৰুৱজ্যোতিৰ 'Cotton College and Deemed University', ভোগেশ্বৰ বসুমতাৰীৰ 'Global Warming' প্ৰবন্ধ প্ৰকাশ পাইছে।




**(৮) সৌৰভ ঃ** শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'সৌৰভ'ৰ সম্পাদনা কৰিছে দেৱৰাজ দত্তই। সহযোগী সম্পাদক শ্যামলজিৎ, অঞ্জন, ৰাজ। হস্তাক্ষৰ প্ৰশান্ত দাস আৰু ৰনজিৎ ডেকাৰ। অলংকৰণ দেৱৰাজ দত্ত *আৰু প্ৰশান্ত দাসৰ। প্ৰাচীৰ পত্ৰিকাখনত* প্ৰকাশিত কবিতাৰ ভিতৰত দেৱৰাজ দত্তৰ 'আই', শ্যামলজিৎ ডেকাৰ 'জীৱনৰ ছন্দ', ৰাজু কুমাৰ দাসৰ 'ভাগৰুৱা হৃদয়ৰ গান' কবিতাৰূপে কিছু সাৰ্থক। বিশেষকৈ 'আই' কবিতাটিত দুখ আৰু হাঁহিৰ ছন্দ বিৰাজমান। কবিৰ মনোজগতত মাতৃৰ আৱৰ্ত উপস্থিতি কবিয়ে নিখুঁতভাৱে বৰ্ণনা কৰিছে। ইয়াৰ লগতে 'বিশ্বৰ কৌতুক অভিনেতা— ছাৰ্লি চেপলিন' আৰু 'India : A place to Live or a place to leave' শীৰ্ষক চিন্তাকৰ্ষক প্ৰবন্ধ দুটি ৰচনা কৰিছে ক্ৰমে মুকুন্দ নাথ আৰু দেবাশিষ বৰুৱাই। প্ৰাচীৰ পত্ৰিকাখনি কবিতাৰে সজাই তোলা আন লেখককেইগৰাকী হ'ল অঞ্জন চমুৱা (Unrequited Lover), ৰাজা বৈশ্যৰ (Feelings), প্ৰশান্ত দাসৰ (Mystery)।

**(৯) ৰ'দালি ঃ** সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'ৰ'দালি'ৰ সম্পাদনা কৰিছে প্ৰীতম শৰ্মাই। বেটুপাত তথা অলংকৰণ সম্পাদকৰ নিজা সৃষ্টি। হস্তাক্ষৰ নয়নমণি দাস, কুমুদ চন্দ্ৰ কাকতি আৰু হিমাংশু প্ৰৱাল গোস্বামীৰ। প্ৰাচীৰ পত্ৰিকাখনত স্বৰাজ ফুকনে 'মানৱতা' শীৰ্ষক এটি গুৰুত্বপূৰ্ণ প্ৰবন্ধ লিখিছে। উৎপল ঠাকুৰীয়াৰ 'Why I Drink', হিমাংশু প্ৰৱাল গোস্বামীৰ 'Fewer people + More Pay = Excellence' শীৰ্ষক দুয়োটি লেখাৰ বিষয়বস্তু সুকীয়া।

লেখকদ্বয়ৰ নিজস্ব দৃষ্টিভংগী তথা লেখাৰ সাৱলীলতাৰে প্ৰবন্ধ দুটি চিন্তাকৰ্ষক কৰি তুলিছে। প্ৰাচীৰ পত্ৰিকাখনিত প্ৰকাশিত কবিতাকেইটি হৈছে জাহ্নু ভৰদ্বাজৰ 'মোক ভালপাবা নেকি?', অনন্ত গগৈৰ 'এটা ফোন কল মোৰ, এটা প্ৰশ্ন তোমাৰ।' দুয়োটা কবিতাৰ বিষয়বস্তু যৌৱনৰ সেউজীয়া প্ৰেম, পোৱা-নোপোৱা, বিশ্বাস, আস্থা, আবেগ বিৰাজমান। ইয়াৰোপৰি প্ৰাচীৰ পত্ৰিকাখনত নিতুল গগৈৰ 'লিমাৰিক' প্ৰকাশ পাইছে। ❖

যুগুতালে— **অভিজ্ঞান দাস /অনন্ত গগৈ**

# ঃ মৃদুলা শ্যাম, এম. ডি.
## মনোৰোগ বিশেষজ্ঞা



(১) এজন ছাত্রই কেতিয়া এক ঘৰুৱা পৰিবেশৰ পৰা আহি নতুন ঠাইত নিজৰ জীৱনটো শূন্যৰ পৰা আৰম্ভ কৰিবলগীয়া তেতিয়া ছাত্রজনে বহুতো মানসিক সংঘাতৰ সন্মুখীন হয়। তেনে বশত ছাত্রজনে নিজকে কেনেকৈ আগুৱাই নিব?

প্ৰথম প্ৰশ্ন উত্থাপনৰ কোনো থল নাথাকিলহেঁতেন যদিহে ld Health Organization (W.H.O.) এ অনুমোদন কৰা Skill education স্কুল-কলেজ সমূহত প্ৰৱৰ্তিত হ'লহেঁতেন। স্কুল-কলেজত আহৰণ কৰা সৰহসংখ্যক জ্ঞানেই আমাৰ াৰিক আৰু বাস্তৱ জীৱনত যথাৰ্থ প্ৰয়োগ নহয়। সেয়েহে বিক জীৱনযুদ্ধত আমি প্ৰায়ে পিচল খাওঁ। জীৱন শৈলীৰ শিক্ষা কলেজত প্ৰৱৰ্তন কৰিলে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ জীৱন বহুত হ'লহেঁতেন বুলি মোৰ ধাৰণা। এই জীৱনশৈলী শিক্ষাৰ প্ৰধান য় সমূহ হ'ল—

(ক) Problem Solving- কেনেকৈ এটা সমস্যাৰ সুকলমে ান বিচাৰিব পাৰি। (খ) Decision Making- ইয়াৰ দ্বাৰা ন্ন OPTION building জৰিয়তে এটা সমস্যাৰ ক্ষেত্ৰত ন্তত উপনীত হ'ব পাৰি। (গ) COPING with Stress- দ্বাৰা বিভিন্ন হেঁচাৰ (শাৰীৰিক আৰু মানসিক) লগত পৰিচিত নিঃশেষ কৰিব পাৰি। (ঘ) COPING with Emotion, (ঙ) ative Thinking (চ) Critical Thinking, (ছ) Empathy, Effective Communication Skill, (ঝ) Interpersonal l Development, (ঞ) Self Awareness

মই ওপৰত উল্লেখ কৰা জীৱনশৈলী সমূহ যদি ছাত্ৰ-ছাত্ৰীয়ে ত্ব কৰে তেন্তে তাতেই মোৰ উত্তৰ লুকাই আছে।

(২) 'ল'ৰা-ছোৱালীৰ বাবে মাক-দেউতাকে সদায় হিত চিন্তা '— এনেকুৱা এটা ধাৰণা প্ৰবাহমান। কিন্তু ভাল-বেয়াটো পক্ষিক আৰু সময় সাপেক্ষ। খলিল জিব্ৰানে কোৱাৰ দৰে— -দেউতাকে ল'ৰা-ছোৱালীৰ যুগত বাস কৰিব লাগিব, ল'ৰা ালী মাক-দেউতাকৰ যুগত নহয়। এইখিনিতে ল'ৰা-ছোৱালী মাক-দেউতাকৰ সংঘাত সৃষ্টি হয়। আপুনি এই সম্পৰ্কে কি ?

অধিক সংখ্যক পিতৃ-মাতৃয়ে প্ৰকৃততে নিজৰ সন্তানৰ হিত কৰে। কিন্তু তেনেহ'লে কিয় পিতৃ-মাতৃৰ লগত সন্তানৰ সৰ্বদাই সিক সংঘাতৰ সৃষ্টি হয়। কাৰণ হ'ল lack of effective mmunication. বহু পিতৃ-মাতৃয়ে সন্তানক নিজৰ ভালপোৱা াকৈ প্ৰকাশ কৰাটো দুৰ্বলতাৰ পৰিচয় বুলি গণ্য কৰে। তেনে লে সন্তানে 'চল' পাব বুলি ভ্ৰান্ত ধাৰণা থাকে। নিজৰ ভালপোৱা, াপোৱা, জীৱনৰ মূল্যবোধ, আৱেগ-অনুভূতিসমূহ সদায় াপটীয়াকৈ নিজৰ সন্তানৰ আগত প্ৰকাশ কৰাটো উচিত। অৱশ্যে তেনে কৰোতে Limit seltingৰ প্ৰতি ধ্যান দিব লাগে। কিছু পি মাতৃয়ে নিজৰ অপূৰণীয় আকাংক্ষাসমূহ সন্তানৰ জৰিয়তে কৰিব খোজে। যিটো মোৰ বোধেৰে অত্যন্ত ভুল। নিজৰ সন শক্তি আৰু দুৰ্বলতা বিচাৰ কৰি তেওঁলোকৰ ধ্যান-ধাৰণাক স কৰি সঠিক পথ দেখুৱাই দিয়াটোহে পিতৃ-মাতৃৰ প্ৰকৃত ক 'Khalil Gibran' ৰ কথাৰেই কওঁ 'Our children are not children, they are the children of life longing for it They come through us but not from us. They with us but they donot belog to us. You can h their bodies but not the souls...' আমাৰ সন্তানবিলাক অ সম্পত্তি নহয়। তেওঁলোকৰ নিজস্বতা আছে। তেওঁলোক আৰু অনন্য।

(৩) নৈতিকভাৱে সবল হ'লেও কেতিয়াবা বিভিন্ন মানসিক ৰোগৰ ফলত নিজকে সুষ্ঠভাৱে সামাজিক প্ৰক্ৰিয়াৰ জড়িত ৰাখিব নোৱাৰে। তেনে ক্ষেত্ৰত আধ্যাত্মিকতা মনোবৈজ্ঞানিক ভূমিকা কি?

কিছু সংখ্যক গুৰুতৰ মানসিক ৰোগত আক্ৰান্ত ৰো বিনাচিকিৎসাই কেৱল সবল নৈতিকতাৰে সমাজৰ লগত মিলাব নোৱাৰে। এনে ৰোগীৰ ক্ষেত্ৰত আধ্যাত্মিকত মনোবৈজ্ঞানিক প্ৰক্ৰিয়াৰ বিশেষ প্ৰাসংগিকতা নাই।

(৪) মানসিক ৰোগক সাধাৰণ ৰোগ বুলি জনসাধাৰণে কৰে। কাৰণ জনসাধাৰণ সচেতন নহয়। এই ক্ষেত্ৰত দায়িত্ব বেছি?

মোৰ বোধেৰে আমাৰ সমাজৰ দৃষ্টিত অৱহেলিত আৰু উ হৈ থকা মানসিক ৰোগীৰ প্ৰতি থকা নিচাত্মক মনোভাৱ আৰু ধাৰণা আঁতৰোৱাৰ দায়িত্ব প্ৰথমে মনোৰোগ চিকিৎসকসকলৰ পিছতেই মনোবৈজ্ঞানিক, সমাজ বিজ্ঞানী, সমাজ সেৱক, সাং আৰু সংবেদনশীল লেখক, ৰাজনৈতিক নেতা, Mass Me লগত জাতীয় ব্যক্তি সকলৰ দায়বদ্ধতা সমাজৰ অন্য নাগৰিকতকৈ বেছি। ❖

*সমূহ সাক্ষাৎকাৰ গ্ৰহণ ঃ তাপসজিৎ শইকীয়া, বৰগোহাঁই, প্ৰান্তিপূজা দুৱৰা।*



# Henry John Stedman Cotton,
# For many are called, but few are chosen.


## Article

- Culture and Cultural Studies- A Progressive Genealogy : **Dr. Garima Kalita** ১২৯
- Beyond Borders : Look East and The North-East : **Dilip Gogoi** ১৩১
- Cloning- Can Man Create a Better Self : **Muzibur Rahman Talukdar** ১৩৫
- GOD and DEVIL, Existence, Good or Evil : **Himangshu Prabal Goswami** ১৩৭
- Forests in India : **Binod Kumar Dey** ১৩৯

## Poem

- Cottonia! Cottonians : **Heremba Prasad Barua** ১৪১
- Beautiful Spring : **Nilakshi Bhuyan** ১৪১
- The Changed 'ME' : **Monika Borgohain** ১৪২
- A Moonlit Night : **Konkona Dutta** ১৪২
- The Storm : **Preety Nath** ১৪৩
- Insomniac : **Uddipana Kalita** ১৪৩

## Story

- Final Destination : **Bandana Chaudhury** ১৪৪
- The Transformation : **Sanjukta Deka** ১৪৬

## Quiz

- Dr. Dilip Kumar Baruah ১৪৮




'I fully recognize that the cause which directly leads you to manifest such warmth of feeling in the establishment of a College in this ancient and historical town... the conviction that increased facilities for higher education in Assam were indispensably necessary. The matter is one that I had intended to take up earlier... The financial difficulty indeed still remains, but I trust to be able to overcome it so far as to be able to construct within this cold season a College in this locality... I hope, the new College building will be completed and crowded with young Assamese students and Bengalis too,... I trust that the College will be a practical success... conclude by wishing all success to the new College, which is to be shortly established.'

**–Henry John Stedman Cotton**



# CULTURE AND CULTURAL STUDIES : A PROGRESSIVE GENEALOGY

**Dr. Garima Kalita**
*Sl.gd.Lecturer, Dept. of English*

If culture is taken to be one form of interrelationship, dialogue or communication between people it attains priority and there is a conducive avenue open for cultural exchanges. Here culture does not necessarily mean performable activities or modes, that can be exhibited: as life and various practices undertaken at several points of time too attain proportionate consideration as lived experiences. Between people, cultural mode attracts and with an equal intensity also repels. Fundamentalism of one kind for one type or class may not be so for the other as for them it may yield loyalty or devotion for a certain cause. So the question of hegemony or domination in a liberal cultural ambience is the most natural state of growth.

Cultural hegemony does not arise because of superiority of class, race or ethnicity or economic state or social hierarchy. The element of functioning domination is based on the emergence of familiarity or the progress of the 'popular'– the evolution of cultural ethos or mode too preferably chosen by the mass or the common popularity. Cultural code of a specific community in a particular time juncture calls for common cultural and ritualistic codes, religious values or wider humanitarian appeal. Media is so influential in this respect that revival of archaic principles or codes become pertinent at such phases of historical necessity. A human individual is culturally constructed, he lives a cultural existence and his ontological preoccupations are preordained by his inherent cultural notions. Hence culture produces human beings, his class-consciousness, his economy and social status within a community and religious vectibules also are set. Contours- psychological or personal, but distinctly apart from biological consideration are ingrained for life.

The study of culture is primarily a community based programme which at times works on a pluralistic level. The cultural backdrop of the North East needs necessary documentation and assessment on the purview of the agenda proscribed by governing institutions, socio-cultural organizations and historical factors. While declared norms and practices refer to a homogenous and unified vision plan, on the pragmatic plane on which the political, ethnicity and community get involved, contradiction, pluralism and conflict do play their decisive parts.

That culture offers proliferated avenues of ideological paradigm serving class interest cannot be denied. But along with it, it also has to be noted that culture does not necessarily preclude ideological strategies which potentially contain political agenda. Conventional Marxist ideology encompasses distinct class interest and a relationship of domination/subjugation over each other. Cultural delineation or expression need henceforth be assessed on the basis of its affiliation towards mass production and mass consumption of cultural products. Here the concept of popular culture which according to Stuart Hall is inadvertently related to the mass people may do away with obvious political hegemony of one kind or the other. Aesthetic prejudices in this case cannot be incorporated as one of the determining factors of class-consciousness. Elitism and popular culture need to be studied not on antagonistic

terms but on a separate *note* of historical necessity. Since culture is accepted as an ideological tool for social reformation– other corollaries too need to be assessed and considered; interconnectedness and diverse trajectories of 'dominant' and 'residual' of Raymond Williams in regards to historical categorization of events and modes of culture also need to be emphasized and observed.

In the context of global/local binaries, culture attains a significant area of importance and human faculties need to be processed and used in a rational and organized manner. The urge for globalisation attempts at assimilating the culture diversities and pronounces a unitary and unidimensional purview, but at the same time primitive human instinct for assertion and domination hankers after local specification and elements of diversification. Hence the conflicting notions of assimilation and diaspora, identity and division between specific and general tend to thwart cultural legacies. Assessing culture within the parameters of Raymond Williams' views of timeless universal values of human existence, documentation of diverse practices, traditions and above all as a way of life or the ways how social and political institutions tend to work, would by no means preclude so many other divergent notions already existent. Especially political, social and economic frameworks are bound to be interpreted by individual responses.

Now patterns of culture would invariably call for discourse analysis, a sort of archaeology or genealogy of common culture and corresponding high culture. Common culture is formed with the 'extraordinary in the ordinary, which is extraordinary' symbolic creativity of the multitude. (Phillis in *Common culture : Symbolic Work at Play*) These make for details of everyday habits and practices, modes and behaviours: impose significance and importance to them by habitual practices. These symbolic activities like use of music, dance, TV discussion etc. are not to be called 'trivial or inconsequential' -- for they have their own positions in the categories of culture. The antithetical position of Hoggart and Stuart Hall as cultural critics in fact do not undermine a valued appreciation of widespread cultural paradigm, as diversity is a basic element or characteristic of cultural practices. So Haggart's notion of 'popular' identifying with degenerated or 'low' in today's appreciation points to a mere categorizing of paradoxical norms and modes within cultural communities.

Bringing in the basic structural paradigm within cultural studies, Foucault's investigative analyses of institutions and subjects become authoritative and comprehensive and this kind of comprehensibility is not called for in case of cultural practices. It admits divergences and variations or conflicts, yet it does not necessarily yield to knowledge/power dialectics. Seminal and basic formulations are practiced and thought over; at times discourses are made out of it and that delimits the dimension of culture. Again culture extends to specific historical power positions and political discourses are constructed. So herein cultural studies politically implicated speeches, dialogues and practices form part of wider cultural agenda but lacks an active involvement in the comprehensive expressions of the societal norms and modes.

Culture as dialogic principle frees itself from rigid confinement of structure. Claude Levi Strauss's cultural anthropology is based on semiotics or cultural signs. Primitive social units had, as he saw them, underlying general structures like language (general and specific) and were regulated by principles of binary differences.

Of all seemingly possible interpretations of cultural states, culture working as a dialogic principle could be accepted as the most meaningful one as it serves the purpose of bridging pathways between people-assimilating lives, coordinating modes and expressions and harmonizing beliefs.

The growing need for studying diverse cultural phenomena has become a prerequisite in the globalised world scenario. Because communities are at times at subsistence level, which makes them dacadent, and that state may not be working well with changing cultural perspectives of the people belonging to those communities. In the present condition of free market economy and liberalization of capital investment the common cultural denominator would, in a large way, be the typical behavioural pattern of a consumer. The bigger imperial markets would lure the consumer and the buying would replace all other fascinations and every other obsessions. Commodity markets in fact have started working to attract cultural items that are saleable at a large sacle. So the notion of the much discussed 'popular culture' may in its grasp, encompass diverse states and products related to modes and ways of living.

